ITKS 04

ভাৰতীয় পাৰম্পৰিক জ্ঞান পদ্ধতি

ছয়মহীয়া চার্টিফিকেট পাঠ্যক্রম

ভাৰতীয় জ্ঞান পদ্ধতিৰ কিছু গুৰুত্বপূর্ণ দিশ

পদ্মনাথ গোহাঞি বৰুৱা মানবিকী বিদ্যা অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক দীপক কুমাৰ **শর্মা**, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক জগদীশ **শর্মা**, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° ইন্দ্রানী ডেকা, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, পিঙ্কু কলিতা, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, লীনা ওজাঁ, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	**অৰিহণা যোগাইছে**
১, ১২	অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
২, ৩	ড° ইন্দ্রানী ডেকা, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৪	পিঙ্কু কলিতা, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৫	ড° ইন্দ্রানী ডেকা, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৬	ড° বিনীমা বুজৰবৰুৱা, সহযোগী অধ্যাপিকা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
৭, ৮, ৯, ১০	অধ্যাপক জগদীশ **শর্মা**, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
১১	ড° ভাগ্যশ্রী **শর্মা**, সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, ডিব্রুগড় বিশ্ববিদ্যালয়
১৩	ড° নিলাক্ষী দেৱী, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ চৰকাৰী সংস্কৃত মহাবিদ্যালয়
১৪	ড° ভাৰতী গোস্বামী, প্রাক্তন মুৰব্বী অধ্যাপিকা, বি. বৰুৱা মহাবিদ্যালয়, গুৱাহাটী

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যাপিকা শ্রুতিধৰা চক্রৱর্তী, প্রাক্তন মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অধ্যায় ১, ৬
ড° ভাৰতী গোস্বামী, প্রাক্তন মুৰব্বী অধ্যাপিকা, বি. বৰুৱা মহাবিদ্যালয়, গুৱাহাটী, অধ্যায় ২, ৩, ৮, ৯, ১০, ১২
ড° ৰঞ্জিতা গোস্বামী, মুৰব্বী অধ্যাপিকা, আর্য বিদ্যাপীঠ মহাবিদ্যালয়, গুৱাহাটী, অধ্যায় ৪
অধ্যাপক জগদীশ **শর্মা**, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অধ্যায় ৫, ১৪
ড° সুধেন্দু মোহন ভদ্র, প্রাক্তন মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ, কটন মহাবিদ্যালয়, গুৱাহাটী, অধ্যায় ৭
ড° ৰশ্মিৰেখা গোস্বামী, সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অধ্যায় ১১
অধ্যাপিকা মুক্তা বিশ্বাস, প্রাক্তন মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অধ্যায় ১৩

গাঁথনিক সম্পাদনা ঃ পিঙ্কু কলিতা, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রকাশ ঃ জানুৱাৰী, ২০২৬ ISBN: 978-93-7839-022-7

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এই স্ব-শিক্ষণ সামগ্রী ক্রিয়েটিভ কমন্স এটিবিউচন-নন-কমার্চিয়েল-শ্বেয়াৰএলাইক ৪.০ লাইচেন্স (আন্তঃৰাষ্ট্রীয়) ঃ http//creativecommons.org/licences/by-nc-sa/4.0 ৰ অধীনত উপলব্ধ কৰা হৈছে। http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ভাৰতীয় পাৰম্পৰিক জ্ঞান পদ্ধতি চার্টিফিকেট পাঠ্যক্রমৰ চতুর্থ পাঠ্যবিষয়ৰ বাবে এই পাঠখিনি প্রস্তুত কৰা হৈছে। এই পাঠ্যবিষয়টিত ভাৰতীয় পৰম্পৰাগত জ্ঞান পদ্ধতিৰ বহুতো উল্লেখযোগ্য বিষয় অন্তর্ভুক্ত কৰা হৈছে। পাঠ্যবিষয়টিৰ নাম হ'ল- ভাৰতীয় জ্ঞান পদ্ধতিৰ কিছু গুৰুত্বপূর্ণ দিশ। ইয়াত সর্বমুঠ চৈধ্যটা (১৪) অধ্যায় আছে । অধ্যায়সমূহ হ'ল —

অধ্যায় ১ঃ অর্থশাস্ত্র ঃ (সাধাৰণ আলোচনা)
অধ্যায় ২ঃ হিতোপদেশঃ (মিত্রলাভঃ)
অধ্যায় ৩ঃ সুভাষিতম্
অধ্যায় ৪ঃ পঞ্চতন্ত্র (সাধাৰণ অধ্যয়ন)
অধ্যায় ৫ঃ অসমৰ উল্লেখযোগ্য দেৱ-দেৱালয়সমূহৰ অধ্যয়ন
অধ্যায় ৬ঃ মনুসংহিতা— সাধাৰণ অধ্যয়ন
অধ্যায় ৭ঃ নাৰদস্মৃতি ঃ সাধাৰণ পৰিচয়
অধ্যায় ৮ঃ যাজ্ঞৱল্ক্যস্মৃতি ঃ সাধাৰণ পৰিচয়
অধ্যায় ৯ঃ চৰকসংহিতা ঃ সাধাৰণ আলোচনা
অধ্যায় ১০ঃ সুশ্রুতসংহিতা ঃ সাধাৰণ পৰিচয়
অধ্যায় ১১ঃ বিভিন্ন ভাৰতীয় কলা
অধ্যায় ১২ঃ সংস্কৃত ব্যাকৰণৰ উৎপত্তি আৰু বিকাশ
অধ্যায় ১৩ঃ প্রাচীন ভাৰতীয় শিক্ষানুষ্ঠানসমূহ
অধ্যায় ১৪ঃ শ্রীমদ্ভগৱদ্গীতাত ব্যক্তিত্ব বিকাশ

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰিব। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। 'জানি থোৱা ভাল' বাকচবোৰৰ যোগেদি আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। আকৌ 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান আৰ্হি প্রশ্ন তুলি দিয়া হৈছে। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ঃ **অর্থশাস্ত্র ঃ (সাধাৰণ আলোচনা)** **৭-১৬**

অর্থশাস্ত্ৰৰ ৰচয়িতা; অর্থশাস্ত্ৰৰ বিষয়বস্তু; অর্থশাস্ত্ৰৰ নামকৰণৰ তাৎপর্য; ভাৰতীয় পৰম্পৰাত অর্থশাস্ত্ৰৰ গুৰুত্ব।

অধ্যায় ২ঃ **হিতোপদেশঃ (মিত্রলাভঃ)** **১৭-৩০**

হিতোপদেশৰ চমু পৰিচয় ঃ হিতোপদেশৰ কথামুখৰ চমু আভাস; মিত্রলাভৰ চমু পৰিচয় ঃ মিত্রলাভৰ উপকাহিনীসমূহৰ নাম উল্লেখ; মিত্রলাভৰ মূল কাহিনীৰ সংস্কৃত পাঠ; মূল কাহিনীৰ সংস্কৃত পাঠৰ শব্দার্থ, মূল কাহিনীৰ অসমীয়া অনুবাদ; উপকাহিনীৰ সংস্কৃত পাঠ (মৃগজম্বুকয়োঃ কথা) ঃ উপকাহিনীৰ সংস্কৃত পাঠৰ শব্দার্থ, উপকাহিনীৰ অসমীয়া অনুবাদ।

অধ্যায় ৩ঃ **সুভাষিতম্** **৩১-৪১**

সত্যৰ বিষয়ে সুভাষিত; ধর্মৰ বিষয়ে সুভাষিত; জ্ঞানৰ বিষয়ে সুভাষিত; মহাপুৰুষৰ বিষয়ে সুভাষিত; কিছুমান গুৰুত্বপূর্ণ সুভাষিত।

অধ্যায় ৪ঃ **পঞ্চতন্ত্র (সাধাৰণ অধ্যয়ন)** **৪২-৪৯**

পঞ্চতন্ত্ৰৰ লেখকৰ চমু পৰিচয়; পঞ্চতন্ত্ৰৰ চমু পৰিচয় ঃ পঞ্চতন্ত্র গ্রন্থখনৰ উদ্দেশ্য, পঞ্চতন্ত্ৰৰ ভাষা আৰু শৈলী; পঞ্চতন্ত্ৰৰ কথামুখৰ চমু পৰিচয়; পঞ্চতন্ত্ৰৰ ভাগসমূহৰ চমু পৰিচয়।

অধ্যায় ৫ঃ **অসমৰ উল্লেখযোগ্য দেৱ-দেৱালয়সমূহৰ অধ্যয়ন** **৫০-৬৭**

প্রাচীন অসমত দেৱ-দেৱালয় নির্মাণৰ প্রস্তুতি; অসমৰ উল্লেখযোগ্য শক্তিপূজাৰ স্থলসমূহ; অসমৰ উল্লেখযোগ্য শিৱপূজাৰ স্থলসমূহ; অসমৰ উল্লেখযোগ্য বিষ্ণুপূজাৰ স্থলসমূহ।

অধ্যায় ৬ঃ **মনুসংহিতা— সাধাৰণ অধ্যয়ন** **৬৮-৭৫**

ধর্ম আৰু ধর্মশাস্ত্ৰৰ চমু আভাস ঃ ধর্মৰ অর্থ, ধর্মশাস্ত্ৰৰ পৰিচয়; মনুসংহিতাৰ বিশদ ধাৰণা ঃ মনু আৰু মনুসংহিতাৰ পৰিচয়, মনুসংহিতাৰ বিষয়বস্তু, কেইটামান গুৰুত্বপূর্ণ বিষয়ৰ সম্যক জ্ঞান।

অধ্যায় ৭ঃ **নাৰদস্মৃতি ঃ সাধাৰণ পৰিচয়** **৭৬-৮৯**

স্মৃতি ঃ সংক্ষিপ্ত পৰিচয়; স্মৃতি আৰু ধর্মশাস্ত্ৰৰ সম্বন্ধ; ধর্মশাস্ত্র অথবা স্মৃতিৰ মূল বিষয় ধর্ম; ধর্মবিষয়ক প্রাচীন গ্রন্থ ধর্মসূত্র; স্মৃতিৰ সংখ্যা; স্মৃতিৰ বিষয়বস্তু; কেইখনমান প্রমুখ স্মৃতি; নাৰদস্মৃতি ঃ নাৰদস্মৃতিৰ ৰচনা কাল, নাৰদস্মৃতিৰ বিষয়বস্তু, নাৰদস্মৃতিৰ সংকলন, নাৰদস্মৃতিৰ ভাষ্যকাৰ।

অধ্যায় ৮ঃ যাজ্ঞৱল্ক্যস্মৃতি ঃ সাধাৰণ পৰিচয় **৯০-১০০**

যাজ্ঞৱল্ক্য ঃ মনু আৰু যাজ্ঞৱল্ক্য, কেটিলীয় অর্থশাস্ত্ৰ আৰু যাজ্ঞৱল্ক্য; যাজ্ঞৱল্ক্যস্মৃতি ঃ যাজ্ঞৱল্ক্যস্মৃতিৰ বিষয়বস্তু, যাজ্ঞৱল্ক্যস্মৃতিৰ ৰচনাকাল, যাজ্ঞৱল্ক্যস্মৃতিৰ সংকলন, যাজ্ঞৱল্ক্যস্মৃতিৰ টীকা।

অধ্যায় ৯ঃ চৰকসংহিতা ঃ সাধাৰণ আলোচনা **১০১-১১০**

আয়ুর্বেদ ঃ আয়ুর্বেদৰ অবতৰণ; চৰকসংহিতাৰ পৰম্পৰা; চৰকসংহিতাৰ অধ্যায় বিভাগ; চৰকসংহিতাৰ অধ্যায়সমূহৰ নামাকৰণ; চৰকসংহিতাৰ টীকাকাৰ।

অধ্যায় ১০ঃ সুশ্রুতসংহিতা ঃ সাধাৰণ পৰিচয় **১১১-১২২**

আয়ুর্বেদ; আয়ুর্বেদৰ অৱতৰণ; প্রাৰম্ভিক গ্রন্থত আয়ুর্বেদ; 'সুশ্রুতসংহিতা'ৰ পৰম্পৰা; 'সুশ্রুতসংহিতা'ৰ অধ্যায় বিভাগ; 'সুশ্রুতসংহিতা'ৰ বিষয়বস্তু।

অধ্যায় ১১ঃ বিভিন্ন ভাৰতীয় কলা **১২৩-১৩৩**

কলা সম্পর্কে ধাৰণা; ভাৰতীয় কলাৰ পৰিচয়; ভাৰতীয় কলাৰ বিভিন্ন প্রকাৰ ঃ সংগীত কলা, নৃত্য কলা, নাট্য কলা, চিত্র কলা, স্থাপত্য ভাস্কর্য কলা।

অধ্যায় ১২ঃ সংস্কৃত ব্যাকৰণৰ উৎপত্তি আৰু বিকাশ **১৩৪-১৪৭**

ব্যাকৰণৰ লক্ষণ, বেদাঙ্গৰ ৰূপত ব্যাকৰণ, পাণিনিপূর্ববর্ত্তী বৈয়াকৰণসকল, পাণিনিব্যাকৰণ, পাণিনিৰপৰবর্ত্তী ব্যাকৰণ।

অধ্যায় ১৩ঃ প্রাচীন ভাৰতীয় শিক্ষানুষ্ঠানসমূহ **১৪৮-১৬০**

প্রাচীন ভাৰতীয় শিক্ষা ব্যৱস্থা ঃ প্রাচীন ভাৰতীয় শিক্ষানুষ্ঠানসমূহ, তক্ষশীলা, নালান্দা, বিক্রমশীলা, বাৰাণসী, মিথিলা, বল্লভী, নদিয়া বা নৱদ্বীপ, জগদ্দলা, উদান্তপুৰী বিশ্ববিদ্যালয়, বিভিন্ন মন্দিৰ মহাবিদ্যালয়।

অধ্যায় ১৪ঃ শ্রীমদ্ভগৱদ্গীতাত ব্যক্তিত্ব বিকাশ **১৬১-১৭০**

গ্রন্থ পৰিচয়; ব্যক্তিত্বৰ ধাৰণা আৰু সংজ্ঞা; ব্যক্তিৰ শব্দৰ তাৎপর্য্য; ব্যক্তিত্ব বিকাশত সহায় কৰা দিশসমূহ; ব্যক্তিত্ব বিকাশত গীতাৰ ভূমিকা।

প্রসংগ পুথি **১৭১-১৭২**

অধ্যায় ১ঃ অর্থশাস্ত্র ঃ (সাধাৰণ আলোচনা)

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ অর্থশাস্ত্ৰৰ ৰচয়িতা

১.৪ অর্থশাস্ত্ৰৰ বিষয়বস্তু

১.৫ অর্থশাস্ত্ৰৰ নামকৰণৰ তাৎপর্য

১.৬ ভাৰতীয় পৰম্পৰাত অর্থশাস্ত্ৰৰ গুৰুত্ব

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৮ অধিক জানিবলৈ

১.৯ অগ্রগতিৰ খতিয়ান

১.১০ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- অর্থশাস্ত্ৰৰ বিষয়ে জানিব পাৰিব।
- অর্থশাস্ত্ৰৰ লিখকৰ বিষয়ে অৱগত হ'ব।
- অর্থশাস্ত্ৰৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব।
- অর্থশাস্ত্ৰৰ নামকৰণৰ তাৎপর্যৰ বিষয়ে জানিব।
- সমগ্র ভাৰতৰ বিভিন্ন গ্রন্থসমূহৰ মাজত অর্থশাস্ত্ৰৰ যিটো সুকীয়া স্থান আছে সেই বিষয়েও অৱগত হ'ব।

১.২ পৰিচয়

সমগ্র সংস্কৃত সাহিত্যৰ তথা ভাৰতীয় পৰম্পৰাৰ ভিতৰত এখন অমূল্য গ্রন্থ হ'ল অর্থশাস্ত্র। নামকৰণৰক্ষেত্রত 'অর্থ' পদটোৰ অৱস্থিতি থাকিলেও প্রকৃততে এইখন এখন সমাজশাস্ত্র। প্রাচীন ভাৰতীয় সমাজৰ বিভিন্ন দিশৰ সূক্ষ্মাতিসূক্ষ্ম বিষয়ক লৈ কৰা অতি গভীৰ অধ্যয়ন আৰু আলোচনাৰ প্রতিফলন ঘটিছে এই গ্রন্থত। পণ্ডিতপ্রৰৰ কৌটিল্যৰ ৰাজনীতি সম্বন্ধীয় জ্ঞানৰ আধাৰত ৰচিত হোৱা এই গ্রন্থখনে ৰাজ্য বা সমাজৰ সফল শাসনব্যৱস্থা তথা সার্থক বিধি-নিয়মৰ প্রতিচ্ছবি দাঙি ধৰিছে। প্রাচীন ভাৰতৰ নন্দবংশক সমূলে উৎখাত কৰাৰ বাসনা মনত লৈ আগবাঢ়ি যোৱা চাণক্য বা কৌটিল্যৰ বাস্তৱ অভিজ্ঞতাসম্পন্ন সুগভীৰ জ্ঞানৰ পৰাকাষ্ঠা দেখিবলৈ পোৱা যায় অর্থশাস্ত্রত। সেই কাৰণেই কোৱা হয় যে অর্থশাস্ত্রখন কেৱল মাত্র ৰাজনীতি বা দণ্ডনীতিৰ গ্রন্থ নহয়। এইখন গ্রন্থ হৈছে সমাজ এখনত প্রচলিত প্রায় সকলো বিষয়ক সামৰি লোৱা এটি গৱেষণাসমৃদ্ধ তথা ব্যৱহাৰিক উপযোগিতা থকা মহামূল্যবান জ্ঞানৰ ভাণ্ডাৰ স্বৰূপ। ৰাজনীতি বা দণ্ডনীতিৰ বাহিৰেও অর্থশাস্ত্রত আলোচিত হৈছে আয়ুর্বেদ, বাস্তুবিদ্যা, ধনুর্বেদ, উদ্ভিদবিদ্যা, ইতিহাস আদি বিষয়সমূহ। সেই কাৰণে যুগ যুগ ধৰি পণ্ডিতসকলে এই গ্রন্থ অধ্যয়ন কৰি নিজৰ নিজৰ ক্ষেত্রত বহুতো জ্ঞানৰ সন্ধান লাভ কৰিছে। বর্তমান যুগতো এই গ্রন্থৰ প্রাসংগিকতা

সমানভাৱেই প্রযোজ্য। প্রাচীন ভাৰতীয় সমাজৰ বিষয়ে অধ্যয়ন কৰিবলৈ গ'লে অর্থশাস্ত্রৰ জ্ঞান অবিহনে এখোজো আগবাঢ়িব নোৱাৰি। তদুপৰি বর্তমানকালৰ বিভিন্ন সমস্যাৰ সমাধানৰ ক্ষেত্রত অর্থশাস্ত্রৰ বিষয়ে থকা জ্ঞানৰ উপযোগিতাৰ কথা কোনোমতেই নুই কৰিব নোৱাৰি। বর্তমান যুগত প্রচলিত হৈ থকা বহুতো শাসন তথা বিচাৰ ব্যৱস্থাৰ মূলটো অর্থশাস্ত্রত পোৱা যায়। গতিকে আজিৰ যুগতো কৌটিল্যৰ অর্থশাস্ত্রৰ উপযোগিতা সমানেই প্রৱাহমান। ইতিহাস, শাসনব্যৱস্থা, দণ্ডনীতি বা সমাজনীতিৰ শিক্ষার্থী এজনৰ বাবে অর্থশাস্ত্রৰ অধ্যয়ন অতিকৈ প্রয়োজনীয়। এই অধ্যায়টিত আপুনি কৌটিল্যৰ অর্থশাস্ত্রৰ বিষয়ে এটি সাধাৰণ জ্ঞান লাভ কৰিব। তদুপৰি সমগ্র ভাৰতীয় সমাজত এই গ্রন্থৰ গুৰুত্ব কেনেকুৱা সেই বিষয়েও আপুনি অৱগত হ'ব।

১.৩ অর্থশাস্ত্রৰ ৰচয়িতা

অর্থশাস্ত্রৰ ৰচক হিচাপে কৌটিল্যৰ নামটোৱেই সর্বাধিক জনপ্রিয়। কিন্তু তেওঁ চাণক্য আৰু বিষ্ণুগুপ্ত নামে�ৰেও জনাজাত। কৌটিল্য আৰু চাণক্য— এই দুয়োটা নাম আৰু তাৰ অর্থ লৈ পণ্ডিতসকলৰ মাজত যথেষ্ট মতবিৰোধ দেখিবলৈ পোৱা যায়। কিছুমান পণ্ডিতৰ মতে কৌটিল্য পদটো 'কুটিল' শব্দৰ পৰা অহা হেতুকে গ্রন্থকাৰ এজনৰ বিষয়ে প্রয়োগ কৰাটো সমীচীন নহয়। গতিকে কুটল গোত্রৰপৰা জন্ম হোৱা কাৰণে কৌটল্য শব্দটোহে গ্রহণযোগ্য বুলি তেওঁলোকে মত প্রকাশ কৰে। কিন্তু এই অভিমতটো সর্বজনগ্রাহ্য নহয় আৰু অর্থশাস্ত্রৰ ৰচয়িতা হিচাপে কৌটিল্য নামটোৱেই অধিক জনাজাত। সেই কাৰণে অর্থশাস্ত্রৰ প্রণেতা বুলি ক'লে সাধাৰণভাৱে কৌটিল্যৰ নামটোৱেই উচ্চাৰণ কৰা হয়। চাণক্য শব্দটোৰ অর্থ বিশ্লেষণ লৈও পণ্ডিতসকল একমত নহয়। কিছুসংখ্যক পণ্ডিতৰ মতে চণক নামৰ ঋষিজনৰ পুত্রহোৱা বাবে কৌটিল্যক চাণক্য বুলি অভিহিত কৰা হয়। আন কিছুসংখ্যক পণ্ডিতে কয় যে 'চণক' নামৰ ঠাইত জন্মগ্রহণ কৰা বাবে চণক পদটোৰ পৰা চাণক্য পদটোৰ উৎপত্তি হৈছে। আকৌ অর্থশাস্ত্রৰ প্রণেতা হিচাপে বিভিন্ন গ্রন্থত বিষ্ণুগুপ্তৰ নামটো পোৱা যায়। উদাহৰণস্বৰূপে ক'ব পাৰি যে কামন্দকীয় নীতিসাৰত, বিশাখদত্তপ্রণীত মুদ্রাৰাক্ষস নামৰ নাটকত তথা আচার্য দণ্ডী বিৰচিত দশকুমাৰ চৰিতত অর্থশাস্ত্রকাৰ হিচাপে বিষ্ণুগুপ্ত নামটো উক্ত হৈছে। কিছুসংখ্যক পণ্ডিতৰ মতে আকৌ বিষ্ণুগুপ্ত আৰু চাণক্য হ'ল দুজন পৃথক ব্যক্তি। কিন্তু এই অভিমতৰ সপক্ষেও নিশ্চিত প্রমাণ পোৱা নাযায়। বহু যুগ ধৰি চলি অহা ধাৰণা মতে বিষ্ণুগুপ্ত চাণক্য বা কৌটিল্যৰে প্রকৃত নাম। কুটিল বা বেঁকা বুদ্ধিযুক্ত হোৱা বাবে তেওঁক কৌটিল্য বুলি অভিহিত কৰা হয়। মুদ্রাৰাক্ষস নাটকত 'কৌটিল্যঃ কুটিলমতিঃ' বুলি যি ধাৰণা আগবঢ়োৱা হৈছে সেইটোৰ পৰাও অনুমান কৰা যায় যে কুটিল বুদ্ধি যুক্ত হোৱা বাবেই চাণক্য বা বিষ্ণুগুপ্তক কৌটিল্য বুলি কোৱা হৈছিল। অর্থশাস্ত্র গ্রন্থতেই একাধিকবাৰ অর্থশাস্ত্রৰ ৰচয়িতা হিচাপে কৌটিল্যৰ নাম উল্লেখ কৰা হৈছে। যেনে শাসনাধিকাৰ অংশত কোৱা হৈছে—

সর্বশাস্ত্রান্যনুক্রম্য প্রয়োগমুপলভ্য চ।
কৌটিল্যেন নৱেন্দ্রার্থে শাসনস্য বিধিঃ কৃতঃ।।

এইবোৰ উক্তিৰ পৰা ধাৰণা কৰা যায় যে কৌটিল্যই আছিল অর্থশাস্ত্রৰ ৰচয়িতা।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ অর্থশাস্ত্রৰ ৰচয়িতা কোন?

.....

.....

প্রশ্ন নং ২ঃ কৌটিল্য শব্দৰ অর্থ কি?

.....

.....

প্রশ্ন নং ৩ঃ কৌটিল্যৰ প্রকৃত নাম কি আছিল?

.....

.....

প্রশ্ন নং ৪ঃ চাণক্য পদটো ক'ৰ পৰা উৎপন্ন হৈছে?

.....

.....

প্রশ্ন নং ৫ঃ কি কি গ্রন্থত অর্থশাস্ত্রৰ ৰচয়িতা হিচাপে বিষ্ণুগুপ্তৰ নাম পোৱা যায়।

.....

.....

১.৪ অর্থশাস্ত্রৰ বিষয়বস্তু

অর্থশাস্ত্রৰ বিষয়বস্তু সম্পূর্ণৰূপে ৰাজ্যশাসনসম্বন্ধীয়। কাৰণ কৌটিল্যৰ মতে প্রজাসকলৰ মঙ্গল সাধন কৰা আৰু ৰাজ্যত সকলোৱে সুখৰ বাবে যথাযথ আইন প্রণয়ন কৰা তথা শত্রু-ৰাজ্যৰ ৰজাৰ কাম-কাজৰ প্রতি লক্ষ্য ৰখাটোৱে আছিল ৰজাসকলৰ মূল কর্ত্তব্য। ৰজাৰ এই প্রাথমিক কর্ত্তব্যৰ কথা মনত ৰাখিহে পূর্ববর্তী আচার্যসকলৰ অভিমত বিচাৰ-বিবেচনা কৰি কৌটিল্যই ৰচনা কৰিছিল অর্থশাস্ত্রৰ নিচিনা অতি গুৰুত্বপূর্ণ গ্রন্থখন। গতিকে স্বাভাৱিকভাৱেই এই গ্রন্থখনৰ বিষয়বস্তু ৰাজ্য শাসনক কেন্দ্র কৰি লিপিবদ্ধ কৰা হৈছে। সমগ্র অর্থশাস্ত্রৰ বিশালতাপূর্ণ বিষয়বস্তুক অধিকৰণ, প্রকৰণ আৰু অধ্যায়ত ভাগ কৰা হৈছে। সম্পূর্ণ অর্থশাস্ত্রত পোন্ধৰটা (১৫) অধিকৰণ আছে, এশ আশিটা (১৮০) প্রকৰণ আছে আৰু এশ পঞ্চাশ (১৫০) টা অধ্যায় আছে। অর্থশাস্ত্রত থকা অধিকৰণসমূহৰ নামবোৰ হ'ল (ক) বিনয়াধিকাৰিক, (খ) অধ্যক্ষ প্রচাৰ, (গ) ধর্মস্থীয়, (ঘ) কণ্টকশোধন, (ঙ) যোগবৃত্ত, (চ) মণ্ডলযোনি, (ছ) ষাড়গুণ্য, (জ) ব্যসনাধিকাৰিক, (ঝ) অভিযাস্যৎকর্ম, (ঞ) সাংগ্রামিক, (ট) সংঘবৃত্ত, (ঠ) আৱলীয়স্, (ড) দুর্গলাভোপায় , (ঢ) ঔপনিষদ, (ণ) তন্ত্রযুক্তি। ইয়াৰ ভিতৰত বিনয়াধিকাৰিকশীর্ষক প্রথম অধিকৰণত ৰজাসকলৰ বিনয়শিক্ষা আৰু বিদ্যাৰ বিষয়ে কোৱা হৈছে, দ্বিতীয় অধিকৰণত বিভিন্ন শাখাৰ অধ্যক্ষসকলৰ কাম-কাজৰ বিষয়ে আলোচনা কৰা হৈছে। অর্থশাস্ত্রৰ ধর্মস্থীয় নামৰ তৃতীয় অধিকৰণত দেৱানী প্রক্রিয়াৰ বিষয়ে কোৱা হৈছে। কণ্টকশোধন নামৰ অধিকৰণত ফৌজদাৰী প্রক্রিয়াৰ বিষয়ে আৰু প্রমাণিত অপৰাধীৰ শাস্তিৰ বিষয়ে আলোচনা কৰা হৈছে। যোগবৃত্ত নামৰ অধিকৰণত গুপ্তচৰবিলাকৰ কাম-কাজৰ কথা আলোচিত হৈছে। মণ্ডলযোনি নামৰ ষষ্ঠ অধিকৰণত বাৰজন ৰজাৰ বিভিন্ন বিষয় লৈ বিষয়বস্তু প্রতিপাদন কৰা হৈছে। ষাড়গুণ্য শীর্ষক অধিকৰণটোত সন্ধি-বিগ্রহ-যান-আসন-দ্বৈধ আৰু আশ্রয় ৰজাসকলৰ এই ছটা গুণৰ বিষয়ে আলোচনা কৰা হৈছে। ব্যসনাধিকাৰিক নামৰ অধিকৰণটোত ৰাজ্যৰ ব্যসন অর্থাৎ বিভিন্ন ধৰণৰ বিপদৰ বিষয়ে আলোচনা আছে। বিজয় ইচ্ছা কৰা ৰজাৰ শত্রু ৰাজ্যৰ প্রতি স্থিৰ কৰা আক্রমণ আদিলৈ বিষয় বস্তুৰ অৱতাৰণা কৰা হৈছে। অভিযাস্যৎকর্মনামৰ অধিকৰণটোত। সাংগ্রামিক নামৰ দশম অধিকৰণত সংগ্রাম অর্থাৎ যুদ্ধৰ বিষয়ে আলোচনা আছে। সংঘবৃত্ত অধিকৰণত বিভিন্ন সংঘ বা শ্রেণীৰ প্রতি কৰিবলগীয়া ৰজাৰ আচাৰ-ব্যৱহাৰৰ বিষয়ে কোৱা হৈছে। আবলীয়স্ নামৰ দ্বাদশ অধিকৰণত যিজন ৰজাই শত্রুৰাজ্য জয় কৰিবলৈ ইচ্ছা কৰিছে অথচ তুলনামূলকভাৱে

দুর্বল— তেনেকুৱা ৰজাৰ কর্ত্তব্যৰ বিষয়ে আলোচনা কৰা হৈছে। দুর্গলাভোপায়নামৰ অধিকৰণত শত্রুসকলৰ দুর্গবিলাক কেনেদৰে অধিকাৰ কৰা যায় সেই বিষয়ে আলোচনা দিয়া হৈছে। ঔপনিষদ শীর্ষক প্রকৰণত শত্রুক কেনেদৰে পৰাস্ত কৰা যায় সেই গূঢ় বিষয় সন্দর্ভত বিষয়বস্তুৰ অৱতাৰণা কৰা হৈছে। সমগ্র অর্থশাস্ত্রত বিভিন্ন ধৰণৰ যি ব্যাখ্যান-ন্যায়ৰ কথা আছে সেইবোৰসম্বন্ধীয় আলোচনাসমৃদ্ধ বিষয়বস্তুৰ অৱতাৰণা কৰা হৈছে তন্ত্রযুক্তি নামৰ অন্তিম অধিকৰণত। এনেদৰে দেখা যায় যে মহামতি কৌটিল্যই ৰচনা কৰা অর্থশাস্ত্র গ্রন্থখনত এজন ৰাজ্যশাসকৰ সকলো দিশ সামৰি লৈ বিষয়বস্তু নির্ণয় কৰা হৈছে। এজন ৰজাৰ আদর্শ হোৱা উচিত জিতেন্দ্রিয় হোৱাটো। আচার্য-কৌটিল্যই গ্রন্থৰ প্রথম ভাগতেই উল্লেখ কৰিছে যে ইন্দ্রিয়জয়েই হ'ল সকলো শ্রেয়বস্তুৰ সাধন। ইন্দ্রিয় সংযম কৰিলেহে ৰজাই নিজৰ প্রকৃত কামৰ বাবে উদ্যোগী হ'ব পাৰিব— এয়াই আছিল কৌটিল্যৰ অভিমত। এই অভিমত হৃদয়ত ৰাখি তেওঁ তেওঁৰ সমগ্র অর্থশাস্ত্র গ্রন্থখনত ৰজাৰ কর্তব্য-অকর্তব্যৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়াইছে। সেই ফালৰ পৰা ক'বলৈ গ'লে অর্থশাস্ত্র গ্রন্থখন বিষয়বস্তুৰ মাহাত্ম্যত সমৃদ্ধিশালী তথা অতি প্রয়োজনীয়।

জানি থোৱা ভাল

১। মীমাংসা গ্রন্থৰ অধ্যায়সমূহক অধিকৰণ বোলা হয়।

২। যিটো অধ্যায়ত এটি নির্দিষ্ট বিষয়ক লৈ আলোচনা আগবঢ়োৱা হয় তাকেই প্রকৰণ বুলি কোৱা হয়। যেনে, ভট্টোজিদীক্ষিতে ৰচনা কৰা বৈয়াকৰণসিদ্ধান্তকৌমুদী গ্রন্থৰ অধ্যায়বোৰক কোৱা হৈছে সংজ্ঞাপ্রকৰণ, পৰিভাষা প্রকৰণ ইত্যাদি।

৩। দেৱানী আৰু ফৌজদাৰী পদ দুটা বিচাৰ প্রক্রিয়াৰ লগত জড়িত। দেৱানী শব্দটোৱে স্বত্বস্থিৰ কৰা সম্পর্কীয় গোচৰ লোৱা আদালতক বুজায় আৰু ফৌজদাৰী পদটোৱে অপৰাধ সংক্রান্ত গোচৰ লোৱা আদালতক বুজায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ অর্থশাস্ত্রত মূল প্রতিপাদ্য বিষয় কি?

.....

.....

প্রশ্ন নং ৭ঃ অর্থশাস্ত্রত কেইটাকৈ অধিকৰণ, প্রকৰণ আৰু অধ্যায় আছে?

.....

.....

প্রশ্ন নং ৮ঃ অর্থশাস্ত্রৰ তৃতীয় অধিকৰণটোৰ নাম কি? এই অধিকৰণৰ আলোচ্য বিষয় কি?

.....

.....

প্রশ্ন নং ৯ঃ যোগবৃত্ত নামৰ অধিকৰণটোত কি বিষয়লৈ আলোচনা কৰা হৈছে?

.....

.....

প্রশ্ন নং ১০ঃ অর্থশাস্ত্রত থকা অন্তিম অধিকৰণটোৰ নাম কি?

.....

.....

প্রশ্ন নং ১১ঃ কৌটিল্যৰ মতে সকলো শ্রেয়বস্তুৰ সাধন কি?

.....

.....

প্রশ্ন নং ১২ঃ ৰাজ্য শাসনৰ ক্ষেত্রত প্রয়োজনীয় ৰজাসকলৰ ছটা গুণ কি কি?

.....

.....

১.৫ অর্থশাস্ত্র নামকৰণৰ তাৎপর্য

কৌটিল্যৰ অর্থশাস্ত্রৰ নামকৰণটোৱে বিশাল তাৎপর্য বহন কৰে। সাধাৰণভাৱে অর্থশব্দটোৱে ধন-সম্পত্তি, টকা-পইচাক বুজায়। সেই কাৰণে অর্থসম্বন্ধীয় শাস্ত্র-অর্থশাস্ত্র এই অর্থ গ্রহণ কৰি বহুতে অর্থশাস্ত্র গ্রন্থখনক অর্থনীতিৰ (Economics) গ্রন্থ বুলি ভাবিবৰ প্রয়াস কৰে। ভাৰতীয় পৰম্পৰা তথা প্রাচীন বিদ্যাসমূহৰ বিষয়ে প্রকৃতজ্ঞান নাথাকিলে অৱশ্যে এনেকুৱা চিন্তা কৰাটো অতি স্বাভাৱিক বুলি ক'ব পাৰা যায়। কাৰণ প্রাচীন ভাৰতীয় পটভূমিত অর্থ শব্দটোৱে এক বিশাল ক্ষেত্রক সামৰি লৈছিল। সেইখিনি কথা অৱগত হ'লেহে অর্থশাস্ত্র শব্দৰ প্রকৃত অর্থ পোৱা যাব। এই অংশত অর্থশাস্ত্র শব্দৰ মূল অর্থ আৰু এই অর্থৰ তাৎপর্যৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ল।

প্রকৃততে দণ্ডনীতিয়েই অর্থশাস্ত্রৰ মূল বিষয়বস্তু। ৰজাৰ বিভিন্ন কর্তব্য-অকর্তব্য, ৰাজ্য শাসন পদ্ধতি, শত্রু ৰাজ্যৰ প্রতি উপযুক্ত দৃষ্টিভঙ্গী— ইত্যাদি বিষয়সমূহক সামৰি লৈ কৌটিল্যই অর্থশাস্ত্র গ্রন্থখন ৰচনা কৰিছে। গতিকে দণ্ডনীতি অর্থশাস্ত্রৰ মুখ্য আলোচনীয় বিষয়। এই দণ্ডনীতি হ'ল চাৰিপ্রকাৰৰ মূল ভাৰতীয় বিদ্যাৰ ভিতৰত এটি। অর্থশাস্ত্রতেই কোৱা হৈছে 'আন্বীক্ষিকী ত্রয়ী বার্তা দণ্ডনীতিশ্চেতি (দণ্ডনীতিঃ + চ + ইতি) বিদ্যাঃ'। অর্থাৎ **আন্বীক্ষিকী** বা হেতুবিদ্যা, ত্রয়ী অর্থাৎ ঋক্‌বেদ, সামবেদ আৰু যজুর্বেদ সম্বন্ধীয় বিদ্যা, বার্তা অর্থাৎ কৃষি-বাণিজ্য-পশুপালন সম্বন্ধীয় বিদ্যা আৰু দণ্ডনীতি বা ৰাজনীতি— এয়াই চাৰিপ্রকাৰৰ মুখ্য বিদ্যা। যদিও প্রাচীন ভাৰতীয় বিদ্যাৰ এই চতুর্ধা বিভাজনক লৈ পণ্ডিতসকলৰ মাজত মতভেদ আছে তথাপি আচার্য্য কৌটিল্যই তেওঁৰ অর্থশাস্ত্রত এই চাৰিপ্রকাৰৰ বিদ্যাকেই স্বীকাৰ কৰিছে। এই চাৰিপ্রকাৰ বিদ্যাৰ ভিতৰত থকা

> **আন্বীক্ষিকী** = আন্বীক্ষিকী পদটোৱে তর্কবিদ্যা বা আত্মবিদ্যাকো বুজায়। গুৰুৰ মুখৰ পৰা শুনাৰ পিছত আলোচনাৰ মাজেদি যি বিদ্যা হৃদয়ঙ্গম কৰা হয় সেই টোৱে আন্বীক্ষিকী। সাংখ্য, যোগ, লোকায়ত— এই তিনিখন শাস্ত্রকেই আন্বীক্ষিকীৰ অন্তর্ভুক্ত কৰা হৈছে। কোৱা হয়— 'সাংখ্যং যোগো লোকায়তং চেত্যান্বীক্ষিকী'।

দণ্ডনীতি নামৰ বিদ্যাকেই মুখ্য হিচাপে লৈ অর্থশাস্ত্র গ্রন্থখনত থকা বিষয়বস্তুৰ অৱতাৰণা কৰা হৈছে। দণ্ডনীতিৰ অস্তিত্বৰ বিষয়ে প্রাচীন পণ্ডিতসকল একমত। আচার্য মনুৱেও তেওঁৰ মনুসংহিতাৰ সপ্তম অধ্যায়ত ৰাজধর্মৰ বিষয়ে আলোচনা কৰিবলৈ গৈ দণ্ডৰ প্রয়োজনীয়তাৰ বিষয়ে কৈছে—

> **যোগ** = যোগপদৰ অর্থ হ'ল ধনৰ উপার্জন আৰু বৃদ্ধি। কোৱা হয়— 'অলব্ধলাভো যোগঃ'। অর্থাৎ আগতে নোপোৱা সম্পদ প্রাপ্তিয়েই হ'ল যোগ।
> **ক্ষেম** = ক্ষেমপদৰ অর্থ হ'ল সম্পদ বা ধনৰ ৰক্ষণাবেক্ষণ। কোৱা হয়—'লব্ধপৰিপালনং ক্ষেমঃ' অর্থাৎ লাভ কৰা ধন বা সম্পত্তিৰ পৰিপালন বা ৰক্ষাই হ'ল ক্ষেম।

দণ্ডঃ শাস্তি প্রজাঃ সর্বাঃ দণ্ডং ধর্মং বিদুর্বুধাঃ। অর্থাৎ দণ্ডই প্রজাসকলক শাসন কৰে, তেওঁলোকক ৰক্ষা কৰে। মানুহ নিদ্রামগ্ন হ'লেও দণ্ড উজাগৰে থাকে। এনেকুৱা দণ্ডকেই জ্ঞানীসকলে ধর্ম বুলি আখ্যা দিয়ে। মহাভাৰতৰ শান্তিপর্বতো দণ্ডৰ উপযোগিতাৰ বিষয়ে স্পষ্টকৈ কোৱা হৈছে—

দণ্ডেন নীয়তে চেদং দণ্ডং নয়তি বা পুনঃ।
দণ্ড নীতিৰিতি খ্যাতা ত্রীন্ লোকান্ অভিবর্ততে।।

অর্থাৎ, দণ্ডৰ জৰিয়তেই জগৎসংসাৰ চালিত হয় আৰু দণ্ডই পুৰুষার্থ লাভৰ কাৰণ হয়। সেই কাৰণে ইয়াক দণ্ডনীতি বুলি কোৱা হয় আৰু এই নীতি ত্রিলোকতেই কার্যশীল। এই কথা সকলোৱে স্বীকাৰ কৰি লৈছে যে জগতখনক অৰাজকতাৰ পৰা ৰক্ষা কৰিব পৰা শক্তি কেৱল দণ্ডৰেই আছে। দণ্ডনীতিৰ এই মহত্ব উপলব্ধি কৰি স্বয়ং কৌটিল্যই তেওঁৰ অর্থশাস্ত্রত কৈছে— 'আন্বীক্ষিকীত্রয়ীবার্তানাং **যোগক্ষেমসাধনো** দণ্ডঃ। তস্য নীতির্দণ্ডনীতিঃ— অলব্ধলাভার্থা, লব্ধপৰিৰক্ষণী, ৰক্ষিতবিবর্ধনী বৃদ্ধস্য তীর্থেষু প্রতিপাদনী চ'। ইয়াৰ অর্থ হ'ল আন্বীক্ষিকী, ত্রিবেদাত্মক আৰু বার্তা এই তিনি প্রকাৰ বিদ্যাৰযোগক্ষেমসাধনকাৰী হ'ল দণ্ড। দণ্ডবিষয়ক নীতিকেই দণ্ডনীতি বোলে। দণ্ডনীতিয়ে নোপোৱা বস্তুক পোৱাই দিয়ে, লব্ধ বস্তুক ৰক্ষণাবেক্ষণ দিয়ে, ৰক্ষা কৰা ধনৰ বৃদ্ধি ঘটায় আৰু বৃদ্ধিপ্রাপ্ত বস্তুক যথাযোগ্যভাৱে নিয়োগ কৰে। এখন সমাজ এনেকুৱা নীতি অবিহনে কেতিয়াও ঠিক পথত চলিব নোৱাৰে। মহামতি কৌটিল্যই পূর্বাচার্যসকলে পৰিবেশন কৰা দণ্ডনীতিৰ বিষয়ে মতামত নিৰীক্ষণ কৰি নিজৰ অন্তর্দৃষ্টিৰে সমাজত দণ্ডৰ প্রয়োজনীয়তা আৰু গুৰুত্ব অনুভৰ কৰি এই বিষয়ক প্রধান হিচাপে গ্রহণ কৰি অর্থশাস্ত্রখন ৰচনা কৰিছে। গতিকে অর্থশাস্ত্র পদটো দণ্ডনীতিৰ বাচক। কৌটিল্যৰ মতে পৃথিৱীৰ লাভৰ বাবে আৰু পালনৰ বাবে অর্থশাস্ত্রৰ প্রয়োজন। এনেকুৱা শাস্ত্র কৌটিল্যৰ পূর্বৱর্তী কিছুমান পণ্ডিতেও ৰচনা কৰি গৈছে আৰু কৌটিল্যও তেওঁলোকৰ পদাঙ্ক অনুসৰণ কৰি এনেকুৱা শাস্ত্র ৰচনাত প্রবৃত্ত হৈছে। এই কথা কৌটিল্যই নিজেই কৈছে তেওঁৰ গ্রন্থত— 'পৃথিব্যা লাভে পালনে চ যাবন্তি অর্থশাস্ত্রানি পূর্বাচার্যৈঃ প্রস্থাপিতানি প্রায়শস্তানি সংহৃত্য একমিদম্ অর্থশাস্ত্রং কৃতম্'। অর্থাৎ পৃথিৱীৰ লাভৰ বাবে আৰু পালনৰ বাবে যি যি অর্থশাস্ত্র পূর্ববর্ত্তী আচার্যসকলে ৰচনা কৰি গৈছে প্রায় সেই সকলোবোৰ একেলগ কৰি এইখন অর্থশাস্ত্র ৰচনা কৰা হ'ল। এই উক্তিৰ পৰা সহজেই অনুমান কৰা যায় যে অর্থশাস্ত্রৰ বিষয়বস্তু পৃথিৱীৰ মানুহৰ লাভৰ বাবে আৰু পৃথিৱীক সঠিকভাৱে পালনৰ বাবেহে প্রস্তুত কৰা হৈছে। অর্থাৎ কি পথ অনুসৰণ কৰিলে পৃথিৱীক সত্য তথা ন্যায়ৰ পথত ৰাখি মানুহৰ উন্নতি সাধন কৰা যাব— সেইটো বিষয়কেই মুখ্য হিচাপে লোৱা হৈছে অর্থশাস্ত্রত। এইখিনিতে মনকৰিবলগীয়া কথাটো হ'ল— অর্থ হ'ল ত্রিবর্গৰ অন্যতম। ধর্ম, অর্থ আৰু কাম এই তিনিটা পুৰুষার্থৰ ভিতৰত অর্থকেই প্রধান হিচাপে গণ্য কৰিছে মহামতি কৌটিল্যই। তেওঁ অর্থশাস্ত্রত কৈছে— 'অর্থ এব প্রধানঃ' অর্থাৎ অর্থই হ'ল ত্রিবর্গৰ ভিতৰত প্রধান। ইয়াৰ কাৰণ হিচাপে কোৱা হৈছে 'অর্থমূলোহি ধর্মকামাবিতি (ধর্মকামৌ + ইতি)' অর্থাৎ ধর্ম আৰু কাম হ'ল অর্থমূল। অর্থক আশ্রয়কৰি ধর্ম আৰু কামৰ বিকাশ হোৱা বাবে অর্থকেই প্রাধান্য দিয়া হৈছে। এই অর্থই হ'ল মানুহৰ বৃত্তি। মানুহৰ বৃত্তিৰূপত থকা অর্থক লৈ শাস্ত্র ৰচনা কৰিলে তাক অর্থশাস্ত্র বোলে। আচার্য কৌটিল্যই অর্থশাস্ত্র পদটোৰ ব্যাখ্যা প্রসঙ্গত কৈছে— 'মনুষ্যানাং বৃত্তিৰর্থঃ, মনুষ্যবতী ভূমিৰিত্যর্থঃ। তস্যাঃ পৃথিব্যাঃ লাভপালনোপায়শাস্ত্রম্ অর্থশাস্ত্রমিতি।' গতিকে দেখা যায় যে মহামতি কৌটিল্যই অর্থশাস্ত্র গ্রন্থত অর্থপদেৰে মানুহযুক্ত পৃথিৱীক বুজাইছে। সেই কাৰণে অর্থশাস্ত্র গ্রন্থখনে পৃথিৱীত থকা মানুহসকলৰ বৃত্তি বা স্থিতিসম্বন্ধীয় শাস্ত্রক বুজায়। গতিকে অর্থশাস্ত্র পদটোৱে ইংৰাজী ইকনমিকস্ বিষয়ক নুবুজায় আৰু বিষয়বস্তুৰ প্রতিপাদনৰ লগত নামকৰণটোৰ সম্পূর্ণ সামঞ্জস্য থকা কাৰণে অর্থশাস্ত্র পদটো সম্পূর্ণ সার্থক ৰূপত প্রযুক্ত হৈছে বুলি ক'ব পাৰি। দণ্ডনীতিৰ লগতো অর্থ নিবিড়ভাৱে যুক্ত হৈ আছে গতিকে দণ্ডনীতিবিষয়ক গ্রন্থক অর্থশাস্ত্র বুলি নামকৰণ কৰাত কোনোধৰণৰ সামঞ্জস্যহীনতা পোৱা নাযায়।

অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১৩ঃ দণ্ডৰ বিষয়ে আচার্যমনুয়ে কি কৈছে।

.....

.....

প্ৰশ্ন নং ১৪ঃ প্ৰাচীন ভাৰতীয় পৰম্পৰা মতে চাৰিপ্ৰকাৰৰ বিদ্যা কি কি?

.....

.....

প্ৰশ্ন নং ১৫ঃ আন্বীক্ষিকী পদটোৰ অর্থ কি?

.....

.....

প্ৰশ্ন নং ১৬ঃ দণ্ডনীতিৰ প্ৰাধান্য কেনেদৰে স্বীকাৰ কৰা হৈছে।

.....

.....

প্ৰশ্ন নং ১৭ঃ অর্থশাস্ত্ৰ পদটোত অর্থ শব্দৰ দ্বাৰা কি বুজোৱা হৈছে?

.....

.....

প্ৰশ্ন নং ১৮ঃ ত্ৰিবৰ্গৰ ভিতৰত কোনটোক প্ৰধান বুলি স্বীকাৰ কৰা হৈছে?

.....

.....

১.৬ ভাৰতীয় পৰম্পৰাত অর্থশাস্ত্ৰৰ গুৰুত্ব

সমগ্ৰ ভাৰতীয় পৰম্পৰাত মহামতি কৌটিল্যই ৰচনা কৰা অর্থশাস্ত্ৰখনৰ এটি বিশেষ মর্যাদা আছে। প্ৰকৃততে জনশ্ৰুতি অনুসৰি নন্দবংশীয় ৰজাই কৰা অপমানৰ প্ৰতিশোধ ল'বলৈ গৈ নন্দবংশক ধ্বংস কৰাৰ মানসেৰে চন্দ্ৰগুপ্তমৌর্যৰ শাসন নিষ্কণ্টক কৰাৰ উদ্দেশ্য লৈ চাণক্য বা কৌটিল্যই অর্থশাস্ত্ৰ গ্ৰন্থখন ৰচনা কৰিছিল। ৰজাৰ শাসনপদ্ধতি নির্ভুলভাৱে প্ৰদর্শন কৰাটোৱেই আছিল কৌটিল্যৰ মুখ্য উদ্দেশ্য। গতিকে অর্থশাস্ত্ৰখন ৰচনা কৰাৰ সময়ত স্বাভাৱিকভাৱেই তেওঁ পূৰ্বাচার্যসকলৰ গ্ৰন্থৰাজি তথা সমাজত প্ৰচলিত ধর্মশাস্ত্ৰাদি গভীৰভাৱে অধ্যয়ন কৰি লৈছিল। অতি তীক্ষ্ণবুদ্ধিৰ অধিকাৰী কৌটিল্যই তেওঁৰ গ্ৰন্থত সূক্ষ্মাতিসূক্ষ্ম বিষয়সমূহকো যথেষ্ট প্ৰাধান্য দি আলোচনা কৰিছে। ফলস্বৰূপে এই গ্ৰন্থখন সমগ্ৰ ভাৰত তথা পৃথিৱীতেই এখন অত্যন্ত উপযোগী প্ৰাচীন গ্ৰন্থ হিচাপে পৰিগণিত হৈছে। এই অংশটিত অর্থশাস্ত্ৰৰ সামগ্ৰিক গুৰুত্বৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ল।

এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে অর্থশাস্ত্ৰ গ্ৰন্থখন কেৱলমাত্ৰ দণ্ডনীতিৰ গ্ৰন্থ নহয় কিন্তু প্ৰাচীন ভাৰতবর্ষৰ ৰাজনীতি, সমাজনীতি, অর্থনীতি, ব্যৱহাৰ, ধর্মব্যৱস্থা, দণ্ডপ্ৰক্ৰিয়া আদি বিষয়বোৰো এই গ্ৰন্থত বিস্তৃতভাৱে আলোচিত হৈছে। কৌটিল্যই ৰজাৰ মুখ্য কর্তব্য হিচাপে প্ৰজাৰ সুখবিধানকে স্থিৰ কৰিছে। ৰজা এজনৰ সকলো সুখ আৰু মঙ্গল প্ৰজাকেন্দ্ৰিক বুলি স্বীকাৰ কৰিছে আচার্য কৌটিল্যই। তেওঁ কৈছে— 'প্ৰজাসুখে সুখং ৰাজ্ঞঃ প্ৰজানাং চ হিতে হিতম্। নাত্মপ্ৰিয়ং হিতং ৰাজ্ঞঃ প্ৰজানাং তু প্ৰিয়ং হিতম্।' ৰাজ্য শাসনত অমাত্যসকলৰ এটি সুদৃঢ় ভূমিকা থকা দেখা যায়। মন্ত্ৰাধিকাৰত কৌটিল্যই নিপুণভাৱে ৰজাই কৰিবলগীয়া গোপন আলোচনাৰ

সঠিক প্রক্রিয়াৰ কথা ব্যক্ত কৰিছে। 'পঞ্চাঙ্গো মন্ত্রঃ' বুলি তেওঁ মন্ত্রণাকার্যৰ বিভিন্ন অঙ্গৰ কথা কৈছে আৰু কিহৰ দ্বাৰা মন্ত্রভেদ হয় সেই বিষয়েও কৌটিল্যই আলোচনা দাঙি ধৰিছে। গুপ্তচৰ সম্পর্কে কৌটল্যই বহুতো প্রয়োজনীয় কথা ব্যক্ত কৰিছে যিবোৰ আজিৰ যুগতো অতি প্রাসঙ্গিক। দূতসমূহ কেনেকুৱা হোৱা উচিত তথা বেলেগ ৰাষ্ট্রত গৈ দূতসমূহে কি কি কর্তব্য পালন কৰিব সেই বিষয়েও আচার্য কৌটিল্যই স্বকীয় অভিমত দাঙি ধৰিছে। অর্থশাস্ত্র গ্রন্থখন অধ্যয়ন কৰিলে জনা যায় যে আচার্য্য কৌটিল্য শ্রমবিভাগ তথা ক্ষমতাৰ বিকেন্দ্রীকৰণৰ প্রৱক্তা আছিল। দণ্ডবিধান কৰা কাৰণে ৰজাক দণ্ডধৰ বুলি ক'লেও অমাত্যসকলৰ হাততো বিভিন্ন বিষয়ত বহুতো ক্ষমতা আছিল। সকলোৰে সম্মিলিত কর্তব্য পালনৰ ওপৰতেই ৰজাৰ সফলতা নির্ভৰ কৰিছিল। অর্থশাস্ত্রত কৌটিল্যই ধন সংগ্রহ প্রক্রিয়াৰ বিষয়েও বিস্তৃত আলোচনা আগবঢ়াইছে। সমাজত কোনটো শ্রেণীৰ মানুহে ৰজাৰ পৰা বিশেষধৰণৰ ৰক্ষণাবেক্ষণ পাব লাগে সেই বিষয়েও আচার্য কৌটিল্যই তেওঁৰ সুগভীৰ অভিমত দাঙি ধৰিছে। উক্ত গ্রন্থত স্বর্ণকাৰ, তন্তুবায়, ৰজক আদি বিভিন্ন বৃত্তিধাৰী মানুহৰ কাম-কাজ তথা নিয়মৰ বিষয়ে কোৱা হৈছে। তদুপৰি চিকিৎসকৰ দায়িত্ব তথা কর্তব্য আৰু কর্তব্যৰ গাফিলতিৰ বাবে হোৱা দণ্ডৰ বিষয়েও আচার্য কৌটিল্যই আলোচনা আগবঢ়াইছে। ইয়াৰ উপৰিও দাসপ্রথা, বিবাহ প্রথা, বিধৱা পুনর্বিবাহ ইত্যাদি বিষয়কো অর্থশাস্ত্রত সন্নিবিষ্ট কৰা হৈছে। সমাজত থকা নাৰীসকলৰ বিভিন্ন অধিকাৰৰ বিষয়েও আচার্য কৌটিল্যই স্বমত দাঙি ধৰিছে। গতিকে ক'ব পৰা যায় যে প্রাচীন যুগতেই ভাৰতীয় সমাজৰ পটভূমিত আচার্য কৌটিল্যই যি গ্রন্থখন ৰচনা কৰি গ'ল তাৰ বিষয়বস্তু আজিৰ যুগতো সমানভাৱে আলোচনাৰ বিষয় হৈ আছে। প্রাচীন ভাৰতৰ অর্থনীতি সমাজনীতি, ৰাজনীতি, দণ্ডনীতি, বিচাৰ ব্যৱস্থা আদিৰ বিষয়ে জানিবলৈ হ'লে অর্থশাস্ত্র গ্রন্থখনৰ অধ্যয়ন একান্ত জৰুৰী বুলি নিঃসন্দেহে ক'ব পৰা যায়। অর্থশাস্ত্র গ্রন্থখনত সেই যুগৰ ভাৰতীয় সমাজখন প্রকৃত ৰূপত প্রতিবিম্বিত হৈছে। ৰামায়ণ-মহাভাৰত আদি গ্রন্থসমূহত যি ভাৰতবর্ষৰ প্রতিচ্ছবি পোৱা যায় সি বহুতো ক্ষেত্রত কবিকল্পনাপ্রসূত আৰু ব্যঞ্জনাকেন্দ্রিক। কিন্তু অর্থশাস্ত্রত প্রতিবিম্বিত হোৱা ভাৰতীয় সমাজখন সম্পূর্ণভাৱে বাস্তৱসম্মত। সেই কাৰণে অর্থশাস্ত্রৰ অধ্যয়নৰ প্রয়োজনীয়তা বর্তমান যুগতো সম্পূর্ণভাৱে অনুভূত হয়। ৰাজনীতিৰ ফালৰ পৰা এইখন এখন অমূল্য গ্রন্থ। বর্তমান যুগৰ বিভিন্ন পণ্ডিতে আজিও অর্থশাস্ত্রৰ বিভিন্ন বিষয়ক লৈ তেওঁলোকৰ গৱেষণাকার্য চলাই আছে। গতিকে ক'ব পৰা যায় যে সমগ্র ভাৰতীয় পৰম্পৰাত কৌটিল্যবিৰচিত অর্থশাস্ত্র গ্রন্থখনে সঁচাকৈয়ে এক গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আছে।

জানি থোৱা ভাল

১। নয় আৰু অপনয় দণ্ডনীতিৰ আলোচ্য বিষয়। কোৱা হৈছে 'নয়াপনয়ৌ (নয় + অপনয়ৌ) দণ্ডনীত্যাম্'। উপযুক্ত ঠাইত সন্ধি-যুদ্ধ আদিৰ প্রয়োগক নয় বোলে আৰু য'ত উপযুক্ততা নাই তেনেকুৱা ঠাইত সন্ধি-যুদ্ধ আদি প্রযুক্ত হ'লে তাক অপনয় বুলি কোৱা হয়।

২। কৌটিল্যই তেওঁৰ অর্থশাস্ত্রত বিভিন্ন ধৰণৰ বিবাহ প্রথাৰ বিষয়ে উল্লেখ কৰিছে। কিছুমান ক্ষেত্রত বিবাহবিচ্ছেদৰ সপক্ষেও কৌটিল্যই অভিমত দাঙি ধৰিছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৯ঃ কৌটিল্যই কাৰ ওপৰত প্রতিশোধ ল'ব খুজিছিল?

.....

.....

প্রশ্ন নং ২০ঃ দণ্ডধৰ বুলি কাক কোৱা হৈছিল?

.....

.....

প্রশ্ন নং ২১ঃ কৌটিল্যৰ দিনত প্রচলিত কিছুমান বৃত্তি উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ২২ঃ শুদ্ধ নে অশুদ্ধ লিখক ঃ

(ক) অর্থশাস্ত্র গ্রন্থখনত বিধবা বিবাহৰ কথা পোৱা যায়।

.....

(খ) অর্থশাস্ত্রখন প্রাচীন ভাৰতীয় দণ্ডনীতিৰ এখন অমূল্য গ্রন্থ।

.....

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- অর্থশাস্ত্র গ্রন্থখনৰ ৰচনাৰ ইতিহাস সম্পর্কে জানিব পাৰিলে।
- অর্থশাস্ত্রৰ ৰচকৰ বিষয়ে অৱগত হ'ল।
- কৌটিল্যৰ প্রকৃত নাম আছিল বিষ্ণুগুপ্ত— সেই বিষয়েও জানিলে।
- অর্থশাস্ত্রৰ বিষয়বস্তুক যে অধিকৰণ-প্রকৰণ-অধ্যায় হিচাপে বিভক্ত কৰা হৈছে সেই কথাটো জানিলে।
- অর্থশাস্ত্রৰ কোন কোন অধিকৰণত মূল বিষয় কি আছে সেই বিষয়েও অৱগত হ'ল।
- অর্থশাস্ত্র শব্দটোৰ অর্থ আৰু এই নামকৰণটোৰ তাৎপর্য জানিলে।
- ভাৰতীয় পৰম্পৰাত অর্থশাস্ত্রৰ গুৰুত্বৰ বিষয়ে অৱগত হ'ল।

১.৮ অধিক জানিবলৈ

১) কৌটিলীয় অর্থশাস্ত্র, আৰ পি কাঙ্গল, মোতিলাল বানাৰসীদাস পাবলিচার্ছ প্রাইভেট লিমিটেড, দিল্লী ১৯৯৭ (পুনর্মুদ্রণ)

২) কৌটিলীয় অর্থশাস্ত্র, ডº অনিল চন্দ্র বসু, সংস্কৃত বুক ডিপো, কোলকাতা, দ্বিতীয় সংস্কৰণ ২০০১।

৩) কৌটিল্য অন্ ৰাজনীতি, কে পি মেনন, ৰাষ্ট্রীয় সংস্কৃত সংস্থান, নিউ দিল্লী, ১৯৯৮।

৪) কৌটিলীয়ম্ অর্থশাস্ত্রম্, শ্রীবিশ্বনাথৰামচন্দ্র, শ্রীগীর্বাণবাগ্ধর্ধিনীসভা, বাৰানসী।

১.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ মহামতি কৌটিল্য।

২ নং প্রশ্নৰ উত্তৰঃ কৌটিল্য শব্দৰ অর্থ হ'ল কুটিল বুদ্ধিযুক্ত।

৩ নং প্রশ্নৰ উত্তৰঃ বিষ্ণুগুপ্ত।

৪ নং প্রশ্নৰ উত্তৰঃ চণক পদটোৰ পৰা চাণক্য পদটো উৎপন্ন হৈছে।

৫ নং প্রশ্নৰ উত্তৰঃ কামন্দকীয় নীতিসাৰত, মুদ্রাৰাক্ষসনাটকত আৰু দশকুমাৰচৰিতত।

৬ নং প্রশ্নৰ উত্তৰঃ দণ্ডনীতি বা ৰাজনীতিয়েই হ'ল অর্থশাস্ত্রৰ প্রতিপাদ্য বিষয়।

৭ নং প্রশ্নৰ উত্তৰঃ অর্থশাস্ত্রত ১৫টা অধিকৰণ, ১৮০টা প্রকৰণ আৰু ১৫০টা অধ্যায় আছে।

৮ নং প্রশ্নৰ উত্তৰঃ অর্থশাস্ত্রৰ তৃতীয় অধিকৰণটোৰ নাম হ'ল ধর্মস্থীয়। এই অধিকৰণৰ বিষয়বস্তু গোচৰ আৰু বিচাৰ সম্বন্ধীয়।

৮ নং প্রশ্নৰ উত্তৰঃ যোগবৃত্ত নামৰ অধিকৰণত গুপ্তচৰবিলাকৰ কার্যকলাপ আলোচিত হৈছে।

১০ নং প্রশ্নৰ উত্তৰঃ অর্থশাস্ত্রৰ অন্তিম অধিকৰণটোৰ নাম হ'ল তন্ত্রযুক্তি।

১১ নং প্রশ্নৰ উত্তৰঃ কৌটিল্যৰ মতে সকলো শ্রেয়বস্তুৰ সাধন হ'ল ইন্দ্রিয়জয় বা ইন্দ্রিয়সংযম।

১২ নং প্রশ্নৰ উত্তৰঃ ৰাজ্য শাসনৰ ক্ষেত্রত প্রয়োজনীয় ৰজাৰ ছটা গুণ হ'ল— সন্ধি, বিগ্রহ, যান, আসন, দ্বৈধ আৰু আশ্রয়।

১৩ নং প্রশ্নৰ উত্তৰঃ দণ্ডৰ বিষয়ে বহুতো কথাৰ ভিতৰত মনুয়ে কৈছে যে পণ্ডিতসকলৰ মতে দণ্ডই হ'ল প্রকৃত ধর্ম।

১৪ নং প্রশ্নৰ উত্তৰঃ আন্বীক্ষিকী, ত্রয়ী, বার্তা আৰু দণ্ডনীতি।

১৫ নং প্রশ্নৰ উত্তৰঃ আন্বীক্ষিকী পদৰ অর্থ হ'ল তর্ক বা ন্যায়।

১৬ নং প্রশ্নৰ উত্তৰঃ দণ্ডনীতি আন আন বিদ্যাৰ সাধন বুলি বিবেচিত।

১৭ নং প্রশ্নৰ উত্তৰঃ অর্থপদটোৱে মানুহৰ বৃত্তিক বুজাইছে।

১৮ নং প্রশ্নৰ উত্তৰঃ ত্রিবর্গৰ ভিতৰত অর্থক প্রধান বুলি কোৱা হৈছে।

১৯ নং প্রশ্নৰ উত্তৰঃ নন্দবংশৰ ৰজাৰ ওপৰত।

২০ নং প্রশ্নৰ উত্তৰঃ দণ্ডধৰ বুলি ৰজাক বুজোৱা হৈছে।

২১ নং প্রশ্নৰ উত্তৰঃ শিল্পী, কুশীলৱ, স্বর্ণকাৰ, ৰজক, তন্তুবায় আদি বৃত্তিধাৰী মানুহৰ কথা অর্থশাস্ত্রত উল্লিখিত হৈছে।

২২ নং প্রশ্নৰ উত্তৰঃ (ক) শুদ্ধ, (খ) শুদ্ধ।

? ১.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ঃ অর্থশাস্ত্রৰ লিখকৰ বিষয়ে চমু টোকা লিখক।

প্রশ্ন ২ঃ অর্থশাস্ত্রৰ বিষয়বস্তুৰ ওপৰত আলোচনা কৰক।

প্রশ্ন ৩ঃ অর্থশাস্ত্র শব্দটোৰ অর্থ লিখি এই শিৰোনামৰ তাৎপর্য ব্যাখ্যা কৰক।

প্রশ্ন ৪ঃ ভাৰতীয় পৰম্পৰাত অর্থশাস্ত্রৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ঃ হিতোপদেশঃ (মিত্রলাভঃ)

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ হিতোপদেশৰ চমু পৰিচয়

২.৩.১ হিতোপদেশৰ কথামুখৰ চমু আভাস

২.৪ মিত্রলাভৰ চমু পৰিচয়

২.৪.১ মিত্রলাভৰ উপকাহিনীসমূহৰ নাম উল্লেখ

২.৫ মিত্রলাভৰ মূল কাহিনীৰ সংস্কৃত পাঠ (Text)

২.৫.১ মূল কাহিনীৰ সংস্কৃত পাঠৰ শব্দার্থ

২.৫.২ মূল কাহিনীৰ অসমীয়া অনুবাদ

২.৬ উপকাহিনীৰ সংস্কৃত পাঠ (মৃগজম্বুকয়োঃ কথা)

২.৬.১ উপকাহিনীৰ সংস্কৃত পাঠৰ শব্দার্থ

২.৬.২ উপকাহিনীৰ অসমীয়া অনুবাদ

২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৮ অধিক জানিবলৈ

২.৯ অগ্রগতিৰ খতিয়ান

২.১০ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- প্রাচীন ভাৰতীয় গল্পসাহিত্যৰ চমু আভাস লাভ কৰিব।
- হিতোপদেশৰ চমু পৰিচয় লাভ কৰিব পাৰিব।
- মিত্রলাভৰ সাধাৰণ পৰিচয় লাভ কৰিব।
- বিভিন্ন বিষয়ৰ নীতিজ্ঞান লাভ কৰিব পাৰিব।
- মিত্রলাভৰ মূল কাহিনী আৰু এটা উপকাহিনীৰ সংস্কৃত পাঠ (শব্দার্থ আৰু অসমীয়া অনুবাদ সহ) অধ্যয়ন কৰিব পাৰিব।

২.২ পৰিচয়

আপুনি নিশ্চয় পঞ্চতন্ত্রৰ নাম শুনিছে। এই পঞ্চতন্ত্রৰ নিচিনা 'হিতোপদেশ' গ্রন্থখনো এখন অতি জনপ্রিয় গ্রন্থ। প্রাচীন ভাৰতীয় গল্পসাহিত্যত এই হিতোপদেশ গ্রন্থখনে এক বিশেষ স্থান লাভ কৰিছে। প্রাচীন ভাৰতীয় গল্পসাহিত্য সাধাৰণতে দুভাগত বিভক্ত। প্রথম বিধ হৈছে মানবীয় চৰিত্রক লৈ ৰচিত অনুভূতিময় গল্পসাহিত্য,

যেনে- গুণাঢ্যৰ "বৃহৎকথা" আৰু সোমদেৱৰ দ্বাৰা ৰচিত "কথাসৰিৎসাগৰ" আদি গ্ৰন্থ। আকৌ দ্বিতীয়বিধ হৈছে পশু-পক্ষীৰ চৰিত্রক লৈ ৰচিত উপদেশমূলক গল্পসাহিত্য। যাক ইংৰাজীত "didactic fable" বুলি জনা যায়। পঞ্চতন্ত্র আৰু হিতোপদেশ আদি গ্ৰন্থ এই উপদেশমূলক গল্পসাহিত্যৰ অন্তৰ্ভুক্ত।

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি হিতোপদেশ গ্ৰন্থখনৰ এক চমু আভাস লাভ কৰিব পাৰিব। অধ্যায়টিৰ জৰিয়তে আপুনি হিতোপদেশ গ্ৰন্থখনৰ লিখকৰ নাম, ইয়াৰ ৰচনাকাল, ৰচনাৰ উৎস তথা ইয়াৰ ভাগসমূহৰ বিষয়ে অৱগত হ'ব। ইয়াৰ উপৰিও গ্ৰন্থখনৰ আৰম্ভণি অৰ্থাৎ কথামুখত থকা নীতি শিক্ষামূলক কথাৰ আভাস পাব। ইয়াৰ পিচতে আপুনি হিতোপদেশৰ প্ৰথম ভাগ অৰ্থাৎ মিত্রলাভৰ চমু পৰিচয় লাভ কৰিব। অধ্যায়টিত আপুনি মিত্রলাভৰ মূল কাহিনী আৰু এই উপকাহিনীৰ অসমীয়া অনুবাদ সহ সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিব। মিত্রলাভত সৰু-বৰ বহুতো উপকাহিনী আছে যদিও, আপোনাৰ সুবিধাৰ বাবে ইয়াত মাত্ৰ এটা সৰু উপকাহিনীৰ উল্লেখ কৰা হৈছে। হিতোপদেশৰ প্ৰতিটো কাহিনীৰ পৰাই বিভিন্ন নীতিশিক্ষা লাভ কৰিব পাৰি। এই অধ্যায়টিত থকা মিত্রলাভৰ মূল কাহিনী আৰু উপকাহিনীটোৰ পৰাও আপুনি নীতিশিক্ষা লাভ কৰিবলৈ সক্ষম হ'ব।

২.৩ হিতোপদেশৰ চমু পৰিচয়

'হিতোপদেশ' গ্ৰন্থখনে প্ৰাচীন ভাৰতীয় গল্পসাহিত্যত এক উল্লেখযোগ্য স্থান অধিকাৰ কৰি আহিছে। "হিতোপদেশ" নামটো "হিত" আৰু "উপদেশ" এই দুটা শব্দৰ সংযোগত সৃষ্টি হৈছে। হিতকাৰক অথবা জ্ঞানপূৰ্ণ উপদেশ যি গ্ৰন্থত পোৱা যায়, সেইখনেই হৈছে "হিতোপদেশ"। গল্পকাহিনী বৰ্ণনাৰ মাধ্যমেৰে মানুহক নীতিশিক্ষা দিয়াই হিতোপদেশৰ মূল উদ্দেশ্য। বংগৰ ৰজা ধবলচন্দ্ৰৰ ৰাজসভাত "নাৰায়ণ পণ্ডিতে" ১৪ শ শতাব্দীৰ ভিতৰত 'হিতোপদেশ' গ্ৰন্থ ৰচনা কৰে বুলি জনা যায়। হিতোপদেশৰ কাহিনীসমূহ অতি মনোমোহা আৰু সহজ-সৰল। সেয়ে পঢ়োতাই ইয়াক সহজেই বুজিব পাৰে আৰু সহজেই ইয়াৰ প্ৰতি আকৰ্ষিত হয়। এই গ্ৰন্থখন পৃথিৱীৰ বিভিন্ন ভাষালৈ অনুবাদ কৰা হৈছে। পূৰ্বৰ দৰে বৰ্তমানেও ইয়াৰ জনপ্ৰিয়তা পৃথিৱীৰ বিভিন্ন দেশৰ শিশুসকলৰ মাজত বৰ্তি থকা দেখা যায়। আনকি ইয়াৰ জনপ্ৰিয়তা পঞ্চতন্ত্ৰতকৈও অধিক বুলি অনুমান কৰা হয়। গ্ৰন্থখন ৬৭৯ টা শ্লোকৰ লগতে কিছু অংশ গদ্যৰূপতো ৰচিত হৈছে। ইয়াত থকা শ্লোকসমূহ অতিকৈ উপদেশমূলক আৰু শিক্ষাদায়ক। হিতোপদেশ গ্ৰন্থখন চাৰিটা ভাগত বিভক্ত। সেই ভাগ কেইটাৰ নামবোৰ হ'ল- (১) মিত্রলাভ (২) সুহৃদভেদ (৩) বিগ্রহ আৰু (৪) সন্ধি। এই ভাগবোৰৰ নাম লিখকে গ্ৰন্থখনৰ কথামুখ অংশত উল্লেখ কৰিছে। প্ৰত্যেকটো ভাগতে বহুতো সৰু-বৰ কাহিনী পোৱা যায়। এই কাহিনীবোৰত মানবীয় ভাব-ভাষা আৰু অনুভূতিৰে পৰিপূৰ্ণ পশু-পক্ষীৰ চৰিত্ৰ দেখিবলৈ পোৱা যায়। পাটলিপুত্ৰৰ ৰজা সুদৰ্শনৰ তিনিজন উদণ্ড পুত্ৰ আছিল। সেই ৰাজকুমাৰ তিনিজনক নীতিশিক্ষা দিবলৈ ৰজাই সিহঁতক পণ্ডিত বিষ্ণু শৰ্মাৰ হাতত অৰ্পণ কৰিছিল। বিষ্ণু শৰ্মাই সিঁহতক নীতিশিক্ষাৰ জ্ঞান দিবলৈ এই কাহিনী সমূহৰ সৃষ্টি কৰিছিল বুলি গ্ৰন্থখনত কোৱা হৈছে।

> ***কথামুখ***- গল্প বা উপন্যাসৰ ভূমিকা, পাতনি।

২.৩.১ হিতোপদেশৰ কথামুখৰ চমু আভাস

'হিতোপদেশ' গ্ৰন্থখনৰ আৰম্ভণিতে অৰ্থাৎ কথামুখ অংশত বহুতো নীতিশিক্ষামূলক শ্লোক আছে। বিদ্যা বা জ্ঞান সম্পৰ্কত ইয়াত উল্লেখ কৰা হৈছে যে বিদ্যা যিহেতু কাৰোপৰা চুৰ কৰিব নোৱাৰি, গতিকে ই অমূল্য, অবিনাশী। অৰ্থাৎ বিদ্যাৰ নাশ নাই। সকলো দ্ৰব্যৰ ভিতৰত বিদ্যাই সৰ্বোত্তম। এই বিষয়ত কথামুখত এনেধৰণে শ্লোক এটা উল্লেখ কৰা হৈছে-

সর্বদ্রব্যেষু বিদ্যৈব দ্রব্যমাহুৰনুত্তমম্।
অহার্যত্বাদনর্ঘত্বাদক্ষয়ত্বাচ্চ সর্বদা।। ৪ ।।

আকৌ কোৱা হৈছে যে বিদ্যাই মানুহক বিনয়ী কৰে তথা বিনয়ী ব্যক্তিকে সজ্জন বুলি কোৱা হয় (বিদ্যা দদাতি বিনয়ম্ বিনয়াদ্ য়াতি পাত্রতাম্)। সকলো সুখৰ প্রধান সাধন হৈছে বিদ্যা। বিদ্যাই সকলো অৱস্থাতে আদৰৰ স্থান পায়। বিদ্যাহীন ব্যক্তিক পশুৰ লগত তুলনা কৰা হৈছে। মূর্খ ব্যক্তিও বিদ্বান লোকৰ সংগত থাকি প্রকাশিত হৈ উঠে। পুৰুষৰ বুদ্ধি নীচ ব্যক্তিৰ সংগত মলীন হয় তথা নিজৰ সমান বুদ্ধি থকা ব্যক্তিৰ সম্পর্কত সমান হয়। আকৌ উত্তম ব্যক্তিৰ সংগৰ পৰা উত্তম ফল লাভ হয়।

বিদ্যাহীন ব্যক্তি সুগন্ধৰহিত পলাশবৃক্ষৰ দৰে বুলি কোৱা হৈছে। যি পুত্র বিদ্বানো নহয় আৰু ধার্মিকো নহয়, সেই পুত্রৰ জন্মৰদ্বাৰা কোনো লাভ নহয়। মূর্খপুত্র সকলো সময়তে দুখৰ কাৰণ হয়। গুণীপুত্র এজন হলেও ভাল, কিন্তু মূর্খপুত্র এশজন হলেও একো লাভ নহয়। বংশৰ গৌৰৱ অর্জন কৰা এজন মাত্র পুত্রই সুখৰ কাৰণ হয়। আনকি সাধাৰণ বংশত জন্ম হোৱা মনুষ্যও যদি গুণবান হয়, তেতিয়া আদৰৰ পাত্র হয়। যি পিতৃ বা মাতৃয়ে নিজৰ সন্তানক শিক্ষিত নকৰে, সেইসকল পিতৃ বা মাতৃ সন্তানৰ বাবে শত্রুতুল্য হয়। 'হিতোপদেশ' গ্রন্থত মানুহৰ ছয়বিধ সুখৰ কথাও কোৱা হৈছে। যাৰ এই ছয়বিধ সুখ আছে, সেইজন পুৰুষ সর্বসুখী। সেই ছয়বিধ সুখ হ'ল— নিত্য ধনৰ আগমন, নিৰোগীদেহ, মৰমীয়াল আৰু মধুৰভাষিণী স্ত্রী, আজ্ঞাকাৰী পুত্র তথা অর্থপূর্ণ বিদ্যা। এনে ধৰণৰ বহুতো নীতিশিক্ষামূলক কথা হিতোপদেশৰ কথামুখ অর্থাৎ আৰম্ভণিতে পোৱা যায়। এই অংশত এইটোও উল্লেখ পোৱা যায় যে ভাগীৰথী নদীৰ পাৰত পাটলিপুত্র নামৰ এখন নগৰ আছিল। তাত সুদর্শন নামৰ এজন গুণবান ৰজাই ৰাজত্ব কৰিছিল। তেওঁৰ তিনিজন মূর্খ আৰু উদণ্ড পুত্র আছিল। সিহঁত তিনিজনৰ বাবে ৰজা অতি চিন্তিত হৈছিল। গতিকে ৰজাই সেই মূর্খ পুত্র কেইজনক নীতিশিক্ষাৰ জ্ঞানেৰে শিক্ষিত কৰি তুলিবলৈ বিষ্ণু শর্মা নামৰ এজন মহান পণ্ডিতৰ হাতত সিহঁতক অর্পণ কৰিছিল। হিতোপদেশৰ ৰচক নাৰায়ণ পণ্ডিতৰ মতে হিতোপদেশ গ্রন্থ ৰচনাৰ মূল উদ্দেশ্যই হৈছে যুৱ মানসিকতাক এনেদৰে নির্দেশনা দিয়া যাতে তেওঁলোকে জীৱন-দর্শনৰ বিষয়ে শিক্ষা লাভ কৰিব পাৰে তথা তেওঁলোক যাতে দায়িত্বশীল আৰু পৰিণত ব্যক্তি হিচাপে বিকাশ লাভ কৰিবলৈ সমর্থ হয়।

২.৪ মিত্রলাভৰ চমু পৰিচয়

'হিতোপদেশ' গ্রন্থৰ প্রথম ভাগটো হৈছে "মিত্রলাভ"। "মিত্র" মানে বন্ধু বা সখা আৰু "লাভ" মানে প্রাপ্তি হোৱা বা লাভ কৰা। এতিয়া মিত্রলাভ অংশৰ মূল বিষয়বস্তুৰ সংক্ষিপ্ত বিৱৰণ পঢ়িবলৈ পাব।

ৰজা সুদর্শনে নিজৰ মূর্খ পুত্র তিনিজনক বিষ্ণুশর্মাৰ হাতত অর্পণ কৰাৰ পিচত বিষ্ণু শর্মাই সিহঁতক এটা কাহিনীৰ মাধ্যমেৰে নীতিশিক্ষা দিবলৈ আৰম্ভ কৰিলে। সেই কাহিনীটোত উল্লেখ আছে যে গোদাবৰী নদীৰ পাৰত বিশাল শিমলুগছ এজোপা আছিল। সেই গছডালত অনেক ঠাইৰ পৰা চৰাই আহি বাস কৰিছিল। এদিনাখন সেই গছডালত থকা লঘুপতনক নামৰ কাউৰী এটাই হাতত জাল এখন লৈ আহি থকা ব্যাধ এজনক দেখা পালে। ব্যাধজনক দেখা পাই কাউৰীটোৰ মতে কিবা এটা অনিষ্টকৰ ঘটনা ঘটিব বুলি সন্দেহ হ'ল। তাৰ পাচত সেই ব্যাধটোৱে কিছু খুদ-চাউল মাটিত ছটিয়াই জালখন পেলাই দিলে আৰু নিজে লুকাই থাকিল। সেই সময়ত নিজ পৰিয়ালৰ সৈতে আকাশত উৰি থকা চিত্রগ্রীব নামৰ কপৌৰাজ এজনে সেই খুদ-চাউল দেখা পালে। তে তিয়া কপৌৰাজে চিন্তা কৰি আন কপৌসমূহক কলে যে সেই নির্জন বনত খুদ-চাউলৰ আৰির্ভাৰ কেনেকৈ সম্ভৱ হ'ল? এইটো শুভ লক্ষণ নহয়। কাৰণ এই চাউলৰ লোভত পৰিলে তেওঁলোকৰ সোণৰ খাৰুৰ লোভত বোকাত পৰা

পথিকটোৰ নিচিনা দশা হব, যিটোক বাঘটোৱে ভক্ষণ কৰিছিল। চিত্রগ্রীৱ নামৰ কপৌৰাজটোৱে আন কপৌবিলাকক খুদ-চাউলৰ প্রতি লোভ নকৰিবলৈ বৃদ্ধ বাঘ আৰু বাটৰুৱাৰ কাহিনীটোৰ উদাহৰণ দাঙি ধৰিছিল। এদিনাখন বৃদ্ধ বাঘ এটাই বাটৰুৱা এজনক সোণৰ খাৰুৰ লোভ দেখুৱাই ওচৰলৈ মাতিছিল। প্রথমতে বাঘটোৱে বেদাদিশাস্ত্র তথা নানা ছলাহী কথাৰে বাটৰুৱাৰ মন মুহিছিল আৰু পিচত ওচৰতে থকা বিলৰ পানীত গাটো ধুই খাৰুপাত লবলৈ আমন্ত্রণ জনাইছিল। বাটৰুৱাটোৱে বাঘৰ কথা শুনি বিলৰ পানীত গা ধুবলৈ গৈ তাত থকা পলসত সোমাই পৰি উঠিব নোৱাৰা অৱস্থা হ'ল আৰু তেতিয়া বাঘটোৱে লাহে লাহে বাটৰুৱাক থাপ মাৰি ধৰি খাই পেলাইছিল। এই কাহিনীটোৰ জৰিয়তে চিত্রগ্রীৱই লগৰ কপৌবিলাকক লোভত পৰি বাটৰুৱাৰ দৰে যাতে দুর্দশা নহয় তাৰ বাবে চাউলকণৰ লোভত পৰি বিপদ চপাই নলবলৈ উচিত উপদেশ দিছিল। চিত্রগ্রীৱে কোৱা উক্ত কাহিনীটোৰ পৰাই মিত্রলাভৰ উপকাহিনীসমূহৰ আৰম্ভণি হৈছে। কাহিনীটোৰ পৰা আমি এইটো শিক্ষা পাওঁ যে মানুহে নভবা-নিচিন্তাকৈ কোনো বস্তুৰ লোভত পৰিব নালাগে। লোভে মানুহৰ মৃত্যু মাতি আনিব পাৰে।

২.৪.১ মিত্রলাভৰ উপকাহিনীসমূহৰ নাম উল্লেখ

মিত্রলাভৰ মূল কাহিনীটোৰ আলম লৈ পণ্ডিত বিষ্ণুশর্মাই ৰাজকুমাৰসকলক আৰু কেইটামান কাহিনী কৈছিল। সেই উপকাহিনীসমূহৰ নাম তলত উল্লেখ কৰা হ'ল-

১) বৃদ্ধ ব্যাঘ্রপথিকয়ো ঃ কথা (বৃদ্ধ বাঘ আৰু বাটৰুৱাৰ কাহিনী)
২) মৃগজম্বুকয়োঃ কথা (হৰিণা আৰু শিয়ালৰ কাহিনী)
৩) গৃধ্রবিড়ালয়োঃ কথা (শগুণ আৰু মেকুৰীৰ কাহিনী)
৪) হিৰণ্যককথা (হিৰণ্যকৰ কাহিনী)
৫) ব্যাঘ্রশৃগালয়োঃ কথা (বাঘ আৰু শিয়ালৰ কাহিনী)
৬) হস্তীশৃগালয়োঃ কথা (হাতী আৰু শিয়ালৰ কাহিনী)

জানি থোৱা ভাল

পঞ্চতন্ত্র আৰু হিতোপদেশৰ আৰ্হি প্রথমে মহাভাৰতৰ শান্তিপর্বত ভীষ্ম-যুধিষ্ঠিৰ সংবাদৰ মাজত দেখা পোৱা যায়। তাত পিতামহ ভীষ্মই ধর্মনীতি, ৰাজনীতি, চতুর্বর্গৰ (ধর্ম-অর্থ-কাম-মোক্ষক চতুর্বর্গ বোলা হয়) উপদেশ দিবলৈ বহুতো পশু-পক্ষীৰ চৰিত্র সমন্বিত কাহিনীৰ আশ্রয় লৈছিল।

পঞ্চতন্ত্র হৈছে উপদেশমূলক কাব্যৰ প্রথম নিদর্শন। ইয়াৰ ৰচক হৈছে বিষ্ণুশর্মা। গ্রন্থখনত পাচটা অধ্যায় আছে। সেয়েহে ইয়াক পঞ্চতন্ত্র (তন্ত্র মানে অধ্যায়) বোলা হয়। সেই তন্ত্র সমূহ হ'ল — মিত্রভেদ-মিত্রসম্প্রাপ্তি-কাকোলূকীয়-লব্ধপ্রণাশ আৰু অপৰীক্ষিতকাৰিকা।

জনা যায় যে মূর্খ ৰাজকুমাৰসকলক নীতিশিক্ষা দিবলৈ বিষ্ণু শর্মাই বিভিন্ন কাহিনীৰ সমাবেশেৰে পঞ্চতন্ত্র ৰচনা কৰিছিল। হিতোপদেশৰ দৰে পঞ্চতন্ত্রৰ ভাষাও অতি সহজ আৰু সৰল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ গুণাঢ্য আৰু সোমদেৱে ৰচনা কৰা গ্রন্থদুখনৰ নাম কি?

.....

প্রশ্ন নং ২ঃ হিতোপদেশ গ্রন্থখনৰ ভাগ কেইটা আৰু কি কি ?

.....

প্রশ্ন নং ৩ঃ বিদ্যাই মানুহৰ কি উপকাৰ সাধন কৰে ?

.....

প্রশ্ন নং ৪ঃ বিদ্যাহীন ব্যক্তিক কাৰ লগত তুলনা কৰা হৈছে?

.....

প্রশ্ন নং ৫ঃ পাটলিপুত্রৰ ৰজাজনৰ নাম কি আছিল আৰু তেওঁৰ কেইজন পুত্র আছিল?

.....

২.৫ মিত্রলাভৰ মূল কাহিনীৰ সংস্কৃত পাঠ

এতিয়া আপুনি মিত্রলাভৰ মূল কাহিনীটোৰ সংস্কৃত পাঠ পঢ়িবলৈ পাব। এই পাঠটো তলত উল্লেখ কৰা হ'ল-

অথ প্রাসাদপৃষ্ঠে সুখোপবিষ্টানাং ৰাজপুত্রাণাং পুৰস্তাৎ প্রস্তাৱক্রমেণ স পণ্ডিতোঽব্রৱীৎ, ভো ৰাজপুত্রাঃহ্লু শৃণুত-

কাব্যশাস্ত্রবিনোদেন কালো গচ্ছতি ধীমতাম্।
ব্যসনেন চ মূর্খাণাং নিদ্রয়া কলহেন বা ।। ১ ।।

তদ্ ভবতাং বিনোদায় কাককূর্মাদীনাং বিচিত্রাং কথাং কথয়ামি। ৰাজপুত্রৈৰুক্তম্, আর্যহ্লু কথ্যতাম্। বিষ্ণুশর্মা উবাচ শৃণুত, সম্প্রতি মিত্রলাভঃ প্রস্তূয়তে, যস্য অয়ম্ আদ্যঃ শ্লোকঃ —

অসাধনা বিত্তহীনা বুদ্ধিমন্তঃ সুহৃত্তমাঃ।
সাধয়ন্ত্যাশু কার্য্যাণি কাককূর্মমৃগাখুবৎ।। ২ ।।

ৰাজপুত্রা ঊচুঃ — কথমেতৎ। সোৎব্রৱীৎ। অস্তি গোদাবৰীতীৰে বিশাল ঃ শাল্মলীতৰুঃ। তত্র নানাদিগ্দেশাদ্ আগত্য ৰাত্রৌ পক্ষিণো নিৱসন্তি। অথ কদাচিদ্ অৱসন্নায়াং ৰাত্রৌ অস্তাচলচূড়াৱলম্বিনি ভগৱতি কুমুদিনীনায়কে চন্দ্রমসি লঘুপতনকনামা বায়সঃ প্রবুদ্ধঃ কৃতান্তমিব দ্বিতীয়মায়ান্তং ব্যাধম্ অপশ্যৎ। তম্ আলোক্য অচিন্তয়ৎ — অদ্য প্রাতঃ এব অনিষ্টদর্শনং জাতম্, ন জানে কিম্ অনভিমতম্ দর্শয়িষ্যতি। ইতি উক্ত্বা তদ্ অনুসৰণক্রমেণ ব্যাকুলঃ চলিতঃ।

শোকস্থানসহস্রাণি ভয়স্থানশতানি চ
দিৱসে দিৱসে মূঢ়মাবিশন্তি ন পণ্ডিতম্ ।। ৩ ।।
অন্যচ্চ। বিষয়িনামিদৱশ্যং কর্তব্যম্
উত্থায়োত্থায় বোদ্ধব্যং মহদ্ভয়মুপস্থিতম্।
মৱণব্যাধিশোকানাং কিমদ্য নিপতিষ্যতি ।। ৪ ।।

অথ তেন ব্যাধেন তণ্ডুলকণান্ বিকীর্য জালং বিস্তীর্ণম্। স চ তত্র প্রচ্ছন্নো ভূত্বা স্থিতঃ। তস্মিন্নেব কালে চিত্রগ্রীবনামা কপোতৰাজঃ সপৰিবাৰো বিয়তি বিসর্পন্ তান্ তণ্ডুলকণান্ অবলোকয়ামাস। ততঃ কপোতৰাজঃ তণ্ডুলকণলুব্ধান্ কপোতান্ প্রাহ-কুতোঽত্র নির্জনে বনে তণ্ডুলকণানাং সম্ভৱঃ? তন্নিৰূপ্যতাং তাবৎ, ভদ্রম্ ইদং ন পশ্যামি। প্রায়েণ অনেন তণ্ডুলকণলোভেন অস্মাভিঃ অপি তথা ভবিতব্যম্।

কংকণস্য তু লোভেন মগ্নঃ পংকে সদুস্তৱে।
বৃদ্ধব্যাঘ্রেণ সম্প্রাপ্ত ঃ পথিকঃ সম্মৃতো যথা ।। ৫ ।।

২.৫.১ মূলকাহিনীৰ সংস্কৃত পাঠৰ শব্দার্থ

অথ = ৰাজপুত্রাণাং সমর্পণান্তৰম্ (ৰাজপুত্রসকলক বিষ্ণু শর্মাৰ হাতত সমর্পণ কৰাৰ পিছত) প্রাসাদপৃষ্ঠে = ৰাজভৱনোপৰিভাগে (ৰাজভৱনৰ উপৰভাগত) সুখোপবিষ্টানাং = আনন্দেন অৱস্থিতানাং (আনন্দমনেৰে বহি থকাসকলৰ), ৰাজপুত্রাণাং = নৃপকুমাৰাণাম্ (ৰাজপুত্রসকলৰ), পুৰস্তাৎ = অগ্রতঃ (আগত), পণ্ডিতঃ = বিদ্বান্ (পণ্ডিত) সঃ= বিষ্ণুশর্মা (বিষ্ণুশর্মাই), অব্রবীৎ = অবদৎ (কৈছিল), ভো ৰাজপুত্রাঃ = হে ৰাজকুমাৰাঃ (হে ৰাজকুমাৰসকল), শৃণুত = আকর্ণয়ত (শুনা), ধীমতাম্ = প্রজ্ঞাবতাম্ (বুদ্ধিমানসকলৰ), কালঃ = সময়ঃ (সময়), কাব্যশাস্ত্রবিনোদেন = সাহিত্যবিদ্যাপ্রমোদেন (কাব্য শাস্ত্রৰ অধ্যয়নৰ পৰা পোৱা অনন্দৰ দ্বাৰা), গচ্ছতি = ব্যতীতঃ ভবতি (পাৰ হয়), মূর্খাণাম্ = অজ্ঞানীনাম্ (অজ্ঞানীসকলৰ), ব্যসনেন = কামনাবাসনাদ্বাৰা (কামনা-বাসনাৰ দ্বাৰা), নিদ্রয়া চ = প্রস্বাপেন চ (আৰু নিদ্রাৰদ্বাৰা), কলহেন বা = বিগ্রহেন বা (অথবা কাজিয়াৰ দ্বাৰা), গচ্ছতি = ব্যতীতঃ ভবতি (পাৰ হয়)। তদ্ = তস্মাৎ কাৰণাৎ (সেই বাবে), ভবতাম্ = যুষ্মাকম্ (তোমালোকৰ), বিনোদায় = প্রমোদায় (আনন্দৰ বাবে), কাককূর্মাদীনাং = বায়সকচ্ছপাদীনাম্ (কাউৰী-কাছ আদিৰ), বিচিত্রাং = অনেকপ্রকাৰাং (বিচিত্র), কথাং = প্রবন্ধকল্পনাং (কাহিনীক), কথয়ামি = প্রতিপাদয়ামি (উপস্থাপন কৰিম), ৰাজপুত্রৈ ঃ = নৃপকুমাৰৈঃ (ৰাজপুত্রসকলৰ দ্বাৰা), উক্তম্ = কথিতম্ (কোৱা হ'ল), আর্যহূ = পূজনীয়হু (মহোদয়)হু , কথ্যতাম্ = উচ্যতাম্ (কওঁকচোন), বিষ্ণুশর্মা = তন্নামকঃ (বিষ্ণুশর্মাই), উবাচ = জগাদ (কলে), শৃণুত = আকর্ণয়ত (শুনাহঁক), সম্প্রতি = ইদানীম্ (এতিয়া), মিত্রলাভঃ = এতন্নামকং প্রকৰণম্ (মিত্রলাভ অর্থাৎ হিতোপদেশৰ প্রথম ভাগ), প্রস্তূয়তে = প্রাৰভ্যতে (আৰম্ভ কৰা হৈছে), যস্য = মিত্রলাভস্য (যাৰ অর্থাৎ মিত্রলাভৰ), অয়ম্ = এষঃ (এইটো), আদ্যঃ = প্রথমঃ (প্রথম), শ্লোকঃ = পদ্যম্ (শ্লোক)।

অসাধনাঃ = সাধনৰহিতাঃ (সামর্থ্যহীন অথবা সাধনহীন), বিত্তহীনাঃ = নির্ধনাঃ (ধনহীন), বুদ্ধিমন্তঃ = সুধিয়ঃ (বুদ্ধিমান), সুহৃত্তমাঃ = উত্তমবান্ধবাঃ (ভাল বান্ধব সকলে), কাককূর্মমৃগাখুবৎ = বায়সকচ্ছপহৰিণমূষিকতুল্যম্ (কাউৰী, কাছ, হৰিণ, নিগনি আদিৰ দৰে), কার্য্যাণি = কৃত্যানি (কার্য্যসমূহ), আশু = সত্বৰম্ (সোনকালে), সাধয়ন্তি = সফলীকুর্বন্তি (সফলতাৰে সমাপন কৰে)। ৰাজপুত্রাঃ = নৃপকুমাৰাঃ (ৰাজকুমাৰসকলে) উচুঃ = জগদুঃ (কলে), কথম্ এতৎ = কেন প্রকাৰেণ (এইটো কেনেকৈ), সঃ = মহাপণ্ডিতঃ (সেই পণ্ডিত বিষ্ণুশর্মাই), অব্রবীৎ = অবদৎ (কলে), গোদাবৰীতীৰে = গোদাবৰীনদীতটে (গোদাবৰী নদীৰ পাৰত), বিশালঃ = বৃহৎকায়ঃ (বিশাল), শাল্মলীতৰুঃ = বৃক্ষবিশেষঃ (শিমলুগছ), অস্তি = বর্ততে (আছে)। তত্র = বৃক্ষে (সেই গছডালত), নানাদিগ্দেশাৎ = অনেকপ্রদেশাৎ (বহুদিশৰ পৰা), আগত্য = এত্য (আহি), ৰাত্রৌ = নিশায়াম্ (ৰাতি),পক্ষিণঃ = বিহগানি (চৰাইবোৰ), নিৱসন্তি = নিবাসং কুর্বন্তি (বাস কৰে), অথ = অনন্তৰম্ (ইয়াৰ পিচত), কদাচিৎ = জাতুচিৎ (কোনো সময়), ৰাত্রৌ = নিশায়াম্ (ৰাতি), অবসন্নায়াং = ব্যতীতায়াম্ (ব্যতীত হোৱাৰ পিচত), ভগবতি = ঐশ্বর্যসম্পন্নে (ভগবান), কুমুদিনীনায়কে = কৈৰবিণিনাথে (কুমুদিনীবিলাকৰ নায়ক), চন্দ্রমসি = শশাংকে (চন্দ্র), অস্তাচলচূড়াবলম্বিনি = অস্তংগতে সতি (অস্তাচল যোৱাৰ পিচত), লঘুপতনকনামা = লঘুপতনকাভিধঃ (লঘুপতনক নামৰ), বায়সঃ = কাকঃ (কাউৰী), প্রবুদ্ধঃ = জাগৰিতঃ (সাৰ পালে), দ্বিতীয়ম্ = অপৰম্ (আনটোৱে), আয়ান্তম্ = আগচ্ছন্তম্ (আহি থকা), কৃতান্তম্ = মৃত্যুম্, যমৰাজম্ (যমৰাজৰ), ইব = যথা (দৰে), ব্যাধম্ = নিষাদম্ (ব্যাধক), অপশ্যৎ = অবলোকয়ৎ (দেখিছিল), তম্ = ব্যাধক (সেই ব্যাধক), আলোক্য = নিৰীক্ষ্য (লক্ষ্য কৰি), অচিন্তয়ৎ = অধ্যায়ৎ (চিন্তা কৰিছিল) অদ্য = অস্মিন্ দিনে (আজি), প্রাতঃ এব = প্রভাতসময়ে এব (ৰাতিপুৱাই), অনিষ্টদর্শনং = অনভীষ্ট ইক্ষণম্ (অশুভদর্শন), জাতম্ = সংবৃত্তম্ (ঘটিল), ন জানে = ন বেদ্মি (নাজানো), কিম্ = কীদৃশম্ (কেনেধৰণৰ), অনভিমতম্ = অনভীষ্টম্ (অনিষ্ঠ), দর্শয়িষ্যতি = বিলোকয়িষ্যতি (দর্শন হ'ব), ইতি উক্ত্বা = এবং

বদিত্বা (এনেদৰে কৈ), তদনুসৰণক্রমেণ = তদনুগমনসাৰেণ (তাক অনুসৰণ কৰি), ব্যাকুল ঃ = অত্যাকুলঃ সন্ (ব্যাকুল হৈ) , চলিতঃ = প্রস্থিতঃ (গমন কৰিলে)। শ্লোকস্থানসহস্রাণি = দুঃখহেতুসহস্রাণি (শোকৰ হাজাৰকাৰণ), ভয়স্থানশতানি চ = ভীতিহেতুশতানি চ (আৰু ভয়ৰ শ শ কাৰণ) দিৱসে দিৱসে = প্রতিদিনম্ (প্রতিদিন), মূঢ়ম্ = মূর্খম্ (মূর্খক), আবিশন্তি = প্রবিশন্তি (ঘেৰি ধৰে), ন পণ্ডিতম্ = বিদ্বাংসং ন প্রবিশন্তি (পণ্ডিতক ঘেৰি নধৰে)।

উত্থায় উত্থায় = পুনঃ পুনঃ উৎথানং কৃত্বা (বাৰে বাৰে উঠি), বোদ্ধব্যম্ = জ্ঞাতব্যম্ (বুজিব লাগে), মহৎ = বৃহদাকাৰম্ (ডাঙৰ), ভয়ম্ = ত্রাসম্ (ভয়), উপস্থিতম্ = সম্প্রাপ্তম্ (উপস্থিত হ'ল), মৰণব্যাধশোকানাং = নিধনৰোগ-দুঃখানাম্- মধ্যে (মৰণ, ৰোগ তথা শোকৰ), অদ্য = অস্মিন্ দিনে (আজি), কিম্ নিপতিষ্যতি = কিম্ আয়াস্যতি (কি আহিব)। অথ = অনন্তৰম্ (ইয়াৰ পিচত), তেন ব্যাধেন = তেন নিষাদেন (সেই ব্যাধৰ দ্বাৰা), তণ্ডুলকণান্ = তণ্ডুলসূক্ষ্মাংশান্ (চাউলৰ কণবোৰক), বিকীর্য = বিক্ষিপ্য (চটিয়াই), জালং = আনায়ঃ (জাল), বিস্তীর্ণম্ = প্রসাৰিতম্ (প্রসাৰিত কৰিলে), স চ ব্যাধঃ (আৰু সেই ব্যাধজনে), তত্র = তস্মিন্ (তাত), প্রচ্ছন্নো ভূত্বা = গুপ্তঃ সন্ (লুকাই থাকি), স্থিতঃ = অৱস্থিতঃ (অৱস্থান কৰিলে), অস্মিন্ এব কালে = অত্র এব সময়ে (সেই সময়তে), চিত্রগ্রীবনামা = চিত্রগ্রীবাভিধঃ (চিত্রগ্রীব নামৰ), কপোতৰাজঃ = কপোতানাং নৃপঃ (কপৌচৰাইবিলাকৰ ৰজা), সপৰিবাৰো = সকুটুম্বঃ (আত্মীয় কুটুম্ববে সৈতে), বিয়তি = আকাশে (আকাশত), বিসর্পন্ = উডীয়মানঃ, (উৰি থাকোতে), তান্ তণ্ডুলসূক্ষ্মাংশান্ (সেই চাউলৰ ক্ষুদ্র অংশবোৰক), অবলোকয়ামাস = দদর্শ (দেখা পাইছিল), ততঃ = তদনন্তৰম্ (তাৰ পিচত), কপোতৰাজঃ (কপৌৰাজে), তণ্ডুলকণলুব্ধান্ = তণ্ডুলসূক্ষ্মাংশলোলুপান্ (চাউলৰ কণবোৰৰ প্রতি লালস কৰা), কপোতান্ = পাৰাবতান্ (কপৌসমূহক), প্রাহ = বদতি (কলে), অত্র = অস্মিন্ (এই), নির্জনে = মানবৰহিতে (নির্জন), বনে = অৰণ্যে (বনত), তণ্ডুলকণানাং (চাউলৰ কণবোৰৰ), কুত ঃ = কস্মাৎ (কৰপৰা), সম্ভৰঃ = আৰিভাৰিঃ (আৰিভাৰি হৈছে), তাবৎ = অতঃ (গতিকে), তৎ = তস্মাদ্ হেতো ঃ (তাৰ কাৰণ), নিৰুপ্যতাম্ = বিচার্যতাম্ (নিৰূপণ কৰা উচিত)। ইদম্ = এতৎ (এইটো), ভদ্রম্ = শোভনম্ (ভাল), ন পশ্যামি = ন অবলোকয়ামি (দেখা নাই), প্রায়েন = প্রায়ঃ (প্রায়েই), অনেন = এতেন (ইয়াৰ দ্বাৰা), তণ্ডুলকণলোভেন = (চাউলকণৰ লোভত), অস্মাভি অপি = সর্বৈঃ কপোতৈঃ চ (আমাৰ কপৌবিলাকৰো), তথা = তেন প্রকাৰেণ (তেনে ধৰণৰ), ভবিতব্যম্ = ভবনীয়ম্ (অবস্থা হব)। [যথা কংকণস্য লোভে পথিকস্য দুর্দশা অভৱৎ। অর্থাৎ সোণৰ খাৰুৰ লোভ দেখুৱাই বৃদ্ধ বাঘ এটাই বাটৰুৱা এজনক ওচৰলৈ মাতি যেনেদৰে ছলেৰে ভক্ষণ কৰিছিল, তেনেদৰে চাউলকণৰ লোভ দেখুৱাই কপৌবিলাককো কোনোবাই আত্মসাৎ কৰিব পাৰে বুলি চিত্রগ্রীৱে সন্দেহ কৰিছিল।]

কংকণস্য = সুবর্ণকটকস্য (সোণৰ খাৰুৰ), লোভেন = মোহেন (লোভৰ দ্বাৰা), সুদুস্তৰে = কঠিনে (অতি কঠিন), পংকে = কর্দমে (বোকাত), মগ্ন ঃ = নিপতিত ঃ (পৰি), পথিকঃ = পান্থঃ (বাটৰুৱা), বৃদ্ধব্যাঘ্রেণ = জৰঠদ্বীপিনা (বৃদ্ধ বাঘৰ দ্বাৰা), সম্প্রাপ্তঃ = সংগতঃ সন্ (প্রাপ্ত হৈ), যথা = যেন প্রকাৰেণ (যেনেদৰে), সম্মৃতো = মৰণত্বং প্রাপ্ত ঃ (মৰণপ্রাপ্ত হ'ল)।

জানি থোৱা ভাল

ওপৰত উল্লেখ কৰা পাঠটোৰ সংস্কৃত শব্দ কিছুমানৰ সমাস ভাঙিলে এনেদৰে পোৱা যাব —

১) প্রাসাদপৃষ্ঠে = প্রাসাদস্য পৃষ্ঠম্ (ষষ্ঠী তৎপুৰুষ) [প্রাসাদপৃষ্ঠম্] তস্মিন্।

২) মিত্রলাভ ঃ = মিত্রাণাং লাভঃ (ষষ্ঠী তৎপুৰুষ)।

৩) অসাধনাঃ = অবিদ্যমানং সাধনং যেষাং তে (বহুব্রীহি সমাস)।

৪) বিত্তহীনা ঃ = বিত্তেন হীনা ঃ (তৃতীয়া তৎপুৰুষ)।

৫) গোদাবৰীতীৰে = গোদাবৰ্যা ঃ তীৰম্ (ষষ্ঠী তৎ), [গোদাবৰীতীৰম্], তস্মিন্ (অধিকৰণত সপ্তমী)।

৬) লঘুপতনকনামা = লঘুপতনক ঃ নাম যস্য সঃ (বহুব্রীহি), তথোক্তঃ।

৭) অনিষ্টদর্শনম্ = ন ইষ্টঃ (নঞ্ তৎ), [অনিষ্টঃ] অনিষ্টস্য দর্শনম্, (ষষ্ঠী তৎ)।

৮) কপোতৰাজ ঃ = কপোতানাং ৰাজাঃ (ষষ্ঠী তৎ)।

ঠিক একেদৰে ক্ৰিয়াপদসমূহ ভাঙিলে এনেধৰণে পোৱা যাব -

১) শৃণুত = শ্রু + লোট্ ত। (শুনা অর্থত শ্রু ধাতু)।

২) গচ্ছতি = গম্ + লট্ তি (যোৱা অর্থত গম্ ধাতু)।

৩) সাধয়ন্তি = সাধ্ + লট্ অন্তি। (সাধন কৰা অর্থত সাধ্ ধাতু)।

৪) পশ্যামি = দৃশ্ + লট্ মি। (দেখা পোৱা অর্থত দৃশ্ ধাতু)।

২.৫.২ মিত্রলাভৰ মূল কাহিনীৰ অসমীয়া অনুবাদ

ৰাজপুত্রসকলক বিষ্ণুশর্মাৰ হাতত সমর্পণ কৰাৰ পিচত ৰাজভৱনৰ উপৰভাগত আনন্দমনেৰে বহি থকা ৰাজপুত্রসকলৰ আগত পণ্ডিত বিষ্ণুশর্মাই কৈছিল, হে ৰাজকুমাৰসকল, শুনা-

বুদ্ধিমানসকলৰ সময় কাব্যশাস্ত্র অধ্যয়নৰপৰা পোৱা আনন্দৰ দ্বাৰা পাৰ হয়, অজ্ঞানীসকলৰ সময় কামনা-বাসনাৰ দ্বাৰা আৰু নিদ্রাৰ দ্বাৰা অথবা কাজিয়াৰ দ্বাৰা পাৰ হয়। ১।।

গতিকে তোমালোকৰ আনন্দৰ বাবে কাউৰী-কাছ আদিৰ বিচিত্র কাহিনী উপস্থাপন কৰিম। ৰাজপুত্রসকলে ক'লে -মহোদয় কওঁকচোন। বিষ্ণুশর্মাই কলে- শুনাহঁক, এতিয়া মিত্রলাভ (হিতোপদেশৰ প্রথম ভাগ) আৰম্ভ কৰা হৈছে, যাৰ এইটো প্রথম শ্লোক-

সাধনহীন, ধনহীন, বুদ্ধিমান তথা ভাল বান্ধবসকলে কাউৰী, কাছ, হৰিণ, নিগনি আদিৰ দৰে কার্যসমূহ সোনকালে সফলতাৰে সাধন কৰে। ২।।

ৰাজকুমাৰসকলে কলে- এইটো কেনেকৈ ? বিষ্ণুশর্মাই কলে - গোদাবৰীনদীৰ পাৰত বিশাল শিমলুগছ এজোপা আছে। সেই গছজোপাত বহুদিশৰ পৰা আহি ৰাতি চৰাইবোৰে বাস কৰে। ইয়াৰ পিচত কোনো এক ৰাতিৰ সময় পাৰ হৈ যোৱাৰ পিচত কুমুদিনীবিলাকৰ নায়ক চন্দ্রই অস্তাচল যোৱাত লঘুপতনক নামৰ কাউৰীটোৱে সাৰ পালে আৰু দ্বিতীয় যমৰাজৰ দৰে আহি থকা ব্যাধক দেখা পালে। সি তাক (সেই ব্যাধক) দেখি চিন্তা কৰিলে- আজি ৰাতিপুৱাই অমঙ্গলীয়া বস্তু দর্শন হ'ল। নাজানো কি অনিষ্ট দর্শন হব। এইদৰে কৈ তাক অনুসৰণ কৰি ব্যাকুল হৈ (কাউৰী) গমন কৰিলে।

শোকৰ হাজাৰ কাৰণ আৰু ভয়ৰ শ শ কাৰণে প্রতিদিনেই মূর্খক ঘেৰি ধৰে, পণ্ডিতসকলক ঘেৰি নধৰে। ৩।।

বাৰে বাৰে উঠি বিচাৰ কৰিব লাগে, ডাঙৰ ভয় উপস্থিত হ'ল, মৰণ-ৰোগ তথা শোকৰ (ভিতৰত) আজি কি আহিব? ৪।।

ইয়াৰ পিচত সেই ব্যাধটোৱে খুদ-চাউলবোৰ চটিয়াই জাল পেলাই দিলে আৰু তেওঁ তাত লুকাই থাকিল। এই সময়তেই চিত্রগ্রীৱ নামৰ কপৌৰাজটোৱে সপৰিয়ালে আকাশত উৰি থাকোতে সেই খুদ-চাউলবোৰ দেখা পালে। তাৰ পিচত কপৌৰাজে খুদ-চাউলবোৰৰ প্রতি লালসা থকা কপৌসমূহক কলে - এই নির্জন বনত খুদ-চাউলবোৰৰ আবির্ভাৱ কেনেকৈ হ'ল? গতিকে এতিয়া সেইটো (ইয়াৰ আবির্ভাৱৰ কাৰণ) নিৰূপণ কৰা উচিত।

এইটো ভাল দেখা নাই। প্রায়েই এই খুদ-চাউলৰ লোভত আমাৰো (কপৌবিলাকৰো) তেনেধৰণৰ একেই দশা হব, যেনেদৰে সোণৰ খাৰুৰ লোভত অতি টান বোকাত পৰি বাটৰুৱা বৃদ্ধবাঘৰ দ্বাৰা প্রাপ্ত হৈ মৃত্যু মুখত পৰিল। (অর্থাৎ বৃদ্ধবাঘে বাটৰুৱা এজনক সোণৰ খাৰুৰ লোভ দেখুৱাই প্রথমে বিলৰ পানীত গা ধুই খাৰুপাত লবলৈ আহ্বান জনালে। পিচত বাটৰুৱাটোৱে বিলৰ বোকাত পৰাত তাক বাঘটোৱে খাই পেলালে)।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ মিত্রলাভৰ প্রথম শ্লোকটোত কি কোৱা হৈছে?

.....

প্রশ্ন নং ৭ঃ গোদাবৰী নদীৰ পাৰত কি গছ আছিল?

.....

প্রশ্ন নং ৮ঃ গোদাবৰীনদীৰ পাৰৰ গছডালত থকা কাউৰীটোৰ নাম কি?

.....

প্রশ্ন নং ৯ঃ মিত্রলাভৰ মূল কাহিনীটোত পোৱা কপৌৰাজৰ নাম কি ?

.....

প্রশ্ন নং ১০ঃ খাৰুৰ লোভত পথিকৰ কি অৱস্থা হৈছিল?

.....

২.৬ উপকাহিনীৰ মূল সংস্কৃত পাঠ (মৃগজম্বুকয়ো ঃ কথা)

হিতোপদেশ গ্রন্থৰ মিত্রলাভ অংশৰ মূল কাহিনীটোৰ সংস্কৃত পাঠ অধ্যয়নৰ অন্তত আপুনি এতিয়া "মিত্রলাভ" ত থকা আন উপকাহিনীসমূহৰ ভিতৰৰে এটি চুটি উপকাহিনীৰ সংস্কৃত পাঠ পঢ়িবলৈ পাব। এই উপকাহিনীটোৰ নাম "মৃগজম্বুকয়োঃ কথা" বুলি পাঠত আছে। অসমীয়াত কাহিনীটোৰ নাম হব "হৰিণ আৰু শিয়ালৰ কাহিনী"। "মৃগঃ" মানে হৰিণ আৰু "জম্বুকঃ" মানে শিয়াল। দুয়োটা শব্দ একেলগে লিখা বাবে দ্বিবচনতপোৱা গৈছে। সেয়ে "মৃগজম্বুকয়োঃ শব্দটো ব্যৱহাৰ হৈছে আৰু "কথা" মানে আপুনি জানেই "কাহিনী"। এতিয়া তলত এই উপকাহিনীটোৰ সংস্কৃত পাঠ এনেদৰে উল্লেখ কৰা হ'ল-

"অস্তি মগধদেশে চম্পকবতী নাম অৰণ্যানী। তস্যাং চিৰাৎ মহতা স্নেহেন মৃগকাকৌ নিবসতঃ। স চ মৃগঃ স্বেচ্ছয়া ভ্রাম্যন্ হৃষ্টপুষ্টাংগঃ কেনচিৎ শৃগালেন অবলোকিত ঃ। তং দৃষ্ট্বা শৃগালো২চিন্তয়ৎ - "আ ঃহ্ল কথম্ এতৎ মাংসং সুললিতং ভক্ষয়ামি? ভবতু, বিশ্বাসং তাবদ্ উৎপাদয়ামি" ইতি আলোচ্য উপসৃত্যাব্রবীৎ- "মিত্রহ্ল কুশলং তে"? মৃগেণ উক্তম্- "কঃ ত্বম্"? স ব্রুতে - 'ক্ষুদ্রবুদ্ধিনামা জম্বুকঃ অহম্। অত্র অৰণ্যে বন্ধুহীনো মৃতবৎ একাকী নিবসামি, ইদানীং ত্বাং মিত্রম্ আসাদ্য পুনঃ সবন্ধুঃ জীৱলোকং প্রবিষ্টঃ অস্মি, অধুনা তব অনুচৰেণ ময়া সর্বথা ভবিতব্যম্ ইতি। মৃগেণ উক্তম্ - "এবম্ অস্তু"।

ততঃ পশ্চাদ্ অস্তংগতে সবিতৰি ভগবতি মৰীচিমালিনি তৌ মৃগস্য বাসভূমিং গতৌহ্ল তত্র চম্পকবৃক্ষশাখায়াং সুবুদ্ধিনামা কাকো মৃগস্য চিৰমিত্রম্ নিবসতি। তৌ দৃষ্ট্বা কাকঃ অবদৎ- "সখে চিত্রাংগহ্ল কোহয়ং দ্বিতীয়ঃ"? মৃগো ব্রুতে -"জম্বুকোহয়ম্। অস্মৎসখ্যম্ ইচ্ছন্ আগতঃ।" কাকো ব্রুতে- "মিত্রহ্ল অকস্মাদ্ আগন্তুনা সহ মৈত্রী ন যুক্তা, তদ্ ন ভদ্রম্ আচৰিতম্"।

তথা চ উক্তম্ - অজ্ঞাতকুলশীলস্য বাসো দেয়ো ন কস্যচিৎ।
মার্জাৰস্য হি দোষেণ হতো গৃধ্রো জৰদ্গবঃ।।

২.৬.১ উপকাহিনীৰ সংস্কৃত পাঠৰ শব্দার্থ

মগধদেশে = মগধনামজনপদে (মগধ নামৰ প্রদেশত), চম্পকবতী নাম = চম্পকবতী ইতি নাম্না (চম্পকবতী নামৰ) অৰণ্যানী = মহদ্ অৰণ্যম্ (ডাঙৰ অৰণ্য), তস্যাম্ = অৰণ্যান্যাম্ (সেই অৰণ্যত), চিৰাৎ = বহুকালাৎ (বহুদিনৰ পৰা), মহতা = বিপুলেন (বহুত), স্নেহেন = প্রেম্না (প্রেমেৰে), মৃগকাকৌ = হৰিণবায়সৌ (হৰিণ আৰু কাউৰী), নিবসতঃ = নিবাসং কুৰ্বতঃ (বাস কৰিছিল)। স চ মৃগঃ = পূৰ্বোক্ত ঃ হৰিণ ঃ (আৰু সেই হৰিণটোৱে), স্বেচ্ছয়া = নিজবাঞ্ছয়া (নিজ ইচ্ছাৰে), হৃষ্টপুষ্টাংগঃ = পুলকিতমাংসপূৰ্ণশৰীৰঃ (মাংসপূৰ্ণ শৰীৰেৰে), ভ্রাম্যন্ = ভ্রমণং কুৰ্বন্ (বিচৰণ কৰি থকা), কেনচিৎ = যেন কেনাপি অপৰিচিতেন (কোনো এক অপৰিচিত), শৃগালেন = জম্বুকেন (শিয়ালৰদ্বাৰা) অবলোকিত ঃ = দৃষ্টঃ (দৃষ্ট হ'ল) । তম্ = মৃগম্ (সেই হৰিণক), দৃষ্ট্বা = বিলোক্য (দেখি), শৃগালঃ = জম্বুকঃ (শিয়াল), অচিন্তয়ৎ = বিচাৰিতবান্ (বিচাৰ কৰিলে), আঃ = আশ্চর্যম্ (আশ্চর্য্য), সুললিতম্ = অতিসুন্দৰম্ (অতি সুন্দৰ), এতৎ মাংসম্ = হৰিণমাংসম্ (হৰিণৰ মাংস) কথ ম্ = কেন প্রকাৰেণ (কেনেকৈ), ভক্ষয়ামি = খাদামি (খাওঁ)?, ভবতু = অস্তু (হওঁক), তাবৎ = প্রাক্ (প্রথমে), বিশ্বাসং = বিস্রম্ভম্ (বিশ্বাস), উৎপাদয়ামি = জনয়ামি (জন্মাওঁ), ইতি = ইত্থম্ (এনেদৰে), আলোচ্য = বিমৃশ্য (ভাবি), উপসৃত্য = সমীপং গত্বা (ওচৰলৈ গৈ), অব্রবীৎ = অবদৎ (কলে), মিত্র = সখে (বন্ধু), তে = তব অর্থাৎ মৃগস্য (তোমাৰ), কুশলম্ = শুভম্ (ভাল)?, মৃগেণ = হৰিণেন (হৰিণৰদ্বাৰা), উক্তম্ = কথিতম্ (কোৱা হ'ল), ত্বম্ = প্রশ্নকর্তা (তুমি অর্থাৎ প্রশ্নকর্তা), কঃ = কিম্নামক ঃ জাতি বা (কোন)?, সঃ = শৃগাল ঃ (সেই শিয়াল), ব্রুতে = ব্রবীতি (কলে), অহম্ = উত্তৰ কর্তা (উত্তৰদাতা অর্থাৎ মই) ক্ষুদ্রবুদ্ধিনামা = ক্ষুদ্রবুদ্ধিনামকঃ (ক্ষুদ্রবুদ্ধি নামৰ), জম্বুকঃ = শৃগালঃ (শিয়াল), অত্র অৰণ্যে = অস্মিন্ মহাৰণ্যে (এই অৰণ্যত), বন্ধুহীনো = বান্ধবৰহিতঃ (বন্ধুহীন), মৃতবৎ = পঞ্চত্বং প্রাপ্ত ইব (মৃত যেন), একাকী = অসহায়ঃ (অকলে), নিবসামি = নিবাসং কৰোমি (বাস কৰো), ইদানীম্ = সম্প্রতি (এতিয়া), ত্বাম্ = শৃগালম্ (তোমাক অর্থাৎ শিয়ালক), মিত্রম্ = সুহৃদম্ (বন্ধুক), আসাদ্য = প্রাপ্য (পাই), পুনঃ = ভূয়ঃ (পুনৰ), সবন্ধুঃ = বান্ধবসহিতঃ (বন্ধুৰ সৈতে), জীৱলোকম্ = সংসাৰম্ (এই সংসাৰত), প্রবিষ্ট ঃ অস্মি = কৃত প্ররেশঃ অস্মি (প্রবেশ কৰিছো), অধুনা = ইদানীম্ (এতিয়া), তব = মৃগস্য (তোমাৰ), অনুচৰেণ = সহচৰেণ সেবকেন বা (দাস অথবা অনুসৰণকাৰী হৈ), ময়া = শৃগালেন (মই অর্থাৎ শিয়ালে), সর্বথা= সদা (সদায়), ভৱিতব্যম্ ইতি = ভৱনীয়ম্ ইতি (থাকিম)। মৃগেণ = হৰিণেন (হৰিণৰ দ্বাৰা), উক্তম্ = অভিহিতম্ (কোৱা হ'ল), এবম্ = ইত্থমেব (এনেকুৱাই) অস্তু = ভবতু (হওঁক)।

ততঃ পশ্চাদ্ = মৃগবাসভূমিগমনানন্তৰম্ (ইয়াৰ পিচত), ভগবতি = ঐশ্বর্যাদি ষড়্গুণান্বিতে (ভগৱান), মৰীচিমালিনি সবিতৰি = আলোকমালাযুক্তে সূর্যে (সূর্য), অস্তংগতে = অস্তাচলং প্রাপ্তে সতি (অস্ত যোৱাত), তৌ = মৃগকাকৌ (হৰিণ আৰু কাউৰী), মৃগস্য = হৰিণস্য (হৰিণৰ), বাসভূমিং = নিবাসস্থানম্ (বাসভূমিলৈ), গতৌ = প্রাপ্তৌ (গমন কৰিলে), তত্র = তস্যাং বাসভূমৌ (সেই বাসভূমিত), চম্পকবৃক্ষশাখায়াম্ = চম্পকদ্রুমবিটপে (চম্পকবৃক্ষৰ শাখাত), সুবুদ্ধিনামা = তৎ নামধেয়ঃ (সুবুদ্ধি নামৰ), কাকো = বায়সঃ (কাউৰী), মৃগস্য = হৰিণস্য (হৰিণৰ), চিৰমিত্রম্ = প্রাচীনসখা (পুৰণি বন্ধু), নিবসতি = নিবাসং কৰোতি (বাস কৰে), তৌ = মৃগশৃগালৌ (হৰিণ আৰু শিয়াল), দৃষ্ট্বা = নিৰীক্ষ্য (দেখি), কাকঃ = বায়সঃ (কাউৰী), অবদৎ = অব্রবীৎ (কলে), সখে চিত্রাংগহ্লু = মিত্র চিত্রাংগ (বন্ধু চিত্রাংগহ্লু) অয়ম্ = এষঃ (এওঁ), কঃ = কিং নামধেয়ঃ (কোন), দ্বিতীয়ঃ = ত্বদ্ভিন্নঃ

(দ্বিতীয়জন)?, মৃগঃ = হৰিণঃ (হৰিণে), ব্রুতে = কথয়তি (কলে), অয়ম্ = এষঃ (এওঁ), জম্বুকঃ = শৃগালঃ (শিয়াল), অস্মৎ সখ্যম্ = অস্মাকম্ মিত্রভাৱম্ (আমাৰ সৈতে মিত্রতা কৰিবলৈ), ইচ্ছন্ = বাঞ্ছন্ (ইচ্ছা কৰি), আগতঃ = সমায়াতঃ (আহিছে)। কাকঃ = বায়সঃ (কাউৰীয়ে), ব্রুতে = বদতি (কলে), মিত্রহু = সখেহু (বন্ধুহু), অকস্মাৎ = সহসা (অকস্মাৎ অর্থাৎ হঠাৎ অহা), আগন্তুনা = অপৰিচিতেন (অপৰিচিত ব্যক্তিৰ), সহ মৈত্রী = সহ মিত্রলাভঃ (সৈতে মিত্রতা), ন যুক্তা = ন উচিতা (উচিত নহয়), তৎ = তস্মাদ্ হেতোঃ (সেইটো), ভদ্রম্ = শোভনম্ (ভাল), ন আচৰিতম্ = ন অনুষ্ঠিতম্ (আচৰণ কৰা নাই) ।

তথা চ উক্তম্ = অপি চ বদতি (আৰু সেয়েহে কোৱা হয়), অজ্ঞাতকুলশীলস্য = অবিদিতবংশস্বভাৱস্য (অপৰিচিত বংশ তথা স্বভাৱযুক্ত), কস্যচিৎ = যস্য কস্যাপি অপৰিচিতস্য (কোনো অপৰিচিত ব্যক্তিক), বাসঃ = স্বগৃহে আশ্রয়ঃ (নিজ গৃহত আশ্রয়), ন দেয়ঃ = দাতুম্ অনর্হঃ (দিয়া উচিত নহয়)। হি = যতঃ (যিহেতু), মার্জাৰস্য = বিড়ালস্য (মেকুৰীৰ), দোষেণ = অপৰাধেন অবগুণেন বা (দোষৰ দ্বাৰা), জৰদ্গৱঃ = এতন্নামকঃ (জৰদ্গব নামৰ), গৃধ্রঃ = দাক্ষায্যঃ (শগুণ), হতঃ = ব্যাপাদিতঃ (মৃত্যু মুখত পৰিল)।

২.৬.২ উপকাহিনীৰ অসমীয়া অনুবাদ

মগধদেশত চম্পকবতী নামৰ এখন অতি বিশাল অৰণ্য আছিল। সেই অৰণ্যত বহুকালৰ পৰা অতি স্নেহেৰে এটা হৰিণ আৰু এটা কাউৰী বাস কৰি আছিল আৰু নিজমনে ভ্রমণ কৰি থকা হৃষ্টপুষ্ট সেই হৰিণটো কোনো এক শিয়ালৰদ্বাৰা দৃষ্ট হ'ল (শিয়ালে দেখা পালে)। তাক দেখি শিয়ালটোৱে চিন্তা কৰিলে - বাহ! ইয়াৰ অতি সুন্দৰ সুস্বাদু মাংস মই কেনেকৈ খাওঁ? ভাল বাৰু, প্রথমে বিশ্বাস জন্মাওঁ, এই বুলি ভাবি ওচৰলৈ গৈ ক'লে - 'বন্ধু', তোমাৰ ভালনে?' হৰিণটোৱে কলে - 'তুমি কোন'? শিয়ালটোৱে ক'লে - মই ক্ষুদ্রবুদ্ধি নামৰ শিয়াল। এই অৰণ্যত বন্ধুবান্ধৱ অবিহনে মৃত প্রাণী, যেন হৈ অকলেই বাস কৰিছো, বর্তমান তোমাক মিত্র হিচাপে লাভ কৰি পুনৰ বন্ধুসহিতে সংসাৰত প্রৱেশ কৰিছো। এতিয়া তোমাৰ দাস হৈ মই সকলোপ্রকাৰে থাকিঁম। হৰিণটোৱে ক'লে - ভাল বাৰু, এনেকুৱাই হওঁক।

ইয়াৰ পিচত হৰিণ আৰু শিয়াল দুয়োটাই আলোকমালাযুক্ত সূর্য্য অস্ত যোৱাত হৰিণৰ বাসস্থানলৈ গমন কৰিলে। সেই বাসভূমিত চম্পকবৃক্ষৰ শাখাত হৰিণৰ পুৰণি বন্ধু সুবুদ্ধি নামৰ কাউৰী এটা বাস কৰি আছিল। হৰিণ আৰু শিয়াল দুয়োটাকে দেখি কাউৰীয়ে কলে - 'বন্ধু চিত্রাংগ, এওঁ দ্বিতীয়জন কোন'? হৰিণটোৱে কলে- 'এইটো শিয়াল; আমাৰ সৈতে মিত্রতা কৰিবলৈ ইচ্ছা কৰি আহিছে।' কাউৰীয়ে কলে - 'বন্ধু, অকস্মাৎ অহাজনৰ সৈতে মিত্রতা কৰা উচিত নহয়। (তুমি) সেইটো ভাল আচৰণ কৰা নাই।

আকৌ যিহেতু কোৱা হৈছে- অপৰিচিত বংশ তথা স্বভাৱযুক্ত কোনো ব্যক্তিক আশ্রয় দিয়া উচিত নহয়। কাৰণ মেকুৰীৰ দোষত জৰদ্গব নামৰ শগুণটো মৃত্যু মুখত পৰিল।

জানি থোৱা ভাল

ওপৰৰ উপকাহিনীত পোৱা কিছুমান উল্লেখযোগ্য সংস্কৃতপদ শব্দৰ সমাস ভাঙিলে এনেদৰে ৰূপ পোৱা যায়—

১) মৃগকাকৌ = মৃগঃ চ কাকঃ চ, (দ্বন্দ্ব সমাস)।

২) বন্ধুহীনঃ = বন্ধুনা হীনঃ (তৃতীয়া তৎপুৰুষ)

৩) জীবলোকম্ = জীৱানাং লোকঃ (ষষ্ঠী তৎপুৰুষ) তম্।

৪) বাসভূমিম্ = বাসস্য ভূমিঃ , (ষষ্ঠী তৎপুৰুষ) তাম্।

৫) চম্পকবৃক্ষশাখায়াম্ = চম্পকস্য বৃক্ষঃ (ষষ্ঠী তৎপুৰুষ), চম্পকবৃক্ষঃ তস্য শাখা (ষষ্ঠী তৎপুৰুষ), তস্যাম্।

৬) হৃষ্টপুষ্টাংগঃ = হৃষ্টং চ পুষ্টং চ (দ্বন্দ্বসমাস) হৃষ্টপুষ্টে, তাদৃশীনি অংগানি যস্য সঃ (বহুব্রীহি)।

ঠিক একেদৰে কিছুমান ক্রিয়াপদ ভাঙি পোৱা ৰূপ তলত দেখুওৱা হ'ল—

নিবসতঃ — নি- √ৱস্ + তস্

দৃষ্ট্বা — √দৃশ্ + ক্ত্বাচ্

অচিন্তয়ৎ — √চিন্ত্ + লঙ্ দ

ভৱতু — √ভূ + লোট্ তু

আসাদ্য — আ — √সদ্ + ল্যপ্

অৱদৎ — √ৱদ্ + লঙ্ দ

আগত — আ - √গম্ + ক্ত

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ঃ অধ্যায়টোত থকা উপকাহিনীটোৰ নাম কি ?

.....

প্রশ্ন নং ১২ঃ মগধদেশত থকা অৰণ্যখনৰ নাম কি হ'ব তলত উল্লেখ কৰা নামসমূহৰ পৰা শুদ্ধ উত্তৰটো বাচি লওঁক।

ক) ৰূপকবতী খ) চম্পকবতী গ) জাম্বুকবতী।

.....

প্রশ্ন নং ১৩ঃ অৰণ্যখনত থকা হৰিণ আৰু কাউৰীটোৰ নাম কি কি?

.....

প্রশ্ন নং ১৪ঃ টেঙৰ শিয়ালটোৰ নাম কি বুলি উল্লেখ কৰা হৈছে?

.....

প্রশ্ন নং ১৫ঃ কাহিনীটোত কাউৰীয়ে উল্লেখ কৰা উপদেশমূলক শ্লোকটো মুখস্থ লিখক।

.....

২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

ওপৰত কৰি অহা আলোচনাৰ অন্তত আপুনি -

- প্রাচীন ভাৰতীয় গল্প সাহিত্যৰ বিষয়ে কিছু চমু আভাস লাভ কৰিলে।
- হিতোপদেশ গ্রন্থখনৰ এক সম্যক ধাৰণা পালে।
- হিতোপদেশৰ আৰম্ভনিতে থকা বিভিন্ন নীতিশিক্ষামূলক কথাৰ আভাস লাভ কৰিলে।
- মিত্রলাভৰ বিষয়ে সাধাৰণ পৰিচয় লাভ কৰিলে।

- মিত্রলাভত উল্লেখ থকা উপকাহিনীসমূহৰ নাম গম পালে।
- মিত্রলাভৰ মূলকাহিনীৰ লগতে এটি উপকাহিনীৰো সংস্কৃত পাঠ এই অধ্যায়টোত পঢ়িবলৈ সক্ষম হ'ল।

২.৮ অধিক জানিবলৈ

১) গিৰি, কপিলদেব, সম্পাদক; *নাৰায়ণ বিৰচিত হিতোপদেশ মিত্রলাভঃ* চৌখম্বা পাব্লিশর্স, বাৰাণসী - ২২১০০১ (ভাৰত)।

২) শর্মা, ডঃ মুকুন্দ মাধৱ, *হিতোপদেশ,* অসম প্রকাশন পৰিষদ, ৯ ম সংস্কৰণ, ২০০০, গুৱাহাটী- (বামুনীমৈদাম)।

৩) Kale, M.R, *The Hitopadesa of Narayana*, Motilal Banarsidass Publishers Private Limited, 6th edition, 2004, New Delhi - 7

৪) শর্মা, ডঃ থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত,* চন্দ্রপ্রকাশ, গুৱাহাটী।

২.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃগুণাঢ্যই "বৃহৎকথা" আৰু সোমদেৱে "কথাসৰিৎসাগৰ" ৰচনা কৰিছিল।

২নং প্রশ্নৰ উত্তৰ ঃহিতোপদেশ গ্রন্থখনৰ ভাগ চাৰিটা আৰু সেইবোৰৰ নাম হ'ল -মিত্রলাভ, সুহৃদভেদ, বিগ্রহ আৰু সন্ধি।

৩নং প্রশ্নৰ উত্তৰ ঃবিদ্যাই মানুহক বিনয়ী কৰে।

৪নং প্রশ্নৰ উত্তৰ ঃবিদ্যাহীন ব্যক্তিক পশুৰ লগত তুলনা কৰা হৈছে।

৫নং প্রশ্নৰ উত্তৰ ঃপাটলিপুত্রৰ ৰজাজনৰ নাম সুদর্শন আৰু তেওঁৰ তিনিজন পুত্র আছিল।

৬নং প্রশ্নৰ উত্তৰ ঃমিত্রলাভৰ প্রথম শ্লোকটো এনেদৰে উল্লেখ আছে-

কাব্যশাস্ত্রবিনোদেন কালো গচ্ছতি ধীমতাম্।
ব্যসনেন চ মূর্খাণাং নিদ্রয়া কলহেন বা ।।

অর্থাৎ বুদ্ধিমানৰ সময় কাব্যশাস্ত্র অধ্যয়নৰ পৰা পোৱা আনন্দৰ দ্বাৰা পাৰ হয়, অজ্ঞানীসকলৰ সময় কামনা-বাসনাৰ দ্বাৰা আৰু নিদ্রাৰ দ্বাৰা অথবা কাজিয়াৰ দ্বাৰা পাৰ হয়।

৭নং প্রশ্নৰ উত্তৰ ঃগোদাবৰী নদীৰ পাৰত বিশাল শিমলু গছ এজোপা আছিল।

৮নং প্রশ্নৰ উত্তৰ ঃগোদাবৰী নদীৰ পাৰৰ গছডালত থকা কাউৰীটোৰ নাম হ'ল লঘুপতনক।

৯নং প্রশ্নৰ উত্তৰ ঃমিত্রলাভৰ মূলকাহিনীত পোৱা কপৌৰাজৰ নাম হ'ল চিত্রগ্রীৱ।

১০নং প্রশ্নৰ উত্তৰ ঃ খাৰুৰ লোভত পথিকজন বোকাত পৰিল আৰু তেতিয়া তাক বৃদ্ধ বাঘে ভক্ষণ কৰিলে।

১১নং প্রশ্নৰ উত্তৰ ঃ অধ্যায়টোত থকা উপকাহিনীটোৰ নাম হ'ল — "মৃগজম্বুকয়োঃ কথা"।

১২নং প্রশ্নৰ উত্তৰ ঃ মগধদেশত থকা অৰণ্যখনৰ নাম হ'ল -চম্পকবতী।

১৩নং প্রশ্নৰ উত্তৰ ঃ অৰণ্যখনত থকা হৰিণ আৰু কাউৰীটোৰ নাম ক্রমে- চিত্রাংগ আৰু সুবুদ্ধি।

১৪নং প্রশ্নৰ উত্তৰ ঃ টেঙৰ শিয়ালটোৰ নাম হ'ল- ক্ষুদ্রবুদ্ধি।

১৫নং প্রশ্নৰ উত্তৰ ঃ অজ্ঞাতকুলশীলস্য বাসো দেয়ো ন কস্যচিৎ।
মার্জাৰস্য হি দোষেণ হতো গৃধ্রো জৰদ্গবঃ।।

? ২.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ মিত্রলাভৰ উপকাহিনীসমূহৰ নাম উল্লেখ কৰক।

খ) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ মিত্র লাভৰ চমু পৰিচয় দাঙি ধৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ ভাৰতীয় গল্প সাহিত্যৰ লগতে হিতোপদেশ গ্রন্থখনৰ এটি চমু আভাস দাঙি ধৰক।

*** ***** ***

অধ্যায় ৩ঃ সুভাষিতম্

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ সত্যৰ বিষয়ে সুভাষিত
৩.৪ ধর্মৰ বিষয়ে সুভাষিত
৩.৫ জ্ঞানৰ বিষয়ে সুভাষিত
৩.৬ মহাপুৰুষৰ বিষয়ে সুভাষিত
৩.৭ কিছুমান গুৰুত্বপূর্ণ সুভাষিত
৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৯ অধিক জানিবলৈ
৩.১০ অগ্রগতিৰ খতিয়ান
৩.১১ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সত্যৰ বিষয়ে কিছুমান গুৰুত্বপূর্ণ সংস্কৃত সুভাষিত বচন আৰু সেইবোৰৰ অসমীয়া অনুবাদ জানিব পাৰিব।
- জ্ঞানৰ বিষয়ে কিছুমান গুৰুত্বপূর্ণ সংস্কৃত সুভাষিত বচন আৰু সেইবোৰৰ অসমীয়া অনুবাদ জানিব পাৰিব।
- মহাপুৰুষৰ বিষয়ে কিছুমান গুৰুত্বপূর্ণ সংস্কৃত সুভাষিত বচন আৰু সেইবোৰৰ অসমীয়া অনুবাদ জানিব পাৰিব।

৩.২ পৰিচয়

এই অধ্যাটিত আপুনি সংস্কৃত সাহিত্যৰ কিছুমান উল্লেখযোগ্য সুভাষিতৰ বিষয়ে জানিব পাৰিব। সুষ্ঠু ভাষিতম্ = সুভাষিতম্।। সংস্কৃত সাহিত্যত সুভাষিতৰ এক বিশেষ স্থান আছে। এই সুভাষিতসমূহ অতিকৈ মধুৰ আৰু জ্ঞানবর্ধক। এই সুভাষিতসমূহ সাধাৰণতে মানৰ স্বভাৱক লৈ উপস্থাপিত হোৱা দেখা যায়। ইয়াৰ উপৰিও কেতিয়াবা মিত্রতাৰ বিষয়ে, জ্ঞানৰ বিষয়ে, কেতিয়াবা ধর্ম বা বিদ্যা আৰু কেতিয়াবা মহাপুৰুষৰ বিষয়তো ৰচিত হোৱা দেখা যায়। এই অধ্যায়ত আপুনি বিভিন্ন বিষয় সামৰি লোৱা সুভাষিতৰ বিষয়ে জানিব পাৰিব। যেনে— সত্যৰ বিষয়ে, ধর্মৰ বিষয়ে, জ্ঞানৰ বিষয়ে আৰু মহাপুৰুষৰ বিষয়ে। অধ্যায়টিত কেইটিমান উল্লেখযোগ্য সংস্কৃত সুভাষিত উল্লেখ কৰাৰ লগতে সেইবোৰৰ অসমীয়া অর্থও উল্লেখ কৰা হৈছে।

৩.৩ সত্যৰ বিষয়ে সুভাষিত

- সত্যমেৱ জয়তে নানৃতম্।

  এই সুভাষিত বচন ফাকি মুণ্ডকোপনিষদত উল্লেখ পোৱা যায়। ইয়াৰ অর্থ হ'ল সত্যৰেই জয় হয় মিথ্যাৰ

নহয়।

- সত্যেন উত্তভিতা ভূমি ঃ।
  এই সুভাষিত বচনফাকি ঋক্‌বেদত পোৱা যায়। ইয়াৰ অর্থ হ'ল এই পৃথিৱীখন সত্যৰ ওপৰত প্রতিষ্ঠিত।
- সত্যমূলং জগৎ সর্বম্।
  এই সুভাষিত বচনফাকি বৰাহ পুৰাণত উল্লেখ আছে। ইয়াৰ অর্থ হ'ল সমগ্র পৃথিৱী সত্যৰ ওপৰত প্রতিষ্ঠিত অর্থাৎ সকলো দিশ সত্যৰ ওপৰত আধাৰিত।
- যদ্‌ভূতহিতমত্যন্তং তৎ সত্যমিতি কথ্যতে।
  এই সুভাষিত বচনফাকি ব্যাখ্যানমালাত উল্লেখ পোৱা যায়। ইয়াৰ অর্থ হ'ল—যি সকলোৰে বাবে হিতকৰ, সেইটোৱে সত্য। অর্থাৎ এই পৃথিৱীত যিটো বস্তু সকলো প্রাণীৰ বাবে হিতজনক হয়, সেইটোৱে সত্য হয়।
- নাস্তি সত্যসমো ধর্মো ন সত্যাদ্বিদ্যতে পৰম্।
  এই সুভাষিত বচনফাকি বাখ্যানমালাত পোৱা যায়। ইয়াৰ অর্থ হ'ল—সত্যৰ সমান ধর্ম নাই আৰু সত্যতকৈ ডাঙৰ একো নাই। অর্থাৎ এই পৃথিৱীত মিথ্যাতকৈ ভয়ংকৰ একো নাই।
- সর্বং সত্যে প্রতিষ্ঠিতম্।
  এই সুভাষিত বচনফাকি ব্যাখ্যানমালাত পোৱা যায়। ইয়াৰ অর্থ হৈছে—সকলো সত্যৰ ওপৰত প্রতিষ্ঠিত। অর্থাৎ বেদতো সত্যই আধিপত্য লাভ কৰিছে। আটাইতকৈ ডাঙৰ পুৰস্কাৰ সত্যৰ পৰাই আহে আৰু সত্যৰ পৰাই নীতিপৰয়াণতা আৰু আত্মসংযম আহে। গতিকে সকলো সত্যৰ ওপৰত আধাৰিত।
- ন হি প্রতিজ্ঞাং কুর্বন্তি বিতথাং সত্যবাদিনঃ।
  লক্ষণং হি মহত্ত্বস্য প্রতিজ্ঞাপৰি পালনম্।।
  এই সুভাষিত বচন ফাকি কোনো অখ্যাত ব্যক্তিৰ উক্তি। ইয়াৰ অর্থ হৈছে সত্যবাদী ব্যক্তিয়ে মিথ্যা প্রতিজ্ঞা নকৰে। প্রতিজ্ঞাপালন কৰাটো মহানতাৰ লক্ষণ।
- ন পাবনতমং কিঞ্চিৎ সত্যাদধ্যগমং ক্বচিৎ।
  এই সুভাষিত বচনফাকি ব্যাখ্যানমালাৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল সত্যতকৈ পবিত্রতম কিবা কৰবাত আছে বুলি জনা নাযায়। আচলতে কোৱা হয় সত্যই হৈছে স্বর্গলৈ যোৱাৰ খটখটি আৰু সাগৰ পাৰ হোৱাৰ বাবে নাওঁ।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ সত্যৰ ওপৰত আধাৰিত এটি বচন লিখঁক

.....

প্রশ্ন নং ২ঃ খালী ঠাই পূৰণ কৰক

(ক) নাস্তি সত্যসমো ..... ন সত্যাদ্বিদ্যতে পৰম্।

(খ) সর্বং ..... প্রতিষ্ঠিতম্

প্রশ্ন নং ৩ঃ সত্যমূলং জগ্য সর্বম্— এই বচনৰ অর্থটো লিখক

.....

.....

৩.৪ ধর্মৰ ওপৰত আধাৰিত

- শৰীৰমাদ্যং খলু ধর্মসাধনম্।
  এই সুভাষিত বচনফাকি 'কুমাৰসম্ভৱম্'ত উল্লেখ আছে। ইয়াৰ অর্থ হ'ল—শৰীৰটো হৈছে কার্য্য পালনৰ প্রধান। অর্থাৎ শৰীৰ ভালে থাকিলে সকলো সম্ভৱ। শৰীৰ ভালে নাথাকিলে সকলো অসাৰ।
- আত্মনঃ প্রতিকূলানি পৰেষাং ন সমাচৰেৎ।
  এই সুভাষিত বচনফাকি ব্যাখ্যানমালাৰ পৰা লোৱা হৈছে। এই বচনফাকিৰ অর্থ হ'ল— নিজৰ বাবে যি প্রতিকূল বা বেয়া সেয়া আনৰ প্রতি আচৰণ কৰিব নালাগে।
- ন ধর্মবৃদ্ধেষু বয়ঃ সমীক্ষ্যতে।
  এই সুভাষিত বচনফাকি 'কুমাৰসম্ভৱম্'ৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—যিসকল ধর্মত নিপুণ সেইসকলৰ ক্ষেত্রত বয়সটো গণ্য (বিচাৰ) কৰা নহয়।
- সেবাধর্ম ঃ পৰমগহনো যোগিনামপ্যগম্যঃ।
  এই সুভাষিত বচনফাকি ভর্তিহৰিৰ নীতিশতকৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল সেৱকৰ ধর্ম পালন কৰাটো অতি কষ্টকৰ কাম, আনকি যোগীসকলৰ বাবেও অসাধ্যকৰ। অর্থাৎ যদি কোনো এজন সেৱকে মনে মনে থাকে, তেতিয়া তাক বোবা বুলি আখ্যা দিয়া হয়, যদি সি কথা কোৱাত পার্গত হয়, তেতিয়া তাক তোষামোদকাৰী বা কথা চহকী বুলি আখ্যা দিয়া হয়, যদি ওচৰত থাকে, তেতিয়া সি নির্লজ্জ হয় আৰু যদি দূৰত থাকে তেতিয়া সি অপৈণত হয়, যদি তাৰ সহনশীলতা আছে, তেতিয়া সি কাপুৰপষ, যদি অসহনশীল তেতিয়া সি নিম্নবংশত জন্মা হয়, গতিকে সেৱক হিচাপে কার্য পালন কৰাটো অতি কষ্ঠসাধ্য হয়।
- পৰোপকাৰ ঃ পুণ্যায় পাপায় পৰপীড়নম্।
  এই সুভাষিত বচনফাকি 'সুভাষিত ৰত্ন ভাণ্ডাগাৰ'ৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হৈছে—আনৰ বাবে উপকাৰ কৰাটো পুণ্য আৰু আনক কষ্ঠ দিয়াটো পাপ।
- আচাৰ ঃ পৰমো ধর্মঃ।
  এই সুভাষিত বচনফাকি 'মনুসংহিতা'ত উল্লেখ আছে। ইয়াৰ অর্থ হৈছে—সৎ আচৰণ হৈছে উত্তম ধর্ম।
- সুলভা ৰম্যতা লোকে দুর্লভং হি গুণার্জনম্।
  এই সুভাষিত বচনফাকি 'কিৰাতার্জুনীয়ম্' মহাকাব্যত পোৱা যায়। ইয়াৰ অর্থ হ'ল—এই পৃথিৱীত আকর্ষণীয় হ'ব পৰাটো সহজ, কিন্তু সৎ গুণ অর্জন কৰাটো কঠিন।
- জীৱিতুং মঃ স্বয়ং চেচ্ছেৎকলং সোহন্যং প্রঘাতয়েৎ।
  যদ্যদাত্মনি চেচ্ছেত্তু তৎপৰস্যাপি চিন্তয়েৎ।।
  এই সুভাষিত বচনফাকি 'ব্যাখ্যানমালা'ত উল্লেখ পোৱা যায়। ইয়াৰ অর্থ হ'ল—যিয়ে নিজে জীয়াই থাকিবলৈ ইচ্ছা কৰে, তেওঁ কেনেকৈ আনক হত্যা কৰিব পাৰে। যিয়ে নিজৰ বাবে কিবা কামনা কৰে, তেওঁ সেই একেই বস্তু আনৰ বাবে কামনা কৰিব লাগে।
- ধর্মস্য তত্ত্বং নিহিতং গূহায়াং মহাজনো যেন গতঃ স পন্থাঃ।
  এই সুভাষিত বচনফাকি 'চানক্যনীতি'ৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—ধর্মৰ তত্ত্ব গুহাৰ মাজত সোমাই থাকে। সেইটোৱেই শুদ্ধ পথ যিটোৱে মহান পুৰুষসকলে খোজ কাঢ়ে।
- শাস্ত্রাণ্যধীত্যাপি ভবন্তি মূর্খা যস্তু ক্রিয়াবান্ পুৰুষঃ
  সঃ বিদ্বান্।

এই সুভাষিত বচনফাকি 'হিতোপদেশ'ৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—শাস্ত্র আদি অধ্যয়ন কৰিও মানুহ মূর্খ হ'ব পাৰে, সেইজনেই বিদ্বান ব্যক্তি যিজনে কাম কৰে।

- স্থাণুৰয়ং ভাৰহাৰঃ কিলাভূদধীত্য বেদং ন বিজানাতি যোহর্থম্।
  এই সুভাষিত বচনফাকি 'নিৰুক্ত'ত উল্লেখ আছে। ইয়াৰ অর্থ হ'ল—এজন মানুহ যিয়ে বেদ অধ্যয়ন কৰিছে কিন্তু তাৰ (বেদৰ) অর্থ বুজি নাপায়, তেওঁ এটা স্তম্ভৰ দৰে যিটোৱে মাত্র ভাৰ বহন কৰিব পাৰে।
- যত্র বিদ্বজ্জনো নাস্তি শ্লাঘ্যস্তত্রাল্পধীৰপি।
  নিৰস্তপাদপে দেশে এৰণ্ডোহপি দ্রুমায়তে।।
  এই সুভাষিত বচনফাকি 'হিতোপদেশ'ত পোৱা যায়। ইয়াৰ অর্থ হ'ল—য'ত এজনো পণ্ডিতলোক নাথাকে, তাত অল্প বুদ্ধিৰ এজন মানুহো প্রশংসিত হয়। এখন দেশ য'ত এডালো গছ নাথাকে, তাত এৰাকো গছ বুলি গণ্য কৰা হয়।
- অজ্ঞঃ সুখমাৰাধ্যঃ সুখতৰমাৰাধ্যতে বিশেষজ্ঞঃ।
  জ্ঞানলবদুর্বিদগ্ধং ব্রহ্মাপি তং নৰং ন ৰঞ্জয়তি।।
  এই সুভাষিত বচনফাকি ভর্তৃহৰিৰ 'নীতি শতক'ৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল— মূর্খক সহজতে সন্তুষ্ট কৰিব পাৰি, পণ্ডিক তাতোকৈ সহজতে সন্তুষ্ট কৰিব পাৰি, কিন্তু সেইজন মানুহক ব্রহ্মাইও সন্তুষ্ট কৰিব নোৱাৰি, যাৰ অল্পজ্ঞানক লৈ গর্ব আছে।
- গুণাঃ পূজাস্থানং গুণিষু ন চ লিংগং ন চ বয়ঃ।
  এই সুভাষিত বচনফাকি উত্তৰৰামচৰিত নাটকত উল্লেখ আছে। ইয়াৰ অর্থ হ'ল—গু গুণীসকলৰ মাজত গুণহে পূজিত হয়, লিংগ বা বয়স নহয়।

৩.৫ জ্ঞানৰ বিষয়ক সুভাষিত

- বুদ্ধির্যস্য বলং তস্য।
  এই সুভাষিত বচনফাকি হিতোপদেশত পোৱা যায়। ইয়াৰ অর্থ হ'ল—যাৰ বুদ্ধি আছে তাৰ বলো আছে। অর্থাৎ বুদ্ধি থাকিলে বলী ব্যক্তিকো পৰাজিত কৰিব পাৰি।
- বিদ্যয়াऽমৃতমশ্নুতে।
  এই সুভাষিত বচনফাকি ঈশোপনিষদত পোৱা যায়। ইয়াৰ অর্থ হ'ল—বিদ্যাৰ দ্বাৰা অমৰত্ব লাভ কৰিব পাৰি।
- ন হি জ্ঞানেন সদৃশং পবিত্রমিহ বিদ্যতে।
  এই সুভাষিত বচনফাকি গীতাত পোৱা যায়। ইয়াৰ অর্থ হ'ল—এই পৃথিৱীত জ্ঞানতকৈ পবিত্র একো নাই।
- বিদ্যাধনং সর্বধন প্রধানম্।
  এই সুভাষিত বচনফাকি 'সুভাষিত ৰত্ন ভাণ্ডাগাৰ'ৰ পৰা লোৱা হৈছে। এই বচনফাকিৰ অর্থ হ'ল—বিদ্যাজনিত ধনেই অন্য সকলো প্রকাৰৰ ধনতকৈ শ্রেষ্ঠ। কিয়নো বিদ্যাক চুৰি কৰিব নোৱাৰি। ইয়াক ৰজাই বাজেয়াপ্ত কৰিব নোৱাৰে। অথবা ভাতৃসকলৰ মাজত ভাগ-বতৰা কৰিব নোৱাৰি। ই এটা বোজা নহয়, ইয়াক যিমানে ব্যৱহাৰ কৰা হয়, সি সিমানেই বৃদ্ধিপ্রাপ্ত হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ ধর্মৰ ওপৰত আধাৰিত এটি সুভাষিত বচন লিখক।

.....

প্রশ্ন নং ৫ঃ খালী ঠাই পূৰণ কৰক।

(ক) শৰীৰমাদ্যং খলু ..... ।

(খ) আচাৰো পৰমো .....।

প্রশ্ন নং ৬ঃ গুণাঃ পূজাস্থানং গুণিষু ন চ লিংগং ন চ বয়ঃ —এই সুভাষিত বচনৰ অর্থ লিখক।

.....

- বলবদপি শিক্ষিতানামাত্মন্যপ্রত্যয়ং চেত ঃ।

  এই সুভাষিত বচনফাকি অভিজ্ঞান শকুন্তলাত উল্লেখ আছে। ইয়াৰ অর্থ হ'ল—অতি উচ্চশিক্ষিত ব্যক্তিৰ অন্তৰতো নিজক লৈ আত্মবিশ্বাস নাথাকিব পাৰে।

- যদা কিঞ্চিজ্ঞোহহং দ্বিপ ইব মদান্ধঃ সমভবং
  তদা সর্বজ্ঞোহস্মীত্যভবদবলিপ্তং মম মনঃ।
  যদা কিঞ্চিৎ কিঞ্চিদ্ বুধজনসকাশাদবগতং
  তদা মূর্খোহস্মীতি জ্বৰ ইব মদো মে ব্যপগতঃ।।

  এই সুভাষিত বচনফাকি ভর্তৃহৰিৰ নীতিশতকৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—যেতিয়া মই অলপ জানো তেতিয়া মই মদমত্ত হাতীৰ নিচিনা হওঁ, তেতিয়া মই নিজকে সর্বজ্ঞ বুলি গণ্য কৰো মোৰ মন মদগর্বী হৈ উঠে। যেতিয়া বিজ্ঞ লোকৰ সংগৰ পৰা কিছু জ্ঞান লাভ কৰিলো, তেতিয়া মই গম পালো যে মই মূর্খ আছিলো আৰু তেতিয়া মোৰ গর্বভাৰ জ্বৰ কমি যোৱাৰ দৰে নাইকিয়া হ'ল।

৩.৬ মহাপুৰুষৰ বিষয়ে সুভাষিত

- মানো হি মহতাং ধনম্।

  এই সুভাষিত বচনফাকি অশ্বঘোষৰ বুদ্ধচৰিতৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—মহাপুৰুষসকলৰ বাবে মানেই (সন্মান) ধন। কিয়নো নিম্ন মনৰ মানুহে ধন সম্পদ কামনা কৰে। মধ্যম শ্রেণীয়ে ধন আৰু মান দুয়োটাই বিচাৰে। কিন্তু উত্তম শ্রেণীৰ মানুহে কেৱল মানহে বিচাৰে। সেয়ে তেওঁলোকৰ বাবে মানেই ধন।

- ইয়মুন্নতসত্ত্বশালিনাং মহতাং কাপি কঠোৰচিত্ততা।
  উপকৃত্য ভবন্তি দূৰতঃ পৰতঃ প্রত্যুপকাৰশংকয়া।।

  এই সুভাষিত বচনফাকি 'শার্ঙ্গধৰপদ্ধতি' পৰা লোৱা হৈছে। ইয়াৰ অর্থ হৈছে—উচ্চ চৰিত্র সম্পন্ন মানুহৰ কঠোৰতা অৱশ্যই অমূল্য, কাৰণ আনৰ উপকাৰ কৰি, তেওঁলোকে আনৰ পৰা বিনিময়ত প্রতিদান পাব বুলি দূৰত থাকে।

- প্রায়ঃ সর্বো ভবতি কৰুণাবৃত্তি ৰার্দ্রান্তৰাত্মা।

  এই সুভাষিত বচনফাকি 'মেঘদূত' নামৰ খণ্ড কাব্যৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—সাধাৰণে কোমল হৃদয়ৰ মানুহ সহানুভূতিশীল হয়।

- বজ্রাদপি কঠোৰাণি মৃদূনি কুসুমাদপি।
  লোকোওৰাণাং চেতাংসি কো হি বিজ্ঞাতুমর্হতি।।
  এই সুভাষিত বচনফাকি ভৰভূতি ৰচিত 'উত্তৰ ৰাম চৰিত'ৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—অসাধাৰণ মানুহৰ মনবোৰ কোনেনো ভালদৰে বুজিব পাৰিব, যিবোৰ (অন্তৰবোৰ) বজ্রদকৈও কঠোৰ আৰু ফুলতকৈও কোমল হয়।
- নিদাধকালেম্বিব সোদকো হ্রদো।
  নৃণাং স তৃষ্ণামপনীয় শুষ্কবান্।
  এই সুভাষিত বচনফাকি 'মৃচ্ছকটিকম'ৰ পৰা লোৱা হৈছে।
  ইয়াৰ অর্থ হ'ল— গ্রীষ্মকালত পানীৰে পৰিপূর্ণ হৈ থকা জলাশয়ে মানুহৰ তৃষ্ণা পূর্ণ কৰি শুকাই যায়। তদ্রূপ, দানী লোক সকলেও আনৰ অভাৰ পূৰ কৰি নিজে ধনহীন হৈ পৰে।
- পৰোপকাৰায় সতাং বিভূতয়ঃ।
  এই সুভাষিত বচনফাকি 'সুভাষিত ৰত্নভাণ্ডাগাৰ'ৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হৈছে—সৎ লোকৰ ধন-সম্পদবোৰ সদায় আনৰ উপকাৰৰ বাবে। সমুদ্রই মণি-মুকুতাৰে নিজৰ বাবে একো নকৰে, বিন্ধ্যা পর্বতে ইয়াৰ হাতী বোৰেৰে নিজৰ বাবে একো নকৰে আৰু মলয় পর্বতে ইয়াৰ চন্দন কাঠেৰে একো নকৰে। তেনেদৰে সৎলোকৰ বিভূতিসমূহ আনৰ উপকাৰৰ বাবেহে নিজৰ বাবে নহয়।
- বদনং প্রসাদসদনং সদয়ং হৃদয়ং সুধামুচো বাচঃ।
  কৰণং পৰোপকৰণং যেষাং কেষাং ন তে বন্দ্যাঃ।।
  এই সুভাষিত বচনফাকি 'সুভাষিত ৰত্ন ভাণ্ডা গাৰ'ৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হৈছে—যাৰ মুখখন কৰুণাময়, যাৰ অন্তৰ মৰমেৰে ভৰি আছে, যাৰ বচন অমৃতৰ দৰে আৰু যাৰ কর্মবোৰ আনৰ উপকাৰৰ বাবে, সেই ব্যক্তিসকল কাৰ দ্বাৰা নো সন্মানিত নহয়, অর্থাৎ তেওঁলোক সকলোৰে সন্মানৰ পাত্র হয়।
- ক্রিয়াসিদ্ধিঃ সত্ত্বে ভবতি মহতাং নোপকৰণে।
  এই সুভাষিত বচনফাকি 'ভোজ প্রবন্ধ'ৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হৈছে—কার্যসিদ্ধি নিহিত হয় মহাপুৰুষৰ উদ্যমত, তেওঁলোকৰ উপকৰণত নহয়।
- বিপদ্যুচ্চৈঃ স্থেয়ং পদমনুবিধেয়ং চ মহতাং।
  সতাং কেনোদ্দিষ্টং বিষমমসিদাৰাব্রতমিদম্।।
  এই সুভাষিত বচনফাকি ভর্তৃহৰিৰ নীতিশতকৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—বিপদকাল উচ্চ শিৰ হৈ থকা আৰু মহৎলোকক অনুকৰণ কৰা—অসিধাৰাব্রতৰ দৰে এই বিষয়ে সাধুসকলক কোনেনো উপদেশ দিয়ে।
- সহসা বিদধীত ন ক্রিয়ামবিবেকঃ পৰমাপদাং পদম্।
  বৃণুতে হি বিমৃশ্যকাৰিণং গুণলুব্ধাঃ স্বয়মেব সম্পদঃ।।
  এই সুভাষিত বচনফাকি 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—কোনো কাম খৰধৰকৈ কৰিব নালাগে। কাৰণ সংযমহীনতা হৈছে দুর্যোগৰ ডাঙৰ উৎস। গুণৰ দ্বাৰা আকর্ষিত হোৱা সৌভাগ্য সেইজনাৰ ওচৰলৈ আহে যিয়ে বিচাৰ-বিবেচনাৰে কাম কৰে।
- আপন্নার্তিপ্রশমনফলাঃ সম্পদো হ্যুত্তমানাম্'
  এই সুভাষিত বচনফাকি 'মেঘদূত' খণ্ডকাব্যৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—মহাপুৰুষৰ সম্পদবোৰ পীড়িতসকলৰ কষ্ট উপশমৰ বাবে।

- অয়ং নিজঃ পৰো বেতি গণনা লঘুচেতসাম্।
  উদাৰচৰিতানান্তু বসুধৈব কুটুম্বকম্।।
  এই সুভাষিত বচনফাকি 'শার্ঙ্গধৰপদ্ধতি'ৰ পৰা লোৱা হৈছে। পঞ্চতন্ত্র হিতোপদেশতো এই শ্লোকটো আছে। ইয়াৰ অর্থ হ'ল—এইজন নিজৰ, এইজন পৰৰ এই ধৰণৰ চিন্তা ঠেক মনৰ মানুহৰ। উদাৰ মনৰ মানুহৰ বাবে সমগ্র পৃথিৰীখনেই পৰিয়াল।
- প্রত্যুক্তং হি প্রণয়িষু সতামীপ্সিতার্থক্রিয়ৈব।
  এই সুভাষিত বচনফাকি 'মেঘদূত'ৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—মহান পুৰুষসকলৰ ক্ষেত্রত ঈপ্সিত বস্তুৰ কার্যসিদ্ধি হ'ল তেওঁলোকৰ আত্মীয়সকলৰ একমাত্র সহাৰি।
- উপকাৰিষু যঃ সাধুঃ সাধুত্বে তস্য কো গুণঃ।
  অপকাৰিষু যঃ সাধুঃ স সাধুঃ সদ্ভিৰুচ্যতে।
  এই সুভাষিত বচনফাকি পঞ্চতন্ত্রৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—সাধুতা তেওঁৰ ক্ষেত্রত কি গুণ উপকাৰীৰ বাবে ভাল। সেই মানুহজনকেই ভাল মানুহ বুলি সাধুসকলে কয়, যি অপকাৰীৰ প্রতিও সাধু হয়।
- ন হৃষ্যত্যাত্মসম্মানে নাবমানেন তপ্যতে।
  গাংগো হ্রদ ইবাক্ষোভ্যো যঃ স পণ্ডিত উচ্যতে।।
  এই সুভাষিত বচনফাকি ব্যাখ্যানমালাৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—তেওঁকেই পণ্ডিত বুলি কোৱা হয়, যিয়ে সন্মানিত হ'লেও আনন্দিত নহয়, অপমানিত হ'লেও দুখ অনুভৱ নকৰে আৰু গংগা নদীৰ সংলগ্ন হ্রদৰ দৰে সদায়েই অবিচলিত হয়।
- মনসি বচসি কায়ে পুণ্যপীয়ূষপূর্ণাস্তি ভুৱনমুপকাৰশ্রেণিভিঃ পূৰয়ন্তঃ।
  পৰগুণপৰমাণুন্ পর্বতীকৃত্য নিত্যং নিজহৃদি বিকসন্তঃ সন্তি সন্তঃ কিয়ন্তঃ।।
  এই সুভাষিত বচনফাকি ভর্তৃহৰিৰ নীতি শতকৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—এনেকুৱা কিমান মানুহ আছে যাৰ মন তন আৰু বচন গুণামৃতেৰে ভৰি আছে, যিয়ে এই তিনিখন পৃথিৱী (স্বর্গ, মর্ত্য, পাতাল) নিজৰ বিভিন্ন সেৱাৰে ভৰাই তোলে আৰু যিয়ে আনৰ গুণপৰমাণুক পর্বতলৈ পৰিৱর্তন কৰে, তেনে মানুহে নিজৰ অন্তৰত সদায় আনন্দ অনুভৱ কৰে।
- যাচ্ঞা মোঘা বৰমধিগুণে নাধমে লব্ধকামা।
  এই সুভাষিত বচনফাকি মেঘদূতৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—এজন মেধাৱী মানুহৰ ওচৰত কৰা অনুৰোধটো সাফল্যমণ্ডিত নহ'লেও ই এজন নীচ মানুহৰ ওচৰত কৰা আৰু সাফলমণ্ডিত হোৱা অনুৰোধতকৈ অধিক বাঞ্ছনীয়।
- পিবন্তি নদ্যঃ স্বয়মেব নাম্ভঃ স্বয়ং ন খাদন্তি ফলানি বৃক্ষাঃ।
  নাদন্তি সস্যং খলু বাৰিবাহাঃ পৰোপকাৰায় সতাং বিভূতয়ঃ।।
  এই সুভাষিত বচনফাকি সুভাষিত ৰত্ন ভাণ্ডাগাৰৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—নদীবোৰে তাৰ নিজৰ পানী পান নকৰে বৃক্ষবোৰে নিজৰ ফল নাখায়, মেঘবোৰেও শস্য নাখায়, সৎলোকৰ সম্পদবোৰ আনৰ হিতৰ বাবে।
- সদাভিমানৈকধনা হি মানিনঃ।
  এই সুভাষিত বচনফাকি শিশুপালবধৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—আত্মসন্মান থকা মানুহৰ একমাত্র ধন হ'ল তেওঁলোকৰ আত্মাভিমান।

- সম্পৎসু মহতাং চিত্তং ভবত্যুৎপলকোমলম্,
  আপ্যসু চ মহাশৈলশিলাসংঘাতকর্কশম্।।
  এই সুভাষিত বচনফাকি 'সুভাষিত ৰত্নভাণ্ডাগাৰ'ৰ পৰা লোৱা হৈছে। নীতিশতকতো এই শ্লোকটো পোৱা যায়। ইয়াৰ অর্থ হ'ল—উন্নতিকালত মহান মানুহৰ অন্তৰবোৰ পদুমৰ দৰে কোমল হয়, কিন্তু দুর্যোগৰ সময়ত ডাঙৰ শিলাখণ্ডৰ নিচিনা টান হয়।
- উদয়ে সবিতা ৰক্তো ৰক্তশ্চাস্তময়ে তথা।
  সম্পত্তৌ চ বিপত্তৌ চ মহতামেকৰূপতা।।
  এই সুভাষিত বচনফাকি 'সুভাষিত ৰত্নভাণ্ডাগাৰ'ৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—সূর্যটো উদয়ৰ সময়ত ৰঙা আৰু অস্ত যোৱাৰ সময়তো ৰঙা হয়। মহান মানুহসকল উন্নতি আৰু দুর্যোগত সদায়েই একে থাকে। অর্থাৎ তেওঁলোকৰ মন সলনি নহয়।
- লৌকিকানাং হি সাধূনামর্থং বাগনুবর্ততে।
  ঋষীণাং পুনৰাদ্যানাং বাচমর্থোৎনুধাবতি।
  এই সুভাষিত বচনফাকি ভবভূতি বিৰচিত 'উত্তৰৰামচৰিত' নাটকৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হৈছে—লৌকিকজগতৰ সাধুসকলৰ ক্ষেত্রত অর্থটোৱে বচনক অনুসৰণ কৰে, কিন্তু ঋষিসকলৰ ক্ষেত্রত বচনক অর্থই অনুসৰণ কৰে।
- সতাং হি সন্দেহপদেষু বস্তুষু
  প্রমাণমন্তঃকৰণপ্রবৃত্তয়ঃ।
  এই সুভাষিত বচনফাকি 'অভিজ্ঞানশকুন্তলম্' নাটকৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল— সন্দেহজনক বস্তুৰ ক্ষেত্রত মহান ব্যক্তিৰ অন্তঃকৰণৰ স্বাভাৱিক প্রবৃত্তিয়েই হৈছে প্রমাণ বা পথ প্রদর্শক।
- তৃণানি ভূমিৰুদকং বাক্ চতুর্থী চ সুনৃতা।
  এতান্যপি সতাং গেহে নোচ্ছিদ্যন্তে কদাচন।।
  এই সুভাষিত বচনফাকি 'হিতোপদেশ'ৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—তৃণাবৃত আসন, বহিবলৈ ঠাই, পানী আৰু চতুর্থতে সত্য আৰু হিতৈষী বচন— এইসমূহ বস্তু মহান পুৰুষৰ গৃহৰ পৰা কেতিয়াও নির্বহন (নোহোৱা) নহয়।

৩.৭ অন্যান্য গুৰুত্বপূর্ণ সুভাষিত বচন

- জননী জন্মভূমিশ্চ স্বর্গাদপিগৰীয়সী।
  এই সুভাষিত বচনৰ অর্থ হ'ল—জননী অর্থাৎ জন্মদাত্রী মাতৃ আৰু জন্মভূমি সদায় স্বর্গতকৈও মহান বা ডাঙৰ হয়।
- সর্বঃ সর্বং ন জানাতি সর্বজ্ঞো নাস্তি কশ্চন।
  এই সুভাষিত বচনফাকি ব্যাখ্যানমালাৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল—সকলোৱে সকলো নাজানে। কোনো সর্বজ্ঞ নহয়।
- মনোৰথানাং গতির্ন বিদ্যতে।
  এই সুভাষিত বচনফাকি 'কুমাৰ সম্ভৰম'ৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল— মনোবাঞ্ছাৰ কোনো গতি নাই।
- সর্বস্তৰনু দুর্গাণি সর্বো ভদ্রাপি পশ্যতু।

সর্বঃ কামানবাপ্নোতু সর্বঃ সর্বত্র নন্দতু।।

এই সুভাষিত বচনফাকি 'বিক্রমোর্বশীয়' নাটকৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হৈছে—সকলোৱে তেওঁলোকৰ বাধাসমূহ পাৰ কৰক। সকলোৱে মংগলময় বস্তু দেখক। সকলোৱে বাঞ্ছিত বস্তু লাভ কৰক আৰু সকলোৱে সকলোতে আনন্দ মনেৰে থাকক।

- তেন ত্যক্তেন ভুঞ্জীথাঃ মা গৃধঃ কস্যস্বিদ্ধনম্।

  এই সুভাষিত বচনফাকি 'ঈশোপনিষদ'ৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল— সদায় ত্যাগৰ মনোভাৱেৰে ভোগ কৰিব লাগে। কেতিয়া ও আনৰ ধনলৈ লোভ কৰিব নালাগে।
- অপ্রিয়স্য চ পথ্যস্য বক্তা শ্রোতা চ দুর্লভঃ।

  এই সুভাষিত বচনফাকি ৰামায়ণৰ যুদ্ধকাণ্ডৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হৈছে—অপ্রিয় কিন্তু হিতৈষী বক্তা আৰু শ্রোতা দুয়োটাই বিৰল।
- অব্রুৱন ব্রিব্রুৱন ৱাপি নৱো ভৱতি কিল্বিষী।

  এই সুভাষিত বচনফাকি ব্যাখ্যানমালাৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হৈছে—মানুহে কথা নকয় অথবা ক'লেও অকথ্য কয় তেওঁ পাপকর্মকাৰী ব্যক্তি।
- বিষবৃক্ষোহপি সংবর্ধ্য স্বয়ং ছেত্তুমসাম্প্রতম্।

  এই সুভাষিত বচনফাকি কুমাৰ সম্ভৱমৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হৈছে—বিহগছ হ'লেও নিজে আপডাল কৰিলে তাক কাটি পেলোৱা অযুগুত।
- হিতং মনোহাৰি চ দুর্লভং বচঃ।

  এই সুভাষিত বচনফাকি কিৰাতার্জুনীয়মৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হৈছে—হিতকাৰী আৰু মধুৰ বচন দুর্লভ।
- ভবিতব্যানাং দ্বাৰাণি ভবন্তি সর্বত্র।

  এই সুভাষিত বচনফাকি অভিজ্ঞানশকুন্তলম্ নাটকৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হৈছে—ঘটিবলগীয়া ঘটনাবোৰ সকলোতে ঘটাৰ সম্ভাৱনা থাকে।
- অসতো মা সদ্গময়, তমসো মা জ্যোতির্গময়,

  মৃত্যোর্মাSমৃতং গময়।

  এই সুভাষিত বচনফাকি বৃহদাৰণ্যক উপনিষদৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হ'ল— অসত্যৰ পৰা সত্যলৈ লৈ যোৱা।

  অন্ধকাৰৰ পৰা পোহৰলৈ লৈ যোৱা, মৃত্যুৰ পৰা অমৰত্বলৈ লৈ যোৱা।
- আপদি মিত্র পৰীক্ষা শূৰ পৰীক্ষা ৰণাংগণে ভবতি।

  বিনয়ে বংশপৰীক্ষা স্ত্রিয়ঃ পৰীক্ষা তু নির্ধনে পুংসি।।

  এই সুভাষিত বচনফাকি সুভাষিত ৰত্নভাণ্ডাগাৰৰ পৰা লোৱা হৈছে। ইয়াৰ অর্থ হৈছে—বিপদত বন্ধুৰ পৰীক্ষা, যুদ্ধক্ষেত্রত বীৰৰ পৰীক্ষা, বিনয়ত বংশপৰীক্ষা আৰু স্ত্রীৰ (পত্নী) পৰীক্ষা পুৰুষৰ নির্ধনত (অর্থাৎ পুৰুষ যেতিয়া ধনহীন হয় তেতিয়া পত্নীৰ পৰীক্ষাৰ সময়)।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ জ্ঞানৰ ওপৰত আধাৰিত এটি সুভাষিত বচন লিখক।

.....

প্রশ্ন নং ৮ঃ খালী ঠাই পূৰণ কৰক

(ক) মানো হি মহতাং .....

(খ) পৰোপকাৰায় ..... বিভূতয়ঃ।

প্রশ্ন নং ৯ঃ জননী জন্মভূমিশ্চ স্বর্গাদপি গীৰয়সী —এই বচনফাকিৰ অর্থ লিখক।

.....

প্রশ্ন নং ১০ঃ বিপদত কাৰ পৰীক্ষা হয়?

.....

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সত্যৰ ওপৰত আধাৰিত কিছুমান সুভাষিতৰ বিষয়ে জানিলে।
- ধর্মৰ ওপৰত আধাৰিত কিছুমান সুভাষিতৰ বিষয়ে জানিলে।
- জ্ঞানৰ ওপৰত আধাৰিত কিছুমান সুভাষিতৰ বিষয়ে জানিলে।
- মহাপুৰুষৰ ওপৰত আধাৰিত কিছুমান গুৰুত্বপূর্ণ সুভাষিতৰ বিষয়ে গম পালে।
- অন্যান্য কিছুমান গুৰুত্বপূর্ণ সুভাষিতৰো আভাস পালে।

৩.৯ অধিক জানিবলৈ

১) Shastri Dharmendra Nath (January 2003), *Sanskrit in 30 Lectures,* D.A.V. College Managing Committee.

২) সু শাস্ত্রী, ৰোহিণী কুমাৰ, *সুভাষিতম্*।

৩.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ সত্যমেব জয়তে নানৃতম্।

২ নং প্রশ্নৰ উত্তৰঃ (ক) ধর্মো (খ) সত্যে।

৩ নং প্রশ্নৰ উত্তৰঃ এই সমগ্র পৃথিৰী সত্যৰ ওপৰত প্রতিষ্ঠিত।

৪ নং প্রশ্নৰ উত্তৰঃ আচাৰো পৰমো ধর্মঃ।

৫ নং প্রশ্নৰ উত্তৰঃ (ক) ধর্মসাধনম্ (খ) ধর্মঃ।

৬ নং প্রশ্নৰ উত্তৰঃ গুণীসকলৰ মাজত গুণ পূজিত হয়। লিংগ বা বয়স নহয়।

৭ নং প্রশ্নৰ উত্তৰঃ বুদ্ধির্যস্য বলং তস্য।

৮ নং প্রশ্নৰ উত্তৰঃ (ক) ধনম্ (খ) সতাং।

৯ নং প্রশ্নৰ উত্তৰঃ মাতৃ আৰু মাতৃভূমি স্বর্গদকৈও শ্রেষ্ঠ।

১০ নং প্রশ্নৰ উত্তৰঃ বন্ধুৰ পৰীক্ষা হয়।

? ৩.১১ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ সত্যৰ ওপৰত আধাৰিত এটি বচন লিখি বুজাই দিয়ক।

খ) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ মহাপুৰুষৰ ওপৰত আধাৰিত এটি বচন লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ জ্ঞানৰ ওপৰত আধাৰিত তিনিটা সুভাষিত বচন লিখক আৰু তাৰ অৰ্থ বুজাই দিয়ক।

প্ৰশ্ন ২ঃ ধৰ্মৰ ওপৰত আধাৰিত চাৰিটা সুভাষিত বচন লিখি তাৰ অৰ্থ বুজাই দিয়ক।

*** ***** ***

অধ্যায় ৪ঃ পঞ্চতন্ত্র (সাধাৰণ অধ্যয়ন)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ পঞ্চতন্ত্ৰৰ লেখকৰ চমু পৰিচয়

৪.৪ পঞ্চতন্ত্ৰৰ চমু পৰিচয়

৪.৪.১ পঞ্চতন্ত্ৰ গ্ৰন্থখনৰ উদ্দেশ্য

৪.৪.২ পঞ্চতন্ত্ৰৰ ভাষা আৰু শৈলী

৪.৫ পঞ্চতন্ত্ৰৰ কথামুখৰ চমু পৰিচয়

৪.৬ পঞ্চতন্ত্ৰৰ ভাগসমূহৰ চমু পৰিচয়

৪.৭ অধ্যাটিৰ পৰা আমি কি শিকিলোঁ

৪.৮ অগ্ৰগতিৰ খতিয়ান

৪.৯ অধিক জানিবলৈ

৪.১০ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- প্ৰাচীন ভাৰতীয় গল্প সাহিত্যৰ চমু আভাস লাভ কৰিব।
- পঞ্চতন্ত্ৰৰ লেখকৰ চমু পৰিচয় লাভ কৰিব।
- পঞ্চতন্ত্ৰৰ চমু পৰিচয় লাভ কৰিব।
- পঞ্চতন্ত্ৰৰ ভাগসমূহৰ বিষয়ে জ্ঞান লাভ কৰিব।
- বিভিন্ন বিষয়ৰ নীতিজ্ঞান লাভ কৰিব পাৰিব।

৪.২ পৰিচয়

ইতিমধ্যে আপুনি দ্বিতীয় অধ্যায়ত 'হিতোপদেশ'ৰ বিষয়ে অধ্যয়ন কৰিছে। হিতোপদেশৰ নিচিনা 'পঞ্চতন্ত্ৰ' গ্ৰন্থখনো এখন অতি জনপ্ৰিয় গ্ৰন্থ। প্ৰাচীন ভাৰতীয় গল্পসাহিত্যত এই পঞ্চতন্ত্ৰখনে এক বিশেষ স্থান অধিকাৰ কৰি আছে। প্ৰাচীন ভাৰতীয় গল্পসাহিত্যসমূহ সাধাৰণতে দুটা ভাগত বিভক্ত। প্ৰথম ভাগটো হৈছে মানৱীয় চৰিত্ৰক লৈ ৰচিত অনুভূতিময় গল্প সাহিত্য, যেনে- গুণাঢ্যৰ দ্বাৰা ৰচিত 'বৃহৎ কথা', সোমদেৱৰ দ্বাৰা ৰচিত 'কথা চৰিৎ সাগৰ' আদি গ্ৰন্থ। আকৌ দ্বিতীয়বিধ হৈছে পশু-পক্ষীৰ চৰিত্ৰক লৈ ৰচিত উপদেশমূলক গল্পসাহিত্য। যাক ইংৰাজীত 'Didactic Foble' বুলি জনা যায়। পঞ্চতন্ত্ৰ আৰু হিতোপদেশ আদি গ্ৰন্থ এই উদেশমূলক গল্পসাহিত্যৰ অন্তৰ্ভুক্ত।

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি পঞ্চতন্ত্ৰ গ্ৰন্থখনৰ এক চমু আভাস লাভ কৰিব পাৰিব। অধ্যায়টিৰ জৰিয়তে আপুনি পঞ্চতন্ত্ৰ গ্ৰন্থখনৰ লেখকৰ নাম, ইয়াৰ ৰচনাকাল, ৰচনাৰ উৎস তথা ইয়াৰ ভাগসমূহৰ বিষয়ে অৱগত হ'ব। ইয়াৰ উপৰিও গ্ৰন্থখনৰ আৰম্ভণি অৰ্থাৎ কথামুখত থকা নীতি শিক্ষামূলক কথাৰ আভাস পাব।

৪.৩ পঞ্চতন্ত্ৰৰ লেখকৰ চমু পৰিচয়

বিষ্ণুশর্মাক পঞ্চতন্ত্ৰৰ লিখক হিচাপে জনা যায়। পঞ্চতন্ত্ৰৰ কথামুখত কোৱা আছে যে সকলো অর্থশাস্ত্ৰৰ সাৰভাগ গ্ৰহণ কৰি পাঁচটা তন্ত্ৰত বিভক্ত পঞ্চতন্ত্ৰ নামৰ সুবিখ্যাত উপদেশমূলক এই গ্ৰন্থখন বিষ্ণুশর্মাই ৰচনা কৰিছিল।

সকলার্থশাস্ত্রসাৰং জগতি সমালোক্য বিষ্ণুশর্মেদম্।

তন্ত্রৈঃ পঞ্চভিৰেতচ্চকাৰ সুমনোহৰং শাস্ত্রম্ ।। ১/২।।

পঞ্চতন্ত্ৰ গ্ৰন্থখনৰ কথামুখত পোৱা অনুসৰি মহিলা ৰোপ্য নামৰ এখন ৰাজ্যৰ ৰজা অমৰশক্তিৰ বসুশক্তি, উগ্রশক্তি আৰু অনন্তশক্তি নামৰ পৰম দুর্মেধাসম্পন্ন পুত্র আছিল। ৰজাৰ এই তিনিজন পুত্রই প্রচলিত শিক্ষা পদ্ধতিত অধ্যয়নৰ বাবে কোনো ধৰণৰ আগ্রহ প্রদর্শন কৰা নাছিল। ৰাজগৃহৰ এই সমস্যা সমাধানৰ বাবে ৰজাই বিষ্ণুশর্মাক প্রস্তাৱ প্রদান কৰিছিল যে- যদি তেওঁ ৰজাৰ পুত্রসকলক জ্ঞানী, বিচক্ষণ আৰু যোগ্য কৰি তুলিব পাৰে, তেনেহ'লে তেওঁক অজস্র ধন-সম্পত্তিৰ লগতে উপযুক্ত মান-সন্মান দিয়া হ'ব। কিন্তু, বিষ্ণুশর্মাই কোনো ধন-সম্পত্তি গ্রহণ নকৰাকৈ ৰজাৰ পুত্রসকলক নীতি আৰু ৰাজধর্মৰ শিক্ষা দিয়াৰ বাবে এক নীতিকথাৰ সংকলন হিচাপে 'পঞ্চতন্ত্র' নামৰ উপদেশমূলক কথাৰ গ্রন্থখন ৰচনা কৰিছিল। দুই এক অর্বাচীন গ্রন্থৰ পাতত পূর্ণভদ্র বা নাৰায়ণকহে গ্রন্থাকাৰৰূপে পালেও বিষ্ণুশর্মাই যে পঞ্চতন্ত্রৰ গ্রন্থকর্তা তাত সন্দেহ কৰা অনুচিত। কোনো কোনো পণ্ডিতে বিষ্ণুশর্মা আৰু চাণক্য-কৌটিল্যক একেজন ব্যক্তি বুলিও ভাৰে। প্রকৃততে বিষ্ণুশর্মাৰ জীৱন পৰিচয় সম্বন্ধে কোনো তথ্য পোৱা নাযায়।

৪.৪ পঞ্চতন্ত্ৰৰ চমু পৰিচয়

নীতিকথামূলক গ্রন্থসমূহৰ ভিতৰত 'পঞ্চতন্ত্রৰ' বিশ্বসাহিত্যত আটাইতকৈ প্রাচীন আৰু প্রভাৱশালী নিদর্শন। প্রাচীন ভাৰতৰ বৌদ্ধিক আৰু নৈতিক পৰম্পৰাত উপলব্ধ এই নীতিমূলক গ্রন্থখনে ভাৰতৰ ভৌগলিক সীমা অতিক্রম কৰি সমগ্র বিশ্বৰ মানুহৰ জ্ঞানৰ সমৃদ্ধিৰ বাবে এক বিশ্বজনীন ভঁৰাল হিচাপে প্রতিষ্ঠিত হৈছে। প্রায় দুহেজাৰ বছৰৰো অধিককাল ধৰি ইয়াৰ গল্পসমূহে পাঠকসকলক আনন্দিত কৰাৰ লগতে ৰাজনৈতিক, নৈতিক আৰু জীৱনৰ ব্যৱহাৰিক দিশসমূহৰ বিষয়ে উপযুক্ত শিক্ষা প্রদান কৰি আহিছে।

পঞ্চতন্ত্র গ্রন্থখন পাঁচটা তন্ত্রত বিভক্ত। এই পাঁচটা তন্ত্র হৈছে-

১) মিত্রভেদ,

২) মিত্রসম্প্রাপ্তি

৩) কাকোলূকীয়

৪) লব্ধপ্রণাশ

৫) অপৰীক্ষিতকাৰক।

৪.৪.১ পঞ্চতন্ত্র গ্রন্থখনৰ উদ্দেশ্য

পঞ্চতন্ত্র গ্রন্থখনৰ প্রমুখ উদ্দেশ্য হৈছে বালকসকলক নৈতিক, ধার্মিক আৰু ব্যৱহাৰিক শিক্ষা প্রদান কৰা। পঞ্চতন্ত্র গ্রন্থখন ৰচনা কৰোতে লিখকে পশু-পক্ষীক মাধ্যম হিচাপে ব্যৱহাৰ কৰিছে। গ্রন্থখনৰ কথাসমূহত দৈনন্দিন জীৱনৰ আচৰণ, কৰণীয় অকৰণীয় কার্যৰ উপদেশ, কর্তব্য পালন, মিত্রৰ ৰক্ষা, জ্যেষ্ঠজনৰ বাক্য পালন কৰা

ইত্যাদি গুণৰ বৰ্ণনা কৰা হৈছে। লগতে প্ৰতাৰণা, অহংকাৰ, কপটতা, অন্তঃপূৰৰ প্ৰতাৰণামূলক আচৰণ, নাৰীৰ চৰিত্ৰীহনতাৰ নিচিনা কু-অভ্যাসবোৰ বৰ্ণনা কৰা হৈছে। এই গ্ৰন্থখন গদ্য আৰু পদ্য দুয়োটা পদ্ধতিৰ মাজেৰে ৰচনা কৰা হৈছে। ইয়াতে নৈতিক আৰু উপদেশমূলক শিক্ষাৰ বৰ্ণনা পদ্যৰ মাজেৰে কৰা হৈছে, আনহাতে গদ্যাংশৰ দ্বাৰা কাহিনী ভাগৰ বৰ্ণনা কৰা হৈছে। কোনো কোনো অংশৰ কাহিনীভাগো পদ্যাংশৰ মাজেৰে বৰ্ণনা কৰা হৈছে। গ্ৰন্থখনত বৰ্ণিত সুন্দৰ সুন্দৰ কাহিনী আৰু বিস্ময়কৰ উপাখ্যানবোৰে যিদৰে শিশুৰ মন মোহিত কৰে, ঠিক একেদৰেই বিশিষ্ট পণ্ডিত আৰু বিশিষ্ট ৰাজনীতিবিদ সকলক তেওঁলোকৰ জটিল সমস্যা সমাধানৰ ক্ষেত্ৰত আৰু ৰাজনীতিৰ সূক্ষ্মাতিসূক্ষ্ম তত্ত্বৰ বিবেচনা কৰাত অতুলনীয় সহায় আগবঢ়াই সমানে উপকৃত কৰে।

৪.৪.২ পঞ্চতন্ত্ৰৰ ভাষা আৰু শৈলী

পঞ্চতন্ত্ৰৰ ভাষা প্ৰবচনেৰে সমৃদ্ধ, মনোৰঞ্জনমূলক, হাস্যৰসযুক্ত, ললিত আৰু হৃদয়স্পৰ্শী। বাক্য বিন্যাস অতি সৰল আৰু সৰলভাৱে বোধগম্য। গ্ৰন্থখনৰ কোনো স্থানতে কঠিন আৰু অস্পষ্ট শব্দৰ প্ৰয়োগ দেখা নাযায়। ইয়াৰ ভাষা বিষয় বস্তুৰ লগত অতিকৈ অনুৰূপযুক্ত। পঞ্চতন্ত্ৰৰ কথাসমূহ মুখ্যভাৱে গদ্যত ৰচিত যদিও বিষয় বস্তুৰ প্ৰভাৱ বৃদ্ধিৰ বাবে মাজে মাজে অধিকভাৱে শ্লোকৰ সমাৱেশ কৰা দেখা যায়। গ্ৰন্থখনৰ মাজে মাজে ব্যংগাত্মক আৰু অলংকৃত শৈলীৰ প্ৰয়োগ হোৱা দেখা যায়। ব্ৰাহ্মণৰ কপটতা আৰু প্ৰতাৰণা, ভৃত্যৰ প্ৰতাৰণামূলক আচৰণ, ৰজাৰ বিবেকশূণ্য আচৰণ, নাৰীৰ চৰিত্ৰ, কূটীল ব্যক্তিৰ স্বাৰ্থসিদ্ধি আদি সকলোবোৰ ব্যংগমূলকভাৱে চিত্ৰিত কৰা হৈছে। চুটী আৰু দীঘল বাক্যসমূহ কথোপকথন শৈলীত উপস্থাপন কৰা হৈছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'পঞ্চতন্ত্ৰ' গ্ৰন্থখনৰ ৰচক কোন?

.....

প্ৰশ্ন নং ২ ঃ কোনজন ৰজাৰ মুৰ্খ পুত্ৰসকলক জ্ঞান দিয়াৰ বাবে 'পঞ্চতন্ত্ৰ' গ্ৰন্থখন ৰচনা কৰিছিল?

.....

প্ৰশ্ন নং ৩ ঃ পঞ্চতন্ত্ৰ গ্ৰন্থখনত কিমানটা তন্ত্ৰ পোৱা যায়?

.....

প্ৰশ্ন নং ৪ ঃ পঞ্চতন্ত্ৰৰ প্ৰথম তন্ত্ৰটোৰ নাম কি?

.....

প্ৰশ্ন নং ৫ ঃ পঞ্চতন্ত্ৰৰ শেষৰ তন্ত্ৰটোৰ নাম কি?

.....

৪.৫ পঞ্চতন্ত্ৰৰ কথামুখৰ চমু পৰিচয়

পঞ্চতন্ত্ৰ গ্ৰন্থখন আৰম্ভণি হয় কথামুখেৰে। মিত্ৰভেদৰ প্ৰধান কথাসমূহৰ পূৰ্বতে কথামুখৰ মাজেৰে গ্ৰন্থখন ৰচনা কৰাৰ মুখ্য উদ্দেশ্য বৰ্ণনা কৰা হৈছে। শাস্ত্ৰজ্ঞান শূণ্য, বিবেকহীন আৰু মুৰ্খ পুত্ৰ কেইজনক লৈ দুঃখী ৰজা অমৰশক্তিৰ কথা ইয়াত উল্লেখ কৰা হৈছে। ৰজা অমৰশক্তিয়ে পণ্ডিত বিষ্ণুশৰ্মাক প্ৰস্তাৱ দিয়ে যে বিষ্ণু শৰ্মাই তেওঁৰ মুৰ্খ পুত্ৰসকলক যাতে ছয় মাহৰ ভিতৰত ৰাজনীতি আৰু নীতিশাস্ত্ৰত পাৰ্গত কৰি তোলে।

৪.৬ পঞ্চতন্ত্ৰৰ ভাগসমূহৰ চমু পৰিচয়

পঞ্চতন্ত্র গ্রন্থখন পাঁচটা তন্ত্রত বিভক্ত কৰা হৈছে। যাৰ বাবে গ্রন্থখনৰ নাম ৰখা হৈছে 'পঞ্চতন্ত্র'। গ্রন্থখনৰ পাঁচটা তন্ত্র হ'ল- ১) মিত্রভেদ, ২) মিত্রসম্প্রাপ্তি, ৩) কাকোলূকীয়, ৪) লব্ধপ্রণাশ, ৫) অপৰীক্ষিতকাৰক। এতিয়া আপোলোকে এই পাঁচটা তন্ত্রৰ বিষয়ে জানিবলৈ সক্ষম হ'ব--

১) মিত্রভেদ ঃ পঞ্চতন্ত্র গ্রন্থখনৰ প্রথমতন্ত্রটো হৈছে- মিত্রভেদ। এই তন্ত্রটোত মুখ্য কথাৰে সৈতে ২৩ টা উপকথাৰ উদ্ধৃতি পোৱা যায়। মুখ্য কাহিনীৰ অন্তর্গত পিঙ্গলক নামৰ বনাঞ্চলৰ ৰজা সিংহই বিপদৰ সময়ত নিজৰ গৰাকীৰ দ্বাৰা পৰিত্যক্ত সঞ্জীৱক নামৰ বলধটোক আশ্রয় দিয়ে আৰু নিজৰ বিশ্বস্ত প্রধান মন্ত্রী কৰটক আৰু দমনক নামৰ শিয়াল দুটাৰ ইচ্ছাৰ বিপৰীতে সেই বলধটোক নিজৰ প্রিয় মিত্র কৰি লয়। পাছত শিয়াল দুটাই নানা ধৰণৰ ছল-প্রপঞ্চৰে ভৰা বহু উপখ্যানৰ জৰিয়তে সিংহৰ মনত সেই বলধটোৰ প্রতি অবিশ্বাস জন্মায়, দুয়ো মিত্রৰ মাজত ভেদ সৃষ্টি কৰে। ফলস্বৰূপে সিংহৰ দ্বাৰা সেই বলধটোৰ হত্যা কৰোৱায়। সিংহই যেতিয়া নিজৰ ৰক্তৰে ৰঞ্জিত হাতোৰা দুটা দেখা পায়, তেতিয়া সি গভীৰ অনুতাপত ভুগে। কিন্তু দমনক নামৰ শিয়ালটোৱে বহু কৌশল অৱলম্বন কৰি সিংহক সান্ত্বনা দিয়ে আৰু নিজেই তাৰ প্রধান মন্ত্রীৰ পদত অধিষ্ঠিত হৈ থাকে।

এনেদৰে মিত্রৰ মাজত ভেদ সৃষ্টি কৰাটোৱেই এই তন্ত্রটোৰ মুখ্য উদ্দেশ্য। সেয়েই এই তন্ত্রটোৰ নাম মিত্রভেদ। এই তন্ত্রটোত পশু-পক্ষীৰ বহু মনোমোহা, নীতিমূলক আৰু হৃদয়স্পর্শী কাহিনী বিদ্যমান।

২) মিত্রসম্প্রাপ্তি ঃ পঞ্চতন্ত্রৰ দ্বিতীয় তন্ত্রটো হৈছে মিত্রসম্প্রাপ্তি। এই তন্ত্রটোত এটা মুখ্য কাহিনী আৰু সাতটা উপকাহিনী উদ্ধৃত আছে। মুখ্য কাহিনীৰ সাৰভাগ এনে ধৰণৰ-

চিত্রগ্রীৱ নাম পাৰচৰাইৱ দলৰ দলপতি এজনে নিজৰ লগৰীয়াৰটোৰে সৈতে চিকাৰীৰ জালত বন্দী হয়। তেতিয়া সি দলৰ আন পাৰচৰাইবোৰকো সেই জালসাহিত উৰি যাবলৈ কয় আৰু নিজৰ প্রিয় মিত্র হিৰণ্যক নামৰ নিগনিটোৰ ঘৰলৈ গৈ জাল কাটি দিবলৈ অনুৰোধ কৰে। কিন্তু হিৰণ্যকে প্রথমে চিত্রগ্রীৱৰ বন্ধন কাটিবলৈ উদ্যত হোৱাত চিত্রগ্রীৱে কয়- 'হে মিত্র ! প্রথমে মোৰ অনুচৰসকলৰ বন্ধন কাটা তাৰ পিছত মোৰটো কাটিবা।'

নিগনিটোৰ দ্বাৰা পাৰচৰাইবোৰ মুক্ত হোৱাৰ পাছত লঘুপতনক নামৰ কাউৰী আৰু নিগনিটোৰ সৈতে তাৰ পুৰণি মিত্র মন্থৰক নামৰ কাছটোৰ সৈতে মিত্রতা গঢ়ি উঠে। তাৰ পিছত হিৰণ্যক নামৰ নিগনিটোৱে নিজৰ প্রথম ঘৰৰ পৰা আঁতৰি অহাৰ কাৰণ বর্ণনা কৰে। কাহিনীটো এনে ধৰণৰ- তাম্রচূড় নামৰ এজন সন্ন্যাসীৰ দ্বাৰা মাগি অনা ভিক্ষাক নিগনিটোৰ পৰা ৰক্ষা কৰিবলৈ যথেষ্ট চেষ্টা কৰাৰ পিছতো নিগনিটোৱে সেই ভিক্ষা খাই পেলাইছিল। তেতিয়া সন্ন্যাসী জনৰ এজন মিত্রই কয় যে নিগনিটোৰ এই বলৰ নিশ্চয় কোনো বিশেষ কাৰণ আছে। তাৰ পিছত সন্ন্যাসীটোৱে নিগনিটোৰ বলৰ কাৰণ বিচাৰিবলৈ আৰম্ভ কৰে। ফলস্বৰূপে নিগনিটোৰ ঘৰত সঞ্চিত স্বর্ণভাণ্ডাৰেই বলৰ মূল কাৰণ বুলি জানিব পৰা যায়। স্বর্ণভাণ্ডৰ আঁতৰাই লোৱাৰ পিছত নিগনিটো দুর্বল হৈ পৰে আৰু নিজৰ সেৱকসকলৰ ভৰণ-পোষণ কৰিব নোৱাৰা হোৱাৰ বাবে সেৱকসকলে তাক পৰিত্যাগ কৰে। আগলৈ চিত্রাঙ্গ নামৰ হৰিণ এটা নিগনিটোৰ চতুর্থ মিত্র হিচাপে পৰিগণিত হয়। এদিনাখন বিচৰণ কৰি থাকোতে সেই মৃগটো জালত আৱদ্ধ হয়। তাৰ পিছত মুক্ত হ'বলৈ দীঘলীয়া অপেক্ষা কৰি থাকোঁতে অৱশেষত নিজৰ মিত্রসকল- পাৰ, নিগনি, কাউৰী আৰু কাছৰ সহায়ত নানা কৌশল অৱলম্বন কৰি জালৰ পৰা মুক্ত হয়। কিন্তু সেই সময়ত চিকাৰী উপস্থিত হোৱাত কাছটোকে ভয়ক কঁপিবলৈ ধৰে আৰু সেয়ে মৃগটোৱে কৌশল অৱলম্বন কৰি জালৰ পৰা মুক্ত হয়। কিন্তু সেই সময়ত চিকাৰী উপস্থিত হোৱাত কাছটোকে ভয়ত কঁপিবলৈ ধৰে আৰু সেয়ে মৃগটোৱে কৌশল অৱলম্বন কৰি মৃত প্রায় অভিনয় কৰে। শেষত মৃগই চাতুর্যৰে কাছটোকো মুক্ত কৰি লয়।

এই তন্ত্রটোত পাৰ, নিগনি, কাছ আৰু হৰিণে পৰস্পৰে এটাই আনটোক মিত্র কৰি লৈ নিজৰ নিজৰ

ওপৰত আহি পৰা বিপদৰ পৰা পৰম্পৰৰ সহায়ত মুক্তি লাভ কৰে। সেয়েহে এই তন্ত্রটোৰ নাম 'মিত্র সম্প্রাপ্তি' টোৱে সম্পূর্ণৰূপে সার্থক্য লাভ কৰে। শেষত মিত্রতাৰ মহত্ব প্রতিপাদনৰ দ্বাৰা এই তন্ত্রটোৰ সমাপ্তি ঘটে।

৩) কাকোলুকীয় ঃ এই তন্ত্রত এটা মুখ্য কাহিনী আৰু ২৭ টা উপকাহিনী আছে। ইয়াত বিগ্রহ (যুদ্ধ) আৰু সন্ধিৰ বর্ণনা পোৱা যায়। ইয়াৰে মুখ্য কাহিনীত কাউৰীৰ ৰজা মেঘবর্ণ আৰু ফেঁচাৰ ৰজা অৰিমর্দনৰ কথাৰ বর্ণনা পোৱা যায়। এজোপা বৃহৎ বটবৃক্ষত কাউৰীসকলৰ ৰজা মেঘবর্ণই নিজৰ দলসহ বসবাস কৰিছিল। ওচৰতে পাহাৰৰ এটা গুহাত ফেঁচাবিলাকৰ ৰজা অৰিমর্দনেও নিজৰ দলসহ বসবাস কৰিছিল। প্রতিদিন ৰাতিৰ সময়ত দিবান্ধ ফেঁচাবিলাক বটবৃক্ষৰ চাৰিওফালে উৰি ফুৰি কেতিয়াবা কেতিয়াবা কাউৰীক আক্রমণ কৰি হত্যা কৰিছিল। ফেঁচাবিলাকৰ এই আক্রমণত অতিষ্ঠ আৰু ব্যথিত হৈ মেঘবর্ণই নিজৰ মন্ত্রীসকলৰ সৈতে আলোচনা কৰে আৰু সোধে- 'এই ফেঁচাবিলাকে আমাৰ সৈতে কিয় শত্রুতা পোষণ কৰিছে? আৰু ইয়াৰ প্রতিকাৰৰ বাবে সাম, দান আদি উপায়সমূহৰ ভিতৰত কোনটো উপায় গ্রহণ কৰা উচিত?' তেতিয়া স্থিৰজীৱি নামৰ কাউৰী মন্ত্রীটোৱে ক'বলৈ ধৰে যে পূর্বকালত যেতিয়া পক্ষীসকলৰ ৰজা নির্বাচনৰ সময় আহিছিল, তেতিয়া সকলোৰে সন্মতিক্রমে ফেঁচাক ৰজা নির্বাচন কৰাৰ প্রস্তাৱ উঠিছিল। সেই সময়ত কাউৰী এটাই ফেঁচাই ভয়ংকৰ বুলি আখ্যা দি ফেঁচাটোক ৰজা নির্বাচনৰ প্রস্তাৱ বিৰোধিতা কৰিছিল আৰু পক্ষীবিলাকক নিজৰ পক্ষ কৰি ফেঁচাটোৰ ৰাজ্যভিষেক ৰোধ কৰিছিল। তাৰ পিছত ফেঁচায়ে কাউৰীবিলাকৰ ওপৰত প্রতিশোধ লোৱাৰ সংকল্প গ্রহণ কৰে আৰু তেতিয়াৰ পৰাই কাউৰী আৰু ফেঁচাবিলাকৰ মাজত বংশানুক্রমে বৈৰীভাৱ চলি আহিছে। এইদৰে কাউৰী বিলাকৰ মন্ত্রীগৰাকীয়ে ফেঁচাবিলাকৰ সন্মুখত এজন শৰাণাগত হিচাপে উপস্থিত হোৱাৰ এটা কৌশল প্রস্তাৱ কৰে। যেতিয়া ৰজা মেঘবর্ণই প্রস্তাৱটোত সন্মকি জনায়, তেতিয়া কাউৰীবিলাকৰ মন্ত্রী স্থিৰজীৱিয়ে মেঘকাৰ সৈতে নাটকীয় যুদ্ধ কৰি নিজকে ৰক্তাক্ত কৰি নিজৰ ৰজা আৰু দলৰ আন কাউৰীবিলাক থকা সেই আশ্রয়স্থল ত্যাগ কৰি, অন্য স্থানলৈ গমন কৰে আৰু শেষত ফেঁচাবিলাকৰ ৰজাৰ শলণ লয়। তাৰ পিছত নিজৰ চতুৰতা আৰু বুদ্ধিমত্তাৰে কাউৰীবিলাকৰ মন্ত্রী স্থিৰজীৱিয়ে ফেঁচাবিলাকৰ বিশ্বাস অর্জন কৰি তাতেই বাস কৰিবলৈ আৰম্ভ কৰে। এনেদৰে গুহাত নিজৰ আশ্রয় সাজি লোৱাৰ চলেৰে তাত ঘাঁহ, খেৰ, কাঠ টুকুৰা আদি গোটাই সুযোগ বুজি সেইবোৰত অগ্নি সংযোগ কৰি ফেঁচাবিলাকৰ বাসস্থান সম্পূর্ণৰূপে ধ্বংস কৰে। কাউৰীবিলাকৰ ৰজাই নিজৰ মন্ত্রীক এই কৃতিত্বৰ বাবে বহু পুৰস্কাৰ প্রদান কৰি নিশ্চিন্ত মনে শাসন চলাবলৈ ধৰিলে। এনেদৰে বহুটো নীতিশ্লোকৰ মাজেৰে এই তন্ত্রটোৰ সমাপ্তি ঘটে।

৪) লব্ধপ্রণাশ ঃ এই তন্ত্রটোত এটা মুখ্য কাহিনীৰ সৈতে ১১ টা উপকাহিনীৰ বর্ণনা পোৱা যায়। লব্ধপ্রণাশ তন্ত্রটোত মুখ্য কথা ৰূপে কৰালমুখ নামৰ ঘঁৰিয়াল আৰু ৰক্তমুখ নামৰ বান্দৰ এটাৰ কথাৰ উল্লেখ পোৱা যায়। বান্দৰে প্রতিদিন ঘঁৰিয়ালক জামফল খুৱাইছিল। ঘঁৰিয়ালটোৱে সেই ফল খাই বান্দৰৰ সৈতে দীর্ঘ সময় ধৰি কথোপকথনৰ মাধ্যমেৰে আনন্দ লৈছিল। তাৰ পিছত বান্দৰে আৱশিষ্ট জামফল বিলাক ঘৰলৈ লৈ গৈ নিজৰ পত্নীক দিছিল। দুয়োৰে গভীৰ মিত্রতা দেখি এদিন ঘঁৰিয়ালৰ পত্নীয়ে তাক ক'লে- 'হে নাথ যিয়ে সদাই এনেধৰণৰ অমৃতৰ তুল্য ফল ভোগ কৰে তেওঁৰ হৃদয়ো নিশ্চয় অমৃতৰ সমানেই হ'ব। সেয়ে যদি মোক নিজৰ পত্নী বুলি ভাবা, তেন্তে সেই বান্দৰৰ হৃদয় আনি মোক দিয়া, যাতে খাই মই জৰা-মৰণৰ পৰা মুক্ত হৈ তোমাৰ সৈতে সুখভোগ কৰিব পাৰোঁ।' ঘঁৰিয়ালটোৰে উত্তৰ দিলে- 'হে প্রিয়ে মই তাক নিজৰ ভাইটি বুলি মানি লৈছোঁ আৰু আনটো কথা এইটো যে সি মোক ফল দি উপকাৰেই কৰে। সেয়ে মই তাক হত্যা কৰিব নোৱাৰোঁ।' কিন্তু তাৰ কথা পত্নীয়ে মানি নল'লে আৰু কান্দি-কাটি আত্মহত্যাৰ ভাবুকিও দিলে। গভীৰ দুঃখ আৰু বিভ্রান্তিত পৰি ঘঁৰিয়ালে বান্দৰৰ ওচৰলৈ গৈ বহু নীতিবচনৰৰে তাক নিজৰ ঘৰলৈ আহিবলৈ প্রলোভিত কৰিলে। বান্দৰো তাৰ সৈতে যাবলৈ সন্মত হ'ল আৰু তাৰ পিঠিত বহিল। কিন্তু গৈ থাকোতে সাগৰ মাজত বান্দৰে। তাৰ কু-যোজনা বুজি পালে। তেতিয়া তৎক্ষণাত বুদ্ধি প্রয়োগ কৰি বান্দৰে ঘঁৰিয়ালক ক'লে- 'মই সদায় নিজৰ হৃদয়খন জাম গছৰ

খোৱোঙত সুৰক্ষিত কৰি ৰাখোঁ।' এই কথা শুনি ঘঁৰিয়াল আনন্দিত হ'ল আৰু বান্দৰক পুনৰ জাম গছজোপাৰ কাষলৈ লৈ গ'ল। তাত উপস্থিত হৈ বান্দৰে দীঘল জাঁপ মাৰি গছৰ উঠিল আৰু ভাৰিবলৈ ধৰিলে- 'ভাগ্যৱশত আজি প্ৰাণ ৰক্ষা পৰিল।' পাছত ঘঁৰিয়ালে পুনৰ বান্দৰৰ পৰা হৃদয় বিচাৰিলে। কিন্তু বান্দৰে হাঁহি তাক তিৰস্কাৰ কৰি ক'লে- 'মূৰ্খ, বিশ্বাসঘাতক! তোমাক ধিক্কাৰ। কোনোবাই কেতিয়াবা দুখন হৃদয় ধাৰণ কৰে নেকি? এই গছৰ তলৰ পৰা আঁতৰি যোৱা। ইয়ালৈ আৰু কেতিয়াওঁ নাহিবা।' ঘঁৰিয়ালটোৱে পুনৰ বন্ধুত্ব স্থাপন কৰিবলৈ বিচাৰিলে যদিও বান্দৰে তাত বহু উপদেশ আৰু নীতিবচনেৰে ধিক্কাৰ দি ত্যাগ কৰে। শেষত পুৰুষাৰ্থ জন্য লক্ষ্মীৰ মাহাত্ম্য বৰ্ণনা কৰি এই তন্ত্ৰটোৰ সমাপ্তি ঘটে।

৫) অপৰীক্ষিতকাৰক ঃ পঞ্চতন্ত্ৰৰ অন্তিমটো তন্ত্ৰ হৈছে অপৰীক্ষিতকাৰক। ইয়াত এটা মুখ্য কাহিনীৰ সৈতে ১৪ টা উপকাহিনী আছে। এই তন্ত্ৰটোত মূলতঃ পৰীক্ষা-নিৰীক্ষা নকৰাকৈ কৰা কাৰ্যই যে অপকাৰ আনে- এই নীতিবচনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। কোনো বিষয় ভালদৰে চিন্তা-ভাৱনা নকৰাকৈ বা ভালদৰে বিচাৰ-বিবেচনা নকৰাকৈ যদি কেৱল দেখা বা শুনা কথাৰ ওপৰত আধাৰ কৰি কৰা যায়, তেনেহ'লে সেই কামত সফলতা লাভ কৰিব পৰা নাযায়। বৰং তাৰ দ্বাৰা জীৱনত নানা প্ৰকাৰৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়।

মুখ্য কাহিনীৰ সাৰাংশ হ'ল- নিজৰ দৰিদ্ৰতাৰ বাবে দুঃখী আৰু চিন্তাগ্ৰস্তা মণিভদ্ৰ নামৰ এজন বণিকক ৰাতি সপোনত তাৰ ঘৰলৈ অহা এজন জৈন সন্ন্যাসীক হত্যা কৰিবলৈ আদেশ দিয়া হয়। কোৱা হয় যে সেই সন্ন্যাসীজন প্ৰকৃততে পূৰ্বজসকলৰ দ্বাৰা সঞ্চয় কৰি ৰখা ধন আৰু তাক হত্যা কৰাৰ লগে লগেই সি স্বৰ্ণ ৰাশিত পৰিণত হ'ব। পাছদিনা মণিভদ্ৰৰ পত্নীয়ে নিজৰ ভৰিৰ তলুৱা আদিত মেহেন্দী আদি লগাবলৈ এজন নাপিতক মাতিলে। ঠিক সেই সময়তে সপোনত দেখা জৈন সন্ন্যাসীজন তাত উপস্থিত হয়। মণিভদ্ৰই আনন্দিত মনৰে কাষতে ৰখা লাঠিৰে তাৰ মূৰত আঘাত কৰে। সেই মূহুৰ্ততে জৈন সন্ন্যাসীজন স্বৰ্ণৰাশি হৈ ভূমিত বাগৰি পৰে। নাপিতেও ঘৰলৈ গৈ লোভবশত জৈন সন্ন্যাসীক হত্যা কৰাৰ কৌশলটোৰ পুনৰাবৃত্তি কৰে। কিন্তু ফলস্বৰূপে তাৰ দ্বাৰা হত্যা কৰা জৈন সাধু জন স্বৰ্ণৰাশি নহ'ল, তাৰ বিপৰীতে সি ৰজাৰ দ্বাৰা কঠোৰ শাস্তি স্বৰূপে মৃত্যুদণ্ড লাভ কৰে। ইয়াৰ পিছত এই তন্ত্ৰটোত বহুতো নীতিবচন আৰু ব্যৱহাৰিক উপাখ্যানৰ উদ্ধৃতি পোৱা যায়। শেষত অন্তিমটো শ্লোকৰ মাধ্যমেৰে মানৱ সমাজৰ বাবে শিক্ষাদান কৰি তন্ত্ৰটোৰ সমাপ্তি ঘটে।

'মন্ত্ৰে তীৰ্থে দ্বিজে দেৱে দৈৱজ্ঞে ভেষজে গুৰৌ।
য়াদৃশী ভাৱনায়স্য, সিদ্ধিৰ্ভৱতি তাদৃশী।।'

অৰ্থাৎ, মন্ত্ৰসাধনা, তীৰ্থযাত্ৰা, তীৰ্থস্থান, ব্ৰাহ্মণ, দেৱতা, জ্যোতিষী, ঔষধি আৰু গুৰু আদিত মানুহে যি ধৰণৰ বিশ্বাস আৰু ধাৰণা ৰাখে, সেই অনুসাৰেই তাৰ ফল প্ৰাপ্তি কৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ মিত্ৰভেদ তন্ত্ৰটোত কিমানটা উপকথাৰ উদ্ধৃতি পোৱা যায়?

.....

প্ৰশ্ন নং ৭ ঃ মিত্ৰসম্প্ৰাপ্তি তন্ত্ৰটোত কিমানটা উপকাহিনীৰ উদ্ধৃতি আছে?

.....

প্ৰশ্ন নং ৮ ঃ কাকোলুকীয় তন্ত্ৰটোত কিমানটা উপকাহিনীৰ উদ্ধৃতি পোৱা যায়।

.....

প্ৰশ্ন নং ৯ ঃ লব্ধপ্ৰণাশ তন্ত্ৰটোত কিমানটা উপকথাৰ উল্লেখ আছে?

.....

প্ৰশ্ন নং ১০ ঃ অপৰীক্ষিতকাৰক তন্ত্ৰটোত কিমানটা উপকাহিনীৰ উদ্ধৃতি আছে?

.....

৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- পঞ্চতন্ত্ৰৰ সাধাৰণ পৰিচয় লাভ কৰিলে।
- পঞ্চতন্ত্ৰৰ লিখকৰ বিষয়ে জ্ঞান লাভ কৰিলে?
- পঞ্চতন্ত্ৰৰ কথামুখৰ সাধাৰণ পৰিচয় জানিবলৈ সক্ষম হ'ল।
- পঞ্চতন্ত্ৰৰ পাঁচটা তন্ত্ৰৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ল।

৪.৮ অধিক জানিবলৈ

১) শৰ্মা, থানেশ্বৰ (২০১৫), সংস্কৃত সাহিত্যৰ ইতিবৃত্তি, গুৱাহাটী- ১ ঃ চন্দ্ৰ প্ৰকাশ।

২) शर्मा, उमाशङ्कर (2022), शंस्कृत साहित्य का इतिहास, वाराणसी : चौखम्भा भारती अकादमी।

৪.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বিষ্ণুশৰ্ম।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অমৰশক্তিৰ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ৫ টা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ মিত্ৰভেদ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ অপৰীক্ষিতকাৰক।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ২৩ টা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ৭ টা।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ২৭ টা।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ১১ টা।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ১৪ টা।

৪.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)ঃ

প্ৰশ্ন ১ ঃ ৰজা অমৰশক্তিৰ পুত্ৰ তিনিজনৰ নাম কি কি?

প্ৰশ্ন ২ ঃ মিত্ৰভেদতন্ত্ৰত মুখ্য কাহিনীত উল্লেখ থকা বনাঞ্চলৰ ৰজাৰ নাম কি?

প্ৰশ্ন ৩ ঃ মিত্ৰসম্প্ৰাপ্তি তন্ত্ৰটোত উল্লেখ থকা পাৰ চৰাই বিলাকৰ দলপতি জনৰ নাম কি?

প্ৰশ্ন ৪ ঃ কাকোলুকীয় তন্ত্ৰটোত কাৰ মাজৰ কাহিনীৰ বৰ্ণনা পোৱা যায়।

প্রশ্ন ৫ ঃ অপৰীক্ষিতকাৰক তন্ত্রটোৰ মুখ্য নীতিবচন কি?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ পঞ্চতন্ত্রৰ লিখকৰ চমু পৰিচয় লিখি পঞ্চতন্ত্র গ্রন্থখনৰ উদ্দেশ্য লিখক।

প্রশ্ন ২ ঃ পঞ্চতন্ত্রৰ কথামুখৰ পৰিচয় দি পাঁচটা তন্ত্রৰ বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ৫ ঃ অসমৰ উল্লেখযোগ্য দেৱ-দেৱালয়সমূহৰ অধ্যয়ন

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ প্ৰাচীন অসমত দেৱ-দেৱালয় নিৰ্মাণৰ প্ৰস্তুতি

৫.৪ অসমৰ উল্লেখযোগ্য শক্তিপূজাৰ স্থলসমূহ

৫.৫ অসমৰ উল্লেখযোগ্য শিৱপূজাৰ স্থলসমূহ

৫.৬ অসমৰ উল্লেখযোগ্য বিষ্ণুপূজাৰ স্থলসমূহ

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্ৰগতিৰ খতিয়ান

৫.১০ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- পুৰণি অসমৰ দেৱ-দেৱালয় নিৰ্মাণৰ প্ৰস্তুতিৰ বিষয়ে ধাৰণা কৰিব পাৰিব।
- অসমৰ বিভিন্ন উল্লেখযোগ্য শক্তিপূজাৰ স্থানসমূহৰ বিষয়ে বুজিব পাৰিব।
- অসমৰ বিভিন্ন উল্লেখযোগ্য শিৱপূজাৰ স্থানসমূহৰ বিষয়ে জানিব পাৰিব।
- অসমৰ বিভিন্ন উল্লেখযোগ্য বিষ্ণুপূজাৰ স্থানসমূহৰ বিষয়ে অৱগত হ'ব।

৫.২ পৰিচয়

আগৰ অধ্যায়সমূহত আপুনি পঞ্চতন্ত্ৰৰ বিষয়ে অধ্যয়ন কৰিলে। এতিয়া আপুনি এই অধ্যায়ত অন্য এটি বিষয়ৰ লগত পৰিচিত হ'ব। এতিয়ালৈ অসমৰ বিভিন্ন দেৱ-দেৱালয়সমূহৰ অধ্যয়ন চেগা-চোৱোৱাও হৈছে। এই অধ্যায়ত আপুনি প্ৰাচীন অসমত দেৱ-দেৱালয়সমূহৰ নিৰ্মাণৰ প্ৰস্তুতি সম্পৰ্কে জানিব পাৰিব। অসমৰ মন্দিৰ-দেৱালয়সমূহ চাৰিভাগত বিভক্ত। শিৱৰ উপাসকসকলৰ বাবে শিৱ মন্দিৰ, শক্তিৰ উপাসকসকলৰ (শাক্ত) বাবে শক্তিৰ মন্দিৰ, বিষ্ণুৰ উপাসকসকলৰ বাবে (বৈষ্ণব) বিষ্ণু মন্দিৰ আৰু কৃষ্ণ প্ৰধান নামধৰ্মাৱলম্বী সাকাৰ, নিৰাকাৰসকলৰ ভিন্ন ভিন্ন সত্ৰ আৰু নামঘৰসমূহ অসমৰ ধৰ্মানুষ্ঠানৰ স্থান হিচাপে প্ৰতিষ্ঠিত। গতিকে এই সকলোবোৰ মন্দিৰৰ চমু আভাস এই অধ্যায়ত পাব।

৫.৩ অসমত দেৱ-দেৱালয় নিৰ্মাণৰ প্ৰস্তুতি

প্ৰাকৃতিক পৰিবেশৰ মাজত সাধাৰণতে দেৱ-দেৱীৰ মন্দিৰ বা দেৱালয় স্থাপন কৰা হয়। প্ৰাকৃতিক পৰিবেশ বুলি ক'লে আমি সাগৰ, নদী, হ্ৰদ, পৰ্বত-পাহাৰ, নৈ-জুৰি আদিকে বুজো। তীৰ্থ স্থান হ'ব লাগিলে জল বা

পানী লাগিবই। তীর্থ স্থানত মন্দিৰ স্থাপন কৰা হয় আৰু সেই মন্দিৰৰ ভিতৰতে দেৱ-দেৱীৰ মূর্তি স্থাপন কৰি পূজা-অর্চনা কৰা হয়। নগৰ-চহৰ, দুর্গ-পর্বত, উদ্যান-অৰণ্য সকলোৱেই মন্দিৰৰ স্থান হ'ব পাৰে। মন্দিৰৰ স্থান নির্ণয় হোৱাৰ পিছত যজমানৰ হৈ আচার্যই স্থপতিক নির্দেশ দিয়ে যথা-বিহিত সকলো কৰিবলৈ। ঠাইখিনি নির্দিষ্ট হোৱাৰ পিছত কোনো এজন দেৱ বা দেৱীৰ মন্দিৰ প্রতিষ্ঠা হোৱাৰ আগতে সেই ঠাইৰ পৰা আন দেৱ, ভূত, ৰাক্ষসসকলক নাইকিয়া কৰি তথা প্রার্থনা জনাই সেই ঠাইখিনি একোজন নির্দিষ্ট দেৱতাৰ বাসভূমি কৰা হয়। ঠাইখিনি চাফা কৰি বা পবিত্র কৰি দেৱ-দেৱীৰ বাসস্থান হিচাবে মন্দিৰৰ বাবে উপযুক্ত কৰা হয়।

মন্দিৰ নির্মাণৰ বাবে যিকেইটা উপকৰণৰ প্রয়োজন হয়, সেইবোৰ হ'ল— শিল, ইটা, কবাল, কাঠ। অৱশ্যে কাঠ, বাঁহ, জকৰা, মাটি আদি উপকৰনো মন্দিৰ নির্মাণৰ বাবে অসমত ব্যৱহাৰ কৰা হয়। মন্দিৰ নির্মাণ কৰাৰ আগতে শুভ সময়ত গর্ভধান কৰা হয়। শুভ নক্ষত্রৰ নিশা পৃথিৰীত অনন্ত নাগৰ চিত্রৰ শিৰত গর্ভপাত আৰোপ কৰা হয়। এই গর্ভপাত লৈ মন্দিৰৰ গর্ভগৃহৰ ওপৰত বিমানৰ নির্মাণ কৰা হয়। এই বিমান দেৱৰ বাহ্য শৰীৰ হয়, এয়ে আচল মন্দিৰ। মন্দিৰক আকৌ অনেক নামেৰে জনা যায়— দেৱালয়, প্রাসাদ, দেৱগৃহ, ভৱন, বিহাৰ, দেৱাগাৰ, চৈত্য, ক্ষেত্র ইত্যাদি।

অগ্নিপুৰাণত ৪৫ বিধ মন্দিৰৰ উল্লেখ আছে। এই মন্দিৰবিলাকক তিনি শ্রেণীত ভাগ কৰা হয়— নাগৰ, দ্রাৱিড় আৰু ৱেসৰ। নাগৰ উত্তৰ ভাৰতৰ, দ্রাৱিড় দক্ষিণ ভাৰতৰ আৰু ৱেসৰ বিন্ধ্য পর্বতৰ পৰা অগস্ত্য অর্থাৎ নাসিকলৈকে দাক্ষিণাত্যৰ এই অংশৰ শৈলী বুলি ক'ব পাৰি।

অসমৰ মন্দিৰ নির্মাণৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে অসমৰ প্রাচীন মন্দিৰৰ বেছিভাগেই আহোম যুগৰ শেষৰ ফালে নির্মিত হৈছে। উদাহৰণস্বৰূপে কামৰূপ জিলাৰ কথাই উল্লেখ কৰিব পাৰি। কামৰূপৰ পাহাৰত অৱস্থিত কামাখ্যা মন্দিৰ আৰু হাজোৰ হয়গ্রীৱ-মাধৱ মন্দিৰ কোচ ৰজাসকলৰ ৰাজত্বত সজোৱা হৈছে। অসমৰ কিছুমান মন্দিৰ স্বর্গদেৱ শিৱসিংহৰ দিনত নির্মিত হৈছে। নীলাচল পর্বতৰ কিছুমান ধ্বংসাৱশেষ সপ্তম-অষ্টম শতিকাত হৈছে। কিন্তু কামাখ্যা মন্দিৰৰ ওপৰভাগৰ কিছু অংশ নৰনাৰায়ণৰো পিছত নির্মাণ কৰা হৈছে।

নীলাচল পাহাৰৰ আনবিলাক মঠ আপেক্ষিকভাৱে নতুন আৰু তাৰে কিছু অংশ ১৮৯৭ চনত দাৰভাংগাৰ মহাৰাজে পুনর্নির্মাণ কৰাইছিল। হাজোৰ হয়গ্রীৱ মন্দিৰৰ তল অংশৰ কটা ফুল আদি তথা বাহিৰলৈ শুড় আগ কৰি থকা হাতীৰ শাৰী আদি অতি পুৰণি স্থাপত্যৰ নির্দশন বুলি কোৱা হয়। মন্দিৰৰ ওপৰভাগ ৰঘুদেৱনাৰায়ণে নির্মাণ কৰিছিল। শিলত কটা কামৰূপৰ প্রায়বিলাক মন্দিৰেই আহোম স্থাপত্যৰ নির্দশন। কামৰূপ তথা অসমৰ অন্যান্য ঠাইতো আগৰ মন্দিৰ ভাগি যোৱা বাবে বা মন্দিৰ ঘৰ নোহোৱা বাবে বহু ক্ষেত্রত কাঠ-বাঁহ-খেৰৰ ঘৰ আদি আজি দেৱ-দেৱীৰ পূজা অর্চনা কৰা হয়। এই মন্দিৰবোৰৰ ভিতৰত শৈৱ, শাক্ত আৰু বৈষ্ণৱ মন্দিৰ উল্লেখযোগ্য।

৫.৪ অসমৰ উল্লেখযোগ্য শক্তিপূজাৰ স্থলসমূহ

এতিয়া আপুনি অসমৰ বিভিন্ন উল্লেখযোগ্য শক্তিপূজাৰ স্থানসমূহৰ বিষয়ে জানিব পাৰিব। যেনে- শিৱসাগৰৰ শিৱদ'ল, নলবাৰীৰ বিলেশ্বৰ, কামৰূপৰ উমানন্দ মন্দিৰ ইত্যাদি উল্লেখযোগ্য।

- **কামাখ্যা**

উত্তৰ-পূব প্রান্তৰ প্রসিদ্ধ কামৰূপ জিলাৰ গুৱাহাটী মহানগৰীৰ সম্প্রতি মধ্যৱর্তী স্থানত নীলপর্বতৰ উপৰি ভাগত অৱস্থিত দেৱীপীঠ কামাখ্যা। ভাৰতবর্ষৰ ৫১খন পীঠৰ ভিতৰত কামাখ্যা অন্যতম পীঠ। য'ত দেৱীৰ যোনিভাগ পতিত হৈছিল। প্রজাপতি দক্ষই যজ্ঞৰ আয়োজন কৰি ব্রহ্মা-বিষ্ণু প্রভৃতি দেৱগণ আমন্ত্রণ কৰি যজ্ঞ আৰম্ভ কৰিলে। কিন্তু পৰমেশ্বৰ শিৱক নিমন্ত্রণ জনোৱা নহ'ল। এই কার্যত সতীয়ে অপমানবোধ কৰি পিতৃ-

আয়োজিত যজ্ঞত উপস্থিত হৈ যজ্ঞস্থলীত দেহ ত্যাগ কৰিলে।

‘সোঢ়ং ন শক্তা পতির্গহনং সা
দক্ষাত্মজা চৈৱ সতীতি নাম্না।
লোকে প্রসিদ্ধা সুকগোত্রমান্যা
আয়োজিতাগ্নৌ স্বয়মাৱিৱেশ।।

শিৱই সতীৰ শৱটি কান্ধত লৈ ভয়ঙ্কৰ ৰূপত নৃত্য কৰি ঘূৰি ফুৰিব ধৰিলে। ভগৱান বিষ্ণুই কথা বিষম দেখি সুদর্শন চক্র ধৰি সতীৰ দেহ খণ্ড খণ্ড কৰি শিৱক মায়া মুক্ত কৰিবলৈ ঠায়ে ঠায়ে দেহৰ অঙ্গসমূহ পেলাই যাবলৈ ধৰিলে, সতীৰ যোনিভাগ নীল পর্বতত পতিত হ’ল। সাধু সন্ত মহাত্মাৰ তপোভূমি কামাখ্যাপীঠ পৃথিৱী বিখ্যাত হ’ল। জগতৰ মাতৃ কামাখ্যাক প্রণাম জনাই ভক্তই যথাভীষ্ট লাভ কৰে।

কামাখ্যা ৰৱদেদেৱী নীল পর্বতৱাসিনী।
ত্বং দেৱি জগতাং মাতর্যোনিমুদ্রে নমো২স্তুতে।

কামাখ্যা পূজনৰ অমোঘ ফল প্রাপ্তি উদ্‌ঘোষিত হৈছে কালিকাপূৱাণত—

গৱাং কোটি প্রদানাতু যৎ ফলং জায়তে নৃণাম্।
তৎ ফলং সমৱাপ্নোতি কামাখ্যাং পূজয়ন্নৱঃ ।। ৫৪।।

(কালিকাপুৱাণ ৬৫তম অঃ ৫৪)

সতীৰ যোনি মণ্ডল পতিত স্থান কুব্জিকা পীঠ নামেৰে প্রসিদ্ধি লাভ কৰিলে। যোনি মণ্ডলৰ ভাৰ আৰু তাপত সমগ্র পর্বতখনেই নীলবর্ণ হৈ পৰিল। সেই বাবে পর্বতখন নীলাচল নামেৰে প্রসিদ্ধি লাভ কৰিলে।

‘স নীলৱর্ণঃ শৈল২ভ্যু পতিতে যোনিমণ্ডলে

(কালিকাপুৱাণ ৩২তম অধ্যায়)

‘দেৱী মাহাত্ম্য প্রচাৱার্থে স্বয়ং বিশ্বকর্মাই নির্মাণ কৱা মন্দিৱটো কালক্রমত ক্ষয় প্রাপ্ত হোৱাত পুনঃ কোচ বিহাৰৰ ৰজা বিশ্বসিংহই নির্মাণ কৱাইছিল। ১৫৩৪ খ্রীঃত বিশ্ব সিংহৰ মৃত্যু হোৱাত তেওঁৰ পুত্র মল্লদেৱে নৱনাৱায়ণ নাম লৈ কোচবিহাৰৰ ৱাজসিংহাসনত আৱোহন কৰি ভাতৃ চিলাৱায় (শুক্লধ্বজ) ক প্রধান সেনাপতি হিচাপে নিয়োগ কৰে। ৱাজকার্যৰ লগতে ধর্মীয় কৃত্য সমূহো যথাৱীতি অনুষ্ঠিত কৱা কর্তব্য বিবেচনাৰে ১৫৫৩ খ্রীষ্টাব্দত কালাপাহাৰ আক্রমণত মন্দিৰ ক্ষয়-ক্ষতিৰ পিছত নৱনাৱায়ণ আৰু চিলাৱায়ে ১৫৬৫ খ্রীষ্টাব্দত মন্দিৰৰ সংস্কাৰ কৰি নির্মাণ কার্য সম্পূর্ণ কৰে।

মহাৱাজ নৱনাৱায়ণ আৰু চিলাৱায়ৰ মৃত্যুৰ পিছত আহোম ৰজা ৱাজেশ্বৰ সিংহৰ দিনত মন্দিৰ সমুন্নতিৰ অর্থে ভূ-সম্পদ লাভ কৰি কামাখ্যাৰ নাট মন্দিৰ নির্মাণ কৱা হয়।

কামাখ্যাধামত পূজা সেৱা কৰিলে অশ্বযজ্ঞ কৰাৰ ফল প্রাপ্ত হয়।

তীর্থযাত্রাং সমাসাদ্য যদেকো২প্যত্র গচ্ছতি
পদে পদে২শ্বমেধস্য ফলং প্রাপ্নোতি মানৱঃ।।

(যোগিনীতন্ত্র, ১১ পটল ২০ শ্লোক)

কামাখ্যা পীঠলৈ আহি দেৱীদর্শন, পূজা জপ, কুমাৰী পূজা, দশমহাবিদ্যাৰ দর্শন আৰু পূজা সংকল্পনুসাৰে কৰি অভীষ্ট লাভ কৰাৰ কাহিনী সংকল্প শাস্ত্রত বর্ণিত হৈছে।

জাতি-বর্ণৰ বিচাৰ নকৰি কুমাৰী পূজা কৰিলে মহা ফল লাভ কৰিব পাৰে।

‘জাতিভেদান্দুহেশানি নৱকান্ন নিবর্ত্ততে।
জাতিভেদো ন কর্তব্যঃ কুমাৰী পূজনেশিৱে

(যোগিনীতন্ত্র ১৭ পটল ৩১)

দেৱীয়ে কামপৰবশ হৈ শিৱৰ সৈতে মিলিত হোৱাত অর্থাৎ দেৱীৰ অভীষ্ট সিদ্ধিৰ নিমিত্তে এই স্থান কামাখ্যা নামেৰে খ্যাত হ'ল।

কাময়তে ভক্তানাং কামং পূৰয়তি যদ্বা ভক্তৈঃ সাধকৈ কাম্যতে২সৌ ইতি কামা,

কামা আখ্যা যস্যাঃ ইতি কামাখ্যা দেৱীবিশেষঃ

অর্থাৎ ভক্তসকলৰ ইচ্ছা মনৰ অভিপ্রায় পূৰণ কৰে অথবা সাধকভক্তসকলে মনে বিচৰা কাম যিয়ে পূৰণ কৰে এই অর্থত কামাখ্যা শব্দ নিষ্পন্ন হৈছে।

কামার্থমাগতা যস্মান্নয়া সার্দ্ধং মহাগিষ্টে।

কামাখ্যা প্রোচ্যতে দেৱী নীলকূটে ৱহোগতা।।

(কালিকাপুৰাণ ৬১ অঃ)

সৌভাগ্য কুণ্ড — কামাখ্যা মন্দিৰৰ উত্তৰে দেৱীৰ ক্রীড়া পুষ্কৰিনী অৱস্থিত। এই পুষ্কৰিণী সৌভাগ্য কুণ্ড বুলি কোৱা হয়। দেৱীৰ মন্দিৰ প্রৱেশ কৰাৰ পূর্বত সৌভাগ্যকুণ্ডৰ পানী লৈ নিজ দেহলৈ শান্তি কৰি হস্ত-পাদ প্রক্ষালনৰ অন্তত মাৰ মন্দিৰত প্রৱেশ পূজা সেৱা কৰাৰ বিধৰ আছে।

দশমহাবিদ্যা — দক্ষৰ যজ্ঞ লৈ অনিমন্ত্রিত শিৱৰ ভার্যা সতী অতিশয় ক্ষুব্ধ হৈ যজ্ঞলৈ যাব ওলোৱাত শিৱৰ দ্বাৰা বাধা প্রাপ্ত হৈ দশোদিশে দহটা অতুলনীয় মূর্তি ধাৰণ কৰিলে। সেয়া দশমহাবিদ্যা নামে প্রসিদ্ধি লাভ কৰিলে। কালী, তাৰা, ষোড়শী, ভূৱনেশ্বৰী, ভৈৰৱী, ছিন্নমস্তা, কমলাত্মিকা, বগলামুখী, ধূমাৱতী আৰু মাতঙ্গী ৰূপ দশমহাবিদ্যা। এই মূর্ত্তিৰ পৃথক মন্দিৰ আছে। কামাখ্যাপীঠত অনুষ্ঠিত উৎসৱসমূহৰ ভিতৰত অম্বুবাসী উৎসৱ অন্যতম। এই উৎসৱলৈ ভাৰতবর্ষৰ বিভিন্ন প্রান্তৰ পৰা অহা সাধু-সন্ত-মহাত্মাৰ উপৰি অসংখ্য ভক্তৰ সমাগম হয়। বিদেশী পর্যটক আহি সনাতনীয় ধর্মৰ প্রতি আকৃষ্ট হয়। অম্বুবাচীৰ সময়ছোৱাত পৃথিৱী ঋতুমতী হয়। ঋতুমতী কামাখ্যা দেৱীৰ পূজা সেৱা বন্ধ থাকে।

অম্বু জলং তদ্বর্ষনং ৱাচয়তি সূচয়তীতি অম্বুৱাচী। অর্থাৎ অম্বু শব্দই জল-পানীক বুজায়। সি সময়ত জলবর্ষণৰ সূচনা কৰিলেও অম্বুবাচী আখ্যা নাপায়।

- **শ্রীশ্রী দীর্ঘেশ্বৰী দেৱালয়**

মহাবাহু ব্রহ্মপুত্র উত্তৰ পাৰত দীর্ঘেশ্বৰী দেৱীকুণ্ড, যাক গুপ্তকুণ্ড বুলিও কোৱা হয়। কাৰণ দেৱীৰ সো উৰুৰ ওপৰত প্রতিষ্ঠিত এই পীঠক গুপ্ত কামাখ্যা বুলিও কোৱা হয়। দীর্ঘেশ্বৰী দেৱালয়ৰ তামৰ ফলিৰ উল্লেখ আছে। ১৬৫৯ শকত স্বর্গদেউ শিৱসিংহই এই মন্দিৰ পুনৰ নির্মাণ কৰে।

স্বস্তি শ্রীইন্দ্র বংশাবতংস সোমাৱেশ্বৰ মহাৰাজাভিৰাজ শ্রীশ্রী শিৱসিংহ নৱেন্দ্র সাক্ষ্যয়া মন্মত্রীবৰপ্রবৰাগ্রগণ্য শ্রীমৎতৰুনশ্রীদ্বাৰা বৃহৎফুক্কনেন শ্রীশ্রী দীর্ঘেশ্বৰীদেব্যা মঠ প্রতিষ্ঠাংকৃত্বাশ্রীদূর্গাদ্বাৰাণি নির্মিতানি গ্রহবান ৰস চন্দ্রশাকে (১৬৫৯ শাকে)

উল্লেখযোগ্য যে- ১৭৩৭ চনত বঙ্গদেশৰ নদীয়া জিলাৰ শান্তিপুৰ গাঁৱৰ পৰা হলিৰাম ভট্টাচার্যক আদৰি আনি স্বর্গদেউ শিৱসিংহই কামৰূপ জিলাৰ বৰডেকপাৰ গাঁৱত বিস্তৰ ভূসম্পত্তি দান কৰি পূজা অর্চনাৰ দায়িত্ব অর্পণ কৰে। এই মন্দিৰত নিত্য উৎসৱৰ ভিতৰত শ্রীশ্রী নাগপঞ্চমী, দুর্গাপূজা, কালীপূজা, গণেশপূজা, শিৱৰাত্রী, মদন চতুর্দশী আদিয়েই প্রধান উৎসৱ পৰম্পৰাভাৱে চলি অহা চ'ত মাহৰ পূর্ণিমা তিথিত সন্ধিয়া দেৱী দীর্ঘেশ্বৰীক সিংহাসনতলৈ ভক্তসকলে বাদ্য বজাই সমদল পৰি মণিকর্ণেশ্বৰ শিৱৰ ওচৰলৈ নি বিবাহ সম্পন্ন কৰাৰ পিছত দেৱীক নিজৰ পীঠলৈ ঘূৰাই অনা অন্য এটি আকর্ষণীয় উৎসৱ।

- **উগ্রতাৰা দেৱালয়**

গুৱাহাটী চহৰৰ মাজমজিয়াত লতাশিল খেল পথাৰৰ নিচেই ওচৰতে যোৰপুখুৰীৰপাৰত অৱস্থিত

উগ্রতাৰা দেৱালয় এখন জাগ্রত সিদ্ধপীঠস্থান। মন্দিৰৰ ভিতৰত থকা জলপূর্ণনাভিকুণ্ডত উগ্রতাৰা দেৱীৰ পূজা কৰা হয়। দক্ষযজ্ঞত প্রাণবিসর্জ্জন দিয়া সতীৰ নাভি অংশ ইয়াতেই পৰিছিল। এই নাভিকুণ্ডতেই বশিষ্ঠই তাৰাৰ আৰাধনা কৰি সিদ্ধি লাভ কৰে।

বশিষ্ঠাৰাধিতা বিদ্যাতাৰিনী নাভিৰূপিনী।

তস্যাঃ স্পর্শনমাত্রেন জীৱন্মুক্তভবেন্নৰঃ।।

১৬০৭ শতিকাত আহোম স্বর্গদেউ শিৱসিংহই এই মন্দিৰ নির্মাণ কৰি দিছিল। গেইটে তেওঁৰ বুৰঞ্জীত ১৮৪ পৃষ্ঠাৰ পাদটিকাত এই দেৱালয়ৰ বিৱৰণ স্পষ্টভাৱে উল্লেখ কৰিছে।

- **শ্রীশ্রী দীপ্তেশ্বৰী মন্দিৰ তথা অন্নপূর্ণা মন্দিৰ**

কামৰূপ জিলাৰ প্রসিদ্ধ ৰঙিয়া চহৰৰ পৰা পূবে আঢ়ৈ মাইলমান দূৰত পূব কছাৰীমহল মৌজাৰ অন্তর্গত পুঠিমাৰী (লক্ষ্মীতৰা বা লখইতৰা) নদী পাৰত দীপেশ্বৰী মন্দিৰ।

দীপ্তেশ্বৰী দেৱালয় বা অন্নপূর্ণা মন্দিৰ শাক্তধর্মানুগ অতি জাগ্রত দেৱালয়।

প্রাগৈতিহাসিক যুগত অতি অত্যাচাৰী দ্বীপকাসুৰৰ অত্যাচাৰত দেৱকুল জর্জৰিত হৈ পৰে। দেৱকুলক দ্বীপকাসুৰৰ অত্যাচাৰৰ পৰা উদ্ধাৰকল্পে দেৱী অন্নপূর্ণা জগজ্জননীয়ে ঐশী শক্তিৰে দ্বীপকাসুৰক বধ কৰি দীপ্তেশ্বৰী নামেৰে সম্পূজিতা হ'ল।

তন্ত্রোক্তবিধানানুসাৰে দেৱী-পূজাত আমীষভোগও দিয়া হয়। মহাৰাজাধিৰাজ ৰুদ্রসিংহই মুৰাৰা সত্রাধিকাৰ সিদ্ধ পুৰুষ আচার্য্য চূড়ামনি ভট্টাচার্যক পূজক হিচাপে নির্বাচন কৰি দেৱাল পৰিচালনার্থে ২১০০ বিঘা মাটি দান কৰিছিল বংশ পৰম্পৰাসূত্রে তন্ত্রসাধনাত নিৰত সাধকসকলে যথাৰীতি পূজা সেৱা চলাই আছে।

- **শ্রীশ্রী মাচণ্ডিকা দেৱালয়**

কামৰূপ জিলাৰ প্রসিদ্ধ ছয়গাঁৱৰ ওছৰত চম্পক নগৰৰ গোসাঁনী মঠ নামৰ গাঁৱত শ্রীশ্রী চণ্ডিকা মন্দিৰ প্রতিষ্ঠিত। বেউলা লক্ষীন্দাৰ আৰু চান্দ সদাগৰৰ মেৰঘৰ আদি উপাখ্যানৰ সৈতে চন্দিকা দেৱালয়ৰ সম্পর্ক আছে। আহোম ৰজা স্বর্গদেউ শিৱ সিংহই ১৬৪৭ খ্রীষ্টাব্দত তেওঁৰ অনুজ ভাতৃ দুজনৰ দ্বাৰা দেৱালয়ৰ মন্দিৰ নির্মাণ কৰাইছিল। এই দেৱালয়ত পূজা সেৱা নিয়মিতভাৱে চলিবলৈ আহোমৰজা স্বর্গদেউ শিৱ সিংহই ১৬২ পুৰাজমী দেৱোত্তৰ হিচাপে দান কৰিছিল।

মন্দিৰৰ ভিতৰত এটা ৫ ফুট ওখ দেৱী মূর্তি আছে। ইয়াৰ আশে পাশে শিলত কটা বহুতো মূর্তি আছে। এই মূর্তিসমূহে দেৱালয়খনৰ মহত্ব ঐতিহ্য সংসূচনা কৰিছে।

- **শ্রীশ্রী জয়দুর্গা মন্দিৰ, হাজো**

জয়দুর্গা মন্দিৰ হাজোৰ মদনাচল পাহাৰত অধিস্থিত। আহোম ৰজা লক্ষ্মীকান্ত সিংহই গঙ্গা বল্লভ গোস্বামী দ্বিজক জয়দুর্গা দেৱালয়খন প্রতিষ্ঠা কৰিবলৈ নির্দেশ দিয়ে। ৰজাৰ নির্দেশত ১৬৯৬ শকৰ শাওণ মাহত প্রসিদ্ধ কেদাৰ মন্দিৰৰ নিচেই কাষতে এই জয়বল্লভ গোস্বামীদেৰে মন্দিৰ প্রতিষ্ঠা কৰে।

এই দেৱালয়ত বিগ্রহ হিচাপে দৃশভূজা জয় দুর্গা দেৱীৰ প্রতিষ্ঠা কৰে। গৌৰীকান্ত শিৱলিঙ্গৰ সৈতে এটি শালগ্রামো আছে যদিও ইয়াৰ মূল বিগ্রহ হৈছে জয়দুর্গা।

এই দেৱালয়ৰ সমুন্নতিকল্পে আহোমৰজা লক্ষ্মীকান্ত সিংহই ৯৮৭ বিঘা ৯ লেচা দেৱোত্তৰ ভূমি দান কৰে। এজন দলৈয়ে মন্দিৰ পৰিচালনা কৰে। আত্মাৰাম দেৱ শর্মা নামৰ এজন বৰদেউৰী বংশৰ পৰা দলৈ নির্বাচিত হৈ মন্দিৰ পৰিচালনা কৰে।

এই দেৱালয় আদি অৱস্থাত এটা শিলৰ মঠ আছিল। ১৮৯৭ চনৰ বৰ ভূমিকম্পত ভাঙি পৰাত ১৯২৪ চনত দেৱালয়ৰ দলৈয়ে তাত এটি ভবন নির্মাণ কৰি পূজা সেৱাৰ ব্যৱস্থা কৰে।

- **ভৈৰৱী মন্দিৰ**

তেজপুৰ নগৰৰ পূবত ব্ৰহ্মপুত্ৰ মহানদীৰ পাৰত এটি সৰু টিলাৰ ওপৰত অৱস্থিত ভৈৰৱী মন্দিৰ। দ্বাপৰ যুগত ৰজা বাণাসুৰৰ কন্যা উষাই দেৱীক আৰাধনা কৰিছিল। দেৱীৰ মন্দিৰ থকা এই পাহাৰখন ভৈৰৱী পাহাৰ বুলিয়েই প্ৰসিদ্ধ। মন্দিৰৰ পৰা দক্ষিণ দিশে ব্ৰহ্মপুত্ৰলৈ নামি যোৱা শিলৰ খট্‌খটি আছে।

ভৈৰৱী দেৱালয়ত শাক্তমতে পূজা সেৱা ভোগনৈবদ্য আৰু বলি উৎৰ্সগা কৰা হয়।

মন্দিৰৰ পৰা খাটীৰ নামি ব্ৰহ্মপুত্ৰ নদৰ পানীৰ মাজত অৱস্থিত এটি টিলাত বলিশাল দেখা যায়। তাত হেনো গুপ্তভাবে দেৱীলৈ বলি ভাগ আগবঢ়াইছিল। এতিয়া সেই প্ৰথা নাই।

ভৈৰৱী মন্দিৰৰ পূবে দি বৈ যোৱা নদীখনক ভৈৰৱী অথবা ভৰলী বুলি জনা যায়।

- **মহামায়া পীঠ**

ধুবুৰী জিলাৰ অন্তৰ্গত বগৰীবাৰীত অৱস্থিত মহামায়া পীঠ এখন অতি জাগ্ৰত শক্তিপীঠ। ইয়াত নিত্য নিৰামিষ ভোগ আৰু হাঁহ, পাৰ, ছাগলী বলি দি আমীষ ভোগো অৰ্পণ কৰা হয়। আহোম ৰজা স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনত বিশেষভাৱে মন্দিৰৰ পূজা সেৱাৰ ব্যৱস্থা কৰা হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কামাখ্যা মন্দিৰ কোন জিলাত অৱস্থিত?

.....

প্ৰশ্ন নং ২ ঃ মা-চন্দিকা দেৱালয় কামৰূপ জিলাৰ কোন ঠাইত অৱস্থিত?

.....

প্ৰশ্ন নং ৩ ঃ ভৈৰৱী মন্দিৰ কোন জিলাত অৱস্থিত?

.....

প্ৰশ্ন নং ৪ ঃ জয় দূৰ্গা মন্দিৰ ক'ত অৱস্থিত?

.....

প্ৰশ্ন নং ৫ ঃ উগ্ৰতাৰা মন্দিৰ ক'ত অৱস্থিত?

.....

৫.৫ অসমৰ উল্লেখযোগ্য শিৱপূজাৰ স্থলসমূহ

এতিয়া আপুনি অসমৰ বিভিন্ন উল্লেখযোগ্য শিৱ পূজাৰ স্থানসমূহৰ বিষয়ে জানিব পাৰিব। যেনে- শিৱসাগৰৰ শিৱদ'ল, নলবাৰীৰ বিলেশ্বৰ, কামৰূপৰ উমানন্দ মন্দিৰ ইত্যাদি উল্লেখযোগ্য।

- **ডিব্ৰুগড়, শিৱসাগৰ আৰু যোৰহাটৰ শিৱদ'ল**

এতিয়া আমি প্ৰথমে অসমৰ ডিব্ৰুগড়, শিৱসাগৰ আৰু যোৰহাট জিলাৰ উল্লেখযোগ্য শিৱপূজাৰস্থল সমূহৰ বিষয়ে জানিব পাৰিব।

শিৱৰ উপাসকৰ সমুচিত সাধন ক্ষেত্ৰ হিচাপে শিৱৰ মন্দিৰসমূহ প্ৰতিষ্ঠা কৰা হৈছিল।

ডিব্ৰুগড় জিলা শদিয়াৰ পৰা দহ মাইল উত্তৰ-পূবে দিক্ৰং আৰু দেওপানী নদীৰ সঙ্গম স্থলৰ সমীপত বুঢ়া-বুঢ়ীৰ মন্দিৰ। এই মন্দিৰ মহাদেৱৰ, বুঢ়া-বুঢ়ী অৰ্থাৎ শিৱ দেউৰীসকলৰ উপাস্য।

শিৱসাগৰ জিলাৰ বৈদ্যনাথ শিৱদ'ল শৈৱসকলৰ এখন উত্তম সাধনক্ষেত্ৰ। শিৱসাগৰ নামটোৱে শিৱ সাধনাৰ উত্তম সাধনক্ষেত্ৰৰ সূচনা কৰে। শিৱসাগৰৰ প্ৰাচীন নাম কলঞ্চুপাৰ আছিল। আহোম ৰজা স্বৰ্গদেউ শিৱসিংহৰ ৰানী অম্বিকাই ১৭৩৪ এটি চনত পুখুৰী খন্দাই সেই বৃহৎ পুখুৰীটোৰ নাম দিয়ে শিৱসাগৰ। তদবধি এই ঠাই শিৱসাগৰ নামেৰে প্ৰসিদ্ধ লাভ কৰিলে।

শিৱসাগৰৰ পুখুৰীটোৰ দক্ষিণ পাৰত নিৰ্মাণ কৰা সুউচ্চ শিৱদ'লটো।

ৰংপুৰ নগৰৰ উত্তৰ-পূব চুকত দুটা মন্দিৰ প্ৰতিষ্ঠিত। এটা মন্দিৰ ঈশানেশ্বৰ শিৱ মন্দিৰ। ঈশানেশ্বৰ শিৱ মন্দিৰটো সজাইছিল আহোম ৰজা লক্ষ্মীসিংহৰ মাতৃয়ে ১৭৭৩ চনত। এতিয়া এই মন্দিৰৰ ভগ্নাৱশেষহে আছে।

ৰংপুৰ নগৰ জয়সাগৰৰ মধ্যভাগত অৱস্থিত মঠ চতুষ্টয়ৰ ভিতৰত ৰংপুৰ নগৰৰ পৰা দক্ষিণ দ্বাৰেৰে ওলাই আহি সোঁফালে অৱস্থিত দ'লটো ৰং নাম (ৰঙ্গ নাথ) শিৱ দল'। ১৭০৩ চনত স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত নিৰ্মাণ কৰা হৈছিল।

আহোম স্বৰ্গদেউসকলে আনুষ্ঠানিকভাৱে হিন্দুধৰ্ম গ্ৰহণ কৰাৰ আগতেও শিৱ অৰ্থাৎ বুঢ়াগোহাঁইৰ পূজা সেৱা কৰিছিল।

ৰংনাথ শিৱদ'লৰ পশ্চিমে গৌৰী দেৱালয়, স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ ৰাজত্ব কালত নিৰ্মাণ কৰা।

ৰংনাথ শিৱদ'লৰ পূৰ্বে পথাৰৰ মাজত এটা সৰু দ'ল গৌৰীবল্লভ দ'ল নামেৰে প্ৰসিদ্ধ। স্বৰ্গদেউ লক্ষ্মীসিংহৰ ৰাজত্বত ৰমানন্দ আচাৰ্য পহুমৰীয়া গোসাঁইৰ জ্যেষ্ঠপুত্ৰ ডেকাজনা গোসাঁয়ে এই দ'লটো সজাইছিল।

ৰমানন্দ গোসাঁই গোসাঁই নামেৰে খ্যাত হোৱা হেতুকে গৌৰীবল্লভ দ'লটোকো ন-গোসাঁইৰ দ'ল বুলিয়েই কৈছিল।

যোৰহাটত হাতীগড় শিৱদ'ল। যোৰহাট নগৰৰ পৰা পূবে প্ৰায় পাঁচ মাইল দূৰত দেৱালয়খন অৱস্থিত। গৌৰীনাথ সিংহৰ দিনত চলি থকা মোৱামৰীয়া বিদ্ৰোহৰ সময়ত ঘনশ্যাম বুঢ়াগোসাঁইৰ মৃত্যু হ'লত তেওঁৰ পুত্ৰ পূৰ্ণানন্দ বুঢ়াগোহাঁইয়ে খণ্ডী পদৰ দায়িত্ব গ্ৰহণ কৰি হাতীগড়ত শিৱদ'ল এটি প্ৰতিষ্ঠা কৰে। এই দেৱালয়ৰ ভেটি স্থাপন হয় ১৭৮৬-৮৭ চনত (পবিত্ৰ অসম পৃষ্ঠা ৬৬)

শিৱসাগৰ জিলাৰ অন্তৰ্গত মাইবেলাত মথুৰাপুৰ বাগিচাৰ ভিতৰত এটা শিৱদ'ল সাজিছিল।

তদুপৰি অভয়পুৰত নিৰ্মাণ কৰা দ'লটোৰ গঠন পদ্ধতিলৈ লক্ষ্য কৰিলে বুজা যায় যে এই দ'লটো শিৱদ'ল আছিল।

নাজিৰাৰ পৰা ৮ মাইলমান দক্ষিণে গেলেকী নামৰ স্থানত ৰঙাচিলা নামৰ এখন বিখাত পথাৰত ৰঙাচিলা দুৱৰাৰ বংশধৰসকলে খাত-পাম পাতি বসবাস কৰিছিল। ইয়াত দুটা দ'লৰ ভগ্নাৱশেষ দেখিবলৈ পোৱা যায়। তাৰে এটি শিৱদ'ল।

স্বৰ্গদেৱ লক্ষ্মীসিংহৰ দিনত ১৬৯৫ শকাব্দত মহন দাৰিকিয়াল হাজৰিকাৰ তত্ত্বাৱধানত পিতৃ ৰুদ্ৰসিংহৰ নামত এটা পুখুৰী খণ্ডাই ৰুদ্ৰসাগৰ নামেৰে উৎসৰ্গা কৰে।

স্বৰ্গদেৱ লক্ষ্মীসিংহৰ মাতৃ বগী ৰাজমাওই এই পুখুৰী খান্দি দ'ল সজাইছিল বুলি এই দ'লটোৰ নাম বগীদ'ল, এটা শিৱদ'ল। এতিয়া ভগ্নাৱশেষ মাত্ৰ আছে। (পবিত্ৰ অসম পৃঃ ৪৪)

স্বৰ্গদেউ গদাধৰ সিংহই শিৱসাগৰ জিলাৰ অন্তৰ্গত মাইবেলাত বৰ্তমান মথুৰাপুৰ বাগিচাৰ ভিতৰত অৱস্থিত শিৱ দ'লটো সজাইছিল। এই দ'লটো ভূমিকম্প জনিত কাৰণত ধ্বংসপ্ৰাপ্ত হয়। ইয়াৰ ধ্বংসাৱশেষ নিচেই কাষতে থকা পুখুৰীটোত আছে।

অভয়পুৰ বনাঞ্চলৰ ভিতৰত এটা দ'ল আছে। ইয়াৰ গঠন প্ৰণালীলৈ লক্ষ্য কৰি এইটো শিৱদ'ল আছিল বুলি অনুমান কৰা হয়। (পঃ অঃ পৃঃ ৪৬)

স্বৰ্গদেউ প্ৰতাপসিংহ ৰাজসিংহাসনত বহাৰ পূৰ্বে শিৱভক্ত আছিল আৰু শিৱলিঙ্গত পূজা সেৱা কৰিছিল। ৰাজ কাৰ্যভাৰ গ্ৰহণ কৰি শিৱলিঙ্গটো গড়গাঁও নগৰৰ বিপৰীতে দিখৌ নদীৰ পাৰত এটি মন্দিৰ সজাই শিৱলিঙ্গ ভাগৰ পূজা সেৱা কৰিছিল। এই মন্দিৰটো এতিয়াও আছে। আহোম ৰাজত্বত হোৱা দ'ল-দেৱালয়ৰ ভিতৰত ইও এটি পুৰণি দ'ল। বুৰঞ্জীত মহেশ্বৰ ঘৰ বুলি উল্লেখ আছে (পঃ আঃ পৃঃ ৪৬)

যোৰহাট জিলাৰ অন্তৰ্গত হাতীগড়ত স্বৰ্গদেউ গৌৰীনাথ সিংহৰ ৰাজত্বকালত চলি থকা মোৱামৰীয়া বিদ্ৰোহৰ সময়ত ৰাজমন্ত্ৰী ঘনশ্যাম বুঢ়াগোসাঁইৰ পৰলোক প্ৰাপ্তিত তেওঁৰ পুত্ৰ পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে হাতীগড়ত শিৱদ'ল এটি প্ৰতিষ্ঠাৰ কাম আৰম্ভ কৰে। এই দেৱালয়ৰ ভেটি ১৭৮৬-৮৭ চনত স্থাপন কৰিছিল।

পশুপতি দেৱালয় যোৰহাট নগৰৰ পৰা তিনি মাইল মান দূৰত পৰ্বতীয়া মৌজাৰ হেজাৰী গাঁৱত অৱস্থিত। শিৱ বটুক ভৈৰৱৰ লগতে দেৱী কামেশ্বৰীৰ পূজা নিয়মিত হয়।

এই দেৱালয়ত দুৰ্গাপূজা আৰু কালীপূজাও নিয়মিতভাৱে হৈ থাকে। সেই সময়ত পুৰণি ইটাগড়ৰ ভিতৰত দেও-পৰ্বত নামৰ মিকিৰ পৰ্বতৰে এটা ঠেঙুলিত এটি শিলৰ মন্দিৰৰ ভগ্নাৱশেষ পোৱা যায়। সেই মন্দিৰটো শিৱলিঙ্গ থকা শিৱ মন্দিৰ।

আহোম ৰজা শিৱসিংহ স্বৰ্গদেৱৰ ৰানী ফুলেশ্বৰীৰ ভাতৃ হৰিণাথক বৰপাত্ৰ গোসাঁই পাতিছিল। তেওঁ দ'ল দুটা বান্ধিছিল, এটা দ'ল জগদ্ধাত্ৰী দ'ল আৰু আনটো দ'ল শিৱদ'ল। কালুগঞা বৰপাত্ৰই এই দ'লটো বন্ধাইছিল বুলিয়েই বৰপাত্ৰ নামেৰে মানুহৰ মাজত প্ৰসিদ্ধি লাভ কৰে।

স্বৰ্গদেৱ গৌৰীসিংহৰ ৰাণী ফুলেশ্বৰী কুঁৱৰীয়েও স্বামীৰ ধৰ্মীয় মত অৱলম্বন কৰি কৃষ্ণৰাম ভট্টাচাৰ্যৰ ওচৰত শক্তিমন্ত্ৰত দীক্ষিতা হৈ দুৰ্গাৰ নামত এটা পুখুৰী খণ্ডাই নাম দিলে গৌৰীসাগৰ। এই পুখুৰীৰ পূব দিশত দেৱীদ'ল আৰু মাজৰটো শিৱদ'ল। শিৱদ'লটো দেৱীদ'ল আৰু বিষ্ণুদ'লতকৈ ডাঙৰ আৰু ওখ।

শিৱসাগৰৰ পৰা ৮ মাইল দূৰত নামতিত স্বৰ্গদেৱ গৌৰীনাথ সিংহই শিৱদ'ল নিৰ্মাণ কৰে। (পবিত্ৰ অসম পৃঃ ৪২)

বালিগাঁৱৰ গৰখীয়া দল - যোৰহাট নগৰৰ উত্তৰে প্ৰায় তিনি মাইলমান দূৰত্ব অৱস্থিত। এই গৰখীয়া দলটো জাগ্ৰত, অলৌকিক ঘটনাই ভক্তসকলৰ মনত শুদ্ধ ভক্তিভাৰ জাগ্ৰত কৰি ৰাখিছে।

এই দ'লটোত গৰখীয়াসকলে বিৰিণাৰ পাতেৰে ফৰিং বলি দিয়াৰ প্ৰথা আছিল। কিন্তু এদিন এজন গৰখীয়াই ফৰিং নোপোৱাত নিজে বলি যোৱাৰ কথা ব্যক্ত কৰিলত গৰখীয়াসকলে বিৰিণাৰ পাতেৰে গৰখীয়াজনৰ গলত লগাই দিয়াৰ লগে লগে মূৰটো দু-খণ্ড হ'ল। সেই স্থানৰ অলৌকিক মহত্ব দেখি স্থানীয় লোকসকলে ঠাই টুকুৰা বেৰ দি ৰাখিলে আৰু পিচদিনাখন সেই ঠাইত উঁই হাফলু এটাৰ সৃষ্টি হ'ল। ৰাইজে পূজা সেৱাৰ ব্যৱস্থা কৰিলে আৰু লগতে এটা শিৱ মূৰ্তি প্ৰতিষ্ঠা কৰি পূজা সেৱাৰ ব্যৱস্থা কৰিলে। শিৱৰাত্ৰিৰ দিনা অষ্ট প্ৰহৰৰ পূজা হয়।

নেঘেৰীটিঙৰ শিৱদ'ল। যোৰহাটৰ পৰা ১৭ মাইল আৰু গোলাঘাটৰ পৰা ১৪ মাইল দূৰত্বত অৱস্থিত। এই দ'ল অষ্টম কি নৱম শতিকাত প্ৰতিষ্ঠিত।

এই দলত থকা শিৱ লিঙ্গটো প্ৰায় তিনি ফুট ওখ আৰু তিনি ফুট শকত, এই লিঙ্গটো বাণ লিঙ্গ।

অষ্টাদশ শতিকাৰ শেষ ভাগত স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহই দ'লটো নবীন ৰূপত সুন্দৰকৈ সজাইছিল। ডাঙৰ দ'লটোৰ দুই কাষে আৰু সৰু সৰু চাৰিটা দ'ল আছে, মূল দ'লত বাণ লিঙ্গ।

- **নগাঁও জিলাৰ উল্লেখযোগ্য শিৱস্থান**

নগাঁও জিলাৰ অন্তৰ্গত বৰভগীয়া মৌজাত আনুমানিক ১৭০৫ খ্ৰীষ্টাব্দত (শিৱ) দেৱালয় স্থাপন কৰা হয়।

ডবকাৰ পৰ সাত মাইল দূৰত হাবিৰ মাজত শিলত কটা শিৱ মন্দিৰৰ ধ্বংসাৱশেষ আছে।

শিৱ ঃ নগাঁও জিলাৰ অন্তর্গত কলিয়াবৰত আঠখন শিৱ স্থান আছে।

১) বানেশ্বৰ বৰঘোপ পর্বত কক্ষত।

২) চিত্র শংকৰ বামুনী অঞ্চলত।

শিৱ-থান বুঢ়া-বুঢ়ী গড়ৰ ওপৰত নন্দকেশ্বৰ পদ্ম সৰোবৰ বা চিলাবন্ধা বিলৰ পাৰত। আহোম যুগৰ স্থাপত্য শৈলীত শিল আৰু ইটাৰে গঢ়া হৈছিল। ৫৮০ বিঘা নিষ্পিখেৰাজ জমি মন্দিৰ নাম প্রদান কৰা আছে। (Assam District Gegetteers VI, Nowgong P. 105)

বুঢ়াগোসাঁইৰ থান হাতীৰ গাঁৱত স্বর্গদেউ শিৱসিংহৰ দিনত বহু মাটি-বাৰী দান দি মন্দিৰৰ ৰক্ষণাবেক্ষণ অক্ষুণ্ণ ৰাখিছিল।

নাগশঙ্কৰ কলং নৈৰ উত্তৰ পাৰত অৱস্থিত প্রসিদ্ধ মন্দিৰ।

ভোমোৰাগুৰি পর্বতৰ পক্ষত ৰুদ্রপদ শিৱৰ পদচিহ্ন শিলৰ ওপৰত খোদিত আছে।

শৈৱসকলৰ উপাসনাৰ নিমিত্তে প্রতিষ্ঠিত এখন আশ্রম ত্রিগুলধাৰী সামন্তগিৰি আৰু ব্রহ্মপুত্রই সাৱটি ৰখা এখন আশ্রম।

ৰৰলা শিল— শিৱানুচৰ বীৰভদ্রৰ সমর্থ ক্ষেত্র হিচাপে পৰিচিত এক বিশাল শিলখণ্ড সদাশিৱ মন্দিৰ ৯৬৯০ খ্রীষ্টাব্দত স্থাপিত মন্দিৰৰ নামত ৪২১ বিঘা নিষ্পেখেৰাজ জমি আবণ্টন আছে।

আকাশীগঙ্গা — ডবকাৰ পৰা সাত মাইল দূৰত হাবিৰ মাজত শিলাময় ঠাইত শিৱ মন্দিৰৰ ধ্বংসাৱশেষ পোৱা গৈছে। লক্ষ্যণীয় বিষয় যে এই মন্দিৰৰ গাৰ একোটা টুকুৰা খোদিত অংশত শিৱৰ ধ্যান-মূর্তি, গল নর্ত্তকী, নৃত্যৰত গণেশ আৰু অন্যান্য খোদিত চিত্র আদিও আছে।

- **কামৰূপ জিলাৰ উল্লেখযোগ্য শিৱস্থান**

উমানন্দ শিৱ ঃ দেৱী কামাখ্যাৰ ভৈৰৱ উমানন্দ শিৱ। সতীৰ দেহ বিষ্ণুৰ সুদর্শন চক্রৰ দ্বাৰা খণ্ড-বিখণ্ড হৈ স্থানে পতিত হোৱাত সতীৰ দেহ নাইকীয়া হ'লত শিৱৰ মনত বৈৰাগ্য উপজিল, তেতিয়া শিৱই নিজ দেহ ভস্ম কৰি সেই ভস্মেৰে লৌহিত্যৰ মধ্যভাগত এখন ধ্যানৰ সমুচিত স্থান সাজি লৈ ধ্যানত নিমগ্ন হ'ল, ভস্মৰ দ্বাৰা নির্মাণ হোৱা বাবে সেই স্থান ভস্মাচল, ভস্মকুট অথবা ভস্মশৈল নামেৰে প্রসিদ্ধি লাভ কৰিলে। তাতো উমানন্দ শিৱ বিৰাজমান।

গুৱাহাটী মহানগৰীৰ উত্তৰে কাছাৰী ঘাটৰ পোনে পোনে ব্রহ্মপুত্রৰ সোমাজত শৈল আৱেষ্টনী বিশিষ্ট ভস্মাচলৰ শিখিৰত উমানন্দ শিৱ মন্দিৰ। বর্তমানৰ এই মন্দিৰ গৃহ ভাগ আহোম ৰজা স্বর্গদেউ গদাধৰ সিংহৰ নির্দেশানুসাৰে ১৬১৬ শকাব্দত গড়গঞা সন্দিকৈ ফুকনে পুনৰ নির্মাণ কৰোৱায়।

ভস্মাচলৰ দক্ষিণত ব্রহ্মপুত্রৰ মাজভাগত এটি শিলাময় দ্বীপত অমৃতধাৰিনী দেৱী উর্ব্বশী বিৰাজমান। ইয়াত শিলত কটা বিষ্ণুৰ দশাৱতাৰ মূর্তি আৰু সূর্যৰ মূর্তি আছে।

- **বশিষ্ঠাশ্রম দেৱালয়**

গুৱাহাটী মহানগৰীৰ দক্ষিণ দিশত অৱস্থিত বশিষ্ঠাশ্রম দেৱালয়। বশিষ্ঠৰ আৰাধ্য দেৱতা আছিল শিৱ। ইয়াৰ বিৱৰণ কালিকা পুৰাণত স্পষ্ট ৰূপত বর্ণনা কৰা আছে।

সন্ধ্যাচলে তত্র মুনিৰাৰাধিয়তি শঙ্কৰম্।

ৰশিষ্ঠো ব্রহ্মনঃ পুত্রস্তৎ যুৱামনুগচ্ছতম্।।

অর্থাৎ ব্রহ্মাৰ পুত্র বশিষ্ঠ ঋষিয়ে সন্ধ্যাপর্বতত পৰমেশ্বৰ পৰম পুৰুষ মহাদেৱক আৰাধনা কৰি আছে। তোমালোকে (বেতাল-ভৈৰৱে) বশিষ্ঠ ওচৰলৈ যোৱা এই নির্দেশ দিলে কপোত ঋষিয়ে।

ব্ৰহ্মাৰ মানস পুত্ৰ ৰশিষ্ঠই এই পৰ্বতত সন্ধ্যা উপাসনা কৰিছিল বাবে পৰ্বতখনৰ নাম পাইছিল সন্ধ্যাচল।

প্ৰাতঃ মধ্যাহ্ন আৰু সায়ং সন্ধ্যাৰ কাৰণে গঙ্গাক আহ্বান কৰি তিনিটি ধাৰা সন্ধা ললিতা আৰু কান্ত্যা গঙ্গাৰ ধাৰা প্ৰবাহিত হৈ আছে। তিনিটি ধাৰা এঠাইত মিলিতহৈ এক মহাকুণ্ড বা দিব্যকুণ্ড নিৰ্মিত হৈছিল। তাত স্থান কৰিলে পাপমুক্ত হৈ দীৰ্ঘায়ু জীৱন লাভ কৰিব।

তস্মাদমৃতকুণ্ডাচ্চ সন্ধ্যা নাম ন নদীবৰা।
নিসৃতা তত্ৰ চাপ্লুতা চিৰায়ুৰগাদো ভৱেৎ।।

১৭৬৪ খ্ৰীষ্টাব্দত আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ ৰাজত্ব কালত (১৭৫১-১৭৬৯) খ্ৰীষ্টাব্দত এই পাহাৰত মন্দিৰ নিৰ্মাণ কৰা হয়।

ঋষি বশিষ্ঠৰ পত্নী অৰুন্ধতীয়ে স্বামী বশিষ্ঠৰ সৈতে একাত্ম হৈ তেওঁৰ ওচৰতে মই অৱস্থান কৰিম।

ধৰান্ ধৰিত্ৰী ৱসুধাং ভত্তুস্তিষ্ঠামনমনন্তৰম্
মনো অৰুন্ধতী ভত্তুৰিতি মাং বিদ্ধ্যৰুন্ধতীম।

(মহাভাৰত, অনুশাসন ৭১/১০০)

বশিষ্ঠকুণ্ডৰ পৰা প্ৰায় ডেৰ ফাৰ্লং দূৰত অৱস্থিত বশিষ্ঠ গঙ্গাৰ নামনিত অপৰ পাৰত ক্ষোভৰ পাহাৰৰ পাদদেশত অৰুন্ধতী মন্দিৰ অৱস্থিত।

বশিষ্ঠমুনিৰ তপস্যাৰ স্থান ঘন অৰণ্যেৰ আবৃত বন্য জীৱ জন্তুৰ বিচৰণ ভূমিহৈ পৰিছিল। সৌভাগ্যবশতঃ আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ ৰাজত্বত ১৭৬৫ খ্ৰীষ্টাব্দত আশ্ৰমৰ ঠাই পৰিস্কাৰ কৰি আশ্ৰম পুনৰুদ্ধাৰ কৰি মন্দিৰ নিৰ্মাণ কৰোৱায়।

মন্দিৰৰ গৰ্ভগৃহত গোলোকেশ্বৰ শিৱ, তাৰাদেৱী মঙ্গলেশ্বৰ শিৱ প্ৰভৃতি দেৱতাৰ বিগ্ৰহ আছে লগতে বশিষ্ঠ মুনিৰ যোগসমাধিস্থ শৰীৰ।

আহোম ৰজা স্বৰ্গদেউ নাগেশ্বৰ সিংহৰ ভাতৃ লক্ষ্মীসিংহই এই মন্দিৰৰ শিৱৰ পূজা অৰ্চনা নিয়মীয়াকৈ চলিবলৈ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ কেইঘৰমান ব্ৰাহ্মণ পৰিয়ালক পূজাৰী হিচাবে নিয়োগ কৰিছিল।

- **বানেশ্বৰ দেৱালয়**

শ্ৰীশ্ৰী জনাৰ্দ্দন মন্দিৰৰ সন্মুখ ভাগত অৱস্থিত বানেশ্বৰ মন্দিৰ। ১৮২০ চনত চন্দ্ৰকান্ত সিংহই এই মন্দিৰটো নিৰ্মাণ কৰে। এই মন্দিৰৰ পূজা অৰ্চনা বানেশ্বৰ শিৱ লিংগৰ ধ্যানেৰে হয়।

- **শ্ৰীশ্ৰী মনিকৰ্ণেশ্বৰ দেৱালয়**

সত্যযুগত দক্ষযজ্ঞত শিৱৰ পত্নী সতীয়ে পতিনিন্দা শুনি পিতৃযজ্ঞত প্ৰাণত্যাগ কৰিছিল। সতীৰ দেহত্যাগত শিৱ মৰ্মাহত হৈ ৰুদ্ৰৰূপ ধাৰণ কৰি যজ্ঞস্থলিত উপস্থিত হৈ সতীৰ নিষ্প্ৰাণ দেহটো কান্ধত লৈ ত্ৰিভুৱণ ভ্ৰমণ কৰিছিল। ঠাইয়ে ঠাইয়ে সতীৰ দেহৰ অঙ্গ প্ৰত্যঙ্গ পতিত ঠাই পীঠ স্থানলৈ ৰূপান্তৰিত হ'ল। ভ্ৰমণ কৰি কৰি ক্লান্ত হৈ জগদীশ্বৰ শিৱ উত্তৰ গুৱাহাটীৰ পূব প্ৰান্ত ব্ৰহ্মপুত্ৰ আৰু বৰনদীৰ সঙ্গমস্থলত মণিশিলা স্থিত বেলগছজোপাৰ তলত জিৰণি লয়। সেয়া মণিকৰ্ণেশ্বৰ। শিৱই তাতেই বহি প্ৰিয়তমা ভাৰ্যাৰ ৰূপ-লাবণ্য চাই বিভোৰ হৈছিল। ভাৰ্যা সতীৰ অস্থিৰে জীৱন্তৰূপী ৰূপৱতী দীৰ্ঘেশ্বৰী পদ্মেশ্বৰী দেৱী নামেৰে খ্যাতি লাভ কৰিছিল। আহোম ৰজা স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই তেওঁৰ ৰাজত্ব কালত উক্ত স্থলত নিৰ্মিত মন্দিৰটো পুনৰ নিৰ্মাণৰ নিত্য পূজা কৰাৰ ব্যৱস্থা কৰিছে।

- **শ্ৰীশ্ৰী সিদ্ধেশ্বৰ দেৱালয়**

গুৱাহাটী মহানগৰী পৰা প্ৰায় ৩০ কিঃ মিটাৰ উত্তৰ পশ্চিম কোণত অৱস্থিত শুৱালকুছি চহৰত এই প্ৰসিদ্ধ সিদ্ধেশ্বৰ শিৱ মন্দিৰ পূৰাতত্ত্ববিদসকলৰ সিদ্ধান্তমৰ্মে একাদশ শতিকাত মন্দিৰ নিৰ্মাণ কৰা হৈছিল বুলি বুজা

যায়।

কুমাৰ ভাস্কৰবর্মাৰ বংশৰ ৰজা ধর্মপালে প্রথমবাৰৰ বাবে সিদ্ধেশ্বৰ মন্দিৰটো মেৰামতি কৰি পূজা কৰাৰ ব্যৱস্থা কৰিছিল। প্রাকৃতিক দুর্যোগত বিধ্বস্ত হোৱা মন্দিৰটো পুনৰ আহোমৰজা স্বর্গদেউ শিৱসিংহই ১৭২৯ খৃঃত নির্মাণ কৰে আৰু পূজা সেৱাৰ ব্যৱস্থা কৰে।

- **শ্রীশ্রী অগ্নি বানেশ্বৰ দেৱালয়**

দেৱাদিদেৱ মহাদেৱৰ এই মন্দিৰটো প্রতিষ্ঠিত হৈছিল আজ্ঞাঠুৰী পাহাৰৰ এটি টিলাত। দৈত্যৰাজ বাণৰজাই তেওঁৰ আৰাধ্য মহাদেৱ শিৱৰ লিঙ্গ স্থাপন কৰিছিল। তেতিয়াৰ পৰাই মন্দিৰ অগ্নি বানেশ্বৰ নামেৰে প্রখ্যাত হৈছিল। খৃঃপূঃ চতুর্থ শতিকাত ৰজা নাগশঙ্কৰ কামৰূপলৈ আহি বিলেশ্বৰ দেৱালয় সাজি দিয়াৰ সময়ত অগ্নি বানেশ্বৰ দেৱালয়ৰ সংস্কাৰ সাধন কৰিছিল। বর্মন বংশৰ ৰজা বনমালীদেৱ, কমতেশ্বৰ, দুর্লভনাৰায়ণ, কোচৰজা নৰনাৰায়ণ, চিলাৰায় আৰু আহোমৰজা প্রতাপ সিংহৰ দিনত এই মন্দিৰৰ উন্নয়ন সাধিত হৈছিল।

- **শ্রীশ্রী ভৃঙ্গেশ্বৰ দেৱালয়**

শুৱালকুছি যোৱাৰ পথত বংশৰ নাম গাঁৱত শ্রীশ্রী ভৃঙ্গেশ্বৰ দেৱালয় অৱস্থিত। এই দেৱালয়ৰ মূল বিগ্রহ শিৱ। পূর্বতে এই বিগ্রহ সানপাৰা পর্বতৰ ওপৰত এটা টিলাত আছিল। পূজাৰীয়ে সদায় ওপৰলৈ গৈ পূজা সেৱা কৰিছিল। অতি কষ্ট কৰি পাহাৰ বগাই গৈ থাকোতে এদিন পর্বতৰ মাজভাগৰ পৰা পিচলি প্রায় দুইশ ফুট তলত থাকি হাত ভৰি ভাঙি যোৱাত বহুত দিন পূর্ব সেৱা ভোগ বন্ধ হৈ পৰিলত ৰাতি পূজাৰীক সপোনত দেখা দি ক'লে তুমি আৰু পর্বতৰ ওপৰলৈ যাব নালাগে মই তললৈ আহি আছো।

তই কাইলৈৰ পৰা নিয়মিত পূজা ভোগ দিব পাৰিবি, সেই মতে একেই ৰূপত প্রভুৰ অৱস্থান পর্বতৰ নামনিত পুৰোহিত ভক্তিভাৱে যথাৰীতি পূজা সেৱা কৰি যাব ধৰিলে।

পীঠৰ সন্মুখ ভাগত গণেশৰ মূর্তি আছে। যাত্রীসকলে সর্ব প্রথম গণেশ দেৱতাক পূজা কৰি গুহাৰ ভিতৰত থকা মহাপ্রভু শিৱৰ পীঠত পূজা সেৱা কৰে।

স্বর্গদেউ শিৱ সিংহৰ ৰাজত্বকালত ১৬৬১ শকাব্দত প্রদত্ত তাম্রফলিত উল্লেখ কৰা মাতৃ মন্দিৰত পূজা অর্চনাৰ বাবে মাটি-বাৰী দান কৰিছিল।

ভৃঙ্গেশ্বৰ দেৱালত বিভিন্ন দেৱ-দেৱীৰ মূর্তিৰ সমাহাৰ, দোলাৰ ওপৰত ব্রহ্মাৰ মূর্তি, সোঁফালে বিষ্ণুৰ মূর্তি আৰু বামভাগত শিৱ, শিৱৰ কোলাত পার্বতী, মাজভাগত দুর্গামূর্তি, কৃষ্ণৰ সৈতে শালগ্রাম মূর্তিও আছে, পশ্চাৎ ভাগত শিৱৰ ধন ভৰালী কুবেৰৰ স্থান।

ইয়াত দৌলোৎসৱ, শিৱৰাত্রী, দুর্গাপূজা, অম্বুবাচী কৃত্য পালন কৰা হয়।

- **পিঙ্গলেশ্বৰ শিৱ মন্দিৰ**

গুৱাহাটী মহানগৰীৰ পৰা ৰাষ্ট্রীয় ঘাই পথেৰে ১৮ মাইল মান উত্তৰে বাইহাটাহৈ কৰৰা গাঁও পাৰ হৈ আহি ২ মাইল পূবে অৱস্থিত পিঙ্গলেশ্বৰ মন্দিৰ।

প্রাচীন কালত পিঙ্গল নামেৰে এখন গাঁও আছিল। এই গাঁৱক কেন্দ্র কৰি মন্দিৰ পিঙ্গলেশ্বৰ নামেৰে প্রসিদ্ধি লাভ কৰিলে।

এক অলৌকিকভাৱে আৱিস্কৃত হৈছিল এই শিৱলিঙ্গটো। এজনী কপিলী গাই গৰুৱে দুপৰীয়া বিৰিণা এজোপাৰ ওপৰত প্রতিদিন গাখীৰ নিঃসৰণ কৰে। তাকে দেখি কেইজনমান ডেকা মানুহে শুক্লপক্ষৰ শুভক্ষণত গা-পা ধুই সেই বিৰিণা জোপাৰ গুৰিত খান্দিবলৈ আৰম্ভ কৰে। ভালেমান খান্দিও একো নাপাই হতাশ হৈছিল যদিও কেইজনমান বয়সীয়াল লোকে সেৱা সৎকাৰ কৰি খান্দিবলৈ ধৰে। খান্দি থাকোতেই এটি তিনি ফুট বহল

গোলাকাৰ অথচ উত্তৰফালে অলপ বাঢ়ি যোৱা আৰু তাৰ সোঁমাজতকাঠৰ থোৰা সমান ডাঙৰ ছয় ইঞ্চি দীঘল এটুকুৰা মিহি নিমজ কলাশীল পালে। ইয়াৰ ওচৰতে দহ ইঞ্চি বহল আৰু ১৮ ইঞ্চি দীঘল এটি বাকচ পালে। বাকচটো খুলি তাৰ ভিতৰত এখন সুবৃহৎ পুথি পালে। পুথি কোনেও পঢ়িব নোৱাৰিলে। কিন্তু এজন বিজ্ঞ মৌলবীয়ে এইখন মুছলমানৰ পবিত্র কোৰাণ বুলি নির্ণয় কৰে। বর্তমান সেই গ্রন্থখন পিঙ্গলেশ্ব দেৱালয়ৰ উত্তৰে ইছলাম ধর্মাৱলম্বী অধ্যুষিত লোকসকলৰ তত্বাৱধানত মছজিদ সাজি তাতে ৰখা হয়।

মাটি খান্দি উদ্ধাৰ কৰা শিৱলিঙ্গটো অর্দ্ধনাৰীশ্বৰ শিৱ বুলি পণ্ডিতসকলে নির্ণয় কৰে সেই মতে অর্দ্ধনাৰীশ্বৰৰ ধ্যান লৈ পূজা সেৱা চলিবলৈ ধৰে। ইয়াৰ মাহাত্ম্য উপলব্ধি কৰি আহোম বংশৰ ৰজা শিৱ সিংহই মন্দিৰ নির্মাণ কৰি বিধিগত পূজা সেৱাৰ বাবে ৫০৫ বিঘা ভূসম্পত্তি দান কৰে।

- **শ্রীশ্রী গুপ্তেশ্বৰ দেৱালয়**

তেজপুৰ চহৰৰ পৰা প্রায় ৪৫ কিলোমিটাৰ পশ্চিমে ব্রহ্মপুত্র পাৰত শিঙৰী পাহাৰৰ নামনিত অৱস্থিত গুপ্তেশ্বৰ নামেৰে প্রখ্যাত হৈছিল।

এই মন্দিৰৰ উচ্চতা ৫০ ফুট গম্বুজসহ দীঘলে ৪৬ ফুট আৰু বহলে ২৪ ফুট। মন্দিৰৰ চাৰিওফালে ৪ ফুট ওখকৈ পুৰণি ইটাৰে ঘেৰা দেৱাল দীঘলে ১৮০ ফুট আৰু বহলে ১৬৮ ফুট আহে আহোম ৰজা শিৱ সিংহৰ দিনত এই মন্দিৰৰ স্থায়ীৰূপ প্রাপ্ত হয়।

- **শ্রীশ্রী বিল্বেশ্বৰ দেৱালয়**

অবিভক্ত কামৰূপ জিলাৰ বর্তমান নলবাৰী জিলাৰ এখন প্রসিদ্ধ গাঁও বেলশৰ। এই গাঁওখন শিক্ষা-দীক্ষা, সাহিত্য সংস্কৃতি ৰাজনীতি ক্ষেত্রত অতি আগবঢ়া ঠাই।

নলবাৰী চহৰৰ পৰা দহ কিলোমিটাৰ পশ্চিমে অৱস্থিত বিল্বেশ্বৰ দেৱালয়।

এই মন্দিৰৰ ঐতিহ্য এক কিংবদন্তিৰ ওপৰত আধাৰিত। এই লিঙ্গটোৰ ব্যাস ২৮ ইঞ্চি আৰু ওখ ৩০ ইঞ্চি। লিঙ্গটোৰ সৈতে যোনি পীঠো আছে। যোনি পীঠ অবিহনে শিৱ লিঙ্গ অসম্পূর্ণ। লিঙ্গটো প্রায় দহ ফুট তলত আছে। বছৰৰ বেছি ভাগ সময় পানীৰ তলত বুৰ গৈ থাকে।

ৰজা নাগাক্ষাই এই মন্দিৰ নির্মাণ কৰে। পঠিত এটা শ্লোকত উল্লেখ কৰা মতে তৃতীয় শতাব্দীত এই মন্দিৰ নির্মাণ কৰা বুলি নির্ণয় কৰিব পাৰি।

আদো ৰামতপো ৱেস্থা অর্দ্ধচন্দ্রা শকে যথা
নির্মিতমিহমালয়ং শ্রীশ্রীনাগক্ষো ভুপতে।

- **পৰিহৱেশ্বৰ দেৱালয়**

জালী অঞ্চলৰ এখন প্রসিদ্ধ গাঁও ডুবি। পাঠশালা ষ্টেশ্যনৰ পৰা দক্ষিণে কীয়দ্দৰে পৰিহৱেশ্বৰ দেৱালয়। ইয়াৰ মূল বিগ্রহ শিৱ। ডুবি নাম হোৱাৰ এটা জনশ্রুতি আছে। এই ঠাইত ডুবাল নামৰ এখন সৰু পাহাৰ আছিল। কালক্রমত প্রাকৃতিক দুর্যোগত এই সৰু পাহাৰখন তললৈ বহি যোৱালৈ লক্ষ্য কৰি ডুব যোৱা বাবে ঠাইখন ডুবি নামেৰে প্রসিদ্ধ হৈ পৰিল।

এইজনা শিৱৰ আবির্ভাবৰ এটা জনশ্রুতি মতে এজোপা বিৰিণাৰ ওপৰত এজনী গাইগৰুৱে নিমর্জিত গাখীৰ দিয়ে। তাকে সন্দেহ বশত এজন ব্রাহ্মণে কোদাল এখনেৰে ঘাপ দিলে আৰু তাত থকা শিৱ লিঙ্গ এভাগ ওলাই পৰিল যদিও কোদালৰ ঘাপত লিঙ্গহে এটা খহি পৰিল। ৰাতি ব্রাহ্মণৰ স্বপ্নদিষ্ট হ'ল— তাত শিৱ পূজা কৰাৰ নিমিত্তে, অন্যথা বিপদ। তদবধি শিৱ পূজাৰ নিয়মিত পূজা সেৱা চলিবলৈ ধৰিলে।

দুর্গা পূজাৰ সময়ত দুর্গা পূজাও কৰা হয়। মূর্তি সাজি পূজা কৰা নহয়। বাঁহৰ কামি এটা ভাগ লগাই

বস্ত্রালঙ্কাৰেৰে সজাই পূজা কৰা হয়।

প্ৰাচীন কালত পূজাৰ সময়ত দেৱতাক সন্তুষ্ট কৰিবলৈ গায়ন, বায়নে খোল তাল বজাই এক নৃত্যৰ আয়োজন কৰিছিল। যাক কোৱা হয় দেৱদাসী নৃত্য।

- **বিশ্বনাথ ধাম**

বিশ্বনাথ চাৰিআলি এখন সৰু নগৰ। শোণিতপুৰ জিলাৰ অন্তৰ্গত বিশ্বনাথ মহকুমাৰ সদৰ ঠাই বিশ্বনাথ চাৰিআলি। এই নগৰৰ পৰা ১০ কিলোমিটাৰ দক্ষিণে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত বিশ্বনাথ তীৰ্থ ক্ষেত্ৰ।

পূৰ্বে নাঙলেশ্বৰ, পশ্চিমে কালভৈৰৱ, উত্তৰে বীৰভদ্ৰ, দক্ষিণে বৰলুইতৰ জলৰাশিয়ে বিশ্বনাথৰ শোভা বৃদ্ধি কৰিছে। এই পৰিসীমাই আবৰি ৰাখিছে উনকোটি শিৱলিঙ্গ।

বাণ ৰজাৰ মনৰ অভিপ্ৰায় আছিল বিশ্বনাথক দ্বিতীয় কাশীধাম কৰাৰ। কিন্তু এককোটি শিৱ স্থাপন কৰিলে যদিও দেৱতাই কাশীধামৰ মহত্ব অক্ষুণ্ণ ৰখাৰ উদ্দেশ্যে যমৰাজৰ আদেশত এটা শিৱ লিঙ্গ ইন্দ্ৰই স্থানান্তৰ কৰিলত বিশ্বনাথ দ্বিতীয় বিশ্বনাথ হ'ব নোৱাৰিলে। এই সম্বন্ধে বহুতো কিংবদন্তি আছে।

বিশ্বনাথ ধামত সতীৰ স্তনযুগল আৰু বাহু যুগল পতিত হৈছিল। পতিত হোৱা দুই পীঠ উমা আৰু চণ্ডী নামেৰে প্ৰসিদ্ধি লাভ কৰে। বিশ্বনাথ ধামৰ পৰিসীমাৰ ভিতৰত ২৭ টা মঠ বিদ্যমান। ১) বিশ্বনাথ, ২) পূৰ্বশঙ্কৰ, ৩) শিৱনাথ, ৪) উমা, ৫) চণ্ডী, ৬) দধিমাধৱ, ৭) সূৰ্য মাধৱ, ৮) বাসুদেৱ, ৯) বাণেশ্বৰ, ১০) কালভৈৰৱ, ১১) কদমেশ্বৰ, ১২) মহাভৈৰৱ, ১৩) নাঙলেশ্বৰ, ১৪) সিদ্ধেশ্বৰ, ১৫) কমলেশ্বৰ, ১৬) বৃষভবাহনে, ১৭) সোমনাথ, ১৮) কাশীনাথ, ১৯) হৰিহৰ, ২০) চক্ৰেশ্বৰ, ২১) মহেশ্বৰ, ২২) বিষ্ণু, ২৩) দুৰ্গা, ২৪) মুক্তিনাথ, ২৫) গৌৰীবল্লভ, ২৬) সোমেশ্বৰ, ২৭) উগ্ৰেশ্বৰ। ১৬১৫ চনৰ পৰা ১৬২০ চনৰ ভিতৰত প্ৰাচীন শৈল মন্দিৰটো ভাঙি যোৱাত ১৬২১ চনত প্ৰতাপ সিংহই মোমাই তামুলী বৰবৰুৱাৰ দ্বাৰা বিশ্বনাথ মন্দিৰ নিৰ্মাণ কৰাইছিল।

মৌৰ্য সম্ৰাট অশোকে ধৰ্মপ্ৰচাৰ কৰাৰ কাৰণে পূণ্যধাম বিশ্বনাথলৈ আহিছিল খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাতে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ উমানন্দ মন্দিৰ কোন জিলাত অৱস্থিত?

.....

প্ৰশ্ন নং ৭ ঃ নগাঁও জিলাত কেইখন শিৱস্থল আছে লিখক।

.....

প্ৰশ্ন নং ৮ ঃ নলবাৰী জিলাত অৱস্থিত এটি শিৱ মন্দিৰৰ বিষয়ে লিখক।

.....

.....

প্ৰশ্ন নং ৯ ঃ শিৱসাগৰ জিলাৰ এটি উল্লেখযোগ্য শিৱস্থলৰ বিষয়ে লিখক।

.....

.....

প্ৰশ্ন নং ১০ ঃ যোৰহাট জিলাৰ এটি শিৱস্থলৰ বিষয়ে লিখক।

.....

.....

৫.৬ অসমৰ উল্লেখযোগ্য বিষ্ণুপূজাৰ স্থলসমূহ

এতিয়া আপুনি অসমৰ বিভিন্ন উল্লেখযোগ্য বিষ্ণুপূজাৰ স্থানসমূহৰ বিষয়ে জানিব পাৰিব। যেনে- বৈষ্ণৱ সত্ৰ, শ্ৰীশ্ৰী শুক্ৰেশ্বৰ দেৱালয়, শ্ৰীশ্ৰী অশ্বক্ৰান্ত দেৱালয়, শ্ৰীশ্ৰী পাণ্ডুনাথ দেৱালয় ইত্যাদি উল্লেখযোগ্য।

- **বৈষ্ণৱ সত্ৰ**

কমলাবাৰী সত্ৰ ঃ মাজুলীৰ শালমৰা মৌজাত প্ৰতিষ্ঠিত কমলাবাৰী সত্ৰ এখন প্ৰসিদ্ধ সত্ৰ। মহাপুৰুষ কোচবিহাৰত থকা সময়ত বৰ নাৰায়ণপুৰৰ সাওকুছিৰ পদ্মই গুৰু সমুখ হৈ উজানত মহাপুৰুষৰ গাৰ বদলে ধৰ্ম প্ৰচাৰ কৰিবলৈ ভাৰতলৈ পদ্ম আতা বা বদুলা আতা নাম লৈ উজনিলৈ আহি কলানিভেটি, শালখ, পাচতিয়াভেটি, হামৰা, বদুলা, মুদৈভেটি আদি ঠাইত সত্ৰ পাতি ধৰ্ম প্ৰচাৰৰ পিছত বেজবৰুৱা বংশৰ উৰ্দ্ধতন পুৰুষ পুৰুষোত্তম বৰুৱাই টুনি নৈৰ পাৰত টেঙানিবাৰীত শেষত কমলাবাৰী সত্ৰ প্ৰতিষ্ঠা কৰে।

- **গড়মূৰ সত্ৰ**

মাজুলীৰ শালমৰা (এতিয়া কমলাবাৰী) মৌজাত। কুৰুৱাবাহী সত্ৰৰ নিৰঞ্জন পাঠকে গোবিন্দ ঠাকুৰ মূৰ্তি নি জয়ধ্বজ ৰজাৰ মহানুগ্ৰহত বৰ খিতাপেৰে আউনী আটি সত্ৰ প্ৰতিষ্ঠা কৰা দেখি মিশ্ৰ গোসাঁইৰ পুত্ৰ ৰামকৃষ্ণ আৰু বংশীগোপাল দেৱৰ খুড়া পৰামাইৰ পৰিনাতি লক্ষ্মী নাৰায়ণৰ মনত অসন্তোষ ওপজে, লক্ষ্মীনাৰায়ণে গোসাঁইৰ শাৰাৰ ভয়ত জয়ধ্বজ ৰজাই জগন্নাথৰ পৰা বংশীবদনক আনি গড়মূৰত সত্ৰ স্থাপন কৰিলে।

- **দক্ষিণপাট সত্ৰ**

মাজুলীৰ শালমৰা মৌজাত দক্ষিণপাট সত্ৰ প্ৰতিষ্ঠা কৰে। এই সত্ৰখন দামোদৰীয়া, চাৰিখন ৰাজসত্ৰৰ ভিতৰত অন্যতম। এই সত্ৰখনৰ প্ৰতিষ্ঠাপক বনমালীদেৱ।

দক্ষিণপাত্ৰ সত্ৰত যাদৱৰায়ৰ মূৰ্তি আনি উপাস্য দেৱতা হিচাপে প্ৰতিষ্ঠা কৰে। জগন্নাথ ক্ষেত্ৰৰ পৰা যাদৱ ৰায় মূৰ্তি আনি অসমৰ জয়ধ্বজ ৰজাৰ নিমন্ত্ৰণত প্ৰাণ নাৰায়ণৰ বেহাৰ ৰাজ্য ত্যাগ কৰি নগাঁৱত জখলাবন্ধাত আৰু তাৰ পিছত মাজুলীৰ আহতগুৰিৰ শালবাৰীত আৰু শেষত ব্ৰহ্মপুত্ৰৰ দক্ষিণত বাঙলী বাহৰত বৈকুণ্ঠপুৰ সত্ৰ পাতে।

বৰনৈৰ দক্ষিণ পাৰত পতা বাবে বৈকুণ্ঠপুৰৰ নাম দক্ষিণপাট হয়।

বৈষ্ণৱ থান-সত্ৰ ঃ বিষ্ণুৰ উপাসকসকলে অসমৰ বিভিন্ন স্থানত থান সত্ৰ পাতি নিজ নিজ প্ৰথা অনুসাৰে ধৰ্মীয় কৃত্যসমূহ কৰিছিল।

বৈষ্ণৱ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱে বৰদোৱাত থান পাতি একশৰণ নামধৰ্মৰ বীজ ৰোপন কৰিছিল। কিন্তু ৬৭ বছৰ বয়সত ১৫১৬ খ্ৰীষ্টাব্দত কছাৰীৰ উপদ্ৰবত এই থান ত্যাগ কৰিব লগীয়া হয়। এটি পিছত কনকলতা আয়ে বিষ্ণু থানৰ পৰা আহি থানখনি সংস্কাৰ কৰে।

কনকলতা আইৰ কন্যা সুভদ্ৰা পুত্ৰ জগদীশ বা অনন্তৰামৰ সৈতে মত বিৰোধ হোৱাত ভিন্ন ঠাইত সত্ৰ পাতিবলৈ লয়। এখন বালি চাপৰিত, সত্ৰখনৰ নাম কালিসত্ৰ। অনন্তৰামে দিহিং নদীৰ পাৰত শলগুড়ি জানৰ ওচৰত মধুপুৰ নামে এখন সত্ৰ পাতে।

গদাধৰ সিংহৰ দিনত সত্ৰধ্বংস আৰু বন সম্পদ হৰণ আৰম্ভ হয় (১৬৮১-৯৫)।

কুঁজী সত্ৰ ঃ দামোদৰ আতাই কুঁজী বিলত সত্ৰ পাতে। সত্ৰৰ নামত পাঁচশ পুৰামান নিষ্পেখেৰাজ জমি আছে। সত্ৰত গোবিন্দ মূৰ্তি আছে। শ্ৰীমন্ত শংকৰদেৱৰ পুত্ৰ ৰমানন্দৰ পুত্ৰ পুৰোষোত্তম (শঙ্কৰদেৱৰ নাতি) ঠাকুৰৰ ভাৰ্যা লক্ষ্মী প্ৰিয়াৰ কন্যা কেশৱপ্ৰিয়াৰ চাৰি পুত্ৰই (চক্ৰপাণি, শাৰঙ্গপানি, গদাপানি আৰু পদ্মপানি) ৰাজ অনুগ্ৰহত মাজুলীত সত্ৰ পাতে।

কালশিলা সত্র ঃ শঙ্কৰদেৱৰ খুড়াকৰ পুতেক ক্ষতিকান্তৰ পুত্র ৰামচন্দ্রৰ কন্যা বিষ্ণুপ্রিয়াক যদুদেৱ নামৰ এজনত বিয়া দি পোষ্য পুত্র হিচাপে ৰাখে। এওঁলোক পুত্র পৰম্পৰা অনন্ত আতাই কনকলতা আইৰ পৰা ধর্ম প্রচাৰ কৰাৰ আজ্ঞা লৈ কালশিলা বিলৰ পাৰত ১৫৬৪ শকত কালশিলা সত্র পাতে।

মাধৱদেৱৰ আজ্ঞা পৰ সত্র—

মহাপুৰুষসকলৰ আজ্ঞা লৈ আজ্ঞাপৰ আচার্যসকলে ঠায়ে ঠায়ে সত্র পাতিছিল।

মাধৱদেৱৰ আজ্ঞাপৰ বাৰজন আচার্য্যৰ ভিতৰত শ্রীহৰি আৰু যদুমণিদেৱৰ সত্র মাজুলীত আছে। এই সত্রত বংশী গোপাল দেৱৰ মূর্তি আছে।

বৈষ্ণৱসকলৰ ভিতৰত সর্ব প্রথম সত্র স্থাপন কৰে গুৰুদেৱ দামোদৰ দেৱে। দামোদৰীয়া সত্রবিলাক হ'ন্দ্র বংশীগোপালৰ পৰা বা আউনীহাটী, কুৰুৱাবাহী আদি শাখাৰ সত্র।

দামোদৰ দেৱৰ প্রথম আজ্ঞাপ্রাপ্ত অধিকাৰী বংশীগোপাল দেৱ। বংশীগোপাল দেৱৰ পৰা বঢ়া সত্রৰ সংখ্যা সৰুৱে বৰে একেবাৰো ওচৰ চাপিব।

জয়ধ্বজ সিংহ স্বর্গদেৱে (১৫৭০ শকাব্দ ১৬৪৮ খ্রীষ্টাব্দ) আউনীআটী দক্ষিণপাট, গড়মূৰ, কুৰুৱা বাহী এই চাৰিসত্র নিৰীক্ষণ কৰাই মাটিবাৰী লোক জন দান কৰি ৰাজসত্রৰ মর্যদা প্রদান কৰিছিল। আউনীআটি সত্র প্রথম সত্র বাবে নিৰঞ্জন দেৱৰ দিনৰে পৰা ইয়াৰ শিষ্যৰ সংখ্যা সর্বোপৰি। দক্ষিণ পাটৰো সংখ্যা তদনুৰূপ।

স্বর্গদেউ শিৱ সিংহৰ দিনৰে পৰা কামৰূপ সত্রসমূহেও ৰাজ সাহায্য লাভ কৰি ধর্ম প্রচাৰ কৰিছিল। (১৬৩৬ শকাব্দ ১৭১৪ খ্রীষ্টাব্দ)

- **শ্রীশ্রী শুক্রেশ্বৰ দেৱালয়**

কলি দ্বাপৰ যুগৰ সন্ধিক্ষণত মুনিবৰ শুক্রাচার্যই স্থাপন কৰা শিৱলিঙ্গটোৱেই শুক্রেশ্বৰ শিৱ বুলি খ্যাত।

কলিদ্বাপৰয়োঃ সন্ধৌধনুবর্দ্ধ প্রমানতঃ।
শুক্রেণস্থাপিতংলিঙ্গম শুক্রেশঃ নামতঃশ্রুতম্।।
'যোগিনীতন্ত্রৰ ২৩৫-২৩৬'।

শুক্রেশ্বৰ দেৱালয়ৰ শিলৰ ফালৰ পৰা জনা যায় যে ১৬৬৬ শকাব্দত স্বর্গডৈ প্রমত্ত সিংহৰ দিনত নির্মাণ কৰা হৈছিল। তদুপৰি আহোম ৰজা স্বর্গদেউ ৰাজেশ্বৰ সিংহৰ ৰাজত্বকালত ১৬৮৩ শকাব্দত মন্দিৰৰ পূজা অর্চনাৰ বাবে যথোচিত সাহায্য প্রদান কৰিছিল।

- **শ্রীশ্রী অশ্বক্রান্ত দেৱালয়**

ভগৱান শ্রীকৃষ্ণৰ ৰথৰ ঘোৱা বিশ্রাম লোৱা ঠাই বুলিয়েই ইয়াক অশ্বক্রান্ত বুলি কোৱা হয়।

দ্বাপৰেতু কুৰুক্ষেত্রম্ অশ্বতীর্থংকলৌ যুগে নৰকাসুৰৰ লগত ভগৱান শ্রীকৃষ্ণৰ যুদ্ধৰ সময়ত ৰথৰ ঘোৱা (অশ্বক্লান্ত হৈ) এই ঠাইত জিৰণি লৈছিল। অর্থাৎ অশ্বক্রান্ত পাহাৰৰ পূৱৰ নামনিত থকা শিলৰ ওপৰত পদাচিহ্ন আছে। য'ত চ'ত মাহত শুক্ল অষ্টমীত পুর্বপুৰুষসকলৰ উদ্দেশ্যে পিণ্ডদান তর্পণ আৰু অস্থি সমর্পন কৰা পৰম্পৰা চলি আহিল।

অশ্বক্রান্ত পাহাৰৰ পুৱফালে নদীৰ দাঁতিত আন বাৰখন তীর্থ পোৱা যায়। এই তীর্থকেইখন উত্তৰৰ পৰা ক্রমে— (১) সীতাতীর্থ, (২) বিজয়তীর্থ, (৩) মুক্তিতীর্থ, (৪) বৃত্ততীর্থ, (৫) গয়াকুণ্ড, (৬) অমৃত সৰোবৰ, (৭) অশ্বক্রান্ত, (৮) ঋণ মোচন তীর্থ, (৯) ক্ষেত্রাত্রিপঞ্চক, (১০) সিদ্ধকুণ্ড, (১১) ব্রহ্মসৰোবৰ, (১২) ব্রহ্মযোণী তীর্থ আছে। এই তীর্থ কেইখনত স্নান, দান, তর্পন, পিণ্ডদান আৰু অস্থি ক্ষেপনাদিক্রিয়াও কৰা হয়।

অশ্বক্রান্ত দেৱালয়ত কুর্মজনার্দ্দন আৰু অনন্ত শায়ী বিষ্ণুৰ নিত্য পূজাসেৱা কৰা হয়। আহোম ৰজা

গৌৰীনাথ সিংহৰ ৰাজত্ব কালত ১৭০৫ শকাব্দত তামৰ ফলি অনুসাৰে দেৱালয়ৰ পূজা সেৱা চলাই নিবলৈ পাঁচ পাইকক মাটিবাৰী দান কৰিছিল।

- **শ্রীশ্রী পাণ্ডুনাথ দেৱালয়**

পাণ্ডুত ব্রহ্মপুত্রৰ নিচেই পাৰত পুৰণা পাণ্ডু ৰে'ল ষ্টেচনৰ সোঁফালে পূবদিশত পাণ্ডুনাথ ধাম বিৰাজমান। এই ধামত বৰাহ বিষ্ণুৰ অৱতাৰৰ মূর্তি খোদিত হৈছে। ভগৱান বিষ্ণুই তেওঁৰ কর্ণমলোদ্ভুত মধুকৈটভৰ তেওঁৰ আঠুৰ ওপৰত ৰাখি যি ঠাইত শিৰচ্ছেদ কৰিছিল। সেই ঠাইত পাণ্ডুনাথ নামে বৰাহ অৱস্থিত। সেই দিন ধৰি ব্রহ্মশিলা আৰু বিষ্ণুৰ উৰুচিহ্নৰ সৈতে পাণ্ডুনাথ তীর্থক্ষেত্র হ'ল।

কালিকাপুৰাণৰ মতে পাণ্ডুনাথৰ ওচৰত ব্রহ্মকুণ্ড অৱস্থিত।

'তস্যাসন্নে ব্রহ্মকুণ্ডম্ ব্রহ্মণানির্মিতংপুৰ।। (১০৩)

পাণ্ডুনাথ মন্দিৰ নির্মাণৰ সময়ত মহাবাহু ব্রহ্মপুত্রৰ পাৰৰ এটা শিলত একেলগে পাঁচটা গণেশ আৰু অন্য এটা শিলৰ ওপৰত বিশেষ ভঙ্গিমাও এটা গণেশমূর্তি দেখা পোৱা যায়। ইয়ে আর্য্য সভ্যতাৰ উৎকৃষ্ট উদাহৰণ দাঙি ধৰিছে। গণেশ্বৰ উপাসনা অসমত বহুলভাৱে পৰাৰ প্রামাণিক তথ্য বহন কৰে, বিশেষকৈ গুৱাহাটী মহানগৰীৰ চতুর্দিকে, মধ্য ভাগতো গণেশ দেৱতাৰ মূর্তি পৰিলক্ষিত হয়, যেন সর্ববিঘ্নহন্তা গণেশ মহাপ্রভুই আমাক সর্বতো প্রকাৰে ৰক্ষা কৰি আছে।

আমিনগাঁৱত হাজোলৈ যোৱা পথৰ দাঁতিত শিলৰ ওপৰত জাগ্রতৰূপত গণেশৰ মূর্তি খোদিত আছে। পথিককে ধৰি অন্যান্য যাত্রীৰো যথেষ্ট সমাগম হোৱা দেখা যায়।

ৰৰাগাঁৱত ৩৭ নং ৰাষ্ট্রীয় ঘাই পথৰ দাঁতিত শিলৰ ওপৰত গণেশ মূর্তি, উজানবজাৰ লতাশিল খেলপথাৰৰ উত্তৰ পিনে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ গাতে লাগি থকা গণেশ মন্দিৰ গুৱাহাটীৰ সোঁমাজত লালগণেশ আৰু খানাপাৰা মৰাবাটত গণেশ মন্দিৰৰ দেৱতাই নগৰখনক সর্বতোভাৱে ৰক্ষা কৰি আছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ ঃ কমলাবাৰী সত্র ক'ত অৱস্থিত?

.....

প্রশ্ন নং ১২ ঃ দক্ষিণপাট সত্রৰ আন এটা নাম কি?

.....

প্রশ্ন নং ১৩ ঃ কুঁজীসত্র কোনে স্থাপন কৰে?

.....

প্রশ্ন নং ১৪ ঃ অশ্বক্রান্তা দেৱালয়ত কোন দেৱতাৰ পূজা কৰা হয়?

.....

প্রশ্ন নং ১৫ ঃ পাণ্ডুনাথ দেৱালয় ক'ত অৱস্থিত?

.....

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- অসমৰ মন্দিৰ নির্মাণৰ প্রস্তুতিৰ বিষয়ে গম পালে।
- অসমৰ বিভিন্ন উল্লেখযোগ্য শক্তিস্থলসমূহৰ বিষয়ে জানিব পাৰিলে।
- অসমৰ বিভিন্ন উল্লেখযোগ্য শিৱ মন্দিৰসমূহৰ বিষয়ে জানিব পাৰিলে।
- অসমৰ বিভিন্ন উল্লেখযোগ্য শক্তিস্থলসমূহৰ বিষয়ে জানিব পাৰিলে।

৫.৮ অধিক জানিবলৈ

১) নেওগ, মহেশ্বৰ (১৯৯১), *পবিত্র অসম*, গুৱাহাটী লয়ার্ছ বুক ষ্টল।

২) ভট্টাচার্য, হিতেন্দ্র নাথ আৰু ভট্টাচার্য, সুৰেশ চন্দ্র, সম্পাদিত (২০০৯), *অসমৰ প্রাচীন দ'ল-দেৱালয়*, গুৱাহাটী ঃ সদৌ অসম দেৱালয় সংঘ শ্রীশ্রী জনার্দন দেৱালয়, শুক্রেশ্বৰ।

৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কামৰূপ জিলাত অৱস্থিত।

২ নং প্রশ্নৰ উত্তৰ ঃ ছয়গাঁৱত।

৩ নং প্রশ্নৰ উত্তৰ ঃ তেজপুৰত।

৪ নং প্রশ্নৰ উত্তৰ ঃ হাজো।

৫ নং প্রশ্নৰ উত্তৰ ঃ কামৰূপত।

৬ নং প্রশ্নৰ উত্তৰ ঃ কামৰূপ জিলাত অৱস্থিত।

৭ নং প্রশ্নৰ উত্তৰ ঃ নগাঁও জিলাত আঠখন শিৱস্থল আছে।

৮ নং প্রশ্নৰ উত্তৰ ঃ শ্রীশ্রী বিলেশ্বৰ মন্দিৰ।

৯ নং প্রশ্নৰ উত্তৰ ঃ বৈদ্যনাথ শিৱদ'ল।

১০ নং প্রশ্নৰ উত্তৰ ঃ হাতীগড় শিৱদ'ল।

১১ নং প্রশ্নৰ উত্তৰ ঃ কামৰূপ জিলাত অৱস্থিত।

১২ নং প্রশ্নৰ উত্তৰ ঃ ছয়গাঁৱত।

১৩ নং প্রশ্নৰ উত্তৰ ঃ তেজপুৰত।

১৪ নং প্রশ্নৰ উত্তৰ ঃ হাজো।

১৫ নং প্রশ্নৰ উত্তৰ ঃ কামৰূপত।

৫.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অসমত মন্দিৰ নির্মাণৰ প্রস্তুতি সম্পর্কে এটি টোকা লিখক।

প্রশ্ন ২ ঃ কামৰূপ জিলাৰ বিভিন্ন শক্তিস্থলসমূহৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৩ ঃ নগাঁও জিলাৰ বিভিন্ন শিৱ দেৱালয়সমূহৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৪ ঃ শিৱসাগৰ জিলাৰ বিভিন্ন শিৱ দেৱালয়সমূহৰ বিষয়ে বহলাই লিখক।

প্ৰশ্ন ৫ ঃ যোৰহাট আৰু ডিব্ৰুগড় জিলাৰ শিৱ দেৱালয়সমূহৰ বিষয়ে বহলাই লিখক।

প্ৰশ্ন ৬ ঃ নলবাৰী জিলাৰ শিৱ মন্দিৰৰ বিষয়ে লিখক।

প্ৰশ্ন ৭ ঃ কামৰূপ জিলাৰ বিভিন্ন শক্তিস্থলসমূহৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৮ ঃ তেজপুৰ জিলাৰ বিভিন্ন শক্তিস্থলসমূহৰ বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ৬ঃ মনুসংহিতা— সাধাৰণ অধ্যয়ন

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ ধর্ম আৰু ধর্মশাস্ত্ৰৰ চমু আভাস

- ৬.৩.১ ধর্মৰ অর্থ
- ৬.৩.২ ধর্মশাস্ত্ৰৰ পৰিচয়

৬.৪ মনুসংহিতাৰ বিশদ ধাৰণা

- ৬.৪.১ মনু আৰু মনুসংহিতাৰ পৰিচয়
- ৬.৪.২ মনুসংহিতাৰ বিষয়বস্তু
- ৬.৪.৩ কেইটামান গুৰুত্বপূৰ্ণ বিষয়ৰ সম্যক জ্ঞান

৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৬ অধিক জানিবলৈ

৬.৭ অগ্রগতিৰ খতিয়ান

৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- ধর্ম আৰু ধর্মশাস্ত্ৰৰ এক চমু আভাস লাভ কৰিব।
- মনুসংহিতাৰ বিশদ ধাৰণা লাভ কৰিব।
- মনুসংহিতাত সন্নিবিষ্ট কেইটামান গুৰুত্বপূৰ্ণ বিষয়ৰ জ্ঞান লাভ কৰিব।

৬.২ পৰিচয়

ইতিমধ্যে আপুনি ভাৰতীয় জ্ঞান পৰম্পৰাৰ গুৰুত্বপূৰ্ণ শাখাৰ সৈতে পৰিচিত হৈছে। ভাৰতীয় জ্ঞান পৰম্পৰাৰ আন এটা গুৰুত্বপূৰ্ণ শাখা হৈছে ধর্মশাস্ত্র। এই ধর্মশাস্ত্রসমূহ বেদৰ ওপৰত ভিত্তি কৰিয়েই ৰচনা কৰা হৈছিল। ধর্মশাস্ত্রসমূহে প্রধানকৈ ধর্মীয়, নৈতিক, সামাজিক আৰু বিধিগত কর্তব্য সম্পর্কে আলোচনা কৰে। ধর্মশাস্ত্ৰৰ ভিতৰত প্রধান হৈছে মনুসংহিতা।

এই অধ্যায়ত ধর্ম আৰু ধর্মশাস্ত্র সম্পর্কে এটা সাধাৰণ আভাস লাভ কৰিব। ইয়াৰ উপৰিও মনুসংহিতাৰ বিষয়ে বিশদভাৱে জানিব পাৰিব।

৬.৩ ধর্ম আৰু ধর্মশাস্ত্ৰৰ চমু আভাস

মনুসংহিতা এখন ধর্মশাস্ত্র। সেয়ে মনুসংহিতাৰ বিষয়ে সবিশেষ জনাৰ আগতে ধর্ম আৰু ধর্মশাস্ত্ৰৰ এক চমু আভাস লাভ কৰাটো যথেষ্ট আৱশ্যকীয়।

৬.৩.১ ধর্মৰ অর্থ

সংস্কৃত 'ধর্ম' পদটো এটা অতি ব্যাপক অর্থত ব্যৱহাৰ হয়। ই 'ধৃ' ধাতুৰ পৰা উদ্ভৱ হৈছে। 'ধৃ' ধাতুৰ লগত 'মন্' প্রত্যয় যোগ হৈ ধর্ম শব্দৰ নিষ্পত্তি হৈছে। 'ধৃ' ধাতুৱে ধাৰণ কৰা বুজায়। গতিকে যিবোৰ সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিয়ে সমাজখন ধাৰণ কৰি ৰাখিছে সেয়ে হৈছে ধর্ম। মহাভাৰতৰ শান্তিপর্বত কোৱা হৈছে— ধাৰণাদ্ধর্মমিত্যাহুঃ । এই ধর্মই প্রজাসমূহক ধাৰণ কৰে।

ধর্মৰ বিভিন্ন উৎস আছে। তাৰ ভিতৰত শ্রুতি বা বেদক ইয়াৰ প্রথম উৎস বুলি গণ্য কৰা হয়। ধর্মৰ দ্বিতীয় উৎস হৈছে স্মৃতি বা ধর্মশাস্ত্র।

৬.৩.২ ধর্মশাস্ত্রৰ পৰিচয়

ধর্মশাস্ত্র শব্দটো সাধাৰণতে ধর্মসূত্র আৰু ছন্দোৱদ্ধ বিধি বা স্মৃতি এই দুয়োটাৰ ক্ষেত্রতে প্রযোজ্য। সকলোবোৰ ধর্মশাস্ত্র বেদৰ আধাৰতেই ৰচিত হৈছে। ভিন্ন ভিন্ন সময়ত আৰু ভিন্ন ভিন্ন সামাজিক পৰিবেশত ৰচিত ধর্মশাস্ত্রসমূহে মানুহৰ আচৰণ কেনে হোৱা উচিত তাৰ নির্দেশ কৰে। সমাজত এক সক্রিয় জীৱন পৰিচালনাৰ বাবে এই নির্দেশনাসমূহ মানি চলাটো অতিশয় প্রয়োজনীয়। ই কেৱল ধর্মীয় বিশ্বাস বা পৰম্পৰাৰে ভৰা নহয়। সামাজিক জীৱন পৰিচালনাৰ বাবে ই হৈছে এক উত্তম হাতপুথি।

ধর্মশাস্ত্র বুলি ক'লে এখন মাত্র শাস্ত্রক নুবুজায়। বিভিন্ন ঋষিৰ দ্বাৰা প্রণীত সংহিতাসমূহক ই নির্দেশ কৰে। ধর্মশাস্ত্র বা স্মৃতিনো কিমান সংখ্যক আছে এই সম্পর্কে সঠিকভাৱে নির্ণয় হোৱা নাই। যাজ্ঞবল্ক্য স্মৃতিত মহর্ষি যাজ্ঞবল্ক্যই বিশগৰাকী ধর্মশাস্ত্রকাৰৰ এখন তালিকা উল্লেখ কৰিছে। এই বিশগৰাকী ধর্মশাস্ত্রকাৰৰ নামবোৰ ইয়াত দিয়া হ'ল— মনু, অত্রি-বিষ্ণু, হাৰীত, যাজ্ঞবল্ক্য, উশন, অঙ্গিৰ, যম, আপস্তম্ব, সংবর্ত্ত, কাত্যায়ন, বৃহস্পতি, পৰাশৰ, ব্যাস, শঙখ, লিখিত, দক্ষ, গৌতম, শাতাতপ আৰু বশিষ্ঠ।

ধর্মশাস্ত্রসমূহক তিনিটা খণ্ডত বিভক্ত কৰা হয়। সেইবোৰ হৈছে— আচাৰ, ব্যৱহাৰ আৰু প্রায়শ্চিত্ত। ইয়াৰে আচাৰ খণ্ডত ধর্মীয় কার্যসমূহৰ অনুষ্ঠান আৰু চাৰিবর্ণ আৰু আশ্রমৰ কর্তব্যৰ বিষয়ে আলোচনা কৰা হয়। ব্যৱহাৰ খণ্ড মানুহৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ লগত জড়িত। বিভিন্ন বিবাদৰ বিচাৰ আৰু দোষীৰ প্রতি দণ্ড বিধান আদি বিষয়সমূহ ইয়াৰ অন্তর্গত। প্রায়শ্চিত্ত খণ্ডটো বিভিন্ন পাপৰ পৰা মুক্ত হোৱাৰ বাবে থকা কিছুমান প্রায়শ্চিত্ত ব্যৱস্থাৰ লগত জড়িত।

ধর্মশাস্ত্রৰ গুৰুত্বপূর্ণ বিষয়সমূহ হৈছে— ধর্মৰ উৎস, চাৰিবর্ণ আৰু আশ্রমৰ কর্তব্য, বিভিন্ন সংস্কাৰ, পিতৃ-মাতৃ আৰু গুৰুৰ প্রতি আচৰণ, শ্রাদ্ধাদি তর্পণ বিধি, গুৰু-শিষ্যৰ ব্যৱহাৰ, পতি-পত্নীৰ কর্তব্য, কৰ ব্যৱস্থা, সাক্ষী, ঋণদান, ঋণ পৰিশোধ, দণ্ডবিধান, সম্পত্তিৰ বিভাজন, পুত্রৰ প্রকাৰ, স্ত্রীধন, নিয়োগ ব্যৱস্থা, বিভিন্ন পাপৰ প্রায়শ্চিত্ত ইত্যাদি। ইয়াত দেখা গ'ল যে মানুহৰ সমগ্র ব্যক্তিগত, সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক আচৰণেই হৈছে ধর্মশাস্ত্রৰ বিষয়বস্তু।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ধর্ম শব্দটো কি ধাতুৰ পৰা উদ্ভৱ হৈছে?

.....

প্ৰশ্ন নং ২ ঃ ধৰ্মৰ দুটা উৎস লিখক।

.....

প্ৰশ্ন নং ৩ ঃ চাৰিগৰাকী ধৰ্মশাস্ত্ৰকাৰৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৪ ঃ ধৰ্মশাস্ত্ৰসমূহক কি কি তিনিটা খণ্ডত ভগোৱা হয়?

.....

প্ৰশ্ন নং ৫ ঃ ধৰ্মশাস্ত্ৰৰ আলোচ্য বিষয় তিনিটা উল্লেখ কৰক।

.....

৬.৪ মনুসংহিতাৰ বিশদ ধাৰণা

এই অংশত আপুনি প্ৰসিদ্ধ ধৰ্মশাস্ত্ৰ মনুসংহিতা আৰু ইয়াৰ ৰচক মনুৰ বিষয়ে এক সম্যক ধাৰণা লাভ কৰিব।

৬.৪.১ মনু আৰু মনুসংহিতাৰ পৰিচয়

মনু হৈছে মানৱ জাতিৰ আটাইতকৈ প্ৰসিদ্ধ ধৰ্মশাস্ত্ৰকাৰ। তেওঁৰেই মনুসংহিতাৰ ৰচক। মনুস্মৃতিৰ আৰম্ভণিত মনুক স্বয়ম্ভু ব্ৰহ্মাৰ পুত্ৰ বুলি অভিহিত কৰা হৈছে। ঋগ্বেদত মনুক 'পিতৃ' বুলি উল্লেখ কৰা হৈছে। এই বেদৰ কেবাঠাইতো মনুৰ কথা পোৱা যায়। ***তৈত্তিৰীয় সংহিতাত*** মনুক প্ৰজা পতি বুলি কোৱা হৈছে— নমঃ প্ৰজাপতয়ে মনৱে স্বাহা। নিৰুক্তত আৰু মহাভাৰতৰ বিভিন্ন স্থানতো মনুৰ বিষয়ে উল্লেখ আছে।

> **তৈত্তিৰীয় সংহিতা** ঃ কৃষ্ণ যজুৰ্বেদ

সকলোবোৰ ধৰ্মশাস্ত্ৰৰ ভিতৰত মনুসংহিতাকেই আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হয়। ভগৱান মনুৱে মহামুনি ভৃগুক যি শিক্ষা দিছিল সেইসমূহ ভৃগুৰ দ্বাৰা মনুসংহিতাত কোৱা হৈছে। এইটো কোৱা হয় যে যিখন স্মৃতিয়ে মনুসংহিতাৰ বিৰুদ্ধাচৰণ কৰে— সেইখন স্মৃতি কেতিয়াও গ্ৰহণযোগ্য নহয়। মনুৱে যিসমূহ কথা কৈ গৈছে সেইসমূহক ভেষজ বা ঔষধ হিচাপে স্বীকৃতি দিয়া হৈছে— 'মনুৰ্বৈ যদ্‌কিঞ্চাৱদত্তদ্ভেষজম্'। মনু স্মৃতিত সৰ্বমুঠ ১২টা অধ্যায় আছে। বিভিন্ন টীকাকাৰে মনুসংহিতাৰ টীকা ৰচনা কৰি থৈ গৈছে। তাৰ ভিতৰত মেধাতিথি, কুল্লুকভট্ট, সৰ্বজ্ঞনাৰায়ণ আদিয়েই প্ৰধান।

এই মনুসংহিতা শ্লোক ছন্দত ৰচনা কৰা হৈছে। এই ধৰ্মশাস্ত্ৰখনৰ মাজে মাজে উপমা আদি কিছুমান অৰ্থালঙ্কাৰৰ ব্যৱহাৰো দেখা যায়। ইয়াৰ দ্বাৰা ৰচকৰ সাহিত্যিক ৰুচিবোধৰ পৰিচয় লাভ কৰিব পাৰি।

৬.৪.২ মনুসংহিতাৰ বিষয়বস্তু

মনুসংহিতাৰ আলোচ্য বিষয়সমূহৰ অধ্যায় অনুযায়ী তলত কেতবোৰ উল্লেখ কৰা হ'ল—

প্ৰথম অধ্যায়— জগতৰ উৎপত্তি, স্ত্ৰী-পুৰুষৰ সৃষ্টি, মনুৰ উৎপত্তি, দহজন প্ৰজাপতিৰ সৃষ্টি, নাম, কৰ্ম আৰু জন্মাদিক্ৰম কথন, জগতৰ প্ৰলয়, জীৱৰ দেহান্তৰ প্ৰাপ্তি, জীৱৰ শৰীৰ প্ৰাপ্তি, মন্বন্তৰ, বৰ্ণসমূহৰ পৃথক পৃথক কৰ্ম ব্যৱস্থা, মনুসংহিতা পাঠৰ ফল, মনুসংহিতাত উক্ত বিষয় আদি।

দ্বিতীয় অধ্যায়— ধৰ্মৰ লক্ষণ, শাস্ত্ৰীয় কৰ্মৰ দ্বাৰা মোক্ষ লাভ, ধৰ্মৰ বেদমূলত্ব, কৰ্মানুষ্ঠান, শ্ৰুতি আৰু

স্মৃতিৰ পৰিচয়, ধৰ্মৰ চাৰি প্ৰমাণ, বৰ্ণধৰ্ম, দ্বিজাতিৰ শাৰীৰিক সংস্কাৰ, জাতকৰ্ম, নামকৰণ, চূড়াকৰণ, উপনয়ন, ব্ৰাত্য, দণ্ড ধাৰণ বিধি, ভিক্ষা গ্ৰহণ বিধি, ভোজন বিধি, আচমন বিধি, স্ত্ৰীলোকৰ সংস্কাৰ, গুৰুৰ কৰ্তব্য, বেদাধ্যয়ন বিধি, গায়ত্ৰী জপৰ ফল, প্ৰণব প্ৰশংসা, ইন্দ্ৰিয় সংযম, জিতেন্দ্ৰিয়ৰ লক্ষণ, পুৰুষাৰ্থ সাধনৰ উপায়, অধ্যয়ন আৰু অধ্যাপনাৰ বিধি আৰু নিষেধ, উপাধ্যায়ৰ লক্ষণ, পুৰোহিতৰ লক্ষণ, মাতৃৰ উৎকৰ্ষ, পিতা আৰু আচাৰ্য্যৰ শ্ৰেষ্ঠত্ব, শিষ্যৰ প্ৰতি অধ্যাপকৰ কৰ্তব্য, স্বাধ্যায় স্তুতি, গুৰুকুলত ব্ৰহ্মচাৰীৰ কৰ্তব্য, পিতৃ-মাতৃ আৰু আচাৰ্য্যৰ প্ৰতি কৰ্তব্য, গুৰু শুশ্ৰূষাৰ ফল ইত্যাদি।

তৃতীয় অধ্যায়— ব্ৰহ্মচাৰীৰ অধ্যয়নৰ কাল, গৃহস্থাশ্ৰম বাস, সমাবৰ্তন, অষ্টপ্ৰকাৰৰ বিবাহ, সৰ্বণ বিবাহ বিধি, অসবৰ্ণ বিবাহ বিধি, বংশৰ হীনতা প্ৰাপ্তিৰ কাৰণ, পঞ্চমহাযজ্ঞৰ অনুষ্ঠান, গৃহস্থৰ ধৰ্ম, অতিথি সৎকাৰ, ভোজন বিধি, শ্ৰাদ্ধ, শ্ৰাদ্ধৰ কৰ্তব্য আৰু অকৰ্তব্য, ভোজনৰ পবিত্ৰতা, শ্ৰাদ্ধৰ নিমন্ত্ৰিত ব্ৰাহ্মণৰ কৰ্তব্য ইত্যাদি।

চতুৰ্থ অধ্যায়— দ্বিজাতিৰ বৃত্তি নিৰূপণ, স্নাতকৰ কৰ্তব্য, বাসস্থান নিৰূপণ, প্ৰাতঃকৃত্য, বেদাধ্যয়নৰ কাল আৰু বিধি, অধ্যয়ন প্ৰসঙ্গ, কপটাচৰণ নিষেধ, নিন্দিত অন্ন, ইষ্ট আৰু পূৰ্ত্ত কৰ্ম, জলদান, ভূমিদান, বিদ্যাদান আদিৰ ফল, যাগৰ সাধাৰণ নিয়ম, স্বৰ্গগমনৰ অধিকাৰী নিৰ্ণয়, দান গ্ৰহণৰ পাত্ৰ আৰু অপাত্ৰ বিচাৰ, অন্নগ্ৰহণৰ পাত্ৰ নিৰ্ণয়, আত্ম নিবেদন, অসত্য বচনৰ নিন্দা, ব্ৰহ্মচিন্তা আদি।

পঞ্চম অধ্যায়— অকাল মৃত্যুৰ কাৰণ, অনিবেদিত অন্নাদিৰ ভক্ষণ নিষেধ, মাংস ভক্ষণ বিধান, অশৌচ, স্নান শুদ্ধি, অশুচি দৰ্শনৰ শুদ্ধি, শবস্পৰ্শ শুদ্ধি, ব্ৰহ্মচাৰীৰ প্ৰেতকাৰ্যাধিকাৰ, ৰজা প্ৰভৃতিৰ অশৌচাভাব, দেহশুদ্ধি, সাধাৰণ শুদ্ধি, দ্ৰব্যশুদ্ধি, আচমন বিধি, উচ্ছিষ্ট বিচাৰ, স্ত্ৰীলোকৰ ধৰ্ম, ভাৰ্য্যাৰ মৃত্যুত স্বামীৰ কৰ্তব্য, ভাৰ্য্যাৰ মৃত্যুত পুনৰ বিবাহ ইত্যাদি।

ষষ্ঠ অধ্যায়— বান প্ৰস্থাশ্ৰমৰ ধৰ্ম, পৰিব্ৰাজক কাল, সন্যাস আশ্ৰমৰ কৰ্তব্য, প্ৰাণায়াম, দেহৰ স্বৰূপ কথন, ব্ৰহ্মজ্ঞান, প্ৰব্ৰজ্যা গ্ৰহণৰ প্ৰশংসা, চাৰি প্ৰকাৰ আশ্ৰমৰ সাধাৰণ ধৰ্ম ইত্যাদি।

সপ্তম অধ্যায়— ৰজাৰ সৃষ্টিৰ কাৰণ, ৰজাৰ প্ৰশংসা, দণ্ডবিধান, ৰজাৰ কৰ্তব্য, মন্ত্ৰীগনৰ লগত মন্ত্ৰনা, দূত নিৰ্বাচন, সেনাপতি প্ৰভৃতিৰ কাৰ্য, দূতৰ কাৰ্য, দূৰ্গ আৰু ইয়াৰ লক্ষণ, কৰ গ্ৰহণ, সংগ্ৰাম, কূটাস্ত্ৰৰ নিন্দা, যুদ্ধনীতি, ৰাজনীতি, গ্ৰাম্যাধিপতি নিয়োগ, নগৰাধিপতি নিয়োগ আৰু তেওঁৰ কাৰ্য, বাণিজ্য শুল্ক, কৰ গ্ৰহণৰ নিয়ম, কৰ্তব্য বিমুখ ৰজাৰ দোষ কথন, সন্ধি বিগ্ৰহাদিৰ নীতি, যুদ্ধ যাত্ৰা, ব্যূহ নিৰ্মাণ, আত্মৰক্ষাৰ উপায়, ভোজন বিধি, পীড়িত ৰজাৰ কৰ্তব্য ইত্যাদি।

অষ্টম অধ্যায়— অষ্টাদশ বিবাদৰ স্থান, বিচাৰ নীতি, সাক্ষী নিৰ্ণয়, মিথ্যা সাক্ষ্যদানৰ দোষ, মিথ্যা সাক্ষ্যৰ প্ৰায়শ্চিত্ত, মিথ্যা সাক্ষ্যৰ দণ্ড, অন্যায় দণ্ডৰ নিন্দা, ঋণ অপৰিশোধৰ দণ্ড, জামীন, প্ৰাপ্য বস্তুৰ গ্ৰহণ, ন্যায় বিচাৰৰ প্ৰশংসা, বিবাহ সম্বন্ধীয় বিচাৰ, স্বামিপাল বিবাদ, সীমা বিবাদ, বাকপাৰুষ্য বিবাদ, দণ্ডপাৰুষ্য, স্ত্ৰীসংগ্ৰহ বিবাদ, মাতা-পিতা ত্যাগৰ দণ্ড, গাৰ্হস্থাশ্ৰম বিবাদ, অন্যায় বাণিজ্যকাৰীৰ দণ্ড ইত্যাদি।

নৱম অধ্যায়— স্ত্ৰী পুং ধৰ্ম, স্ত্ৰী ৰক্ষা, জায়া শব্দ, নিয়োগ বিধি, কন্যাদান ব্যৱস্থা, বিবাহৰ বয়স নিৰূপণ, ভাৰ্য্যাৰ পোষণ, পৈত্ৰিকধন বিভাগ, দ্বাদশ প্ৰকাৰৰ পুত্ৰ আৰু তেওঁলোকৰ ধন বিভাগ, স্ত্ৰীধন ব্যৱস্থা, স্ত্ৰী বালকাদিৰ দণ্ড, পুনৰ্বিচাৰ ব্যৱস্থা, যথাশাস্ত্ৰ দণ্ডৰ প্ৰশংসা, সপ্তাঙ্গ ৰাজ্যৰ বিৱৰণ, ৰাজ্যোন্নতিৰ কাৰণ, যুগ চতুষ্টয়, নৃপতিৰ ইন্দ্ৰাদি ব্ৰতৰ অনুষ্ঠান, ব্ৰাহ্মণ প্ৰশংসা, বৈশ্যধৰ্ম, শূদ্ৰ ধৰ্ম ইত্যাদি।

দশম অধ্যায়— অনুলোম, প্ৰতিলোম আৰু সঙ্কৰ জাতিৰ ধৰ্ম, চতুৰ্বৰ্ণ, সৰ্বসাধাৰণৰ অনুষ্ঠেয় ধৰ্ম, ষট্‌কৰ্ম, বৰ্ণভেদে কৰ্মৰ বিভিন্নতা, দ্বিজাতিৰ আপদ্ধৰ্ম, পৰবৃত্তি অবলম্বনত নিন্দা, ৰজাৰ আপদ্ধৰ্ম, শূদ্ৰৰ আপদ্ধৰ্ম, আপদ্ধৰ্ম পালনৰ ফল ইত্যাদি।

একাদশ অধ্যায়— যাগানুষ্ঠান ব্যৱস্থা, ব্রহ্মবধ প্রায়শ্চিত্ত, গোবধ প্রায়শ্চিত্ত, অভক্ষ্য ভক্ষণ প্রায়শ্চিত্ত, অগম্য গমন প্রায়শ্চিত্ত, শূদ্র সেৱাকাৰীৰ প্রায়শ্চিত্ত, প্রাজাপত্য ব্রত, তপঃ প্রশংসা, ৰহস্যকৃত পাপৰ প্রায়শ্চিত্ত, বেদাভ্যাসৰ ফল ইত্যাদি।

দ্বাদশ অধ্যায়— জন্মান্তৰার্জিত শুভাশুভ কর্মৰ ফল ভোগ, ত্রিগুণ কথন, গুণত্রয়ৰ উত্তৰোত্তৰ শ্রেষ্ঠতা, মোক্ষ সাধন, বেদ প্রশংসা, ব্রহ্মধ্যানৰ উপযোগিতা, মনুসংহিতা পাঠৰ ফল ইত্যাদি।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ শ্রেষ্ঠ বুলি বিবেচিত হোৱা ধর্মশাস্ত্রখন কি?

.....

প্রশ্ন নং ৭ ঃ মনুৰ বিষয়ে উল্লেখ থকা তিনিখন শাস্ত্রৰ নাম লিখক।

.....

প্রশ্ন নং ৮ ঃ মনুস্মৃতিৰ অধ্যায় সংখ্যা কিমান?

.....

প্রশ্ন নং ৯ ঃ মনুসংহিতাৰ যিকোনো চাৰিটা বিষয়বস্তুৰ উল্লেখ কৰক।

.....

জানি থোৱা ভাল

চাৰ উইলিয়াম জোনচে ১৭৯৪ চনত পোনপ্রথমবাৰৰ বাবে মনুস্মৃতি ইংৰাজীলৈ অনুবাদ কৰিছিল। তেওঁ আছিল বৃটিছ ভাৰতৰ কলিকতাস্থিত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ।

৬.৪.৩ কেইটামান গুৰুত্বপূর্ণ বিষয়ৰ সম্যক জ্ঞান

(১) **নাৰায়ণ ঃ** পানী নৰ অর্থাৎ পৰমাত্মাৰ সন্তান বাবে পানীক নাৰা বুলি কোৱা হয়। সেই নাৰা পৰমাত্মাৰ প্রথম নিবাসস্থল। সেয়ে পৰমাত্মাৰ নাম নাৰায়ণ।

(২) **দহগৰাকী প্রজাপতি ঃ** মৰীচি, অত্রি, অঙ্গিৰা, পুলস্ত্য, পুলহ, ক্রতু, প্রচেতা বশিষ্ঠ, ভৃগু, আৰু নাৰদ।

(৩) **বনস্পতি আৰু বৃক্ষ ঃ** ফুল নলগা উদ্ভিদবোৰক বনস্পতি বোলে আৰু ফুল আৰু ফল দুয়োবিধ য'ত লাগে সেই উদ্ভিদকে 'বৃক্ষ' বুলি কোৱা হয়।

(৪) **ব্রাহ্মণৰ কর্ম ঃ** অধ্যয়ন, অধ্যাপন, যজ্ঞ, দান আৰু প্রতিগ্রহ বা দান গ্রহণ হৈছে ব্রাহ্মণৰ বাবে নির্দিষ্ট কৰি দিয়া কর্ম।

(৫) **ক্ষত্রিয়ৰ কর্ম ঃ** প্রজাপালন, দান, যজ্ঞ, অধ্যয়ন, বিষয়ৰ প্রতি আসক্তিহীনতা এয়েই হৈছে ক্ষত্রিয়ৰ কর্ম।

(৬) **বেদাধ্যয়ন বিধি ঃ** শিষ্যই পবিত্র বস্ত্র পৰিধান কৰি, শাস্ত্রৰ বিধি অনুসৰি *আচমন* কৰি সংযত হৈ উত্তৰফালে ব্রহ্মাঞ্জলি কৰি উপবেশন কৰিলে গুৰুৱে তেওঁক অধ্যয়ন কৰাব।

> *আচমন* ঃ হাতৰ তলুৱাৰে পানী লৈ মুখ ধোৱা কার্য।

(৭) **ইন্দ্রিয় সংযম ঃ** ইন্দ্রিয়ৰ বিষয়ত আসক্তি থাকিলে তেনে মানুহ দোষমুক্ত হয় আৰু এইসমূহ বশীভূত কৰিব পাৰিলে সিদ্ধি লাভ হয়।

(৮) **জিতেন্দ্রিয়ৰ লক্ষণ ঃ** (স্তুতি বা নিন্দা বাক্য) শ্ৰৱণ কৰি, (ভাল লগা বা বেয়া লগা বস্তু) স্পর্শ কৰি (সুদৃশ্য বা বেয়া দৃশ্য) দর্শন কৰি (সুস্বাদু বা বিস্বাদযুক্ত আহাৰ) ভোজন কৰি, (সুগন্ধি বা দুর্গন্ধি) ঘ্রাণ লৈ যিজন লোকে আনন্দ বা বিষাদ অনুভৱ নকৰে সেইজনকে জিতেন্দ্রিয় বুলি কোৱা হয়।

(৯) **আচার্য আৰু উপাধ্যায় ঃ** যিজন ব্রাহ্মণে শিষ্যৰ যজ্ঞোপবীত সংস্কাৰ কৰি শিষ্যজনক কলাপ তথা ৰহস্য সহিত বেদৰ শাখা অধ্যয়ন কৰায় তেওঁক আচার্য বোলে আৰু যি ব্রাহ্মণে জীৱিকাৰ বাবে বেদৰ এভাগক তথা বেদাঙ্গক পঢ়ায় তেওঁক উপাধ্যায় বোলে।

(১০) **প্রকৃত বৃদ্ধ ঃ** যাৰ চুলি পকিছে তেঁৱেই কেৱল বৃদ্ধ নহয়। কিন্তু যুৱকো যদি বিদ্বান হয় তেওঁক দেৱতাসকলেও বৃদ্ধ বুলি জ্ঞান কৰে।

(১১) **মাতৃ-পিতৃ আৰু আচার্যৰ প্রতি কর্তব্য ঃ** মাতৃ-পিতৃ আৰু আচার্যৰ প্রতি সদায় প্রিয় কার্য কৰিব লাগে। তেওঁলোক তিনিজন সন্তুষ্ট হ'লে সকলো তপস্যা পূর্ণ হয়।

(১২) **অষ্টপ্রকাৰৰ বিবাহ ঃ** ব্রাহ্ম, দৈৱ, আর্য, প্রাজাপত্য, গান্ধর্ব, আসুৰ, ৰাক্ষস আৰু পৈশাচ।

(১৩) **পঞ্চ মহাযজ্ঞ ঃ** বেদৰ অধ্যয়ন আৰু অধ্যাপন হ'ল ব্রহ্ম যজ্ঞ, তর্পণ হৈছে পিতৃ যজ্ঞ, হোম দেৱযজ্ঞ, পশু পক্ষীক অন্নাদি দান ভূতযজ্ঞ আৰু অতিথি সেৱা হৈছে নৃযজ্ঞ। যিজন গৃহস্থীয়ে সামর্থ অনুসৰি এই পঞ্চ মহাযজ্ঞৰ অনুষ্ঠান কৰে, তেওঁ গৃহতেই থাকি পঞ্চপাপৰ পৰা মুক্ত হয়।

(১৪) **গৃহস্থাশ্রমৰ শ্রেষ্ঠত্ব ঃ** তিনিও আশ্রমৰ গৰাকীয়ে গৃহস্থৰ পৰাই বিদ্যা আৰু অন্ন লাভ কৰে সেয়ে গৃহস্থাশ্রমকেই সর্বশ্রেষ্ঠ আশ্রম বুলি কোৱা হয়।

(১৫) **বচনৰ প্রকৃতি ঃ** বচন সত্য আৰু প্রিয় হ'ব লাগে। অপ্রিয় সত্য কথা ক'ব নালাগে। প্রিয় হ'লেও অসত্য কথা ক'ব নালাগে। এয়ে ***সনাতন ধর্ম***।

> **সনাতন ধর্ম ঃ** অনাদি কালৰে পৰা চলি অহা ধর্ম।

(১৬) **দানৰ ফল ঃ** জলদাতাই তৃপ্তি, অন্নদাতাই অক্ষয় সুল, তিলদাতাই সন্তান, প্রদীপ দাতাই উত্তম নেত্র লাভ কৰে। ভূমিদাতাই সম্পত্তি, সোণদাতাই দীর্ঘায়ু, গৃহদাতাই উত্তম গৃহ আৰু ৰূপদাতাই শ্রেষ্ঠ ৰূপ লাভ কৰে।

(১৭) **বিদ্যাদানৰ শ্রেষ্ঠত্ব ঃ** সকলোবিলাক দানতকৈ ব্রহ্মদান বা বেদ অধ্যাপন সর্বশ্রেষ্ঠ।

(১৮) **বানপ্রস্থী ঃ** গৃহস্থাশ্রমত থকাজনৰ যেতিয়া শৰীৰৰ ছাল শুকাই সংকুচিত হৈ পৰে আৰু নিজৰ পৌত্র লাভ কৰে তেতিয়া তেওঁ বনক আশ্রয় কৰিব লাগে। তেওঁকেই বানপ্রস্থী বোলা হয়।

(১৯) **সন্যাস ঃ** জীৱনৰ তৃতীয় অংশ বনত অতিবাহিত কৰি চতুর্থ অংশত সকলো বিষয় সঙ্গক ত্যাগ কৰি সন্যাস আশ্রম পালন কৰিব লাগে।

(২০) **ধর্মৰ সুৰক্ষা ঃ** ধর্মক নাশ কৰিলে সকলো নাশ প্রাপ্ত হয়। ধর্মৰক্ষিত হ'লে সকলো সুৰক্ষিত হয়। গতিকে ধর্মক নাশ কৰিব নালাগে। অন্যথা নাশপ্রাপ্ত ধর্মই সকলোকে নাশ কৰিব।

(২১) **পুত্র নামৰ তাৎপর্য ঃ** যিহেতু পুং নামৰ নৰকৰ পৰা পিতৃক ৰক্ষা কৰে সেয়ে স্বয়ং ব্রহ্মাই তেওঁক পুত্র আখ্যা দিছে।

(২২) **বাৰ প্রকাৰৰ পুত্র ঃ** ঔৰস, ক্ষেত্রজ, দত্তক, কৃত্রিম, গূঢ়োৎপন্ন, অপবিদ্ধ, কানীন সহোঢ়, ক্রীত,পৌনর্ভৱ, স্বয়ংদত্ত আৰু শৌদ্র — এয়ে হ'ল বাৰ প্রকাৰৰ পুত্র।

(২৩) **ব্রাহ্মণৰ ষট্ কর্ম ঃ** অধ্যাপন, অধ্যয়ন, যজ্ঞ কৰা, যজ্ঞ কৰোৱা, দান দিয়া আৰু দান লোৱা।

(২৪) **সত্ব, ৰজো আৰু তমোগুণ ঃ** আত্মাত যি প্রীতিযুক্ত আৰু ক্লেশৰহিত উজ্জ্বলতা অনুভূত হয় তাকেই সত্বগুণ বোলে। দুখযুক্ত, অপ্রীতিকৰ আৰু দৈহিক বিষয়ৰ প্রতি আকৃষ্টকাৰী বুলি যাক জনা হয় সেয়ে ৰজো গুণ। যি মোহযুক্ত, অস্পষ্ট তথা তর্কৰ অযোগ্য আৰু দুর্জ্ঞেয় সেয়ে তথোগুণ।

(২৫) ব্ৰাহ্মনৰ মোক্ষ লাভৰ সাধন ঃ বেদাভ্যাস, প্ৰাজাপত্যাদি তপস্যা, ব্ৰহ্মজ্ঞান, ইন্দ্ৰিয় সংযম, অহিংসা আৰু গুৰুজনৰ সেৱা— এই ছয়টা ব্ৰাহ্মনৰ মোক্ষ লাভৰ সাধন।

৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে—

- যিসমূহ ৰীতি-নীতি, আচাৰ ব্যৱহাৰৰ জৰিয়তে সমাজ এখন পৰিচালিত হয় সেয়ে ধৰ্ম।
- স্মৃতি বা ধৰ্মশাস্ত্ৰ হৈছে ধৰ্মৰ এক উৎস।
- ধৰ্মশাস্ত্ৰৰ বহুতো ৰচক আছে। তাৰ ভিতৰত মনু, অত্ৰি, যাজ্ঞবল্ক্য, গৌতম, বিষ্ণু, বৃহস্পতি, কাত্যায়ন আদিয়ে প্ৰধান।
- আটাইতকৈ উল্লেখযোগ্য আৰু গুৰুত্বপূৰ্ণ ধৰ্মশাস্ত্ৰখন হৈছে মনুস্মৃতি। ইয়াত সৰ্বমুঠ বাৰটা অধ্যায় আছে।
- মনুস্মৃতিৰ মূল বিষয়সমূহ হৈছে— জগতৰ উৎপত্তি, জীৱৰ শৰীৰপ্ৰাপ্তি, প্ৰলয়, চাৰিবৰ্ণ আৰু আশ্ৰমৰ কৰ্তব্য, পিতৃ-মাতৃ আৰু গুৰুৰ প্ৰতি কৰ্তব্য, ৰাজধৰ্ম, অষ্টপ্ৰকাৰৰ বিবাহ, পিতৃৰ সম্পত্তিৰ উত্তৰাধিকাৰী, শ্ৰীধন, সত্ত্ব, ৰজ আৰু তম গুণ, মোক্ষ লাভৰ সাধন আদি।
- মনুস্মৃতিৰ কেইজনমান উল্লেখযোগ্য টীকাকাৰ হৈছে— মেধাতিথি, কুল্লুকভট্ট, সৰ্বজ্ঞ নাৰায়ণ আদি।

৬.৬ অধিক জানিবলৈ

১) কানে, পি, ভি, (১৯৬৮), *হিষ্ট্ৰী অব্ ধৰ্মশাস্ত্ৰ (খণ্ড-১, অংশ-১)*, পুনা ঃ ভাণ্ডাৰকাৰ অৰিয়েণ্টেল ৰিচাৰ্ছ ইনষ্টিটিউট।

২) *কালচাৰেল হেৰিটেজ অব্ ইণ্ডিয়া (খণ্ড-২)*, (১৯৬২), কলকাতা ঃ ৰামকৃষ্ণ মিচন, ইনষ্টিটিউট অব্ কালচাৰ।

৩) ঝা, গঙ্গানাথ, (১৯২৯), *মনুস্মৃতি, কম্পাৰেটিভ*, কলকাতা ঃ ইউনিভাৰ্চিটি অব্ কলকাতা।

৪) স্বাঈন, বি কে, (২০০৪), *দ্য ধৰ্মশাস্ত্ৰ— এন ইণ্ট্ৰডাক্টৰী এনালাইচিচ*, (সম্পাদিত), দিল্লী ঃ অক্ষয় প্ৰকাশন।

৫) *বিদ্যাভূষণ*, শ্যামকান্ত, *মনুসংহিতা*, কলিকতা ঃ ভোলানাথ ব্ৰাডাৰ্চ এণ্ড কোং।

৬) শৰ্মা, কিৰণ, (২০০৮), *মনুসংহিতা*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৬.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ 'ধৃ' ধাতুৰ পৰা।

২নং প্ৰশ্নৰ উত্তৰ ঃ শ্ৰুতি বা বেদ আৰু স্মৃতি।

৩নং প্ৰশ্নৰ উত্তৰ ঃ মনু, যাজ্ঞবল্ক্য, কাত্যায়ন আৰু বৃহস্পতি।

৪নং প্ৰশ্নৰ উত্তৰ ঃ আচাৰ, ব্যৱহাৰ আৰু প্ৰায়শ্চিত্ত।

৫নং প্ৰশ্নৰ উত্তৰ ঃ চাৰি বৰ্ণ আৰু আশ্ৰমৰ কৰ্তব্য, দণ্ড বিধান বিভিন্ন পাপৰ প্ৰায়শ্চিত্ত।

৬নং প্ৰশ্নৰ উত্তৰ ঃ মনুস্মৃতি।

৭নং প্ৰশ্নৰ উত্তৰ ঃ তৈত্তিৰীয় সংহিতা, শতপথ ব্ৰাহ্মণ আৰু মহাভাৰত।

৮নং প্ৰশ্নৰ উত্তৰ ঃ বাৰটা।

৯নং প্ৰশ্নৰ উত্তৰ ঃ চাৰিবৰ্ণৰ পৃথক পৃথক কৰ্তব্য, ধৰ্মৰ লক্ষণ, ৰাজধৰ্ম, শ্ৰীধন।

? ৬.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ অষ্টপ্ৰকাৰৰ বিবাহ কি কি?

প্ৰশ্ন নং ২ ঃ বাৰ প্ৰকাৰৰ পুত্ৰ কি কি?

(গ) ৰচনাধৰ্মী প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ ধৰ্মশাস্ত্ৰৰ এক চমু আভাস ডাঙি ধৰক।

প্ৰশ্ন নং ২ ঃ মনুৰ পৰিচয় আগবঢ়াওঁক।

প্ৰশ্ন নং ৩ ঃ মনুস্মৃতিৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

(খ) চুটি প্ৰশ্ন

প্ৰশ্ন নং ৪ ঃ মনুস্মৃতি অনুসৰি তলৰ বিষয়কেইটাৰ ওপৰত চমুকৈ লিখক—

নাৰায়ণ, বেদাধ্যয়ন বিধি, জিতেন্দ্ৰিয়ৰ লক্ষণ, পঞ্চমহাযজ্ঞ, পুত্ৰ নামৰ তাৎপৰ্য।

****

অধ্যায় ৭ঃ নাৰদস্মৃতি ঃ সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ স্মৃতি ঃ সংক্ষিপ্ত পৰিচয়

৭.৪ স্মৃতি আৰু ধর্মশাস্ত্ৰৰ সম্বন্ধ

৭.৫ ধর্মশাস্ত্র অথবা স্মৃতিৰ মূল বিষয় ধর্ম

৭.৬ ধর্মবিষয়ক প্রাচীন গ্রন্থ ধর্মসূত্র

৭.৭ স্মৃতিৰ সংখ্যা

৭.৮ স্মৃতিৰ বিষয়বস্তু

৭.৯ কেইখনমান প্রমুখ স্মৃতি

৭.১০ নাৰদস্মৃতি

- ৭.১০.১ নাৰদস্মৃতিৰ ৰচনা কাল
- ৭.১০.২ নাৰদস্মৃতিৰ বিষয়বস্তু
- ৭.১০.৩ নাৰদস্মৃতিৰ সংকলন
- ৭.১০.৪ নাৰদস্মৃতিৰ ভাষ্যকাৰ

৭.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.১২ অধিক জানিবলৈ

৭.১৩ অগ্রগতিৰ খতিয়ান

৭.১৪ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- স্মৃতি সাহিত্য সম্বন্ধে জ্ঞান লাভ কৰিব পাৰিব।
- স্মৃতি সাহিত্যৰ উৎস সম্পর্কে জানিব পাৰিব।
- নাৰদস্মৃতিৰ বিষয়বস্তুৰ বিষয়ে অৱগত হ'ব পাৰিব।
- নাৰদস্মৃতিৰ সময় সম্বন্ধে জানিব পাৰিব।
- নাৰদস্মৃতিৰ বিভিন্ন অধ্যায়ৰ লগত চিনাকী হ'ব পাৰিব।
- নাৰদস্মৃতিৰ ভাষ্যকাৰৰ জ্ঞান লাভ কৰিব।

৭.২ পৰিচয়

বেদ, পুৰাণ, মহকাব্যৰ পিছতেই স্মৃতি সাহিত্যই ভাৰতীয় সাহিত্যত অগ্রগণ্য ভূমিকা লাভ কৰি আহিছে। সমাজ এখনত মানুহৰ প্রকৃত স্থান লাভ কৰিবলৈ হ'লে অথবা সমাজ এখন সুশৃংখলভাৱে গঢ় লৈ থাকিবলৈ

কিছুমান নীতি-নিয়ম, আচাৰ-ব্যৱহাৰৰ প্ৰয়োজন। বিধি-নিয়ম নাথাকিলে সমাজত উচ্ছৃঙ্খলতাই দেখা দিব আৰু সমাজখন অধঃগতি প্ৰাপ্ত হ'ব। সেই কাৰণে সমাজৰ বাবে প্ৰাচীন ঋষি-মুনি তথা সমাজ সংস্কাৰকসকলে কিছুমান বিধি-নিয়ম আৰোপ কৰিছে। এই বিধিসমূহ মূলতঃ যিবোৰ গ্ৰন্থত থাকে, তাকেই স্মৃতি বুলি কোৱা হয়। ধৰ্মশাস্ত্ৰৰেই আন এটা ৰূপ হ'ল স্মৃতি। এই স্মৃতিসমূহত আচাৰ, ব্যৱহাৰ আৰু প্ৰায়শ্চিত্ত— এই তিনিটা বিষয় প্ৰধানভাৱে আলোচনা কৰা হৈছে। প্ৰাচীন ভাৰততে বহুকেইজন স্মৃতিকাৰে সমাজৰ প্ৰগতিৰ স্বাৰ্থত বহুকেইখন স্মৃতি গ্ৰন্থ ৰচনা কৰিছে। প্ৰায় ১০০খন মান স্মৃতিগ্ৰন্থৰ নাম পৰৱৰ্তী সাহিত্যসমূহত পোৱা যায়। ইয়াৰে ভিতৰত মনুস্মৃতি, যাজ্ঞবল্ক্যস্মৃতি, পৰাশৰস্মৃতি, নাৰদস্মৃতি, বৃহস্পতিস্মৃতি, কাত্যায়নস্মৃতি আদি প্ৰধান।

নাৰদপ্ৰোক্ত 'নাৰদস্মৃতি'য়ে স্মৃতি সাহিত্যত অন্যতম স্থান দখল কৰি আহিছে। বিভিন্ন সাহিত্যত নাৰদস্মৃতিৰ উল্লেখ আছে। তথা ইয়াৰ বিধি কাৰ্যকৰী কৰাৰ প্ৰমাণ আছে। এই অধ্যায়টোত আপোনালোকে স্মৃতি সাহিত্যৰ কিছু আভাসৰ লগতে নাৰদস্মৃতিৰ পৰিচয় লাভ কৰিবলৈ সক্ষম হ'ব।

৭.৩ স্মৃতি ঃ সংক্ষিপ্ত পৰিচয়

স্মৃতি হৈছে এক শ্ৰেণীৰ সাহিত্য, য'ত পৰম্পৰাগত আচাৰ পদ্ধতি, বিধি, প্ৰাচীন আইনসমূহ লিপিবদ্ধ হৈ আছে। 'শব্দকল্পদ্ৰুম্' নামৰ কোষগ্ৰন্থখনত কোৱা হৈছে যে মনু আদি মহৰ্ষিসকলৰ দ্বাৰা বেদাৰ্থৰ স্মৰণেই স্মৃতি (মহৰ্ষিভির্বেদার্থস্মৰণংস্মৃতিঃ)। স্মৃতি হৈছে একপ্ৰকাৰৰ ব্যৱস্থা-শাস্ত্ৰ। এনেদৰে কোৱা হৈছে যে, আগতে মনু, যাজ্ঞৱল্ক্য আদি ঋষিসকলে ব্যৱস্থাবোৰ মুখেৰে তেওঁলোকৰ শিষ্যসকলক শিকাইছিল। পিছত সেই ঋষিসকলে নিজৰ স্মৃতিৰ পৰাই সেইবোৰ লিপিবদ্ধ কৰিছিল। সেই কাৰণে এই শ্ৰেণীৰ গ্ৰন্থৰ নাম স্মৃতি বুলি কোৱা হয়।

'স্মৃতি' শব্দটো দুটা অর্থত ব্যৱহৃত হয়। এটা অর্থত ইয়ে বেদবাঙ্ময়ৰ বাহিৰে অন্য গ্ৰন্থৰ লগত সম্বন্ধিত গ্ৰন্থ, যেনে পাণিনীয় ব্যাকৰণ, শ্ৰৌত, গৃহ্য তথা ধৰ্মসূত্ৰ, মহাভাৰত, মনু, যাজ্ঞবল্ক্য তথা অন্যান্য গ্ৰন্থ। কিন্তু সংকীর্ণ অর্থত এই শব্দটোৱে স্মৃতি অথবা ধৰ্মশাস্ত্ৰক বুজায়, যি দৰাচলতে একেটাই।

৭.৪ স্মৃতি আৰু ধৰ্মশাস্ত্ৰৰ সম্বন্ধ

আচার্য্য মনুৱে তেওঁৰ মনুসংহিতাৰ দ্বিতীয় অধ্যায়ত কৈছে যে স্মৃতিকে ধৰ্মশাস্ত্ৰ অথবা ধৰ্মশাস্ত্ৰকেই স্মৃতি বোলা হয়। বেদ, স্মৃতি, সদাচাৰ আৰু মনৰ প্ৰসন্নতা এই চাৰিটাই ধৰ্মৰ সাক্ষাৎ অর্থাৎ প্ৰধান লক্ষণ বুলি মুনিসকলে কয়—

'বেদঃ স্মৃতিঃ সদাচাৰঃ স্বস্য চ প্ৰিয়মাত্মনঃ।
এতচ্চতুর্ৱিধং প্ৰাহুঃ সাক্ষাদ্ধৰ্মস্য লক্ষণম্।' (মনুসংহিতা, ২/১২)

তাৰ পিছত মনুৱে কৈছে— বেদক শ্ৰুতি আৰু ধৰ্মশাস্ত্ৰক স্মৃতি বুলি বুজিব লাগে। এই বিলাক সকলো বিষয়তে প্ৰতিকূল তর্কৰ অতীত। কাৰণ, এই দুটাৰ পৰাই ধৰ্মৰ প্ৰাদুর্ভাব হৈছে—

'শ্ৰুতিস্তু ৱেদো ৱিজ্ঞেয়ো ধৰ্মশাস্ত্ৰন্তু ৱৈ স্মৃতি।
তে সর্ৱার্থেষ্ৱমীমাংস্যে তাভ্যাং ধর্মো হি নির্ৱভৌ।।' (মনুসংহিতা, ২/১০)

এই শ্লোকটোৰ ব্যাখ্যা প্ৰসংগত 'মনুসংহিতা'ৰ ভাষ্যকাৰ কুল্লুক ভট্টই কৈছে যে— শ্ৰুতি হৈছে বেদ আৰু মন্বাদি শাস্ত্ৰ হৈছে স্মৃতি, যিহেতু উভয়েই ধৰ্ম প্ৰকাশ কৰে। ইয়াৰ তত্ত্বার্থ প্ৰতিকূল-তর্কৰ দ্বাৰা বিচাৰ কৰা নহয়— 'শ্ৰুতির্বেদঃ মন্বাদিশাস্ত্ৰং স্মৃতিঃ তে উভে প্ৰতিকূল-তর্কৈর্ন বিচাৰয়িতব্যে, যত স্তাভ্যাং ধর্মঃ প্ৰকাশতাংগতঃ।' আন এজন ভাষ্যকাৰ মেধাতিথিয়ে কৈছে যে— ধর্মানুশাসনশব্দ য'ত শুনা যায়, সেয়াই শ্ৰুতি, তথা য'ত স্মৰণ কৰা হয়,

সেয়াই স্মৃতি— 'য়ত্র শ্রূয়তে ধর্মানুশাসনশব্দঃ সা শ্রুতিঃ। যত্র চ স্মর্য্যতে সা স্মৃতিঃ।'

বেদনিষ্ণাত ঋষি-মুনিসকলে বেদৰ আধাৰত আচাৰ ব্যৱহাৰ বিষয়ত স্মৰণ কৰি মনৰ পৰা নিগৰাই যিবিলাক ৰচনা কৰিছিল, সেয়াই স্মৃতি। ঋষি-মুনিসকলে বেদ-ব্রাহ্মণ-উপনিষদ আদি অতি গভীৰভাৱে অধ্যয়ন কৰি সেই শাস্ত্রসমূহত থকা যাগ-যজ্ঞ, আচাৰ-অনুষ্ঠান, ৰীতি-নীতি, বাধা-নিষেধ আদি বিষয়সমূহ সঠিকভাৱে আয়ত্ব কৰিছিল আৰু সেইবোৰৰ আধাৰত যিবোৰ গ্রন্থ ৰচনা কৰিছিল, সেই বিলাকেই স্মৃতি নামেৰে জনাজাত। বেদেই যিহেতু সকলো ধর্মৰ মূল (বেদোখিলধর্মমূলম্), এই স্মৃতিসমূহ যিহেতু সম্পূর্ণৰূপে বেদৰ আধাৰত ৰচিত, সেয়েহে স্মৃতিয়েই হ'ল ধর্মশাস্ত্র।

বেদ হৈছে অপৌৰুষেয়, অর্থাৎ কোনো পুৰুষৰ দ্বাৰা বেদ ৰচিত হোৱা নাই। মহর্ষিসকল বেদৰ মন্ত্রসমূহৰ আচলতে দ্রষ্টা হে, স্রষ্টা নহয়। কিন্তু স্মৃতি হৈছে লৌকিক। ঋষিসকলে ভিন্ন সময়ত সেইবোৰ ৰচনা কৰিছিল। সকলো স্মৃতি শাস্ত্রৰেই মূল হৈছে বেদ। স্মৃতিত থকা কোনো এটা বিষয় বেদৰ কোনো এটা ঠাইত থাকিবই, নাথাকিলে বেদৰ সেই পাঠটো কালৰ গর্ভত বিলীন হৈ যোৱা বুলি ধৰি লোৱা হ'ব। কোনো স্মৃতি শাস্ত্রই বেদক আধাৰ নকৰাকৈ ৰচিত হোৱা নাই। আনহাতে বেদ আৰু স্মৃতিৰ মাজত কোনো বিষয়ত বিৰোধ হ'লে বেদকেই প্রমাণ হিচাপে মানি লোৱা হ'ব।

৭.৫ ধর্মশাস্ত্র অথবা স্মৃতিৰ মূল বিষয় ধর্ম

ধর্মশাস্ত্র অথবা স্মৃতিৰ মূল বিষয়টোৱেই হৈছে ধর্ম। ধর্ম শব্দটোৰ বহু অর্থ আছে। তথাপিও ধর্ম শব্দটোৰ ব্যুৎপত্তিগত অর্থ হৈছে 'ধাৰণ'— 'ধাৰণাৎ ধর্ম উচ্যতে'। 'ধৃ' ধাতু ধাৰণার্থক অর্থত মনীন্ প্রত্যয় যুক্ত হৈ 'ধর্ম' শব্দটো নিষ্পন্ন হৈছে। যাৰ দ্বাৰাই বিশ্বক ধাৰণ কৰা হৈছে, সেয়াই ধর্ম। দেশ বা সমাজ এখনক যিবোৰ সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, শিক্ষা-সংস্কৃতি আদিয়ে বান্ধি ৰাখে, সাধাৰণ অর্থত সেয়াই হৈছে সেইখন দেশ বা সমাজৰ ধর্ম। সেয়েহে 'মহাভাৰত'ত কোৱা হৈছে যে, য'ত সমস্ত প্রাণীৰ কল্যাণ নিহিত হৈ আছে সেয়ে ধর্ম। গতিকে দেখা যায় যে যিবিলাক আচাৰ-ব্যৱহাৰ, ন্যায়-নীতি ধর্ম শব্দৰ অন্তর্গত, সেই সকলোবোৰৰেই মূল লক্ষ্য হ'ল সমস্ত প্রাণীৰ কল্যাণ—

'ধাৰণাদ্ধর্মমিত্যাহুধর্মেণ বিধৃতাঃ প্রজাঃ' (মহাভাৰত, ১২/১০৯/১১)

আকৌ

'প্রভবার্থায়ভূতানাং ধর্মপ্রৱচনং কৃতম্।
যঃ স্যাৎ প্রভৱসংযুক্তঃ স ধর্ম ইতি নিশ্চয়।' (মহাভাৰত, ১২/১০৯/১০)

ঋগ্বেদাদি গ্রন্থত 'ধর্ম' শব্দটো 'ধর্ম', 'ধার্মিক বিধি' অথবা 'ধার্মিক ক্রিয়া-সংস্কাৰ' আদি ৰূপত প্রয়োগ হৈছে। ঋগ্বেদত (১০.৯০.১৬) পোৱা যায় যে— 'তানি ধর্মাণি প্রথমান্যাসন্'। অথর্ববেদতো ধর্ম শব্দটোৱে ধার্মিক ক্রিয়া সংস্কাৰ কৰিলে অর্জিত গুণ হিচাপে বিবেচিত হৈছে— 'ঋত সত্যং তপো ৰাষ্ট্রং শ্রমো ধর্মশ্চ কর্ম চ' (অথর্ববেদ, ১/৯/১৭)। শ্রীমদ্ভগৱদ্গীতাতো কৈছে যে— 'স্বধর্মে নিধনং শ্রেয়ঃ' অর্থাৎ নিজৰ ধর্ম (জীৱনধাৰাত) থকাটোৱেই শ্রেষ্ঠ (নিধন হ'লেও কোনো কথা নাই)। 'তন্ত্রবার্তিক' নামৰ গ্রন্থখনৰ মতে ধর্মশাস্ত্রৰ কাম হৈছে বর্ণ তথা আশ্রম ধর্মৰ শিক্ষা দিয়া— 'সর্বধর্মসূত্রাণাং বর্ণাশ্রম-ধর্মোপদেশিত্বাৎ'। মনুসংহিতাৰ ব্যাখ্যাকাৰ মেধাতিথিৰ মতে স্মৃতিকাৰ সকলে ধর্মৰ পাঁচটা স্বৰূপ স্বীকাৰ কৰিছে। সেইকেইটা হৈছে— বর্ণধর্ম, আশ্রমধর্ম, বর্ণাশ্রমধর্ম, নৈমিত্তিক ধর্ম আৰু গুণধর্ম।

গৌতমধর্মসূত্র অনুসৰি বেদেই হৈছে ধর্মৰ মূল— 'বেদো ধর্মমূলম্' তদ্বিদাং চ স্মৃতিশীলে। (১/১/২)।

মনুৰ মতে ধর্মৰ পাঁচটা উপাদান আছে— সম্পূর্ণ বেদ, বেদজ্ঞৰ পৰম্পৰা, তথা ব্যৱহাৰ, সাধুৰ আচাৰ, তথা আত্মতুষ্টি— 'বেদোঽখিলো ধর্মমূলম্ স্মৃতিশীলে চ তদ্বিদাম্। আচাৰশ্চৈৰ সাধূনামাত্মনস্তুষ্টিৰেব চ। (মনুসংহিতা, ২.৬)। যাজ্ঞৱল্ক্যৰ মতে বেদ, স্মৃতি (পৰম্পৰা অনুসৰি প্রচলিত হৈ থকা জ্ঞান), সদাচাৰ (ভাল মানুহৰ আচাৰ-ব্যৱহাৰ), যিজনক নিজৰ প্রিয় লাগে, তথা উচিত সংকল্পৰ দ্বাৰা উৎপন্ন অভিকাংক্ষা অথবা ইচ্ছা, এই আটাইবোৰেই হৈছে ধর্মৰ উপাদান—

'শ্রুতিঃ স্মৃতিঃ সদাচাৰঃ স্বস্য চ প্রিয়মাত্মনঃ।
সম্যক্ সংকল্পজঃ কামো ধর্মমূলমিদং স্মৃতম্।'

(যাজ্ঞৱল্ক্য, ১.৭)

আচার্য্য মনুৰ মতে বেদ, ধর্মশাস্ত্র, সদাচাৰ আৰু আত্মসন্তুষ্টিয়েই ধর্মৰ লক্ষণ বুলি অভিহিত কৰিছে—

'শ্রুতিস্মৃতি সদাচাৰঃ স্বস্য চ প্রিয়মাত্মনঃ।
এতচ্চতুর্ৱিধং প্রাহুঃ সাক্ষাদ্ধর্মস্য লক্ষণম্।' (মনুসংহিতা, ২/১২)

৭.৬ ধর্মবিষয়ক প্রাচীন গ্রন্থ ধর্মসূত্র

বেদেই হৈছে ধর্মৰ মূল। ভাৰতীয় সমাজ-ব্যৱস্থা বেদতেই নিহীত হৈ আছে। বেদৰ মন্ত্রসমূহক সহজে হৃদয়ঙ্গম কৰিবলৈ অথবা মন্ত্রসমূহক স্পষ্টভাৱে বুজিবলৈ পিছৰ কালত ছয় প্রকাৰৰ বিশেষ গ্রন্থৰ প্রণয়ন কৰা হয়, সেইবোৰকেই 'বেদাঙ্গ' বুলি কোৱা হয়। মানুহৰ বিভিন্ন প্রকাৰৰ অঙ্গসমূহে যেনেদৰে বিভিন্ন কাম কৰে, ঠিক তেনেদৰে বেদাঙ্গসমূহেও বেদৰ মন্ত্রসমূহ বুজাত বিভন্ন প্রকাৰে সহায় কৰে। এই বেদাংগসমূহ হৈছে— শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দ আৰু জ্যোতিষ। ইয়াৰে ভিতৰত যি কল্পৰ কথা কোৱা হৈছে, সেয়াই হৈছে কল্পসূত্র তথা ধর্মসূত্রৰ আধাৰ।

'কল্প' মানে হৈছে যজ্ঞৰ বিধি বা নিয়ম। বেদৰ মন্ত্রসমূহৰ কোনটো মন্ত্র কোনটো যাগত প্রয়োগ হ'ব, সেইটোৰ নির্দেশ কল্পসূত্রবোৰত পোৱা যায়। এই বিধিসমূহ সূত্র আকাৰত থকা কাৰণে, এইবোৰক কল্পসূত্র বুলি কোৱা হয়। কল্পসূত্র চাৰিপ্রকাৰৰ— শ্রৌতসূত্র, গৃহ্যসূত্র, ধর্মসূত্র আৰু সূল্বসূত্র। শ্রৌতসূত্রসমূহত শ্রৌতযাগ অর্থাৎ বৈদিক ক্রিয়া-কর্মৰ বিষয়ে বর্ণনা আছে। গৃহ্যসূত্রসমূহত সংস্কাৰ কর্ম, গৃহস্থই অগ্নিৰ দ্বাৰা কৰা যজ্ঞকর্ম, বার্ষিক শ্রাদ্ধ, পঞ্চমহাযজ্ঞ আদিৰ বিষয়ে বর্ণনা আছে। শুল্ব সূত্রসমূহত যজ্ঞৰ বেদী, কুণ্ড আদি নির্মাণৰ বিষয়ে আলোচনা আছে।

ধর্মসূত্রসমূহত যাগ-যজ্ঞৰ দার্শনিক আলোচনাৰ উপৰিও সদাচাৰ, চাৰিওটা বর্ণৰ কর্তব্য-অকর্তব্য, চাৰি আশ্রম, উপনয়ন-বিৱাহাদি সংস্কাৰ, ৰজাৰ কর্তব্য-অকর্তব্য, ন্যায়বিচাৰ, দণ্ডবিধান, কৰ-কাতলৰ ব্যৱস্থা, শ্রাদ্ধ-প্রায়শ্চিতাদিৰ ব্যৱহাৰ আদি বিষয়বোৰ আলোচনা কৰা হৈছে। আচলতে এই ধর্মসূত্রসমূহেই হৈছে ধর্মশাস্ত্রসমূহৰ ভেটি। শ্রুতি-স্মৃতি সন্মত সকলোবোৰ বিষয় ইয়াতেই প্রতিষ্ঠিত হৈ আছে। বর্তমান উপলব্ধ ধর্মসূত্রৰ সংখ্যা হৈছে আঠখন— ১) বৌধায়ন ধর্মসূত্র, ২) গৌতম ধর্মসূত্র, ৩) আপস্তম্ব ধর্মসূত্র, ৪) হিৰণ্যকেশী ধর্মসূত্র, ৫) বসিষ্ঠ ধর্মসূত্র, ৬) বিষ্ণু ধর্মসূত্র, ৭) বৈখানস ধর্মসূত্র, ৮) হাৰীত ধর্মসূত্র।

৭.৭ স্মৃতিৰ সংখ্যা

আৰম্ভণিতে স্মৃতিগ্রন্থৰ সংখ্যা কম আছিল। গৌতমে মনুক বাদ দি আন কোনো স্মৃতিকাৰৰ নাম উল্লেখ কৰা নাই। বৌধায়নে নিজৰ বাহিৰেও আন সাতজন ধর্মশাস্ত্রকাৰৰ নাম উল্লেখ কৰিছে— ঔপজংঘনি, কাত্য,

কাশ্যপ, গৌতম, প্রজাপতি, মৌদগল্য আৰু হাৰীত। বসিষ্ঠই কেবল পাঁচজনৰ কথা কৈছে— গৌতম, প্রজাপতি, মনু, যম তথা হাৰীত। আচার্য্য মনুই নিজৰ বাহিৰে ছটা আন নাম উল্লেখ কৰিছে— অত্রি, উতথ্যৰ পুত্র ভৃগু, বসিষ্ঠ, বৈখানস তথা শৌনক।

স্মৃতিৰ সঠিক সংখ্যা নির্ণয় হোৱা নাই। কুমাৰিল ভট্টই 'তন্ত্রবার্তিক' গ্রন্থত ১৮খন ধর্মসংহিতাৰ নাম উল্লেখ কৰিছে। 'বীৰমিত্রোদয়' গ্রন্থত ১৮খন মুখ্য স্মৃতি, ১৮খন উপস্মৃতি তথা ২১জন অন্য স্মৃতিকাৰৰ নাম উল্লেখ আছে। ১৮জন মুখ্য স্মৃতিকাৰ হৈছে— মনু, বৃহস্পতি, দক্ষ, গৌতম, যম, অংগিৰা, যোগীশ্বৰ, প্রচেতা, শাতাতপ, পৰাশৰ, সংবর্ত, উশনা, শংখ, লিখিত, অত্রি, বিষ্ণু, আপস্তম্ব আৰু হাৰীত। ১৮খন উপস্মৃতিৰ লিখক হৈছে— নাৰদ, পুলহ, গার্গ্য, পুলস্ত্য, শৌণক, ক্রতু, বৌধায়ন, জাতুকর্ণ, বিশ্বামিত্র, পিতামহ, জাবালি, নাচিকেতা, স্কন্দ, লৌগাক্ষি, কশ্যপ, ব্যাস, সনৎকুমাৰ, শন্তনুজনক। অন্য ২১জন স্মৃতিকাৰ হৈছে— বসিষ্ঠ, নাৰদ, সুমন্তু, পিতামহ, বিষ্ণু, কার্ষ্ণাজিনি, সত্যব্রত, গার্গ্য, দেবল, জমদগ্নি, ভৰদ্বাজ, পুলস্ত্য, পুলহ, ক্রতু, আত্রেয়, গৱেয়, মৰীচি, বৎস, পাৰস্কৰ, চর্য্যশৃঙ্গ আৰু বৈজবাপ। বিভিন্নজনৰ মতৰ পৰা ধাৰণা কৰিব পাৰি যে, সর্বমুঠ স্মৃতিৰ সংখ্যা ১০০খন মান হ'ব। মুঠৰ ওপৰত ওঠৰখন স্মৃতিয়েহে মান্যতা পাইছে। সেই ওঠৰখন স্মৃতি হৈছে— মনু, যাজ্ঞবল্ক্য, বিষ্ণু, বৃহস্পতি, কাত্যায়ন, পৰাশৰ, গৌতম, অত্রি, হাৰীত, ব্যাস, দক্ষ, উশনস, যম, আপস্তম্ব, বশিষ্ঠ, অঙ্গিৰা, ভৃগু আৰু নাৰদ।

৭.৮ স্মৃতিৰ বিষয়বস্তু

ইতিমধ্যে কৈ অহা হৈছে যে স্মৃতিসমূহৰ বিষয়বস্তু মূলতঃ হৈছে— আচাৰ, ব্যৱহাৰ আৰু প্রায়শ্চিত্য। আচাৰ মানে হৈছে সদাচাৰ অর্থাৎ সৎ মানুহ জ্ঞানীলোকৰ আচাৰ। স্মৃতিসমূহত এই আচাৰ প্রকৰণত এইবোৰ বিষয় অন্তর্ভুক্ত কৰিছে— বর্ণাশ্রম ধর্ম, বর্ণাশ্রম ধর্মত পালন কৰিবলগীয়া নিয়ম, ষোড়শ সংস্কাৰ, চাৰিবর্ণৰ কর্তব্য-অকর্তব্য, শ্রাদ্ধাদি তর্পণ বিধি, পতি-পত্নীৰ দায়িত্ব আৰু কর্তব্য, গুৰু-শিষ্যৰ ব্যৱহাৰ ইত্যাদি।

স্মৃতিত 'ব্যৱহাৰ' শব্দটোৰ অর্থ হৈছে মেল-মোকর্দমা, বিবাদ আদি। এই দোষবিলাকৰ নিষ্পত্তি, দোষীৰ প্রতি দণ্ডবিধান আদি বিষয়সমূহ 'ব্যৱহাৰ' প্রকৰণৰ বিষয়বস্তু।

স্মৃতিৰ আন এটা বিষয় হৈছে প্রায়শ্চিত্ত। আচাৰ-সংস্কাৰ আদিত থকা বিধি-নিষেধসমূহ শাস্ত্রানুসাৰে পালন নকৰাৰ ফলত যি দোষ বা পাপ হয়, সেইবোৰৰ পৰা পৰিত্রাণেই হৈছে প্রায়শ্চিত্ত। আনহাতে যিবোৰ দোষ ৰাজকীয় দণ্ডবিধিৰ আওতাত নপৰে। সেইবোৰৰ পৰা মুক্ত হ'বৰ বাবে এই প্রায়শ্চিত্তৰ বিধান দিয়া হৈছে।

৭.৯ কেইখনমান প্রমুখ স্মৃতি

মনুস্মৃতি ঃ আচার্য্য মনুৰ দ্বাৰা প্রণীত স্মৃতিখনকে মনুস্মৃতি অথবা মনুসংহিতা বুলি কোৱা হয়। মনুৰ দ্বাৰা প্রোক্ত এই সংহিতা সকলো স্মৃতিৰ ভিতৰত সর্ববৃহৎ, সর্বশ্রেষ্ঠ আৰু সর্বজনস্বীকৃত। মনুক স্বয়ম্ভু ব্রহ্মাৰ পুত্র বুলি মনুস্মৃতিৰ প্রথম অধ্যায়ৰ আৰম্ভণিতে কোৱা হৈছে বর্তমান মনুস্মৃতিত ১২ অধ্যায় তথা ২৬৯৪টা শ্লোক পোৱা যায়। মনুস্মৃতিত বর্ণব্যৱস্থা, আশ্রমধর্ম, নাৰীৰ মর্য্যদা, দণ্ডবিধি, বেপাৰ-বাণিজ্য, ৰাজধর্ম, বিবাদ প্রক্রিয়া, স্নাতকৰ প্রকাৰ আদি বিষয়সমূহ আলোচনা কৰা হৈছে। মনুস্মৃতি মনুৰ শিষ্য ভৃগুৰ দ্বাৰা সম্পাদিত।

বিষ্ণুস্মৃতি ঃ কলাপ গ্রামৰ মুনিসকলে ভগৱান বিষ্ণুৰ ওচৰলৈ শ্রুতি আৰু স্মৃতি সম্বন্ধে তেওঁৰ পৰা জানিব বিচাৰে। তেওঁলোকৰ অনুৰোধত বিষ্ণুৱে যি ধর্মোপদেশ দিছিল, সেয়াই বিষ্ণুস্মৃতিৰ বিষয়বস্তু। এই স্মৃতিখনত মুঠতে ১১৩টা শ্লোক আছে।

যাজ্ঞবল্ক্যস্মৃতি ঃ বৈদিক ঋষিসকলৰ মাজত যোগিবৰ যাজ্ঞৱল্ক্য অন্যতম। ছান্দোগ্য, বৃহদাৰণ্যক উপনিষদ, মহাভাৰত আদিত যাজ্ঞৱল্ক্যৰ নাম পোৱা যায়। যাজ্ঞৱল্ক্য বৃহদাৰণ্যক উপনিষদৰ ঋষি আছিল আৰু তেওঁৰ দ্বাৰাই যাজ্ঞৱল্ক্যস্মৃতি কথিত হৈছে। যাজ্ঞৱল্ক্যস্মৃতিত তিনিটা অধ্যায় আছে— ১) আচাৰ অধ্যায় (৩৬৮ শ্লোক), ২) ব্যৱহাৰ অধ্যায় (৩০৭টা শ্লোক), ৩) প্রায়শ্চিত্য অধ্যায় (৩৩৪টা শ্লোক)।

পৰাশৰস্মৃতি ঃ ব্যাসদেৱৰ পিতৃ পৰাশৰেই এইখন স্মৃতিৰ বক্তা। এই স্মৃতিখনত ১২টা অধ্যায় আৰু ৬০০ শ্লোক আছে। এই স্মৃতিখনত কোৱা হৈছে যে সত্যযুগত মনুৱে প্রণয়ন কৰা ধর্মই মুখ্য আছিল। ক্রেতাযুগত গৌতমৰ ধর্ম, দ্বাপৰত শঙ্খলিখিত ধর্ম আৰু কলিত পৰাশৰৰ ধর্মকে মুখ্য বুলি মানি লোৱা হয়।

গৌতমস্মৃতি ঃ এই স্মৃতিখন গদ্যত ৰচিত আৰু ইয়াত ২৯টা অধ্যায় আছে। এই স্মৃতিখনত উপনয়নাদি সংস্কাৰ প্রভৃতিৰ বিস্তৃত বিৱৰণ আছে।

বৃহস্পতিস্মৃতি ঃ মহাভাৰতৰ শান্তিপর্ব মতে ব্রহ্মাই একলাখ অধ্যায়ৰ এখন নীতিশাস্ত্র প্রণয়ন কৰিছিল। পিছত ঋষি-মুনিসকলে কম শ্লোকলৈ সেইখন সংকুচিত কৰিলে আৰু 'বাইস্পত্যশাস্ত্র' নামেৰে প্রকাশ কৰিলে। এই স্মৃতিখনত স্মৃতিৰ তিনিওটা বিষয়বস্তু আচাৰ, ব্যৱহাৰ আৰু প্রায়শ্চিত্তৰ বর্ণনা আছে।

কাত্যায়নস্মৃতি ঃ মহর্ষি গোভিল এই স্মৃতিখনৰ বক্তা। এই স্মৃতিখনত ২৯টা অধ্যায় আছে। মনু, বৃহস্পতি, নাৰদ আদি স্মৃতিৰ সৈতে এই স্মৃতিখনৰ মিল থকা দেখা যায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ স্মৃতিক আন কি নামেৰে জনা যায়?

.....

.....

প্রশ্ন নং ২ ঃ স্মৃতিৰ মূল বিষয়টো কি?

.....

.....

প্রশ্ন নং ৩ ঃ ধর্মৰ মূল কি?

.....

.....

প্রশ্ন নং ৪ ঃ কল্প মানে কি?

.....

.....

প্রশ্ন নং ৫ ঃ মনুস্মৃতিত কিমানটা অধ্যায় আছে?

.....

৭.১০ নাৰদস্মৃতি

সংস্কৃত ধর্মশাস্ত্রসমূহৰ ভিতৰত নাৰদস্মৃতি অন্যতম। ন্যায় প্রক্রিয়াৰ লগত জড়িত এইখনকেই মূলাস্মৃতি বুলি কোৱা হৈছে। আন স্মৃতিবোৰৰ প্রায়বিলাকে স্মৃতিৰ তিনিওটা বিষয় আচাৰ, ব্যৱহাৰ আৰু প্রায়শ্চিত্তৰ ওপৰত গুৰুত্ব দিয়াৰ বিপৰীতে নাৰদস্মৃতিয়ে কেবল ব্যৱহাৰ (legal procedure) বিষয়টোৰ ওপৰত গুৰুত্ব প্রদান

কৰিছে। নাৰদ স্মৃতিৰ সৃষ্টি সম্পৰ্কে নাৰদস্মৃতিৰ প্ৰথম অধ্যায়ৰ পাতনিতে এনেদৰে পোৱা যায়।

ভগৱান মনুৱে সকলো প্ৰাণীৰে কল্যাণৰ কাৰণে প্ৰথমে আচাৰ পৰম্পৰাৰ সংৰক্ষণৰ হেতুৰূপী এই ধৰ্মশাস্ত্ৰ নামৰ গ্ৰন্থবিধ ৰচনা কৰিছিল। এই ধৰ্মশাস্ত্ৰত ২৪টা প্ৰকৰণ পোৱা যায়। এইকেইটা হৈছে— ১। সংসাৰৰ সৃষ্টি (creation of the world), ২। প্ৰাণীসমূহৰ বিভাগ (classification of beings), ৩। ন্যায্য দেশৰ প্ৰমাণ (extent of the land of the virtuous), ৪। পৰিষদৰ লক্ষণ (constitution of the assembly), ৫। বেদ-বেদাঙ্গ অনুসৰি যজ্ঞৰ বিধান (prescription of sacrifice according to the vedas and the vedangas), ৬। আচাৰ (proper conduct), ৭। ব্যৱহাৰ (legal procedure), ৮। কণ্টকশোধন (banishment of offensive persons), ৯। ৰাজধৰ্ম (conduct of the king), ১০। ৰাজধৰ্ম (distinctions between the castes), ১১। আশ্ৰমৰ বিভাজন (distinctions between the stages of life), ১২। বিবাহ বিধি (law of marriage), ১৩। স্ত্ৰী আৰু পুৰুষৰ বৈকল্পিক ধৰ্ম (arrangements between men and women), ১৪। দায়ভাগ (order of succession), ১৫। শ্ৰাদ্ধবিধান (prescription of funerary rites), ১৬। শৌচাচাৰৰ বিকল্প ব্যৱস্থা (arrangements for acts of purification), ১৭। ভক্ষ্যাভক্ষলক্ষণ (indication of what may and may nor be exten), ১৮। বিক্ৰেয় মীমাংসা (discussion of hat may be sold), ১৯। অবিক্ৰেয় মীমাংসা (discussion of what may not be sold) ২০। পাতকভেদ (kinds of sin), ২১। স্বৰ্গ-নৰকবৰ্ণনা (description of heavens and hells), ২২। প্ৰায়শ্চিত্ত (penances), ২৩। উপনিষদ (upanisads), ২৪। ৰহস্যস্থান (secret teachings)।

এই গোটেইবোৰ বিষয় ১০০৮ অধ্যায়ত ১ লাখ শ্লোকত মনুৱে সন্নিৱিষ্ট কৰি দেৱৰ্ষি নাৰদক এই শাস্ত্ৰখন প্ৰদান কৰিলে। নাৰদেও এইখন ১২০০০ শ্লোকত সংক্ষিপ্ত কৰি মহৰ্ষি মাৰ্কণ্ডেয়ক প্ৰদান কৰিলে। মাৰ্কণ্ডেয়ই মানুহৰ আয়ুস তথা শক্তি-সামৰ্থলৈ লক্ষ্য ৰাখি এই স্মৃতিখনক ৮০০০ শ্লোকলৈ সংক্ষিপ্ত কৰিলে আৰু ভাৰ্গৱক প্ৰদান কৰিলে। ভাৰ্গৱেও এইখন ৪০০০ শ্লোকলৈ সংক্ষিপ্ত কৰে।

মনুসংহিতাৰ লগত নাৰদস্মৃতিৰ যথেষ্টখিনি মিল আছে। আনহাতে বহুতেই নাৰদস্মৃতিখনক মনুসংহিতাৰ নৱম অধ্যায় বুলি ক'ব খোজে, কিয়নো নাৰদস্মৃতিত অকল ব্যৱহাৰৰ বিষয়েহে কোৱা হৈছে। ভাগৱততো (১২.৩২২.৩৬-৪৩) মনুসংহিতাৰ লগত নাৰদস্মৃতিৰ সম্বন্ধৰ বিষয়ে কোৱা হৈছে। কিয়নো ভগৱান মনুই ৰচনা কৰা ১ লাখ শ্লোকৰেই সংক্ষিপ্ত ৰূপ হৈছে নাৰদস্মৃতি। ভৱিষ্যপুৰাণৰ মতে 'স্বয়ম্ভুশাস্ত্ৰ' অৰ্থাৎ মনুধৰ্মশাস্ত্ৰত ৪টা ভাঙনি পোৱা যায়। সেইকেইটা হৈছে— ভৃগু, নাৰদ, বৃহস্পতি আৰু অঙ্গিৰস।

কিছুমান পণ্ডিতে নাৰদস্মৃতি এজনৰ দ্বাৰা ৰচিত নহয় বুলি ক'ব খোজে। বহুতেই আকৌ নাৰদক স্বৰ্গৰ ঋষি নাৰদ বুলি অভিহিত কৰিব খোজে। তেওঁলোকৰ মতে এই নাৰদ হৈছে দেৱতাসকলৰ দূত, যিজনে দেৱতাসকলৰ বাৰ্তা পৃথিৱীলৈ লৈ আহে। এই নাৰদে সকলোৰে মাজত কাজিয়াৰ সৃষ্টি কৰে। তেওঁ বিষ্ণু-কৃষ্ণৰ সহচাৰী। ইয়াৰ প্ৰমাণ হিচাপে তেওঁলোকে ক'ব কোজে যে মহাভাৰতৰ সভাপৰ্বত নাৰদ যুধিষ্ঠিৰক নীতি, বিধি আদিৰ বিষয়ে উপদেশ দিছে. অৱশ্যে নাৰদ স্মৃতিত ইয়াৰ কোনো ইংগিত নাই।

যাজ্ঞবল্ক্য তথা পৰাশৰে নাৰদক ধৰ্মবক্তা হিচাপে গণ্য কৰা নাই। কিন্তু বৃদ্ধযাজ্ঞবল্ক্যই এটা উদ্ধৃতিৰ দ্বাৰা দেখুৱাইছে যে ভাষ্যকাৰ বিশ্বৰূপে নাৰদক দহজন ধৰ্মশাস্ত্ৰকাৰসকলৰ মাজত স্থান দিছে। কিছুমান পণ্ডিতৰ মতে নাৰদ নেপাল অথবা মধ্যপ্ৰদেশৰ নিবাসী আছিল। নাৰদস্মৃতিত নাৰদৰ দ্বাৰা কোৱা বুলিও উল্লেখ আছে— 'প্ৰোক্তানি নাৰদেনেহ' (ঋণাদান, ২৫৩)

৭.১০.১ নাৰদস্মৃতিৰ ৰচনা কাল

ধর্মশাস্ত্রৰ ইতিহাসৰ প্রণেতা ভাৰতৰত্ন, মহামহোপাধ্যায় ডº পাণ্ডুৰঙ্গ বামন কণে নাৰদস্মৃতিৰ ৰচনা কাল খ্রীষ্টাব্দ ১০০-৩০০ শতিকাৰ ভিতৰত হ'ব পাৰে বুলি উল্লেখ কৰিছে। জুলিয়াছ জলি নামৰ পণ্ডিত গৰাকীয়ে ৫০০ খ্রীষ্টাব্দৰ ভিতৰত এইখন ৰচিত হৈছে বুলি কৈছে। কে. পি. জয়ছোৱালে (K. P. Jayaswal) এইখন স্মৃতিৰ ৰচনা কাল ৩০০-৪০০ খ্রীষ্টাব্দ বুলি কৈছে। জে. জে. মেয়েৰে (J. J. Meyer) খ্রীষ্টজন্মৰ বহু আগেয়েই নাৰদস্মৃতি ৰচিত হৈছে বুলি দাবী কৰিছে। তেওঁৰ মতে আনকি মনুস্মৃতি আৰু যাজ্ঞবল্ক্যস্মৃতিতকৈও এইখন আগৰ।

নাৰদ স্মৃতিত ধর্মশাস্ত্র তথা অর্থশাস্ত্রৰো আলোচনা হৈছে। ইয়াত ধর্মশাস্ত্রক অর্থশাস্ত্রতকৈও অধিক মান্যতা দিয়া হৈছে। নাৰদে বসিষ্ঠ ধর্মসূত্র তথা পুৰাণৰো চর্চা কৰিছে। মনুক ইয়াত বহুবাৰ উল্লেখ কৰা হৈছে তথা স্থানে স্থানে তেওঁৰ মতৰ লগত নাৰদে সাম্য দেখুৱাইছে আৰু ঠায়ে ঠায়ে বিৰোধ প্রকট কৰিছে। নাৰদ স্মৃতিত মহাভাৰতৰো কোনো কোনো শ্লোক আহিছে। কৌটিল্য আৰু নাৰদৰ কিছু কিছু ক্ষেত্রত সাম্যতা দেখিবলৈ পোৱা যায়। সম্ভৱত নাৰদস্মৃতি যাজ্ঞৱল্ক্যস্মৃতিৰ পিছৰ ৰচনা। যাজ্ঞৱল্ক্যত 'দিব্য'ৰ প্রকাৰ কেৱল পাঁচটা পোৱা যায়, কিন্তু নাৰদস্মৃতিত সাতটা পোৱা যায়।

৭.১০.২ নাৰদস্মৃতিৰ বিষয়বস্তু

নাৰদস্মৃতিৰ অধ্যয়নৰ ক্ষেত্রত ডº জুলিয়াছ জ'লী আছিল অগ্রগামী। জার্মান পণ্ডিতগৰাকীয়ে দুবাৰ এই গ্রন্থখনি সম্পাদনা কৰে। লঘু সংস্কৰণটো প্রকাশিত হয় ১৮৭৬ চনত নাৰদস্মৃতিৰ অনুবাদেৰে। ডাঙৰ সংস্কৰণটো প্রকাশিত হয় ১৮৪৫ চনত Sacred Book of the East Series (Vol. 33)। এই সংস্কৰণটোত নাৰদস্মৃতিৰ অনুবাদৰ উপৰিও ব্যৱহাৰৰ পঞ্চম পদ অর্থাৎ 'অভ্যুপেত্যাশুশ্রুষা'ৰ ২১ নং শ্লোকলৈ থকা অসহায় ভাষ্যৰ সৈতে পোৱা যায়।

প্রকাশিত নাৰদস্মৃতিত চাৰিটা অধ্যায় পোৱা যায়। প্রথম তিনিটা অধ্যায় ন্যায়সম্বন্ধীবিধি (ব্যৱহাৰ মাতৃকা) তথা ন্যায়সম্বন্ধীয় সভাৰ ওপৰত আধাৰিত। চতুর্থ অধ্যায়ত ব্যৱহাৰ পদসমূহ আলোচিত হৈছে। পৰিশিষ্ট এটা বিষয় 'চৌর্য্যবৃত্তি'ৰ বিষয়ে আলোচনা কৰা হৈছে, যিবোৰৰ কিছু অংশ ইতিমধ্যে 'সাহস' নামৰ ব্যৱহাৰ পদটিত আলোচিত হৈছে। তলত প্রত্যেকটো অধ্যায়ৰ বিষয়বস্তু সংক্ষেপে দিয়া হ'ল।

জানি থোৱা ভাল

জুলিয়াছ জ'লী (Julius Jolly) ঃ ডº জুলিয়াছ জ'লী এজন জার্মান পণ্ডিত আছিল। তেওঁ ভাৰতীয় ধর্মশাস্ত্র তথা চিকিৎসা শাস্ত্রৰ অনুবাদক আছিল। তেওঁ ১৮৪৯ চনৰ ২৮ ডিচেম্বৰত জার্মানীৰ হেইদেলবার্গ (Heidelberg) নামে ঠাইত জন্মগ্রহণ কৰিছিল। তেওঁ তুলনাত্মক ভাষাতত্ত্ব, সংস্কৃত আৰু ইৰানীয়ান ভাষা বার্লিনত অধ্যয়ন কৰিছিল। তেওঁ ৰচিত গ্রন্থসমূহ হৈছে (1) Minor Law books (1889), (2) Indian Medicine, (3) Outline of an History of the Hindu Law in partition, Inheritance and Adoption as contained in the original Sanskrit Treatisas, (4) Manava Dharmasastra, (5) The Institutes of Vishnu, (6) Naradiya Dharmasastra of the Insititutes is Narada. ১৯৩২ চনৰ ২৪ এপ্রিলত তেওঁৰ দেহাৱসান ঘটে।

প্ৰথম অধ্যায় ঃ নাৰদস্মৃতিৰ প্ৰথম অধ্যায়ত ৭৪টা শ্লোক পোৱা যায়। এই অধ্যায়ত ন্যায় সম্বন্ধীয় বিধিসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। ড° ব্ৰজকিশোৰ স্বাইয়ে এই অধ্যায়টোৰ নাম নাৰদমাত্ৰিকাৰ 'বিচাৰদৰ্শন' বুলি উল্লেখ কৰিছে। অধ্যায়টোৰ আৰম্ভণিতে মনুৰ পৰা নাৰদস্মৃতিৰ কেনেকৈ উদ্ভৱ হ'ল, সেই সম্পৰ্কে আলোচনা কৰা হৈছে। ইয়াত ব্যৱহাৰ অৰ্থাৎ বিচাৰ প্ৰক্ৰিয়াৰ বিভাগ, চাৰিটা পাদ, চাৰিটা স্থান, চাৰিটা সাধন, আঠটা অঙ্গ, ওঠৰটা পদ, শত শাখা, দুটা অভিযোগ, দুটা দ্বাৰ, দুটা গতি আদিৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াৰ পিছত ব্যৱহাৰৰ বিভিন্ন বিষয়, ৰজাৰ কৰ্তব্য, গ্ৰেপ্তাৰৰ প্ৰকাৰ, বিচাৰকৰ কৰ্তব্য আদিৰ বিষয়ে পোৱা যায়।

দ্বিতীয় অধ্যায় ঃ নাৰদস্মৃতিৰ দ্বিতীয় অধ্যায়ত ৪৪টা শ্লোক আছে। এই অধ্যায়টোক 'ব্যৱহাৰ মাতৃকা' বুলি কোৱা হৈছে। এই অধ্যায়ত লেক্ষ্য, প্ৰতিবাদীৰ উত্তৰ, বাদীৰ অভিযোগ পত্ৰৰ দোষ, মানুষী-দৈৱিকী লেক্ষ্য সাক্ষী, সাক্ষী-প্ৰমাণাদি গ্ৰহণ আদি বিষয়বোৰ অন্তৰ্ভুক্ত হৈছে।

তৃতীয় অধ্যায় ঃ নাৰদস্মৃতিৰ তৃতীয় অধ্যায়ত ১৮টা শ্লোক আছে আৰু এই অধ্যায়টোক নাৰদমাতৃকাৰ 'সভালক্ষণ' নামেৰে জনা যায়। এই অধ্যায়টোত বিচাৰ সভাৰ লক্ষণ, সভ্যৰ নিযুক্তি, মিথ্যাবাদীৰ লক্ষণ, ধৰ্মযুক্ত বিচাৰ প্ৰক্ৰিয়া আদি বিষয়ৰ আলোচনা আছে।

চতুৰ্থ অধ্যায় ঃ নাৰদস্মৃতিৰ চতুৰ্থ অধ্যায়ত ব্যৱহাৰৰ ওঠৰটা পদৰ (titles of the law) বিস্তৃত আলোচনা পোৱা যায়। এই পদবোৰ হৈছে—

১। **ঋণাদান (recovery of debts) ঃ** যিজনে য'ত যি ধন যেনেদৰে ঋণৰূপেৰে দিয়ে আৰু নিদিয়ে, ঋণৰ দান তথা আদান আৰু ঋণদানৰ বিধি, এই সকলোবোৰ 'ঋণাদান' প্ৰকৰণৰ বিবেচনীয় বিষয়বস্তু। যিজনে ঋণ দিয়ে তেওঁ হ'ল উত্তমৰ্ণ আৰু যিজনে ঋণ লয় তেওঁ হৈছে অধমৰ্ণ। ইয়াত সৰ্বমুঠ ৩৪৮টা শ্লোক আছে।

২। **নিক্ষেপ (উপনিধি) (depositis) ঃ** নিজৰ দ্ৰব্য যেতিয়া শংকা বিহীনভাৱে আনৰ সমীপত বিশ্বাসেৰে জমা ৰাখে, তাকেই নিক্ষেপ বুলি কোৱা হৈছে। ইয়াত উপনিধিৰ বিষয়েও আলোচনা কৰা হৈছে। এটা পাত্ৰৰ ভিতৰত কিবা বস্তু আনে নজনাকৈ থৈ সেই পাত্ৰটো আনৰ ঘৰত থৈ দিলে, তাক উপনিধি বোলে। ইয়াত ১৫টা শ্লোক আছে।

৩। **সম্ভূয়সমুত্থান (partnership) ঃ** (সহকাৰিতা) যি ঠাইত বণিক আদিয়ে লগ হৈ কাম কৰে, তাকেই সম্ভূয়সমুত্থান বুলি কোৱা হয়। বণিক শ্ৰেণীয়ে এটা ঠাইত মিলিত হৈ দেয় আধাৰ, দেয় পৰিমাণ আদিৰ অংশ নিৰ্ণয় কৰে। এই পদটোত ১৮টা শ্লোক আছে।

৪। **দত্তাপ্ৰদানিক (দান তথা ইয়াৰ পূৰ্ণগ্ৰহণ) (resumption of gifts) ঃ** যেতিয়া কোনো এজনে অনুচিত উপায়েৰে কোনো এটা বস্তু কাৰোবাক দিয়ে আৰু কিবা কাৰণত সেই বস্তুটো পুনৰ ঘুৰাই আনিব বিচাৰে, এই কাৰ্যটোকে দত্তাপ্ৰদানিক বুলি কোৱা হয়। অদেয়, দেয়, দত্ত, আৰু অদত্ত- ব্যৱহাৰৰ এই চাৰিটা দানমাৰ্গ। এই পদটোত ১২টা শ্লোক আছে।

৫। **অভ্যুপেত্য-অশুশ্ৰূষা (চাকৰিৰ চুক্তি ভঙ্গ) (breach of contract of service) ঃ** কোনো এজনে কাৰোবাক চাকৰি দিম বুলি চুক্তিবদ্ধ হোৱাৰ পিছত, সেই চুক্তি ভঙ্গ কৰিলে ইয়াক অভ্যুপেত্য-অশুশ্ৰূষা বিবাদ বুলি কোৱা হয়। এই পদটোত ৪৩টা শ্লোক আছে।

৬। **বেতনস্য-অনপাকৰ্ম (বেতন প্ৰদান নকৰা) (non-payment of wages) ঃ** ভৃত্যসকলক অথবা মজুৰীপ্ৰাপ্ত কৰ্মীসকলক বেতন দিয়া আৰু বেতনৰ অনাদায়ৰ বিধিক বেতনস্য-অনপাকৰ্ম বোলে, যিটো নেকি এটা বিবাদাস্পদ বিষয়। এই পদটোত ২২টা শ্লোক আছে।

৭। **অস্বামিবিক্ৰয় (বিনা স্বামীত্বৰ দ্বাৰা বিক্ৰী) (sale without ownership) ঃ** কোনো এজন ব্যক্তিয়ে আন এজনে তেওঁৰ তাত থোৱা ধন বা দ্ৰব্যৰ (নিক্ষেপ) নাশ অথবা অপহৰণ কৰি আনৰ ওচৰত বিক্ৰী

কৰিলে, তাকে অস্বামিবিক্রয় বুলি কোৱা হৈছে, যিটো বিবাদৰ বিষয়। এই পদটোত ৮টা শ্লোক আছে।

৮। **বিক্রীয়-অসম্প্রদান (বিক্রী কৰাৰ পিছতো প্রদান নকৰা) (non-delivery after sale)** ঃ মূল্য লৈ পণ্যদ্রব্য বিক্রী কৰাৰ পিছতো, যেতিয়া ক্রেতাজনক দিয়া নহয়, সেইটোকে বিক্রীয়-অসম্প্রদান বিবাদ-স্থান বুলি কোৱা হৈছে। এই পদটোত ১২টা শ্লোক আছে।

৯। **ক্রীত্বানুশয় (ক্রয়ৰ বাতিলকৰণ) (rescission of purchase)** ঃ যেতিয়া কোনো এজনে কোনো এটা বস্তু মূল্যৰে ক্রয় কৰি, পিছত সেইটো ঠিক বুলি নাভাবি ঘূৰাই দিব বিচাৰে তেতিয়াই ক্রীত্বানুশয় নামৰ বিবাদটো আৰম্ভ হয়। এই পদটোত ১৬টা শ্লোক আছে।

১০। **সময়স্যানপকর্ম (নিগম, শ্রেণী আদিৰ পৰম্পৰাৰ বিৰোধ) (violation of conventions of corporations, guilds etc.)** ঃ নিগম (corporati bodies), শ্রেণী (guilds), পূগ (councils) আদিৰ পৰম্পৰাগত নিয়মক 'সময়' বুলি কোৱা হয়, এই নিয়মৰ লঙঘনক 'সময়ৰ অনপাকর্ম' বুলি কোৱা হয়। এইটো এটা বিবাদৰ বিষয়। এই পদটোত ৭টা শ্লোক আছে।

১১। **সীমাবন্ধ (সীমা নির্ণয়) (settlement of boundaries)** ঃ সেতু আৰু শস্য ক্ষেত্রৰ সীমা ইতস্তত হোৱাৰ পিছত, ইয়াক নিশ্চিত কৰিবলৈ ক্ষেত্রৰ ওপৰত অধিকাৰক লৈ যি বিবাদ হয়, সেয়াই 'ক্ষেত্রজ' অথবা সীমাবন্ধ নামৰ বিবাদৰ বিষয়। এই পদটোত মুঠ ৪৩টা শ্লোক আছে।

১২। **স্ত্রীপুংসয়োগ (বৈবাহিক সম্বন্ধ) (marital relation)** ঃ স্ত্রী আৰু পুৰুষৰ বিবাহাদি বিধি য'ত প্রয়োগ হয়, সেয়াই 'স্ত্রীপুংসযোগ'। ইয়াক এটা বিবাদৰ কাৰণ বুলি কোৱা হৈছে। ইয়াত ১১৩টা শ্লোক আছে।

১৩। **দায়ভাগ (পিতৃসম্পত্তিৰ বিভাজন আৰু উত্তৰাধিকাৰ) (partition and inharitance)** ঃ পুত্রসকলৰ মাজত যেতিয়া পৈত্রিক সম্পত্তিৰ বিভাজন কৰা হয় তাকেই 'দায়ভাগ' বুলি কোৱা হয়, যি এটা বিবাদৰ বিষয়। এই পদটোত ৫২টা শ্লোক আছে।

১৪। **সাহসম্ (বল প্রয়োগৰ দ্বাৰা উৎপন্ন অপৰাধ, যেনে হত্যা, ডকাইতি, বলাৎকাৰ আদি) (violent acts)** ঃ বল আৰু দর্পৰ সৈতে যি কাম বলপূর্বক কৰা যায়, সিয়েই 'সাহস'। 'সহ' মানে হৈছে বল। মানুহৰ হত্যা, ডকাইতি, পৰস্ত্রীগমন আৰু পাৰুষ্য (বাক্পাৰুষ্য তথা দণ্ডপাৰুষ্য) এই চাৰিবিধ 'সাহস'। এই পদটোত ২৭টা শ্লোক আছে।

১৫। **বাক্পাৰুষ্য (কথাৰ জৰিয়তে অপমান, মানহানি আদি) (verbal assault)** ঃ দেশ, জাতি আৰু কুলৰ নিন্দাপৰক আক্রোশ বচন আৰু প্রতিকূল মন্তব্যক বাক্যপাৰুষ্য বুলি কোৱা হৈছে।

১৬। **দণ্ডপাৰুষ্য (শাৰীৰিক অপদস্ত) (physical assault)** ঃ হাত, ভৰি, অস্ত্র আদিৰ দ্বাৰা আন লোকৰ শাৰীৰিক প্রহাৰক তথা ভস্মাদি দ্রব্য আনৰ গালৈ চতিয়াই দিয়া কর্মক দণ্ডপাৰুষ্য বুলি কোৱা হৈছে। বাক্পাৰুষ্য আৰু দণ্ডপাৰুষ্য মিলি মুঠ ৩২টা শ্লোক আছে।

১৭। **দ্যূতসমাহ্বয় (জুৱা তথা পক্ষীযুঁজ) (gambling and contests)** ঃ অক্ষ (জুৱাৰ গুটি), বধ্র (জন্তুৰ ছালৰ পেটী) আৰু শলকা (হাতীৰ দাঁতেৰে নির্মিত জুৱাখেলৰ পাশতি) আদিৰ দ্বাৰা আৰু পক্ষীৰ মাজত লগোৱা কাজিয়াৰ দ্বাৰা (এইটো এটা জুৱা) আৰু পণপূর্বক অনুষ্ঠিত কপটতা নিষ্পাদিত ক্রীড়াক দ্যূতসমাহ্বয় বুলি কোৱা হয়। এই পদটোত ৮টা শ্লোক আছে।

১৮। **প্রকীর্ণকম্ (অন্যান্য দোষ) (miscallaneous worngs)** ঃ প্রকীর্ণক খণ্ডৰ বিষয়সমূহ ৰজা সম্বন্ধীয় বিচাৰযোগ্য ব্যৱহাৰ বিষয়। ৰজাৰ আজ্ঞা উল্লঙ্ঘন আদি বিষয়সমূহ ইয়াৰ অন্তর্গত। ইয়াত ৫৫টা শ্লোক আছে।

ইয়াৰ উপৰিও পৰিশিষ্টৰূপে আন দুটা বিবাদ পদ নাৰদস্মৃতিত পোৱা যায়। সেই দুটা বিবাদ পদ বিষয় হৈছে—

১। **তস্কৰ প্ৰকাৰ (স্তেয়ম্) (চোৰৰ প্ৰকাৰ ভেদ) (theft) ঃ** প্ৰকাশতস্কৰ আৰু অপ্ৰকাশ (প্ৰচ্ছন্ন তস্কৰ হিচাপে দুই প্ৰকাৰৰ চোৰ পোৱা যায়। ইয়াত ৬১টা শ্লোক আছে।

২। **দিব্যানি (দৈৱিক পৰীক্ষা) (ordeals) ঃ** যেতিয়া বাদী অথবা বিবাদী কোনো পক্ষৰ লগত সাক্ষী নাথাকে, তেতিয়া ৰজাই দৈৱিক ব্যৱস্থা তথা শপথেৰে বিচাৰ প্ৰক্ৰিয়া সম্পন্ন কৰিব। এই ক্ষেত্ৰত ৰজাই অগ্নি, ঘট, জল, কোশ আদিৰ প্ৰয়োগৰ দ্বাৰা বিচাৰ প্ৰক্ৰিয়া চলাব। এই প্ৰকৰণটোত ৪৮টা শ্লোক আছে। (সকলোবোৰ নাৰদস্মৃতিৰ সংকলনত এই প্ৰকৰণটো পোৱা নাযায়।)

প্ৰকাশিত নাৰদস্মৃতিত পৰিশিষ্টৰ স্তেয় প্ৰকৰণ সমন্বিতে (৬১টা শ্লোক) ১০২৮টা শ্লোক পোৱা যায়। পিছৰ কালৰ 'স্মৃতি নিৰন্ধ' শ্ৰেণীৰ ৰচনাত নাৰদস্মৃতিৰ প্ৰায় ৭০০ মান শ্লোক উদ্ধৃতি হিচাপে পোৱা যায়। 'অভ্যুপেত্যাশুশ্ৰূষা' প্ৰকৰণটোৰ ২১ নং শ্লোকলৈ 'অসহায়' ভাষ্য পোৱা যায়। নৱম শতিকাৰ প্ৰথম ভাগৰ ভাষ্যকাৰ বিশ্বৰূপে নাৰদস্মৃতিৰ ৫০টা মান শ্লোক উদ্ধৃতি হিচাপে ব্যৱহাৰ কৰিছে। মেধাতিথিৰ ভাষ্য তথা বিজ্ঞানেশ্বৰৰ 'মিতাক্ষৰা' ভাষ্যতো নাৰদস্মৃতিৰ শ্লোকৰ উদ্ধৰণ পোৱা যায়। পৰৱৰ্তী কালৰ স্মৃতি ভাষ্য, যেনে— স্মৃতিচন্দ্ৰিকা, হেমাদ্ৰি, পৰাশৰমাধৱীয় আদি আৰু পৰৱৰ্তী নিৰন্ধ গ্ৰন্থসমূহত নাৰদস্মৃতিৰ শ্লোকৰ উদ্ধৃতি পোৱা যায়।

নাৰদস্মৃতিৰ প্ৰাৰম্ভিক গদ্যাংশখিনি, য'ত নাৰদ, মাৰ্কণ্ডেয়, সুমতি ভাৰ্গৱ আদিৰ দ্বাৰা মনুৰ মৌলিক গ্ৰন্থৰ সংক্ষিপ্তকৰণৰ কথা কোৱা হৈছে, সেইখিনি বাদ দি সম্পূৰ্ণ নাৰদস্মৃতি অনুষ্টুপ্ (শ্লোক) ছন্দত ৰচনা কৰা হৈছে। (কেৱল ব্যৱহাৰমাতৃকাৰ দ্বিতীয় অধ্যায়ৰ ৩৮ নং শ্লোক আৰু 'সভা' নামৰ অধ্যায়ৰ অন্তিম শ্লোকটোক বাদ দি)। নাৰদস্মৃতিৰ চতুৰ্থ অধ্যায়ৰ ঋণাদান প্ৰকৰণত নাৰদে নিজৰ নাম উল্লেখ কৰি এনেদৰে কৈছে যে— সন্দিগ্ধ অৰ্থত অভিযুক্ত দুৰ্জনৰ বিশুদ্ধিৰ কাৰণে সত্য আৰু মিথ্যাৰ বিশুদ্ধিৰ বিষয়টো লৈ নাৰদে এনেদৰে কৈছে—

'সন্দিগ্ধেৎৰ্থেভিযুক্তানাং বিশুদ্ধ্যৰ্থং দুৰাত্মনাম্।
প্ৰোক্তানি নাৰদেনেহ সত্যানৃতবিশুদ্ধয়ে।।' (নাৰদস্মৃতি, ঋণাদান, ২৫৩)

৭.১০.৩ নাৰদস্মৃতিৰ সংকলন

এতিয়ালৈকে নাৰদস্মৃতিৰ পাঁচটা সংকলন উপলব্ধ হৈছে। জাৰ্মান পণ্ডিত ড° জুলিয়াছ জ'লীয়ে দুটা সংকলন প্ৰকাশ কৰিছে। এটা সংকলনক হ্ৰস্বসংলন (smaller version) আৰু আনটোক কোৱা হয় দীৰ্ঘ সংকলন (long version)। হ্ৰস্ব সংকলনটোত কেৱল নাৰদস্মৃতিৰ মূলশ্লোক আৰু তাৰ অনুবাদ আছে। যিটো লণ্ডনস্থিত Trubner & co এ ১৮৭৬ চনত প্ৰকাশ কৰিছে।

দীৰ্ঘ সংকলনটো ১৮৪৫ চনত Bibliotheca Indica seriesত প্ৰকাশত হোৱাৰ লগতে অনুবাদসহ Sacred Books of the East series ৰ vol.33 ত প্ৰকাশিত হৈছে। এই সংকলনটোত পঞ্চম পদ অৰ্থাৎ 'অভ্যুপেত্যাশুশ্ৰূষা'ৰ ২১ নং শ্লোকলৈ অসহায়ৰ দ্বাৰা ৰচিত ভাষ্য সংকলিত কৰা হৈছে। ১৪০৭ খ্ৰীষ্টাব্দত নেপালত উদ্ধাৰ হোৱা নাৰদস্মৃতিৰ এখন পুথিত (manuscript) পোৱা দুটা অতিৰিক্ত অধ্যায়, স্তেয় আৰু দিব্য, এই দুটাৰ প্ৰথমটো অধ্যায় পৰিশিষ্টৰূপে এই সংকলনটোত পোৱা যায়।

'নাৰদীয় মনুসংহিতা' হিচাপে নাৰদস্মৃতিৰ আন এটা সংকলন ১৯২৯ চনত ত্ৰিবান্দ্ৰম সংস্কৃত সিৰিজৰ দ্বাৰা প্ৰকাশিত হৈছে, যাৰ সম্পাদনা কৰিছে কে. সাম্বশিৱ শাস্ত্ৰীয়ে। এই সংকলনখনত ভৱস্বামীৰ ভাষ্য পোৱা যায়।

Chicago ত জন্মগ্ৰহণ কৰা Richard W. Lariviera য়ে কৰা সমালোচনাত্মক সম্পাদন তথা ইংৰাজীলৈ

কৰা অনুবাদৰ সংকলন এটা ১৯৮৮ চনত প্ৰকাশিত হয়। নাৰদস্মৃতিৰ এই সংকলনটোত অসহায় ভাষ্য পোৱা যায়। স্তেয় আৰু দৈৱ-পৰিশিষ্টভাৱে পোৱা এই দুটা প্ৰকৰণ এই সংকলনটোত দিয়া হৈছে।

পুৰী (ওড়িষা) স্থিত শ্ৰীজগন্নাথ সংস্কৃত বিশ্ববিদ্যালয়ৰ ধৰ্মশাস্ত্ৰ বিভাগৰ আচাৰ্য্য ড° ব্ৰজকিশোৰ স্বাঁইয়ে নাৰদস্মৃতি এটা সংকলন ১৯৯২ চনত প্ৰকাশিত হৈছে। এই সংকলনটোত স্বাঁইয়ে 'তিলোত্তমা' নামৰ এটা সংস্কৃত টিপ্পনী (তেওঁৰ দ্বাৰা লিখিত) তথা নাৰদস্মৃতিৰ তেওঁ কৰা হিন্দী অনুবাদ পোৱা যায়। প্ৰতিটো অধ্যায়ৰ সংস্কৃত টিপ্পনীটোৰ অন্তত এনেদৰে পোৱা যায়— 'শ্ৰী পুৰুষোত্তমপুৰীবাস্তব্যপণ্ডিত শ্ৰীব্ৰজকিশোৰ স্বাঁইপ্ৰণীতা নাৰদস্মৃতি-প্ৰথমাধ্যায়তিলোত্তমাটিপ্পনী'।

৭.১০.৪ নাৰদস্মৃতিৰ ভাষ্যকাৰ

নাৰদস্মৃতিৰ কেবল দুজন ভাষ্যকাৰহে উপলব্ধ হৈছে। এজন হৈছে অসহায় আৰু আনজন হৈছে ভৰস্বামী।

১। **অসহায় ভাষ্য ঃ** ইতিমধ্যে কোৱা হৈছে যে নাৰদস্মৃতিৰ চতুৰ্থ অধ্যায়ৰ পঞ্চম পদ 'অভ্যুত্যে-অশুশ্ৰূষা'ৰ ২১ নং শ্লোকলৈকেহে কেৱল অসহায়ৰ দ্বাৰা ৰচিত ভাষ্য পোৱা যায়। এই অসহায়ৰ দ্বাৰা ৰচিত ভাষ্যটো কেশৱভট্টৰ প্ৰেৰণাৰে কল্যাণভট্টই সংশোধন কৰা বুলি ভাষ্যটোৰশেষত পোৱা যায়— 'ইতি অসহায়নাৰদ ভাষ্যে কেশৱভট্টপ্ৰোৎসাহিত-কল্যাণভট্ট পৰিশোধিত-ব্যৱহাৰ মাতৃকায়াং প্ৰথমো২ধ্যায়'। কল্যাণ ভট্টই কিয় সংশোধন কৰিলে, তাৰো কাৰণ হিচাপে কোৱা হৈছে যে, অসহায়ৰ দ্বাৰা ৰচিত নাৰদ ভাষ্যটোৰ লিপিকাৰসকলে ভুলকৈ লিপিবদ্ধ কৰা কাৰণে তেওঁ সংশোধন কৰিলে— 'দৃষ্ট্বাসহায়ৰচিতং নাৰদভাষ্যং কুলেখকৈৰ্ভ্ৰষ্টম্। কল্যাণেন ক্ৰিয়তে প্ৰাক্তনমেতদ্ বিশোধ্য পুনঃ।।'

অসহায় সম্বন্ধে বিশেষ, বিৱৰণ পোৱা নাযায়। অসহায়ক এজন প্ৰখ্যাত ভাষ্যকাৰ বুলি কোৱা হৈছে। নাৰদস্মৃতিৰ উপৰিও তেওঁ মনুস্মৃতি, গৌতমধৰ্মসূত্ৰ আৰু শঙ্খ-লিখিত স্মৃতিৰ ওপৰত ভাষ্য ৰচনা কৰা বুলি পোৱা যায়। বিশ্বৰূপে তেওঁৰ 'যজ্ঞেবল্কীয়টীকা', তথা অনিৰুদ্ধই তেওঁৰ 'হাৰলতাটীকা'ত অসহায়ৰ নাম উল্লেখ কৰিছে। জুলিয়াছ জ'লীয়ে অসহায়ক খ্ৰীষ্টাব্দ পঞ্চম শতিকাৰ পিছৰ বুলি কৈছে। পি. ভি. কাণেৰ মতে তেওঁ ৭৫০ খ্ৰীষ্টাব্দৰ আগৰ। কিয়নো অহসাঢ় ভাষ্যকাৰ বিশ্বৰূপ তথা মেধাতিথিৰ আগৰ। বিশ্বৰূপৰ সময়সীমা ৭৫০-১০০০ খ্ৰীষ্টাব্দ তথা মেধাতিথিৰ সময়সীমা ৮২৫-৯০০ খ্ৰীষ্টাব্দ। কে. পি. জয়চোৱালৰ মতে অসহায় ৭তম শতিকাৰ আগৰ আৰু তেওঁ পাটলিপুত্ৰৰ বাসিন্দা আছিল।

২। **ভৰস্বামী ভাষ্য ঃ** ভৰস্বামী সম্বন্ধেও বিশেষ একো পোৱা নাযায়। সম্ভৱতঃ এওঁ অসহায়ৰ পিছৰ ভাষ্যকাৰ। কে. সাম্বশিৱ শাস্ত্ৰীৰ মতে ভৰস্বামী দক্ষিণ ভাৰতীয়, বিশেষকৈ কেৰেলাৰ ব্ৰাহ্মণ আছিল। কিন্তু কাণে আদি পণ্ডিতৰ মতে তেওঁ মধ্যভাৰতীয় হ'ব পাৰে। নাৰদভাষ্যৰ উপৰিও ভৰস্বামীয়ে কল্পসূত্ৰৰ ভাষ্য লিখা বুলি পোৱা যায়। পি. ভি. কাণে ভৰস্বামীৰ সময় ৭০০-১০০০ খ্ৰীষ্টাব্দৰ ভিতৰত বুলি ঠাৱৰ কৰিছে। আন এজন গৱেষক টি. আৰ্. চিন্তামনিয়ে ভৰস্বামীৰ সময় অষ্টম শতিকাৰ বুলি ক'ব খোজে।

এইখিনিতে স্মৃতিসাহিত্যৰ কেইজনমান প্ৰধান ভাষ্যকাৰ আৰু তেওঁলোকৰ ভাষ্যৰ নাম উল্লেখ কৰিব খোজা হৈছে—

ভাষ্যকাৰৰ নাম	ভাষ্যৰ নাম	ভাষ্য থকা স্মৃতিখনৰ নাম
বিজ্ঞানেশ্বৰ	মিতাক্ষৰা	যাজ্ঞবল্ক্যস্মৃতি
মেধাতিথি	মনুভাষ্য	মনুস্মৃতি
কুল্লুক	মন্বৰ্থমুক্তাৱলী	মনুস্মৃতি
বিশ্বৰূপ	বালক্ৰীড়া	যাজ্ঞৱল্ক্যস্মৃতি

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ নাৰদস্মৃতিত প্রধানকৈ স্মৃতিৰ কোনটো বিষয় পোৱা যায়?

.....

.....

প্রশ্ন নং ৭ ঃ নাৰদস্মৃতিত কিমানটা অধ্যায় আছে?

.....

.....

প্রশ্ন নং ৮ ঃ কাণেৰ মতে নাৰদস্মৃতিৰ ৰচনাৰ সময় কি?

.....

.....

প্রশ্ন নং ৯ ঃ নাৰদস্মৃতিৰ এজন ভাষ্যকাৰৰ নাম লিখক?

.....

.....

প্রশ্ন নং ১০ ঃ নাৰদস্মৃতিত কিমানটা শ্লোক আছে?

.....

.....

৭.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- স্মৃতি সাহিত্য সম্পর্কে জ্ঞান লাভ কৰিলে।
- স্মৃতি সাহিত্যৰ অন্তর্গত নাৰদস্মৃতিৰ লগত পৰিচয় হ'ল।
- নাৰদস্মৃতিৰ বিষয়বস্তুৰ লগত চিনাকী হ'ব পাৰিলে।
- নাৰদস্মৃতিৰ সময় অৱগত হ'ব পাৰিলে।
- নাৰদস্মৃতিৰ ভাষ্যকাৰৰ বিষয়ে জানিব পাৰিলে।

৭.১২ অধিক জানিবলৈ

১) Swain, (Dr.) Braja Kishore, (2006), *Naradasmrti*, Varanasi, Choukhambha Sanskrit Bhawan.

২) Larivier, Richard W., (2003), *The Naradasmrti*, Delhi, Motilal Banarsidass.

৩) কাণে পি ভি, (১৯৯২), *ধর্মশাস্ত্র কা ইতিহাস প্রথম ভাগ,* লক্ষ্ণৌ ঃ উত্তৰ প্রদেশ হিন্দী সংস্থান।

৪) শর্মা, কিৰণ, (১৯৯৮), *মনুসংহিতা,* গুৱাহাটী, অসম বেদ বিদ্যালয়।

৫) বসু, সুমিতা, (১৪০৭ বংগাব্দ), *যাজ্ঞৱল্ক্যসংহিতা,* কোলকাতা, সংস্কৃত পুস্তক ভাণ্ডাৰ।

৬) Kane, P. V., (2006), *History of Dharmasastra*, Vol. I, Pune, Bhandarkar Oriental Research Institute.

৭.১৩ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ধর্মশাস্ত্র।

২ নং প্রশ্নৰ উত্তৰ ঃ ধর্ম।

৩ নং প্রশ্নৰ উত্তৰ ঃ বেদেই ধর্মৰ মূল।

৪ নং প্রশ্নৰ উত্তৰ ঃ কল্প মানে হৈছে যজ্ঞৰ বিধি বা নিয়ম।

৫ নং প্রশ্নৰ উত্তৰ ঃ ১২ টা।

৬ নং প্রশ্নৰ উত্তৰ ঃ ব্যৱহাৰ বিষয়টো।

৭ নং প্রশ্নৰ উত্তৰ ঃ ৪ টা

৮ নং প্রশ্নৰ উত্তৰ ঃ ১০০-৩০০ খ্রীষ্টাব্দ।

৯ নং প্রশ্নৰ উত্তৰ ঃ অসহায়।

১০ নং প্রশ্নৰ উত্তৰ ঃ ১০২৮ টা।

৭.১৪ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ তলত প্রশ্নসমূহৰ উত্তৰ লিখক।

(ক) ধর্মৰ প্রধান লক্ষণ কি বুলি কোৱা হৈছে।

(খ) স্মৃতিৰ সংজ্ঞা কি?

(গ) ধর্মসূত্রসমূহ কি কি?

(ঘ) নাৰদস্মৃতিত কেইটা বিবাদপদ আছে।

(ঙ) নিক্ষেপ মানে কি?

(খ) ৰচনাধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ স্মৃতিৰ মূল বিষয় সম্বন্ধে এটি টোকা যুগুত কৰক।

প্রশ্ন ২ ঃ স্মৃতিৰ সংখ্যা নির্ণয় কৰি কেইখনমান স্মৃতিৰ পৰিচয় দিয়ক।

প্রশ্ন ৩ ঃ নাৰদস্মৃতিৰ বিষয়বস্তু সম্পর্কে এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ৪ ঃ নাৰদস্মৃতিৰ সংকলনসমূহৰ ওপৰত এটি টোকা লিখক।

*** ***** ***

অধ্যায় ৮ঃ যাজ্ঞৱল্ক্যস্মৃতি ঃ সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ যাজ্ঞৱল্ক্য

- ৮.৩.১ মনু আৰু যাজ্ঞৱল্ক্য
- ৮.৩.২ কেটিলীয় অর্থশাস্ত্র আৰু যাজ্ঞৱল্ক্য

৮.৪ যাজ্ঞৱল্ক্যস্মৃতি

- ৮.৪.১ যাজ্ঞৱল্ক্যস্মৃতিৰ বিষয়বস্তু
- ৮.৪.২ যাজ্ঞৱল্ক্যস্মৃতিৰ ৰচনাকাল
- ৮.৪.৩ যাজ্ঞৱল্ক্যস্মৃতিৰ সংকলন
- ৮.৪.৪ যাজ্ঞৱল্ক্যস্মৃতিৰ টীকা

৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৬ অধিক জানিবলৈ

৮.৭ অগ্রগতিৰ খতিয়ান

৮.৮ আর্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- প্রাচীন ভাৰতীয় স্মৃতিশাস্ত্রৰ বিষয়ে জানিব পাৰিব।
- স্মৃতিকাৰ হিচাপে যাজ্ঞৱল্ক্যৰ সৈতে পৰিচয় হ'ব পাৰিব।
- যাজ্ঞৱল্ক্যস্মৃতিৰ বিষয়বস্তুৰ লগত চিনাকি হ'ব পাৰিব।
- যাজ্ঞৱল্ক্যস্মৃতিৰ ৰচনাৰ সময় অবগত হ'ব পাৰিব।
- যাজ্ঞৱল্ক্যস্মৃতিৰ টীকাকাৰৰ লগত চিনাকি হ'ব পাৰিব।

৮.২ পৰিচয়

প্রাচীন ভাৰতীয় বেদাদি সাহিত্যসমূহৰ ভিতৰত স্মৃতি সাহিত্য হৈছে এক অনুপম গ্রন্থ। বেদানুসাৰী জীৱন ধাৰাৰ উৎস হৈছে বেদার্থস্মৰণ। যিবোৰ গ্রন্থত বৈদিক আচাৰ-ব্যৱহাৰ স্মৰণ কৰি লিপিবদ্ধ কৰা হৈছে, সেই গ্রন্থসমূহকে 'স্মৃতিশাস্ত্র' বুলি কোৱা হয়। স্মৃতি হৈছে এক প্রকাৰৰ ব্যৱস্থা-শাস্ত্র। এনেদৰে পোৱ যায় যে, প্রথমতে মনু, যাজ্ঞৱল্ক্য আদি ঋষিসমূহে ব্যৱস্থাবোৰ মুখেৰে তেওঁলোকৰ শিষ্যসমূহক শিকাইছিল যিটো নেকি পৰৱর্তী যুগত লিপিবদ্ধ আকাৰত পোৱা যায়।

ধর্মশাস্ত্রসমূহেই হৈছে স্মৃতি (ধর্মশাস্ত্রন্তু ৱৈ স্মৃতিঃ)। ধর্মই হৈছে স্মৃতিশাস্ত্রসমূহৰ মূল বিষয়। শ্রুতি, স্মৃতি, সদাচাৰ আদিবোৰেই হৈছে ধর্মৰ উপাদান। আচাৰ, ব্যৱহাৰ তথা প্রায়শ্চিত্তই হৈছে স্মৃতিৰ পৰম্পৰাগত

আলোচনাৰ বিষয়। বর্ণ, বর্ণাশ্রমধর্ম, ষোড়শ সংস্কাৰ আদি বিষসয়সমূহ 'আচাৰ'ৰ অন্তর্গত। বিবাদ, মোকর্দমা আদি বিষয়বোৰ 'বাৱহাৰ'ৰ বর্ণনীয় বিষয়। আনহাতে শাস্ত্রৰ অপপ্রয়োগৰ ফলত হোৱা পাপৰ পৰিত্রাণেই হৈছে 'প্রায়শ্চিত্ত'।

স্মৃতিশাস্ত্রসমূহৰ ভিতৰত কেইখনমান প্রমুখ স্মৃতিশাস্ত্র হৈছে— মনুস্মৃতি, যাজ্ঞৱল্ক্যস্মৃতি, নাৰদস্মৃতি, বিষ্ণুস্মৃতি, পৰাশৰস্মৃতি, বৃহস্পতিস্মৃতি, কাত্যায়নস্মৃতি, গৌতমস্মৃতি ইত্যাদি। মনুস্মৃতিৰ পিছতেই এখন উল্লেখযোগ্য স্মৃতিশাস্ত্র হৈছে যাজ্ঞৱল্ক্যস্মৃতি। এই স্মৃতিখনৰ ৰচনা কাল হৈছে খৃঃপূঃ ১০০ৰ পৰা খ্রীষ্টাব্দ ৩০০ লৈ। মনুস্মৃতিৰ প্রায়বোৰ বিষয়েই ইয়াত কম পৰিসৰত যাজ্ঞৱল্ক্যই আলোচনা কৰিছে। অনুষ্টুপ্ ছন্দত ছন্দোবদ্ধ এই স্মৃতিখনত তিনিটা অধ্যায় আছে।

এই অধ্যায়টোত আপোনালোকে যাজ্ঞৱল্ক্যসংহিতাৰ এটি সাধাৰণ পৰিচয় লাভ কৰিব। এই স্মৃতিৰ বিষয়বস্তুত ৰচনাকাল, সংস্কৰণ, টীকাকাৰ আদিৰ বিষয়ে জানিব পাৰিব।

৮.৩ যাজ্ঞৱল্ক্য

বৈদিক ঋষিসকলৰ ভিতৰত আচার্য্য যাজ্ঞৱল্ক্য অন্যতম। তেওঁক শুক্লযর্জুবেদৰ প্রৱক্তা বুলি কোৱা হৈছে। ছান্দোগ্য তথা বৃহদাৰণ্যক (২.৪.৪.৫) উপনিষদত, শতপথব্রাহ্মণত, মহাভাৰতৰ শান্তিপর্বত (৩১২) বিষ্ণুপুৰাণ, ভাগৱত পুৰাণ তথা অন্যান্য গ্রন্থত যাজ্ঞৱল্ক্যৰ নাম পোৱা যায়। যাজ্ঞৱল্ক্যসংহিতাৰ আচাৰ-অধ্যায়ৰ উপোদ্ঘাত প্রকৰণত কোৱা হৈছে যে— মিথিলা নিবাসী যোগিবৰ যাজ্ঞৱল্ক্যই মুনিসকলক উপদেশ দিয়াৰ আগতে পুৰাণশাস্ত্রৰ ধর্মহেতুত্ব বর্ণনা কৰিছে। সামশ্রৱস তথা অন্যান্য ঋষিসকলৰ অনুৰোধ ক্রমে তেওঁ বর্ণাশ্রমধর্মৰ বিষয়ে উপদেশ দিছে—

'যোগীশ্বৰং যাজ্ঞৱল্ক্যং সংপূজ্য মুনয়ো২ব্রুৱন্।
ৱর্ণাশ্রমেতৰাণাং নো ব্রূহি ধর্মানশেষতঃ ।। ১।।
মিথিলাস্থঃ স যোগীন্দ্রঃ ক্ষণং ধ্যাত্বাব্রবীন্ মুনীন্।
যস্মিন্দেশে মৃগঃ কৃষ্ণস্তস্মিন্ধর্মান্ নিবোধত'।। ২।।

বৃহদাৰণ্যক উপনিষদতো এই সামশ্রৱস মুনিক দেখিবলৈ পোৱা যায়, যাক যাজ্ঞৱল্ক্যই একসহস্র গৰু লৈ যাবলৈ আদেশ দিছিল। তাতেই দর্শিত হৈছে গার্গী আৰু যাজ্ঞৱল্ক্যৰ প্রশ্নোত্তৰ পর্ব। যাজ্ঞৱল্ক্যসংহিতাৰ বহু ঠাইত ঋষিসকলৰ সৈতে যাজ্ঞৱল্ক্যৰ সম্ভাষণ দৃষ্ট হয়। মিথিলা নগৰীতে আছিল তেওঁ শিক্ষা প্রচাৰ কেন্দ্র। ৰজা জনক আছিল তেওঁৰ প্রধান শিষ্য। বৃহদাৰণ্যক উপনিষদৰ চতুর্থ ব্রাহ্মণৰ পঞ্চম অধ্যায়ৰ পত্নী মৈত্রেয়ীৰ প্রতি তেওঁৰ অমূল্য উপদেশাৱলীয়ে উপনিষদখনক বিশ্ববন্দিত কৰি তুলিছে। যাজ্ঞৱল্ক্যসংহিতাৰ অন্তিম অধ্যায়তো উপনিষদৰ ঋষি যাজ্ঞৱল্ক্যৰ উল্লেখ পোৱা যায়। তাত কোৱা হৈছে যে আদিত্যৰ উপাসনা কৰি যাজ্ঞৱল্ক্য ঋষিয়ে বৃহদাৰণ্যক উপনিষদ লাভ কৰে আৰু তেওঁ যোগশাস্ত্রৰো ৰচয়তি—

'জ্ঞেয়ং চাৰণ্যকমহং যদাদিত্যাদবাপ্তৱান্।
য়োগশাস্ত্রং চ মৎপ্রোক্তং জ্ঞেয়ং যোগমভীপ্সতা।।' (৩.১১০)

প্রাচীন সমালোচকসকলৰ মতে উপনিষদ্খ্যাত ঋষি যাজ্ঞৱল্ক্যই 'যাজ্ঞৱল্ক্যসংহিতা'ৰ ৰচয়িতা। তেওঁ একেধাৰে যোগিবৰ, ব্রহ্মজ্ঞানী, ৰাষ্ট্রনীতি তথা সমাজনীতিৰ প্রৱক্তা, তথা ধর্মোপদেষ্টা। যাজ্ঞবল্ক্যসংহিতাৰ প্রধান টীকা 'মিতাক্ষৰা'ত আচার্য্য বিজ্ঞানেশ্বৰে এনেদৰে কৈছে—

যাজ্ঞৱল্ক্যশিষ্যঃ কশ্চিৎ প্রশ্নোত্তৰৰূপং যাজ্ঞৱল্ক্যমুনিপ্রণীতং ধর্মশাস্ত্রং সংক্ষিপ্য কথয়ামাস যথা মনুপ্রণীতং ভৃগুঃ।'

(আচাৰাধ্যায়, ১) অর্থাৎ মনুৰচিত আদি মনুসংহিতাখন যেনেদৰে তেওঁৰ শিষ্য ভৃগুৰ দ্বাৰা সংকলিত হৈ বর্তমান ৰূপ ধাৰণ কৰিছে, তেনেকৈ যাজ্ঞৱল্ক্য বিৰচিত প্রশ্ন তথা উত্তৰ সম্বলিত আদি যাজ্ঞৱল্ক্যসংহিতাও পৰৱর্তী কালত তেওঁৰ কোনো শিষ্যৰ দ্বাৰা সংকলিত হৈ বর্তমানৰ ৰূপ লাভ কৰিছে। এই গ্রন্থখনৰ প্রাচীন টীকাকাৰসকল তথা নিবন্ধকাৰসকলে বহু ঠাইত 'বৃদ্ধযাজ্ঞৱল্ক্য' অথবা বৃহদ্‌যাজ্ঞৱল্ক্য নামৰ স্মৃতিকাৰৰ উল্লেখ কৰিছে। ইয়াৰ পৰা অনুমান হয় যে, বর্তমান উপলব্ধ যাজ্ঞৱল্ক্য সংহিতাৰ পূর্বে আন কোনো প্রাচীন সংস্কৰণ এই সংহিতাৰ আছিল।

কিছুমান সমালোচক, বিশেষকৈ 'ধর্মশাস্ত্র ইতিহাস' গ্রন্থৰ প্রণেতা মহামহোপাধ্যায় ড° পাণ্ডুৰঙ্গ বামন কাণে (P. V. Kane) এ শুক্লযজুর্বেদীয় যাজ্ঞৱল্ক্য আৰু স্মৃতিকাৰ যাজ্ঞৱল্ক্যক একেজন বুলি স্বীকাৰ নকৰে। যদিও যাজ্ঞৱল্ক্যসংহিতাখন বাজসনেয়ীশাখাৰ লগত জড়িত, তথাপিও দুয়োখন গ্রন্থৰে ভাষাৰ পার্থক্য আছে। তাৰোপৰি কাণেৰ মতে যাজ্ঞৱল্ক্যৰ সময় খ্রীষ্টাব্দ নৱম শতিকাৰ পূর্বৰ।

যাজ্ঞৱল্ক্যসংহিতাৰ উপৰিও যাজ্ঞৱল্ক্যৰ নামত আৰু তিনিখন স্মৃতি পোৱা যায়— বৃদ্ধযাজ্ঞৱল্ক্য, যোগযাজ্ঞৱল্ক্য আৰু বৃহদ্‌যাজ্ঞৱল্ক্য।

৮.৩.১ মনু আৰু যাজ্ঞৱল্ক্য

আচার্য্য যাজ্ঞৱল্ক্যই তেওঁৰ গ্রন্থৰ আৰম্ভণিতে ধর্মশাস্ত্র প্রযোজকৰূপে নিজৰ সৈতে ২০জন শাস্ত্রকাৰৰ নাম উল্লেখ কৰিছে। এই ২০জন ধর্মশাস্ত্রকাৰ হৈছে— মনু, অত্রি, বিষ্ণু, হাৰিত, যাজ্ঞৱল্ক্য, উশনস, অংগিৰা, যম, আপস্তম্ব, সংমৱর্ত্ত, কাত্যায়ন, বৃহস্পতি, পৰাশৰ, ব্যাস, শঙ্খ, লিখিত, দক্ষ, গৌতম, শতাতপ আৰু বশিষ্ঠ—

'মন্বত্রিৱিষ্ণুহাৰীত যাজ্ঞৱল্ক্যোশনো২ঙ্গিৰাঃ।
যমাপস্তম্বসংৱর্ত্তাঃ কাত্যায়নবৃহস্পতী।।
পৰাশৰব্যাসশঙ্খলিখিতা দক্ষগৌতমৌ।
শাতাতপো বসিষ্ঠশ্চ ধর্মশাস্ত্র প্রয়োজকাঃ।।' (১.৪-৫)

আচার্য্য মনু সর্বাগ্রে উল্লেখিত হোৱা কাৰণে যাজ্ঞৱল্ক্য মনুৰ পৰৱর্তী বুলি বহুতে ক'ব খোজে। যাজ্ঞৱল্ক্যসংহিতাৰ বহুস্থানত দেখা যায় যে, মনুৰে কোৱা বিষয়সমূহকে সুসংবদ্ধভাৱে ইয়াত উপস্থাপন কৰা হৈছে। কোনো ক্ষেত্রত তিনিটা শ্লোকত উল্লেখ কৰা মনুৰ বক্তব্যক যাজ্ঞৱল্ক্যই এটা মাত্র শ্লোকতে সমাৱেশ কৰিছে। যাজ্ঞৱল্ক্যই প্রায় এহেজাৰ শ্লোকতে মনুৰ বিশাল বক্তব্যক প্রকাশ কৰিবলৈ সক্ষম হৈছে। অথচ যাজ্ঞৱল্ক্যই মনুৰ বক্তব্যৰ এটা বিষয়ো বাদ দিয়া নাই। নতুবা অযথা কথাৰো পুনৰুক্তি কৰা নাই। সেয়েহে বহুতেই ক'ব খোজে যে যাজ্ঞৱল্ক্যসংহিতা মনুসংহিতাৰে সংক্ষিপ্ত সাৰ। আনহাতে দুই এটা নতুন বিষয়ো, যিটো মনুসংহিতাত নাই, যাজ্ঞৱল্ক্যই উল্লেখ কৰিছে। যেনে— বিনায়ক শান্তি আৰু গৃহ্যশান্তি বিষয়ে কোনো আলোচনা মনুসংহিতাত নাই। কিন্তু যাজ্ঞৱল্ক্যই এই বিষয়ে বিস্তাৰিত আলোচনা কৰিছে। তাৰোপৰি দিব্যপ্রমাণ সম্বন্ধে মনু খুবেই সংক্ষিপ্ত (কেবল অগ্নি আৰু জল দিব্য প্রমাণ হিচাপে লৈছে), কিন্তু যাজ্ঞৱল্ক্যই পাঁচটা দিব্য প্রমাণৰ (তুলা, অগ্নি, জল, বিষ আৰু কোষ) উল্লেখ কৰিছে। মনুসংহিতাত নোপোৱা আন এটা বিষয় হৈছে শৰীৰতত্ত্ব তথা ঔষধ, যিটো যাজ্ঞৱল্ক্যসংহিতাত পোৱা যায়। আনহাতে বিশ্ব সৃষ্টিৰ বিষয়ে মনুৰে বহুখিনি কথা কৈছে যদিও যাজ্ঞৱল্ক্যই কোনো কথাই কোৱা নাই। বিচাৰ প্রক্রিয়াৰ নিয়মবোৰো মনুসংহিতাত অসম্পূর্ণ।

৮.৩.২ কেটিলীয় অর্থশাস্ত্র আৰু যাজ্ঞৱল্ক্য

কৌটিল্যৰ অর্থশাস্ত্র এখন সংকলন গ্রন্থ, যাৰ আনুমানিক ৰচনা কাল খ্রীঃপূঃ চতুর্থ শতিকা। আচার্য্য

কৌটিল্যই তেওঁৰগ্ৰন্থত বহুকেইজন আচার্য্যৰ নাম উল্লেখ কৰিছে, যেনে— ভাৰদ্বাজ, বিশলোক্ষ, পৰাশৰ, কাত্যায়ন, কিঞ্জল্ক, পিশুন পিশুনপুত্ৰ, ঘোটকমুখ, দীৰ্ঘচাৰায়ণ, কৌণপদন্ত, বাতব্যাধি তথা বাহুদন্তিপুত্ৰ। ইয়াৰোপৰি মানৱ, বাৰ্হস্পত্য, ঔশনস, পাৰাশৰ, আম্ভীয় এই পাঁচটা সম্প্ৰদায়ৰ মতও উল্লেখ কৰা নাই। ইয়াৰ দ্বাৰা অনুমান কৰিব পাৰি যে অৰ্থশাস্ত্ৰ যাজ্ঞৱল্ক্যসংহিতাৰ পূৰ্ববৰ্তী। অৰ্থশাস্ত্ৰত বৰ্ণিত বিবাদস্থান বা ব্যৱহাৰ পদবোৰ, কণ্টক শোধনত উল্লেখিত অপৰাধসমূহ তথা তাৰ দণ্ড ইত্যাদি বহুবিষয়ত কৌটিল্য আৰু যাজ্ঞৱল্ক্যৰ সাদৃশ্য আছে।

৮.৪ যাজ্ঞৱল্ক্যস্মৃতি

স্মৃতি গ্ৰন্থসমূহৰ ভিতৰত যাজ্ঞৱল্ক্যস্মৃতি অন্যতম। স্মৃতিসমূহক প্ৰায়ক্ষেত্ৰতে সংহিতা নামেৰেও জনা যায়। বেদকেন্দ্ৰিক জীৱন ধাৰণাতে ভাৰতবৰ্ষ অভ্যস্ত আছিল। বেদ অনুসৰি জীৱন ধাৰাৰ উৎস হৈছে বেদাৰ্থস্মৰণ। যিবোৰ গ্ৰন্থত বৈদিক আচাৰ-ব্যৱহাৰ স্মৰণ কৰি লিপিবদ্ধ কৰা হৈছে, তাকেই কোৱা হয় স্মৃতিশাস্ত্ৰ।

ভাৰতীয় সভ্যতা আৰু সংস্কৃতিত যাজ্ঞৱল্ক্যসংহিতাৰ স্থান অতি গুৰুত্বপূৰ্ণ। বিশেষকৈ ভাৰতীয় আইন ব্যৱস্থাৰ উৎসৰূপে তথা প্ৰাচীন ভাৰতৰ সমাজনীতিৰ গৱেষণাৰ আকৰৰূপে এই গ্ৰন্থখন বিশেষভাৱে আদৰণীয়। এই কথা সৰ্বমান্য যে স্মৃতিসমূহৰ ভিতৰত মনুসংহিতা অগ্ৰগণ্য। আচার্য্য যাজ্ঞৱল্ক্যই তেওঁৰ গ্ৰন্থৰ প্ৰাৰম্ভতে যি কুৰিজন স্মৃতিকাৰৰ নাম উল্লেখ কৰিছে, তেওঁলোকৰ মাজত আচার্য্য মনুৰ নাম সৰ্বাগ্ৰে উল্লেখ কৰিছে। আচার্য্য বৃহস্পতিয়ে কৈছে— বেদাৰ্থ প্ৰতিপাদন কৰাৰ কাৰণেই মনুসংহিতা এখন প্ৰামাণিক গ্ৰন্থ। কিন্তু যাজ্ঞৱল্ক্যসংহিতা হৈছে সুসংবদ্ধ আৰু কম কলেবৰৰ, সেয়েহে এইখন অধিক জনপ্ৰিয়। সম্পূৰ্ণ স্মৃতিখন অনুষ্টুপ্ ছন্দত ৰচিত।

কোৱা হৈছে যে ঋষিসকলে মিথিলালৈ গৈ যাজ্ঞৱল্ক্যৰ পৰা বৰ্ণ, আশ্ৰম তথা অন্য কথাৰ শিক্ষাৰ বাবে প্ৰাৰ্থনা কৰিছিল। যাজ্ঞৱল্ক্যই দিয়া শিক্ষাৰ বিষয়সমূহ যাজ্ঞৱল্ক্যসংহিতাত সন্নিৱিষ্ট হৈ আছে। যাজ্ঞৱল্ক্যসংহিতাত মুঠ ১০০৯টা শ্লোক আছে আৰু গ্ৰন্থখন তিনিটা অধ্যায়ত বিভক্ত। প্ৰথম অধ্যায়টোৰ নাম হৈছে আচাৰ অধ্যায় (ইয়াত ৩৬৮টা শ্লোক আছে) দ্বিতীয় অধ্যায়টো হৈছে ব্যৱহাৰ - অধ্যায় (ইয়াত ২০৭টা শ্লোক আছে)। আৰু তৃতীয় অধ্যায়টোৰ নাম হৈছে প্ৰায়শ্চিত্ত-অধ্যায় (ইয়াত ৩৩৪টা শ্লোক আছে)। তলত তিনিওটা অধ্যায়ত থকা বিষয়বস্তু সংক্ষেপে দিয়া হ'ল—

৮.৪.১ যাজ্ঞৱল্ক্যস্মৃতিৰ বিষয়বস্তু

(ক) আচাৰাধ্যায় ঃ এই অধ্যায়টোত ১৩টা প্ৰকৰণ আছে।

১) **উপোদ্‌ঘাত প্ৰকৰণম্ (Introductory Verses) ঃ** এই প্ৰকৰণটোত ৯টা শ্লোক আছে। ইয়াত চতুৰ্দশ বিদ্যা [পুৰাণ, ন্যায়, মীমাংসা, ধৰ্মশাস্ত্ৰ, বেদাঙ্গ (৬) আৰু বেদ (৪)], ধৰ্মৰ ২০জন বিশ্লেষক, ধৰ্মোপাদান, পৰিষদ গঠন আদি বিষয়বোৰ সামৰা হৈছে।

২) **ব্ৰহ্মচাৰিপ্ৰকৰণম্ (Life of Celibacy) ঃ** এই প্ৰকৰণটোত ৪১টা শ্লোক আছে। ইয়াতে গৰ্ভাধানৰ পৰা বিবাহলৈ সংস্কাৰ, উপনয়ন, ইয়াৰ সময়, ব্ৰহ্মচাৰীৰ আৰ্থিক কৰ্তব্য, অধ্যয়নৰ যোগ্য ব্যক্তি, ব্ৰহ্মচাৰীৰ বৰ্জিত পদাৰ্থ তথা কৰ্ম, বিদ্যাৰ্থী কাল আদি বিষয়বোৰ আলোচিত হৈছে।

৩) **বিবাহ প্ৰকৰণম্ (Marriage Ceremony) ঃ** ইয়াত ৩৯টা শ্লোক আছে। ইয়াত বিবাহ, বিবাহ যোগ্যা কন্যাৰ পাত্ৰতা, সপিণ্ড সম্বন্ধৰ সীমা, অন্তৰ্জাতীয় বিবাহ, আঠ প্ৰকাৰৰ বিবাহ তথা ইয়াৰ পৰা পোৱা আধ্যাত্মিক লাভ, বিবাহ অভিভাৱক, ক্ষেত্ৰজ পুত্ৰ, পত্নীৰ বৰ্তমানৰ বিবাহৰ কাৰণ, পত্নীৰ কৰ্তব্য আদি বিষয়সমূহ আলোচিত হৈছে।

৪) **বর্ণ জাতি বিবেক প্রকৰণম্ (Class, Caste and Conciousness)** ঃ প্রকৰণ্টোত ৭টা শ্লোক আছে। এই প্রকৰণটোত প্রমুখ তথা গৌণ জাতিৰ বিষয়ে বর্ণনা আছে।

৫) **গৃহস্থধর্মপ্রকৰণম্ (Duties of Married Person)** ঃ ইয়াত ৩২টা শ্লোক আছে। এই প্রকৰণ্টোত গৃহস্থকর্তব্য তথা পবিত্র গৃহ্যাগ্নিৰক্ষণ, পঞ্চ সহাহ্নিক যজ্ঞ, অতিথি সৎকাৰ, মধুপর্ক, অগ্রগমনৰ কাৰণ, মার্গ-নিয়ম, চাৰিবর্ণৰ বিশেষ অধিকাৰ তথা কর্তব্য, সকলোৰে বাবে আচাৰৰ দহ সিদ্ধান্ত, গৃহস্থ-জীৱিকা বৃত্তি, পূত বৈদিক যজ্ঞ আদিৰ বর্ণনা আছে।

৬। **স্নাতক ধর্ম প্রকৰণম্ (Duties of an Initiated Householder)** ঃ ইয়াত ৩৭টা শ্লোক আছে। এই প্রকৰণটোত স্নাতকৰ কর্তব্য, অনধ্যায় আদি বিষয়সমূহ সামৰা হৈছে।

৭। **ভক্ষ্যাভক্ষ্য প্রকৰণম্ (Eatable and Non-eatable)** ঃ ইয়াত ১৬টা শ্লোক আছে। ভক্ষ্য-অভক্ষ্যৰ নিয়ম, মাংস-প্রয়োগ নিয়ম আদি বিষয়সমূহ ইয়াত সন্নিৱিষ্ট হৈছে।

৮। **দ্রব্যশুদ্ধি প্রকৰণম্ (Purification of Vessels)** ঃ এই প্রকৰণটোত ১৬টা শ্লোক আছে। কিছুমান বস্তুৰ পবিত্রকৰণ, যেনে- ধাতু তথা বাঁহৰ বাচন আদি ইয়াত বর্ণিত হৈছে।

৯। **দান প্রকৰণম্ (Gift for Pitrs and Gods)** ঃ ইয়াত ১৯টা শ্লোক আছে। এই প্রকৰণটোত দান, দানৰ বাবে পাত্র (যোগ্য ব্যক্তি), কোনে দান গ্রহণ কৰিব পাৰে, দান-পুৰস্কাৰ, গোদান, অন্য বস্তুদান, শ্রেষ্ঠদান জ্ঞান আদি বিষয়বোৰ আছে।

১০। **শ্রাদ্ধ প্রকৰণম্ (Oblation to the Manes)** ঃ ইয়াত ৫৪টা শ্লোক আছে। এই প্রকৰণটোত থকা বিষয়সমূহ হৈছে— শ্রাদ্ধ, ইয়াৰ উচিত সময়, শ্রাদ্ধত নিমন্ত্রিত যোগ্য ব্যক্তি, শ্রাদ্ধৰ অযোগ্য ব্যক্তি, নিমন্ত্রিত ব্রাহ্মণৰ সংখ্যা, শ্রাদ্ধবিধি, শ্রাদ্ধৰ প্রকাৰ— যেনে- পার্বণ, বৃদ্ধি, একোদিষ্ট, সপিণ্ডীকৰণ, শ্রাদ্ধৰ মাংস, শ্রাদ্ধ কৰাৰ পুৰস্কাৰ আদি।

১১। **গণপতিকল্প প্রকৰণম্ (Ordinance of Lord Ganapati)** ঃ ২৪টা শ্লোক এই প্রকৰণটোত আছে। ইয়াৰ বিষয় হৈছে— বিণায়ক অর্থাৎ গণেশৰ পূজা-অর্চনা।

১২। **গ্রহশান্তি প্রকৰণম্ (Peace for Planets)** ঃ ইয়াত ১৪টা শ্লোক আছে। নৱগ্রহৰ শান্তিৰ কাৰণে ক্রিয়া-সংস্কাৰ ইয়াত বর্ণিত হৈছে।

১৩। **ৰাজধর্ম প্রকৰণম্ (Duties of King)** ঃ ইয়াত ৬০টা শ্লোক আছে। ইয়াত বর্ণিত বিষয়সমূহ হৈছে— ৰাজধর্ম, ৰজাৰ গুণ, মন্ত্রী, পুৰোহিত, ৰাজ্যানুশাসন, ৰক্ষাৰ বাবে ৰজাৰ কর্তব্য, ন্যায় শাসন, কৰ তথা ব্যয়, কিছুমান কার্য্যৰ বাবে দিন নির্ণয়, মণ্ডল ৰচনা, চাৰিটা সাধন (সাম, দান, ভেদ, দণ্ড), ষট্গুণ (সন্ধি, বিগ্রহ, যান, আসন, সংশ্রয়, দ্বৈধীভাৱ), ভাগ্য তথা মানৱীয় উদ্যোগ, পক্ষপাতৰহিত দণ্ড, জোখ-মাখৰ একক, অর্থদণ্ডৰ শ্রেণী আদি।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ যাজ্ঞৱল্ক্য কোনখন নগৰীৰ বাসিন্দা আছিল?

.....

প্রশ্ন নং ২ ঃ যাজ্ঞৱল্ক্যই তেওঁৰ গ্রন্থত কেইজন স্মৃতিকাৰৰ নাম কৈছে?

.....

প্রশ্ন নং ৩ ঃ যাজ্ঞৱল্ক্য সংহিতাত মুঠ কিমানটা শ্লোক আছে?

.....

প্ৰশ্ন নং ৪ ঃ যাজ্ঞৱল্ক্য স্মৃতিত কিমানটা অধ্যায় আছে আৰু কি কি?

.....

প্ৰশ্ন নং ৫ ঃ আচাৰ অধ্যায়ত কিমানটা প্ৰকৰণ আছে?

.....

(খ) **ব্যৱহাৰ অধ্যায় ঃ** এই অধ্যায়টোত ২৫টা প্ৰকৰণ আছে।

১) **সাধাৰণ ব্যৱহাৰমাতৃকা প্ৰকৰণম্ (Laws and Regulations in General) ঃ** ইয়াত ৮টা শ্লোক আছে। 'মাতৃকা' শব্দৰ অৰ্থ হৈছে মূল বা উৎস। সাধাৰণ ব্যৱহাৰমাতৃকা বুলিলে সাধাৰণতে সকলো বিবাদত যি পদ্ধতি অনুসৰণ কৰা হয়, তাকেই বুজিব লাগিব। ইয়াত উপলব্ধ বিষয়সমূহ হৈছে— ন্যায়ভৱন (ন্যায়লয়ৰ) সদস্য, ন্যায়ধীশ, ব্যৱহাৰ পদৰ পৰিভাষা, কাৰ্যবিধি আদি।

২) **অসাধাৰণ ব্যৱহাৰমাতৃকা প্ৰকৰণম্ (Exceptional Regulations) ঃ** এই প্ৰকৰণটোত ২৮টা শ্লোক আছে। বিশেষ বিশেষ বিবাদত প্ৰযোজ্য হোৱা নিয়মসমূহ এই প্ৰকৰণটোত সন্নিৱিষ্ট কৰা হৈছে। ইয়াত আলোচিত বিষয়সমূহ হৈছে— অভিযোগ, উত্তৰ, জামিন, মিছা দল অথবা সাক্ষীৰ ওপৰত অভিযোগ, ধৰ্মশাস্ত্ৰ তথা অৰ্থশাস্ত্ৰৰ বিৰোধ, উপপত্তি, লেখ প্ৰমাণ, সাক্ষী তথা স্বত্বসাধন, স্বত্ব তথা অধিকাৰ, ন্যায়ালয়ৰ প্ৰকাৰ, বলপ্ৰয়োগ, প্ৰবঞ্চনা, অপ্ৰাপ্তব্যৱহাৰতা তথা অনিষ্পত্তিৰ অন্য কাৰণ, বস্ত্ৰ প্ৰাপ্তি, কোষ আদি।

৩) **ঋণাদান প্ৰকৰণম্ (Laws Relating to Loans) ঃ** এই প্ৰকৰণটোত ২৮টা শ্লোক আছে। ইয়াত ঋণ, সুদ, সংযুক্ত পৰিয়ালৰ ঋণ, পুত্ৰই পিতৃৰ অদেয় ঋণ, ঋণ-নিক্ষেপণ আদি বিষয়বোৰ আলোচিত হৈছে।

৪) **উপনিধি প্ৰকৰণম্ (Laws Relating to Deposits) ঃ** ইয়াত মাত্ৰ ৩টা শ্লোক আছে। তিনি প্ৰকাৰৰ বন্ধক, প্ৰতিজ্ঞা আৰু জমাই হৈছে এই প্ৰকৰণৰ বিষয়বস্তু।

৫) **সাক্ষি প্ৰকৰণম্ (The Laws of Evidence) ঃ** এই প্ৰকৰণত ১৬টা শ্লোক আছে। ইয়াত বৰ্ণিত বিষয়সমূহ হৈছে— সাক্ষী, সাক্ষীৰ পাত্ৰতা-অপাত্ৰতা, শপথগ্ৰহণ, মিথ্যাসাক্ষীৰ দণ্ড আদি।

৬) **লেখ্য প্ৰকৰণম্ (Laws Relating to Written Document) ঃ** এই প্ৰকৰণটোত ১১টা শ্লোক আছে। তিনি প্ৰকাৰৰ প্ৰমাণৰ (evedance) ভিতৰত লেখ্য অন্যতম। দান, ঋণাদান আদিৰ ক্ষেত্ৰত ভৱিষ্যতে বিবাদ নিষ্পত্তিৰ কাৰণে সাক্ষীসহিত অথবা সাক্ষীৰহিত লেখ্যপত্ৰ ৰচনা কৰা হয়। এই প্ৰকৰণটোত লেখ্যপত্ৰৰ নিয়মসমূহ কোৱা হৈছে।

৭) **দিব্য প্ৰকৰণম্ (Divine Tests) ঃ** ইয়াত ১৯টা শ্লোক আছে। লিখিত, ভুক্তি আৰু সাক্ষী— এই তিনিটা হৈছে মানুষপ্ৰমাণ। আনহাতে দৈবিক প্ৰমাণ হিচাপে তুলা (ordeal balance), অগ্নি (ordeal of fire), উদক (ordeal of water), বিষ (ordeal of poison) তথা কোশ (মন্ত্ৰপূত জলপান)। এই দিব্য প্ৰমাণৰ প্ৰয়োগৰ নিয়ম এই প্ৰকৰণটোত পোৱা যায়।

৮) **দায়ভাগ প্ৰকৰণম্ (Divisions of Property, Among Heirs) ঃ** এই প্ৰকৰণটোত ৩৬টা শ্লোক আছে। 'দায়' মানে হৈছে পিতৃ সম্পত্তি আৰু 'ভাগ' মানে হৈছে উত্তৰাধিকাৰীসকলৰ মাজত বিভাজন। এই দায়ৰ বিভাজনৰ সময়, স্ত্ৰীধন, পিতৃৰ মৃত্যুৰ পিছত বিভাগ, বিভাগ নকৰিবলগীয়া সম্পত্তি, পিতা-পুত্ৰৰ সংযুক্ত স্বামিত্ব, ১২ প্ৰকাৰৰ পুত্ৰ, শূদ্ৰৰ অনৌৰস পুত্ৰ, পুত্ৰহীন পিতাৰ বাবে উত্তৰাধিকাৰ, পুনৰ্মিলন, ব্যাবৰ্তন, স্ত্ৰীধনত পতিৰ অধিকাৰ আদি বিষয়সমূহ এই প্ৰকৰণটোত সমাৱেশ হৈছে।

৯) **সীমাবিবাদ প্ৰকৰণম্ (Laws Relating to Disputes About Boundaries) ঃ** ইয়াত ৯টা শ্লোক আছে। সীমা সংক্ৰান্তীয় বিবাদসমূহ এই প্ৰকৰণটোত আলোচিত হৈছে।

১০) **স্বামী পালবিবাদ প্রকৰণম্ (Laws Relating to Disputes Amongst the Keepers)** ঃ এই প্রকৰণটোত ৯টা শ্লোক আছে। ইয়াত ক্ষেত্রস্বামী তথা পশুৰ পালিকৰ বিবাদ সম্বন্ধে আলোচনা কৰা হৈছে।

১১) **অস্বামিবিক্রয় প্রকৰণম্ (Laws Relating to Sale of Articles)** ঃ ইয়াত ৭টা শ্লোক আছে। এই প্রকৰণটোত স্বামীত্ব অবিহনে কোনো বস্তু বিক্রী কৰিলে প্রদান কৰা দণ্ডসমূহৰ বিষয়ে কোৱা হৈছে।

১২) **দত্তা প্রদানিক প্রকৰণম্ (Laws Relating to Gift and its Acceptance)** ঃ এই প্রকৰণটোত ২টা শ্লোক আছে। দানৰ প্রমাণহীনতাৰ বিষয়ে ইয়াত আলোচিত হৈছে।

১৩) **ক্রীতানুশয় প্রকৰণম্ (Laws Relating to Returning a Thing Purchased to the Seller)** ঃ এই প্রকৰণটোত ৫টা শ্লোক আছে। বস্তু এটা কিনাৰ পিছত কৰা অনুতাপেই হৈছে ক্রীড়ানুশয়। এই সম্বন্ধে যি বিবাদ হয়, সেই বিষয়ে ইয়াত বর্ণনা আছে।

১৪) **অভ্যুপেত্যাশুশ্রূষা প্রকৰণম্ (Laws Relating to Breach of Contract)** ঃ ইয়াত ৩টা শ্লোক আছে। আজ্ঞা অনুসৰি কাম নকৰিলে তাক অভ্যুপেত্য অশুশ্রূষা বুলি কোৱা হয়। ভৃত্যতাসম্বন্ধীয় প্রতিজ্ঞা ভঙ্গ হোৱাৰ বিবাদ ইয়াত পোৱা যায়।

১৫) **সংবিদ্যতিক্রম প্রকৰণম্ (Laws Relating to the Breach of Established Usage)** ঃ এই প্রকৰণটোত ৮টা শ্লোক আছে। নিজ নিজ কর্ম পালনত হোৱা ব্যতিক্রমক সংবিদ্ ব্যতিক্রম বুলি কোৱা যায়। পৰ্পৰা বিৰোধত হোৱা বিবাদৰ বিষয়ে এই প্রকৰণত বর্ণনা আছে।

১৬) **বেতনাদান প্রকৰণম্ (Laws Relating to Non-Payment of Wages)**ঃ এই প্রকৰণটোত ৬টা শ্লোক আছে। এই প্রকৰণটো প্রাপ্য মজুৰী নিদিয়াৰ ফলত হ'ব পৰা বিবাদৰ বিষয়ে বর্ণনা আছে।

১৭) **দ্যূতসমাহ্বয় প্রকৰণম্ (Laws Relating to Gambling and Betting with Living Creatures)** ঃ ইয়াত ৫টা শ্লোক আছে। জুৱা তথা পুৰস্কাৰ যুদ্ধ (পক্ষী যুঁজ আদি) বিষয়ক বিবাদ সম্বলিত এই প্রকৰণ।

১৮) **বাক্পাৰুষ্য প্রকৰণম্ (Laws Relating to the use of Abusive Words and Defamation)** ঃ এই প্রকৰণটোত ৮টা শ্লোক আছে। দেশ, জাতি, কুলৰ প্রতি অকথ্য ভাষাৰে প্রয়োগ কৰা বাক্য (গালি)ক বাক্পাৰুষ্য বোলে। এই সংক্রান্তীয় বিবাদ এই প্রকৰণটোত বর্ণিত হৈছে।

১৯) **দণ্ডপাৰুষ্য প্রকৰণম্ (Laws Relating to Assault and Violence)** ঃ এই প্রকৰণটোত ১৮টা শ্লোক আছে। হাত, ভৰি, অস্ত্র তথা ভস্মেৰে কাৰোবাক শাৰীৰিকভাৱে আঘাত কৰাকে দণ্ডপাৰুষ্য বুলি কোৱা হয়। এই সম্বন্ধে হোৱা বিবাদ এই প্রকৰণটোত বর্ণিত হৈ আছে।

২০) **সাহস প্রকৰণম্ (Laws Relating to Robbery)** ঃ ২৪টা শ্লোক এই প্রকৰণটোত আছে। বলপূর্বক কৰা কামেই হৈছে 'সাহস'। এই সম্বন্ধে যিবোৰ বিবাদ হয়, সেইবোৰেই এই প্রকৰণটোৰ আলোচ্য বিষয়।

২১) **বিক্রীয়া সম্প্রদান প্রকৰণম্ (Laws Relating to Non-Delivery of Arricles Sold)** ঃ এই প্রকৰণটোত ৫টা শ্লোক আছে. মূল্য লোৱাৰ পিছত কিনা বস্তুটো ক্রেতাক বিক্রেতাই নিদিলে যি বিবাদৰ উৎপত্তি হয়, সেয়াই হৈছে বিক্রীয় অসম্প্রদান। এই প্রকৰণটোত এই বিধিসমূহ বর্ণিত হৈছে।

২২) **সম্ভূয়সমুত্থান প্রকৰণম্ (Laws Relating to Joint-Stock Companies)** ঃ ইয়াত ৭টা শ্লোক আছে। বহুকেইজনে মিলিতভাৱে কোনো এটা লাভজনক ব্যৱসায় কৰা কর্মটোক সম্ভূয়সমুত্থান বুলি কোৱা হয়। লাভৰ সমানুপাতিক বিভাজন জড়িত হৈ থকা বাবে, এইটো এটা বিবাদৰ বিষয়। এই বিষয়টো এই প্রকৰণত আলোচিত হৈছে।

২৩) **স্তেয় প্রকৰণম্ (Laws relating to Theft)** ঃ এই প্রকৰণটোত ১৭টা শ্লোক আছে. জনসাধাৰণৰ অসাক্ষাতে গোপনবাৰে কোনো বস্তু অপহৰণক স্তেয় অর্থাৎ চৌৰকার্য্য বুলি কোৱা হয়। এই বিষয়ে এই প্রকৰণটোত

বৰ্ণনা আছে।

২৪) **স্ত্রীসংগ্রহণ প্রকৰণম্ (Laws Relating to Adultery and Seduction)** ঃ ইয়াত ১২টা শ্লোক আছে। পৰস্ত্রীহৰণ তথা বলপূৰ্বক সতীত্ব নষ্ট কৰা আদি বিষয়সমূহ এই প্রকৰণটোৰ বিচার্য্য বিষয়।

২৫) **প্রকীর্ণক প্রকৰণম্ (Miscellancous Rules)** ঃ এই প্রকৰণটোত ১৩টা শ্লোক আছে। ৰজাৰ আজ্ঞাৰ উলঙ্ঘন, ৰজাৰ আজ্ঞাৰ অপালন, পাখণ্ডী, নৈগম, শ্রেণী, গণ আদিৰ ধর্ম ব্যভিচাৰ, পিতা-পুত্রৰ বিবাদ, প্রায়শ্চিত্যৰ ব্যতিক্রম, জীৱিকাৰ নিয়ম আদি বিষয়বোৰ এই প্রকৰণৰ বিষয়বস্তু।

(গ) **প্রায়শ্চিত্য-অধ্যায়** ঃ এই অধ্যায়টোত ৫টা প্রকৰণ দেখিবলৈ পোৱা যায়। সেইবোৰ হৈছে—

১) **অশৌচ প্রকৰণম্ (Regulations about Asauce or Smrurity)** ঃ এই প্রকৰণটোত ৩৪টা শ্লোক আছে। এই প্রকৰণটো আলোচনা কৰা বিষয়সমূহ হৈছে— মৃতদেহ জ্বলোৱা তথা পুতিথোৱা (buried) নিয়ম, মৃত ব্যক্তিলৈ জলতর্পণ, যাৰ প্রতি শোক প্রকাশ তথা জলতর্পণ কৰা হোৱা নাই, কিছু ব্যক্তিৰ ক্ষেত্রত পৰিবেদন্ অবধি, শোক প্রকাশ কৰাৰ নিয়ম, জন্মৰ অশৌচ, জন্ম-মৰণত তৎক্ষণাত পবিত্রকৰণৰ উদাহৰণ, সময়, অগ্নি, ক্রিয়া-সংস্কাৰ, পংক আদি পবিত্রীকৰণৰ সাধন আদি।

২) **অপদ্ধর্ম প্রকৰণম্ (Procedure Alloweble in Times of Exigency or Calamity)** ঃ এই কৰণটোত ১০টা শ্লোক আছে। আপদ অর্থাৎ বিপদ কালত আচাৰ তথা জীৱিকা বৃত্তিৰ বিষয়ে, ইয়াত বর্ণনা আছে। বিপদ কালত ব্রাহ্মণাদি বর্ণৰ নির্দ্ধাৰিত বৃত্তিবো পৰিৱর্তন হ'ব পাৰে।

৩) **বানপ্রস্থধর্ম প্রকৰণম্ (Regulations Relating to Vanaprastha or the Third Stage of Life)** ঃ ইয়াত ১১টা শ্লোক আছে। বানপ্রস্থ কালত পালন কৰিবলগীয়া নিয়মসমূহ ইয়াত বর্ণনা কৰা হৈছে।

৪) **যতিধর্ম প্রকৰণম্ (Duties of a Yati or one who has renounced the World)** ঃ ইয়াত ১০৫টা শ্লোক আছে। এই প্রকৰণটোক অধ্যাত্ম প্রকৰণ বুলিও জনা যায়। এই প্রকৰণটোত যতি (পৰিব্রাজকধর্ম) নিয়ম, আত্মাৰ শৰীৰত অন্তবর্তীত্ব, ভ্রূণৰ ভিন্নস্তৰ, শৰীৰত অস্থি সংখ্যা, যকৃত-প্লীহা আদি শৰীৰৰ অংগ, ধমনী তথা ৰক্ত স্নায়ুৰ সংখ্যা, আত্মবিচাৰ, মোক্ষমার্গত সঙ্গীত প্রয়োগ, অপবিত্র পৰিৱেশত পূত আত্মাৰ জন্ম, বিভিন্ন প্রকাৰৰ পশু তথা পদার্থৰ যোণিত পাপীসকলৰ জন্ম, যোগীৰ অমৰত্বৰ কাৰণ, সত্ব-ৰজ-তমৰ কাৰণে তিনি প্রকাৰৰ কার্য্য, আত্মজ্ঞানৰ সাধন, মোক্ষ তথা স্বর্গ মার্গ আদি বিষয়সমূহ আলোচিত হৈছে।

৫) **প্রায়শ্চিত্ত প্রকৰণম্ (Regulations about Penance, Especially that for Brahmanicide)** ঃ ১২৯টা শ্লোক এই প্রকৰণটোত আছে। এই প্রকৰণটোত বর্ণিত বিষয়সমূহ হৈছে— পাপীৰ ভোগৰ বাবে ৰোগ-ব্যাধি, প্রায়শ্চিত্ত প্রয়োজন, ২১ প্রকাৰৰ নৰকৰ নাম (যেনে— তামিস্র, লোহশঙ্কু, মহানিৰয়, শাল্মলী, ৰৌৰৱ, কুডমল, পূতিমৃত্তিকা, কালসূত্র, সংঘাত, লোহিতদ, সবিষ, সংপ্রপাতন, মহানৰক, কাকোল, সঞ্জীৱন, মহাপথ, অৱীচি, অন্ধতামিস্র, কুম্ভীপাক, অসিপত্রবল আৰু তাপন), পঞ্চমহাপাতক তথা সেইবোৰৰ সমান অন্য কার্য্য, উপপাতক, ব্রহ্ম হত্যা মনুষ্য হত্যাৰ প্রায়শ্চিত্ত, সুৰাপান-মানৱীয় তথা ক্ষন্তব্য পাপ আৰু বিভিন্ন প্রকাৰৰ পশু হত্যাৰ প্রায়শ্চিত্ত, সময়-স্থান-অৱস্থা তথা সমর্থতা অনুসৰি অধিক আৰু কম শুদ্ধি, নিয়ম অমান্য কৰাৰ নিষ্কাসন, গুপ্ত শুদ্ধি, দহ প্রকাৰৰ যম তথা নিয়ম, সান্তপন, মহাসান্তপন, তপ্তকৃচ্ছ্র, পৰাক, চান্দ্রায়ণ তথা অন্য অশুদ্ধি আদি বিষয়সমূহ।

৮.৪.২ যাজ্ঞৱল্ক্যস্মৃতিৰ ৰচনাকাল

আধুনি সমালোচকসকলৰ মতে বৈদিক যাজ্ঞৱল্ক্য, যোগশাস্ত্রকাৰ যাজ্ঞৱল্ক্য তথা স্মৃতিশাস্ত্রকাৰ যাজ্ঞৱল্ক্য যে অভিন্ন ব্যক্তি এই সম্বন্ধে কোনো স্পষ্ট প্রমাণ নাই। সেয়েহে বহু সমালোচকে স্মৃতিকাৰ যাজ্ঞৱল্ক্যক পৃথক

হিচাপে বিবেচনা কৰিছে। আধুনিক সমালোচকসকলৰ মতে যাজ্ঞৱল্ক্যস্মৃতি ৰচনা কৰাৰ সময়ত ইতিমধ্যে মনুসংহিতাই চাৰিওফালে প্ৰসিদ্ধি লাভ কৰিছল। আৰু যাজ্ঞৱল্ক্যস্মৃতিত যাজ্ঞৱল্ক্যই মনুৰ দ্বাৰা প্ৰোক্ত বক্তব্যকেই সুবিন্যস্তভাৱে পৰিৱেশনৰ চেষ্টা কৰিছে। মনুস্মৃতিৰ ৰচনাকাল হ'ল খ্ৰীষ্টপূৰ্ব ২০০ৰ পৰা খ্ৰীষ্টাব্দ ১০০ শতিকাৰ ভিতৰত। আনহাতে সমালোচকসকলে যাজ্ঞৱল্ক্যস্মৃতিৰ ৰচনাকাল খ্ৰীষ্টপূৰ্ব প্ৰথম শতিকাৰ পৰা খ্ৰীষ্টাব্দ তৃতীয় শতিকাৰ ভিতৰত ধৰিছে।

৮.৪.৩ যাজ্ঞৱল্ক্যস্মৃতিৰ সংকলন

যাজ্ঞৱল্ক্যস্মৃতিৰ তিনিটা সংস্কৰণ অতি প্ৰসিদ্ধ। ১) মুম্বাইৰ নিৰ্ণয় সাগৰ প্ৰেছৰ পৰা প্ৰকাশিত বিজ্ঞানেশ্বৰ ৰচিত 'মিতাক্ষৰা' টীকাৰ সৈতে ১০১০টা শ্লোক যুক্ত সংস্কৰণ। (১৯৪৯ চনত প্ৰকাশিত)। ২) তিৰুবনান্তপুৰম্ (ত্ৰিবান্দ্ৰম)ৰ পৰা বিশ্বৰূপ ৰচিত 'বালক্ৰীড়াটীকা'ৰ সৈতে প্ৰকাশিত ১০০৩ টা শ্লোকযুক্ত সংকলন। ৩) পুনে নগৰীস্থিত আনন্দাশ্ৰমৰ প্ৰকাশিত 'অপৰাৰ্ক টীকা'ৰ সৈতে ১০০৬টা শ্লোকযুক্ত সংকলন।

৮.৪.৪ যাজ্ঞৱল্ক্যস্মৃতিৰ টীকা

যাজ্ঞৱল্ক্যস্মৃতিৰ ওপৰত লিখা প্ৰসিদ্ধ টীকাকাৰ হৈছে—

১) **বিশ্বৰূপ (৮০০ খ্ৰীঃ -৮৫০ খ্ৰীঃ) ঃ** যাজ্ঞৱল্যস্মৃতিৰ প্ৰাচীন টীকাকাৰ হৈছে বিশ্বৰূপ। এওঁ ৰচিত টীকাটোৰ নাম হৈছে 'বালক্ৰীড়া'। আন এজন টীকাকাৰ বিজ্ঞানেশ্বৰে এওঁৰ শ্ৰদ্ধা সহকাৰে স্মৰণ কৰিছে। ত্ৰিৱান্দ্ৰমৰ পৰা প্ৰকাশিত এই ব্যাখ্যাটো অতি বিস্তৃত। পৰৱৰ্তী কালৰ স্মৃতিকাৰ চণ্ডেশ্বৰ, বাচস্পতি মিশ্ৰ আদিয়ে এওঁৰ উদ্ধৰণ দিছে।

২) **বিজ্ঞানেশ্বৰ (১০৭০ - ১১০০ খ্ৰীঃ) ঃ** যাজ্ঞৱল্ক্যস্মৃতিৰ ওপৰত লিখা বহু সমাদৃত টীকাটো হৈছে বিজ্ঞানেশ্বৰৰ দ্বাৰা ৰচিত 'ঋজুমিতাক্ষৰা' যাক সংক্ষেপতে 'মিতাক্ষৰা' বুলি কোৱা হয়। এই ব্যাখ্যাটো অতি স্পষ্ট, সৰল তথা সাৰগৰ্ভ। বিষয়বোৰক স্পষ্ট কৰিবলৈ এই টীকাটোত বিবিধ স্মৃতি, পুৰাণ আদিৰ উদ্ধৰণ দিয়া হৈছে। বিজ্ঞানেশ্বৰে দিয়া নিজৰ পৰিচয় অনুসাৰে তেওঁ ভাৰদ্বাজ গোত্ৰীয় ভট্ট পদ্মনাভৰ পুত্ৰ তথা উত্তমাৎম যতিৰ শিষ্য আছিল। তেওঁ স্বয়ং পৰমহংস-পৰিব্ৰাজকাচাৰ্য্য আছিল। এওঁ চালুক্যবংশীয় বিক্ৰমাদিত্য (১০৭৬-১১১৪ খ্ৰীঃ)ৰ ৰাজ আশ্ৰিত আছিল। (শ্ৰীভাৰদ্বাজপদ্মনাভভট্টোপাধ্যায়াৎমজস্য শ্ৰীমৎপৰমহংসপৰিব্ৰাজক-বিজ্ঞানেশ্বৰভট্টাৰকস্য কৃতৌ ঋজুমিতাক্ষৰায়ং...।)

'মিতাক্ষৰ' টীকাৰ ওপৰত বালম্ভট্টৰচিত 'বালম্ভটী' টীকা সমগ্ৰ ভাৰততে জনপ্ৰিয় হোৱা এটি টীকা।

৩) **অপৰাৰ্ক (১১২৫ খ্ৰীঃ) ঃ** ১১২৫ খ্ৰীষ্টাব্দত জন্মগ্ৰহণ কৰা অপৰাদিত্য বা আচাৰ্য্য অপৰাৰ্কই যাজ্ঞৱল্ক্যসংহিতাৰ ওপৰত 'অপৰাৰ্ক যাজ্ঞৱল্ক্যস্মৃতিনিৰন্ধ' নামৰ এটি অতিবিস্তৃত ব্যাখ্যা আগবঢ়াইছে। এই ব্যাখ্যা পুনাস্থিত আনন্দাশ্ৰম গ্ৰন্থাৱলীৰ পৰা প্ৰকাশিত হৈছে।

৪) **শূলপাণি (১৩৭৫ খ্ৰীঃ) ঃ** বংগদেশীয় শূলপাণিয়ে লিখা 'যাজ্ঞৱল্ক্যস্মৃতি'ৰ ওপৰত এটি ব্যাখ্যা পোৱা যায়, যাক 'দীপকলিকা' নামে জনা যায়। এই ব্যাখ্যা অত্যন্ত সংক্ষিপ্ত তথা প্ৰামাণিক।

৫) **মিত্ৰ মিশ্ৰ (১৭৫০ খ্ৰীঃ) ঃ** মিত্ৰমিশ্ৰই ৰচনা কৰা ব্যাখ্যাটোৰ নাম হৈছে 'বীৰমিত্ৰোদয়'। এই ব্যাখ্যাটো অতি বিস্তৃত।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ ব্যৱহাৰ-অধ্যায়ত কিমানটা প্ৰকৰণ আছে?

.....

প্ৰশ্ন নং ৭ ঃ 'মাতৃকা' শব্দটোৰ অৰ্থ কি?

.....

প্ৰশ্ন নং ৮ ঃ লেখ্য প্ৰকৰণত কি বিষয়ৰ কথা আছে?

.....

প্ৰশ্ন নং ৯ ঃ প্ৰায়শ্চিত্ত অধ্যায়ত কেইটা প্ৰকৰণ আছে?

.....

প্ৰশ্ন নং ১০ ঃ বিজ্ঞানেশ্বৰে টীকাটোৰ নাম কি?

.....

৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- প্ৰাচীন ভাৰতীয় স্মৃতিশাস্ত্ৰৰ বিষয়ে জ্ঞান লাভ কৰিলে।
- যাজ্ঞৱল্ক্যৰ বিষয়ে জানিব পাৰিলে।
- যাজ্ঞৱল্ক্যস্মৃতিৰ বিষয়বস্তুৰ লগত চিনাকি হ'ব পাৰিলে।
- যাজ্ঞৱল্ক্যস্মৃতিৰ ৰচনা কাল সম্পৰ্কে জানিব পাৰিলে।
- যাজ্ঞৱল্ক্যস্মৃতি টীকাকাৰসকলৰ লগত চিনাকি হ'ব পাৰিলে।

৮.৬ অধিক জানিবলৈ

১) বসু (ন্যায়তীৰ্থ), সুমিতা, (১৪০৭ সাল), *যাজ্ঞৱল্ক্যসংহিতা,* ব্যৱহাৰ-অধ্যায়, কোলকাতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

২) ঝা, (ড°) শশিনাথ (সম্পাদিত), (২০০২), *যাজ্ঞৱল্ক্যসংহিতা,* ব্যৱহাৰ-অধ্যায়, দিল্লী ঃ ভাৰতীয় বিদ্যা প্ৰকাশন।

৩) Panda, (Dr.) R. K. (ed.), (2011). *Yajnavalkya-Samhita,* Delhi : Bharatiya Kala Prakashan.

৪) কাণে, (ড°) পাণ্ডুৰংগ বামন, (১৯৬৩), *ধৰ্মশাস্ত্ৰ কা ইতিহাস* (হিন্দী), প্ৰথম ভাগ, লক্ষ্ণৌ ঃ উত্তৰ প্ৰদেশ হিন্দী সংস্থান।

৮.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ মিথিলা নগৰীৰ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ২০ জন।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১০০৯ টা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৩ টা, আচাৰ, ব্যৱহাৰ আৰু প্ৰায়শ্চিত্ত।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ১৩ টা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ২৫ টা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ উৎস।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ লিখিত প্ৰমাণৰ কথা।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ৫ টা।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ মিতাক্ষৰা।

? ৮.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ যাজ্ঞৱল্ক্যস্মৃতিৰ শ্লোকবোৰ কি ছন্দত ৰচনা কৰা হৈছে?

প্ৰশ্ন ২ ঃ ব্যৱহাৰ অধ্যায়ত কিমানটা শ্লোক আছে?

প্ৰশ্ন ৩ ঃ স্নাতকধৰ্ম প্ৰকৰণৰ বিষয়বস্তু কি?

প্ৰশ্ন ৪ ঃ যাজ্ঞৱল্ক্যস্মৃতিৰ ৰচনা কাল কি?

প্ৰশ্ন ৫ ঃ বিশ্বৰূপে লিখা টীকাটোৰ নাম কি?

খ) চুটি প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ মনু আৰু যাজ্ঞৱল্ক্যৰ মাজত সাদৃশ্য কি?

প্ৰশ্ন ২ ঃ আচাৰ অধ্যায়ৰ উপোদ্‌ঘাত প্ৰকৰণত কি বোৰ কথা আছে?

প্ৰশ্ন ৩ ঃ যাজ্ঞৱল্ক্যৰ ৰচনা কাল কি?

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ যাজ্ঞৱল্ক্যস্মৃতিৰ আচাৰ অধ্যায়ৰ বিষয়বস্তু আলোচনা কৰক।

প্ৰশ্ন ২ ঃ যাজ্ঞৱল্ক্যস্মৃতিৰ ব্যৱহাৰ অধ্যায়ৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ যাজ্ঞৱল্ক্যস্মৃতিৰ টীকাৰ বিষয়ে সংক্ষেপে লিখক।

*** ***** ***

অধ্যায় ৯ঃ চৰকসংহিতা ঃ সাধাৰণ আলোচনা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ আয়ুর্বেদ

৯.৩.১ আয়ুর্বেদৰ অৱতৰণ

৯.৪ চৰকসংহিতাৰ পৰম্পৰা

৯.৫ চৰকসংহিতাৰ অধ্যায় বিভাগ

৯.৬ চৰকসংহিতাৰ অধ্যায়সমূহৰ নামাকৰণ

৯.৭ চৰকসংহিতাৰ টীকাকাৰ

৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৯ অধিক জানিবলৈ

৯.১০ অগ্রগতিৰ খতিয়ান

৯.১১ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আয়ুর্বেদ গ্রন্থ হিচাপে চৰকসংহিতাৰ সৈতে পৰিচয় হ'ব পাৰিব।
- চৰকসংহিতাৰ পৰম্পৰাৰ লগত চিনাকি হ'ব।
- ভৰদ্বাজ, আত্রেয়, অগ্নিৱেশ আদিৰ বিষয়ে জানিব পাৰিব।
- চৰকসংহিতাৰ অধ্যায় বিভাগ সম্পর্কে জ্ঞান লাভ কৰিব।
- অধ্যায়সমূহৰ নামসমূহৰ লগত পৰিচয় হ'ব পাৰিব।
- চৰকসংহিতাৰ টীকাকাৰ সম্পর্কে জ্ঞাত হ'ব পাৰিব।

৯.২ পৰিচয়

প্রাচীন ভাৰতীয় চিকিৎসা পদ্ধতিয়েই হৈছে আয়ুর্বেদিক চিকিৎসা পদ্ধতি। আয়ুর্বেদ হৈছে অত্যন্ত প্রাচীন শাস্ত্র। আয়ুর্বেদ শব্দটোৱে আয়ুস বৃদ্ধি কৰাৰ উপায় বিধান কৰাৰ ইঙ্গিত দিয়ে। আয়ুর্বেদিক চিকিৎসা পদ্ধতিৰ মুখ্য উদ্দেশ্যই হৈছে দৰৱ বা ঔষধ ব্যৱহাৰ কৰি ৰোগ নিৰাময় কৰাতকৈ বেমাৰ নোহোৱাকৈ থকা তথা বেমাৰক পুলিয়ে পুখাই উভালি পেলোৱা। আয়ুর্বেদিক চিকিৎসা শাস্ত্রত চৰকৰ নাম বিশ্ব বিশ্রুত। চৰকসংহিতা আৰু সুশ্রুত সংহিতা আয়ুর্বেদত আটাইতকৈ প্রাচীন তথা প্রামাণিক আর্ষ গ্রন্থ হিচাপে মানি লোৱা হৈছে। চৰকসংহিতাত ৰোগৰ লক্ষণ তথা ইয়াৰ চিকিৎসা বর্ণনা থকাৰ লগতে সুশ্রুতসংহিতাত শল্য চিকিৎসাৰ (Sougery) প্রধানতা দেখিবলৈ পোৱা যায়। কায়চিকিৎসা তথা শৈল্যচিকিৎসা এই শাস্ত্র দুখনৰ পৰিচিত বিষয়, যাক আয়ত্ব কৰা জনক বৈদ্য, ভিষগ্ অথবা কবিৰাজ বোলে।

কুষাণ বংশৰ শ্ৰেষ্ঠ ৰজা কনিষ্কৰ ৰাজসভা শুৰনি কৰা বিখ্যাত আয়ুৰ্বেদ চিকিৎসক হিচাপে চৰকৰ নাম পোৱা যায়। আত্ৰেয়ৰ শিষ্য অগ্নিৱেশে ৰচনা কৰা অগ্নিৱেশতন্ত্ৰ নামৰ গ্ৰন্থখন সংশোধন কৰি পৰিমাৰ্জিত ৰূপত চৰকসংহিতা নামৰ গ্ৰন্থখন প্ৰণয়ন কৰি উলিয়াইছিল।

এই অধ্যায়টিৰ জৰিয়তে আপুনি চৰকসংহিতাৰ এটি সাধাৰণ পৰিচয় লাভ কৰিবলৈ সক্ষম হ'ব। আয়ুৰ্বেদৰ ধাৰণা, চৰকসংহিতাৰ পৰম্পৰা, চৰকসংহিতাৰ বিষয়বস্তু আদিৰ ওপৰত এই অধ্যায়টোত আলোচনা আগবঢ়োৱা হৈছে।

৯.৩ আয়ুৰ্বেদ

সংস্কৃত সাহিত্যত আয়ু (আয়ুস) শব্দটোৰ প্ৰয়োগ জীৱন পৰিক্ৰমা বুজাবলৈ প্ৰয়োগ কৰা হয়। এশ বছৰৰ আয়ুস পূৰ্ণাঙ্গ হিচাপে মানি লোৱা হয়। বেদৰ মন্ত্ৰত এনেদৰে কোৱা হৈছে যে আমি প্ৰত্যেকেই যেন এশ বছৰ জুৰি জীয়াই থাকো— 'জীৱেম শৰদঃ শতম।'

আয়ুৰ্বেদ হৈছে এনেকুৱা শাস্ত্ৰ, যিয়ে আয়ুস (বৃদ্ধি) সম্পৰ্কে জ্ঞান দিয়ে। আয়ুস মানে হৈছে জীৱন (তন্ত্ৰ আয়ুজীৰ্বিত মুচ্যতে) তথা বেদ মানে হৈছে জ্ঞান। চৰকসংহিতা অনুসৰি যি শাস্ত্ৰত, হিতকাৰী, অহিতকাৰী, সুখময়, দুঃখময় আয়ু, তথা আয়ুৰ বাবে হিতকৰ আৰু অহিতকৰ দ্ৰব্য, গুণ, কৰ্ম, আয়ুস প্ৰমাণ তথা লক্ষণৰ দ্বাৰা আয়ুৰ বৰ্ণনা কৰা হৈছে, তাকেই আয়ুৰ্বেদ বুলি কোৱা হয়।

'হিতাহিতং সুখং দুঃখমায়ুস্তস্য হিতাহিতম্।
মানং চ তচ্চ যত্রোক্তমায়ুৰ্বেদঃ স উচ্যতে।।'

(চৰকসংহিতা, সূত্ৰস্থান, ১.৪১)

আনহাতে, সুশ্ৰুতসংহিতা অনুসৰি যি শাস্ত্ৰত অথবা যাৰ দ্বাৰা আয়ুস প্ৰাপ্ত হয়, অথবা আয়ুসৰ জ্ঞান হয়, তাকেই আয়ুৰ্বেদ বোলে—

'আয়ুৰস্মিন্ বিদ্যতে অনেন বা ২২য়ুৰ্বিন্দতী ত্যায়ুৰ্বেদঃ'

(সুশ্ৰুসংহিতা, সূত্ৰস্থান, ১.৫১)

আয়ুৰ্বেদৰ উদ্দেশ্য হৈছে যিমান বছৰলৈ মানুহৰ আয়ুস থাকিব সিমান বছৰলৈ, তেওঁ নিৰোগী হৈ থাকক। কিয়নো পুৰুষাৰ্থ চতুষ্টয়ৰ অৰ্থাৎ ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ এই চাৰিটাৰ প্ৰাপ্তিৰ মূল উপায়েই হৈছে মানুহ আৰোগ্য হৈ থকাটো— ধৰ্মাৰ্থ কাম মোক্ষানাং আৰোগ্যং মূলমূত্তমম্।'

৯.৩.১ আয়ুৰ্বেদৰ অৱতৰণ

'চৰকসংহিতা'ত আয়ুৰ্বেদৰ জ্ঞান স্বৰ্গৰ পৰা মৰ্ত্যলৈ কেনেদৰে প্ৰসাৰিত হ'ল তাৰ অতি সুন্দৰ ব্যাখ্যা গ্ৰন্থখনৰ আৰম্ভণিতে পোৱা যায়। সেই বৰ্ণনা অনুসৰি ব্ৰহ্মাই আছিল আয়ুৰ্বেদৰ সম্পূৰ্ণ জ্ঞাতা। তেওঁৰ পৰা পোন প্ৰথমে দক্ষ প্ৰজাপতিয়ে আয়ুৰ্বেদ শাস্ত্ৰ গ্ৰহণ কৰিছিল। প্ৰজাপতিৰ পৰা অশ্বিনীকুমাৰদ্বয়ে আৰু অশ্বিনী কুমাৰদ্বয়ৰ পৰা ইন্দ্ৰই আয়ুৰ্বেদৰ জ্ঞান লাভ কৰিছিল।

বৈদিক কালৰ কোনো এক সময়ত যেতিয়া সাত্ত্বিক জীৱন ব্যতীত কৰা ঋষিসকল তথা মনুষ্যসকলৰো ৰোগ উৎপন্ন হ'বলৈ ধৰিলে, তেতিয়া অংগিৰা, জমদগ্নি, ভৃগু, আত্ৰেয় আদি ঋষিসকলে হিমালয় পৰ্বতলৈ গ'ল আৰু তাত মিলিত হ'ল। এই ঋষিসকলে দিব্য-চকুৰ দ্বাৰা দেখা পালে যে ৰোগ নিবাৰণ উপায় জানিবলৈ ইন্দ্ৰৰ

ওচৰলৈ যোৱা উচিত, কিয়নো তেওঁৰ হাতত আয়ুর্বেদৰ জ্ঞান আছে। শেষত সকলোৱে চিন্তা-চর্চা কৰি এই কামৰ বাবে মহর্ষি ভৰদ্বাজক ইন্দ্ৰৰ ওচৰলৈ পঠিয়াই দিলে। ঋষি ভৰদ্বাজে ইন্দ্ৰৰ ওচৰত আয়ুর্বেদৰ সাৰাংশ গ্ৰহণ কৰিলে। ইন্দ্ৰই তেওঁক আয়ুর্বেদৰ তিনিটা সূত্ৰ প্ৰদান কৰিলে— ১) স্বস্থ তথা ৰোগী হোৱাৰ কাৰণ কি, ২) স্বাস্থ্য তথা ৰোগৰ লক্ষণ কি, ৩) সুস্থ হৈ থকাৰ তথা ৰোগ নিবাৰণৰ উপায় কি?

ভৰদ্বাজে এই আয়ুর্বেদৰ জ্ঞান সকলো ঋষিকে দিলে আৰু পুণর্বসু আত্ৰেয়ক পঢ়ালে। আত্ৰেয়ই নিজৰ ছয়গৰাকী শিষ্যক এই আয়ুর্বেদৰ জ্ঞান প্ৰদান কৰিলে। এনেকৈয়ে আয়ুর্বেদ শাস্ত্ৰৰ অবতৰণ দেখিবলৈ পোৱা যায়।

৯.৪ চৰকসংহিতাৰ পৰম্পৰা

এতিয়ালৈকে উপলব্ধ আয়ুর্বেদীয় সংহিতাসমূহৰ ভিতৰত চৰকসংহিতা সর্বশ্ৰেষ্ঠ গ্ৰন্থ। ইয়াতে চিকিৎসা বিজ্ঞানৰ মৌলিক তত্ত্ববোৰৰ যিমান আলোচনা কৰা হৈছে, অন্য গ্ৰন্থত তেনেকুৱা আলোচনা পোৱা নাযায়। সেই কাৰণে প্ৰাচীন বিদ্বানসকলে কৈছে— 'চৰকস্তু চিকিৎসিতে'। কায়চিকিৎসা বিষয়ক বিষয়ৰ উপৰিও এই গ্ৰন্থখনত সূত্ৰৰূপত সাংখ্য, যোগ, ন্যায়, বৈশেষিক, বেদান্ত, মীমাংসা আদি আস্তিক দর্শনৰ উপৰিও চার্বাক আদি নাস্তিক দর্শন তথা পৰোক্ষ ৰূপত ব্যাকৰণ আদি বেদাঙ্গৰ সংকলন সুন্দৰ ৰূপত উপস্থাপিত হৈছে।

ইতিমধ্যে কোৱা হৈছে যে ব্ৰহ্মাৰ পৰা প্ৰজাপতি দক্ষই, প্ৰজাপতিৰ পৰা অশ্বিনীকুমাৰ দ্বয়ে, তেওঁলোকৰ পৰা ইন্দ্ৰই আৰু ইন্দ্ৰৰ পৰা ভৰদ্বাজে আয়ুর্বেদ অধ্যয়ন কৰিছিল। ভৰদ্বাজে আয়ুর্বেদৰ প্ৰভাবেৰে দীর্ঘ, সুখী আৰু আৰোগ্য জীৱন লাভ কৰি অন্যান্য ঋষিসকলৰ ওচৰতো ইয়াৰ প্ৰসাৰ কৰিলে। ইয়াৰোপৰি তেওঁ পূনর্বসু আত্ৰেয়কো এই আয়ুর্বেদৰ জ্ঞান শুনাইছিল। ইয়াৰ পিছত আত্ৰেয়ই তেওঁৰ ছয়গৰাকী শিষ্যক এই আয়ুর্বেদৰ জ্ঞান প্ৰদান কৰিছিল। এই শিষ্যসকল হৈছে অগ্নিৱেশ, ভেল, জতূকর্ণ, পৰাশৰ, হাৰীত তথা ক্ষাৰপাণি। এই ছয়গৰাকী শিষ্যই নিজৰ নিজৰ নামত আয়ুর্বেদ সংহিতা ৰচনা কৰি নিজৰ গুৰুক শুনালে। শেষত সকলো ঋষিয়ে অগ্নিৱেশ সংহিতাক শ্ৰেষ্ঠতাৰ আখ্যা দি ইয়াৰ সমাদৰ কৰিলে।

অগ্নিৱেশ সংহিতা গুৰু শিষ্যৰ সংবাদ ৰূপত আছিল। এই গ্ৰন্থখন মূল ৰূপত উপলব্ধ নহয়। চৰকৰ সময়ত নিশ্চয় এই গ্ৰন্থখন উপলব্ধ আছিল। সেয়েহে চৰক মুনিয়ে দেশ, কাল তথা পৰিস্থিতি অনুসৰি ইয়াৰ সংস্কাৰ সাধন কৰিলে আৰু সেয়েহে ইয়াৰ নাম 'চৰকসংহিতা' হৈ পৰিল। চৰকসংহিতাৰ প্ৰত্যেক অধ্যায়ৰ শেষত থকা পুষ্পিকা (Colophon)— 'ইত্যগ্নিৱেশকৃতে তন্ত্ৰে চৰকপ্ৰতিসংস্কৃতে'ৰ পৰা স্পষ্ট হয় যে এই অগ্নিৱেশতন্ত্ৰৰ প্ৰতিসংস্কাৰ পিছত চৰকে কৰিছিল, আৰু সেয়েহে ইয়াৰ নাম চৰকসংহিতা হৈছিল। 'চৰকসংহিতা'ৰ প্ৰথম অধ্যায়ৰ আয়ুর্বেদৰ অবতৰণ ক্ৰমত এই অগ্নিৱেশৰ কথাটো উল্লেখ আছে—

'ব্ৰহ্মণা হি যথা প্ৰোক্তমায়ুর্বেদং প্ৰজাপতিঃ।
জগ্ৰাহ নিখিলেনাদাবশ্বিনৌ তু পুনস্ততঃ।।
অশ্বিভ্যাং ভগৰাঞ্ছক্ৰঃ প্ৰতিপেদে হ কেৱলম্।
ঋষিপ্ৰোক্তো ভৰদ্বাজস্তস্মাচ্ছক্ৰমুপাগমত।।'

অধুনা উপলব্ধ চৰকসংহিতাত স্পষ্ট উল্লেখ আছে যে চিকিৎসা স্থানৰ ১৭ টা অধ্যায় তথা ১২-১২ অধ্যায়ৰ কল্পস্থান আৰু সিদ্ধিস্থান নথকা হেতুকে দৃঢ়বল নামৰ আন এজন আচার্য্যই ইয়াৰ সংযোগ কৰাইছিল—

'অস্মিন্ সপ্তদশাধ্যায়াঃ কল্পাঃ সিদ্ধ্য এৱ চ।
নাসাদ্যন্তেৎঅগ্নিৱেশস্য তন্ত্ৰে চৰকসংস্কৃতে।।
তানেতান্ কাপিলবলিঃ শেষান্ দৃঢ়বলো ঽকৰোৎ।

তন্ত্রস্যাস্য মহার্থস্য পুৰণার্থং যথাতথম্।।'

এনেদৰে এই সংহিতাৰ লগত ভৰদ্বাজ, আত্রেয়, অগ্নিৱেশ, চৰক আৰু দৃঢ়বল— এই পাঁচ আচার্য্যৰ নাম সম্বন্ধিত হৈ আছে।

ভৰদ্বাজ ঃ ইন্দ্রৰ পৰা আয়ুর্বেদ অধ্যয়ন কৰি মনুষ্য লোকত ইয়াৰ প্রসাৰ কৰা প্রথমজন ব্যক্তিয়েই হৈছে ভৰদ্বাজ। এনেকৈয়ে ব্যাকৰণ শাস্ত্রৰ প্রথম জ্ঞাতা আৰু প্রচাৰকৰ ৰূপত এওঁৰ বর্ণনা কৰিছে— 'যথাচার্য্যা ঊচুঃ ব্রহ্মা বৃহস্পতয়ে প্রোবাচ বৃহস্পতিৰিন্দ্রায়েন্দ্রো ভৰদ্বাজায়, ভৰদ্বাজো ঋষিভ্যঃ, ঋষয়ো ব্রাহ্মণেভ্যস্তং খল্বিযমক্ষৰসমাম্নায়ম্'। ভৰদ্বাজৰ জন্ম বর্ণনা মৎস্য, অগ্নি, ব্রহ্ম, হৰিবংশ আদি পুৰাণত পোৱা যায়। জ্বৰাদি ৰোগৰ উৎপত্তি ত্রেতাযুগৰ মাজত হোৱা বিষয়টো চৰকসংহিতাত আছে। তাৰোপৰি ৰোগৰ উৎপত্তি হোৱাৰ পিছত ঋষিসকলৰ সভা হৈছিল য'ত ইন্দ্রৰ ওচৰলৈ আয়ুর্বেদ অধ্যয়ন কৰিবলৈ ভৰদ্বাজক প্রেৰণৰ সিদ্ধান্ত লোৱা হৈছিল। ভৰদ্বাজৰ আশ্রম প্রয়াগত আছিল, য'ত তপোবল আৰু ৰসায়ন বিশেষকৈ আচাৰ-ৰসায়ন আৰু দিব্যৌষধিৰ প্রভাবত ঋষিসকল দীর্ঘজীৱি হৈছিল। ভৰদ্বাজ পাঞ্চাল দেশৰ ৰজা পৃষতৰ মিত্র তথা কৌৰৱ-পাণ্ডৱৰ গুৰু দ্রোণাচার্য্যৰ পিতা আছিল। পৃষতৰ মৃত্যুৰ পিছত তেওঁৰ পুত্র দ্রুপদ ৰজা হোৱাৰ সময়ত ভৰদ্বাজ স্বর্গগামী হোৱা বুলি জনা যায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'আয়ু' শব্দটোৰ অর্থ কি?

.....

.....

প্রশ্ন নং ২ ঃ আয়ুর্বেদৰ প্রথম বক্তা কোন?

.....

.....

প্রশ্ন নং ৩ ঃ 'চৰকসংহিতা'ত কি চিকিৎসাৰ বিষয় পোৱা যায়?

.....

.....

প্রশ্ন নং ৪ ঃ 'চৰকসংহিতা'ৰ উৎস কি?

.....

.....

প্রশ্ন নং ৫ ঃ ইন্দ্রৰ পৰা কোনে সভ্যলোকলৈ আয়ুর্বেদ আনিছিল?

.....

.....

আত্রেয় ঃ আত্রেয় ব্রহ্মাৰ অযেনিজ (মানস) পুত্র দেৱর্ষি অত্রিৰ পুত্র আছিল। চৰকসংহিতাৰ ভিন্ন ঠাইত এওঁক 'অত্রিজ', 'অত্রিসূনু', 'অত্র্যাত্মজ', 'অত্রিসুত', 'অত্রিনন্দন' আদি শব্দেৰে অভিহিত কৰা হৈছে। অত্রি ঋষি নিজেও আয়ুর্বেদৰ আচার্য্য আছিল। 'কাশ্যপ সংহিতা'ত এই কথাটোৰ উমান পোৱা যায়— ইন্দ্র ঋষিভ্যশ্চতুর্ভ্যঃ কশ্যপবশিষ্ঠাত্রিভৃগুভ্যস্তে পুত্রেভ্যঃ শিষ্যেভ্যশ্চ প্রদদুঃ।' মহাকবি অশ্বঘোষেও আত্রেয় সম্পর্কে এনেদৰে কৈছে—

'চিকিৎসিতং যচ্চ চকাৰ নাত্রিঃ পশ্চাত্তদাত্রেয় ঋষির্জগাদ।' 'চৰকসংহিতা'ৰ মূল গ্ৰন্থ 'অগ্নিবেশতন্ত্ৰ'ৰ ৰচক অগ্নিৱেশ তথা তেওঁৰ সহপাঠী ভেড় আদিৰ তেওঁ গুৰু আছিল। এওঁৰ বিশিষ্ট নাম পুনর্বসূ (সম্ভৱতঃ পুনর্বসূ নক্ষত্ৰত জন্ম হোৱা কাৰণে) তথা চন্দ্ৰভাগ অথবা চন্দ্ৰভাগী আছিল। কোনো কোনোৱে এওঁৰ মাকৰ নাম চন্দ্ৰভাগা বুলি ক'ব খোজে। কৃষ্ণযজুর্বেদী হোৱা বাবে কোনো কোনোৱে এওঁক কৃষ্ণত্ৰেয় বুলিও কয়। পিতা অত্রি তথা মহর্ষি ভৰদ্বাজৰ পৰা আয়ুর্বেদৰ জ্ঞান লাভ কৰা কাৰণে পুনর্বসূ আত্রেয় সেই সময়ৰ সর্বশ্রেষ্ঠ বৈদ্য হৈছিল। ইন্দ্ৰৰ ওচৰলৈ ভৰদ্বাজক পঠোৱাৰ পূর্বে যিখন ৰোগ নিবাৰণার্থে ঋষি সন্মিলন হৈছিল, তাতো এওঁ উপস্থিত আছিল। কিছু কিছু বৌদ্ধধর্মীয় আচার্য্যই আত্রেয়ক বৌদ্ধকালীন বুলি কব খোজে। আজিকালি উপলব্ধ 'হাৰীতসংহিতা'ত আত্রেয় নির্মিত ক্ৰমশ ২৪ হাজাৰ, ১২ হাজাৰ, ৬ হাজাৰ, ৩ হাজাৰ আৰু ১৫০০ শ্লোকত লিখা ৫ সংহিতাৰ উল্লেখ পোৱা যায়, যাৰ প্ৰশংসা নিম্নোক্ত শ্লোকত পোৱা যায়—

'য়থা সিংহো মৃগেন্দ্রাণাং যথা ঽনন্তো ভুজঙ্গমে।
দেৱানাঞ্চ যথা শম্ভুস্তথাত্রেয়ো ঽস্তি বৈদ্যকে।।'

অগ্নিৱেশ ঃ পুনর্বসু আত্রেয়ৰ ছাত্রসকলৰ ভিতৰত অগ্নিৱেশৰ নাম সর্বপ্রথমে আহে। তেওঁ মহর্ষিৰ পৰা আয়ুর্বেদৰ অধ্যয়ন কৰি 'অগ্নিৱেশতন্ত্ৰ' নামৰ গ্ৰন্থখন নির্মাণ কৰে, যিখনৰ প্ৰতিসংস্কাৰ চৰকে কৰিছিল। শালিহোত্ৰ আৰু পালকাপ্য সংহিতাত এওঁৰ নামৰ উল্লেখ আছে। পাণিনিৰ গর্গাদিগণত জতূকর্ণ, পৰাশৰ আদিৰ লগত অগ্নিৱেশৰ নাম আহে। সেয়েহে এওঁ পাণিনিৰ পূর্ববর্তী বুলি কোৱা হয়। মহাভাৰতৰ মতে এওঁ বেদ-বেদাঙ্গত ভৰদ্বাজৰ শিষ্য তথা শস্ত্ৰবিদ্যাত দ্রোণাচার্য্যৰ গুৰু আছিল।

চৰক ঃ চৰকৰ দ্বাৰা ভাষ্যাত্মক প্ৰতিসংস্কাৰ হোৱাৰ বাবে 'অগ্নিৱেশতন্ত্ৰ' চৰকসংহিতাৰ ৰূপত পৰিণত হ'ল, কিন্তু ইয়াৰ মূলৰূপ 'অগ্নিৱেশ তন্ত্ৰ'ৰ ৰূপত সুৰক্ষিত হৈ থাকিল আৰু বহুদিনলৈ সমান্তৰালভাৱে চলি আছিল। এতিয়া উপলব্ধ 'চৰকসংহিতা'ত গুৰু-শিষ্যৰ প্ৰশ্নোত্তৰ ৰূপত বিষয়ৰ প্ৰতিপাদন কৰা হৈছে। ইয়াৰ উপৰিও, ক'ৰবাত তৃতীয় ব্যক্তিৰ উক্তিও পোৱা যায়। এনেদৰে বিষয়বস্তুক গুৰুসূত্ৰ, শিষ্যসূত্ৰ আৰু প্ৰতিসংস্কর্তৃসূত্ৰত বিভক্ত কৰা হৈছে—

বহু বিদ্বানে অগ্নিৱেশ আৰু চৰকক একেজন ব্যক্তি বুলি ভাৱে। কিন্তু চৰকসংহিতাৰ প্ৰতিটো অধ্যায়ৰ শেষত থকা 'অগ্নিৱেশ কৃতে তন্ত্রে চৰকপ্রতিসংস্কৃতে' এই বাক্যৰ পৰা এইটো স্পষ্ট হয় যে অগ্নিৱেশ আৰু চৰক ভিন্ন ব্যক্তি। কিন্তু চৰক কোন আছিল, তেওঁৰ সময় কি? তেওঁ কোন ঠাইৰ এই সম্বন্ধে স্পষ্ট বিৱৰণ পোৱা নাযায়। কিছুমান পণ্ডিতৰ মতে চৰক কুষাণবংশীয় ৰজা কনিষ্কৰ ৰাজবৈদ্য আছিল আৰু তেওঁ খ্ৰীষ্টীয় পঞ্চম শতিকাৰ শেষৰ ফালে প্ৰাচীন ভাৰতীয় চিকিৎসা বিজ্ঞানৰ গুৰি ধৰিছিল। ভাৱপ্রকাশ নামৰ গ্ৰন্থ মতে তেওঁ 'বিশুদ্ধ' নামৰ ঋষি এজনৰ পুত্ৰ তথা ভগবান, অনন্তৰ অৱতাৰ আছিল। কিছুমানৰ মতে এওঁৰ নাম কপিষ্ঠল চৰক আছিল। এওঁৰ নিবাসস্থান আছিল পঞ্চনদ (পঞ্জাৱ) প্ৰদেশৰ ইৰাবতী আৰু চন্দ্ৰভাগা নদীৰ মাজতে স্থিত কপিস্থল নামৰ গাঁৱত আছিল। কিছুমান গৱেষকৰ মতে অগ্নিৱেশতন্ত্ৰ প্ৰতিসংস্কর্তা চৰক যাজ্ঞবল্ক্যৰ সতীর্থ আৰু বৈশম্পায়নৰ শিষ্য আছিল আৰু এওঁ যীশুখ্ৰীষ্টৰ ৩০০০ বছৰৰ পূর্ববর্তী আছিল। অধিকাংশ লোকৰে এইটো মত যে চৰক কৃষ্ণযজুর্বেদৰ এটা শাখাৰ নাম আৰু এই সম্প্রদায়ৰ লোকক চৰক বুলি কোৱা হৈছিল— চৰক ইতি বৈশম্পায়নস্যাখ্যা, তৎসম্বন্ধেন সর্বে তদন্তেবাসিনশ্চৰকা ইত্যুচ্যন্তে। (কাশিকা ৪/৩/১০৪)।

চৰকক স্পষ্টকৈ উল্লেখ কৰা প্ৰথমজন ব্যক্তিয়েই হল বাগ্‌ভট। প্ৰথম বাগ্‌ভটৰ ৰচনা 'অষ্টাঙ্গসংগ্রহ' মূলত সুশ্রুতৰ অনুসৰণ তথা দ্বিতীয় বাগ্‌ভটৰ ৰচনা 'অষ্টাঙ্গহৃদয়' চৰকৰ অনুসৰণ কৰি লিখা গ্ৰন্থ।

দৃঢ়বল ঃ বর্তমান উপলব্ধ 'চৰকসংহিতা'ত উল্লেখ আছে যে 'চৰকসংহিতা'ৰ এক তৃতীয়াংশ সেই সময়ত উপলব্ধ নোহোৱা হেতুকে দৃঢ়বলে অন্যান্য তন্ত্ৰৰ আধাৰত ইয়াক সম্পূর্ণ কৰিছিল। দৃঢ়বলে সংযোগ কৰা এই

অংশখিনি হৈছে চিকিৎসাস্থানৰ ১৭ টা অধ্যায়, সম্পূর্ণ কল্পস্থান (১২ টা অধ্যায়) তথা সিদ্ধিস্থান (১২ টা অধ্যায়)। এনেদৰে মুঠ ১২০ টা অধ্যায়ৰ ৫১ টা অধ্যায়ৰ দৃঢ়বলৰ দ্বাৰা লিখা হৈছে। বিদ্বানসকলৰ মতে দৃঢ়বল পঞ্চনদপূৰৰ (পঞ্জাৰ) বাসিন্দা আছিল আৰু তেওঁ শৈৰ আছিল। তেওঁৰ পিতৃৰ নাম আছিল কপিবল। তেওঁ নিজে এই কথাটো দাঙি ধৰিছে—

'অস্মিন্সপ্তদশাধ্যায়াঃ কল্পাঃ সিদ্ধ্য এৱ চ।
নাসাদ্যন্তেৎগ্নিৱেশস্য তন্ত্রে চৰকসংস্কৃতে।।
তানেতান্ কপিলবলো শেষান্ দৃঢ়বলো ঽকৰোৎ।।'

অগ্নিৱেশকৃত তন্ত্র চৰকৰ দাৰা প্রতিসংস্কৃত আৰু কালক্রমত খণ্ডিত অংশৰ পূর্ণতা দৃঢ়বলৰ দ্বাৰা কৃত হৈ বর্তমান চৰক সংহিতাৰ ৰূপত উপলব্ধ হৈছে। দৃঢ়বলে নিজেই এই কথাটো কৈছে—

বিস্তাৰয়তি লেশোক্তং সংক্ষিপত্যতিবিস্তৰম্।
সংস্কর্তা কুৰুতে তন্ত্রং পুৰাণং চ পুনর্নৱম্।।'

ইয়াৰ দ্বাৰা এইটো সিদ্ধ হয় যে মূলতন্ত্রত প্রতিসংস্কৰণৰ হেতু পৰিবর্তন হোৱাৰ বাবে বর্তমান উপলব্ধ সংহিতা মূল অগ্নিৱেশ তন্ত্রৰ পৰা প্রায় পৃথক হৈ পৰিছে। প্রাচীন টীকাসমূহত অগ্নিৱেশৰ মান উদ্ধৃত বহুত বচন আজিকালিৰ সংহিতাখনত পোৱা নাযায়।

দৃঢ়বলৰ সময়ৰ ক্ষেত্রত বিভিন্নজনে বিভিন্ন মত পোষণ কৰিছে। কিছুমানৰ মতে খ্রীষ্টীয় চতুর্থ অথবা পঞ্চম শতিকাত দৃঢ়বলৰ কাল আছিল। কীথ (Keith) ৰ মতে এওঁৰ সময় অষ্টম অথবা নৱম শতাব্দী। বাগ্ভটে তেওঁৰ গ্রন্থত দৃঢ়বলে যোগ দিয়া অংশৰ পৰাও উদ্ধৃতি দিছে। সেয়েহে বাগ্ভটৰ সময় যিহেতু খ্রীষ্টীয় তৃতীয় শতিকা, গতিকে প্রায় ২০০ বছৰ পূর্বে দৃঢ়বলৰ জন্ম হৈছিল।

দৃঢ়বলৰ দ্বাৰা প্রতিসংস্কৃত বর্তমান উপলব্ধ চৰকসংহিতাত চাৰি প্রকাৰৰ সূত্র পোৱা যায়— ১) গুৰুসূত্র, যেনে— একো ঽপি হ্যনেকাং সংজ্ঞাং লভতে কার্যান্তৰাণি কুর্বন্ (চৰক, সূত্র, অধ্যায় ৪), ২) শিষ্যসূত্র, যেনে— নৈতানি ভগৱন্ পঞ্চকষায়শতানি পূর্য্যন্তে তানি তানি হ্যেবাঙ্গানি সম্পল্লবন্তে তেষু তেষু কষায়েষ্বিতি (চৰক, সূ. অ. ৪), ৩) প্রতিসংস্কর্তৃসূত্র, যেনে— 'তমুবাচ ভগৱানাত্রেয়ঃ', ৪) একীয়সূত্র, যেনে— 'আত্মজঃ পুৰুষো ৰোগাশ্চাত্মজাঃ কাৰণং হি সঃ' (চ. সূ. অ. ২৫)।

৯.৫ চৰকসংহিতাৰ অধ্যায় বিভাগ

বর্তমান উপলব্ধ চৰকসংহিতাত ১২০ টা অধ্যায় আছে। তথা চৰকসংহিতা ৮ টা স্থানত বিভক্ত। সেই অনুসৰি—

১। শ্লোক স্থান (সূত্রস্থান)	ঃ	ইয়াত ৩০ টা অধ্যায় আছে।
২। নিদান স্থান	ঃ	ইয়াত ৮ টা অধ্যায় আছে।
৩। বিমান স্থান	ঃ	ইয়াত ৮ টা অধ্যায় আছে।
৪। শৰীৰ স্থান	ঃ	ইয়াত ৮ টা অধ্যায় আছে।
৫। ইন্দ্রিয় স্থান	ঃ	ইয়াত ১২ টা অধ্যায় আছে।
৬। চিকিৎসা স্থান	ঃ	ইয়াত ৩০ টা অধ্যায় আছে।
৭। কল্প স্থান	ঃ	ইয়াত ১২ টা অধ্যায় আছে।
৮। সিদ্ধি স্থান	ঃ	ইয়াত ১২ টা অধ্যায় আছে।

'দ্বে ত্রিংশকে দ্বাদশকং ত্রয়ং চ ত্রীণ্যষ্টকান্যেষু সমাপ্তিৰুক্তা।
শ্লোকৌষধাৰিষ্টবিকল্পসিদ্ধিনিদানমানাশ্রয়সংজ্ঞকেষু।।'

ইতিমধ্যে কোৱা হৈছে চৰকৰ দ্বাৰা সংস্কাৰিত মূল অগ্নিৱেশকৃত চৰকসংহিতাত কেবল সূত্র স্থান, নিদান স্থান, বিমান স্থান, শৰীৰ স্থান, ইন্দ্রিয় স্থান আৰু চিকিৎসা স্থানৰ প্রথম ১৩ টা অধ্যায়হে আছিল। পিছত দৃঢ়বলে চিকিৎসাস্থানৰ পিছৰ ১৭ টা অধ্যায় তথা কল্প স্থান আৰু সিদ্ধি স্থান সংলগ্ন কৰি গ্রন্থখন প্রতিসংস্কৃত কৰে।

৯.৬ চৰকসংহিতাৰ অধ্যায়সমূহৰ নামাকৰণ

ক) **সূত্রস্থান ঃ** এই স্থানটোত ৩০ টা অধ্যায় আছে। এই অধ্যায়সমূহৰ নাম হৈছে—
১। দীর্ঘঞ্জীৱিতীয়, ২। অপামার্গতণ্ডুলীয়, ৩। আৰগ্বধীয়, ৪। ষড়্বিৰেচনশতাশ্রিতীয়, ৫। মাত্রাশিতীয়, ৬। তস্যাশিতীয়, ৭। নবেগান্ধাৰণীয়, ৮। ইন্দ্রিয়োপক্রমণীয়, ৯। খুড্ডাকচতুষ্পাদ, ১০। মহাচতুষ্পাদ, ১১। তিস্রৈষণীয়, ১২। বাতকলাকলীয়, ১৩। স্নেহাধ্যায়, ১৪। স্বেদাধ্যায়, ১৫। উপকল্পনীয়, ১৬। চিকিৎসা-প্রাভৃতীয়, ১৭। কিয়ন্তঃ শিৰসীয়, ১৮। ত্রিশোফীয়, ১৯। অষ্টৌদৰীয়, ২০। মহাৰোগাধ্যায়, ২১। অষ্টৌনিন্দিতীয়, ২২। লঙ্ঘনবৃংহণীয়, ২৩। সন্তর্পণীয়, ২৪। বিবিশোণিতিক, ২৫। যজ্জঃপুৰুষীয়, ২৬। আত্রেয়ভদ্রক্লাপ্যীয়, ২৭। অন্নপানবিধি, ২৮। বিবিধাশিতপীতীয়, ২৯। দশপ্রাণায়তনিক, ৩০। অর্থেদশমহামূলীয়।

খ) **নিদানস্থান ঃ** এই স্থানটোত ৮ টা অধ্যায় আছে, যিবোৰৰ নাম নিম্নোক্তধৰণে পোৱা যায়—
১। জ্বৰনিদান ২। ৰক্তপিত্তনিদান, ৩। গুল্মনিদান, ৪। প্রমেহনিদান, ৫। কুষ্ঠনিদান, ৬। শোষনিদান, ৭। উন্মাদনিদান, ৮। অপাস্মাৰনিদান।

গ) **বিমানস্থান ঃ** এই স্থানটোত ৮ টা অধ্যায় আছে। এই অধ্যায়বোৰৰ নামসমূহ হৈছে— ১। ৰসবিমান, ২। ত্রিবিধকুক্ষীয়, ৩। জনপদোদ্ধ্বংসনীয়, ৪। ত্রিবিধৰোগবিশেষবিজ্ঞানীয়, ৫। স্রোতোবিমান, ৬। ৰেগোনীকবিমান, ৭। ব্যাধিতৰূপীয়, ৮। ৰোগভিষগ্জিতীয়।

ঘ) **শৰীৰস্থান ঃ** এই অধ্যায়টোত ৮ টা অধ্যায় আছে। সেইবোৰ হ'ল— ১। কতিধাপুৰুষীয়, ২। অতুল্যগোত্রীয়, ৩। খুড্ডিকাগর্ভাৱক্রান্তি, ৪। মহতী গর্ভাৱক্রান্তি, ৫। পুৰুষবিচয়, ৬। শৰীৰবিষয়, ৭। শৰীৰসংখ্যা, ৮। জাতিসূত্রীয়।

ঙ) **ইন্দ্রিয়স্থান ঃ** ইয়াত ১২ টা অধ্যায় আছে। সেইবোৰৰ নাম হৈছে—
১। বর্ণস্বৰীয়, ২। পুষ্পিতক, ৩। পৰিমর্শনীয়, ৪। ইন্দ্রয়ানীক, ৫। পূর্বৰূপীয়, ৬। কতমানিশৰীৰীয়, ৭। পন্নৰূপীয়, ৮। অৱাকশিৰসীয়, ৯। যস্যশ্যাৱনিমিত্তীয়, ১০। সদ্যোমৰণীয়, ১১। অনুজ্যোতীয়, ১২। গোময়চূর্ণীয়।

চ) **চিকিৎসাস্থান ঃ** ইয়াত ৩০টা অধ্যায় আছে। এই অধ্যায়সমূহৰ নাম হৈছে---
১। ৰসায়ন প্রকৰণ (ইয়াত ৪ টা পাদ আছে— অভয়ামলকীয় ৰসায়ন, প্রাণকামীয় ৰসায়ন, কৰপ্রচিতীয় ৰসায়ন, আয়ুর্বেদসমুত্থানীয় ৰসায়ন),
২। বাজীকৰণ (ইয়াত ৪ টা পাদ আছে— সংযোগশৰমূলীয় বাজীকৰণ, আসক্তক্ষীৰীয় বাজীকৰণ, মাষপর্ণভূতীয় বাজীকৰণ, পুমাঞ্জাতবলাদিক বাজীকৰণ)
৩। জ্বৰ, ৪। ৰক্তপিত্ত, ৫। গুল্ম, ৬। প্রমেহ, ৭। কুষ্ঠ, ৮। শোষ, ৯। উন্মাদ, ১০। অপস্মাৰ, ১১। ক্ষতক্ষীণ, ১২। শোফ, ১৩। উদৰ, ১৪। অর্শ, ১৫। গ্রহনী, ১৬। পাণ্ডুৰোগ, ১৭। হিক্কা-শাস, ১৮। কাস, ১৯। অতিসাৰ,

২০। ছর্দি, ২১। বীসর্প, ২২। তৃষ্ণা, ২৩। বিষ, ২৪। মদ্যবিকাৰ (মদাত্যয়), ২৫। দ্বিব্রণীয়, ২৬। ত্রিমর্মীয়, ২৭। উৰুস্তম্ভ, ২৮। বাতব্যাধি, ২৯। বাতৰক্ত, ৩০। যোনিব্যাপদ্।

ছ) **কল্পস্থান ঃ** এই স্থানটোত ১২ টা অধ্যায় আছে। সেইবোৰৰ নামসমূহ হৈছে—

১। ফল (মদনফল), ২। জীমূতক (দেৱদালী), ৩। ইক্ষ্বাকু, ৪। ধামার্গংৱ, ৫। বৎসক, ৬। কৃতবেধন, ৭। শ্যামা, ৮। চতুৰঙ্গুল, ৯। তিল্বক, ১০। সুধা, ১১। সপ্তলা শংখিনী, ১২। দন্তী-দ্রৱন্তী

জ) **সিদ্ধিস্নান ঃ** এই স্থানটোত ১২ টা অধ্যায় আছে। সেইবোৰৰ নামসমূহ হৈছে—

১। কল্পনাধ্যায়, ২। পঞ্চকর্মীয়াধ্যায়, ৩। বস্তিসূত্রীয়, ৪। স্নেহব্যাপদিকী, ৫। নেত্রবস্তিব্যাপদিকী, ৬। বমনবিৰেচনব্যাপদিকী, ৭। বস্তিব্যাপদিকী, ৮। প্রাসৃতযৌগিকী, ৯। ত্রিমর্মীয়, ১০। বস্তিসম্বন্ধী, ১১। ফলমাত্রাবস্তি, ১২। উত্তৰবস্তি।

৯.৭ চৰকসংহিতাৰ টীকাকাৰ

'চৰকসংহিতা'ৰ ওপৰত বিভিন্নজন বিদ্বানে টীকা-ভাষ্য ৰচনা কৰিছে। সেইবোৰৰ ভিতৰত কেইটামান প্রসিদ্ধ টীকা হৈছে—

টীকাকাৰ	টীকাৰ নাম
১। ভট্টাৰহৰিচন্দ্র (৬ষ্ঠ শতিকা)	চৰকন্যাস
২। স্বামিকুমাৰ	চৰকপঞ্জিকা
৩। জেজ্জট (৯ম শতিকা)	নিৰন্তৰ পদব্যাখ্যা
৪। চক্রপাণি (১১ শ শতিকা)	আয়ুর্বেদদীপিকা
৫। শিৱদাস সেন (১৫ শ শতিকা)	তত্ত্বচন্দ্রিকা
৬। গংগাধৰ ৰায় (১৭৯১-১৮৫৫)	জল্পকল্পতৰু
৭। যোগীন্দ্র নাথ সেন (১৮৭১-১৯১৮)	চৰকোপস্কাৰ
৮। জ্যোতিষচন্দ্র সৰস্বতী	চৰকপ্রদীপিকা

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ আত্রেয়ৰ ছাত্র কোন আছিল?

.....

প্রশ্ন নং ৭ ঃ বর্তমান উপলব্ধ 'চৰকসংহিতা'খন কাৰ দ্বাৰা প্রতিসংস্কৃত?

.....

প্রশ্ন নং ৮ ঃ 'চৰকসংহিতা'খনত কিমানটা স্থান আছে?

.....

প্রশ্ন নং ৯ ঃ চৰকসংহিতাখনত কিমানটা অধ্যায় আছে?

.....

প্রশ্ন নং ১০ ঃ চক্রপাণিয়ে লিখা 'চৰকসংহিতা'ৰ টীকাটোৰ নাম কি?

.....

৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- আয়ুর্বেদ শাস্ত্র হিচাপে চৰকসংহিতাৰ লগত পৰিচিত হ'ব পাৰিলে।
- চৰকসংহিতাৰ পৰম্পৰা সম্বন্ধে জ্ঞান হল।
- ভৰদ্বাজ, আত্রেয়, অগ্নিৱেশ আদিৰ বিষয়ে জানিব পাৰিলে।
- চৰকসংহিতাৰ অধ্যায় বিভাগৰ জ্ঞান লাভ কৰিলে।
- অধ্যায়সমূহৰ নামৰ লগত পৰিচয় হ'ব পাৰিলে।
- চৰকসংহিতাৰ টীকাকাৰৰ বিষয়ে জানিব পাৰিলে।

৯.৯ অধিক জানিবলৈ

১) শাস্ত্রী, (পঃ) বাজেশ্বৰ দত্ত (সম্পাদিত), (২০০৫), *চৰকসংহিতা,* খণ্ড ১-২, বাৰানসী ঃ চৌখম্ভা ভাৰতী একাডেমী।

২) পাণ্ডে, (ডাঃ) গঙ্গাসহায় (সম্পাদিত), (২০০৭), *চৰকসংহিতা,* ভাগ ১-২, বাৰানসী ঃ চৌখম্ভা সংস্কৃত সংস্থান।

৩) বার্ষ্ণেয়, চন্দ্রগুপ্ত, (২০০২), *চৰকসংহিতা,* জয়পুৰ ঃ ৰাজস্থান পত্রিকা প্রকাশন।

৪) Goswami, (Dr.) Dilip Kumar, (2018), *Essentials of Ayurveda,* Jorhat : Eastern Readers Publication.

৫) Dora, (Dr.) Ghanashyam, (2011), *Ayurvediya Hitopadesha,* Puri : Ethical Publications.

৯.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জীৱন।

২ নং প্রশ্নৰ উত্তৰ ঃ ব্রহ্মা।

৩ নং প্রশ্নৰ উত্তৰ ঃ কায়চিকিৎসা।

৪ নং প্রশ্নৰ উত্তৰ ঃ অগ্নিৱেশ তন্ত্র।

৫ নং প্রশ্নৰ উত্তৰ ঃ ভৰদ্বাজে।

৬ নং প্রশ্নৰ উত্তৰ ঃ অগ্নিৱেশ।

৭ নং প্রশ্নৰ উত্তৰ ঃ দৃঢ়বলৰ দ্বাৰা।

৮ নং প্রশ্নৰ উত্তৰ ঃ ৮ টা।

৯ নং প্রশ্নৰ উত্তৰ ঃ ১২০ টা।

১০ নং প্রশ্নৰ উত্তৰ ঃ আয়ুর্বেদদীপিকা।

৯.১১ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

(ক) তলৰ প্রশ্নকেইটাৰ উত্তৰ লিখক।

(খ) 'চৰকসংহিতা'ৰ নামটো কেনেকৈ হ'ল?

(গ) ইন্দ্ৰৰ ওচৰলৈ আয়ুৰ্বেদ পঢ়িবলৈ কোনে গৈছিল?

(ঘ) 'নিদানস্থান'ত কেইটা অধ্যায় আছে?

(ঙ) 'চৰকসংহিতা'ৰ এজন টীকাকাৰৰ নাম লিখক।

(খ) চুটি প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ চমুটোকা লিখক ঃ

ভৰদ্বাজ, আত্ৰেয়, অগ্নিৱেশ, চৰক, দৃঢ়বল।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ আয়ুৰ্বেদৰ ইতিহাস সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ 'চৰকসংহিতা'ৰ পৰম্পৰা সংক্ষেপে লিখক।

প্ৰশ্ন ৩ ঃ 'চৰকসংহিতা'ৰ অধ্যায়সমূহৰ পৰিচয় দাঙি ধৰক।

*** ***** ***

অধ্যায় ১০ঃ সুশ্রুতসংহিতা ঃ সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ আয়ুর্বেদ
১০.৪ আয়ুর্বেদৰ অৱতৰণ
১০.৫ প্ৰাৰম্ভিক গ্ৰন্থত আয়ুর্বেদ
১০.৬ 'সুশ্রুতসংহিতা'ৰ পৰম্পৰা
১০.৭ 'সুশ্রুতসংহিতা'ৰ অধ্যায় বিভাগ
১০.৮ 'সুশ্রুতসংহিতা'ৰ বিষয়বস্তু
১০.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.১০ অধিক জানিবলৈ
১০.১১ অগ্ৰগতিৰ খতিয়ান
১০.১২ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আয়ুর্বেদৰ অৱতৰণৰ বিষয়ে জানিব পাৰিব।
- 'সুশ্রুতসংহিতা'ৰ পৰম্পৰাৰ বিষয়ে জ্ঞান লাভ কৰিব।
- 'সুশ্রুতসংহিতা'ৰ অধ্যায় বিভাগৰ লগত পৰিচয় হ'ব পাৰিব।
- 'সুত্রস্থান'ৰ অধ্যায়সমূহৰ বিষয়বস্তুৰ জ্ঞান লাভ কৰিব পাৰিব।
- আন স্থানৰ অধ্যায়সমূহৰ নামৰ লগত চিনাকী হ'ব পাৰিব।

১০.২ পৰিচয়

বিদ্বানসকলৰ মতে বেদেই হৈছে প্ৰাচীনতম গ্ৰন্থ। বেদৰ পাততেই ৰোগ, বীজাণু, ঔষধী আদিৰ বৰ্ণনা পোৱা যায়। ইয়াৰ পৰৱৰ্তী কালত স্বকীয়ভাৱে আয়ুর্বেদ গ্ৰন্থৰ উল্লেখ পোৱা যায়। পূৰ্বতে আয়ুর্বেদ একলক্ষ শ্লোকত নিৱদ্ধ আছিল, কিন্তু পৰৱৰ্তী কালত অগ্নিৱেশ আদি আচাৰ্যসকলে আয়ুর্বেদক আঠোটা অঙ্গত বিভক্ত কৰিলে। ৰামায়ণ কালৰ পূৰ্বেই এই আঠটা অঙ্গৰ বিকাশ পূৰ্ণৰূপত হোৱাৰ লগতে আত্ৰেয় পূণৰ্বাসু, কশ্যপ, ধন্বন্তৰি, বিদেহ আদি মহান ঋষিসকলে সেই সেই বিষয়ৰ উপদেশ নিজ নিজ শিষ্যবিলাকক দিছিল আৰু সেই শিষ্যসমূহে বহুকেইখন তন্ত্ৰ ৰচনা কৰিছিল। ইয়াৰে ভিতৰত চৰক আৰু শুশ্রুত সংহিতা সম্পূৰ্ণৰূপত পোৱাৰ লগতে কাশ্যপ তথা ভেল সংহিতা খণ্ডিত ৰূপত পোৱা যায়। বাগ্‌ভটে সেই মহান তন্ত্ৰসমূহক লৈ তাৰ শতাংশক সুসম্পাদিত ৰূপেৰে 'অষ্টাঙ্গসংগ্ৰহ' তথা 'অষ্টাঙ্গ হৃদয়' নামেৰে গ্ৰন্থত উপস্থাপিত কৰে।

সুশ্রুতৰ দ্বাৰা প্ৰণীত 'সুশ্রুতসংহিতা' আয়ুৰ্বেদৰ এখন সুপ্ৰসিদ্ধ, সৰ্বমান্য, সৰ্বোত্তম, তথা সুসংস্কৃত গ্ৰন্থ। এই সংহিতাখন শাৰীৰ, শল্য, শালাক্য প্ৰধান। সংহিতাখনত ৰোগী, শয্যা, ব্ৰণিতাগাৰ (হস্পিতেল) আদিৰ বৰ্ণনা পোৱা যায়। 'সুশ্রুতসংহিতা' ভাষ্যকাৰ ডল্হণৰ মতে এই সময়ত উপলব্ধ 'সুশ্রুতসংহিতা'খন ধন্বন্তৰিৰ দ্বাৰা উপদিষ্ট তথা নাগাৰ্জুনৰ দ্বাৰা প্ৰতিসংস্কৃত।

এই অধ্যায়টিৰ জৰিয়তে আপুনি সুশ্রুতসংহিতাৰ বিষয়বস্তুৰ লগত সামান্য পৰিচিত হোৱাৰ লগতে সুশ্রুতসংহিতাৰ অৱতৰণ, সুশ্রুতসংহিতাৰ গ্ৰন্থকৰ্তাৰ বিষয়ে অৱগত হ'ব পাৰিব।

১০.৩ আয়ুৰ্বেদ

আয়ুৰ্বেদ অত্যন্ত প্ৰাচীন গ্ৰন্থ। প্ৰাচীন আচাৰ্য্যসকলে এই শাস্ত্ৰক 'শাশ্বত' অৰ্থাৎ নিত্য বুলি অভিহিত কৰিছে। 'চৰকসংহিতা'ত কোৱা হৈছে যে, আয়ু আৰু ইয়াৰ বেদ (জ্ঞান) অনাদি হোৱা বাবে আয়ুৰ্বেদ অনাদি, কিয়নো আত্মাৰ সমান সৃষ্টিও অনাদি—

'সোऽয়মায়ুৰ্বেদঃ শাশ্বতো নিৰ্দিশ্যতে।
অনাদিত্বাৎ, স্বভাৱসংসিদ্ধলক্ষণত্বাৎ, ভাৱস্বভাৱনিত্যত্বাৎ।।'

(চৰকসংহিতা, সূত্ৰস্থান, অধ্যায় ৩০)

সৃষ্টিৰ আৰম্ভণিৰে পৰা জড় আৰু চেতন অথবা নিৰিন্দ্ৰিয় আৰু ইন্দ্ৰিয়যুক্ত— এই দুই প্ৰকাৰৰ প্ৰচলন আছিল। এই দুয়োটাৰে সম্বন্ধ কাল অথবা সময়ৰ সৈতে আছে, কিন্তু চেতন পদাৰ্থত যেতিয়াই চেতনাৰ অনুবন্ধ থাকে, সেই সময়খিনিকেই 'আয়ু' বুলি কোৱা হয়।

'আয়ুৰ্বেদ' শব্দটোৰ বিশ্লেষণ এনেদৰে পোৱা যায় যে, আয়ু সম্বন্ধীয় জ্ঞেয়বিষয়ক জ্ঞান (বেদ)ক আয়ুৰ্বেদ বোলে। 'চৰকসংহিতা'ত আয়ুৰ্বেদৰ সংজ্ঞা এনেদৰে দিয়া হৈছে—

'হিতাহিতং সুখং দুঃখমায়ুস্তস্য হিতাহিতম্।
মানং চ তচ্চ যত্রোক্তমায়ুৰ্বেদঃ স উচ্যতে।।'

অৰ্থাৎ, হিতকৰ, অহিতকৰ, সুখকৰ, দুঃখকৰ— হিচাপে আয়ুস (চাৰিপ্ৰকাৰৰ)। এই আয়ুসৰ বাবে হিতকৰ তথা অহিতকৰ (সুখকৰ, দুঃখকৰ) কি আৰু আয়ুৰ্মান (Span of lite) কিমান— এইবোৰৰ বিৱৰণ য'ত আছে, সেয়াই আয়ুৰ্বেদ।

যিজন (মানুহ) শাৰীৰিক অথবা মানসিক ৰোগৰ পৰা মুক্ত অথবা ইয়াৰ দ্বাৰা পীড়িত নহয়, বিশেষকৈ যিজন যৌৱনশালী আৰু সামৰ্থবান, (যিজন) বল, বীৰ্য্য, যশস্যা, পৌৰুষ আৰু পৰাক্ৰমৰ দ্বাৰা যুক্ত, জ্ঞান-বল, বিজ্ঞান-বল, তথা ইন্দ্ৰিয় বলেৰে চহকী, (যিজনে) বিভিন্ন ভোগ অৰ্থাৎ বিষয়-সুখ প্ৰচুৰ সম্পত্তিৰে সমৃদ্ধিশালী, এনেদৰে যথেচ্ছাৰে বিচৰণ কৰা অৰ্থাৎ স্বতন্ত্ৰভাৱে থকা মনুষ্যৰ আয়ুসক সুখ আয়ুস বুলি কোৱা হয়। ইয়াৰ বিপৰীতে জনক অসুখ (দুঃখ) আয়ুস বুলি কোৱা হয়।

আনহাতে, যিজন মানুহে সকলো প্ৰাণীৰে হিত সাধন হোৱাটো বিচাৰে, পৰধনৰ ইচ্ছা নকৰে, সত্যবাদী, শান্ত আৰু বিচাৰ বিবেচনাৰে কাম কৰে, প্ৰমাদ ৰহিত হৈ থাকে, ধৰ্ম, অৰ্থ আৰু কাম— এই পুৰুষাৰ্থকেইটা এনেদৰে সেৱন কৰে যাতে এটাই আনটোৰ বাধক হৈ নুঠে, পূজনীয়জনক সন্মান কৰে, জ্ঞান-বিজ্ঞানযুক্ত, শান্ত, আচাৰযুক্ত বৃদ্ধৰ সেৱা সৎকাৰ কৰে, যিজনে ৰাগ, ঈৰ্ষা, মন তথা অহংকাৰৰ বেগক বশ কৰি ৰাখিব পাৰিছে, যিজনে নিৰন্তৰ বিবিধ প্ৰকাৰেৰে দান কৰিছে, নিতৌ তপস্যা, জ্ঞান তথা শান্তিত জীৱন অতিবাহিত কৰিছে, যিজনে অধ্যাত্ম বিদ্যাক জানে তথা সেই অনুসাৰে আচৰণ কৰে, ইহলোক আৰু পৰলোকত যিজনে সমানে ধ্যান দিয়ে,

যিজন স্মৃতিবান তথা মতিবান, এনেকুৰা মানুহৰ আয়ুস হিত আয়ুস বুলি কোৱা হয়। ইয়াৰে বিপৰীতধর্মী আয়ুসক অহিত আয়ুস বোলে।

ভর্ত্তৃহৰিকৃত 'বাক্যপদীয়' নামৰ গ্ৰন্থত কোৱা হৈছে যে, শৰীৰ, ভাষা আৰু বুদ্ধি বিষয়ত যি দোষ উৎপন্ন হয়, তাৰ শুদ্ধি অর্থাৎ নিৰাকৰণ ক্ৰমে চিকিৎসাশাস্ত্ৰ, ব্যাকৰণশাস্ত্ৰ তথা অধ্যাত্মশাস্ত্ৰৰ দ্বাৰা হয়—

'কায়বাগ্‌বুদ্ধিবিষয়া যে মনাঃ সমুপস্থিতাঃ।
চিকিৎসালক্ষণাধ্যাত্মশাস্ত্ৰৈস্তেষাং বিশুদ্ধয়।।'

১০.৪ আয়ুর্বেদৰ অৱতৰণ

চৰক তথা সুশ্রুতসংহিতাত আয়ুর্বেদৰ বিভিন্ন দিশ আলোচনা কৰাৰ লগতে আয়ুর্বেদৰ প্ৰাদুর্ভাৱ সম্বন্ধে আলোচনা আগবঢ়োৱা হৈছে। এই আয়ুর্বেদৰ প্ৰাদুর্ভাৱ বিষয়টোক 'আয়ুর্বেদৰ অৱতৰণ' বুলি বর্ণনা কৰা হৈছে। আয়ুর্বেদৰ অৱতৰণ সম্পর্কে দুয়োখন সংহিতাত দুই প্ৰকাৰৰ তথ্য পোৱা যায়।

'সুশ্রুতসংহিতা' অনুসৰি সর্বপ্ৰথম ব্ৰহ্মাই একলাখ শ্লোকত আয়ুর্বেদ শাস্ত্ৰ ৰচনা কৰিছিল। ইয়াত এহেজাৰ অধ্যায় আছিল। ব্ৰহ্মাই এই শাস্ত্ৰ প্ৰজাপতি দক্ষক পঢ়ুৱাইছিল, দক্ষ প্ৰজাপতিয়ে অশ্বিনীকুমাৰদ্বয়ক ইয়াৰ জ্ঞান দিছিল। অশ্বিনীকুমাৰদ্বয়ে ইন্দ্ৰক ইয়াৰ জ্ঞান দিছিল, ইন্দ্ৰই ধন্বন্তৰিক এই শাস্ত্ৰৰ জ্ঞান লাভ কৰি 'সুশ্রুতসংহিতা' ৰচনা কৰে। ব্ৰহ্মাই ৰচনা কৰা আয়ুর্বেদ শাস্ত্ৰত আঠোটা ভাগ আছিল আৰু এই ভাগবোৰক 'তন্ত্ৰ' শব্দেৰে অভিহিত কৰা হৈছিল। এই আঠটা তন্ত্ৰ হৈছে— শল্যতন্ত্ৰ, শালাক্যতন্ত্ৰ, কায়চিকিৎসাতন্ত্ৰ, ভূতবিদ্যাতন্ত্ৰ, কৌমাৰভৃত্যতন্ত্ৰ, অগদতন্ত্ৰ, ৰসায়নতন্ত্ৰ তথা বাজীকৰণতন্ত্ৰ।

১০.৫ প্ৰাৰম্ভিক গ্ৰন্থত আয়ুর্বেদ

পুৰাতত্ত্ববিদসকলৰ মতে বিশ্বৰ প্ৰাচীনতম গ্ৰন্থ হৈছে ঋগ্‌বেদ। এই ঋগ্‌বেদত আয়ুর্বেদৰ অতি মহত্বপূর্ণ সিদ্ধান্ত য'তে-ত'তে সিঁচৰতি হৈ আছে। যজ্ঞৰ কটা মূৰ পুনৰ সংযোগ কৰা, বিল্পলাৰ কটা ভৰিত লৌহ ভৰি সংলগ্ন কৰা ঘটনাসমূহ এই সংহিতাখনৰ আয়ুর্বেদ সমৃদ্ধ বিষয়। যজুর্বেদ, সামবেদ তথা অথর্ববেদতো এনেকুৰা আয়ুর্বেদিক বিষয়ৰ উল্লেখ পোৱা যায়। অথর্ববেদত শাৰীৰ শাস্ত্ৰ, ঔষধি তথা চিকিৎসাৰ বিবিধ অংগ আৰু প্ৰতিকাৰৰ বর্ণনা আছে। সেয়েহে আয়ুর্বেদক অথর্ববেদৰ উপবেদ বুলি ধৰা হৈছে। বেদৰ পিছৰ কালৰ ব্ৰাহ্মণ, উপনিষদ আদি গ্ৰন্থতো ক্ৰমশঃ ইয়াৰ বিকশিত তথা বিস্তৃত বিৱৰণ পোৱা যায়।

বেদত অন্যান্য বিষয়ৰ লগতে অধ্যাত্মশাস্ত্ৰৰ আলোচনা বহুলভাৱে পোৱা যায়। আয়ুর্বেদ সম্বন্ধীয় বিষয়বোৰ ইমান বিস্তৃত তথা সুশৃংখলাবদ্ধৰূপত বেদত উপলব্ধ নোহোৱা বাবে ঋষিসকলে কেৱল আয়ুর্বেদ সম্বন্ধীয় বিষয়ৰ ক্ৰমবদ্ধ সংকলন কৰি বহুকেইখন আয়ুর্বেদ সংহিতা ৰচনা কৰিছিল। তেওঁলোকে আয়ুর্বেদৰ বিষয়বস্তু তথা সুবিধাৰ বাবে আয়ুর্বেদক আঠটা ভাগত বিভক্ত কৰিছিল। সম্পূর্ণ আয়ুর্বেদ তথা আয়ুর্বেদৰ অংগসমূহৰ ওপৰত বিভিন্ন সময়ত বিভিন্ন আচার্য্যই আয়ুর্বেদ শাস্ত্ৰ ৰচনা কৰিছিল। কিন্তু দুর্ভাগ্যৰ কথা এয়ে যে কেইখনমান শাস্ত্ৰৰ বাহিৰে গোটেইবোৰ শাস্ত্ৰ আজি উপলব্ধ নহয়। এতিয়ালৈকে উপলব্ধ শাস্ত্ৰসমূহৰ ভিতৰত সম্পূর্ণৰূপে অগ্নিৱেশৰ দ্বাৰা ৰচিত তথা চৰক আৰু দৃঢ়বলৰ দ্বাৰা প্ৰতিসংস্কৃত 'চৰকসংহিতা' আৰু ধন্বন্তৰিৰ দ্বাৰা নির্দিষ্ট, সুশ্রুতৰ দ্বাৰা ৰচিত তথা নাগার্জুনৰ দ্বাৰা প্ৰতিসংস্কৃত 'সুশ্রুতসংহিতা' পোৱা যায়। তাৰোপৰি 'বৃদ্ধজীৱকীয়তন্ত্ৰ' (কাশ্যপসংহিতা) আৰু 'ভেলসংহিতা' খণ্ডিতৰূপত পোৱা যায়। 'হাৰীত সংহিতা' নামৰ আন এখন গ্ৰন্থ উপলব্ধ হৈছে যদিও, ইয়াৰ

প্ৰাচীনতা সম্পৰ্কে বিদ্বানসকলৰ মাজত মতভেদ আছে।

কায়চিকিৎসাৰ বাবে চৰক তথা শল্য চিকিৎসাৰ বাবে সুশ্রুতৰ অধ্যয়ন প্ৰাচীন কালত এটা পৰম্পৰা আছিল। বাগভটে 'অষ্টাংগ হৃদয়' নামৰ গ্ৰন্থত এনেদৰে কৈছে—

'ঋষি প্ৰণীতে প্ৰীতিশ্চেন্মুক্তবা চৰকসুশ্রুতৌ।
ভেডা(লা) দ্যাঃ কিং ন পঠ্যন্তে তস্মাদ্ গ্রাহ্যং সুভাষিতম্।।'

আকৌ কোৱা হৈছে যে, যদি কেৱল চৰকৰেই অধ্যয়ন কৰা হয়, তেনেহ'লে সুশ্রুতত অহা ৰোগৰ নামমাত্ৰ জ্ঞানো পোৱা নাযায়। তথা যদি কেৱল সুশ্রুতৰেই অধ্যয়ন কৰা হয়, তেনেহ'লে ৰোগৰ প্ৰতিকাৰৰ প্ৰক্ৰিয়ায়েই অসম্ভৱ। সেয়েহে চৰক তথা সুশ্রুত উভয়ৰে অধ্যয়ন আৱশ্যক—

'যদি চৰকমধীতে তদ্ ধ্রুৱং সুশ্রুতাদি
প্রণিগদিতগদানাং নামমাত্রে ঽপি বাহ্যঃ।
অথ চৰকবিহীনঃ প্রক্রিয়ায়ামখিন্নঃ
কিমিৱ খলু কৰোতু ব্যাধিতানাং ৱৰাকঃ।।'

১০.৬ 'সুশ্রুতসংহিতা'ৰ পৰম্পৰা

চৰক আৰু সুশ্রুতসংহিতাৰ ভিতৰত, সুশ্রুতসংহিতা আয়ুৰ্বেদৰ অষ্টাঙ্গৰ প্ৰতিপাদক হোৱা বাবে উপযুক্ত গ্ৰন্থ বুলি কোৱা হয়। 'চৰকসংহিতা' কেৱল 'কায়চিকিৎসাৰ বাবে প্ৰধান বুলি কোৱা হয়— 'চৰকস্তু চিকিৎসতে'। স্বয়ং চৰকে শল্য-শালাক্যত ধন্বন্তৰি সম্প্ৰদায় অৰ্থাৎ সুশ্রুত সংহিতাৰ মহত্ব স্বীকাৰ কৰিছে—

'অত্র ধান্বন্তৰীয়াণামধিকাৰঃ ক্রিয়াবিধৌ।
পৰাধিকাৰে তু ন বিস্তৰোক্তিঃ।।'

'সুশ্রুতসংহিতা' অনুসৰি শল্যপ্রধান এই তন্ত্রখন কাশিৰাজ ভগৱান্ ধন্বন্তৰিয়ে সুশ্রুতাদি শিষ্যসমূহক উপদেশ দিছিল। ঔপধেনৱ, ৱৈতৰণ, ঔৰভ্ৰ, পৌষ্কলাৱত, কৰৱীৰ্য্য, গোপুৰৰক্ষিত, সুশ্রুত আদি (কলায়ান, গাৰ্গ্য আদি) ঋষিসকলে মানুহৰ বিভিন্ন প্ৰকাৰৰ পীড়াৰ উপশমৰ উপায় বিচাৰি দেৱতাসকলৰ শ্ৰেষ্ঠ ধন্বন্তৱিৰ ওচৰত উপস্থিত হৈছিল। ধন্বন্তৰিয়ে এই পীড়াসমূহ নিৰাময়ৰ উপায় হিচাপে আয়ুৰ্বেদৰ জ্ঞান সুশ্রুতকে আদি কৰি শিষ্যসকলক প্ৰদান কৰিলে। ধন্বন্তৰি মতে এই আয়ুৰ্বেদ প্ৰথমতে একলাখ শ্লোকত ব্ৰহ্মাই উপদেশ কৰিছিল। ব্ৰহ্মাৰ পৰা এই শাস্ত্ৰ প্ৰজাপতি দক্ষই পঢ়ে, দক্ষ প্ৰজাপতিৰ পৰা অশ্বিনীকুমাৰে, অশ্বিনীকুমাৰৰ পৰা ইন্দ্ৰই আৰু ইন্দ্ৰৰ পৰা ধন্বন্তৰিয়ে গ্ৰহণ কৰিছিল।

ধন্তন্তৰিৰ ওচৰলৈ যেতিয়া শিষ্যসমূহ উপস্থিত হ'ল, তেতিয়া ধন্বন্তৰিয়ে ক'লে যে, অষ্টাঙ্গ আয়ুৰ্বেদৰ কোনটো অঙ্গ কাক উপদেশ কৰোঁ। তেতিয়া শিষ্যসমূহে ক'লে যে শল্যতন্ত্রক মুখ্য কৰি সুশ্রুতক আগত ৰাখি আমাক আয়ুৰ্বেদৰ জ্ঞান প্ৰদান কৰক। দেৱতাসকলৰ চিকিৎসক ধন্বন্তৰিয়ে অন্য অঙ্গৰ লগতে শল্যতন্ত্রৰ জ্ঞান সুশ্রুতক প্ৰদান কৰিলে।

ধন্বন্তৰি ঃ বৈদ্যাচাৰ্য্য ধন্বন্তৰি যদিও দেৱতাসকলৰ চিকিৎসক বুলি কোৱা হৈছে, তথাপি বেদত তেওঁৰ নাম পোৱা নাযায়। 'মহাভাৰত', 'বিষ্ণুপু�ৰাণ', 'ভাগৱত' আদি গ্ৰন্থৰ পৰা জনা যায় যে প্ৰাচীনকালত অমৃত প্ৰাপ্তিৰ বাবে দেৱতা তথা অসুৰসকলৰ দ্বাৰা সমুদ্র মন্থনৰ সময়ত ভগৱান্ ধন্বন্তৰিৰ আবিৰ্ভাৱ হৈছিল—

'ধন্বন্তৰিস্ততো দেৱো বপুষ্মানুদতিষ্ঠত।
শ্বেতং কমণ্ডলুং বিভ্রদমৃতং য়ত্র তিষ্ঠতি।।' (মহাভাৰত, আদিপৰ্ব, অঃ ১৬)

সুশ্রুত ঃ ভগৱান্ ধন্বন্তৰিৰ শিষ্যসকলৰ ভিতৰত প্ৰমুখ সুশ্রুতে ভগৱান্ ধন্বন্তৰিৰ পৰা আয়ুৰ্বেদ শ্ৰৱণ কৰি সেই জ্ঞানক সংহিতাৰূপত সংকলিত কৰিলে, যাক 'সুশ্রুতসংহিতা' হিচাপে জনা যায়। 'সুশ্রুতসংহিতা'ৰ ভিন্ন-ভিন্ন স্থানত পোৱা যায় যে সুশ্রুত বিশ্বামিত্ৰৰ পুত্ৰ— 'বিশ্বামিত্ৰ-সুতঃ শ্ৰীমান্ সুশ্রুতঃ পৰিপৃচ্ছতি।' সুশ্রুতৰ কাল নিৰ্ণয় কৰিবলৈ বিশেষ সাধন নাই, তথাপিও পণ্ডিতসকলে তেওঁৰ সময় খ্ৰীষ্টপূৰ্ব ১০০০ বছৰতকৈ কম নহয় বুলি ক'ব খোজে।

নাগার্জুন ঃ আজি যিখন সুশ্রুত সংহিতা উপলব্ধ হৈ আছে, এইখন যদিও সুশ্রুতৰ নামে�ৰেই প্ৰসিদ্ধ, তথাপি এইখন সুশ্রুতৰ দ্বাৰা প্ৰণীত মূল 'সুশ্রুতসংহিতা' নহয়। 'চৰকসংহিতা'ৰ ক্ষেত্ৰত যেনেদৰে পোৱা যায় যে, ভৰদ্বাজৰ দ্বাৰা উপদিষ্ট জ্ঞানক অগ্নিবেশে সংকলিত কৰি 'অগ্নিৱেশ সংহিতা' ৰচনা কৰিছিল, আৰু যিখনক চৰকে প্ৰতিসংস্কৃত কৰিছিল, (অগ্নিৱেশকৃতে তন্ত্ৰে চৰকপ্ৰতিসংস্কৃতে), তেনেদৰে 'সুশ্রুতসংহিতা'ৰ প্ৰতি সংস্কাৰকৰ্তা হিচাপে কাৰোৱেই নাম পোৱা নাযায়। তথাপিও 'সুশ্রুতসংহিতা'ৰ আভ্যন্তৰিণ প্ৰমাণৰ দ্বাৰা এইটো প্ৰমাণিত হৈছে যে, 'সুশ্রুতসংহিতা'ৰ প্ৰতিসংস্কাৰকৰ্তা হৈছে নাগার্জুন। ডল্হণৰ টীকাত এই কথাটো পোৱা যায়— 'য়ত্ৰ য়ত্ৰ পৰোক্ষে লিট্প্ৰয়োগস্তত্ৰ তত্ৰৈৰ প্ৰতিসংস্কৃৰ্তৃসূত্ৰং জ্ঞাতৱ্যম্, প্ৰতিসংস্কৰ্তা ৱপি নাগার্জুন এৱ।'

১০.৭ 'সুশ্রুতসংহিতা'ৰ অধ্যায় বিভাগ

'সুশ্রুতসংহিতা'ত সৰ্বমুঠ ১২০টা অধ্যায় আছে। এই অধ্যায়সমূক পাঁচটা শাখা (যাক 'স্থান' বুলি জনা যায়)ত অন্তৰ্ভুক্ত কৰা হৈছে। এই স্থানসমূহ হৈছে— সূত্ৰস্থান, নিদানস্থান, শাৰীৰস্থান, চিকিৎসাস্থান আৰু কল্পস্থান। ইয়াৰোপৰি 'উত্তৰতন্ত্ৰ' হিচাপে আন এটা বৃহৎ অধ্যায় পোৱা যায়, য'ত অতিৰিক্ত বিষয়সমূহ আলোচিত হৈছে—

'তচ্চ সবিংশমধ্যায়শতং পঞ্চসু স্থানেষু। তত্ৰ সূত্ৰনিদানশাৰীৰ
চিকিৎসিতকল্পেষ্ৱৰ্থশাৎ সংবিভজ্যোত্তৰে তন্ত্ৰে শেষানৰ্থান্ বক্ষ্যামঃ।।'

(সুশ্রুত, সূত্ৰস্থান, ১/৪৬)

এই ১২০ টা অধ্যায় স্থানসমূহত এনেদৰে বিভাজিত হৈ আছে—

১। সূত্ৰস্থান - ৪৬ টা অধ্যায়, ২। নিদানস্থান - ১৬ অধ্যায়, ৩। শাৰীৰস্থান - ১০ টা অধ্যায়, ৪। চিকিৎসাস্থান - ৪০ টা অধ্যায়, ৫। কল্পস্থান - ৮ টা অধ্যায়। আনহাতে উত্তৰতন্ত্ৰত ৬৬ টা অধ্যায় আছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'সুশ্রুতসংহিতা'ৰ গ্ৰন্থকাৰ কোন?

.....

প্ৰশ্ন নং ২ ঃ 'সুশ্রুতসংহিতা'ৰ এজন ভাষ্যকাৰৰ নাম লিখক।

.....

প্ৰশ্ন নং ৩ ঃ সুশ্রুতে কাৰ পৰা এই গ্ৰন্থৰ জ্ঞান লাভ কৰিছিল?

.....

প্ৰশ্ন নং ৪ ঃ আয়ুৰ্বেদত কেইটা তন্ত্ৰ আছে?

.....

প্ৰশ্ন নং ৫ ঃ 'সুশ্রুতসংহিতা' কি বিষয়ৰ বিষয়ে বিখ্যাত?

.....

১০.৮ 'সুশ্রুতসংহিতা'ৰ বিষয়বস্তু

(ক) সূত্রস্থান

অধ্যায়	অধ্যায়ৰ নাম	বিষয়বস্তু
১।	বেদোৎপত্তি	এই অধ্যায়ত আয়ুর্বেদৰ উৎপত্তি তথা সুশ্রুত সংহিতাৰ অবতৰণ, আয়ুর্বেদৰ আঠ অঙ্গৰ নাম তথা লক্ষণ ইত্যাদি বিষয়সমূহ আলোচিত হৈছে।
২।	শিষ্যোপনয়নীয়	এই অধ্যায়ত ভিষক্ ছাত্ৰৰ জাতি, আয়ুস, পাৰিবাৰিক বৃত্ত, শাৰীৰিক তথা মানসিক স্বস্থতাৰ আধাৰত ছাত্ৰৰ নিৰ্বাচন, ছাত্ৰৰ উপনয়ন বিধি তথা দৈনিক চর্যা, বেশভূষা তথা স্বভাৱ আদিৰ বিস্তাৰিত আলোচনা আছে।
৩।	অধ্যয়নসম্প্রদানীয়	এই অধ্যায়টোত সুশ্রুতসংহিতাৰ ১২০টা অধ্যায় তথা স্থানসমূহৰ বিষয়সমূহ সংক্ষিপ্তৰূপত দিয়া আছে।
৪।	প্রভাষণীয়	এই অধ্যায়ৰ মুঠ ৯ টা শ্লোকত প্রভাষণৰ প্রয়োজন, শাস্ত্ৰৰ সূক্ষ্ম অধ্যয়নৰ আৱশ্যকতা, অন্যশাস্ত্ৰৰ উপয়োগ আদি বিষয়বোৰ আলোচনা কৰা হৈছে।
৫।	অগ্রোপহৰণীয়	এই অধ্যায়টোত ৪২ টা শ্লোক আছে। ইয়াত মুখ্যতঃ ত্রিবিধ চিকিৎসা কর্মৰ বর্গীকৰণ, শস্ত্রকর্মৰ প্রধানতা, অষ্টবিধ শস্ত্রকর্ম, শস্ত্রক্রিয়াৰ উপকৰণ, শস্ত্রক্রিয়াৰ উপদেশ আদি বিষয়বোৰ আলোচনা কৰা হৈছে।
৬।	ঋতুচর্যা	ইয়াত ৪০ টা শ্লোক আছে। ইয়াত বিশেষকৈ 'কাল' শব্দৰ নিৰুক্তি, কালৰ নিমেষাদিত বিভাজন, নিমেষাদিৰ লক্ষণ, মাহ-ঋতুৰ সংখ্যা, ঋতু বিভাগ, ঋতু অনুসৰি সূর্য্যৰ উত্তৰায়ণ— দক্ষিণায়ন আদিৰ বিৱৰণ আছে।
৭।	যন্ত্রবিধি	ইয়াত ২৩ টা শ্লোক আছে। ইয়াত প্রধানতঃ শল্যকর্মত ব্যৱহাৰ হ'ব লগা যন্ত্রৰ সংখ্যা, শল্য আৰু যন্ত্রৰ পৰিভাষা, আদি বিষয়সমূহ দিয়া হৈছে।
৮।	শস্ত্রাবচাৰণীয়	এই অধ্যায়ত ২০ টা শ্লোক আছে। ইয়াত বিশেষকৈ শল্যকর্মত ব্যৱহাৰ হ'ব লগীয়া শস্ত্রৰ সংখ্যা, শস্ত্রৰ বিষয়ভেদ, শস্ত্র গ্রহণ বিধি, শস্ত্রৰ আকৃতি তথা প্রমাণ, শস্ত্রদোষ আদি বিষয়সমূহ আলোচিত হৈছে।
৯।	যোগ্যাসূত্রীয়	ইয়াত মুঠ ৬ টা শ্লোক আছে। ইয়াত মূলতঃ কর্মাভ্যাসৰ মহত্ত্ব, ছেদ্যাদি যোগ্যা, যোগ্যাৰ লাভ, যোগ্যাৰ সাধর্ম্য নিয়ম আদিৰ বিৱৰণ আছে।
১০।	বিশিখানুপ্রৱেশনীয়	ইয়াত ৯ টা শ্লোক আছে। ইয়াত চিকিৎসাকর্মত প্রৱেশৰ বাবে অধিকাৰী বৈদ্য, ৰোগবিজ্ঞানৰ ৬ টা উপায়, শ্রোত্রাদি জ্ঞানেন্দ্রিয় তথা প্রশ্নৰ দ্বাৰা ৰোগবিজ্ঞান, সাধ্য-যাপ্য-অসাধ্য ব্যাধি আদিৰ বিৱৰণ আছে।
১১।	অগ্নিকর্মবিধি	ইয়াত ৩৮ টা শ্লোক আছে। অগ্নিকর্মৰ শ্রেষ্ঠতা, দহন উপকৰণ, দহনকাল, অগ্নিকর্মত ভোজন, দ্বিবিধ অগ্নিকর্ম, অগ্নিকর্মৰ বিষয়, অগ্নিকর্মৰ আকৃতি আদি বিষয়বোৰ আলোচিত হৈছে।
১২।	অগ্নিকর্মবিধি	ইয়াত ৩৮ টা শ্লোক আছে। অগ্নিকর্মৰ শ্রেষ্ঠতা, দহন উপকৰণ, দহনকাল, অগ্নিকর্মত ভোজন, দ্বিবিধ অগ্নিকর্ম, অগ্নিকর্মৰ বিষয়, অগ্নিকর্মৰ আকৃতি আদি বিষয়বোৰ আলোচিত হৈছে।
১৩।	জলৌকাবচাৰণীয়	এই অধ্যায়টোত ২৪ টা শ্লোক আছে। ইয়াত প্রধানকৈ জলৌকাৰ শ্রেষ্ঠতা,

দোষ বিশেষত জলৌকাদিৰ প্ৰয়োগ, শৃঙ্গাদিৰ গুণ তথা বাতাদি দোষ আদি বিষয়ৰ আলোচনা আছে।

১৪। শোণিতবর্ণনীয় — এই অধ্যায়টিত ৪৫ টা শ্লোক আছে। ইয়াত মূলতঃ ৰসৰ বর্ণনা, ৰক্তৰ উৎপত্তি, ৰক্তৰ দ্বাৰা আর্তৰৰ উৎপত্তি, শোণিত স্বভাৱ আৰু পঞ্চভূতাত্মক ৰক্ত, ৰসৰ দ্বাৰা ৰক্তাদি ধাতুৰ উৎপত্তি আদি বিষয়সমূহ আলোচিত হৈছে।

১৫। দোষধাতুমলক্ষয়বৃদ্ধি বিজ্ঞানীয় — এই অধ্যায়টিত ৪৮ টা শ্লোক আছে। ইয়াত বিশেষভাৱে দোষাদিবর্ণনৰ হেতু, প্ৰকৃতিস্থ বায়ুৰ কর্ম, প্ৰকৃতিস্থ পিত্তৰ কর্ম, প্ৰকৃতিস্থ শ্লেষ্মাৰ কর্ম আদি বিষয়সমূহ উপস্থাপন কৰা হৈছে।

১৬। কর্ণব্যধবন্ধবিধি — এই অধ্যায়টোত মুঠ ৫৪ টা শ্লোক আছে। ইয়াত প্ৰধানকৈ কর্মব্যধ-বিধি, অন্যদেশবিদ্ধৰ জ্ঞান, শিৰোবেধৰ উপদ্ৰৱ আৰু লক্ষণ, কর্ণব্যধৰ উপদ্ৰৱৰ চিকিৎসা, সম্যগ্ বিদ্ধৰ চিকিৎসা, কর্ণবর্ধনোপায় আদি বিষয়সমূহ আলোচিত হৈছে।

১৭। আমপক্কৈষণীয় — এই অধ্যায়টোত মুঠ ২৩ টা শ্লোক আছে। ইয়াত বিশেষকৈ ব্ৰণশোধৰ চিকিৎসা, ব্ৰণশোধৰ প্ৰকাৰ, ব্ৰণশোধৰ দোষ অনুসৰি লক্ষণ, অপক্ক, অপক্ক ব্ৰণশোধৰ লক্ষণ আদি বিষয়বোৰ দিয়া হৈছে।

১৮। ব্ৰণালেপনবিধি — এই অধ্যায়টোত ৪৬ টা শ্লোক আছে। ইয়াত বিশেষকৈ আলেপন আৰু বন্ধনৰ প্ৰধানতা আদি বিষয়ৰ বর্ণনা আছে।

১৯। ব্ৰণিতোপাসনীয় — ইয়াত ৩৭টা শ্লোক আছে। মুখ্যভাৱে ইয়াত ভৱন (ব্ৰণিতাগাৰ), উপযুক্ত ভৱনৰ লাভ, ব্ৰণিতৰ বাবে উপযুক্ত শয্যা লাভ, ব্ৰণিতৰ দ্বাৰা ব্ৰণৰ ৰজা ইত্যাদি বিষয়সমূহ আলোচিত হৈছে।

২০। হিতাহিত — এই অধ্যায়টোত ৩০ টা শ্লোক আছে। ইয়াত প্ৰধানকৈ দ্ৰব্যৰ হিতকাৰী ভেদ, একান্ত হিত, অহিত তথা হিতাহিত দ্ৰব্য, পথ্যতম অহাৰ দ্ৰব্য আদিৰ উল্লেখ আছে।

২১। ব্ৰণপ্ৰশ্ন — এই অধ্যায়টোত ৪০ টা শ্লোক আছে। এই অধ্যায়টোত বাতাদি দোষ তথা ৰক্তৰ মহত্ত্বপূর্ণতা, ত্ৰিদোষ তথা ৰক্তৰ মহত্ত্ব, বাত-পিত্ত-কফৰ নিৰুক্তি, দেহধাৰণত বাতাদি মহত্ত্ব, অগ্নি আৰু পিত্তত পৰস্পৰ ভেদৰ বিচাৰ, শ্লেষ্মাৰ স্বৰূপ আদি বিষয়বোৰ সন্নিৱিষ্ট হৈ আছে।

২২। ব্ৰণাস্ৰাৱবিজ্ঞানীয় — এই অধ্যায়টোত ১৪ টা শ্লোক আছে। ইয়াত বিশেষকৈ আঠটা ব্ৰণধিষ্টান, সুচিকিৎসকৎস্য তথা দুশ্চিকিৎস্যা ব্ৰণ, ব্ৰণৰ শীঘ্ৰ ৰোহণ আৰু দূষিত হোৱাৰ কাৰণ, দুষ্ট ব্ৰণৰ লক্ষণ আদি উল্লেখ আছে।

২৩। কৃত্যাকৃত্যবিধি — এই অধ্যায়টোত ২১ টা শ্লোক আছে। ইয়াত মুখ্যতঃ সুখসাধ্য ব্ৰণ, কৃচ্ছ্ৰসাধ্য ব্ৰণ, সুখৰোপণীয় ব্ৰণ, দুশ্চিকিৎসা ব্ৰণ আদি বিষয়ৰ বর্ণনা আছে।

২৪। ব্যাধিসমুদ্দেশীয় — এই অধ্যায়টোত ২২ টা শ্লোক আছে। ইয়াত বিশেষকৈ ব্যাধিৰ ভেদ, ব্যাধিৰ পৰিভাষা আৰু ত্ৰিবিধ দুঃখ, সপ্তবিধ ব্যাধি, আধ্যাত্মিক ব্যাধিৰ লক্ষণ আদিৰ বর্ণনা আছে।

২৫। অষ্টবিধশস্ত্রকর্মীয় — ইয়াত মুঠ ৪৬ টা শ্লোক আছে। প্ৰধানভাৱে ইয়াত ছেদ্য ব্যাধি, ভেদ ব্যাধি,

		লখ্য ব্যাধি, বেধ্য ব্যাধি, আহার্য্য ব্যাধি, সীব্য ব্যাধি আদিৰ বর্ণনা আছে।
২৬।	প্রণষ্টশল্যবিজ্ঞানীয়	ইয়াত মুঠ ২৫ টা শ্লোক আছে। ইয়াত 'শল্য' শব্দৰ নিৰুক্তি আৰু ভেদ, 'শল্য' শব্দৰ পৰিভাষা, শৰীৰ আৰু আসন্তুজ শল্যৰ ভেদ, প্রসিদ্ধ শল্যৰ ভেদ আদিৰ উল্লেখ কৰিছে।
২৭।	শল্যাপনয়নীয়	ইয়াত ২২ টা শ্লোক আছে। ইয়াত দুই প্রকাৰ শল্যৰ ভেদ, অনৱবদ্ধ শল্যৰ উদ্ধৰণ উপায়, অনৱবদ্ধ শল্যৰ উলিয়াই অনা বিধি, সকলো প্রকাৰৰ শল্যৰ আহৰণ উপায় আদিৰ বর্ণনা আছে।
২৮।	বিপৰীতাবিপৰীতব্রণ বিজ্ঞানীয়	এই অধ্যায়ত ২১ টা শ্লোক আছে। ইয়াত বিশেষভাৱে মত্যুৰ সূচক অৰিষ্ট, অৰিষ্ট বিনা মৃত্যু নোহোৱা, ৰিষ্টৰ পৰা মৃত্যুক ৰোধ কৰাৰ উপায় আদিৰ বর্ণনা আছে।
২৯।	বিপৰীতাবিপৰীত স্বপ্ননিদর্শনীয়	ইয়াত ৮১ টা শ্লোক আছে। মুখ্যতঃ ইয়াত শুভাশুভ শকুন আদিৰ বর্ণনা আছে।
৩০।	পঞ্চেন্দ্রিয়ার্থবিপ্রতিপত্তি	ইয়াত ২৩ টা শ্লোক আছে। ইয়াত বিশেষকৈ অৰিষ্টৰ সংক্ষিপ্ত লক্ষণ, শব্দ-অৰিষ্ট, স্পর্শ-অৰিষ্ট, ৰস-গন্ধ-অৰিষ্ট, বিপৰীত জ্ঞান-জন্য অৰিষ্ট, দৃষ্টিজন্য অৰিষ্ট আদিৰ উল্লেখ আছে।
৩১।	ছায়াবিপ্রতিপতি	ইয়াত মুঠ ৩১ টা শ্লোক আছে। ইয়াত মুখ্যতঃ ছায়া অৰিষ্ট, ওষ্ঠগত অৰিষ্ট, দন্তগত অৰিষ্ট, জিহ্বাগত অৰিষ্ট, নাসিকাগত অৰিষ্ট আদিৰ বর্ণনা আছে।
৩২।	স্বভাববিপ্রতিপতি	ইয়াত থকা ৯ টা শ্লোকৰ জৰিয়তে অঙ্গত অস্বাভাৱিক পৰিৱর্তন মৰণসূচক, মৃত্যুসূচক চিহ্ন, মৰণসূচক লক্ষণ, গতায়ুৰ লক্ষণ আদি বিষয়সমূহৰ বিৱৰণ দিয়া হৈছে।
৩৩।	আৱৰণীয়	ইয়াত মুঠ ২৬ টা শ্লোক আছে। ইয়াত ৰসায়নৰ মহত্ত্ব, দুঃচিকিৎসাগত মহাগদ, মহাগদৰ অসাধ্যতা, বাতব্যাধিৰ অসাধ্য লক্ষণ, কুষ্ঠৰোগৰ অসাধ্য লক্ষণ আদি বিষয়সমূহ আছে।
৩৪।	যুক্তসেনীয়	ইয়াত মুঠ ২৪ টা শ্লোক আছে। ইয়াত প্রধানভাৱে চিকিৎসকৰ দ্বাৰা ৰজাৰ ৰক্ষা, বিষৰ পৰা ৰজাৰ ৰক্ষা আদি বিষয়সমূহ সন্নিৱিষ্ট হৈ আছে।
৩৫।	আতুৰোপক্রমণীয়	ইয়াত মুঠ ৫৮ টা শ্লোক আছে। মুখ্যতঃ ইয়াত ৰোগীৰ আয়ুস জনাৰ মহত্ত্ব, দীর্ঘায়ুৰ সংক্ষিপ্ত পৰিচয়, মধ্যম আয়ুসৰ পৰিচয়, অল্পায়ুৰ পৰিচয় আদি বিষয়সমূহ আছে।
৩৬।	মিশ্রক	ইয়াত মুঠ ৩৪ টা শ্লোক আছে। ইয়াত মুখ্যভাৱে ঔষধিৰ বাবে প্রশস্ত ভূমি, ইয়াৰ পৰীক্ষা বর্ণনা, ভূমি সম্বন্ধীয় মতান্তৰৰ খণ্ডন আদি বিষয়সমূহ দিয়া হৈছে।
৩৭।	ভূমিপ্রবিভাগীয়	ইয়াত মুঠ ১৮ টা শ্লোক আছে। ইয়াত বিশেষকৈ দোষানুসাৰে শোথহৰ দ্রব্য, দোষানুসাৰে শোথহৰ দ্রব্য, দোষানুসাৰ দ্রব্য প্রয়োগ, পাচন দ্রব্য, শোধন দ্রব্য আদিৰ উল্লেখ আছে।
৩৮।	দ্রব্যসংগ্রহণীয়	ইয়াত মুঠ ৮৩ টা শ্লোক আছে। ইয়াত বিদাৰীগন্ধাদি গণ, আৱগ্বধাদি গণ, সালসাৰাদি গণ, বৰুণাদি গণ, ত্রিফলাদ্রব্য, লাক্ষাদি গণ আদিৰ বিৱৰণ দিয়া

আছে।

৩৯।	সংশোধনসংশমনীয়	ইয়াত মুঠ ১৪ টা শ্লোক আছে। ইয়াত প্রধানকৈ উর্দ্ধভাগহৰ দ্রব্য, অধোভাগহৰ দ্রব্য, উভয়তভাগহৰ দ্রব্য, শিৰোবিৰেচন দ্রব্য, বাতসংশমনদ্রব্য, পিত্তসংশমনদ্রব্য, কফসংশমনদ্রব্য আদিৰ বর্ণনা আছে।
৪০।	দ্রব্যৰসগুণবীর্যবিপাক বিজ্ঞানীয়	এই অধ্যায়টোত ২৪ টা শ্লোক আছে। ইয়াত ৰসাদিত দ্রব্যৰ প্রধানতাৰ হেতু, ৰসৰ প্রধানতাৰ হেতু, বীর্য্যৰ প্রধানতাৰ হেতু আদি বিষয়ৰ উল্লেখ আছে।
৪১।	দ্রব্যবিশেষবিজ্ঞানী	ইয়াত ১৬ টা শ্লোক আছে। ইয়াত মূলতঃ দ্রব্যৰ পঞ্চভৌতিকতা, পার্থিবদ্রব্য, আপ্যদ্রব্য, তৈজসদ্রব্য, বায়ব্যদ্রব্য আদিৰ বিৱৰণ আছে।
৪২।	ৰসবিশেষবিজ্ঞানীয়	ইয়াত ২৫ টা শ্লোক আছে। ইয়াত প্রধানভাৱে ৰসৰ আপ্য হোৱা, ছয় ৰসৰ উৎপত্তি, মধুৰাদিৰস আৰু ইয়াৰ ভৌতিকতা, দোষৰ উৎপত্তি, ৰসৰ ভেদ আদি বর্ণিত হৈ আছে।
৪৩।	বমনদ্রব্যবিকল্পবিজ্ঞানীয়	এই অধ্যায়টোৰ ১১ টা শ্লোকত বিশেষকৈ বমনত মদনফলৰ শ্রেষ্ঠতা, তথা মদনপুষ্পাদি বামকযোগ, অন্য বামকযোগ আদিৰ বিৱৰণ আছে।
৪৪।	বিৰেচনদ্রব্যবিকল্প বিজ্ঞানীয়	ইয়াত ৯১ টা শ্লোক আছে। ইয়াত মুখ্যতঃ ছয় প্রকাৰৰ বিৰেচন দ্রব্য, ত্রিবৃদাদি বিৰেচক যোগ, ত্রিবৃদাদি অন্য বিৰেচক যোগ, বিৰেচক মোদক, সিতাদিচূর্ণ, ত্রিবৃদাদিচূর্ণ আদিৰ বর্ণনা আছে।
৪৫।	দ্ৰদ্রব্যবিধি	ইয়াত ২২৯ টা শ্লোক আছে। ইয়াত প্রধানকৈ জলবর্গ, ক্ষীৰবর্গ, তৈলবর্গ আদি দ্রব্যৰ বিৱৰণ দিয়া আছে।
৪৬।	অন্নপানবিধি	ইয়াত ৫৩৯ টা শ্লোক আছে। ইয়াত প্রধানকৈ ধান্যবর্গ, মাংসবর্গ, ফলবর্গ, শাকবর্গ, পুষ্পবর্গ, কন্দবর্গ, ধাতুবর্গ, কৃতান্নবর্গ, ভক্ষ্যবর্গ, বিবিধ অনুপান আদি বিষয়সমূহ সামৰি লোৱা হৈছে।

(খ) নিদানস্থান ঃ এই স্থানত ১৬ টা অধ্যায় আছে। এই অধ্যায়সমূহৰ নাম হৈছে— ১) বাতব্যাধিনিদান, ২) অর্শসাংনিদান, ৩) অশ্মৰীণাংনিদান, ৪) ভগন্দৰাণাংনিদান, ৫) কুষ্ঠনিদান, ৬) প্রমেহনিদান, ৭) উদৰাণাংনিদান, ৮) মূঢ়গর্ভনিদান, ৯) বিদ্রধীনাং নিদান, ১০) বিসর্পনাড়ীস্তনৰোগ নিদান ১১) গ্রন্থ্যপচর্বুদগলগণ্ডানাং নিদান, ১২) বৃদ্ধ্যুপদংশশ্লীপদানাং নিদান, ১৩) ক্ষুদ্ররোগনিদান, ১৪) শুকদোষনিদান, ১৫) ভগ্ননিদান, ১৬) মুখৰোগাণং নিদান।

(গ) শাৰীৰস্থান ঃ এই স্থানত ১০ টা অধ্যায় আছে। সেইবোৰ হৈছে — ১) সর্বভূতচিন্তাশাৰীৰ, ২) শুক্রশোণিতশুদ্ধিশাৰীৰ, ৩) গর্ভাবক্রান্তিশৰীৰ, ৪) গর্ভব্যাকৰণশাৰীৰ, ৫) শৰীৰসংখ্যাব্যাকৰণশাৰীৰ, ৬) প্রত্যেকমর্মনির্দেশশাৰীৰ, ৭) সিৰাবর্ণবিভক্তিশাৰীৰ, ৮) সিৰাব্যধবিধিশাৰীৰ, ৯) ধমনীব্যাকৰণশাৰীৰ, ১০) গর্ভিণীব্যাকৰণশাৰীৰ।

(ঘ) চিকিৎসাস্থান ঃ এই স্থানত ৪০ টা অধ্যায় আছে। ইয়াৰ নামসমূহ হৈছে— ১) দ্বিব্রণীয়চিকিৎসা, ২) সদ্যোব্রণচিকিৎসা, ৩) ভগ্নচিকিৎসা, ৪) বাতব্যাধিচিকিৎসা, ৫) মহাবাতব্যাধিচিকিৎসা, ৬) অর্শচিকিৎসা, ৭) অশ্মৰীচিকিৎসা, ৮) ভগন্দৰচিকিৎসা, ৯) কুষ্ঠচিকিৎসা, ১০) মহাকুষ্ঠচিকিৎসা, ১১) প্রমেহচিকিৎসা, ১২) প্রমেহপিডকাচিকিৎসা, ১৩) মধুমেহচিকিৎসা, ১৪) উদৰচিকিৎসা, ১৫) মূঢ়গর্ভচিকিৎসা, ১৬) বিদ্রধীচিকিৎসা, ১৭) বিসর্পনাড়ীস্তনৰোগচিকিৎসা, ১৮) গ্রন্থ্যপচ্যর্বুদগণ্ডচিকিৎসা, ১৯)

বৃদ্ধ্যুপদংশশ্লীপদচিকিৎসা, ২০) ক্ষুদ্ৰৰোগচিকিৎসা, ২১) শূকদোষচিকিৎসা, ২২) মুখৰোগচিকিৎসা, ২৩) শোফচিকিৎসা, ২৪) অনাগতাবাধপ্ৰতিষেধ, ২৫) মিশ্ৰকচিকিৎসা, ২৬) ক্ষীণবলীয়বাজীকৰণচিকিৎসা, ২৭) সর্বোপঘাতশমনীয়ৰসায়ন, ২৮) মেধায়ুষ্কামীয়ৰসায়নচিকিৎসা, ২৯) স্বভাৱব্যাধিপ্ৰতিষেধনীয়ৰসায়ন, ৩০) নিবৃত্ত সন্তাপীয়ৰসায়ন, ৩১) স্নেহোপযৌগিকচিকিৎসা, ৩২) স্বেদাবচাৰণীয়চিকিৎসা ৩৩) বমনবিৰেচনসাধ্যোপদ্ৰৱচিকিৎসা, ৩৪) বমনবিৰেচনব্যাপচ্চিকিৎসা, ৩৫) নেত্ৰবস্তিপ্ৰমাণপ্ৰবিভাগচিকিৎসা, ৩৬) নেত্ৰবস্তিব্যাপচ্চিকিৎসা, ৩৭) অনুবাসনোত্তৰবস্তিচিকিৎসা, ৩৮) নিৰূহক্ৰমচিকিৎসা, ৩৯) আতুৰোপদ্ৰৱচিকিৎসা, ৪০) ধূমনস্যকৱলগ্ৰহচিকিৎসা।

(ঙ) **কল্পস্থান ঃ** এই স্থানটোত ৮ টা অধ্যায় আছে। সেইবোৰ হৈছে— ১) অন্নপানৰক্ষাকল্প, ২) স্থাৱৰবিষবিজ্ঞানীয়, ৩) জঙ্গমবিষবিজ্ঞানীয়, ৪) সর্পদষ্টবিষবিজ্ঞানী, ৫) সর্পদষ্টাবিষচিকিৎসা, ৬) দুন্দুভিস্বনীয়কল্প, ৭) মূষিককল্প, ৮) কীটকল্প।

উত্তৰ তন্ত্ৰ

এই তন্ত্ৰ বা অধ্যায়টোত ৬৬ টা অধ্যায়ত ভিন্ন বিষয়সমূহ সামৰা হৈছে। এই অধ্যায়বোৰৰ নামসমূহ হৈছে— ১) ঔপদ্ৰৱিক, ২) সন্ধিগতৰোগবিজ্ঞানীয়, ৩) বৰ্ত্মগতৰোগবিজ্ঞানীয়, ৪) শুক্লগতৰোগবিজ্ঞানীয়, ৫) কৃষ্ণগতৰোগবিজ্ঞানীয়, ৬) সর্বগতৰোগবিজ্ঞানীয়, ৭) দৃষ্টিৰোগবিজ্ঞানীয়, ৮) চিকিৎসিতপ্ৰবিভাগবিজ্ঞানীয়, ৯) বাতাভিষ্যন্দ-অধিমন্থপ্ৰতিষেধ, ১০) পিত্তাভিষ্যন্দপ্ৰতিষেধ, ১১) শ্লেষ্মাভিষ্যন্দপ্ৰতিষেধ, ১২) ৰক্তাভিষ্যন্দপ্ৰতিষেধ, ১৩) লেখ্যৰোগপ্ৰতিষেধ, ১৪) ভেদ্যৰোগপ্ৰতিষেধ, ১৫) ছেদ্যৰোগপ্ৰতিষেধ, ১৬) পক্ষ্মকোপপ্ৰতিষেধ, ১৭) দৃষ্টিগতৰোগপ্ৰতিষেধ, ১৮) ক্ৰিয়াকল্পাধ্যায়, ১৯) নয়নাভিঘাতপ্ৰতিষেধ, ২০) কর্ণগতৰোগবিজ্ঞানীয়, ২১) কর্ণগতৰোগপ্ৰতিষেধ, ২২) নাসগতৰোগবিজ্ঞানীয়, ২৩) নাসগতৰোগপ্ৰতিষেধ, ২৪) প্ৰতিশ্যায়প্ৰতিষেধ, ২৫) শিৰৰোগবিজ্ঞানীয়, ২৬) শিৰোৰোগপ্ৰতিষেধ, ২৭) নৱগ্ৰহাকৃতিবিজ্ঞানীয়, ২৮) স্কন্দগ্ৰহপ্ৰতিষেধ, ২৯) স্কন্দাপস্মাৰপ্ৰতিষেধ, ৩০) শকুনীপ্ৰতিষেধ, ৩১) ৰেৱতীপ্ৰতিষেধ ৩২) পূতনাপ্ৰতিষেধ, ৩৩) অন্ধপূতনাপ্ৰতিষেধ, ৩৪) শীতপূতনাপ্ৰতিষেধ, ৩৫) মুখমণ্ডিকাপ্ৰতিষেধ, ৩৬) নৈগমেষপ্ৰতিষেধ, ৩৭) গ্ৰহোৎপত্তি, ৩৮) যোনিব্যাপৎপ্ৰতিষেধ, ৩৯) জ্বৰপ্ৰতিষেধ, ৪০) অতিসাৰপ্ৰতিষেধ, ৪১) শোষপ্ৰতিষেধ, ৪২) গুল্মপ্ৰতিষেধ, ৪৩) হৃদ্‌ৰোগপ্ৰতিষেধ, ৪৪) পাণ্ডুৰোগপ্ৰতিষেধ, ৪৫)ৰক্তপিত্তপ্ৰতিষেধ, ৪৬) মূর্চ্ছাপ্ৰতিষেধ, ৪৭) পানাত্যয়প্ৰতিষেধ, ৪৮) তৃষ্ণাপ্ৰতিষেধ, ৪৯) ছর্দিপ্ৰতিষেধ, ৫০) হিক্কাপ্ৰতিষেধ, ৫১) শ্বাসপ্ৰতিষেধ, ৫২) কাসপ্ৰতিষেধ, ৫৩) স্বৰভেদপ্ৰতিষেধ, ৫৪) কৃমিৰোগপ্ৰতিষেধ, ৫৫) উদাবর্তপ্ৰতিষেধ, ৫৬) বিসূচিকাপ্ৰতিষেধ, ৫৭) অৰোচকপ্ৰতিষেধ, ৫৮) মূত্ৰাঘাতপ্ৰতিষেধ, ৫৯) মূত্ৰকৃচ্ছ্ৰপ্ৰতিষেধ, ৬০) অমানুষোপসর্গপ্ৰতিষেধ, ৬১) অপস্মাৰপ্ৰতিষেধ, ৬২) উন্মাদপ্ৰতিষেধ, ৬৩) ৰসভেদবিকল্প, ৬৪) স্বস্থবৃত, ৬৫) তন্ত্ৰযুক্তাধ্যায়, ৬৬) দোষভেদবিকল্প।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ 'সুশ্রুতসংহিতা'ত কিমানটা অধ্যায় আছে?

.....

প্ৰশ্ন নং ৭ ঃ সূত্ৰস্থানত কিমানটা অধ্যায় আছে?

.....

প্ৰশ্ন নং ৮ ঃ বেদোৎপত্তি অধ্যায়টোত কিহৰ বিষয়ে আলোচনা আছে?

.....

প্ৰশ্ন নং ৯ ঃ নিদানস্থানত কেইটা অধ্যায় আছে?

.....

প্ৰশ্ন নং ১০ ঃ চিকিৎসাস্থানত কেইটা অধ্যায় আছে?

.....

১০.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- আয়ুৰ্বেদৰ অৱতৰণৰ বিষয়ে জানিব পাৰিলে।
- 'সুশ্রুতসংহিতা'ৰ পৰম্পৰাৰ বিষয়ে জানিব পাৰিলে।
- গ্রন্থখনৰ অধ্যায়সমূহৰ লগত পৰিচয় হ'ব পাৰিলে।
- অধ্যায়সমূহৰ নামৰ লগত চিনাকী হ'ব পাৰিলে।

১০.১০ অধিক জানিবলৈ

১) শাস্ত্রী, ড° অম্বিকাদত্ত, (২০১৬), *সুশ্রুতসংহিতা,* বাৰানসী ঃ চৌখম্ভা সংস্কৃত সংস্থান।

২) অত্রিদেৱ (সম্পাদিত), (২০১৫), *সুশ্রুতসংহিতা,* দিল্লী ঃ মোতীলাল বনাৰসীদাস।

৩) Dora, (Dr.) Ghanashyam, (2011), *Ayurvediya Hitopadesha,* Puri : Ethical Publications.

৪) Goswami, (Dr.) Dilip Kumar, (2018), *Essentials of Ayurveda,* Jorhat : Eastern Readers Publication.

১০.১১ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সুশ্রুত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ডল্হণ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ধন্বন্তৰিৰ পৰা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৮ টা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ শল্য তথা শালাক্য।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ১২০ টা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ৪৬ টা।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ আয়ুৰ্বেদৰ আঠ অঙ্গৰ নাম তথা লক্ষণ।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ১৬ টা।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ৪০ টা।

? ১০.১২ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ তলৰ প্ৰশ্নকেইটাৰ উত্তৰ লিখক।

(ক) সুশ্রুতে লিখা গ্ৰন্থখনৰ নাম কি?

(খ) নাগার্জুন কোন?

(গ) আয়ুৰ্বেদৰ সংজ্ঞা কি?

(ঘ) 'সুশ্রুতসংহিতা'ৰ বিষয়বস্তু কি?

(ঙ) 'সুশ্রুতসংহিতা'ত কেইটা অধ্যায় আছে।

(খ) চুটি প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ তলৰ শব্দবোৰৰ চমুটোকা লিখক ঃ

শল্য, শালাক্য, আয়ুৰ্বেদ, নিদানস্থান, উত্তৰতন্ত্ৰ।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ 'সুশ্রুতসংহিতা'ৰ পৰম্পৰা আলোচনা কৰক।

প্ৰশ্ন ২ ঃ 'সুশ্রুতসংহিতা'ৰ বিষয়বস্তু সংক্ষেপে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ 'সুশ্রুতসংহিতা'ৰ সূত্ৰস্থানৰ ওপৰত এটি টোকা লিখক।

*** ***** ***

অধ্যায় ১১ঃ বিভিন্ন ভাৰতীয় কলা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ ভাৰতীয় কলাৰ পৰিচয়
১১.৪ ভাৰতীয় কলাৰ বিভিন্ন প্ৰকাৰ
  ১১.৪.১ সংগীত কলা
  ১১.৪.২ নৃত্য কলা
  ১১.৪.৩ নাট্য কলা
  ১১.৪.৪ চিত্ৰ কলা
  ১১.৪.৫ স্থাপত্য ভাস্কৰ্য কলা
১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৬ অধিক জানিবলৈ
১১.৭ অগ্ৰগতিৰ খতিয়ান
১১.৮ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতীয় কলা সম্পৰ্কে ধাৰণা লাভ কৰিব।
- ভাৰতীয় কলাৰ প্ৰকাৰসমূহৰ বিষয়ে জানিব পাৰিব।
- ভাৰতীয় কলাৰ বিকাশ সম্পৰ্কে জ্ঞান লাভ কৰিব।
- সংগীত, নৃত্য, নাট্য, চিত্ৰ, স্থাপত্য-ভাস্কৰ্য আদি কলাসমূহৰ বিষয়ে বিশদভাৱে জানিব পাৰিব।

১১.২ পৰিচয়

এই অধ্যায়টিৰ জৰিয়তে আপুনি কলা সম্পৰ্কে এক সংক্ষিপ্ত ধাৰণা পাব। তথা ভাৰতীয় কলা সম্পৰ্কে এক পৰিচয়মূলক সামগ্ৰিক ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব। ভাৰতীয় কলাৰ বিভিন্ন প্ৰকাৰসমূহৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব। সংগীত কলাৰ উৎপত্তি আৰু বিকাশৰ লগত পৰিচয় হোৱাৰ লগতে সংগীতৰ বিধাসমূহৰ বিষয়ে জানিব পাৰিব। তাৰ পিছত ক্ৰমে ভাৰতীয় নৃত্য, নাট্য, চিত্ৰ আৰু স্থাপত্য ভাস্কৰ্য্য কলাৰ বিষয়ে সামগ্ৰিক ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব।

১১.৩ ভাৰতীয় কলাৰ পৰিচয়

মানুহৰ সৃষ্টিশীল প্ৰতিভাৰ কাৰ্য্যকৰী ৰূপৰ বহিঃ প্ৰকাশেই হ'ল কলা। কলাৰ জৰিয়তে মানৱ মনৰ কল্পনাই জীৱন্ত ৰূপ লাভ কৰে। কলাক এক সংকেত বুলিও ক'ব পাৰি যাৰ জৰিয়তে মানুহে বাস্তৱ জীৱনত লাভ

কৰা অভিজ্ঞতাসমূহ কল্পনাৰ চমৎকাৰেৰে সুসজ্জিত কৰি এক ব্যতিক্রমী ৰূপত প্রকাশ কৰে। বিখ্যাত কবি ৰবীন্দ্রনাথ ঠাকুৰৰ মতে- "যি সত্য, যি সুন্দৰ, সেয়েই কলা।" 'কলা' শব্দটো সম্পূর্ণৰূপে এক সংস্কৃত শব্দ। 'কং লাতি ইতি কলা'- এই বুৎপত্তি অনুসৰি 'কং' শব্দৰ অর্থ হৈছে 'আনন্দ' আৰু 'লাতি' পদটো ইয়াত 'প্রদান কৰা' অর্থত লোৱা হৈছে। অর্থাৎ কলাৰ জৰিয়তে আনন্দ প্রদান কৰা হয়। আচার্য ভৰতমুনিয়ে কৈছে- 'ন অজ্ঞানংন তচ্ছিল্পং ন সা বিদ্যা ন সা কলা" ইতি। স্কন্দ পুৰাণত বিশ্বকর্মাক কলাবিদসকলৰ ভিতৰত শ্রেষ্ঠ বুলি আখ্যা দি কৈছে- "কলাবিদাং বৰঃ।" এই ক্ষেত্রত মন কৰিবলগীয়া যে দক্ষতা, উচ্চ মানদণ্ড, উদ্দেশ্য, মনৰ শক্তি, মনৰ উদ্যম, উত্থানশীল সংগ্রাম তথা প্রতিভা অবিহনে কলা প্রদর্শন কৰাটো অসম্ভৱ। কলাবিদজনে নিজৰ সৃষ্টিশীল প্রতিভাৰ জৰিয়তে অভিজ্ঞতালব্ধ জ্ঞানসমূহক কাল্পনিক ৰূপ দি এক অনবদ্য ৰূপত প্রকাশ কৰাই হ'ল কলা প্রদর্শন যাৰ জৰিয়তে দর্শক, পাঠক বা শ্রুতাৰ ৰসত্ব প্রাপ্তি হয় আৰু এক অনাবিল আনন্দ লাভ কৰিবলৈ সক্ষম হয়।

১১.৪ ভাৰতীয় কলাৰ বিভিন্ন প্রকাৰ

প্রাচীন ভাৰতীয় শাস্ত্র যেনে— বাৎস্যায়নৰ 'কামসূত্র', শুক্রাচার্য্যৰ শুক্রনীতিসাৰ, জৈন গ্রন্থ 'প্রবন্ধকোশ,' 'কলাবিলাস' ললিতবিস্তৰ' আদি গ্রন্থত ভাৰতীয় কলা সম্পর্কে আলোচনা দেখা যায়। অধিকসংখ্যক গ্রন্থতেই চৌষষ্ঠি বিধ কলাৰ উল্লেখ থকা দেখা যায়। ভাগবতপুৰাণ আৰু শৈৱতন্ত্রসমূহতো আমি চৌষষ্ঠি কলাৰ বিষয়েই পাওঁ। প্রাচীন ভাৰতীয় শাস্ত্রসমূহ অনুসৰি চৌষষ্ঠিবিধ কলা হ'ল—

১) গীত
২) বাদ্য
৩) নৃত্য
৪) নাট্য
৫) আলেখ্য অর্থাৎ চিত্রকলা
৬) বিশেষকচ্ছেদ্য অর্থাৎ ভূর্জপত্র চেদনৰ বিভিন্ন শৈলী
৭) তণ্ডলকুসুমৱলিৰিকাৰ অর্থাৎ ৰঙীন চাউল আৰু ফুলেৰে কৰা ৰূপসজ্জাৰ বিভিন্ন শৈলী
৮) পুষ্পাস্তৰণ অর্থাৎ পুষ্পসজ্জা
৯) দশনৱসনাংগৰাগ অর্থাৎ দাঁত, কাপোৰ আদি চাফা কৰা আৰু শৰীৰত ৰং কৰা কৌশল
১০) মণিভূমিকাকর্ম অর্থাৎ মজিয়াৰ সজ্জা
১১) শয্যাৰচন অর্থাৎ বিচনা, চোফা, ডিভান আদি সুন্দৰকৈ সজোৱা।
১২) উদকবাদ্য অর্থাৎ জলবাদ্য বজোৱা
১৩) উদকাঘাত অর্থাৎ জলক্রীড়া
১৪) চিত্রয়োগ অর্থাৎ গোপন সূত্র বা মন্ত্রৰ প্রয়োগ।
১৫) মাল্য গ্রথন বিকল্প অর্থাৎ মালা গঠা কৌশল
১৬) শেখৰকাপীডয়োজন অর্থাৎ মাল আৰু মুকুটেৰে শীর্ষ সজ্জা।
১৭) নেপথ্যয়োগ অর্থাৎ ৰূপসজ্জা তথা অংগসজ্জা
১৮) কর্ণপত্রভংগ অর্থাৎ
১৯) সুগন্ধযুক্তি অর্থাৎ সুগন্ধিৰ সম্যক ব্যৱহাৰে
২০) ঐন্দ্রজাল অর্থাৎ যাদুবিদ্যা আৰু ভ্রমৰ সৃষ্টি।

২১) ভূষণযোজন অর্থাৎ গহনা নির্মাণ।
২২) কৌচুমাৰ অর্থাৎ প্রলেপ প্রস্তুতকৰণ।
২৩) হস্তলাঘৱ অর্থাৎ হাতৰ কামত নিপুনতা
২৪) বিচিত্রশাকয়ুষভক্ষ্যবিকাৰক্রিয়া অর্থাৎ বিভিন্ন ধৰণৰ শোক, পাত, খাদ্য আদিৰ ৰন্ধন ক্রিয়া।
২৫) পানকৰসৰাগাসৱযোজন অর্থাৎ ৰস আৰু পানীয় প্রস্তুত কৰা।
২৬) সূচীৱানকর্ম অর্থাৎ বেজীৰ কাম।
২৭) সূত্রক্রীড়া অর্থাৎ সূতাৰ পৰা আৰ্হি তৈয়াৰ কৰা।
২৮) বীণাডম্ৰুকবাদ্য অর্থাৎ বীনা আৰু ডম্বৰু বজোৱা।
২৯) প্রহেলিকা অর্থাৎ সাথৰ আৰু ছন্দ ৰচনা আৰু সমাধান কৰা।
৩০) প্রতিমালা অর্থাৎ এনে এক প্রকাৰৰ খেল য'ত এটা পক্ষই এটা পদ্য আবৃত্তি কৰে। এই খেলত পদটোৰ শেষৰ পদটোৰ আনটো পক্ষই কবিতা ৰচনা কৰে।
৩১) দুর্বাচ্যকয়োগ অর্থাৎ পুনৰাবৃত্তি কৰিবলৈ কঠিন পদ্য আবৃত্তি কৰা, জিভা কুটিল কৰা ইত্যাদি।
৩২) পুস্তকৱাচন অর্থাৎ আবৃত্তি।
৩৩) নাটকাখ্যায়িকাদর্শন অর্থাৎ নাটক আৰু কাহিনীৰ জ্ঞান থকা।
৩৪) কাব্য সমস্যাপুৰাণ অর্থাৎ উক্ত পংক্তি অনুসৰি তাৰে সৈতে মিলাকৈ কাব্য ৰচনা কৰা।
৩৫) পট্টিকাবানবেত্রবিকল্পা অর্থাৎ কাঠৰ ফ্রেম বনোৱা।
৩৬) তক্ষকর্ম অর্থাৎ যান্ত্রিক আচবাৰ তৈয়াৰ কৰা।
৩৭) তক্ষণ অর্থাৎ কাঠমিস্ত্রী
৩৮) বাস্তুবিদ্যা অর্থাৎ স্থাপত্য
৩৯) ৰূপ্যৰত্নপৰীক্ষা অর্থাৎ বহুমূলীয়া ধাতু আৰু শিলৰ বিষয়ে জ্ঞান।
৪০) ধাতুবাদ অর্থাৎ ধাতুৰ জ্ঞান।
৪১) মণিৰাগাকৰজ্ঞান অর্থাৎ মণি, ৰং আৰু খনিৰ জ্ঞান।
৪২) বৃক্ষায়ুর্বেদয়োগ অর্থাৎ উদ্যান বিদ্যা।
৪৩) মেষকুটলাৰকয়ুদ্ধবিধি অর্থাৎ কুকুৰাৰ যুদ্ধ, ভেড়াৰ যুদ্ধ আৰু বতা চৰাইৰ যুদ্ধৰ কলা।
৪৪) শুকসাৰিকাপ্রলাপনা অর্থাৎ কপৌ আৰু টয়নাক কথা কোৱা আৰু গাঁৰলৈ প্রশিক্ষণ দিয়া।
৪৫) উৎসাদনে সংৱাহনে কেশসার্দনে কৌশলম্ অর্থাৎ কেশ পৰিচর্য্যা
৪৬) অক্ষৰ মুষ্টিকাকথন অর্থাৎ সংকেত শব্দ লিখা আৰু বুজা।
৪৭) ম্লেচ্ছিতবিকল্প। ম্লেচ্ছসকলৰ দৰে অস্পষ্ট কিন্তু যোগাযোগৰ বিকল্প হিচাপে ভাষা কোৱাৰ কৌ

১১.৪.১ সংগীত কলা

সংগীত কলাৰ আৰম্ভণি বৈদিক যুগতেই হৈছিল বুলি আমি ক'ব পাৰো। বৈদিক সাহিত্যৰ পৃষ্ঠাসমূহতেই সংগীতৰ বীজ অংকুৰিত হৈছিল। সমগ্র বিশ্বৰ ভিতৰত অগ্রণী নথি হিচাপে স্বীকৃতি লাভ কৰা বৈদিক মন্ত্রসমূহকেই আমি এক প্রকাৰে ভাৰতীয় সংগীতৰ আৰম্ভণি বুলি ক'ব পাৰো। বৈদিক ছন্দেৰে ছন্দোবদ্ধ সেই মন্ত্রবোৰেই বৈদিক যুগৰ লোকসকলৰ সংগীতৰ প্রতি থকা অভিৰুচি তথা সংগীত সম্পর্কে থকা জ্ঞানৰ কথা প্রমাণ কৰে। চাৰি বেদৰ ভিতৰত ঋগ্বেদ আৰু সাম্যবেদত আমি সংগীত কলাৰ বিষয়ে পাওঁ। ঋগ্বেদ হৈছে ছন্দোবদ্ধ মন্ত্রৰ ভঁৰালস্বৰূপ

আৰু ঋগ্বেদৰেই কিছুসংখ্যক মন্ত্ৰ গীত হিচাপে সামবেদত সন্নিবিষ্ট কৰা হৈছে। সামবেদত নতুনকৈ সংযুক্ত পয়সত্তৰটা মন্ত্ৰৰ বাহিৰে সকলোবোৰ ঋগ্বেদৰ পৰা আহৰণ কৰা মন্ত্ৰ। সামবেদ শব্দটো দৰাচলতে 'সামন্' আৰু 'বেদ' এই দুটা শব্দৰে গঠিত। 'সাম' বা 'সামন্' শব্দৰ অৰ্থ হৈছে ছন্দোবদ্ধ মন্ত্ৰ বা গীত- 'গীতিষু সমাখ্যা (মীমাংসাসূত্ৰ,২.১.৩৬) আকৌ সায়ণাচাৰ্যই কৈছে- গীত হিচাপে সন্নিবিষ্ট হোৱা ঋগ্বেদৰ মন্ত্ৰসমূহেই হ'ল 'সামন্' 'গীতিৰূপাঃ সামানি।"

ভৰতৰ নাট্যশাস্ত্ৰইও সংগীতৰ সৃষ্টি সামবেদতেই হৈছিল বুলি মত প্ৰকাশ কৰে। গতিকে সামবেদতেই যে ভাৰতীয় সংগীতৰ জন্ম হৈছিল এই কথা নিশ্চিত ৰূপত ক'ব পাৰি। এই সিদ্ধান্তত অধিক গুৰুত্ব দিবলৈ আমি সংগীত ৰত্নাকৰৰ এই বিশেষ শাখাটোৰ উদ্ধৃতি দিব পাৰো- "সামবেদাদিদং গীতং সংজগ্ৰাহ পিতামহঃ।" ইয়াৰ পিছত সংগীত কলাই ৰামায়ণ, মহাভাৰত, পুৰাণ, মহাকাব্য, খণ্ডকাব্য, নাটক আদি বিভিন্ন স্তৰৰ মাজেৰে বিকাশ লাভ কৰে। এই ক্ষেত্ৰত মন কৰিবলগীয়া যে প্ৰাচীন ভাৰতীয় সাহিত্যৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থ যেনে ভৰতৰ নাট্যশাস্ত্ৰ, নাৰদৰ নাৰদীয় শিক্ষা, মতঙ্গৰ বৃহদ্দেশী, সাৰংগদেৱৰ সংগীত ৰত্নাকৰ, হৰিপালদেৱৰ সংগীত সুধাকৰ দামোদৰ মিশ্ৰৰ সংগীত দৰ্পন আদি গ্ৰন্থসমূহে ভাৰতীয় সংগীতক বিশ্লেষণাত্মকভাৱে তথা পদ্ধতিগতভাৱে আলোচনা কৰা দেখা যায়।

পণ্ডিত সাৰংগদেৱৰ 'সংগীত ৰত্নাকৰ' গ্ৰন্থত ভাৰতীয় সংগীতৰ পৰিভাষা দি তেওঁ কৈছে যে "গীতং বাদ্যং তথা নৃত্যং ত্ৰয়ং সংগীতমুচ্যতে' অৰ্থাৎ গীত বাদ্য আৰু নৃত্য এই তিনিবিধক একেলগে সংগীত বুলি কোৱা হয়। প্ৰাচীন শাস্ত্ৰসমূহে সংগীতক দুটা ভাগত ভাগ কৰিছে- কণ্ঠ সংগীত আৰু বাদ্য সংগীত।

ভাৰতীয় সংগীতৰ মূল উপাদানসমূহ ঃ

১) **সংগীতৰ সপ্তস্বৰ ঃ** ভাৰতীয় সংগীতত স্বৰ সাতপ্ৰকাৰৰ। সেইসমূহ হ'ল- ষড়্জ, ঋষভ, গান্ধাৰ, মধ্যমস পঞ্চম, ধৈৱত আৰু নিষাদ। এই সপ্তস্বৰক সংক্ষেপে সা, ৰে, গা, মা, পা, ধা, নি বুলি উচ্চাৰণ কৰা হয়।

২) **সংগীতৰ তিনি সপ্তক ঃ** সাতপ্ৰকাৰৰ শুদ্ধ স্বৰৰ সমূহক সপ্তক বোলা হয়। ভাৰতীয়া সাহিত্যত সপ্তক তিনি প্ৰকাৰৰ- মন্দ্ৰ সপ্তক, মধ্য সপ্তক আৰু তাৰ সপ্তক। মন্দ্ৰ সপ্তক হৈছে নিম্নস্বৰসমূহৰ, মধ্য সপ্তক হৈছে মধ্যস্বৰসমূহৰ আৰু তাৰ সপ্তক হৈছে উচ্চ স্বৰসমূহৰ সমষ্টি। মন্দ্ৰসপ্তকৰ স্বৰসমূহ হৃদয়ৰ গভীৰতমৰ পৰা আৰু মধ্য সপ্তকৰ স্বৰসমূহ শীৰ্ষৰ পৰা উচ্চাৰিত হয়।

৩) **মূৰ্চ্ছনা ঃ** ভাৰতীয় সংগীতত আৰোহন আৰু অৱৰোহনক প্ৰকৃতক্ৰমত সজালে তাক মূৰ্চ্ছনা বোলা হয়। নাট্যশাস্ত্ৰত ১৪ প্ৰকাৰৰ মূৰ্চ্ছনাৰ বিষয়ে পোৱা যায়।

৪) **লয় ঃ** সংগীতৰ গতিকে লয় বোলে। গতিৰ তাৰতম্যৰ বাবে ভাৰতীয় সংগীতক লয়ক তিনিটা ভাগত ভাগ কৰা দেখা যায়। ১) ধীৰগতিৰ সংগীতৰ বাবে বিলম্বিত লয় ২) দ্ৰুতগতিৰ সংগীতৰ বাবে বিলম্বিত লয় ৩) মধ্যগতিৰ সংগীতৰ বাবে মধ্য লয়।

৫) **তাল ঃ** লয়ৰ লগত তালৰ সম্পৰ্ক থকা দেখা যায়। সংগীতৰ লয় বা গতিৰ দূৰত্ব জোখাৰ বাবে মাত্ৰা ব্যৱহাৰ কৰা হয়। প্ৰত্যেকটি মাত্ৰাৰেই মধ্যৱৰ্তী ব্যৱধান সমান হয়। কেইবাটাও ছন্দোবদ্ধ মাত্ৰাৰ সমষ্টিৰে গঠিত হয় একোটি তাল।

ভাৰতীয় সংগীতৰ বিধাসমূহঃ

ভাৰতীয় সংগীতৰ মূলতঃ চাৰিটা বিধাৰ উল্লেখ পোৱা যায়। সেই চাৰিটা বিধা হ'ল - শাস্ত্ৰীয় সংগীত, উপশাস্ত্ৰীয় সংগীত, সুগম সংগীত আৰু লোক সংগীত।

১) **শাস্ত্ৰীয় সংগীত ঃ** সংগীত বিষয়ক বিভিন্ন শাস্ত্ৰ যেনে- নাট্যশাস্ত্ৰ, সংগীত ৰত্নাকৰ, সংগীত সুধাকৰ আদিৰ ওপৰত ভিত্তি কৰি যি সংগীতত ৰাগসমূহ তাল-লয়-সুৰ শাস্ত্ৰ অনুসৰি নিৰ্ধাৰণ কৰি লোৱা হয় আৰু যথোপযুক্ত নিয়ম অনুসৰিহে সেই সংগীত পৰিৱেশন কৰা হয়, তাকেই শাস্ত্ৰীয় সংগীত বোলে। শাস্ত্ৰীয় সংগীতৰ

নিয়মসমূহ স্থিৰ থাকে আৰু যিকোনো দেশ বা প্ৰদেশতেই হওঁক শাস্ত্ৰীয় সংগীত পৰিৱেশনৰ সময়ত সেই নিয়মসমূহ মানি চলিবলগীয়া হয়। ভাৰতত শাস্ত্ৰীয় সংগীতৰ দুটা বিধা হ'ল হিন্দুস্থানী সংগীত আৰু কৰ্ণাটক সংগীত। হিন্দস্থানী সংগীত ঘাইকৈ উত্তৰ ভাৰতত প্ৰচলিত। আনহাতে কৰ্ণাটক সংগীত হ'ল মূলতঃ দক্ষিণ ভাৰতত প্ৰচলিত সংগীত। হিন্দস্থানী সংগীত মোগল বাদশ্বাহসকলৰ ছত্ৰছায়াত বিকশিত হৈছিল আৰু কৰ্ণাটক সংগীত দক্ষিণ ভাৰতৰ মন্দিৰসমূহত। সেয়েহে দক্ষিণ ভাৰতৰ শাস্ত্ৰীয় সংগীতসমূহ ভক্তিৰস প্ৰধান আৰু হিন্দুস্থানী সংগীত শৃংগাৰ ৰস প্ৰধান। ভাৰতীয় শাস্ত্ৰীয় সংগীতক 'মাগয়' সংগীত বুলিও আখ্যা দিয়া হয়।

২) **উপশাস্ত্ৰীয় সংগীত ঃ** উপশাস্ত্ৰীয় সংগীত সম্পূৰ্ণৰূপে শাস্ত্ৰীয় কঠোৰ নীতি নিয়মৰ মাজেৰে পৰিৱেশন কৰা নহয়। যদিও এই সংগীতৰ আধাৰো শাস্ত্ৰসমূহেই, তথাপি ৰাগাদি পৰিৱেশনৰ ক্ষেত্ৰত কিছু শিথিলতা পৰিলক্ষিত হয়। উপশাস্ত্ৰীয় সংগীত পৰিৱেশনত ৰাগসমূহৰ নিয়মসমূহ ভাৱ, ৰস অথবা মাধূৰ্যৰ প্ৰকাশ অনুসৰি কিছু শিথিল কৰিব পৰা যায়। উপশাস্ত্ৰীয় সংগীতৰ অন্তৰ্গত হ'ল ঠুমৰী, টপণা, হোৰী, দাদৰা, কজৰী,চৈতী আদি।

৩) **সুগম সংগীত ঃ** সুগম সংগীত সম্পূৰ্ণৰূপে ভাৱ প্ৰধান। সুগম সংগীতত হিন্দী বা ঊৰ্দু কবিতাক স্বৰ আৰু লয়েৰে বান্ধি পৰিৱেশন কৰা হয়। গীত, ভজন, গজল, কৱালী, কীৰ্তন আদি সুগম সংগীতৰ অন্তৰ্গত।

৪) **লোক সংগীত ঃ** বৈদিক মন্ত্ৰসমূহৰ দৰে লোকগীত বা লোকসংগীতসমূহ অত্যন্ত প্ৰাচীন তথা মানবীয় সংবেদনসমূহৰ উদ্‌গাৰক। মানুহৰ মুখে মুখে প্ৰচলিত এই লোকগীতসমূহ মানবীয় সংবেদনাসমূহৰ সংবাহক। লোকসংগীতসমূহ সাহিত্যিক ছন্দ তথা অলংকাৰসমূহৰ পৰা সম্পূৰ্ণৰূপে মুক্ত হৈ স্বকীয়ভাৱে প্ৰকাশিত। লোকগীসমূহত প্ৰাকৃতিক সৌন্দৰ্য, সুখ-দুখ বিভিন্ন সংস্কাৰ তথা জন্ম-মৃত্যু আদি জাগতিক পৰিঘটনাসমূহক অতি হৃদয়স্পৰ্শীভাৱে প্ৰকাশ কৰে। প্ৰদেশভেদে লোকগীতসমূহৰ ভিন্নতা দেখা যায়। উদাহৰণস্বৰূপে ৰাজস্থানৰ ঝোৰাবা গীত, পীপলী গীত, সেজা গীত, কুৰজাঁ গীত, পপীহা গীত, কাগা গীত, হিচকী গীত ইত্যাদি। আকৌ অসমৰ লোকগীত বুলি ক'লে ভক্তিমূলক গীত যেনে- আইনাম, দেহ-বিচাৰ গীত, টোকাৰী গীত, ভক্তি নিৰপেক্ষ গীত, বিহুগীত, মহোহো গীত, নিচুকনিগীত, বিয়ানাম ইত্যাদিৰ কথা আমি ক'ব পাৰোঁ।

১১.৪.২ নৃত্য কলা

ভাৰতীয় নৃত্য কলাৰ উৎপত্তি ঃ নৃত্য হৈছে এবিধ বিশেষধৰণৰ পৰিৱেশন কলা, যাক গীত তথা ছন্দৰ তালে তালে শৰীৰৰ গতিবিধি, ইংগিত, মূখজ প্ৰকাশভংগীমা, লয়লাস আদিৰ জৰিয়তে আৱেগ আৰু অনুভূতিৰে দৰ্শকৰ সন্মুখত প্ৰস্তুত কৰা হয়। বৈদিকসময়ৰ পৰাই এই কলাৰ চৰ্চা অব্যাহত থকাৰ কথা আমি পাওঁ। ঋগ্‌বেদৰ বিভিন্ন ঠাইত নৃত্যকলা সম্পৰ্কে উল্লেখ আছে। বিভিন্ন বৈদিক মন্ত্ৰই বৈদিক যুগত এই শিল্পকলাৰ অস্তিত্ব আৰু অনুশীলনৰ কথা প্ৰমাণ কৰে। ঋগ্বেদত ইন্দ্ৰক এনে এগৰাকী নৃত্য শিল্পী হিচাপে উপস্থাপন কৰা হৈছে, যিয়ে নিজৰ নৃত্যৰ দ্বাৰা আনলৈও আনন্দ বিয়পায়। আনহাতে, ঋগ্বেদৰ ১ম মণ্ডলৰ ৯২ সংখ্যক সুক্তত উষা দেৱীক এগৰাকী মহিলা নৃত্যশিল্পী হিচাপে চিত্ৰিত কৰা হৈছে।

অথৰ্ববেদত গন্ধৰ্বক এগৰাকী উৎকৃষ্ট নৃত্য শিল্পী হিচাপে দেখুওৱা হৈছে। গতিকে বৈদিক যুগতেই ভাৰতীয় নৃত্যকলাৰ সূচনা হৈছিল বুলি আমি ক'ব পাৰো। ইয়াৰ উপৰিও অভিনয়ভাৰতী, নাট্যদৰ্পণ, ভাৱপ্ৰকাশ আদি শাস্ত্ৰীয় নৃত্য সম্বন্ধীয় উল্লেখযোগ্য গ্ৰন্থ। ইয়াৰ উপৰিও হৰপ্পা সভ্যতাৰ আৱিস্কাৰৰ সময়ত খনন কাৰ্যৰ জৰিয়তে

কিছুমান নৃত্যভংগীমাত থকা মহিলাৰ মূৰ্তি উদ্ধাৰ হয়, যাৰ পৰা এই কলাৰ প্ৰচীনতা প্ৰমাণিত হয়।

পৰৱৰ্তী যুগত ৰামায়ণ, মহাভৰত, নাটক, মহাকাব্য আদিতো নৃত্যকলাৰ উল্লেখ পোৱা যায়। এই ক্ষেত্ৰত মন কৰিবলগীয়া যে - যদিও প্ৰাচীন যুগৰ শাস্ত্ৰসমূহত নৃত্যকলাৰ উল্লেখ পোৱা যায়, কিন্তু নৃত্যকলা সম্পৰ্কে পদ্ধতিগত তথা ব্যৱহাৰিক আলোচনা পোন প্ৰথমে হোৱা দেখা যায় ভৰতৰ নাট্যশাস্ত্ৰত। নাট্য শাস্ত্ৰত ভাৰতীয় নৃত্যকলাৰ বিভিন্ন উপাদানসমূহ যেনে- তিনি প্ৰকাৰৰ অভিনয় অৰ্থাৎ আংগিক, বাচিক আৰু আহাৰ্য; হস্তমুদ্ৰা, পাদমুদ্ৰা, দৈহিক ভংগীমা, খোজ কঢ়াৰ লয়লাস, নেত্ৰ সংযোজন ইত্যাদিৰ বিষয়ে বিস্তৃতৰূপত আলোচনা কৰা দেখা যায়। নাট্যশাস্ত্ৰৰ পিছৰ যুগত নাট্যশাস্ত্ৰক অনুসৰণৰ কৰি নন্দীকেশ্বৰে 'অভিনয়দৰ্পণ' গ্ৰন্থখন ৰচনা কৰে, য'ত ভাৰতীয় নাট্যৰ উপাদানসমূহ বিষয়ে সুন্দৰকৈ পুংখানুপুংখভাৱে আৰু পদ্ধতিগতভাৱে ব্যৱহাৰিক দৃষ্টিভংগীৰ পৰা আলোচনা কৰা দেখা যায়।

ভাৰতীয় নৃত্যৰ প্ৰকাৰ ঃ ভাৰতীয় সংস্কৃতিৰ ক্ষেত্ৰখন যেনেদৰে বহল, ভাৰতীয় নৃত্যৰ সংখ্যাও ঠিক তেনেদৰে বিবিধ। কিন্তু, বিস্তৃত পৰিসৰত ভাৰতীয় নৃত্যক দুটা ভাগত ভগাব পাৰি। সেই ভাগ দুটা হ'ল - শাস্ত্ৰীয় নৃত্য আৰু লোকনৃত্য। সেইসমূহো অধিক জনপ্ৰিয় হ'বলৈ ধৰিছে।

ভাৰতীয় শাস্ত্ৰীয় নৃত্য ঃ শাস্ত্ৰীয় নৃত্য বুলি ক'লে সাধাৰণতে সেইসমূহ নৃত্যশৈলীক বুজা যায়, যিসমূহ নৃত্যশৈলী শাস্ত্ৰ-সন্মত বা শাস্ত্ৰানুশাসিত। শাস্ত্ৰীয় নৃত্যত দেহজ আৰু মুখজ ভাৱ ভংগীমাৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। শাস্ত্ৰীয় নৃত্যত ৰস, ভাৱ, অভিব্যক্তি, সংকেত, মুদ্ৰা, অভিনয়, ভংগীমা আদিৰ মাধ্যমেৰে ধাৰ্মিক তথা পৌৰাণিক কাহিনীসমূহ পৰিৱেশন কৰা হয়। শাস্ত্ৰীয় নৃত্যসমূহত তাণ্ডৱ আৰু লাস্য - এই দুই প্ৰকাৰৰ ভাৱ থকা পৰিলক্ষিত হয়। সংগীত নাটক অকাডেমিয়ে আঠপ্ৰকাৰৰ নৃত্যক শাস্ত্ৰীয় নৃত্য হিচাপে স্বীকৃতি প্ৰদান কৰিছে। সেইসমূহ হ'ল—

১) তামিলনাড়ুৰ ভৰতনাট্যম নৃত্য
২) কেৰেলাৰ কথকলী নৃত্য
৩) মণিপুৰৰ মণিপুৰী নৃত্য
৪) ওড়িষ্যাৰ ওডিসী নৃত
৫) অন্ধ্ৰপ্ৰদেশৰ কুচীপুড়ী নৃত্য
৬) কেৰেলাৰ মোহিনীঅট্টম্ নৃত্য
৭) অসমৰ সত্ৰীয়া নৃত্য
৮) উত্তৰ প্ৰদেশৰ কথক নৃত্য

ভাৰতীয় লোক নৃত্য ঃ লোক নৃত্য অথবা জনজাতীয় নৃত্য বিভিন্ন ৰাজ্যৰ স্থানীয় আৰু জনজাতীয় লোকসকলৰ দ্বাৰা পৰিৱেশন কৰা হয়। লোকনৃত্য বা জনজাতীয় নৃত্য পৰিৱেশনৰ ক্ষেত্ৰত কোনো নিৰ্ধাৰিত নীতি নিয়ম কঠোৰভাৱে পালন কৰা নহয়। লোকনৃত্যৰ পৰিৱেশন শৈলী শাস্ত্ৰীয় শৈলীতকৈ বহুগুণেই শিথিল। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্য তথা কেন্দ্ৰীয় শাসিত প্ৰদেশসমূহৰ লোকনৃত্যসমূহৰ তালিকা দাঙি ধৰা হ'ল— অৰুণাচল- বুইয়া, ছালো, বাংচো, পাসী, কোংগকী, পোনুংগ, পোপীৰ, বাৰডো ছাম।

১১.৪.৩ নাট্য কলা

নাটকৰ উৎপত্তি তথা বিবৰ্তন সম্পৰ্কে যদিও সঠিকভাৱে ক'ব নোৱাৰি, কিয়নো নাট্যকলাৰ বিভিন্ন ৰূপৰ বিৱৰ্তন আমি দেখিবলৈ পাওঁ, কিন্তু এটা কথা নিশ্চিত যে বহু হাজাৰ বছৰ আগতেই ঋগ্বেদৰ সংবাদ সুক্তসমূহত

ভাৰতীয় নাট্য কলাই পোখা মেলিছিল। ঋগ্‌বেদৰ সেই বিশেষ সুক্তসমূহত মন্ত্রবোৰ বিভিন্ন চৰিত্রৰ সংলাপৰ নিচিনাকৈ উপস্থাপন কৰা হৈছিল, যিয়ে পাঠকৰ বাবে এক নাটকীয় অনুভূতিৰ সৃষ্টি কৰে।

ইয়াৰ আটাইতকৈ প্রাচীন তাত্বিক আধাৰ হিচাপে আমি নাট্যশাস্ত্রৰ কথা ক'ব পাৰো নাট্যশাস্ত্রত নাটকৰ উৎপত্তি তথা নাটকৰ উপাদানসমূহৰ বিষয়ে বিস্তৃতৰূপত আলোচনা কৰা হৈছে। কলিযুগত সমাজখন যেতিয়া বিপথে গৈছিল, সমাজত এক বিশৃংখল পৰিৱেশৰ সৃষ্টি হৈছিল তেতিয়া ব্রহ্মাই চাৰিওখন বেদৰ পৰা সমল গ্রহণ কৰি অর্থাৎ ঋগ্‌বেদৰ পৰা পাঠ, সামবেদৰ পৰা গীত, যজুর্বেদৰ পৰা অভিনয় আৰু অথর্ববেদৰ পৰা ৰস আহৰণ কৰি নাট্যবেদ ৰচনা কৰিলে। পার্বতীৰ পৰা ক্রমে তাণ্ডৱ আৰু লাস্য নৃত্য লৈ অপ্সৰা, গন্ধর্ব আৰু গায়কসকলৰ সহযোহত ইন্দ্রধ্বজ উৎসৱত ভৰতমুণিৰ তত্বাৱধানত প্রথমখন নাট মঞ্চস্থ কৰা হৈছিল। এনেদৰে ভাৰতীয় নাট্যকলাই পৰিচয় লাভ কৰিছিল বুলি আমাক ইতিহাসে সমল যোগায়।

নাট্যকলাৰ জৰিয়তে অভিনেতাসকলে অভিনয়ৰ মাজেৰে বিভিন্ন চৰিত্রৰ ৰূপায়ণৰ জৰিয়তে ৰসজ্ঞ পাঠকৰ মনত ৰসৰ সঞ্চাৰ সাধন কৰে। পণ্ডিতসকলে অভিনয়ক আনৰ অনুকৰণ বুলি সংজ্ঞায়িত কৰিছে। গতিকে আমি ক'ব পাৰো যে নাটকৰ ক্ষেত্রত অভিনয়ৰ গুৰুত্ব সর্বাধিক। অভিনয় চাৰি প্রকাৰৰ যেনে - আংগিক, বাচিক, আহার্য আৰু সাত্বিক।

শৰীৰ, মুখ আৰু ভংগীমাৰে কোনো ভাৱ বা অর্থ প্রকাশ কৰি মূৰ, হাত, ভৰি, কটিদেশ, বুকু, দেহৰ পার্শ্বভাগ আদিৰ দ্বাৰা কৰা অভিনয়কে আংগিক অভিনয় বোলে। আংগিক অর্থাৎ অংগৰ দ্বাৰা প্রদর্শন কৰা অভিনয়। আংগিক অভিনয়ক আকৌ শৰীৰজ, মুখজ আৰু চেষ্টাকৃত হিচাপে তিনিটা ভাগত ভাগ কৰা হৈছে। অংগ অর্থাৎ হাত, ভৰি, বুকু ভাগ আদি সঞ্চালনৰ দ্বাৰা কৰা অভিনয় হ'ল শৰীৰজ আংগিক অভিনয়। উপাংগ অর্থাৎ চকু, চেলাউৰি, নাক, ওঠ গাল আদিৰ সঞ্চালনৰ দ্বাৰা কৰা আংগিক অভিনয় হ'ল মুখজ অভিনয় । আনহাতে চেষ্টাকৃত অভিনয়ৰ সমগ্র দেহৰে সঞ্চালনক বুজায়। বাচিক অভিনয়ৰ জৰিয়তে নাটক উপস্থাপন সংলাপ কোৱাৰ সময়ৰ বিভিন্ন শৈলীকেই বুজায়। আহার্য্যাভিনয়ে নাটকৰ সাজ-সজ্জা, অলংকাৰ আদি দিশসমূহক সামৰি লয়। নাটকৰ ক্ষেত্রত আর্হায্যাভিনয়ৰ এক বিশেষ গুৰুত্ব আছে। আকৌ সাত্বিকাভিনয়ৰ জৰিয়তে অভিনেতাসকলে প্রকাশ কৰা আৱেগ, অনুভৱ, ভাৱ আদিক বুজোৱা হয়। চকুলো, ঘাম নিঃশৱণ, কপনি, বুকুৰ ধপধপনি, গাল ৰঙা পৰা আদি সাত্বিক অভিনয়ৰ বাবে ভাৱব্যঞ্জক শব্দটো ব্যৱহাৰ কৰা হয়।

১১.৪.৪ চিত্র কলা

চিত্রকলা হৈছে এক প্রকাশ মাধ্যম য'ত চিত্রকৰে বিভিন্ন সজুলিৰ সহায়ত ৰেখা, আকৃতি আৰু ৰঙৰ মাধ্যমেৰে নিজ মনৰ আৱেগ, অনুভূতি, ধাৰণা, কল্পনা, অভিজ্ঞতা আদিক প্রকাশ কৰে। চিত্রকলাৰ উৎপত্তি প্রাক্ ঐতিহাসিক যুগতেই হৈছিল বুলি অনুমান কৰিব পাৰি। সভ্যতাৰ আৰম্ভণিৰ সময়ত আদিম পুৰুষসকলে গুহাত বাস কৰি থকাৰ সময়তেই চিত্র অংকনৰ অনুশীলন কৰা প্রমাণ দেখা যায়। সেইসময়ৰ যাযাৱৰী লোকসকলে অংকন কৰা অসংখ্য গুহাচিত্রৰ পৰাই সেইসময়ত তেওঁলোকৰ চিত্রকলাৰ প্রতি থকা আগ্রহৰ কথা প্রমাণিত হয়। ভাৰতত যেতিয়া ব্রিটিছৰ শাসন আছিল তেতিয়া ব্রিটিছসকলে প্রাক্‌ঐতিহাসিক চিত্রৰ সন্ধান আৰম্ভ কৰিছিল। সেই ব্রিটিছসকলৰ ভিতৰত জনা কোকৱার্ণ আৰু আর্চিৱাল্ড কার্লিলক গুহা চিত্র কলাৰ আগশাৰীৰ আৱিস্কাৰক হিচাপে গণ্য কৰা হয়।

১৮৮০ চনত তেওঁলোকে প্রথমবাৰৰ বাবে মির্জাপুৰৰ সমীপৰ বিন্ধ্য পর্বত মালাৰ কেমুৰ পাহাৰৰ চিত্রসমূহ আৱিস্কাৰ কৰে। ইয়াৰ উপৰিও ভীমবেটকা শিলৰ আশ্রমত পোৱা চিত্রসমূহকো পুৰণি চিত্র হিচাপে গণ্য কৰা হয়। আৱিস্কাৰ কৰা চিত্রসমূহৰ অধিকাংশই আছিল চিকাৰ কৰি থকা দৃশ্য। কাৰণ সেইসময়ত মানুহে খাদ্যৰ বাবে

কেৱল চিকাৰৰ ওপৰতেই নির্ভৰশীল আছিল। ভাৰতীয় চিত্রকলাৰ বিৱর্তনত সিন্ধু সভ্যতাত উদ্ধাৰ হোৱা চিত্রকলাৰ ইতিহাসে গুৰুত্বপূর্ণ ভূমিকা প্রদান কৰে। সাপ্তাহিক হিন্দুস্থানত লিপিবদ্ধ হোৱা অনুসৰি প্রথম বাৰৰ বাবে ননী গোপাল মজুমদাৰে ১৯২২ চনত ভাৰতীয় প্রত্নতাত্বিক গৱেষক হিচাপে মহেঞ্জোদাৰোৰ গুহা খনন কৰিছিল। তদুপৰি ১৮৭৫ চনত ছাৰ আলেকজেণ্ডাৰ কানিংহামে মণ্টগোমাৰী জিলাত হৰপ্পাৰ কেইবাটাও ছীল আৱিস্কাৰ কৰিছিল।

বর্তমান মহিৱাল নামেৰে বিখ্যাত মণ্টগামোৰী জিলাখন বর্তমান পাকিস্তানৰ পঞ্জাৱ প্রদেশত অৱস্থিত। সিন্ধু সভ্যতাৰ যুগত মানুহে টেৰাকোটাৰ বাচন ব্যৱহাৰ কৰিছিল যিবোৰত মানুহ, চৰাই আৰু জীৱ জন্তুৰ কিছুমান আকৃতি অংকন কৰি লৈছিল। তদুপৰি সেই বাচন বর্তনবোৰ সজাবলৈ কিছুমান জ্যামিতিক আর্হিও অংকন কৰা হৈছিল। ইয়াৰ উপৰিও গান্ধাৰ কলা বিদ্যালয়ে বৌদ্ধ যুগৰ চিত্রকলাক প্রতিনিধিত্ব কৰিছিল। কনিষ্ক গান্ধাৰ কলা বিদ্যালয়ে প্রথমবাৰৰ বাবে বুদ্ধৰ প্রতিমূর্তি নির্মাণৰ পৰম্পৰা আৰম্ভ কৰিছিল। অজন্তা গুহাৰ চিত্রইও বৌদ্ধ যুগৰ চিত্রক প্রতিনিধিত্ব কৰে। এই চিত্রসমূহে অতীত জীৱন আৰু যুদ্ধৰ পুনর্জন্ম, আর্য্যচুৰৰ জাতকমালাৰ প্রতীকী কাহিনী আৰু বৌদ্ধ দেৱতাৰ শিলৰ ভাস্কর্য্যক প্রতিনিধিত্ব কৰে। যিয়ে ভাৰতীয় কলাৰ ক্ষেত্রখনত বিশেষভাৱে অৱদান আগবঢ়ায়। ভাৰতীয় চিত্রকলাসমূহৰ ভিতৰত মোগল চিত্রকলা, ৰাজস্থানী চিত্রকলা, মধুৱনী চিত্রকলা, পাহাৰী চিত্রকলা, লেপাক্ষী চিত্রকলা, ইত্যাদি উল্লেখযোগ্য।

১১.৪.৫ স্থাপত্য আৰু ভাস্কর্য কলা

ভাৰতৰ স্থাপত্য আৰু ভাস্কর্যৰ নিদর্শনসমূহে ভাৰতীয় কলাৰ ক্ষেত্রখনত এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰা দেখা যায়। ভাৰতীয় সভ্যতাৰ লগে লগে ভাৰতীয় স্থাপত্য- ভাস্কর্যবোৰ বিভিন্ন স্তৰত বিকাশ সাধন হোৱা দেখা যায়। আর্য, অনার্য, গ্রীক, ৰোমান, মোগল সকলোৰে অৱদানেৰে ভাৰতীয় স্থাপত্য ভাস্কর্যৰ ক্ষেত্রখন সমৃদ্ধিশালী হৈছে। ভাৰতীয় স্থাপত্য ভাস্কর্যকলাৰ মাজত আমি ধর্মীয় বিশ্বাস আৰু আধ্যাত্মিকতা দেখিবলৈ পাওঁ।

সাধাৰণ অর্থত গৃহ নির্মাণ কৰা কার্যটোকে স্থাপত্য বোলা হয়। প্রাচীৰ, মন্দিৰ, ৰাজ-প্রসাদৰ স্তম্ভ, স্তূপ আদি সকলোবোৰ স্থাপত্যৰ নিদর্শন। আনহাতে, বিভিন্ন মূর্তি, মন্দিৰ বা প্রসাদৰ গাত খোদিত কৰা কলাসমূহক ভাস্কর্য বোলা হয়।

ভাৰতীয় স্থাপত্য ভাস্কর্য কলাৰ কেইটামান উল্লেকযোগ্য নিদর্শন তলত দাঙি ধৰা হ'ল-

১) **সিন্দু উপত্যকাৰ সভ্যতাৰ স্থাপত্য-ভাস্কর্য ঃ** মহেঞ্জোদাৰো আৰু হৰপ্পাৰ ধ্বংসাৱশেষ সিন্ধু সভ্যতাৰ স্থাপত্য-ভাস্কর্যৰ উজ্জল নিদর্শন বুলিব পাৰি। এই ধ্বংসাৱশেষত পোৱা ইটাৰে নির্মিত পকীঘৰ, স্নানাগাৰ, নাদ, জীৱ-জন্তুৰ বিভিন্ন মূর্তি আদি ভাৰতীয় স্থাপত্য-ভাস্কর্যৰ প্রথম উল্লেখযোগ্য নিদর্শন।

২) মৌর্য যুগৰ স্থাপত্য-ভাস্কর্যই ভাৰতীয় স্থাপত্য-ভাস্কর্যৰ ক্ষেত্রখনত বিশেষভাৱে অৰিহনা যোগায়। পাটলিপুত্র, সাৰনাথ, নালন্দা আৰু অন্যান্য ঠাইত আৱিস্কাৰ হোৱা ধ্বংসাৱশেষবোৰে সেইসময়ৰ স্থাপত্য ভাস্কর্যৰ সাক্ষ্য বহন কৰে। ইয়াৰ উপৰিও মহাৰাজ অশোকে বৌদ্ধ ধর্ম গ্রহণ কৰি বুদ্ধদেৱৰ প্রেম, শান্তি আৰু অহিংসাৰ বাণী প্রচাৰ আৰু প্রসাৰৰ বাবে বিহাৰ, স্তম্ভ আদি স্থাপন কৰিছিল। বাৰাণসীৰ ওচৰৰ সাৰনাথ শিলাস্তম্ভই সেই গৌৰবোজ্জ্বল যুগৰ স্থাপত্য-ভাস্কর্যৰ উল্লেখযোগ্য নিদর্শন।

কুষাণ যুগৰ স্থাপত্য-ভাস্কর্য ঃ কুষাণ যুগৰ স্থাপত্য-ভাস্কর্যত ভাৰতীয় আৰু গ্রীক শিল্পধাৰাৰ সমন্বয়ৰ ফলত 'গান্ধাৰ শিল্পকলা'ৰ সৃষ্টি হৈছিল। গান্ধাৰৰ উপৰিও অমৰাৱতী, মথুৰা, পেছোৱাৰ আদি অঞ্চলত কুষাণ যুগৰ বহুতো স্থাপত্য কলাৰ নিদর্শন পোৱা যায়। মথুৰাত উদ্ধাৰ হোৱা কণিষ্কৰ এটি মস্তকহীন প্রস্তৰ মূর্তি আৰু পু�ৰুপুষৰ

বিশাল চৈত্যই কুষাণ যুগৰ স্থাপত্য-ভাস্কর্য কলাৰ গৌৰবোজ্জ্বল নিদর্শন কুষাণ যুগত থকা বৌদ্ধধর্মৰ প্রভাৱৰ ফলত বুদ্ধদেৱৰ জীৱন্ত যেন লগা শিলৰ মূর্তিসমূহ সেই সময়তে গঢ় লৈছিল। ইয়াৰ উপৰিও বৌদ্ধধর্মৰ সমসাময়িকভাৱে জৈন ধর্মক কেন্দ্র কৰিও স্থাপত্য-ভাস্কর্যৰ নিদর্শনৰ সৃষ্টি হৈছিল। উৰিষ্যাৰ উদয়গিৰি, খণ্ডগিৰি, ইলোৰা, জুনাগড় আদি জৈন স্থাপত্য-ভাস্কর্যৰ নিদর্শন।

গুপ্তযুগৰ স্থাপত্য-ভাস্কর্য ঃ গুপ্তযুগক ভাৰতীয় ইতিহাসৰ সোণালী যুগ বুলি কোৱা হয়। এই যুগ ভাৰতীয় স্থাপত্য-ভাস্কর্যৰো সোণালী যুগ। অজন্তা, ইলোৰা, ঔৰংগবাদ, ভূপালৰ উদয়গিৰি, বিহাৰ, দেওগড়, বুদ্ধগয়া আদি গুপ্তযুগৰ স্থাপত্য-ভাস্কর্য কলাৰ গৌৰৱোজ্জ্বল নিদর্শন। গুৱাহাটীৰ কামাখ্যা, তেজপু�ৰৰ দ-পর্বতীয়া, গোলাঘাটৰ নুমলীগড় আদিতো গুপ্তযুগৰ শিল্পকলাৰ স্পষ্ট প্রভাৱ দেখিবলৈ পোৱা যায়।

দক্ষিণ ভাৰতৰ স্থাপত্য ভাস্কর্য ঃ দক্ষিণ ভাৰতৰ স্থাপত্য ভাস্কর্য কলাৰ এক সুকীয়া বৈশিষ্ট্য থকা পৰিলক্ষিত হয়। দক্ষিণ ভাৰতৰ আকাশচুম্বী প্রকাণ্ড মন্দিৰৰ শিখৰসমূহ উত্তৰ ভাৰতৰ মন্দিৰসমূহতকৈ বহু পৃথক। বিশালতা, সৰল ৰৈখিক আৰু কৌণিক গঠন এই স্থাপত্যৰ মূল। মহাৱলীপু�ৰম, কাঞ্চীপু�ৰম, তাঞ্জোৰৰ বিশাল ৰাজৰাজেশ্বৰ শিৱ মন্দিৰ আদি দক্ষিণ ভাৰতৰ স্থাপত্য-ভাস্কর্য কলাৰ বিশেষ নিদর্শন।

মোগল যুগৰ স্থাপত্য-ভাস্কর্য ঃ মোগল যুগৰ স্থাপত্য-ভাস্কর্য কলাৰ সৌন্দর্য পৃথিৱী বিখ্যাত। মহামতি আকবৰৰ দিনত স্থাপন হোৱা হুমায়ূন সমাধি, ফতেহপুৰ চিক্রি, আগ্রা আৰু লাহোৰৰ দূর্গ আদি মোগল স্থাপত্য-ভাস্কর্য কলাৰ সুন্দৰ নিদর্শন। মোগল স্থাপত্য-ভাস্কর্যৰ চৰম উন্নতি হৈছিল ছাহজাহানৰ দিনত। ছাহজাহানৰ দিনত সজা দিৱান-ই-খাচ্, দিৱান-ই-আম্, জুমা মছজিদ, মোতি-মছজিদ, আগ্রাৰ তাজমহল, ময়ূৰ সিংহাসন আদি জগত বিখ্যাত। ছাহজাহানৰ পত্নী মমতাজৰ স্মৃতিত সজা তাজমহল মোগল স্থাপত্য-ভাস্কর্য কলাৰ উৎকৃষ্টতম নিদর্শন।

আহোম যুগৰ স্থাপত্য-ভাস্কর্য ঃ আহোম যুগৰ মঠ-মন্দিৰসমূহে আহোম যুগৰ গৌৰবোজ্জ্বল স্থাপত্য-ভাস্কর্য কলাৰ সাক্ষ্য বহন কৰে। ইয়াৰ ভিতৰত শিৱসাগৰৰ শিৱদৌল, জয়দৌল, ৰংঘৰ, তলাতলঘৰ, কাৰেংঘৰ আদি আহোম যুগৰ বিখ্যাত স্থাপত্য-ভাস্কর্যৰ নিদর্শন।

অগ্রগতি নিৰীক্ষণ

১) কলা শব্দটো সম্পূর্ণৰূপে এক.....(খালী ঠাই পূৰণ কৰক)

২) "ন তদ্জ্ঞানং ন তচ্ছিল্পং ন সাবিদ্যা ন সা কলা।" এই বক্তব্য কাৰ?
বাৎস্যায়ণৰ কামসূত্র অনুসৰি।

৩) কলা কেই প্রকাৰৰ?

.....

৪) ভাৰতীয় সংগীতৰ আৰম্ভণিৰ উৎস বুলি আমি কোনখন বেদক ক'ব পাৰো?

.....

৫) সংগীতত স্বৰৰ সংখ্যা কিমান?

.....

৬) ভাৰতীয় সংগীতৰ মূলতঃ বিধা কেইটা?

.....

৭) নন্দীকেশ্বৰ নৃত্য বিষয়ক গ্রন্থখনৰ নাম কি?

.....

৮) সংগীত নাটক অকাডেমীয়ে কেইবিধ নৃত্যক শাস্ত্রীয় নৃত্য হিচাপে স্বীকৃতি দিছে?

.....

৯) অন্ধ্রপ্রদেশৰ শাস্ত্রীয় নৃত্যবিধৰ নাম কি?

.....

১০) ঋগ্‌বেদৰ ..... সূক্তসমূহত ভাৰতীয় নাটকে পোখা মেলিছিল। (খালী ঠাই পূৰ কৰা)

১১) ব্রহ্মাই নাট্যবেদ ৰচনা কৰাৰ সময়ত 'অভিনয়' কোনখন বেদৰ পৰা লৈছিল?

.....

১২) অভিনয় কেইবিধ?

.....

১৩) ভৰতৰ দ্বাৰা ৰচিত ভাৰতীয় নাট্যকলা বিষয়ক গ্রন্থখনৰ নাম কি?

.....

১৪) গান্ধাৰ কলা বিদ্যালয়ে কোন যুগৰ কলাক প্রতিনিধিত্ব কৰে?

.....

১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- কলা সম্পর্কে সম্যক ধাৰণা লাভ কৰিলে।
- ভাৰতীয় কলাৰ প্রকাৰসমূহ জানিব পাৰিলে।
- সংগীত কলাৰ বিষয়ে জানিব পাৰিলে।
- নৃত্য কলাৰ বিষয়ে জানিব পাৰিলে।
- নাট্য কলাৰ বিষয়ে জ্ঞাত হ'ল।
- চিত্রা কলা সন্দর্ভত জ্ঞান লাভ কৰিলে।
- স্থাপত্য আৰু ভাস্কর্য কলাৰ বিষয়ে জানিব পাৰিলে।

১১.৬ অধিক জানিবলৈ

১) শর্মা, ড° থানেশ্বৰ; *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, চন্দ্রপ্রকাশ পাণবজাৰ, ১৯৯৫।

২) গোস্বামী, হৰমোহন দেৱ, *সংস্কৃত সাহিত্যৰ বুৰঞ্জী*, গুৱাহাটীঃ বুকলেণ্ড।

৩) krishna Machariar, *M. History of classical Sanskrit Literature*, New Delhi.

১১.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত শব্দ।

২নং প্রশ্নৰ উত্তৰ ঃ ভৰতমুনিৰ।

৩নং প্রশ্নৰ উত্তৰ ঃ চৌষষ্ঠি।

৪নং প্রশ্নৰ উত্তৰ ঃ সামবেদক।

৫নং প্ৰশ্নৰ উত্তৰ ঃ স প্ত।

৬নং প্ৰশ্নৰ উত্তৰ ঃ চাৰিটা।

৭নং প্ৰশ্নৰ উত্তৰ ঃ অভিনয়দৰ্পন।

৮নং প্ৰশ্নৰ উত্তৰ ঃ আঠবিধ।

৯নং প্ৰশ্নৰ উত্তৰ ঃ কুচীপুড়ী নৃত্য।

১০নং প্ৰশ্নৰ উত্তৰ ঃ সংবাদ।

১১নং প্ৰশ্নৰ উত্তৰ ঃ যজুৰ্বেদৰ।

১২নং প্ৰশ্নৰ উত্তৰ ঃ চাৰিবিধ।

১৩নং প্ৰশ্নৰ উত্তৰ ঃ নাট্যশাস্ত্ৰ।

১৪নং প্ৰশ্নৰ উত্তৰ ঃ বৌদ্ধযুগৰ।

? ১১.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ কলা কাক বোলে লিখক।

প্ৰশ্ন ২ঃ ভাৰতীয় সংগীতৰ বিধাসমূহ লিখক।

প্ৰশ্ন ৩ঃ ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ প্ৰকাৰসমূহ লিখক।

(খ) চুটি প্ৰশ্ন ঃ (১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ চমুটোকা লিখক ঃ

নাট্যকলা, চিত্ৰকলা, স্থাপত্য আৰু ভাস্কৰ্য কলা।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ ভাৰতীয় কলাৰ প্ৰকাৰসমূহ লিখি যিকোনো কলা এটাৰ বিষয়ে বহলাই লিখক।

প্ৰশ্ন ২ঃ ভাৰতীয় সংগীত কলাৰ বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ১২ঃ সংস্কৃত ব্যাকৰণৰ উৎপত্তি আৰু বিকাশ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ ব্যাকৰণৰ লক্ষণ
১২.৪ বেদাঙ্গৰ ৰূপত ব্যাকৰণ
১২.৫ পাণিনিপূর্ববর্ত্তী বৈয়াকৰণসকল
১২.৬ পাণিনিব্যাকৰণ
১২.৭ পাণিনিৰপৰবর্ত্তী ব্যাকৰণ
১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৯ অধিক জানিবলৈ
১২.১০ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১২.১১ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ব্যাকৰণ শব্দৰ মূল অর্থৰ লগত পৰিচিত হ'ব।
- বেদাঙ্গ হিচাপে ব্যাকৰণৰ ভূমিকাৰ বিষয়ে অৱগত হ'ব।
- পাণিনিপূর্ববর্ত্তী সংস্কৃত ব্যাকৰণসমূহৰ বিষয়ে জানিব পাৰিব।
- পাণিনি ব্যাকৰণৰ গুৰুত্বৰ বিষয়ে অবগত হ'ব।
- পাণিনিপৰবর্ত্তী ব্যাকৰণসমূহৰ পৰিচয় পাব।
- সংস্কৃত ব্যাকৰণৰ উদ্ভৱ আৰু বিকাশৰ বিষয়ে জানিব পাৰিব।

১২.২ পৰিচয়

এই অধ্যায়টিত আপুনি ভাৰতীয় জ্ঞান পৰম্পৰাৰ অন্যতম অঙ্গ স্বৰূপ সংস্কৃত ব্যাকৰণৰ উৎপত্তি আৰু বিকাশৰ বিষয়ে জানিব পাৰিব। সকলোধৰণৰ ভাৰতীয় শাস্ত্ৰৰ ভিতৰত ব্যাকৰণশাস্ত্ৰৰ এটা সুকীয়া স্থান আছে। সংস্কৃতভাষাৰ পৰিশুদ্ধ জ্ঞানৰ বাবে ব্যাকৰণৰ অধ্যয়ন অত্যন্ত প্ৰয়োজনীয়। কেৱল সংস্কৃত ভাষাৰ জ্ঞানৰ বাবেই নহয় সংস্কৃতমূলৰ যিকোনো ভাষাৰ জ্ঞানৰ বাবেই সংস্কৃত ব্যাকৰণৰ অধ্যয়ন অত্যাৱশ্যকীয়। কাৰণ সংস্কৃত ব্যাকৰণ পঢ়িলে এটা ভাষাৰ আন্তঃগাঁথনিৰ বিষয়ে বহু কথা জনা যায়। তদুপৰি ভাষাতাত্ত্বিক দিশৰ পৰাও সংস্কৃত ব্যাকৰণৰ গুৰুত্ব আছে। সংস্কৃত ব্যাকৰণ ভালকৈ পঢ়িলে ভাষাতত্ত্বৰ বহুতো ধাৰণাৰ বিষয়ে জনা যায়। সংস্কৃত ব্যাকৰণৰ এটা সুদীর্ঘ ইতিহাস আছে। বেদৰ পৰবর্ত্তীকালত প্ৰকৃততে বৈদিক ভাষাৰ শব্দসমূহৰ ৰক্ষাৰ বাবেই ব্যাকৰণশাস্ত্ৰৰ উৎপত্তি হৈছিল। পৰবর্ত্তী সময়ত লৌকিক সংস্কৃতভাষাৰ ব্যৱহাৰ আৰম্ভ হোৱাৰ লগে লগে এই ভাষাৰ বাবেও এটা নির্দ্দিষ্ট ব্যাকৰণৰ প্ৰয়োজনবোধ হয়। প্ৰকৃততে বৈদিক আৰু লৌকিক— দুয়োবিধ

সংস্কৃত শব্দৰ জ্ঞানৰ বাবেই সংস্কৃত ব্যাকৰণৰ বিকাশ হোৱা দেখা যায়। সংস্কৃত ব্যাকৰণৰ ক্ষেত্রখনত বহুতো ব্যাকৰণবিদৰ নাম পোৱা যায়। কিন্তু প্রত্যেকৰে গ্রন্থৰ বিষয়ে বিস্তৃত আলোচনা বা প্রত্যেকজনৰ গ্রন্থ বর্তমান যুগত পাবলৈ নাই। কিন্তু মহামুনি পাণিনিয়ে ৰচনা কৰা অষ্টাধ্যায়ী গ্রন্থখন এইক্ষেত্রত এটা ব্যতিক্রম। বর্তমান যুগতো দেশে-বিদেশে এই গ্রন্থখনৰ গভীৰ অধ্যয়ন হৈ আছে। সেই কাৰণে সংস্কৃত ব্যাকৰণৰ ইতিহাস অধ্যয়ন কৰিব গ'লে পাণিনি ব্যাকৰণক কেন্দ্র কৰি ইয়াৰ পূর্ববর্ত্তী সময়ৰ ব্যাকৰণ আৰু ইয়াৰ পৰবর্ত্তী সময়ৰ ব্যাকৰণৰ বিষয়ে আলোচনা কৰা হয়। সেই কথা মনত ৰাখি এই অধ্যায়টিত সংস্কৃত ব্যাকৰণৰ উৎপত্তি তথা বিকাশৰ বিষয়ে এটা আলোচনা আগবঢ়োৱা হৈছে। এই আলোচনাই আপোনাক সংস্কৃত ব্যাকৰণৰ আৰম্ভণি আৰু পৰবর্ত্তীকালত কিদৰে ইয়াৰ বিকাশ হ'ল সেই বিষয়ে বিস্তৃতভাৱে জনাব। সংস্কৃত ব্যাকৰণৰ বিষয়ে কৰিবলগীয়া পৰবর্ত্তী অধ্যয়নত ইয়ে আপোনাক যথেষ্ট সহায় কৰিব।

১২.৩ ব্যাকৰণৰ লক্ষণ

ব্যাকৰণ শব্দেৰে শব্দশাস্ত্রক বুজোৱা হয়। যি শাস্ত্রত অর্থবোধৰ উদ্দেশ্যেৰে শব্দবোৰ ব্যুৎপাদিত হয় আৰু শব্দবোৰৰ বিষয়ে সামগ্রিক জ্ঞান হয় সেয়াই ব্যাকৰণশাস্ত্র। কোৱা হৈছে— 'ব্যাক্রিয়ন্তে ব্যুৎপাদ্যন্তে অর্থবত্তয়া প্রতিপাদ্যন্তে শব্দা যেনেতি ব্যাকৰণম্'। সংস্কৃত সাহিত্যত শুদ্ধ শব্দ প্রয়োগৰ ক্ষেত্রত আটাইতকৈ গুৰুত্ব দিয়া হৈছে। বেদত কোৱা হৈছে, যদি এটা শব্দৰ বিষয়েও সম্যক বা পৰিশুদ্ধ জ্ঞান হয় তেনেহ'লে সেয়া সংসাৰ তথা স্বর্গতো মানুহৰ আকাঙ্খা পূৰণত সমর্থ হয়— 'একঃ শব্দঃ সম্যক্ জ্ঞাতঃ স্বর্গে লোকে চ কামধুগ্ ভৱতি'। বেদত মন্ত্রপ্রয়োগৰ ক্ষেত্রত স্বৰ বা বর্ণৰ সঠিক প্রয়োগৰ ওপৰত সর্বাধিক গুৰুত্ব দিয়া হৈছিল। শিক্ষাগ্রন্থত এই বিষয়ে কোৱা হৈছে—

মন্ত্রোহীনঃ স্বৰতো বর্ণতো বা মিথ্যাপ্রযুক্তো ন তমর্থমাহ।
স বাগ্বজ্রো যজমানং হিনস্তি যথেন্দ্রশত্রুঃ স্বৰতোপৰাধাৎ।

অর্থাৎ মন্ত্রপাঠৰ সময়ত যদি স্বৰোচ্চাৰণত বা বর্ণপ্রয়োগত কিবা ভুল হয় অথবা যদি মন্ত্রটো ভুলকৈ প্রযুক্ত হয় তেতিয়া সেই মন্ত্র অর্থপ্রকাশত সমর্থ নহয় আৰু যজমানৰ সেই বাক্যই বাগ্বজ্রৰ দৰে আহি তেওঁক (যজমানক) হত্যা কৰে। এই বিষয়ে 'ইন্দ্রশত্রু' শব্দটোৰ উদাহৰণ দিয়া হৈছে। এই শব্দটোৰে ভুলকৈ প্রযুক্ত হৈ কাম্য অর্থৰ বিপৰীত অর্থ সৃষ্টি কৰি মন্ত্রোচ্চাৰয়িতাৰ বিপদ মাতি আনিছিল। গতিকে মন্ত্রৰ স্বৰ আৰু বর্ণৰ শুদ্ধ প্রয়োগৰ বাবে ব্যাকৰণ পাঠৰ প্রয়োজন অনুভৱ হৈছিল। শব্দসমূহৰ গঠন, প্রয়োগ নীতি আদিৰ বিষয়ে অনুশাসনমূলক নিয়ম যি শাস্ত্রত আলোচনা কৰা হয় তাকেই ব্যাকৰণ বুলি কোৱা হয়। পতঞ্জলিৰ মহাভাষ্যত ব্যাকৰণৰ লক্ষণ প্রসঙ্গত কোৱা হৈছে— লক্ষ্যলক্ষণে ব্যাকৰণম্ অর্থাৎ লক্ষ্য আৰু লক্ষণ একত্রিত হৈ ব্যাকৰণ সৃষ্টি কৰে। এইক্ষেত্রত লক্ষ্যপদেৰে শব্দক বুজোৱা হৈছে আৰু লক্ষণপদেৰে সূত্রক বুজোৱা হৈছে। শব্দ আকৌ দুবিধ— বৈলিক আৰু লৌকিক। গতিকে যি শাস্ত্রত সূত্রৰ মাধ্যমত বৈদিক আৰু লৌকিক শব্দবোৰৰ অনুশাসনমূলক কথা নিয়ম হিচাপে নিবদ্ধ হয় তাকেই ব্যাকৰণ বোলে। ইয়াক 'শব্দানুশাসন' বুলিও কোৱা হয়। পতঞ্জলিয়ে তেওঁৰ মহাভাষ্যৰ আৰম্ভণিতে কৈছে— **'অথ শব্দানুশাসনম্'**। গতিকে সহজ ভাষাত ক'ব পৰা যায় যে যি শাস্ত্রৰ মাধ্যমত প্রকৃতি-প্রত্যয় চিহ্নিত কৰি শব্দৰ অর্থবিষয়ক জ্ঞানৰ উন্মেষ হয় সেই শাস্ত্রকেই ব্যাকৰণ বোলা হয়। বি-আ-√কৃ+ল্যুট্ বা অনট্=ব্যাকৰণম্। একেটা ধাতুয়ে বিভিন্ন প্রত্যয় বা উপসর্গাদিৰ সংযোগত বেলেগ বেলেগ অর্থ সৃষ্টি কৰে আৰু এই অর্থজ্ঞানেৰে যেতিয়া শব্দক জনা যায় তেতিয়াহে ভাষাজ্ঞান সুদৃঢ় হয়।

ⓘ মহাভাষ্যৰ প্রথম সূত্রটো হ'ল *'অথ শব্দানুসাসনম্'*।

জানি থোৱা ভাল

প্ৰাচীন ভাৰতত বৰ্ণ, স্বৰ, মাত্ৰাদিৰ অনুশীলন ব্যাপকভাৱে কৰা হৈছিল। তৈত্তিৰীয় উপনিষদৰ শিক্ষাবল্লীত শিক্ষাৰ ছটা অঙ্গৰ নাম দিয়া আছে— (১) বৰ্ণ, (২) স্বৰ, (৩) বল, (৪) সাম, (৫) সন্তান আৰু (৬)। শিক্ষাবল্লীত বৰ্ণৰ সংখ্যা ৬৩/৬৪। স্বৰ তিনিটা— উদাত্ত, অনুদাত্ত, স্বৰিত। মাত্ৰা তিনিটা — হ্ৰস্ব, দীৰ্ঘ, প্লুত। স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণৰ উচ্চাৰণৰ স্থান আৰু প্ৰযত্নৰ ব্যৱহাৰিক তথ্যই বল। সামৰ অৰ্থ হ'ল— উচ্চাৰণৰ সমতা ৰক্ষা। পদসমূহৰ একান্ত সন্নিধিকে সন্তান বা সংহিতা বোলে।

১২.৪ বেদাঙ্গৰ ৰূপত ব্যাকৰণ

বৈদিক মন্ত্ৰৰ অৰ্থবোধ প্ৰক্ৰিয়াত মুখ্যভাৱে সহায় কৰা কাৰণে ছটা শাস্ত্ৰক বেদৰ অঙ্গ বুলি স্বীকাৰ কৰা হৈছে। এইবিলাকক বেদাঙ্গ বুলি কোৱা হয়। প্ৰাচীনকালৰ পৰা নিৰ্দিষ্ট হৈ অহা ছটা বেদাঙ্গ হ'ল— শিক্ষা, কল্প, ছন্দ, ব্যাকৰণ, নিৰুক্ত আৰু জ্যোতিষ। বৈদিক সমাজত বেদক পুৰুষৰূপে কল্পনা কৰি উক্ত শাস্ত্ৰসমূহক সেই পুৰুষৰ এটা এটা নিৰ্দিষ্ট অঙ্গ হিচাপে স্বীকৃতি দিয়া হৈছে। এই প্ৰসঙ্গত কোৱা হৈছে যে শিক্ষা নামৰ শাস্ত্ৰখন হ'ল বেদৰ ঘ্ৰাণ বা নাসিকা, ব্যাকৰণ হ'ল মুখ, ছন্দশাস্ত্ৰ হ'ল বেদৰ দুই ভৰি, কল্প হ'ল বেদৰ দুখনি হাত, নিৰুক্ত হ'ল শ্ৰোত্ৰ বা কাণ আৰু জ্যোতিষ হ'ল বেদৰ দুচকু। পাণিনীয়শিক্ষাত কোৱা হৈছে—

ছন্দঃ পাদৌ তু ৱেদস্য হস্তৌ কল্পোঽথ পঠ্যতে।
জ্যোতিষাময়নং চক্ষুর্নিৰুক্তং শ্ৰোত্ৰমুচ্যতে।।
শিক্ষা ঘ্ৰাণং তু ৱেদস্য মুখং ব্যাকৰণং স্মৃতম্।
তস্মাৎ সাঙ্গমধীত্যৈৱ ব্ৰহ্মলোকে মহীয়তে।।

এই ছয় বেদাঙ্গই বেদৰ প্ৰয়োজন সিদ্ধ কৰি বেদৰ উপকাৰক হিচাপে সহায় আগবঢ়ায়। সেই কাৰণে এই বেদাঙ্গসমূহক বাদ দি বেদজ্ঞান বা বেদশিক্ষা কেতিয়াও সম্পূৰ্ণ নহয়। ছয় বেদাঙ্গৰ ভিতৰত ব্যাকৰণক বেদপুৰুষৰ মুখ বুলি কল্পনা কৰা হৈছে। মানুহৰ শৰীৰৰ অঙ্গসমূহৰ ভিতৰত মুখকেই প্ৰধান বুলি ধৰা হয়। গতিকে ব্যাকৰণক বেদপুৰুষৰ মুখ বুলি কোৱাৰ অৰ্থ হ'ল ব্যাকৰণ বেদৰ প্ৰধান অঙ্গ। সায়ণাচাৰ্য্যই ছয়বেদাঙ্গৰ ভিতৰত ব্যাকৰণৰ প্ৰাধান্য স্বীকাৰ কৰি স্পষ্টকৈ কৈছে— 'প্ৰধানং চ ষড়ঙ্গেষু ব্যাকৰণম্'। এই কথা সৰ্বজনস্বীকৃত যে ব্যাকৰণশাস্ত্ৰৰ জ্ঞান অবিহনে বেদৰ জ্ঞান সম্ভৱ নহয়। প্ৰকৃতি-প্ৰত্যয় আদিৰ জ্ঞানেৰেহে শব্দৰ প্ৰকৃত জ্ঞান জন্মে। প্ৰকৃতিপ্ৰত্যয়ৰ জ্ঞানৰ বাবে ব্যাকৰণৰ জ্ঞান অতি প্ৰয়োজনীয়। পতঞ্জলিৰ মহাভাষ্যত বৈদিক জগতত ব্যাকৰণৰ কি প্ৰয়োজন সেই বিষয়ে বিতংকৈ আলোচনা কৰা হৈছে। এই গ্ৰন্থখনত ব্যাকৰণৰ প্ৰধান প্ৰয়োজন প্ৰসঙ্গত কোৱা হৈছে— ৰক্ষোহাগমলম্বসন্দেহাঃ প্ৰয়োজনম্। ইয়াৰ অৰ্থ— ব্যাকৰণৰ পাঁচটা মুখ্য প্ৰয়োজন হ'ল— ৰক্ষা-ঊহ, আগম-লঘু আৰু অসন্দেহ। ৰক্ষাশব্দেৰে বেদৰক্ষা বুজোৱা হয়। আৰ্য জাতিৰ সম্প্ৰসাৰণৰ সময়ছোৱাত অনাৰ্য জাতিৰ শব্দ আৰু ভাষাৰ সংস্পৰ্শত আহি যাতে বৈদিক ভাষাৰ অপ্ৰয়োগ বা অশুদ্ধ প্ৰয়োগ নহয় অথচ বৈদিক শব্দবোৰ অক্ষত থাকে আৰু শুদ্ধকৈ প্ৰযুক্ত হয় সেইবাবে ব্যাকৰণ অধ্যয়নৰ প্ৰয়োজন অনুভূত হয়। গতিকে বেদৰক্ষা বা বৈদিক ভাষাৰ মহত্ব ৰক্ষা কৰাটো হ'ল ব্যাকৰণৰ প্ৰধান প্ৰয়োজন। বৰ্ণলোপ, বৰ্ণাগম, বৰ্ণবিকাৰ আদিৰ বিষয়ে যিজনৰ সঠিক জ্ঞান থাকে সেইজনেই বৈদিক শব্দৰ মহত্ব বুজি পায় আৰু সেয়া ৰক্ষা কৰাত যত্নপৰ হয়। ঊহ পদটোৱে বৈদিক সাহিত্যত এক বিশেষ অৰ্থত ব্যৱহাৰ হয়। প্ৰকৃততে বেদৰ মন্ত্ৰসমূহত ব্যৱহাৰ হোৱা পদৰ বচন-বিভক্তি আদিৰ পৰিবৰ্তন কৰি সঠিকভাৱে মন্ত্ৰটোৰ পাঠ বা উচ্চাৰণকেই পাৰিভাষিক দিশত ঊহ বুলি কোৱা হয়। কেৱলমাত্ৰ এজন বৈয়াকৰণেহে জানে বচন-বিভক্তি বা ক্ৰিয়া আদিৰ

সঠিক পৰিবৰ্ত্তিত ৰূপ। গতিকে ব্যাকৰণৰ জ্ঞান নাথাকিলে ঊহকৰণৰ ক্ষেত্ৰত অসুবিধা হয় আৰু ঊহ নকৰাকৈ বহুসংখ্যক মন্ত্ৰৰ অৰ্থবোধ সম্ভৱপৰ নহয়। সেইফালৰ পৰা ক'ব পৰা যায় যে বৈদিক মন্ত্ৰৰ সঠিক পাঠৰ ক্ষেত্ৰতো ব্যাকৰণৰ জ্ঞানে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেই কাৰণে ব্যাকৰণ পাঠ অবশ্য কৰণীয়। আগম অৰ্থাৎ শ্ৰুতিয়েই নিৰ্ধাৰণ কৰি দিছে ব্যাকৰণৰ প্ৰয়োজনীয়তা। বেদত কোৱা হৈছে 'ব্ৰাহ্মণেন নিষ্কাৰণো ধৰ্ম্মঃ ষড়ঙ্গো বেদ্যোহধ্যেয়ো জ্ঞেয়শ্চ'। অৰ্থাৎ ব্ৰাহ্মণসকলৰ কৰ্ত্তব্যই হ'ল ষড়ঙ্গযুক্ত বেদৰ অধ্যয়ন আৰু ষড়ঙ্গযুক্ত বেদৰ বিষয়ে জ্ঞানলাভ কৰা। ছটা বেদাঙ্গৰ ভিতৰত মুখ্য হ'ল ব্যাকৰণ। গতিকে ব্যাকৰণৰ জ্ঞান বা অধ্যয়ন ব্ৰাহ্মণসকলৰ বাবে অবশ্য কৰণীয় বুলি বৈদিক সমাজতে নিৰ্দিষ্ট কৰি দিয়া হৈছিল। লঘু পদেৰে লঘুকৰণক বুজোৱা হয়। ব্যাকৰণৰ সহায়ত লঘু উপায়েৰে শব্দজ্ঞান হয় আৰু শব্দজ্ঞান ব্ৰাহ্মণৰ বাবে আৱশ্যক। গতিকে লঘু উপায়ত শব্দশিক্ষাৰ বাবে ব্যাকৰণৰ অধ্যয়ন প্ৰয়োজন। অসন্দেহ পদেৰে সন্দেহনিবাৰণক বুজোৱা হয়। বৈদিক শব্দৰ প্ৰয়োগৰ ক্ষেত্ৰত কেতিয়াবা সন্দেহ উপস্থিত হ'লে সেই সন্দেহ নিৰসনৰ বাবে ব্যাকৰণৰ জ্ঞান আৱশ্যক হয়। উদাহৰণস্বৰূপে কোৱা যায় যে 'স্থূলপৃষতীমাগ্নিবাৰু নীমনড্বাহীমালভেত'— যাজ্ঞিকসকলৰ এই বাক্যত 'স্থূলপৃষতী' পদটোত 'স্থূলা চ অসৌ পৃষতী চ' (যিজনী স্থূলা সেইজনীয়ে পৃষতী) এই অৰ্থ গ্ৰহণ কৰিব লাগে নে স্থূলানি পৃষন্তী যস্যাঃ সা (স্থূল পৃষত্ যিজনীৰ)— এই অৰ্থ গ্ৰহণ কৰিব লাগে সেইবিষয়ত সন্দেহ উপস্থিত হয়। এই সন্দেহ নিৰসনৰ একমাত্ৰ অস্ত্ৰ হ'ল ব্যাকৰণ। ব্যাকৰণবিদে স্বৰৰ প্ৰয়োগ লক্ষ্য কৰিয়েই এই বিষয়ত সঠিক সিদ্ধান্ত গ্ৰহণ কৰে। যদি পূৰ্বপদ প্ৰকৃতিস্বৰ হয় তেনেহ'লে বহুব্ৰীহি সমাস আৰু যদি সমাসত অন্তোদাত্ত হয় তেতিয়াহ'লে তৎপুৰুষ সমাস হয়। এই বিশ্লেষণ কেৱলমাত্ৰ বৈয়াকৰণজনেহে কৰিব পাৰে। গতিকে এনেকুৱা ক্ষেত্ৰত সন্দেহ দূৰ কৰিবৰ বাবে ব্যাকৰণৰ অধ্যয়ন অত্যন্ত প্ৰয়োজনীয়। ইয়াৰ উপৰিও ব্যাকৰণ অধ্যয়নৰ আৰু কিছুমান প্ৰয়োজন আছে। সেইবিষয়ে মহাভাষ্যত বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। পতঞ্জলিয়ে কৈছে— ইমানি চ ভূয়ঃ শব্দানুশাসনস্য প্ৰয়োজনানি।

এই সকলো প্ৰয়োজনৰ ভিত্তিত প্ৰকৃততে ব্যাকৰণে বেদৰ অৰ্থ পৰিস্ফুট কৰাৰ ক্ষেত্ৰত উপকাৰক হিচাপে কাম কৰে। সেইকাৰণেই ব্যাকৰণক বেদৰ অঙ্গ হিচাপে স্বীকৃতি দিয়া হৈছে। **শব্দকৌস্তুভত** কোৱা হৈছে— 'উপকাৰকতয়াপ্যঙ্গত্বম্'। অৰ্থাৎ উপকাৰ সাধনৰ দ্বাৰা অঙ্গত্ব নিৰূপিত হয়। বেদৰ অৰ্থ জনাৰ ক্ষেত্ৰত সহায় কৰি ব্যাকৰণে বেদৰ মুখ্য উপকাৰক বা প্ৰধান অঙ্গ হিচাপে পৰিগণিত হৈছে।

> ***শব্দকৌস্তুভ***- ভাট্টাজী দীক্ষিতে অষ্টাধ্যায়ীৰ ওপৰত ৰচনা কৰা বৃত্তি।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ ব্যাকৰণৰ লক্ষণ কি?

.....

.....

প্ৰশ্ন নং ২ঃ ছটা বেদাঙ্গৰ নাম লিখক (১২০টা শব্দৰ ভিতৰত)

.....

.....

প্ৰশ্ন নং ৩ঃ ব্যাকৰণক য়ি বেদৰ অঙ্গ বুলি কোৱা হয়? (৭৫টা শব্দৰ ভিতৰত)

.....

.....

প্ৰশ্ন নং ৪ঃ কোন কোন বিদ্যাক বেদপুৰুষৰ কোনটো কোনটো অঙ্গ হিচাপে কোৱা হৈছে।
(৫০টা শব্দৰ ভিতৰত)

.....

.....

১২.৫ পাণিনিপূৰ্ববৰ্ত্তী ব্যাকৰণ

সংস্কৃতব্যাকৰণৰ ক্ষেত্ৰখনত পাণিনি এটা বিশেষ নাম আৰু তেওঁৰ অমূল্যগ্ৰন্থ 'অষ্টাধ্যায়ী'খন হ'ল ব্যাকৰণবৃত্তটোৰ কেন্দ্ৰবিন্দু। পাণিনিৰ পূৰ্ব্ববৰ্ত্তী সময়ৰ কিছুসংখ্যক ব্যাকৰণবিদৰ নাম আৰু কিছু সূচনা থাকিলেও তেওঁলোকৰ বিষয়ে বা তেওঁলোকৰ গ্ৰন্থৰ বিষয়ে পণ্ডিতসকলৰ ধাৰণা সুস্পষ্ট নহয়। বিভিন্ন গ্ৰন্থত বেলেগ বেলেগ প্ৰসঙ্গত এইসকল বৈয়াকৰণৰ নামোল্লেখ পোৱা যায়। বিভিন্ন প্ৰসংগত স্বয়ং পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ী গ্ৰন্থত দহজন বৈয়াকৰণৰ বিষয়ে উল্লেখ কৰিছে। এওঁলোকক পাণিনিপূৰ্ববৰ্ত্তী বৈয়াকৰণ হিচাপে ধৰা হয়। এওঁলোক হ'ল আপিশলি (৬/১/৯২), কাশ্যপ (১/২/২৫), গাৰ্গ্য (৭/৩/৯৯), চাক্ৰবৰ্ম্মন (৬/১/১৩০), গালৱ (৬/৩/৬১), শাকল্য (১/১/১৬), শাকটায়ন (৮/৩/১৮), সেনক (৫/৪/১১২), স্ফোটায়ন (৬/১/১২৩) আৰু ভাৰদ্বাজ (৭/২/৬৩)। এইক্ষেত্ৰত কিছুসংখ্যক নামে নিৰ্দ্দিষ্ট ব্যাকৰণবিদক নুবুজায় ব্যাকৰণসম্প্ৰদায়ক বুজোৱা যেন অনুভৱ হয়। পাণিনি গ্ৰন্থৰ উপৰিও বেলেগ কিছু গ্ৰন্থত বিভিন্ন ব্যাকৰণৰ কথা উল্লেখ কৰা দেখা পোৱা যায়। ভৱিষ্যপুৰাণত আঠখন ব্যাকৰণৰ উল্লেখ আছে কিন্তু এই আঠখন ব্যাকৰণৰ প্ৰত্যেকখনৰ লগতে এজন এজন দেৱতাক সংযুক্ত কৰা হৈছে। দেৱতাসকলৰ দ্বাৰা প্ৰণিত এই আঠখন ব্যাকৰণৰ বিষয়ে কোৱা শ্লোকটো হ'ল—

প্ৰথমং প্ৰোচ্যতে ব্ৰাহ্মং দ্বিতীয়মৈন্দ্ৰমেৱ চ।
যাম্যং প্ৰোক্তং ততো ৰৌদ্ৰং বায়ব্যং বাৰুণ্যং তথা।।
সাবিত্ৰং চ তথা প্ৰোক্তমষ্টমং ৱৈষ্ণবং তথা।।

এই শ্লোক অনুসৰি ব্ৰহ্মা, ইন্দ্ৰ, যম, ৰুদ্ৰ, বায়ু, বৰুণ, সবিতা আৰু বিষ্ণু— এই আঠজন দেৱতাই আঠখন ব্যাকৰণ ৰচনা কৰিছিল। কিছুগ্ৰন্থত পাণিনিক সামৰি লৈ নখন ব্যাকৰণ থকা বুলি কোৱা হয়। সেইবিষয়ে পৰিচিত শ্লোকফাঁকি হ'ল—

ঐন্দ্ৰং চান্দ্ৰং কাশকৃৎস্নং কৌমাৰং শাকটায়নম্।
সাৰস্বতং চাপিশলং শাকলং পাণিনীয়কম্।।

ৰামায়ণত থকা 'সোহয়ং নৱব্যাকৰণার্থৱেত্তা'— উক্তিৰ পৰা বুজা যায় যে সেইসময়ত নবিধ ব্যাকৰণৰ কথা জ্ঞাত আছিল। তদুপৰি মহৰ্ষি পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ী গ্ৰন্থত উল্লেখ নকৰিলেও বিভিন্ন গ্ৰন্থ বা উক্তিৰ মাধ্যমেৰে পাণিনি পূৰ্ববৰ্ত্তী কিছুসংখ্যক বৈয়াকৰণৰ অস্তিত্বৰ বিষয়ে জানিব পৰা যায়। তেওঁলোক হ'ল— মাহেশব্যাকৰণৰ প্ৰৱক্তা মহেশ, ঐন্দ্ৰব্যাকৰণৰ প্ৰচাৰক ভৰদ্বাজ, ভাগুৰি, ব্যাড়ি, মহৰ্ষি সূৰ্য্য আদি। পাণিনিৰ পূৰ্ববৰ্ত্তী ব্যাকৰণ প্ৰৱক্তা বা বৈয়াকৰণসকলৰ সম্বন্ধে সবিশেষ তথ্য নাই বুলিয়ে ক'ব পাৰি কিন্তু বিভিন্ন মতামতৰ ভিত্তিত এই প্ৰসঙ্গত প্ৰচলিত কিছু কথা ব্যাকৰণ সম্প্ৰদায় তথা পণ্ডিতসমাজত সমাহত হৈ আহিছে। তাৰেই আলমত তলত সেইবিষয়ে এটা আলোচনা আগবঢ়োৱা হ'ল।

ঐন্দ্ৰব্যাকৰণ ঃ ইন্দ্ৰপ্ৰণীত ব্যাকৰণখনকেই ঐন্দ্ৰব্যাকৰণ বোলে। পতঞ্জলিৰ ভাষ্য অনুসৰি ইন্দ্ৰই বৃহস্পতিৰ ওচৰত শব্দানুশাসনৰ বিষয়ে জ্ঞান লাভ কৰিছিল। মহাভাষ্যত কোৱা হৈছে— 'বৃহস্পতিৰিন্দ্ৰায়

দিব্যংবর্ষসহস্রং প্রতিপদোক্তানাং শব্দানাং শব্দপাৰায়ণং প্রোৱাচ নান্তং জগাম'। অর্থাৎ বৃহস্পতিয়ে ইন্দ্রক শব্দৰ বিষয়ে জ্ঞান দিছিল যদিও সেয়া সমাপ্ত নহ'ল। ঐন্দ্রব্যাকৰণৰ গুৰুপৰম্পৰা বিষয়ে এনেদৰে পোৱা যায়— ব্রহ্মা বৃহস্পতয়ে প্রোবাচ, বৃহস্পতিৰিন্দ্রায়, ইন্দ্রোভৰদ্বাজায়, ভৰদ্বাজ ঋষিভ্যঃ..... ইত্যাদি। ইন্দ্রই যে বাক্‌বিভক্তা আছিল সেই বিষয়ে তৈত্তিৰীয়সংহিতাত শুনা যায়— 'বাগ্ বৈ পৰাচ্যব্যাকৃতাবদত্তে দেবা ইন্দ্রমব্রুবন্নিমান্নো বাচং ব্যাকুর্ৱিতি। .....তামিন্দ্রো মধ্যতো, ৰক্রম্য ব্যাকৰোৎ। তস্মাদিয়ং ব্যাকৃতা বাগুদ্যতে। এয়াই আছিল প্রকৃততে ব্যাকৰণৰ সূচনা। কিন্তু পৰবর্ত্তী সময়ত এই ব্যাকৰণ ভাৰদ্বাজাদিব্যাকৰণৰ লগত সংযোজিত হোৱা কাৰণে এই সম্প্রদায়ৰ ব্যাকৰণৰ বিষয়ে বিশেষ একো জানিব নোৱাৰি। সোমদেবে ৰচনা কৰা কথাসৰিৎসাগৰত বর্ণনা কৰা আখ্যায়িকাৰ পৰা জনা যায় যে খৃঃ পূঃ চতুর্থ শতিকাত মগধৰ নন্দৰাজৰ মন্ত্রী ৰৰুচি কাত্যায়ন ঐন্দ্র ব্যাকৰণৰ ছাত্র আছিল। 'অথ বর্ণসমূহঃ'— আছিল ঐন্দ্র ব্যাকৰণৰ প্রথম সূত্র। কাশিকাবৃত্তিৰ তত্ত্ববিমর্শিনী নামৰ ব্যাখ্যাত ভগবান্ উপমন্যুয়ে কৈছে— তথা চোক্তমিন্দ্রেণ— 'অন্ত্যবর্ণসমুদ্ভূতা ধাতবঃ পৰিকীর্ত্তিতাঃ'। বৌদ্ধসম্প্রদায়ত এখন ঐন্দ্রব্যাকৰণৰ নাম পোৱা যায়। প্রথম শতাব্দীত ইন্দ্রগোমিৰ দ্বাৰা এয়া প্রণীত হোৱা বুলি অনুমান কৰা হয়।

কিন্তু পাণিনিব্যাকৰণত ঐন্দ্রব্যাকৰণৰ উল্লেখ পোৱা নাযায় আৰু বর্তমানলৈকে ঐন্দ্রব্যাকৰণৰ কোনো গ্রন্থৰ সন্ধেদ পোৱা নাযায়।

মাহেশ ব্যাকৰণ ঃ মহেশ বা মহেশ্বৰ প্রণীত ব্যাকৰণখনকেই মাহেশ ব্যাকৰণ বুলি কোৱা হয়। দেবাদিদেব মহেশ্বৰেই শব্দশাস্ত্রৰ মূল আধাৰ। পাণিনিব্যাকৰণৰ মূলৰূপে বর্ণিত অক্ষৰ সমাম্নায়ক মাহেশ্বৰ সূত্র বুলি কোৱা হয়। প্রকৃততে মাহেশ্বৰ সূত্র বা শিৱসূত্রক আধাৰ কৰিহে মাহেশব্যাকৰণৰ অস্তিত্ব সম্পর্কে ধাৰণা কৰা হয়। আচার্য নন্দিকেশ্বৰে কাশিকাত কৈছে যে নটৰাজৰ ঢক্কাৰ শব্দৰ পৰাই চৈধ্যটা মাহেশ্বৰসূত্র বা শিৱসূত্রৰ উৎপত্তি হৈছে। এই প্রসঙ্গত থকা শ্লোকফাঁকি হ'ল—

"নৃত্তাবসানে নটৰাজৰাজো ননাদ ঢক্কাং নৱপঞ্চবাৰম্।
উর্দ্ধর্ত্তুকামঃ সনকাদিসিদ্ধানেতদ্ ৱিমর্শে শিৱসূত্রজালম্।।

জুমৰনন্দীৰ ধাতুমালাত কোৱা হৈছে যে ধাতুবোৰ প্রথমতে মহেশৰ দ্বাৰাই নিৰূপিত হয় আৰু পৰবর্ত্তী সময়ত তেওঁৰ পৰা ঋষিসকলে এই বিষয়ে জ্ঞানলাভ কৰে। মাহেশব্যাকৰণৰ অস্তিত্ব সম্পর্কত আৰু এটা জনপ্রিয় শ্লোক শুনিবলৈ পোৱা যায়।

সমুদ্রবৎ ব্যাকৰণং মহেশ্বৰে তদর্দ্ধকুম্ভোদ্ধৰণং বৃহস্পতৌ।
তদ্‌ভাগভাগাচ্চ শতং পুৰন্দৰে কুশাগ্রবিন্দূৎপতিতং হি পাণিনৌ।।

যিয়েই নহওক মাহেশব্যাকৰণৰ অস্তিত্ব সকলো পণ্ডিতে মানি লোৱা নাই। সত্যব্রত সামশ্রমিৰ মতে মাহেশব্যাকৰণৰ কল্পনা অৰান্তৰ। কিন্তু কিছুমান পণ্ডিতৰ মতে উত্তৰকুৰুদেশত বদৰিকাশ্রম আদি প্রদেশত প্রাচীনকালত যি ব্যাকৰণ উপদিষ্ট হৈছিল সেয়াই মহেশ্বৰ ব্যাকৰণ বা মাহেশ ব্যাকৰণ আৰু পৰবর্ত্তী সময়ত এয়া ঐন্দ্রব্যাকৰণৰ লগত মিলিত হৈ যায়। পাণিনিয়ে কিন্তু মাহেশব্যাকৰণৰ বিষয়ে কোন সূত্র উল্লেখ কৰা নাই। কিন্তু পাণিনীয়শিক্ষাত অক্ষৰসমাম্নায়ৰ লগত মহেশ্বৰৰ প্রত্যক্ষসম্বন্ধ স্মৰণ কৰি কোৱা হৈছে—

যেনাক্ষৰসমাম্নায়মধিগম্য মহেশ্বৰাদ্।
কৃৎস্নং ব্যাকৰণং প্রোক্তং তস্মৈ পাণিনয়ে নমঃ।।

মাহেশব্যাকৰণৰ বিষয়ে তথ্যভিত্তিক কোন কথা কোৱা নাযায়।

কাশকৃৎস্নব্যাকৰণ ঃ পাণিনিব্যাকৰণৰ পূর্ববর্ত্তী হিচাপে কাশকৃৎস্নব্যাকৰণৰ সন্ধেদ পোৱা যায়। কিন্তু এই ব্যাকৰণৰ প্রণেতা কাশকৃৎস্ন নে কাশকৃৎস্নি— সেই বিষয়ে পণ্ডিতসকলৰ মাজত মতভেদ থকা দেখিবলৈ

পোৱা যায়। কাশকৃৎস্ন নামৰ পণ্ডিতজন বেদান্তদর্শনাবলম্বী আছিল। ব্রহ্মসূত্রত এইগৰাকী পণ্ডিতৰ নামোল্লেখ আছে। আনফালে কাশকৃৎস্নি নামৰ পণ্ডিতজন আকৌ মীমাংসা দর্শনৰ অধ্যেতা আছিল। মহাভাষ্য গ্রন্থত এই মীমাংসকজনৰ নাম পোৱা যায়। 'দ্বিগুসংজ্ঞা' আৰু 'প্রত্যয়োত্তৰপদয়োঃ' এই দুটা সূত্র কাশকৃৎস্নীয় সূত্র বুলি জনা যায়। কাশিকাবৃত্তি আৰু অমোঘবৃত্তিৰ সহায়ত জনা যায় যে কাশকৃৎস্ন ব্যাকৰণত তিনিটা অধ্যায় আছিল। সংস্কৃতব্যাকৰণ জগতত এই ব্যাকৰণৰ বিষয়ে খুব বিশেষ ধাৰণা পোৱা নাযায়।

ইয়াৰ বাহিৰেও পাণিনিয়ে তেওঁৰ সূত্রত উল্লেখ কৰা বৈয়াকৰণসকল তেওঁৰ পূর্ববর্ত্তী। সেইসকল বৈয়াকৰণৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

কাশ্যপ ঃ পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ীগ্রন্থৰ প্রথম অধ্যায়ৰ দ্বিতীয় পাদত এইগৰাকী বৈয়াকৰণৰ নামোল্লেখ কৰি সূত্র ৰচনা কৰিছে— তৃষিমৃষিকৃশেঃ কাশ্যপস্য (১.২.২৫)। কাশ্যপৰ ব্যাকৰণখন 'কাশ্যপি' নামেৰে জনাজাত আছিল। কাত্যায়নৰ বাজসনেয়িপ্রাতিশাখ্যত এই 'কাশ্যপি' সম্বন্ধে কিছু মতামত পোৱা যায় যদিও পৰবর্ত্তী সময়ত এই ব্যাকৰণ প্রায় সম্পূর্ণ লুপ্ত হোৱা বুলিয়ে ক'ব পৰা যায়। বিভিন্নসূত্রৰ পৰা পণ্ডিতসকলে এই সিদ্ধান্তত উপনীত হৈছে যে কাশ্যপৰ ব্যাকৰণত নিপাত বা অব্যয়ৰ বিষয়ে সবিশেষ আলোচনা আগবঢ়োৱা হৈছিল।

শাকটায়ন ঃ পাণিনিৰ অষ্টাধ্যায়ীত একাধিকবাৰ এইগৰাকী ব্যাকৰণ প্রণেতাক লৈ সূত্র ৰচনা কৰা হৈছে। অষ্টাধ্যায়ীৰ তৃতীয় অধ্যায়ত পাণিনিয়ে কৈছে— লডঃ শাকটায় নস্যৈৰ (৩/৪/১১১)। শাকটায়নপ্রণীত ব্যাকৰণক 'শাকটায়নীয় ব্যাকৰণ' বা 'শাকটায়নম্' বুলি কোৱা হয়। অষ্টাধ্যায়ী কাত্যায়নৰ বার্ত্তিক আৰু পতঞ্জলিৰ মহাভাষ্যক একত্রিত কৰি ত্রিমুনিব্যাকৰণ বুলি কোৱাৰ পৰম্পৰা চলি আহিছে যদিও তৎপূর্ববর্ত্তী সময়ত কিন্তু 'ত্রিমুনি ব্যাকৰণ' শব্দেৰে শকটি-শাকটি শাকটায়নৰ সন্মিলিত ব্যাকৰণক বুজোৱা হৈছিল। আনফালে জৈনশাকটায়নৰ ব্যাকৰণক কিন্তু শব্দানুশাসন এই নামেৰে বুজোৱা হয়। সকলো শব্দ ধাতুজাত— এয়া মহর্ষি শাকটায়নৰ অভিমত। উপসর্গ বিষয়ে শাকটায়নৰ অভিমত হ'ল যে উপসর্গসমূহৰ নিজস্ব বেলেগ কোনো অর্থ নাথাকে। কাশিকা বৃত্তিও থকা 'অনুশাকটায়নং বৈয়াকৰণাঃ', উপশাকটায়নং বৈয়াকৰণাঃ' উদাহৰণৰ আলোচনাত ন্যাসত কোৱা হৈছে 'শাকটায়নমপেক্ষ্য অন্যে বৈয়াকৰণাঃ হীনাঃ' অর্থাৎ শাকটায়নৰ তুলনাত বেলেগ বৈয়াকৰণসকল নিতান্তই দুর্বল। এই উক্তিয়ে শাকটায়নক ব্যাকৰণৰ জগতত যথেষ্ট প্রতিপত্তিশালী হিচাপে চিহ্নিত কৰিছে।

সেনক ঃ অষ্টাধ্যায়ী গ্রন্থৰ পঞ্চম অধ্যায়ত পাণিনিয়ে এই বৈয়াকৰণৰ নামোল্লেখ কৰি সূত্র ৰচনা কৰিছে— 'গিৰেশ্চ সেনবাস্য' (৫/৪/১১২)। এই নামোল্লেখৰ বাহিৰে কিন্তু এইগৰাকী ব্যাকৰণবিদৰ বিষয়ে অষ্টাধ্যায়ীত আৰু বিশেষ একো কোৱা হোৱা নাই। কাশিকাত কোৱা হৈছে— সেনকগ্রহনং পূজার্থম্, বিকল্পো নুবর্ত্ততে, এই বাক্যৰ অর্থ হ'ল পূজা বা সন্মান অর্থত সেনক পদ গ্রহণ কৰা হৈছে আৰু 'বা' এই বিকল্পবোধক পদৰ ঠাইত ইয়াৰ ব্যৱহাৰ হয়। সেনকীয় ব্যাকৰণৰ বিষয়ে তেনেকুৱা উল্লেখ বা তথ্য নোপোৱা কাৰণে পণ্ডিতসকলে অভিমত প্রকাশ কৰে যে এই ব্যাকৰণ বহুকাল আগতেই লুপ্ত হৈছিল।

আপিশলি ঃ পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ী গ্রন্থৰ ৬ষ্ঠ অধ্যায়ত সূত্র লিখিছে বা স্যুপ্যাপিশলেঃ (৬.১.৯২)। পণ্ডিতসকলৰ মতে আপিশলি পাণিনিৰ ঠিক পূর্ববর্ত্তী বৈয়াকৰণ। অর্থাৎ এই বৈয়াকৰণজন আৰু পাণিনিৰ মাজত সময়ৰ ব্যৱধান খুব বেছি নহয়। 'অষ্টকা আপিশলপাণিনীয়াঃ'— এই প্রয়োগৰ পৰা অনুমান কৰিব পাৰি যে পাণিনিৰ দৰে আপিশলিৰ ব্যাকৰণৰখনও আঠটা অধ্যায়ত বিভক্ত আছিল। কাত্যায়নৰ কর্ত্তিকত 'পূর্ব্বসূত্রনির্দ্দেশো কপিশলমধীতে'— এই উক্তিৰ মাজেদি আপিশলব্যাকৰণৰ স্থিতি প্রমাণিত হৈছে। নিৰুক্তৰ স্কান্দভাষাতে আপিশলীয় ধাতুপাঠৰ প্রসঙ্গ আছে। ভর্ত্তৃহৰি আদি কিছুসংখ্যক বৈয়াকৰণৰ মতে পাণিনীয় ধাতুপাঠৰ লগত

আপিশলীয় ধাতুপাঠৰ কিছু পার্থক্য আছিল।

স্ফোটায়ন ঃ মহর্ষি পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ীৰ ৬ষ্ঠ অধ্যায়তে এইজন বৈয়াকৰণৰ নামোল্লেখ কৰি সূত্র নির্ণয় কৰিছে— অবঙ্ স্ফোটায়নস্য (৬.১.১২৩)। পদমঞ্জৰীত এই বৈয়াকৰণসম্বন্ধে কোৱা হৈছে 'স্ফোটপ্রতিপাদনপৰো বৈয়াকৰণাচার্যঃ'। অর্থাৎ এইগৰাকী বৈয়াকৰণে স্ফোটৰ অস্তিত্ব প্রতিপাদন কৰিছিল। নাগেশভট্টই তেওঁৰ 'লঘুশব্দেন্দুশেখৰ'ত কৈছে— 'স্ফোটায়নং যস্য সঃ। স্ফোটপ্রতিপাদক ইত্যর্থঃ। স্ফোটায়নো বঙঃ স্মর্তা.....। তেওঁৰ নামটোৰ ভিত্তিত বহু পণ্ডিতে ক'ব খোজে যে এইজন বৈয়াকৰণে স্ফোটবাদৰ ভিত্তিত তেওঁৰ ব্যাকৰণ ৰচনা কৰিছিল।

জানি থোৱা ভাল

স্ফোটবাদ ঃ যিহৰ সহায়েৰে অর্থৰ প্রতীতি জন্মে তাকে স্ফোট বোলে। অর্থাৎ বর্ণৰ দ্বাৰা অভিব্যত্র আৰু অর্থ প্রত্যায়ক নিত্য শব্দকেই স্ফোট বুলি স্ফোটবাদীসকলে মন্তব্য কৰে। ভাষাৰ বিভিন্ন শব্দাৱলীয়ে কেনেকৈ সিহঁতৰ নিজ নিজ অর্থৰ প্রতীতি জন্মায় তাৰ আলোচনাই স্ফোটবাদৰ মূল আলোচ্য বিষয় বা বক্তব্য।

গালৱ ঃ অষ্টাধ্যায়ীৰ ৬ষ্ঠ অধ্যায়ত থকা 'ইকো হ্রস্বো ড্যোগালৱস্য' (৬.৩.৬১) সূত্রত এই গৰাকীৰ বৈয়াকৰণৰ নাম উচ্চাৰিত হৈছে। ইয়াৰ উপৰিও বহুক্ষেত্রত পাণিনিয়ে গালবৰ নাম লোৱা দেখা যায়। শাকল্যৰ শিষ্য গালৱৰ ব্যাকৰণক গালৱব্যাকৰণ বুলি কোৱা হয়। শৌনকৰ বৃহদ্দেৱতা আদি গ্রন্থত গালৱক স্মৃতিকাৰ হিচাপেও উল্লেখ কৰা হৈছে। তেওঁৰ ব্যাকৰণখনও সময়ৰ অববাহিকাত সম্পূর্ণ লুপ্ত হয়।

চাক্রবর্ম্মন ঃ চক্রবর্ম্মাৰ পুত্র চাক্রবর্ম্মনৰ নামোল্লেখ সহ পাণিনিয়ে অষ্টাধ্যায়ীত সূত্র ৰচনা কৰিছে— ঈতশ্চাক্রবর্ম্মণস্য (৬.১.১৩০)। কাতন্ত্র পৰিশিষ্টত চাক্রবর্ম্মনৰ নাম পোৱা যায়। কিছুসংখ্যক পণ্ডিতে তেওঁক ব্যুৎপত্তিবাদী বৈয়াকৰণ বুলি উল্লেখ কৰিছে। কাশিকাত কোৱা হৈছে— 'চক্রবর্ম্মনো পত্যং চাক্রবর্ম্মনঃ'। তেওঁক হাৰীতকাশ্যপৰ প্রপৌত্র বুলি অনুমান কৰা হয়। এই বৈয়াকৰণজনৰ ব্যাকৰণখনক চাক্রবর্ম্মনীয় ব্যাকৰণ বুলি কোৱা হয়। কিন্তু বহুকাল আগতেই এইখন ব্যাকৰণ লুপ্ত হৈছে।

ভাৰদ্বাজ ঃ অষ্টাধ্যায়ী গ্রন্থৰ সপ্তম অধ্যায়ত পাণিনিয়ে এইজন বৈয়াকৰণৰ নাম লৈ সূত্র লিখিছে 'ঋতো ভাৰদ্বাজস্য' (৭.২.৬৩)। ভৰদ্বাজৰ অপত্য ভাৰদ্বাজৰ বিষয়ে তৈত্তিৰীয় প্রাতিশাখ্যতো উল্লেখ পোৱা যায়। শিক্ষা আৰু ব্যাকৰণৰ উপৰিও শ্রৌতসূত্র আৰু গৃহ্যসূত্র প্রণয়নৰ লগতো তেওঁৰ নাম সন্নিৰিষ্ট হৈছে। তেওঁৰ ব্যাকৰণত ঐন্দ্রব্যাকৰণৰ মত গ্রহণ কৰা বুলি পণ্ডিতসকলে কয়। পণ্ডিতসকলৰ অনুমান কৰে যে কাত্যায়নৰ আগত ভাৰদ্বাজ সম্প্রদায়ৰ বৈয়াকৰণসকলে পাণিনিসূত্রৰ ওপৰত বার্ত্তিক ৰচনা কৰিছিল। বাস্কলৰ পুত্র হিচাপে ভাৰদ্বাজক বাস্কলি নামেৰেও জনা যায় আৰু এই বিষয়ে বায়ুপুৰাণ আৰু ব্রহ্মাণ্ডপুৰাণতো উল্লেখ আছে। মহাভাষ্যতো পতঞ্জলিয়ে এই সম্প্রদায়ৰ উল্লেখ কৰিছে।

গার্গ্য ঃ মহর্ষি পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ীগ্রন্থৰ সপ্তম অধ্যায়ত এইগৰাকী বৈয়াকৰণৰ নামোল্লেখেৰে সূত্র কৰিছে 'অড্ গার্গ্য-গালবয়োঃ' (৭.৩.৯৯)। গার্গ্যমুনিক বৈয়াকৰণ শাকটায়নৰ সমসাময়িক বুলি ধৰা হয়। গর্গৰ পুত্র গার্গি আৰু গার্গিৰ পুত্র গার্গ্য। এইজন বৈয়াকৰণৰ নাম গার্গ্য বালাকি। কাৰণ তেওঁৰ মাকৰ নাম আছিল বলাকা। ব্যাকৰণৰ ক্ষেত্রত গার্গ্যই বাস্কলি ভাৰদ্বাজৰ শিষ্য আছিল। তেওঁৰ আৰু এটা নাম আছিল পন্নগাৰি। তেওঁৰ ব্যাকৰণখনৰ নাম আছিল 'অক্ষৰতন্ত্রসূত্র'। গার্গীয় ব্যাকৰণত শাকটায়নৰ ব্যুৎপত্তিবাদৰ কিছু অংশ গ্রহণ কৰা হয়, কিছু অংশ কিন্তু প্রত্যাখ্যাত হয়। গতিকে গার্গ্যক শাকটায়নৰ অন্ধ অনুসৰণকাৰী বুলি ক'লে

ডাঙৰ ভুল হ'ব।

শাকল্য ঃ পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ী গ্ৰন্থত একাধিক স্থানত এইজন প্ৰাচীন বৈয়াকৰণৰ নাম উল্লেখ কৰিছে। তদুপৰি নামোল্লেখ নকৰাকৈও পাণিনি কিছুক্ষেত্ৰত শাকল্যৰ পদাঙ্ক অনুসৰণ কৰিছে। বৈদিক ব্যাকৰণ হিচাপে শাকল্যৰ বিশেষ স্থান সৰ্বজনস্বীকৃত। তেওঁৰ পদপাঠৰ নিয়মাৱলীৰ অনুসৰণেৰে বহুতো ব্যাকৰণগত নিয়ম পাণিনিৰ সূত্ৰসমুদায়ত উল্লেখ কৰা হৈছে। যাস্কৰ নিৰুক্ত আৰু শৌনকৰ বৃহদ্দেবতাত শাকল্যৰ নাম পোৱা যায়। কাশিকাগ্ৰন্থতো শাকল্যৰ নাম থকা দেখা যায়। পতঞ্জলিয়েও তেওঁৰ ভাষ্যত শাকল্যৰ নাম উল্লেখ কৰিছে। বৈয়াকৰণ হিচাপে এই গৰাকী পণ্ডিতে যথেষ্ট সমাদৰ আৰু খ্যাতি লাভ কৰিছিল বুলি অনুমান কৰিব পাৰো।

জানি থোৱা ভাল

বৈয়াকৰণসকলে সদায় সংক্ষিপ্ততাৰ প্ৰতি চকু দিছিল। সেয়ে কোৱা হয়— 'অৰ্ধমাত্ৰালাঘৱেন পুত্ৰোহসৱং মন্যন্তে বৈয়াকৰণা ঃ— অৰ্থাৎ আধামাত্ৰা লাঘৱ হোৱাটোকে তেওঁলোকে পুত্ৰজন্মোৎসৱ ক্ষেত্ৰ ভাবিছিল। বেছিভাগ বৈয়াকৰণেই সূত্ৰত ব্যাকৰণ ৰচনা কৰিছিল। সূত্ৰৰ লক্ষণ হ'ল— 'অল্পাক্ষৰমসন্দিগ্ধং সাৰবদ্বিতো মুখম্। অক্ষোভতনবদ্যং চ সূত্ৰং সূত্ৰবিদোঃ বিদুঃ।।' অৰ্থাৎ কম অক্ষৰ থকা, সন্দেহাতীত অৰ্থযুক্ত, সাৰগৰ্ভ অথচ সৰল, দোষশূন্য বাক্যক সূত্ৰবিদসকলে সূত্ৰ বুলি জানে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ পাণিনিয়ে নাম নোলোৱা তিনিজন প্ৰাচীন বৈয়াকৰণৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৬ঃ অষ্টাধ্যায়ীত উল্লেখ কৰা ব্যাকৰণবিদসকলৰ নাম লিখক
(৫০টা শব্দৰ ভিতৰত)

.....

.....

প্ৰশ্ন নং ৭ঃ 'অক্ষৰতন্ত্ৰসূত্ৰ' গ্ৰন্থৰ ৰচক কোন?

.....

.....

১২.৬ পাণিনিব্যাকৰণ

সংস্কৃতব্যাকৰণৰ ক্ষেত্ৰখনত উজ্জ্বলতম জ্যোতিষ্কৰ দৰে জিলিকি আছে এটা নাম— সেয়া হ'ল মহৰ্ষি পাণিনি। বিশ্ববিশ্ৰুত এইগৰাকী বৈয়াকৰণৰ জীৱন বা সময় সম্বন্ধে সবিশেষ জনা নগ'লেও অষ্টাধ্যায়ী নামৰ অভূতপূৰ্ব ব্যাকৰণখন যে তেওঁৰেই ৰচনা সেইবিষয়ে কোনো সন্দেহৰ অৱকাশ নাই। বিভিন্ন উৎসগ্ৰন্থৰ পাঠৰ মাজেদি পণ্ডিতসকলে কিছুমান তথ্য পাণিনিৰ বিষয়ে আগবঢ়াইছে যদিও সেইবোৰৰ অধিকাংশই অনুমাননিৰ্ভৰ আৰু কিম্বদন্তীসম্ভূত। বৰ্তমান পাকিস্তানৰ পেছোয়াৰ জিলাৰ ওহিন্দ নামৰ ঠাইখনৰ ওচৰতে পাণিনিৰ বাসস্থান

আছিল। শলাতুৰ গাঁৱৰ নিবাসী হোৱা বাবে পাণিনিক শলাতুৰীয় বুলিও কোৱা হয়। পাণিনিৰ প্ৰকৃত নাম আছিল আহিক আৰু কিছুমান পণ্ডিতৰ মতে পাণিনি শব্দটো প্ৰকৃততে গোত্ৰনাম। পাণিনিৰ পিতৃৰ নাম আছিল শলঙ্ক সেইকাৰণে তেওঁক শালঙ্কি বুলিও কোৱা হয় আৰু তেওঁৰ মাতৃৰ নাম আছিল দাক্ষী, সেইকাৰণে তেওঁক দাক্ষেয় বা দাক্ষীহত্ৰ বুলি কোৱা হয়। পাণিনিৰ সময় লৈ পণ্ডিত সমাজত যথেষ্ট বাদানুবাদ থাকিলেও এই বৈয়াকৰণজনৰ সময় খৃঃ পূঃ পঞ্চম শতাব্দী আৰু খৃঃ পূঃ ৪র্থ শতাব্দীৰ ভিতৰত বুলি অনুমান কৰা হয়। বিভিন্ন প্ৰাচীন উৎসগ্ৰন্থৰ পৰা জনা যায় পাণিনিয়ে তক্ষশিলাত আহি অধ্যয়ন কৰিছিল। কিন্তু পিছত যবনসকলৰ আক্ৰমণৰ পৰা ৰক্ষা পোৱাৰ বাবে মগধৰাজ্যত আশ্ৰয় লয়। কিম্বদন্তী অনুসৰি আদিত বুদ্ধিহীন পাণিনিয়ে মহাদেবৰ তপস্যা কৰি ১৪টা শিবসূত্ৰৰ জ্ঞানেৰে সমৃদ্ধ হৈ ব্যাকৰণবেত্তা হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। তেওঁৰে সমসাময়িক পণ্ডিত কাত্যায়ন বৰৰুচিয়ে পাণিনিৰ ব্যাকৰণৰ ওপৰত বাৰ্ত্তিকসমূহ ৰচনা কৰি এই ব্যাকৰণক সমৃদ্ধ কৰি তোলে। কিন্তু কিম্বদন্তী মতে এই দুয়োগৰাকী বৈয়াকৰণৰ মাজত সদ্ভাৱ নথকাত দুয়ো পৰস্পৰৰ অভিশাপত মৃত্যুমুখত পৰে। ত্ৰয়োদশী তিথিত এই দুগৰাকী বৈয়াকৰণৰ মৃত্যু হোৱা বুলি অনুমান কৰি পৰবৰ্ত্তীকালত এই তিথিত ব্যাকৰণৰ অধ্যয়ন নিষিদ্ধ কৰা হয়।

পাণিনিৰ অষ্টাধ্যায়ীত প্ৰায় চাৰি হেজাৰ সূত্ৰ আছে। 'বুদ্ধিৰাদৈচ্' (১.১.১)— এই সূত্ৰেৰে অষ্টাধ্যায়ীগ্ৰন্থৰ আৰম্ভণি আৰু অ. অ (৮.৪)— এয়া হ'ল অষ্টাধ্যায়ীৰ অন্তিম সূত্ৰ। পাণিনিৰ ব্যাকৰণত থকা সূত্ৰসমূহক ছটা ভাগত ভগোৱা হৈছে। যেনে— সংজ্ঞা, পৰিভাষা, বিধি, নিয়ম, অতিদেশ আৰু অধিকাৰ। এই বিষয়ে থকা শ্লোকফাঁকি হ'ল—

সংজ্ঞা চ পৰিভাষা চ বিধি র্নিয়ম এৱ চ।
অতিদেশোহ ধিকাৰশ্চ ষড়্ৱিধং সূত্ৰলক্ষণম্।।

পাণিনিৰ ব্যাকৰণখন আঠটা অধ্যায়ত বিভক্ত। এইকাৰণে ইয়াক অষ্টাধ্যায়ী বুলি কোৱা হয়। প্ৰত্যেক অধ্যায়ত চাৰিটাকৈ পাদ আছে। গতিকে অষ্টাধ্যায়ীগ্ৰন্থত মুঠ ৮×৪=৩২টা পাদ আছে। অষ্টাধ্যায়ীৰ ওপৰত পাণিনিয়ে লিখা কোনো বৃত্তি পোৱা নাযায়। সূত্ৰসমূহৰ উপৰিও ধাতুপাঠ, গণপাঠ আৰু লিঙ্গানুশাসনৰ কৰ্ত্তা হিচাপে পাণিনিক জনা যায়।

পাণিনিৰ ব্যাকৰণখন কেৱল সংস্কৃতভাষাতেই নহয় সমগ্ৰ বিশ্বতেই এইখন এখন আগশাৰীৰ ব্যাকৰণগ্ৰন্থ হিচাপে জনাজাত হৈছে। বহুতো দেশী-বিদেশী পণ্ডিতে এতিয়াও পাণিনিৰ অষ্টাধ্যায়ী গ্ৰন্থখনৰ ওপৰত তেওঁলোকৰ গৱেষণামূলক অধ্যয়ন চলাই আছে। ভাষাতত্ত্বৰ ফালৰ পৰাও এইখন ব্যাকৰণৰ গুৰুত্ব অপৰিসীম। শিৱভক্ত পাণিনিৰ ব্যাকৰণজ্ঞানক স্বীকাৰ নকৰা মানুহ ভাৰতবৰ্ষত নাই বুলিয়ে ক'ব পাৰি। এই মহান বৈয়াকৰণজনক শ্ৰদ্ধা জনাই কোৱা হয়—

যেনাক্ষৰসমাম্নায়মধিগম্য মহেশ্বৰাৎ
কৃৎস্নং ব্যাকৰণং প্ৰোক্তং তস্মৈ পাণিনয়ে নমঃ।
(পাণিনীয় শিক্ষা)

১২.৭ পাণিনিপৰবৰ্ত্তী বৈয়াকৰণ

সংস্কৃতব্যাকৰণৰ এটা ধাৰা থকা দেখিবলৈ পোৱা যায়। কিন্তু মহৰ্ষি পাণিনিৰ অষ্টাধ্যায়ীগ্ৰন্থক এই ক্ষেত্ৰটোৰ কেন্দ্ৰবিন্দু হিচাপে ধাৰ্য কৰা হৈছে। সেইকাৰণে পাণিনিব্যাকৰণ, পাণিনি পূৰ্ববৰ্ত্তীব্যাকৰণ বা বৈয়াকৰণ আৰু পাণিনিপৰবৰ্ত্তী ব্যাকৰণ বা বৈয়াকৰণ— পণ্ডিতসকলে এই তিনিটা স্তৰ স্বীকাৰ কৰিছে। ইয়াৰ ফলত এই

ক্ষেত্ৰত কৰা অধ্যয়নো বহুখিনি সহজ হৈ পৰিছে। আপোনালোক ইতিমধ্যে পাণিনিপূৰ্ববৰ্ত্তী বৈয়াকৰণসকলৰ এটা আভাস পাইছে আৰু পাণিনিব্যাকৰণৰ বিষয়েও অৱগত হৈছে। এতিয়া পাণিনিপৰবৰ্ত্তী বৈয়াকৰণসকলৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ব। এইক্ষেত্ৰত মনকৰিবলগীয়া কথাটো হ'ল যে পাণিনিৰ পিছত সংস্কৃতব্যাকৰণৰ ক্ষেত্ৰখন যথেষ্ট উৰ্বৰ হোৱা দেখিবলৈ পোৱা যায়। পাণিনীয় আৰু অপাণিনীয়— উভয়প্ৰকাৰৰ ব্যাকৰণগ্ৰন্থৰ সন্ধেদ পোৱা যায় বিভিন্ন সময়ত। কিন্তু বৰ্তমান প্ৰসঙ্গত কেৱল কেইজনমান বৈয়াকৰণ আৰু তেওঁলোকৰ ব্যাকৰণৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ল।

কাত্যায়ন আৰু বাৰ্ত্তিক ঃ পাণিনিসূত্ৰৰ বাৰ্ত্তিককাৰ হিচাপে কাত্যায়ন বৰৰুচিৰ নামটো উল্লিখিত হয়। বাৰ্ত্তিকৰ লক্ষণ প্ৰসঙ্গত কোৱা হৈছে যে যত সূত্ৰত উক্ত, অনুক্ত বা দুৰুক্ত অৰ্থাৎ টানকৈ প্ৰযুক্ত পদবিলাকৰ বিষয়ে চিন্তা বা আলোচনা থাকে সেই গ্ৰন্থকেই পণ্ডিতসকলে **বাৰ্ত্তিক** বুলি কয়।

> ⓘ বৃত্তি আৰু ***বাৰ্ত্তিক*** একে নহয়। বৃত্তিক লক্ষ্য কৰি ৰচিত গ্ৰন্থকেই বাৰ্ত্তিক বোলে।

উক্তানুক্তদুৰুক্তানাং চিন্তা যত্ৰ প্ৰৱৰ্ত্ততে।
তং গ্ৰন্থং বাৰ্ত্তিকং প্ৰহুবাৰ্ত্তিকজ্ঞা মনীষিণঃ।।

সূত্ৰত সূত্ৰকাৰে যি কথা কৈছে, যি কথা কোৱা নাই কিন্তু সূত্ৰব্যাখ্যাৰ আলোচনা প্ৰসঙ্গত প্ৰয়োজনীয় হিচাপে পৰিগণিত আৰু সূত্ৰকাৰে যি কথা টানভাবে প্ৰকাশ কৰিছে— সেই সকলো বিষয়ৰ ওপৰত আলোকপাত কৰাই হ'ল বাৰ্ত্তিকৰ উদ্দেশ্য। কাত্যায়ন বৰৰুচি পাণিনিৰ সমসাময়িক আছিল আৰু পাণিনিৰ সূত্ৰসমূহৰ ওপৰত বাৰ্ত্তিক ৰচনা কৰি এই সূত্ৰসমূহৰ অৰ্থ সহজবোধ্য কৰি তুলিছিল। বহুক্ষেত্ৰতে দেখিবলৈ পোৱা যায় যে কাত্যায়নৰ বাৰ্ত্তিক অবিহনে পাণিনিৰ সূত্ৰৰ অৰ্থ সম্পূৰ্ণভাবে বুজা নাযায়। বাৰ্ত্তিকসমূহৰ বিশ্লেষণে এই কথা সদৰী কৰে যে কাত্যায়ন বৰৰুচিও এজন উচ্চস্তৰৰ বৈয়াকৰণ আছিল। কিন্তু বাৰ্ত্তিকসমূহৰ কোনো পৃথকগ্ৰন্থ পোৱা নাযায়। পতঞ্জলিৰ মহাভাষ্যৰ পৰাহে এই বাৰ্ত্তিকসমূহ সংগ্ৰহ কৰা হয়।

পতঞ্জলি আৰু মহাভাষ্য ঃ মহৰ্ষি পতঞ্জলিয়ে পাণিনিৰ সূত্ৰসমূহৰ ওপৰত ভাষ্য ৰচনা কৰে। মহৎ তাৎপৰ্যবাহী এই ভাষ্যখনক **মহাভাষ্য** বুলি আখ্যা দিয়া হয়। পতঞ্জলিক শেষনাগৰ অৱতাৰ হিচাপে কল্পনা কৰি লৈ মহাভাষ্যক 'ফনিভাষ্য' বুলিও আখ্যা দিয়া হয়। মহাভাষ্যত মুঠ ৮৫ সংখ্যক আহ্নিক আছে। অহ্ন বা এদিনত ব্যাকৰণৰ যি অংশ অধ্যয়ন কৰা হৈছিল সেইখিনিকেই আহ্নিক বুলি কোৱা হয়। মহাভাষ্যৰ প্ৰথম আহ্নিকৰ নাম হ'ল পস্পশাহ্নিক। ভাষ্যৰ লক্ষণ প্ৰসঙ্গত কোৱা হৈছে যত সূত্ৰক অনুসৰণ কৰি বাক্যেৰে সূত্ৰৰ অৰ্থ অনুধাবণ কৰা হয় বা বৰ্ণনা কৰা হয় আৰু যত ভাষ্যকাৰৰ নিজৰ ফালৰ পৰাও পদ সুসংবদ্ধ হয় তাকেই ভাষ্য বোলে।

> ⓘ পতঞ্জলিৰ গ্ৰন্থখন বিশাল হোৱা বাবে ***মহাভাষ্য*** নামে প্ৰসিদ্ধ। ইয়াত আঠটা অধ্যায় আছে।

সূত্ৰাৰ্থো বৰ্ণ্যতে যত্ৰ বাক্যৈঃ সূত্ৰানুসাৰিভিঃ।
স্বপদানি চ বৰ্ণ্যন্তে ভাষাং ভাষ্যবিদো বিদুঃ।।

চন্দ্ৰগোমিন্ আৰু চান্দ্ৰব্যাকৰণ ঃ পাণিনিৰ অষ্টাধ্যায়ীৰ অনুকৰণত চন্দ্ৰগোমী বা চন্দ্ৰগোমিনে এই ব্যাকৰণখন ৰচনা কৰে। এই ব্যাকৰণত ব্যৱহাৰ হোৱা প্ৰত্যাহাৰসূত্ৰসমূহ পাণিনীয় প্ৰত্যাহাৰৰ নিচিনাই। কিন্তু এটা বা দুটা প্ৰত্যাহাৰৰ ক্ষেত্ৰত অষ্টাধ্যায়ীতকৈ সামান্য পাৰ্থক্য পৰিলক্ষিত হয়। যেনে পাণিনিয়ে ব্যৱহাৰ কৰা 'অন্' আৰু 'ঋষ্' প্ৰত্যাহাৰ দুটা চন্দ্ৰগোমীয়ে গ্ৰহণ কৰা নাই কিন্তু তেওঁ আকৌ 'ঋক্', 'ঞম্', 'মম্' আৰু 'চয়' এই চাৰিটা প্ৰত্যাহাৰ নতুনকৈ গ্ৰহণ কৰিছে। সংজ্ঞা ব্যৱহাৰৰ ক্ষেত্ৰত এই ব্যাকৰণত যথেষ্ট সৰলতাৰ আশ্ৰয় লোৱা হৈছে। চন্দ্ৰগোমীয়ে তেওঁৰ ব্যাকৰণত কৃত্ৰিম সংজ্ঞাৰ ব্যৱহাৰ কৰা নাই। বহু পণ্ডিতে সেইকাৰণে

চান্দ্রব্যাকৰণক 'অসংজ্ঞকব্যাকৰণ' বুলি অভিহিত কৰিছে। পণ্ডিতসকলৰ ধাৰণা যে চন্দ্রগোমীয়ে তেওঁৰ ব্যাকৰণৰ বৃত্তিও ৰচনা কৰিছিল যিখন এতিয়া আৰু পোৱা নাযায়।

জিনেন্দ্র বুদ্ধি আৰু জৈনেন্দ্র ব্যাকৰণ ঃ জিনেন্দ্রবুদ্ধি দেৱনন্দীয়ে ৰচনা কৰা ব্যাকৰণখনক জৈনেন্দ্র ব্যাকৰণ বুলি কোৱা হয়। এই ব্যাকৰণখন গুপ্তযুগৰ মাজভাগত ৰচনা কৰা হৈছিল। এই ব্যাকৰণত পাঁচটা অধ্যায় আছে আৰু প্রত্যেকটো অধ্যায় চাৰিটাকৈ পাদত বিভক্ত। প্রকৃততে পাণিনিৰ অষ্টাধ্যায়ীক আধাৰ কৰিয়ে এই ব্যাকৰণখন ৰচনা কৰা হৈছিল। এই ব্যাকৰণত সংজ্ঞাৰ ক্ষেত্রত কিছু নতুন বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। তেওঁ অৱশ্যে বহুক্ষেত্রতেই কৃত্রিম সংজ্ঞাৰ ব্যৱহাৰ কৰিছে। যেনে— সমাসৰ সংজ্ঞা 'স', তৎপুৰুষৰ সংজ্ঞা 'ষ', কর্মধাৰয়ৰ সংজ্ঞা 'য' ইত্যাদিৰে কৰা হৈছে। জৈনেন্দ্র ব্যাকৰণৰ দেৱনন্দীয়ে ৰচনা কৰা কোনো বৃত্তি পোৱা যোৱা নাই। অভয়নন্দীয়ে ৰচনা কৰা জৈনেন্দ্রব্যাকৰণৰ সূত্রপাঠৰ 'মহাবৃত্তি' ব্যাকৰণজগতৰ এটা প্রকৃষ্ট গ্রন্থ। এই ব্যাকৰণৰ ধাতুপাঠ পোৱা যায়।

অনুভূতি স্বৰূপাচার্য্য আৰু সাৰস্বত ব্যাকৰণ ঃ অনুভূতি স্বৰূপাচার্য্যই ৰচনা কৰা ব্যাকৰণখনকেই **সাৰস্বত ব্যাকৰণ** বুলি কোৱা হয়। এই ব্যাকৰণৰ আৰম্ভণিতে কোৱা হৈছে '.....সাৰস্বতীমৃজুং কুর্বে প্রক্রিয়াং নাতিবিস্তৰাম'। এই বাক্যটোৰ অর্থ হ'ল সৰস্বতীপ্রণীত ব্যাকৰণপ্রক্রিয়াক তেওঁ সৰল কৰিব গৈ আছে। দেবী সৰস্বতীক আৰাধনা কৰি অনুভূতিস্বৰূপাচার্য্যই এই ব্যাকৰণসম্বন্ধে জ্ঞান লাভ কৰিছিল বুলি বিদ্বৎসমাজত কাহিনী প্রচলিত আছে। এইখন ব্যাকৰণত কিন্তু বহু পৰিমাণে পাঠান্তৰ দেখিবলৈ পোৱা যায়। অনুভূতি স্বৰূপাচার্য্যই সূত্রবোৰৰ বৃত্তি ৰচনা কৰিছিল নে নাই সেই বিষয়ে যথেষ্ট সন্দেহ বিদ্যমান। তেওঁৰ জীৱন সম্বন্ধেও বিশেষ একো জনা নাযায়। সাৰস্বতব্যাকৰণত 'ইৎ' বর্ণসমূহ পৰিত্যাগ কৰি প্রত্যাহাৰ সূত্রবোৰ গ্রহণ কৰা হৈছে। সাৰস্বত ব্যাকৰণৰ বহু টীকা পোৱা যায়। এইবোৰৰ ভিতৰত চন্দ্রকীর্তিৰ টীকা হ'ল সর্বপ্রসিদ্ধ।

> *সাৰস্বত ব্যাকৰণ*ৰ ওপৰত চন্দ্রকীর্তিয়ে লিখা টীকাৰ নাম হ'ল- সুবোধিকা।

ক্রমদীশ্বৰ, জুমৰনন্দী, গোয়ীচন্দ্র আৰু সংক্ষিপ্তসাৰ ব্যাকৰণ ঃ সংক্ষিপ্তসাৰ ব্যাকৰণৰ লগত মূলতঃ তিনিজন বৈয়াকৰণ যুক্ত। তেওঁলোক হ'ল ক্রমদীশ্বৰ— যিজনে এই ব্যাকৰণৰ সূত্রবোৰ ৰচনা কৰিছিল, জুমৰনন্দী— যিজনে সূত্রৰ ওপৰত বৃত্তি ৰচনা কৰিছিল আৰু গোয়ীচন্দ্র— যিজনে এই ব্যাকৰণৰ টীকা লিখিছিল। জুমৰনন্দীৰ নাম অনুসৰি এই ব্যাকৰণক জৌমৰ ব্যাকৰণ বুলিও কোৱা হয়। এই ব্যাকৰণত সূত্রসংখ্যা ৪৬৯৯। প্রাকৃতপাদত আকৌ ৪৭৪ সংখ্যক সূত্র আছে। এই প্রকৰণত এটা ছন্দঃপ্রকৰণ আৰু এটা অলঙ্কাৰ প্রকৰনো পোৱা যায়। ব্যাকৰণৰ সূত্রসমূহক আঠটা পাদত সন্নিবিষ্ট কৰা হৈছে। গোয়ীচন্দ্রৰ বচনৰ পৰা জনা যায় যে পূর্বপ্রচলিত সকলো ব্যাকৰণ সম্প্রদায়ৰ সাৰ গ্রহণ কৰি এইখন ব্যাকৰণ নিৰূপিত হৈছিল— শাস্ত্রান্তৰেষু সৎস্বপি..... সংক্ষিপ্তঃ সংগৃহীতঃ সাৰো যত্র তৎ সংক্ষিপ্তসাৰম্।'

ভট্টোজিদীক্ষিত আৰু বৈয়াকৰণসিদ্ধান্তকৌমুদী ঃ পাণিনিৰ সূত্রসমূহৰ আধাৰত ৰচিত পৰৱর্ত্তী ব্যাকৰণ গ্রন্থসমূহৰ ভিতৰত এক বিশেষ স্থান অধিকাৰ কৰি আছে ভট্টোজিদীক্ষিতে ৰচনা কৰা বৈয়াকৰণসিদ্ধান্তকৌমুদী নামৰ গ্রন্থখনে। এই গ্রন্থখন প্রক্রিয়াৰীতিত ৰচনা কৰা হৈছিল। অর্থাৎ পাণিনিৰ সূত্রসমূহক প্রসঙ্গভিত্তিক বিষয়সন্দর্ভত উপস্থাপন কৰি এইখন গ্রন্থ ৰচনা কৰা হৈছিল। যদিও এই ৰীতিত ৰচনা কৰা কিছু গ্রন্থ ভট্টোজিদীক্ষিতৰ পূর্বেও কিছু বৈয়াকৰণে ইতিমধ্যে ৰচনা কৰি গৈছিল, কিন্তু বিষয়বস্তুৰ গাম্ভীর্য তথা পাণিনিৰ সূত্রসমূহৰ সার্বিক আলোচনাৰ ফালৰপৰা উক্ত গ্রন্থখনক ছাত্রবোধৰ বাবে এক উৎকৃষ্ট গ্রন্থ হিচাপে স্বীকাৰ কৰা হৈছে। এই গ্রন্থত সংস্কৃতব্যাকৰণৰ ১১টা বিষয়ৰ ওপৰত আলোচনা আছে। এই বিষয়সমূহ হ'ল— সংজ্ঞা,

পৰিভাষা, সন্ধি, সুবন্ত, অব্যয়, স্ত্রীপ্রত্যয়, কাৰক, সমাস, তদ্ধিত, তিঙন্ত আৰু কৃদন্ত। ইয়াৰ উপৰিও উক্ত গ্ৰন্থখনত ঊনাদিপ্রত্যয়, বৈদিকপ্রক্রিয়া তথা লিঙ্গানুশাসন আৰু গণপাঠৰ বিষয়েও আলোচনা আছে। প্রকৃততে পাণিনিৰ সূত্র, কাত্যায়ন বৰৰুচিৰ বার্ত্তিক আৰু পতঞ্জলিৰ মহাভাষ্যৰ ওপৰত ভিত্তি কৰিহে বৈয়াকৰণ সিদ্ধান্তকৌমুদীখন ৰচনা কৰা হৈছে। এই গ্ৰন্থৰ আৰম্ভণিতেই ভট্টোজিদীক্ষিতে তিনিগৰাকী বৈয়াকৰণক প্রণাম জনাই গ্ৰন্থপ্রণয়নত প্রবৃত্ত হোৱা বুলি ব্যক্ত কৰিছে—

মুনিত্রয়ং নমস্কৃত্য তদুক্তীঃ পৰিভাব্য চ।
বৈয়াকৰণসিদ্ধান্তকৌমুদীয়ং বিৰচ্যতে।।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ঃ পাণিনিব্যাকৰণত থকা সূত্রসমূহ কেইটভাগত ভগোৱা হৈছে? ভাগবোৰৰ নাম লিখক। (২০০টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন নং ৯ঃ 'ত্রিমুনিব্যাকৰণ' বুলিলে কোন কোন বৈয়াকৰণৰ বুজা যায়?

.....

.....

.....

১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ব্যাকৰণৰ লক্ষণৰ বিষয়ে জানিব পাৰিলে। ব্যাকৰণ শব্দৰ অর্থ আৰু ব্যাকৰণ শব্দেৰে কি বুজায় সেই বিষয়ে অৱগত হ'ল।
- ব্যাকৰণ যে বেদাঙ্গ সেই বিষয়ে জানিলে। ব্যাকৰণৰ বাহিৰেও আন বেদাঙ্গসমূহ কি সেই বিষয়েও জানিব পাৰিলে। ব্যাকৰণ শাস্ত্রই কিয় বেদাঙ্গৰ মর্যাদা পাইছে আৰু ব্যাকৰণে কেনেদৰে বেদৰ সহায়ক হয় সেই কথা জানিলে।
- পাণিনিৰ পূর্ব্বকালীন ব্যাকৰণ প্রণেতাসকলৰ বিষয়ে জানিব পাৰিলে। ইয়াৰ উপৰিও পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ী গ্ৰন্থত কোন কোন ব্যাকৰণবিদৰ কথা উল্লেখ কৰিছে সেই বিষয়েও জানিব পাৰিলে।
- পাণিনিৰ অষ্টাধ্যায়ীৰ বিষয়ে বিতংভাবে জানিব পাৰিলে। এই গ্ৰন্থত সূত্রসংখ্যা কিমান, ত্রিমুনি ব্যাকৰণ বুলিলে কি বুজায়, বার্ত্তিক আৰু ভাষ্য কি— এই সকলো বিষয় সম্পর্কে অৱগত হ'ল।
- পাণিনিৰ পৰবর্ত্তী সময়ত সংস্কৃত ব্যাকৰণবোৰ কেনেকুৱা আছিল সেই বিষয়ে জানিলে। তদুপৰি 'প্রক্রিয়া' গ্ৰন্থৰ বিষয়েও জানিব পাৰিলে। পৰবর্ত্তী ব্যাকৰণগ্ৰন্থসমূহত পাণিনিৰ প্রভাৰ কেনেকুৱা আছিল সেই বিষয়েও এটা ধাৰণা হ'ল।

১২.৯ অধিক জানিবলৈ

১) শর্মা, ড° থানেশ্বৰ; সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, চন্দ্রপ্রকাশ পাণবজাৰ, ১৯৯৫।

২) চক্রবর্ত্তী, ড° সত্যনাৰায়ণ; পাণিনীয় শব্দশাস্ত্র, সংস্কৃত পুস্তক ভাণ্ডাৰ, কলকাতা, ২০০৩।

৩) হালদাৰ, শ্রীগুৰুপদ; ব্যাকৰণ দর্শনেৰে ইতিহাস, সংস্কৃত বুক ডিপো, কলকাতা, ২০০৬ (পুনর্মুদ্রণ)।

১২.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ব্যাকৰণ শব্দৰ ব্যুৎপত্তিগত অর্থ ব্যাখ্যা কৰি মহাভাষ্যত থকা ব্যাকৰণৰ লক্ষণটো আলোচনা কৰিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ শিক্ষা, কল্, ছন্দ, ব্যাকৰণ, নিৰুক্ত, জ্যোতিষ।

৩নং প্রশ্নৰ উত্তৰ ঃ অঙ্গ হ'ব লাগিলে কেনেদৰে সহায়ক হ'ব লাগে সেই বিষয়ে আলোচনা কৰি ব্যাকৰণে কেনেদৰে বেদার্থবোধ তথা ৰক্ষা আদিত সহায় কৰে সেই বিষয়ে আলোচনা কৰিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ বেদত থকা 'ছন্দঃ পাদৌ তু বেদস্য..... "মন্ত্রটোত থকা ধৰণে বেদপুৰুষৰ অঙ্গ হিচাপে কি কি শাস্ত্র আছে সেই বিষয়ে লিখিব লাগিব।

৫নং প্রশ্নৰ উত্তৰ ঃ মহেশ, ভৰদ্বাজ, ভাত্তৰি।

৬নং প্রশ্নৰ উত্তৰ ঃ 'পাণিনিপূর্ববর্ত্তীবৈয়াকৰণ'— এই অংশৰ পৰা লৈ অষ্টাধ্যায়ীৰ সূত্রসমূহত উল্লেখ কৰা বৈয়াকৰণসকলৰ নাম লিখিব লাগিব।

৭নং প্রশ্নৰ উত্তৰ ঃ গার্গ্য বালাকি।

৮নং প্রশ্নৰ উত্তৰ ঃ ছটা ভাগত। সংজ্ঞা, পৰিভাষা, বিধি, নিয়ম, অতিদেশ, অধিকাৰ।

৯নং প্রশ্নৰ উত্তৰ ঃ পাণিনি, কাত্যায়ন আৰু পতঞ্জলি।

১২.১১ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ (৫০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ ব্যাকৰণৰ মুখ্য প্রয়োজনকেইটা উল্লেখ কৰক।

(খ) চুটি প্রশ্ন ঃ (১৫০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ সাৰস্বতব্যাকৰণৰ বিষয়ে চমুকৈ লিখক।

(গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ ব্যাকৰণৰ লক্ষণ আলোচনা কৰি ইয়াৰ প্রয়োজনীয়তাৰ বিষয়ে আলোচনা আগবঢ়াওক।

প্রশ্ন ২ঃ পাণিনিৰ পূর্ববর্ত্তী বৈয়াকৰণসকলৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ঃ অষ্টাধ্যায়ীৰ গুৰুত্ব আলোচনা কৰি বৈয়াকৰণ হিচাপে পাণিনিৰ কৃতিত্বৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ঃ প্রাচীন ভাৰতীয় শিক্ষানুষ্ঠানসমূহ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩.১ প্রাচীন ভাৰতীয় শিক্ষা ব্যৱস্থা

১৩.৩.২.১ প্রাচীন ভাৰতীয় শিক্ষানুষ্ঠানসমূহ

১৩.৩.২.১ তক্ষশীলা

১৩.৩.২.২ নালান্দা

১৩.৩.২.৩ বিক্রমশীলা

১৩.৩.২.৪ বাৰাণসী

১৩.৩.২.৫ মিথিলা

১৩.৩.২.৬ বল্লভী

১৩.৩.২.৭ নদিয়া বা নৱদ্বীপ

১৩.৩.২.৮ জগদ্দলা

১৩.৩.২.৯ উদান্তপুৰী বিশ্ববিদ্যালয়

১৩.৩.২.১০ বিভিন্ন মন্দিৰ মহাবিদ্যালয়

১৩.৪ অধ্যায়ৰ পৰা আমি কি শিকিলোঁ

১৩.৫ অধিক জানিবলৈ

১৩.৬ অগ্রগতিৰ খতিয়ান

১৩.৭ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- প্রাচীন ভাৰতীয় শিক্ষা ব্যৱস্থাৰ বিষয়ে জানিব পাৰিব।
- প্রাচীন ভাৰতীয় কেইবাখনো শিক্ষানুষ্ঠানৰ বিষয়ে জানিব পাৰিব।
- শিক্ষানুষ্ঠানসমূহ কেতিয়া ক'ত স্থাপন কৰা হৈছিল সেইবিষয়েও অৱগত হ'ব।
- প্রাচীন ভাৰতীয় শিক্ষানুষ্ঠানসমূহৰ আন্তঃগাঁথনি, ছাত্র-ছাত্রী, পাঠ্যক্রম আদিৰ বিষয়ে আভাস পাব।
- এই শিক্ষানুষ্ঠানসমূহ কোনে কেতিয়া ধ্বংস কৰিছিল সেইবিষয়েও কিছু কথা জানিব পাৰিব।
- এই শিক্ষানুষ্ঠানসমূহত অধ্যয়ন কৰা বিদগ্ধ আৰু বিখ্যাত পণ্ডিতসকলৰো পৰিচয় পাব।

১৩.২ পৰিচয়

ভাৰতবর্ষ এখন প্রাচীন দেশ। এই দেশৰ সামাজিক, সাংস্কৃতিক আৰু দার্শনিক ঐতিহ্য অতি উচ্চ পর্যায়ৰ। বর্তমান সময়ত দেশী-বিদেশী সকলো বুৰঞ্জীবিদে প্রাচীন ভাৰতীয় সভ্যতা, সংস্কৃতি আৰু শিক্ষাৰ বিশেষ প্রাধান্য

প্ৰদান কৰা দেখা যায়। ভাৰতবৰ্ষত শিক্ষাৰ ইতিহাস বুলিলে বেদৰ সময়ৰ পৰাই আৰম্ভণি। ভাৰতীয় শিক্ষা প্ৰায় ৫০০০ বছৰ পুৰণি। ইয়াৰ শিক্ষাব্যৱস্থাটোক প্ৰায় পাঁচভাগত ভগাব পাৰি। যেনে- বৈদিক যুগ, বৌদ্ধ যুগ, মুছলমান যুগ, বৃটিছ বা প্ৰাক্ স্বাধীন কাল, স্বাধীনোত্তৰ যুগ। বহু শতিকা জুৰি প্ৰাচীন ভাৰতবৰ্ষত আনুষ্ঠানিক শিক্ষাৰ বাবে ৰাজহুৱা শিক্ষানুষ্ঠান নাছিল। সমাজৰ একাংশৰ বাবে শিক্ষাব্যৱস্থাটো ধৰ্মীয় অংশ আছিল।

প্ৰাচীন ঋষিমুনিসকলে তেওঁলোকৰ তপস্যাৰ যোগেদি লাভ কৰা জ্ঞান মানুহৰ বিবিধ ধৰ্ম আৰু কৰ্মজীৱনৰ বাবে প্ৰয়োজনীয় জ্ঞানস্বৰূপে বিবেচনা কৰা হৈছিল। নৈতিক, আধ্যাত্মিক আৰু ধৰ্মীয় দিশৰ উৎকৰ্ষ সাধন কৰাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা এই শিক্ষাই আত্ম-উপলব্ধি আৰু আত্মশুদ্ধি লাভত প্ৰধানভাৱে গুৰুত্ব প্ৰদান কৰে। বৈদিক শিক্ষাৰ মূল ভেটি হ'ল চাৰিখন বেদ। শিষ্যসকলৰ চৰিত্ৰ গঠন, ব্যক্তিত্বৰ বিকাশ, সংস্কৃতিৰ সংৰক্ষণ আৰু হস্তান্তকৰণ, সামাজিক ভাৱধাৰাৰ গঠন আদিক বৈদিক শিক্ষাত গুৰুত্ব প্ৰদান কৰা হৈছিল।

এই অধ্যায়ত আপোনালোকক বৈদিক শিক্ষা ব্যৱস্থাৰ পিছত বৌদ্ধ শিক্ষাৰ যুগত আৰম্ভ হোৱা কেইবাখনো শিক্ষা অনুষ্ঠান আৰু তাৰ লগতে তাৰ আন্তঃগাঠনিৰ বিষয়ে কিছু কথা অৱগত কৰা হ'ব। মুখ্য শিক্ষানুষ্ঠানবোৰৰ লগতে বৌদ্ধ মঠ আৰু কিছুমান মহাবিদ্যালয়ৰ বিষয়েও জানিব পাৰিব।

১৩.৩.১ প্ৰাচীন ভাৰতীয় শিক্ষা-ব্যৱস্থা

সমাজ এখনৰ উত্থান-পতন সকলো দিশ নিৰূপণ কৰে একোখন ভাল শিক্ষানুষ্ঠানে। প্ৰাচীন ভাৰতবৰ্ষত বেদৰ যুগৰ পৰাই শিক্ষাব্যৱস্থাৰ আৰম্ভণি বুলি ক'ব পাৰি। সেই সময়ৰ ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য এই তিনিটা উচ্চবৰ্ণৰ কাৰণে শিক্ষা বাধ্যতামূলক আছিল। ছাত্ৰই উপনয়নৰ পাছতেই গুৰুগৃহ বা অৰণ্য- শিক্ষালয়লৈ শিক্ষা লাভ কৰিবৰ উদ্দেশ্যে যাব লাগিছিল। উপনয়নক তেওঁলোকে দ্বিতীয় জন্ম বা আধ্যাত্মিক জন্ম বুলি ধৰিছিল। শতপথ ব্ৰাহ্মণৰ মতে- 'গুৰুৱে শিষ্যক অপাৰ্থিৱ ঐশী শক্তি প্ৰদান কৰে শিষ্যৰ শিৰত সোঁহাতখন স্থাপন কৰি। তিনি নিশাৰ ভিতৰতেই গুৰুৰ বীজ অঙ্কুৰিত হয় আৰু শিষ্যই সাৱিত্ৰী-দীক্ষা লাভ কৰি প্ৰকৃত ব্ৰাহ্মণত্ব প্ৰাপ্তি কৰে। শিষ্যই যেন গুৰুৰ মুখৰ পৰা জন্ম পোৱা এটি স্বৰ্গীয় জীৱ।' ছাত্ৰজীৱন বা ব্ৰহ্মচৰ্য্যৰ কালছোৱা হৈছে এক দীঘলীয়া ত্যাগৰ জীৱন, ইয়াকেই ছাত্ৰ বোলে। যিজনে ব্ৰহ্মচৰ্য্য-জীৱনত প্ৰৱেশ কৰে, তেওঁ এক দীঘলীয়া ত্যাগৰ জীৱন আৰম্ভ কৰে। এই ত্যাগৰ সময়ছোৱাত বেদ আৰু আন পুথিপাঁজিও পঢ়িব লাগিব। ইয়াকেই 'ব্ৰহ্মযজ্ঞ' বোলে। গুৰুগৃহত থকা কালছোৱাত যজ্ঞত গুৰুৰ আৰু গৃহত গুৰু পত্নীৰ সহায় কৰাটো আৱশ্যক। শিক্ষা শেষ হোৱাৰ পাছত ছাত্ৰই শেষবাৰৰ বাবে সমিধ অৰ্পণ কৰি স্নান কৰে। এই শেষস্নানৰ পিছত তেওঁক 'স্নাতক' আৰু পিতৃগৃহলৈ ঘূৰি অহা পৰ্বক সমাবৰ্তন আখ্যা দিয়া হয়। শিক্ষাকালৰ শেষৰ দিনা যেতিয়া গুৰুগৃহৰ পৰা শিষ্যই পিতৃগৃহলৈ যাত্ৰা কৰে তেতিয়া তেওঁ গুৰুৰ পৱিত্ৰ যজ্ঞভূমিৰ পৰা প্ৰজ্জ্বলিত খৰি এডোখৰ লৈ আহি তেওঁৰ ঘৰৰ পৱিত্ৰ গাৰ্হপত্যাগ্নি প্ৰতিষ্ঠা কৰে।

বৈদিক সাহিত্যৰ অন্তৰ্ভুক্ত ব্ৰাহ্মণ আৰু উপনিষদত বহুজন ছাত্ৰৰ নাম পাওঁ। সেইসকলৰ ভিতৰত- আৰুণি, ভৃগু, শ্বেতকেতু, নচিকেতা, সত্যকাম, নাভানেদিষ্ঠ, নাৰদ, শৌনক, ইন্দ্ৰ, ভৰদ্বাজ আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। কঠোপনিষদত নচিকেতা নামৰ এটি নাবালকৰ আধ্যাত্মিক জ্ঞানৰ প্ৰতি থকা মৃত্যুৰ ৰহস্য ভেদ কৰাৰ দুৰ্নিবাৰ আকাঙ্খাৰ বৰ্ণনা আছে। গোপথ ব্ৰাহ্মণতো ব্ৰহ্মচাৰী জীৱনৰ বাহ্যিক আৰু আধ্যাত্মিক শিক্ষাৰ বিষয়ে প্ৰয়োজনীয় কথা কিছুমান পোৱা যায়। শতপথব্ৰাহ্মণত শিষ্যই পঢ়িবলগীয়া বিবিধ পাঠ্যক্ৰমৰ এখন বিতং তালিকা পাওঁ। বৈদিক সাহিত্যৰ মন্ত্ৰ, ব্ৰাহ্মণ, আৰণ্যক উপনিষদ আৰু বেদাঙ্গ সমূহেই হৈছে পাঠ্যৰ প্ৰধান বিষয়। বৈদিক শিক্ষাক 'স্বাধ্যায়' বুলিও কোৱা হয়। সায়নাচাৰ্যৰ মতে 'অনুশাসন' শব্দই ছয় বেদাংগক বুজাইছে। শতপথ

ব্রাহ্মণত সর্পবিদ্যা আৰু বিষবিধি, ৰক্ষোবিদ্যা আৰু অসুৰবিদ্যা বা ভূত-ভৱিষ্যত জানিব পৰা আসুৰিক বিদ্যাৰ কথা পোৱা যায়। এই বৈদিক শিক্ষা ব্যৱস্থাৰ শিক্ষা কেন্দ্ৰ আছিল ৰজাসকলৰ ৰাজসভা। স্বনামধন্য বালাকি গার্গ্যকে আদি কৰি বহুতো ডাঙৰ ডাঙৰ পণ্ডিত ৰাজসভাত গোট খাইছিল। ভদ্রসেন, অজাত শত্রু, উদ্দালকৰ সমসাময়িক এজন পণ্ডিত আছিল। আৰু তেওঁৰ হাতত তর্কত পৰাজিত হৈছিল। পূর্বাঞ্চলত বিদেহ ৰাজ্যৰ প্রখ্যাত ৰজা জনকৰ ৰাজসভা আছিল আন এটি শিক্ষাকেন্দ্র। সেই সভাৰ পণ্ডিতসকলৰ ভিতৰত অন্যতম আছিল যাজ্ঞবল্ক্য, শ্বেতকেতু, জিত্বন, শৈলিনি, উদঙ্ক শৌলভায়ন, বুকুর্বার্ষ্ণ, ভৰদ্বাজ আদি অন্যতম আছিল। পাঞ্চাল ৰাজ্যৰ ৰজা প্রবণ জৈবালিৰ ৰাজসভা আন এটি শিক্ষা সংস্কৃতিৰ কেন্দ্র আছিল। কৈকয়ৰ ৰজা অশ্বপতিৰ ৰাজসভা উত্তৰ ভাৰতৰ শিক্ষা সাংস্কৃতিক কেন্দ্র আছিল। বিদগ্ধ পণ্ডিত, উদ্দালক, প্রাচীনশালা, সত্যযজ্ঞ, ইন্দ্রদ্যুম্ন জন আৰু বুঢ়িল আদিয়ে তেওঁৰ চাৰিওফালে আগুৰি আছিল। প্রাচীন কালছোৱাত যজ্ঞ থলীয়েই শিক্ষা মণ্ডপত পৰিণত হৈছিল। তেনে এখন দেশ-বিদেশলৈকে খ্যাতি থকা যজ্ঞ-ভূমি হৈছে নৈমিষাৰণ্য। নৈমিষাৰণ্যৰ ঋষিসকলৰ যজ্ঞোৎসৱৰ কাহিনী, তাত হোৱা বির্তক আলোচনা আদিৰ বিষয়ে কঠ-সংহিতা, পঞ্চবিংশ ব্রাহ্মণ, জৈমিনীয় ব্রাহ্মণ আৰু ব্রাহ্মণত বাৰে বাৰে উল্লেখ আছে। মহাকাব্যৰ যুগত এই নৈমিষাৰণ্যতেই শৌনক মুনিয়ে যজ্ঞ পাতিছিল। বৈশম্পায়নৰ পুত্র সৌতিয়ে যজ্ঞভূমিত সমবেত হোৱা ঋষিসকলৰ আগত সমগ্র মহাভাৰতখন আবৃত্তি কৰি শুনাইছিল। সেই সময়ত গুৰু-শিষ্যৰ সম্বন্ধ বৰ সৌহাদ্যপূর্ণ আৰু মধুৰ আছিল। শিষ্যই গুৰুক পিতৃজ্ঞান কৰিছিল আৰু গুৰুৱে শিষ্যক পুত্রৱৎ মৰম কৰিছিল। বৈদিক যুগৰ ভাৰতীয় শিক্ষা-পদ্ধতিয়ে ছাত্রৰ শাৰীৰিক, নৈতিক, মানসিক আৰু আধ্যাত্মিক প্রভৃতি বিভিন্ন ক্ষেত্রত উৎকর্ষ সাধন কৰিব পাৰিছিল। এইয়া সর্বোতোমুখী শিক্ষা আছিল। সেয়েহে মগজুৰ উন্নতি সধাৰ লগে লগে এজন প্রকৃত মানুহৰূপে গঢ় দিব পাৰিছিল।

জানি থোৱা ভাল

ভাৰতীয় শিক্ষা প্রায় ৫০০০ বছৰ পুৰণি। এই শিক্ষা ব্যৱস্থাটোক প্রায় পাঁচভাগত ভগাব পাৰি।

১৩.৩.২ প্রাচীন ভাৰতৰ শিক্ষানুষ্ঠানসমূহ

প্রাচীন ভাৰতবর্ষত শিক্ষানুষ্ঠানসমূহ বিভিন্নৰূপত পোৱা যায়। ৰাজসভা, মঠ-মন্দিৰ, টোল, গুৰুগৃহ, বিদ্যালয়, মহাবিদ্যালয় বা বিশ্ববিদ্যালয় আদি শিক্ষানুষ্ঠানসমূহৰ বিষয়ে আপোনালোকে এই অধ্যায়টোত জানিব পাৰিব।

১৩.৩.২.১ তক্ষশীলা

প্রাচীন ভাৰতবর্ষৰ শিক্ষাৰ এক গুৰুত্বপূর্ণ কেন্দ্র হ'ল তক্ষশীলা। তক্ষশীলাৰ খ্যাতি দেশ-বিদেশলৈ ব্যাপ্ত হৈছিল। তক্ষশীলা গান্ধাৰ ৰাজ্যৰ গুৰুত্বপূর্ণ ৰাজধানী। ইয়াৰ ইতিহাস অতি প্রাচীন। খ্রীষ্টপূর্ব সপ্তম শতিকাতে শিক্ষাৰ প্রাণকেন্দ্র আছিল তক্ষশীলা। এই ঠাইতেই জন্মেজয়ৰ সর্পযজ্ঞ অনুষ্ঠিত হৈছিল। ইয়ালৈ বহু দূৰ -দূৰণিৰ পৰা শিক্ষার্থীয়ে অধ্যয়নৰ বাবে আহিছিল। বাল্মীকি ৰামায়ণত উল্লেখ কৰা অনুসৰি ৰাজকুমাৰ ভৰতে এখন চহৰ প্রতিষ্ঠা কৰিছিল আৰু তেওঁৰ পুত্র তক্ষকক সেই অঞ্চলৰ শাসক ৰূপে প্রতিষ্ঠা কৰিছিল। তক্ষ নামেৰে এই অঞ্চলৰ নামাকৰণ কৰা হৈছিল বুলিও শুনা যায়। ভৌগলিক পৰিস্থিতি আৰু আর্থিক স্বচ্ছলতাৰ বাবে তক্ষশীলা কেইবাবাৰো বিদেশী শক্তিৰ আক্রমণৰ বলি হ'ব লগা হৈছিল। এই ৰাজনৈতিক পৰিবর্তনৰ ফলত গুৰুকুলৰ শিক্ষা ব্যৱস্থাও

প্রভাৱিত হৈছিল। বর্তমান পাকিস্তানত ৰাৱলপিণ্ডিৰ ওচৰত এই তক্ষশীলা অৱস্থিত। ষষ্ঠ খ্ৰীষ্ট পূর্বতেই পার্ছিয়ানসকলে তক্ষশীলাত আক্রমণ কৰি দখল কৰিছিল। প্রথম অৱস্থাত তক্ষশীলাত সংগঠিত প্রতিষ্ঠান বা বিশ্ববিদ্যালয় নাছিল। তক্ষশীলাত পৰিয়াল ব্যৱস্থাৰে শিক্ষা প্রদান কৰা হৈছিল। হাজাৰজন শিক্ষকে নিজৰ শিষ্যসকলক বাক্তিগতভাৱে শিক্ষা প্রদান কৰিছিল। এই বিশিষ্ট শিক্ষকসলকৰ বাবে এই প্রতিষ্ঠানৰ জনপ্রিয়তা অধিক বৃদ্ধি পাইছিল। এক আন্তজার্তিক প্রতিষ্ঠান হিচাপে পৰিগণিত হৈছিল। শিক্ষকসকলৰ নিজৰ বিষয়ৰ বিশেষ প্রশিক্ষণ শিষ্যসকলক প্রদান কৰিছিল। এই বিশ্ববিদ্যালয়ৰ বর্ণনা জাতকতো পোৱা যায়। জাতকত উল্লেখ কৰা মতে— কাশী, ৰাজগৃহ, মিথিলা, উজ্জয়িনী, কৌশল, মধ্যপ্রান্ত, কুৰু, শিৰি আৰু উত্তৰ প্রান্তৰ ৰাজ্যসমূহৰ পৰা শিক্ষার্থীসকল শিক্ষালাভৰ উদ্দেশ্যে আহিছিল। তক্ষশীলাত নামভর্তিকৰণৰ বয়স আছিল ১৬ বছৰ। তক্ষশীলাত প্রাৰম্ভিক শিক্ষা দিয়াৰ ব্যৱস্থা নাছিল বাবে ইয়াক উচ্চশিক্ষাৰ কেন্দ্রস্থল বুলি অভিহিত কৰিছিল। পিতৃ-মাতৃসকলে নিজ সন্তানক উচ্চ শিক্ষা লাভৰ বাবে তক্ষশীলালৈ পঠোৱাৰ উদাহৰণ আছে। উদাহৰণ স্বৰূপে কাশীৰজাই তেওঁৰ ১৬ বছৰীয়া পুত্রক এযোৰ ফনেতি, গছৰ পাতৰ ছাতি এটা আৰু এহাজাৰ মুদ্রা হাতত দি তক্ষশীলালৈ পঠিয়াইছিল।

তক্ষশীলা বিশ্ববিদ্যালয়ত শিক্ষার্থীসকলে বিভিন্নধৰণৰ পাঠ আহৰণ কৰাৰ সুবিধা পাইছিল। শ্রেণীসমূহত তিনিবেদৰ লগতে অষ্টাদশ কলাৰ শিক্ষা দিয়া হৈছিল। শিক্ষাৰ পাঠ্যক্রমলৈ মন কৰিলে শিক্ষা দুই ধৰণৰ আছিল বুলি ক'ব পাৰি। সাহিত্য সম্পর্কীয় পাঠ্যক্রম আৰু বৈজ্ঞানিক বা যান্ত্রিক বিষয়ৰ পাঠ্যক্রম। সাহিত্য সম্পর্কীয় পাঠ্যক্রমত ঋক-যজু-সাম তিনিখন বেদৰ শিক্ষা দিয়া হৈছিল। কিন্তু জাতকৰ শিক্ষা কালছোৱাত অথর্ববেদ সাধাৰণ শিক্ষাৰ পাঠ্যক্রমত অন্তর্ভুক্ত হোৱা নাছিল। শিক্ষার্থীসকলে বেদ মুখস্ত কৰিব লাগিছিল। তক্ষশীলাৰ এগৰাকী অধ্যাপকৰ অধীনত ৫০০ গৰাকী ব্রাহ্মণক বেদৰ শিক্ষা দিয়া হৈছিল। বোধিসত্বই তিনিখন বেদৰ সকলো অংশই মুখস্থ কৰিছিল। আনহাতে বৈজ্ঞানিক বা যান্ত্রিক পাঠ্যক্রমৰ ভিতৰত ইন্দ্রজালবিদ্যা, ধনুর্বিদ্যা, মৃগয়া বিদ্যা, হস্তীবিদ্যা, মৃতক বা জীৱিত বিদ্যা, ইন্দ্রিয় বশীকৰণ বিদ্যা, জন্তুৰ মাত বুজিব পৰা বিদ্যা, চিকিৎসা বিদ্যা ইত্যাদি উল্লেখযোগ্য। শিক্ষার্থীসকলে ইয়াৰে এটা বিষয় বাছি শিক্ষা আহৰণ কৰি বিষয়টোৰ বিশেষজ্ঞৰূপে পৰিগণিত হৈছিল। তক্ষশীলাত পাঠ্যক্রম সম্বন্ধে পোৱা বর্ণনাৰ পৰা তলৰ বিষয়বোৰ অন্তর্ভুক্ত বুলি ক'ব পাৰি- তিনিবেদ, বেদান্ত, ব্যাকৰণ, আয়ুর্বেদ, অষ্টাদশ কলা, সৈনিক শিক্ষা, কৃষি শিক্ষা, জ্যোতির্বিদ্যা, বাণিজ্য, সর্পবিদ্যা আইন শিক্ষা ইত্যাদি। শিক্ষার্থীসকলে অধ্যয়ন কৰোতে পাঠ্যক্রম নির্বাচনৰ ক্ষেত্রত স্বাধীনতা পাইছিল। চণ্ডালৰ বাহিৰে ধনী-দুখীয়া সকলোৱে অধ্যয়ন কৰিব পাৰিছিল। এবাৰ দুজন চণ্ডালৰ পুত্রই গোপনে অধ্যয়ন কৰি বিজ্ঞ হৈ পৰিছিল। কিন্তু কালক্রমত ধৰা পৰাত শিক্ষালয়ৰ পৰা বহিষ্কৃত হ'ব লগীয়া হৈছিল।

তক্ষশীলা বিশ্ববিদ্যালয়ত অনুশাসন আৰু নিয়মানুবর্ত্তিতা অধিক শক্তিশালী আছিল। পাঠ্য আহৰণৰ সময়ছোৱাত শিক্ষার্থীসকলৰ বাবে কঠোৰ আছিল। অৰণ্যৰ পৰা কাঠ কাটি গুৰুক যোগান ধৰিছিল। বেলেগ বেলেগ জাতি বা বর্ণৰ বাবে শিক্ষালয় বেলেগ বেলেগ আছিল। কোনোবাখন ক্ষত্রিয়সকলৰ বাবে আৰু কোনোবাখন ব্রাহ্মণসকলৰ বাবে আছিল। তাত একেলগে ১০১ জন ৰাজপুত্রই শিক্ষাগ্রহণ কৰিছিল। শিক্ষা আহৰণৰ বাবে কোনো নির্দিষ্ট ধৰা-বন্ধা সময় নাছিল। ইয়াত শিক্ষামূলক ভ্রমণৰ ব্যৱস্থাও আছিল। তক্ষশীলাত শিক্ষালাভৰ বাবে শিক্ষার্থীসকলক নিজ ৰাজ্যৰ ৰজাই বৃত্তিদানৰ ব্যৱস্থাও কৰিছিল। কোনো ৰজাই ৰাজপুত্রৰ লগত যোৱা জনকো বৃত্তি প্রদান কৰিছিল। শিক্ষা আহৰণৰ বাবে পাঠ আৰম্ভণি কৰাৰ আগতে পাৰিতোষিক দিব লাগিছিল। শিক্ষকসকলক প্রতিগৰাকী শিক্ষার্থীয়ে ১০০০ কৈ মুদ্রা দিব লাগিছিল। তক্ষশীলাত গ্রীকভাষাৰো শিক্ষা দিয়া হৈছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তক্ষশীলাত নামভর্তিকৰণৰ বয়স কিমান আছিল?

.....

প্রশ্ন নং ২ ঃ তক্ষশীলাত এগৰাকী শিক্ষকৰ অধীনত কেইজন শিক্ষার্থী আছিল?

.....

১৩.৩.২.২ নালন্দা

বিহাৰৰ ৰাজগড়ৰ পৰা ৭ মাইল উত্তৰে আৰু পাটনাৰ পৰা ৪৩ মাইল দক্ষিণ-পূৱ নিলগত বৌদ্ধসকলৰ শিক্ষানুষ্ঠান নালন্দা অৱস্থিত। প্রথমতে নালন্দা এখন সৰু গাঁও আছিল আৰু পিছলৈ বুদ্ধ ধর্ম আৰু শিক্ষাৰ কেন্দ্রস্বৰূপে গঢ়লৈ উঠিছিল। খ্রীষ্টাব্দ পঞ্চম শতিকাতে এই নালন্দা শিক্ষাৰ প্রাণকেন্দ্র হৈ পৰিছিল। নালন্দা বিশ্ববিদ্যালয় বৌদ্ধ ভিক্ষুসকলৰ দ্বাৰা স্থাপন কৰা হৈছিল। প্রবাদ মতে নালন্দাৰ প্রৱাৰিক অৰণ্যত থাকোতে গৌতম বুদ্ধই ভাষণ প্রদান কৰিছিল। তেওঁৰ এগৰাকী বিশ্বাসী শিষ্য সাৰিপুত্রৰ জন্মস্থান নালন্দা। ইয়াত সম্রাট অশোকে বিহাৰ স্থাপন কৰিছিল। তথ্য অনুসৰি চীনা পৰিব্রাজক হিউৱেন চাঙে সপ্তম শতিকাৰ সময়ছোৱাত অধ্যয়নৰ বাবে নালন্দা বিশ্ববিদ্যালয়লৈ আহিছিল।

হিউৱেন চাঙৰ মতে নালন্দা বিশ্ববিদ্যালয়ত নামভর্তিৰ বাবে প্রৱেশ পৰীক্ষাৰ ব্যৱস্থা আছিল আৰু এই পৰীক্ষা সহজ নাছিল। কেৱল মাত্র ২০% ছাত্রইহে প্রৱেশ পৰীক্ষাত উত্তীর্ণ হৈছিল। বিশ্ববিদ্যালয়ত নামভর্তিৰ নিম্নতম বয়স আছিল ২০ বছৰ। এই বিশ্ববিদ্যালয়ত ছাত্রৰ বাবে থকা-খোৱা ব্যৱস্থা বিনামূলীয়া আছিল। ড° এ. এছ. এলটেকাৰৰ মতে ৭ম শতিকাৰ মাজভাগত এই বিশ্ববিদ্যালয়ত প্রায় ৫ হাজাৰ ছাত্র আছিল। হিউৱেন চাঙৰ সময়ত নালন্দা বিশ্ববিদ্যালয়ত ১৫১০ জন শিক্ষক আছিল। বিশ্ববিদ্যালয়ৰ পাঠ্যক্রম অতি ব্যাপক আছিল। বৌদ্ধ ধর্ম আৰু বৌদ্ধ সাহিত্যৰ বাহিৰেও সেই সময়ত বেদ-বেদান্ত, সাংখ্য, দর্শন, ধর্মশাস্ত্র, পুৰাণ জ্যোতিষ, আয়ুর্বেদ আদি বিষয়ৰ লগতে শাৰীৰিক শিক্ষাও দিয়া হৈছিল। বিভিন্ন বিষয়ত প্রতিদিনে প্রায় ১০০ টা বক্তৃতাৰ ব্যৱস্থা কৰা হৈছিল। প্রতিদিনে শিক্ষকসকলে শিক্ষার্থীসকলক শৈক্ষিক আৰু ব্যৱসায়িক দুয়োধৰণৰ পাঠদান কৰিছিল। নালন্দা বিশ্ববিদ্যালয়ৰ ব্যৱস্থাপনা গণতান্ত্রিক প্রকৃতিৰ আছিল। বিশ্ববিদ্যালয়ৰ বিকাশত ৰজাসকলে পৃষ্ঠপোষকতা কৰিছিল। গুপ্তবংশৰ ৰজাসকলে নালন্দাৰ বিকাশত বিশেষ সহায় কৰিছিল। ৪১৪ খ্রীষ্টাব্দৰ পৰা ৪৪৫ খ্রীষ্টাব্দৰ ভিতৰত ৰজা কুমাৰ গুপ্তই নালন্দাত এটা মঠ নির্মাণ কৰিছিল। পৰৱর্তী পর্যায়ত এই মঠবোৰেই নালন্দাৰ মুখ্যশিক্ষা গৃহ হৈ পৰিছিল। নালন্দা বিশ্ববিদ্যালয়ৰ ঘৰ-দুৱাৰ সুবৃহৎ আছিল। বিশ্ববিদ্যালয়ৰ চাৰিসীমা পকী দেৱালেৰে আবৃত আছিল। ৩০০ টা অধ্যয়ন কক্ষ আৰু ১০ টা পুখুৰীও আছিল। নালান্দা বিশ্ববিদ্যালয়ৰ পুথিভঁৰালটো 'ৰত্নসাগৰ', 'ৰত্নদধি' আৰু 'ৰত্নৰঞ্জক' নামৰ তিনিটা ভাগত বিভক্ত। বিশিষ্ট বুৰঞ্জীবিদ কে. এম. পানিক্কৰে লিখিছিল, 'নালন্দা বিশ্ববিদ্যালয় আন্তর্জাতিক নৈতিক মানদণ্ডৰ শিক্ষাকেন্দ্র আছিল। অধ্যয়নৰ পৰিসৰ ব্যাপক আছিল।

অতীত ভাৰতবর্ষত নালন্দাৰ বিশেষত্ব অপৰিসীম আছিল। এই বিশ্ববিদ্যালয় সুদীর্ঘ ৭০০ বছৰ জুৰি আছিল। এই সময়ছোৱাক নানা দেশী-বিদেশী ছাত্রই শিক্ষা লাভ কৰিবলৈ সমর্থ হৈছিল। চীন, তিব্বত, কোৰিয়া, কোথাৰা, সুমাত্রা, জাভা, সিংহল আদি ঠাইৰ পৰা ছাত্রসকল শিক্ষা লাভৰ অর্থে ইয়ালৈ আহিছিল। হিউৱেন চাং, ফাহিয়ান, আইচোৱাঙ চীনদেশৰ পৰিব্রাজক তিনিওজন এই বিশ্ববিদ্যালয়ৰ ছাত্র আছিল। হিউৱেন চাং ৰ টোকাত চন্দ্রপাল, ধর্মপাল, গুণমতি, প্রভামিত্র, শীলভদ্র আদি বিখ্যাত পণ্ডিতসকলৰ নাম পোৱা যায়। এই বিশ্ববিদ্যালয়ৰ মাধ্যমেৰে ভাৰতবর্ষৰ কৃষ্টি-সংস্কৃতি-ভাস্কর্য্য আদি সর্ব্বজন বিদিত হৈছিল। এইখন এখন আন্তর্জাতিক খ্যাতিসম্পন্ন

বিশ্ববিদ্যালয় বুলি অভিহিত কৰিব পাৰি। ১১ শ শতিকাৰ পৰা এই বিশ্ববিদ্যালয়ৰ পতন আৰম্ভ হৈছিল। ১২ শ শতিকাৰ শেষত বখতিয়াৰ খিলজীৰ আক্ৰমণে নালন্দাৰ ধ্বংস সুনিশ্চিত কৰিছিল। বিশ্ববিদ্যালয়খন ধ্বংস হৈছিল যদিও তাৰ ভাস্কৰ্য্য আৰু কলা-কৌশলে অতীত সভ্যতাৰ নিদৰ্শন আজিও ডাঙি ধৰি আছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ বৌদ্ধ ধৰ্মৰ শিক্ষানুষ্ঠান বুলি প্ৰথমতে কোনখন অনুষ্ঠানে খ্যাতি লাভ কৰিছিল?

.....

প্ৰশ্ন নং ৪ ঃ নালান্দাত কোনে বিহাৰ স্থাপন কৰিছিল?

.....

প্ৰশ্ন নং ৫ ঃ নালান্দা বিশ্ববিদ্যালয়লৈ অহা চীনা পৰিব্ৰাজক এজনৰ নাম লিখা।

.....

প্ৰশ্ন নং ৬ ঃ নালান্দা বিশ্ববিদ্যালয়ৰ পুথিভঁৰালটো কেইটা আৰু কি কি ভাগত বিভক্ত?

.....

১৩.৩.২.৩ বিক্ৰমশীলা

গংগা নদীৰ পাৰৰ উত্তৰ মগধ অঞ্চলত ৮ শতিকাত পালবংশৰ ৰজা ধৰ্মপালে বিক্ৰম শীলাত এখন বিশ্ববিদ্যালয় স্থাপন কৰিছিল। বিক্ৰমশীলাও প্ৰথমে এটা বৌদ্ধমঠহে আছিল। পিছলৈ বিশ্ববিদ্যালয়ৰ ৰূপ লয়। মঠটোৰ কাৰুকাৰ্য অতি মনোৰম। সম্ভৱতঃ বৰ্তমানৰ কাহালগাঁও বা পথাৰমাটি অঞ্চলতেই বিশ্ববিদ্যালয়খন স্থাপন কৰা হৈছিল। এই বিহাৰটোত ১০৮ টা মন্দিৰ আৰু ৬ খন কলেজ আছিল বুলি জাতকত পোৱা যায়। বিক্ৰমশীলাত বিভিন্ন মন্দিৰৰ তত্বাৱধায়ক আৰু আচাৰ্যৰূপে ১০৮ জন পণ্ডিতক নিয়োগ কৰা হৈছিল। সাধাৰণ ব্যৱস্থাপনাৰ অতিৰিক্তভাৱে ৬ জন পণ্ডিতক নিয়োগ কৰা হৈছিল। সৰ্বমুঠ এই বিশ্ববিদ্যালয়ত ১১৪ জন স্থায়ী পণ্ডিত আছিল। তিব্বতৰ বহু সংখ্যক গৱেষকক এই বিশ্ববিদ্যালয়ে আকৰ্ষণ কৰিছিল। এই বিশ্ববিদ্যালয়ৰ এজন বিদগ্ধ পণ্ডিত দীপংকৰে ধৰ্ম প্ৰচাৰৰ বাবে তিব্বতলৈ গৈছিল।

কিছু বছৰ পিছত এই বিশ্ববিদ্যালয়ে ৬ খন কলেজ স্থাপন কৰিছিল। এটা ডাঙৰ গৃহৰ লগত ৬ খন ডাঙৰ দুৱাৰ সংলগ্ন আছিল। ডাঙৰ গৃহটোক 'বিজ্ঞান ভৱন' বোলা হৈছিল। বিশ্ববিদ্যালয়ৰ বেৰত মহান আচাৰ্যসকলৰ ফটো ৰখা হৈছিল। বিক্ৰমশীলা বিশ্ববিদ্যালয়ৰ নামভৰ্তিকৰণ নালন্দাৰ দৰে কঠোৰ আছিল। এই নামভৰ্তিকৰণৰ ব্যৱস্থাটোও ৬ জন দ্বাৰপালকৰ হাতত আছিল। বিশ্ববিদ্যালয়ত পঢ়িবৰ বাবে প্ৰৱেশ পৰীক্ষা দিব লাগিছিল। তেওঁলোকে শিক্ষৰ্থীসকলৰ দক্ষতা, বুদ্ধি, শাৰীৰিক গঠন আদিৰ পৰীক্ষা লৈ উপযুক্ত যেন পালেহে নামভৰ্তি কৰিবলৈ অনুমতি দিছিল। ৯৫৫ খ্ৰীষ্টাব্দৰ পৰা ৯৮৩ খ্ৰীষ্টাব্দলৈ ৬ খন দ্বাৰত থকা পণ্ডিতসকল হ'ল- পূবদুৱাৰত- ৰত্নাকৰ শান্তি, পশ্চিমদ্বাৰত-বাৰাণসীৰ বগীচবৰ ক্ৰীতি, উত্তৰদ্বাৰত- নৰোপ, দক্ষিণদ্বাৰত-প্ৰজাংকৰীমতী, প্ৰথম কেন্দ্ৰদ্বাৰত কাশ্মীৰৰ ৰত্নবজ্ৰ, দ্বিতীয় কেন্দ্ৰদ্বাৰত - গৌড়ৰ জ্ঞানশ্ৰীমিত্ৰ। বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ পৰিসৰ বহুত বহল আছিল। বিষয়বোৰ হৈছে - ব্যাকৰণ, তৰ্কশাস্ত্ৰ, হেতুবিদ্যা, অধিবিদ্যা, তন্ত্ৰ ইত্যাদি। বিক্ৰমশীলা মঠটো মহাজনপন্থ বুদ্ধ আদৰ্শত গঢ় লোৱা বাবে ইয়াত তন্ত্ৰ-মন্ত্ৰৰ শিক্ষাও দিয়া হৈছিল। শিক্ষা সমাপ্তিৰ পিছত উপাধি প্ৰদানৰ ব্যৱস্থাও আছিল।

বিক্ৰমশীলা মঠটোৱে খুব-সোনকালে খ্যাতিসম্পন্ন হৈ উচ্চশিক্ষাৰ কেন্দ্ৰস্থল হিচাপে পৰিগণিত হৈ পৰিছিল। বিক্ৰমশীলাৰ শিক্ষকসকল উচ্চ ক্ষমতাসম্পন্ন পণ্ডিত আৰু দাৰ্শনিক আছিল। বিক্ৰমশীলাৰ খ্যাতি বিদেশ

পর্যন্ত আছিল। পঢ়িবলৈ অহা ছাত্রসকলে বহুবোৰ সংস্কৃত গ্রন্থ তীব্বতীভাষালৈ অনুবাদ কৰিছিল। বিক্রমশীলাক শিক্ষাকেন্দ্রৰ ৰাণী বোলা হয়। সময়ৰ মেৰ-পাকত বাৰশ শতিকাৰ শেষৰফালে আৰু তেৰশ শতিকাৰ আৰম্ভণিতে বখ্তিয়াৰ খিলজীৰ আক্রমণত বিক্রমশীলা বিশ্ববিদ্যালয়ো ধ্বংস হয়। এই কথা 'তবাকৎ-ই-নাচিৰিত' ৰ বিৱৰণত পোৱা যায়। নালন্দাৰ তুলনাত ইয়াত ছাত্রৰ সংখ্যা কম আছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ বিক্রমশীলাৰ বিহাৰটোত কিমানটা মন্দিৰ আৰু কিমানখন মহাবিদ্যালয় আছিল?

.....

প্রশ্ন নং ৮ ঃ বিক্রমশীলা বিশ্ববিদ্যালয়ৰ ডাঙৰ ভৱনটোৰ নাম কি?

.....

প্রশ্ন নং ৯ ঃ আচার্য দীপংকৰক বিক্রমশীলা বিশ্ববিদ্যালয়ত কি পদত নিয়োগ কৰা হৈছিল?

.....

১৩.৩.৩.৪ বাৰাণসী

অতীতৰ শিক্ষাৰ ইতিহাসত বাৰণসীৰ স্থান তক্ষশীলাৰ পিছতে। বৈদিক শিক্ষাৰ অগ্রণী এই শিক্ষানুষ্ঠানখন থকা চহৰখনৰ আধুনিক নাম বাৰাণসী, আগতে এই চহৰখনক বেনাৰস নামে জনা গৈছিল। গংগা নদীৰ পাৰত অনুস্থিত চহৰখনক কাশী নামেৰেও জনা যায়। তক্ষশীলাত শিক্ষা শেষ কৰি আহি কাশীত শিক্ষক হিচাপে প্রতিপন্ন কৰিবলৈ যাওঁতে কাশীও শিক্ষাৰ কেন্দ্র হৈ পৰিছিল। বৈদিক যুগত আর্য্য সংস্কৃতি ভাৰতৰ পশ্চিম প্রান্তৰ মাজতে আৱদ্ধ আছিল। প্রাচীন বৈদিক সাহিত্যত কাশীৰ বিষয়ে একো উল্লেখ নাছিল। ইয়ে ধর্ম আৰু শিক্ষাৰ কেন্দ্র স্বৰূপে এই চহৰে সেই সময়ত পৰিচিতি লাভ কৰিবলৈ সমর্থ হোৱা নাছিল বুলি প্রতিপন্ন কৰে। বৈদিক যুগৰ শেষৰফালে আর্য্য সংস্কৃতি আৰু শিক্ষাৰ কেন্দ্র হিচাপে এই চহৰে জনপ্রিয়তা লাভ কৰিছিল। কাশীৰ ৰজা অজাত শত্রু উপনিষদ সাহিত্যৰ বিদগ্ধ পণ্ডিত আছিল। কাশীৰ পৰা সমগ্র ভাৰতবর্ষত তক্ষশীলাৰ উদাৰ সংস্কৃতি প্রসাৰিত হৈছিল। শিক্ষাৰ কেন্দ্র হিচাপে কাশীৰ বিশেষত্ব এইটোৱে আছিল যে তক্ষশীলাত শিকোৱা বস্তুবোৰ কাশীতো শিকোৱাৰ ব্যৱস্থা কৰা হৈছিল। খ্রীষ্টপূর্ব ৭ ম শতিকাত উত্তৰ ভাৰতৰ শিক্ষাৰ বিখ্যাত কেন্দ্রৰূপে কাশী গঢ় লৈ উঠিছিল। বৈদিক সাহিত্যৰ লগতে ১৮ বিধ কলা- যেনে- চিকিৎসা, ধনুর্বিদ্যা, যুদ্ধবিদ্যা, জ্যোতিষ, শিল্প-বাণিজ্য, কৃষি, ৰথ-চালনা আদি। শিক্ষাৰ লগতে কাশী হিন্দুধর্মৰো কেন্দ্র আছিল।

বাৰাণসীত আনুষ্ঠানিক বা ৰাজহুৱাভাৱে কোনো শিক্ষানুষ্ঠান গঢ় লৈ উঠা নাছিল। ছাত্রসকলে গুৰুগৃহত থাকি শিক্ষা লাভ কৰিছিল। একো একোজন শিক্ষকৰ ওচৰত ৫-৬ জন ছাত্রই বিশিষ্ট বিষয়ত অধ্যয়ন কৰিছিল। বিখ্যাত ব্রাহ্মণ পণ্ডিতসকলে সমবেত হৈ ধর্মচর্চা কৰিছিল। কাশীৰ শিক্ষকেন্দ্রত শিক্ষকৰ তলত ৫০০ জন ছাত্রই শিক্ষা লাভ কৰাৰ বর্ণনা পোৱা যায়। সম্ভৱতঃ এই জনপ্রিয়তাৰ বাবেই কাশীৰ ওচৰৰ পৰা গৌতম বুদ্ধই বৌদ্ধধর্মৰ মূলমন্ত্র প্রচাৰ কৰিছিল। পৰৱর্তী সময়ত সম্রাট অশোকৰ শাসনকালত সাৰনাথ বৌদ্ধধর্মৰ বিখ্যাত কেন্দ্রৰূপে গঢ়ি উঠিছিল। খ্রীষ্টাব্দ ৭ শতিকালৈ ইয়াৰ খ্যাতি চূড়ান্ত সীমাত আছিল। খ্রীষ্টাব্দ ১২ শতিকালৈ বৌদ্ধ ধর্মৰ শিক্ষা আৰু তীর্থস্থান ৰূপে পৰিগণিত হৈছিল। কাশী বৌদ্ধ ধর্মৰ লগতে ব্রাহ্মণ শিক্ষাৰো এক মহৎ কেন্দ্রৰূপে গঢ়ি উঠিছিল। বিখ্যাত আচার্য্য শংকৰাচার্য্যই নিজৰ শিক্ষাদনৰ ক্ষেত্রত কাশীৰ ব্রাহ্মণ পণ্ডিতসকলৰ লগত আলোচনা-বিলোচনা কৰিছিল। খ্রীষ্টাব্দ ১৩ শতিকাত কাশী মুছলমানৰ শাসনাধীন হয়। ধ্বংস কার্য্যৰ গুৰি ধৰিছিল কুতুবুদ্দিন আইজাকে।

পৰৱৰ্তী সময়ত ১৬ শতিকাত কৰ্ণাটকৰ পণ্ডিত পৰিয়ালবোৰে বাৰাণসীৰ শিক্ষা কেন্দ্ৰবোৰ পুনৰ নিৰ্মাণ কৰিছিল। বিশেষকৈ আকবৰ, ছাহজাহান, দাৰাচিকোৰ দৰে সম্ৰাটসকলে বাৰাণসীক সাহায্য দি পুনৰ শিক্ষা -বিস্তাৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১০ ঃ কোনে সাৰনাথত বৌদ্ধ বিহাৰৰ নিৰ্মাণ কৰাইছিল?

.....

প্ৰশ্ন নং ১১ ঃ কিমান চনত কাশী মুছলিমসকলে আক্ৰমণ চলাইছিল?

.....

১৩.৩.২.৫ মিথিলা

মিথিলা ব্ৰাহ্মণিক শিক্ষা ব্যৱস্থাৰ কেন্দ্ৰস্থল। অতীতত মিথিলাক 'বিদেহ' নামেৰে জনা গৈছিল। মিথিলাৰ ৰজা জনক এজন বিচক্ষণ জ্ঞানীলোক আছিল। উপনিষদৰ কালছোৱা দেশ-বিদেশৰ দাৰ্শনিকসকল আহি মিথিলাত লগ হৈছিল। আনহাতে বুদ্ধযুগতো মিথিলাই শিক্ষাৰ কেন্দ্ৰ হিচাপে খ্যাতি লাভ কৰিছিল। মিথিলাৰ বিখ্যাত পণ্ডিত 'জগধ্ধ'ই গীতা, দেৱমহাত্মা, মেঘদূত, গীতগোবিন্দ, মালতী মাধৱ আদিৰ দৰে পুথিবোৰ লিখিছিল। 'বিদ্যাপতি'ৰ দৰে বিখ্যাত কবিজনো মিথিলাতেই জন্মগ্ৰহণ কৰিছিল, যাৰ আদৰ্শত আজিও বিহাৰ আৰু বংগদেশৰ কবিসকল অনুপ্ৰাণিত হৈ আছে। বাৰশ শতিকাৰ আৰম্ভণিৰ পৰা পোন্ধৰ শতাব্দীলৈ মিথিলা ভাৰতীয় সংস্কৃতি আৰু শিক্ষাৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰস্থল হিচাপে চলি আছিল।

মিথিলাৰ পাঠ্যক্ৰমবোৰ বিশেষত্ব আছিল। শিক্ষাৰ পাঠ্যক্ৰমত সাহিত্য-সুকুমাৰ কলা আৰু বিজ্ঞান শিক্ষাৰ বিভিন্ন বিষয় সামৰি লোৱা হৈছিল। সেই সময়তে মিথিলাত এখন আইন মহাবিদ্যালয়ো স্থাপন কৰা হৈছিল। গংগেশ উপাধ্যায় নামৰ পণ্ডিতজনে 'নব্যন্যায়'ৰ এখন বিদ্যালয় স্থাপন কৰিছিল। তেওঁৰ 'তত্ব চিন্তামণি' নামৰ কালজয়ী গ্ৰন্থখনে মিথিলাৰ পৰা বিভিন্ন ধৰণৰ পণ্ডিত সৃষ্টি কৰাত সহায় কৰিছে। শিক্ষাৰ কেন্দ্ৰস্থল শিক্ষা-সংস্কৃতিয়ে গোটেই ভাৰতবৰ্ষতে প্ৰভাৱ পেলাইছিল। মিথিলাৰ খ্যাতি বৰ্তি আছিল ন্যায় আৰু তৰ্কশাস্ত্ৰৰ বাবে। মিথিলাত শিক্ষা সমাপনৰ পিছত পৰীক্ষাৰো ব্যৱস্থা আছিল। পৰীক্ষাটো 'চালক পৰীক্ষা' নামেৰে জনাজাত আছিল। এই পৰীক্ষাত উত্তীৰ্ণ পৰীক্ষাৰ্থীসকলক স্নাতক পদবী দিয়া হৈছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১২ ঃ অতীতত মিথিলাকী কি নামেৰে জনা গৈছিল?

.....

প্ৰশ্ন নং ১৩ ঃ মিথিলাৰ বিখ্যাত কবিজনাৰ নাম কি?

.....

প্ৰশ্ন নং ১৪ ঃ 'তত্ব চিন্তামণি' কাৰ ৰচনা?

.....

প্ৰশ্ন নং ১৫ ঃ মিথিলাত শিক্ষা সমাপনৰ পিছত হোৱা পৰীক্ষাটোৰ নাম কি?

.....

১৩.৩.২.৬ বল্লভী

বুদ্ধশিক্ষা ব্যৱস্থাৰ কেন্দ্রস্থল হিচাপে বল্লভীয়ে খ্যাতি লাভ কৰিছিল। বল্লভী সূর্য্য বংশীয় মৈত্রক ৰজাসকলৰ ৰাজধানী আছিল। ৪৭৫ খ্ৰীষ্টাব্দৰ পৰা ৭৭৫ খ্ৰীষ্টাব্দলৈ মৈত্রিক ৰজাসকলৰ ৰাজত্ব আছিল। নালন্দা এখন পৌৰাণিক নগৰ, যিখন গুজৰাটৰ সৌৰাষ্ট্রত, আৰু পশ্চিম ভাৰতবর্ষৰ ভাৱনগৰৰ কাষত অৱস্থিত। আকৌ এটা সময়ত বল্লভী নালন্দাৰ শত্রুস্থান হিচাপে পৰিগণিত হৈছিল। বল্লভী বা বল্লভী পুৰাত বহুবোৰ মঠ আৰু বিহাৰ গঢ় লৈ উঠিছিল। চীনা পৰিব্রাজক হিউৱেন-চাং ও এটা সময়ত বল্লভীলৈ আহিছিল বুলি তেওঁৰ টোকাত পোৱা যায়। তেওঁৰ টোকা অনুসৰি বল্লভীত প্রায় এশটা সংঘৰাম স্থাপন কৰা হৈছিল। আইছোৱাঙ নামৰ পৰিব্রাজকজনেও তেওঁৰ টোকাত বল্লভীৰ যশস্যাৰ বিষয়ে বর্ণনা কৰিছে। তেওঁৰ মতে, ভাৰতবর্ষৰ পশ্চিমপ্রান্তৰ এই শিক্ষানুষ্ঠানটোলৈ বহু দূৰৈৰ পৰা ছাত্রসকলে অধ্যয়নৰ বাবে আহিছিল। বল্লভীত উচ্চশিক্ষা লাভ কৰি ছাত্রসকলে ভাৰতবর্ষৰ বিভিন্ন স্থানত, গুৰুত্বপূর্ণ পদৰীত অধিষ্ঠিত হৈছিল। বল্লভী শিক্ষাকেন্দ্রত পাঠদানৰ বিষয়বস্তুবোৰ হৈছে- সাহিত্য, আইন, অর্থশাস্ত্র, ৰাজনীতি, চিকিৎসাবিজ্ঞান, বার্তা (বাণিজ্য আৰু কৃষি) বিদ্যা আদি। নালন্দাৰ দৰে বল্লভী বিশ্ববিদ্যালয়েও ৰাজকীয় পোষকতা লাভ কৰিছিল। ইয়াত অধ্যয়ন কৰা ছাত্রৰ সংখ্যা প্রায় ৬০০০ জন আছিল। ইয়াত থকা হিচাপ বিদ্যাৰ শিক্ষা বৰ গুৰুত্বপূর্ণ। বল্লভী 'হিনয়ান' বুদ্ধ আদর্শৰ কেন্দ্রবিন্দু আছিল। হিনয়ান বুদ্ধ আদর্শৰ মাধ্যমেৰে বল্লভীৰ শিক্ষা সম্প্রসাৰণ হৈছিল। সপ্তম শতাব্দীত বল্লভীয়ে শিক্ষাৰ ক্ষেত্রত বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। বল্লভী বিখ্যাত সাগৰীয় বাণিজ্যৰ কেন্দ্র স্থলো আছিল। ইয়াত বহুতো বিখ্যাত ধনী সদাগৰ আৰু ধনীলোক আছিল, যিসকলে শিক্ষাৰ পোষকতাও কৰিছিল। দ্বাদশ শতিকাৰ শেষভাগত বল্লভী শিক্ষাকেন্দ্রৰ পতন হয় আৰু ওচৰে-পাজৰে নতুন শিক্ষানুষ্ঠান গঢ়ি উঠে। গুণমতি আৰু স্থিৰমতি দুজন বিখ্যাত পণ্ডিত আছিল, যি এই বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৬ ঃ বল্লভী কাৰ ৰাজধানী আছিল?

.....

প্রশ্ন নং ১৭ ঃ বল্লভীত কেইটা সংঘৰাম স্থাপন হৈছিল?

.....

১৩.৩.২.৭ নদিয়া বা নৱদ্বীপ

এঘাৰ শতিকাত নদিয়া বা নৱদ্বীপ নামৰ শিক্ষাকেন্দ্রটো বংগদেশৰ চেনবংশৰ ৰজাসকলে স্থাপন কৰিছিল। ভাৰতবর্ষৰ পশ্চিমবংগৰ নদীয়া ভাগীৰথী আৰু জলাংগী নদীৰ সংগমত অৱস্থিত নদীয়া আছিল। চৈতন্য মহাপ্রভুৰ জন্মস্থান আৰু হিন্দুসকলৰ পৰিত্র তীর্থস্থান। ৰাসমহোৎসৱ ইয়াৰ ডাঙৰ অনুষ্ঠান সংস্কৃত। হুগলী নদীৰ পশ্চিম দিশত থকা এই অনুস্থান সংস্কৃত শিক্ষাৰ কেন্দ্র আছিল। এই ঠাই প্রাকৃতিক সৌন্দর্য্যৰে ভৰপূৰ। সময়ে সময়ে ইয়াৰ পৰা বহু পণ্ডিতৰ সৃষ্টি হৈছিল। জয়দেৱৰ গীত-গোবিন্দৰ সুৰ আজিও সেই অঞ্চলৰ লোকৰ কাণত বাজি আছে। শূলপাণিয়ে লিখা 'স্মৃতিবিবেক' আৰু 'উমাপতী'ৰ সৃষ্ট কবিতাবোৰ নদিয়াৰ বিখ্যাত কর্ম। মুছলমান ৰজাসকলৰ ৰাজত্বকালতো নদিয়া উল্লেখযোগ্য শিক্ষাৰ কেন্দ্রস্থল হিচাপে বর্তি আছিল। 'নব্যন্যায়'ৰ চর্চা নদীয়াৰ বিশেষত্ব আছিল নৱদ্বীপৰ শিক্ষা কেন্দ্রত। পাঠ্যক্রমৰ অন্তর্গত বিষয়সমূহ হৈছে - তর্কশাস্ত্র, ব্যাকৰণ, ৰাজনীতি আৰু আইন।

নালন্দা আৰু বিক্ৰমশীলা বিশ্ববিদ্যালয় ধ্বংস হোৱা বাবে নদিয়া সেইসময়ত বিখ্যাত হৈ পৰিছিল। নদিয়াত এখন তৰ্কশাস্ত্ৰৰ বিদ্যালয়ো আছিল। এই বিদ্যালয়খনৰ লগত ৰঘুনাথ শিৰোমণি নামৰ ব্যক্তিজন জড়িত আছিল। 'বাসুদেৰ সাৰ্বভৌম' নামৰ ছাত্ৰজনৰ খ্যাতি সেইসময়ত ফাটি ফুটি গৈছিল। নদিয়াত ন্যায় শাস্ত্ৰৰ নতুন ধাৰা উদ্ভৱ হৈছিল।

নদিয়াৰ শিক্ষাই ভাৰতবৰ্ষৰ শিক্ষা আৰু সংস্কৃতিৰ ক্ষেত্ৰত যথেষ্ট অৱদান আগবঢ়াই থৈ গৈছে। মধ্যযুগতো নদিয়াৰ মানদণ্ড হ্ৰাস হোৱা নাছিল। বৰ্ত্তমান সময়তো 'টোল' নামৰ শিক্ষানুষ্ঠানৰ মাধ্যমেৰে ব্ৰাহ্মণসকলক শিক্ষাদানৰ ব্যৱস্থা আছে। ১৮৩৫ চনত ৪৬ খন শিক্ষানুষ্ঠানত ৩৮০ জন শিক্ষাৰ্থী আছিল। এনেদৰে নদীয়াৰ শিক্ষাৰ ইতিহাসত গুৰুত্ব অধিক।

১৩.৩.২.৮ জগদ্দলা

অতীত ভাৰতৰ শিক্ষাৰ ইতিহাসত আমি জগদ্দলা নামৰ শিক্ষানুষ্ঠান পাওঁ। এঘাৰ শতিকাৰ আৰম্ভণিতে বংগদেশৰ পালবংশৰ ৰজা ৰামপালে 'জগদ্দলা' নামৰ এটা বৌদ্ধমঠ স্থাপন কৰিছিল। এই মঠটো জগদ্দলা শিক্ষাৰ কেন্দ্ৰ বুলি জনা যায়। এশ বছৰ ধৰি এই মঠটো বুদ্ধশিক্ষাৰ কেন্দ্ৰ হৈ পৰিছিল। ১২০৩ খ্ৰীষ্টাব্দত মুছলমানসকলে এই মঠটো ধ্বংস কৰি পেলায়। সুদূৰ তিব্বতৰ পৰা জগদ্দলালৈ শিক্ষালাভৰ অৰ্থে ছাত্ৰসকল আহিছিল। তেওঁলোকে সংস্কৃত পুথিসমূহ অনুবাদ কৰিছিল। জগদ্দলাৰ শিক্ষকসকলক তিনিটা ভাগত ভগোৱা হৈছিল। তেওঁলোক হ'ল মহাপণ্ডিত উপাধ্যায় আৰু আচাৰ্য্য। শিক্ষকসকলৰ ভিতৰত বিভূতিচন্দ্ৰ, দানশীল, শুভকাৰক আৰু সহকাৰগুপ্ত বিশেষভাৱে খ্যাতিসম্পন্ন শিক্ষক আছিল। জগদ্দলা শিক্ষাকেন্দ্ৰ 'তন্ত্ৰশাস্ত্ৰ' আৰু তৰ্কশাস্ত্ৰ বাবে বিখ্যাত আছিল। 'জ্ঞানচক্ষুঃ সাধনা' বিভূতিচন্দ্ৰৰ ৰচনা।

১৩.৩.২.৯ উদান্তপুৰী বিশ্ববিদ্যালয়

উদান্তপুৰী বা উদান্তপুৰা এখন বিখ্যাত বৌদ্ধ মহাবিহাৰ, যিখন বিহাৰত অৱস্থিত। অষ্টম শতিকাত পালবংশৰ গোপাল- ১ এ এই বিশ্ববিদ্যালয় স্থাপন কৰা বুলি বিশ্বাস আছে। ভাৰতবৰ্ষৰ নালন্দাৰ পিছতে এইখন বৌদ্ধবিহাৰ অতি পুৰণি। লিপিসমূহৰ পৰাও অনুমান কৰিব পাৰি যে এই মহাবিহাৰখন স্থানীয় বৌদ্ধ ৰজা যেনে- বুদ্ধগয়াৰ পিথিপথিয়ে সমৰ্থন কৰিছিল। এই বিশ্ববিদ্যালয়ৰ এটি অতি বৃহৎ পুথিভঁড়াল আছিল। সেই পুথিভঁড়ালত বুদ্ধৰ আদৰ্শৰ আৰু বেদৰ সহস্ৰ কিতাপ আছিল। শিক্ষাৰ ক্ষেত্ৰত নালন্দা আৰু বিক্ৰমশীলাৰ দৰে এইখন বিশ্ববিদ্যালয়ে ইমান খ্যাতি লাভ কৰিব পৰা নাছিল। উদান্তপুৰী বিশ্ববিদ্যালয়ৰ ১০০০ জন ভিক্ষুক আৰু আৱাসিক শিক্ষাৰ্থীয়ে আৱাসিক পদ্ধতিৰে শিক্ষা লাভ কৰিছিল। উদান্তপুৰীৰ মঠটো প্ৰথম বুদ্ধ মঠৰ আৰ্হিত গঢ়ি তোলা হৈছিল। এইখন বিশ্ববিদ্যালয়ো ১২০০ শতিকাৰ শেষৰফালে বখ্তিয়াৰ খিলজীয়ে ধ্বংস কৰিছিল।

১৩.৩.২.১০ বিভিন্ন মন্দিৰ মহাবিদ্যালয়

সালোত্গি মন্দিৰ মহাবিদ্যালয় ঃ ভাৰতবৰ্ষৰ কৰ্ণাটকৰ বীজপুৰ জিলাৰ 'সালোত্গি' এখন গাঁও। এইখন গাঁৱত দশমৰ পৰা একাদশ শতিকাত সংস্কৃত মহাবিদ্যালয় এখন স্থাপিত হৈছিল। এই ঠাইখনৰ প্ৰকৃত নাম আছিল 'পাৰিত্তাগে'। এই ঠাইত উপলব্ধ এখন শিলালিপি অনুসৰি মহাবিদ্যালয়খন এটা ডাঙৰ কোঠালীত অৱস্থিত, যিটো ৰাষ্ট্ৰকুটৰ ৰজা কৃষ্ণ তিনিৰ মন্ত্ৰী নাৰায়ণে বনোৱা 'ত্ৰয়ী পুৰুষ'ৰ মন্দিৰৰ লগত সংলগ্ন। ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ পৰা এই ঠাইলৈ অধ্যয়নৰ বাবে ছাত্ৰসকল আহিছিল। ইয়াত কিমানজন ছাত্ৰ আছিল গম পোৱা নাযায় যদিও

ছাত্রসকলৰ থকাৰ বাবে ২৭টা ঘৰ আছিল। এই অনুষ্ঠানত অতি কমেও ২০০ জন ছাত্রক খাদ্য আৰু শিক্ষা দিয়াৰ ব্যৱস্থা আছিল। শিলালিপিত অধ্যক্ষৰ মাননীৰ কথা উল্লেখ আছে যদিও বাকী শিক্ষকসকলৰ বেতনৰ বিষয়ে কোনো উল্লেখ নাই।

এই অনুষ্ঠানখনৰ প্রতি স্থানীয় বাসিন্দাসকলে সহায়ৰ হাত আগবঢ়াইছিল। প্রতিখন বিয়াতে এই শিক্ষানুষ্ঠানৰ প্রতি পাঁচটাকৈ মুদ্রা, প্রতিখন উপনয়নতে আঢ়ৈ টাকৈ মুদ্রাৰ বৰঙনি আগবঢ়াইছিল। ইয়াৰ উপৰিও যেতিয়া গাঁৱত কিবা সবাহ অনুষ্ঠিত হৈছিল তালৈ যিমান পাৰে ছাত্রসকল আৰু শিক্ষকসকলক নিমন্ত্রণ কৰিছিল। ৯৪৫ খ্রীষ্টাব্দত নির্মিত এই ভৱন পৰৱর্তী শতিকাত ধ্বংস হৈছিল। পিছত স্থানীয়লোকসকলে এই ভৱন আকৌ নির্মাণ কৰিছিল। শিলালিপিৰ পৰা মহাবিদ্যালয়খনৰ পাঠ্যক্রমৰ বিষয়ে একো গম পোৱা নাযায় যদিও এইখন বৈদিক মহাবিদ্যালয় আছিল।

এন্নায়িৰম্ মন্দিৰ মহাবিদ্যালয় ঃ 'এন্নায়িৰম্' তামিলনাদুৰ বিল্লুপুৰম জিলাৰ বিক্রুনন্দী গাঁৱত অৱস্থিত।১১ শতিকাৰ আৰম্ভণিতে ভালদৰে পৰিচালিত 'এন্নায়িৰম্ মহাবিদ্যালয়ত প্রায় ৩০০ একৰ মাটি আছিল। বিনামূলীয়া শিক্ষাব্যৱস্থাৰ লগতে থকা-খোৱা ব্যৱস্থা আছিল। প্রায় প্রতিটো বিষয়তে নির্দ্ধাৰিত আসন আছিল। ৭৫ খন আসন ঋক্বেদৰ বাবে, ৭৫ খন আসন কৃষ্ণ যজুর্বেদ,২০ খন ছান্দোগ্য আৰু সামবেদৰ বাবে, ২০ খন তাচাৰ, ২০ খন শুক্ল যজুর্বেদ আৰু ১০ খন অর্থববেদৰ বাবে নির্দ্ধাৰিত আসন আছিল। ১০ খন আসন বুদ্ধযান গৃহ্যসূত্রৰ বাবে, ৪০ খন ৰূপাৱতাৰ, ২৫ খন ব্যাকৰণ, ৩৫ খন প্রভাকৰ মীমাংসা আৰু ১০ খন বেদান্তৰ বাবে আসন আছিল। প্রত্যেক ছাত্রই ব্যক্তিগত যত্ন আৰু গুৰুত্ব লাভ কৰিছিল। শিলালিপিত উল্লেখ কৰা অনুযায়ী সকলো ছাত্রই প্রতিদিনে খোৱা আহাৰো লাভ কৰিছিল। মীমাংসা বেদান্ত আৰু ব্যাকৰণৰ ছাত্রসকলে বেদৰ ছাত্রসকলতকৈ ৬৬% বেছি অনুদান লাভ কৰিছিল। এই অনুষ্ঠানখন নিয়মিতভাৱে আধুনিক ধৰণে গঢ় লৈ উঠে আৰু ১৩ জন শিক্ষকে বেলেগ বেলেগ পাঠ্যক্রমত পাঠদান কৰে। কিন্তু শিলালিপিৰ পৰা পাঠ্যক্রমৰ সময়, বন্ধ আদি গম পোৱা নাযায়।

তিৰুমুক্কুদল মন্দিৰ মহাবিদ্যালয় ঃ ভেঙ্কটেশ পেৰুমল মন্দিৰ চিংগলপুট জিলাৰ তিৰুমুক্কুদলত অৱস্থিত। ১০৬৮ চনৰ শিলালিপিত উল্লেখ কৰামতে এখন মহাবিদ্যালয়খন সৰু অনুষ্ঠান, য'ত কেৱল ৬০ জন ছাত্রৰ সকলো ব্যৱস্থা আছে। এই ৬০ খন আসনৰ ১০ খন ঋক্বেদৰ, ১০ খন যজুর্বেদৰ, ২০ ব্যাকৰণ, ১০ খন পঞ্চৰাত্র পদ্ধতিৰ, ৩ খন শিৱাগমৰ আৰু ৭ খন বানপ্রস্থৰ আৰু সন্যাসীসকলৰ বাবে সংৰক্ষিত। এন্নায়িৰম মহাবিদ্যালয়তকৈ এইখন মহাবিদ্যালয়ত শিক্ষকসকলৰ বেতন কম আছিল। বেদৰ শিক্ষকসকল অংশকালীন শিক্ষক আছিল।

তিৰুবৰিয়ুৰ মন্দিৰ মহাবিদ্যালয় ঃ তেৰ শতিকাৰ শেষৰ পিনে ছিংলেপুট জিলাৰ তিৰুবৰিয়ুৰত এখন ব্যাকৰণৰ মহাবিদ্যালয় আছিল। দুর্ভাগ্যক্রমে এই মহাবিদ্যালয়খনৰ তথ্য এতিয়াও সঠিক ৰূপত পোৱা নাযায়। ১৯১২ চনত প্রকাশ হোৱা পাঠ উদ্ধাৰ তথ্যৰ পৰা গম পোৱা যায় যে মহাবিদ্যালয়খন স্থানীয় শিৱ মন্দিৰৰ লগত সংলগ্ন এটা বৃহৎ কক্ষত অৱস্থিত আছিল। ভগৱান শিৱই এই মন্দিৰটোত আৱির্ভাৱ হয় বুলি স্থানীয় মত শুনা যায়। এন্নায়িৰম মহাবিদ্যালয়তকৈ এইখন মহাবিদ্যালয় অত্যন্ত ডাঙৰ শিক্ষানুষ্ঠান আছিল। ইয়াত ৩৪০ জন ছাত্রৰ থকাৰ ব্যৱস্থা আছিল। শিক্ষক- শিক্ষয়িত্রীৰ সংখ্যা ২০ ৰ পৰা ২৫ জন মান আছিল।

মালকপুৰম মন্দিৰ মহাবিদ্যালয় ঃ ১২৬৮ খ্রীষ্টাব্দত গুণ্টৰ জিলাত মলকা পুৰমত উপলব্ধ শিলালিপিত আন এটা মন্দিৰ, মহাবিদ্যালয়, ছাত্রাবাস আৰু চিকিৎসালয়ৰ অৱস্থিতি গম পোৱা যায়। এই শিলালিপিৰ পৰা উদ্ধাৰ হোৱা পাঠৰ পৰা মন্দিৰ আৰু অনুষ্ঠানৰ বিষয়ে তথ্য পোৱা যায়। এই মহাবিদ্যালয়ত মুঠ আঠজন শিক্ষক, তাৰে তিনিজন বৈদিক শাখাৰ বাবে আৰু বাকী পাঁচজন শিক্ষক, ব্যাকৰণ, সাহিত্য, তর্ক আৰু আগমৰ বাবে আছিল। চিকিৎসক এজন চিকিৎসালয়ৰ দায়িত্বত আছিল। দক্ষিণ ভাৰতৰ মহাবিদ্যালয়সমূহত প্রতি এজন শিক্ষকৰ অধীনত ২০ জনকৈ ছাত্র আছিল। মালকপুৰম্ মহাবিদ্যালয়ত সম্ভৱতঃ ১৫০ জন ছাত্র আছিল। এই অনুষ্ঠানত

বিনামুলীয়া আহাৰ, থকাৰ ব্যৱস্থা আৰু শিক্ষা প্ৰদান কৰা হৈছিল।

পৌৰাণিক ভাৰতবৰ্ষত বৌদ্ধ-মঠ, মন্দিৰ, টোল, গাওঁ আদি ঠাইতে শিক্ষানুষ্ঠানসমূহ গঢ় লৈ উঠিছিল। পৰৱৰ্তী সময়ত মুছলিমসকলে ভাৰতবৰ্ষ আক্ৰমণ কৰি বহু শিক্ষানুষ্ঠান ধ্বংস কৰিছিল।

১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- প্ৰাচীন ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থা কেনে আছিল সেইবিষয়ে জানিলো।
- প্ৰাচীন ভাৰতৰ শিক্ষানুষ্ঠান তক্ষশীলাৰ বিষয়ে জানিলা।
- নালান্দা বিশ্ববিদ্যালয়, বিক্ৰমশীলা, মিথিলা, বল্লভী আদি বৌদ্ধ শিক্ষানুষ্ঠানসমূহৰ বিষয়েও জানিব পাৰিলো।
- এই শিক্ষানুষ্ঠানত অধ্যয়ন কৰা বিদগ্ধ পণ্ডিতসকলৰো কিছু পৰিচয় পালো।
- শিক্ষানুষ্ঠানসমূহৰ এটা সময়ত হোৱা ধ্বংসৰ বিষয়েও জানিব পাৰিলো।

১৩.৫ অধিক জানিবলৈ

১) Altekar A. S. 'Education in Ancient India', Delhi, Isha Books, 1934.

২) কলিতা ড° উৎপল আৰু চহৰীয় ড° সোণালী বৰা, 'ভাৰতবৰ্ষত শিক্ষাৰ বিকাশ- ১' ডিব্ৰুগড়, তুষাৰ পাব্লিকেছনছ, ২০২০।

৩) কুমাৰ কৃষ্ণ, 'প্ৰাচীন ভাৰত কী শিক্ষা পদ্ধতি', নতুন দিল্লী, শ্ৰীসৰস্বতী সদন, ১৯৯৯।

৪) ডেকা ড° বীৰেন্দ্ৰ, ডেকা ড° কন্দৰ্পকুমাৰ আদি, 'ভাৰতৰ শিক্ষাৰ ইতিহাস', পানবজাৰ, অশোক বুক ষ্টল, ২০২২।

১৩.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ তক্ষশীলাত নামভৰ্তিকৰণৰ বয়স ১৬ বছৰ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ তক্ষশীলাত এগৰাকী শিক্ষকৰ অধীনত ৫০০ জন শিক্ষাৰ্থী আছিল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বৌদ্ধ ধৰ্মৰ শিক্ষানুষ্ঠান বুলি প্ৰথমতে নালন্দাই খ্যাতি লাভ কৰিছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নালন্দাত সম্ৰাট অশোকে বিহাৰ স্থাপন কৰিছিল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ নালন্দা বিশ্ববিদ্যালয়লৈ অহা চীনা পৰিব্ৰাজক এজনৰ নাম হৈছে হিউ-ৱেন- ছাং।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ নালন্দা বিশ্ববিদ্যালয়ৰ পুথিভঁৰালটো 'ৰত্নসাগৰ', 'ৰত্নদধি' আৰু 'ৰত্নৰঞ্জক' নামেৰে তিনিটা ভাগত বিভক্ত।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ বিক্ৰমশীলাৰ বিহাৰটোত ১০৮ টা মন্দিৰ আৰু ৬ খন মহাবিদ্যালয় আছিল।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ বিক্ৰমশীলা বিশ্ববিদ্যালয়ৰ ডাঙৰ ভৱনটোৰ নাম 'বিজ্ঞান ভৱন'।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ আচাৰ্য্য দীপংকৰক বিক্ৰমশীলা বিশ্ববিদ্যালয়ত 'মহাস্থৱিৰ' পদত নিয়োগ কৰা হৈছিল।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ সম্ৰাট অশোকে সাৰনাথত বৌদ্ধবিহাৰৰ নিৰ্মাণ কৰাইছিল।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ ১২০০ খ্ৰীষ্টাব্দত কাশীত মুছলিমসকলে আক্ৰমণ চলাইছিল।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ অতীতত মিথিলাক 'বিদেহ' নামেৰে জনা গৈছিল।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ মিথিলাৰ বিখ্যাত কবিজনাৰ নাম 'বিদ্যাপতি'।

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ 'তত্বচিন্তামণি' গংগেশ উপাধ্যায়ৰ ৰচনা।

১৫ নং প্ৰশ্নৰ উত্তৰ ঃ মিথিলাত শিক্ষা সমাপনৰ পিছত হোৱা পৰীক্ষাটোৰ নাম 'চালক পৰীক্ষা'।

১৬ নং প্ৰশ্নৰ উত্তৰ ঃ 'বল্লভী' সূৰ্য্যবংশীয় মৈত্রকৰজাসকলৰ ৰাজধানী আছিল।

১৭ নং প্ৰশ্নৰ উত্তৰ ঃ 'বল্লভী'ত প্ৰায় এশটা সংঘৰাম স্থাপন হৈছিল।

? ১৩.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অতীতৰ ভাৰতবৰ্ষৰ শিক্ষাব্যস্থাক মূল কেন্দ্রস্থল সমূহৰ বিষয়ে লিখক। (৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ২ ঃ প্ৰাচীন ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ হিন্দু শিক্ষাৰ কেন্দ্রবোৰৰ বিষয়ে লিখক। (১৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ৩ ঃ প্ৰাচীন ভাৰতৰ বুদ্ধশিক্ষাৰ মূলকেন্দ্র সমূহৰ বিষয়ে লিখক। (৩০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ৪ ঃ চমুটোকা লিখক ঃ

ক) তক্ষশীলা খ) নালন্দা গ) বিক্রমশীলা

ঘ) নদীয়া ঙ) মিথিলা চ) বল্লভী

ছ) বাৰাণসী জ) উদান্তপুৰী

*** ***** ***

অধ্যায় ১৪ঃ শ্রীমদ্ভগৱদ্‌গীতাত ব্যক্তিত্ব বিকাশ

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ গ্রন্থ পৰিচয়
১৪.৪ ব্যক্তিত্বৰ ধাৰণা আৰু সংজ্ঞা
১৪.৫ ব্যক্তিৰ শব্দৰ তাৎপর্য্য
১৪.৬ ব্যক্তিত্ব বিকাশত সহায় কৰা দিশসমূহ
১৪.৭ ব্যক্তিত্ব বিকাশত গীতাৰ ভূমিকা
১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৯ অধিক জানিবলৈ
১৪.১০ অগ্রগতিৰ খতিয়ান
১৪.১১ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- শ্রীমদ্ভগৱদ্‌গীতাৰ চমু পৰিচয় জানিব পাৰিব।
- ব্যক্তিত্বৰ ধাৰণা আৰু সংজ্ঞাৰ বিষয়ে অৱগত হ'ব পাৰিব।
- ব্যক্তিত্ব শব্দৰ তাৎপর্য্য জানিব পাৰিব।
- ব্যক্তিত্ব বিকাশত সহায় কৰা দিশসমূহ জানিব পাৰিব।
- ব্যক্তিত্ব বিকাশত গীতাৰ ভূমিকাৰ বিষয়ে অৱগত হ'ব পাৰিব।

১৪.২ পৰিচয়

ব্যক্তিত্ব হৈছে এক জটিল ধাৰণা। এজন মানুহৰ শৰীৰৰ গঠন, আচৰণ প্রকৃতি, বিভিন্ন দিশত থকা প্রৱণতা, আগ্রহ, মনোভাৱ, বৌদ্ধিক সামর্থ আদি বিভিন্ন লক্ষণসমূহ একত্রিত হোৱা ধাৰণাটোৱেই হৈছে ব্যক্তিত্ব। ব্যক্তিত্ব হৈছে মানুহৰ অপৰিহার্য আৰু পৃথকতা সূচক বৈশিষ্ট্য। জন্মৰ সময়তে কোনো ব্যক্তিয়ে ব্যক্তিত্ব লৈ জন্মগ্রহণ নকৰে। ব্যক্তিৰ বহুমুখী প্রচেষ্টা তথা পৰিবেশৰ বিভিন্ন শক্তিৰ মাজত সংঘটিত হোৱা ক্রিয়া-প্রতিক্রিয়াৰ পৰাই ব্যক্তিৰ ব্যক্তিত্ব গঢ় লৈ উঠে। ব্যক্তিত্বৰ বিকাশত প্রধানকৈ শাৰীৰিক তথা মানসিক প্রক্রিয়াই সহায় কৰে যদিও ইয়াৰ লগত অন্যান্য আনুষঙ্গিক প্রক্রিয়া কিছুমানো জড়িত হৈ থাকে। শাৰীৰিক তথা মানসিক বিকাশৰ বিভিন্ন স্তৰ বিলাকৰ মাজত সমন্বয় ঘটি ঘটি ব্যক্তিত্ব বিকাশ হ'বলৈ ধৰে।

শ্রীমদ্ভগৱদ্‌গীতা নামৰ অমূল্য গ্রন্থখনত সমগ্র ভাৰতীয় দর্শন তথা আদর্শৰ প্রতিচ্ছবি পোৱা যায়। যুদ্ধক্ষেত্রত বিপৰীত পক্ষত পূজনীয় লোকসকলক দেখি হতাশাগ্রস্ত হৈ পৰা অর্জুনক যুদ্ধৰ প্রতি আকৃষ্ট কৰাবলৈ ভগৱান শ্রীকৃষ্ণই অর্জুনৰ বাবে যি অমৃতময় বাণী উচ্চাৰণ কৰিলে সেই বাণীয়ে যুগ যুগ ধৰি মানুহৰ মনত উত্থাপিত হোৱা

প্রশ্নৰ সমাধান হিচাপে ৰৈ গ'ল। বিভিন্ন প্রশ্নৰ সমাধানৰ লগতে ব্যক্তিৰ ব্যক্তিত্ব কেনেদৰে বিকাশপ্রাপ্ত হয় তাৰো সমাধান এই অমূল্য গ্রন্থখনতে নিহিত হৈ আছে। আলোচ্য অধ্যায়টিত আপুনি ব্যক্তিত্ব শব্দৰ তাৎপর্য, ব্যক্তিত্ব বিকাশত সহায় কৰা বিভিন্ন দিশ তথা ব্যক্তিত্ব বিকাশত গীতাৰ ভূমিকাৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব।

১৪.৩ গ্রন্থ পৰিচয়

গ্রন্থ পৰিচয় বুলি কওঁতে ইয়াত শ্রীমদ্ভগৱদ্‌গীতাৰ কথা কোৱা হৈছে। শ্রীমদ্ভগৱদ্‌গীতাক চমুকৈ গীতা বুলি কোৱা হয়। প্রকৃততে গীতাৰ সম্পূর্ণ নাম শ্রীমদ্ভগৱদ্‌গীতোপৰিষদ। গীতা কোনো ধর্মগ্রন্থ নহয়। বেদ, পুৰাণ, ঈশ্বৰবাদ, সাংখ্য, যোগদর্শনৰ প্রতিপাদ্য বিষয়সমূহ সুসংহত ৰূপত গীতাত প্রতিফলিত হোৱা দেখা যায়।

গীতাক মহাভাৰতৰ অংশ বুলি কোৱা হয়। ইয়াত ১৮ টা অধ্যায়, ৭০০ টা শ্লোক আছে। মহাভাৰতৰ ভীষ্মপর্বৰ ১৮ টা পৰিচ্ছেদেই (২৩-৪০) হ'ল গীতাৰ ১৮ টা অধ্যায়। গীতা কৃষ্ণ আৰু অর্জুনৰ কথোপকথন। যুদ্ধ কৰিবলৈ অর্জুনক উদ্বুদ্ধ কৰাৰ উদ্দেশ্য শ্রীকৃষ্ণই অর্জুনক বিভিন্ন বুজনি তথা উপদেশ দিছিল। শ্রীকৃষ্ণৰ প্রতি অর্জুনৰ বিভিন্ন প্রশ্ন, শ্রীকৃষ্ণৰ উত্তৰ, সঞ্জয়ৰ প্রতি ধৃতৰাষ্ট্রৰ প্রশ্ন, সঞ্জয়ৰ উত্তৰ এনেদৰে প্রশ্নোত্তৰৰ মাজেদি গীতাৰ বিষয়বস্তুৰ সমাপ্তি ঘটিছে। এনেধৰণে মানৱজাতিৰ সকলোপ্রকাৰৰ সমস্যাৰ সমাধান গীতাত প্রতিফলিত হৈছে। গীতাত আধ্যাত্মিক সত্য প্রতিফলিত হৈছে। এই আধ্যাত্মিক সত্যক উপলব্ধি কৰিব বিচৰা ব্যক্তিয়ে কঠোৰ সাধনা কৰিবই লাগিব। গুৰু শিষ্যৰ একাত্মবোধো ইয়াত প্রতিফলিত হৈছে। তদুপৰি গীতাৰ আসক্তিশূণ্য কর্মযোগে যুগে যুগে বহুতো ব্যক্তিক আকর্ষিত কৰি আহিছে।

গীতাৰ ৰচনাকাল সম্পর্কে বিভিন্ন মত পোৱা যায়। কিছুমানৰ মতে খৃঃপূঃ ২ য় শতিকা, কিছুমানৰ মতে খ্রীষ্টাব্দ ২ য় শতিকা। অৱশ্যে পণ্ডিত ডº ৰাধাকৃষ্ণণৰ মত উল্লেখযোগ্য। তেখেতৰ মতে খৃঃ পূঃ ৫ম শতিকাত গীতাশাস্ত্র ৰচিত হৈছিল। পৰৱর্তী সময়ত হয়তো দুই এটা বচন সংযোজিত হ'ব পাৰে।

১৪.৪ ব্যক্তিত্বৰ ধাৰণা আৰু সংজ্ঞা

মানৱ জীৱনৰ এক অন্যতম বৈশিষ্ট্য হ'ল ব্যক্তিত্ব। এই ব্যক্তিত্বৰ ধাৰণা বর্ণনা কৰাটো দেখাত সহজ যেন লাগিলেও ইয়াৰ সম্যক ব্যাখ্যা দাঙি ধৰাতো সহজ নহয়। দুজন মানুহ দেখাই-শুনাই, শিক্ষা-দীক্ষাই একে হ'লেও কিন্তু তেওঁলোকৰ ব্যক্তিত্ব একে নহয়। ভিন্ ভিন্ মানুহৰ মানসিক স্থিতি, চিন্তাধাৰা, ব্যৱহাৰ আদি ভিন্ ভিন্ হোৱাৰ মূলতে হ'ল ভিন্ ভিন্ ব্যক্তিৰ বিভিন্ন ব্যক্তিত্ব। ব্যক্তিত্ব হ'ল মানুহৰ অন্তঃকৰণৰ অভিব্যক্তি। এই অন্তঃকৰণৰ অভিব্যক্তি অন্য এগৰাকী ব্যক্তিৰ ওচৰতে প্রকট হয়। তেনেদৰে এগৰাকী ব্যক্তিৰ ব্যক্তিত্ব অন্য এগৰাকী ব্যক্তিয়ে অনুমান কৰি ল'ব পাৰে। অর্থাৎ ব্যক্তিৰ আন্তৰিক গুণ আৰু শাৰীৰিক চাল-চলন ব্যক্তিত্ব হিচাপে প্রকট হয়। ব্যক্তিৰ অন্তঃকৰণ যিমান শুদ্ধ হয়, ভাৱধাৰা যিমান নির্মল হয় আৰু বিচাৰ বিবেচনা যিমান উচ্চস্তৰীয় হয়, সিমানেই সেই ব্যক্তিৰ ব্যক্তিত্ব আকর্ষণীয় আৰু সুন্দৰ হয়। দৰাচলতে সুদৃঢ় চাৰিত্রিক বৈশিষ্ট্য, পৰিপক্ক চিন্তাধাৰা, আদিৰ ওপৰত আধাৰ কৰি এগৰাকী ব্যক্তিৰ ব্যক্তিত্ব নিৰূপণ কৰিব পাৰি। কেৱল বাহ্যিক আকৃতি, চালচলনৰ জৰিয়তে ব্যক্তিৰ ব্যক্তিত্ব নিৰূপণ কৰা নাযায়। ব্যক্তিত্ব অবিহনে সমাজত প্রতিষ্ঠা লাভ কৰাটো কষ্টকৰ কাম। সেয়েহে শৈশৱ কালৰেপৰাই যে শিশুৰ সুস্থ ব্যক্তিত্ব গঢ় লৈ উঠিব পাৰে তাৰ বাবে পিতৃ-মাতৃ, অভিভাৱক, শিক্ষাগুৰু আদি সতর্ক হ'ব লাগে।

ব্যক্তিত্বৰ এক নির্ভুল তথা সুনির্দিষ্ট সংজ্ঞা দিয়াটো কঠিন। লৌকিক বা সর্বসাধাৰণ মানুহৰ দৃষ্টিকোণৰপৰা

উপলব্ধি কৰা ব্যক্তিত্বৰ যি সংজ্ঞা সেই সংজ্ঞা মনোবৈজ্ঞানিকসকলে দিয়া সংজ্ঞাৰ পৰা পৃথক। যি গৰাকী ব্যক্তিয়ে কথা-বতৰা, চাল-চলনৰ দ্বাৰা আনক আকর্ষণ কৰিব পাৰে, তেৱেঁই ব্যক্তিত্বসম্পন্ন ব্যক্তি বুলি সাধাৰণ মানুহে ভাবে। কিন্তু মনোবৈজ্ঞানিক দৃষ্টিকোণৰপৰা চালে সেয়া ভুল বুলি অনুমান কৰিব পাৰি। লৌকিক দৃষ্টিত প্ৰত্যেকৰে ব্যক্তিত্ব আছে, লাগিলে যেনেকুৱা ধৰণৰে নহওক কিয়। কেম্ব্ৰিজ অভিধান মতে, "আপুনি যেনেধৰণৰ ব্যক্তি, তেনেধৰণৰে আপোনাৰ ব্যক্তিত্ব, এই ব্যক্তিত্ব আপোনাৰ আচৰণ, সংবেদনশীলতা তথা আচৰণৰ মাধ্যমেৰে প্ৰকাশিত হয়।" লংমেন অভিধানৰ মতে 'এগৰাকী ব্যক্তিৰ স্বভাৱ আৰু চৰিত্ৰই হ'ল তেওঁৰ ব্যক্তিত্ব।" আনহাতে বহুতো মনোবৈজ্ঞানিকে ব্যক্তিত্ব সম্পৰ্কে বিভিন্ন সংজ্ঞা দাঙি ধৰিছে। উডৱৰ্থৰ মতে, 'ব্যক্তিত্ব হ'ল ব্যক্তিৰ আচৰণৰ সামগ্ৰিক প্ৰকৃতি।' অলপৰ্টৰ অভিমত হ'ল— 'ব্যক্তিত্ব হ'ল মানুহৰ অন্তঃস্থিত দৈহিক, মানসিক তন্দ্ৰৰ সেই গতিময় সংগঠন, যিয়ে পৰিবেশৰ লগত তাৰ অভিনৱ উপযোজন নিৰ্ধাৰণ কৰে' এনেধৰণৰ অসংখ্য সংজ্ঞা আছে, যাৰ দ্বাৰা সহজেই অনুমান কৰিব পাৰি ব্যক্তিত্ব হ'ল এক জটিল ধাৰণা।

১৪.৫ 'ব্যক্তিত্ব'ৰ তাৎপর্য

'ব্যক্তি' পদৰ ভাৱবাচক বুজোৱা শব্দটোৱেই হ'ল 'ব্যক্তিত্ব'। 'অঞ্জ্' ধাতুৰ লগত 'বি' উপসর্গ আৰু 'ক্তিন্' প্ৰত্যয় যোগ কৰি 'ব্যক্তি' শব্দটো পাব পাৰি। 'ব্যক্তি' শব্দটো সাধাৰণতে 'অভিব্যক্তি', 'প্ৰকাশ', 'সুস্পষ্ট', 'প্ৰত্যক্ষ', 'বিশেষভাৱে আত্মপ্ৰকাশ' 'ব্যক্তিত্ব' ইত্যাদি অর্থত ব্যৱহাৰ কৰা হয়। সংস্কৃত সাহিত্যত 'ব্যক্তি' শব্দ ব্যৱহাৰ হোৱা কিছুমান ব্যাক্যাংশৰ জৰিয়তে ইয়াৰ অর্থ সম্পৰ্কে সুস্পষ্ট ধাৰণা কৰিব পাৰি ঃ

১) **তং সন্ত ঃ** শ্ৰোতুমর্হতি সদসদব্যক্তিহেতৱঃ (ৰঘুবংশ-১.১০)। ইয়াত 'ব্যক্তি' শব্দ পার্থক্যজ্ঞান অর্থাৎ ভাল-বেয়াৰ পার্থক্য বুজি পোৱা অর্থত ব্যৱহাৰ কৰা হৈছে।

২) **সন্তানস্তনুভাৱনষ্টসলিলা ব্যক্তিং ভজন্ত্যাপগা ঃ** (অভিজ্ঞানশকুন্তলম্-৭.৮)। ইয়াত ব্যক্তি শব্দই দৃষ্টিগোচৰ বা স্পষ্ট ৰূপ বুজাইছে।

৩) **ন হি তে ভগৱন্ ব্যক্তিং বিদুর্দেৱা ন দানৱা ঃ** (গীতা—১০.১৪)। ইয়াত 'ব্যক্তি' শব্দই 'প্ৰকৃত স্বৰূপ' বুজাইছে।

৪) **অব্যক্তাদ্ব্যক্তয় ঃ সর্বাঃ প্ৰভৱন্ত্যাহৰাগমে ঃ** (গীতা-৮.১৮)। ইয়াত 'ব্যক্তিত্ব', 'পৃথকত্ব', 'স্বাতন্ত্র্য' আদি বুজাইছে।

অৱশ্যে মনোবৈজ্ঞানিকসকলৰ দৃষ্টিত 'ব্যক্তিত্ব'ৰ সংজ্ঞা বেলেগ।

এই অধ্যায়ত ব্যক্তিত্ব শব্দৰ লগত 'বিকাশ' শব্দটো জড়িত হৈ আছে। 'কস্' ধাতুৰ লগত 'বি' উপসর্গ আৰু 'ঘঞ্' প্ৰত্যয় যোগ হৈ 'বিকসনম্' পদটো সিদ্ধ হৈছে। 'বিকসনম্' পদৰ অর্থ হ'ল বৃদ্ধি অর্থাৎ ব্যাপ্তি বা বিস্তৃতি, দীপ্ত, মঙ্গলজনক আদি। এই অর্থ কেইটাৰ আধাৰত ইয়াকে ধাৰণা কৰি ল'ব পাৰি যে 'ব্যক্তিত্ব বিকসনম্' শব্দটোৱে এগৰাকী ব্যক্তিৰ প্ৰকৃত স্বভাৱ হ'ল শুদ্ধ আৰু মানবিশিষ্ট। আনহাতে ব্যক্তিত্ব বিকাশৰ বাবে এগৰাকী ব্যক্তিয়ে যিবোৰ পথ গ্ৰহণ কৰি অগ্ৰসৰ হয় সেই পথ আগবঢ়াটো দৰাচলতে ব্যক্তিগৰাকীয়ে এক নির্দিষ্ট কর্মৰ দায়িত্বহে বহন কৰে। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে কিছুমান ব্যক্তিয়ে জন্মগতভাৱে ব্যক্তিত্ব বিকসনৰ উপাদান লাভ কৰে, কিছুমানে স্বয়ংসিদ্ধ ভাৱে লাভ কৰে, আন কিছুমানে আকৌ সৎ ব্যক্তিৰ সান্নিধ্যত সেই উপাদানসমূহ আয়ত্ব কৰে।

জানি থোৱা ভাল

মনোবৈজ্ঞানিক দৃষ্টিত ব্যক্তিত্বৰ কিছুমান বৈশিষ্ট্য ঃ

১) ব্যক্তিত্ব হৈছে ব্যক্তিয়ে জৈৱিক বা জন্মসূত্রে আহৰণ কৰা দৈহিক-মানসিক গুণ, যিবোৰ ব্যক্তিৰ নিজ পৰিৱেশৰ অনুকূল-প্রতিকূল পৰিস্থিতিত সমাযোজন কৰাৰ ফলস্বৰূপে এক সুসংগঠিত ৰূপত স্থায়ীভাৱে গঢ় লৈ উঠে।

২) ব্যক্তিত্ব গতিশীলহে, স্থিৰ বা অপৰিৱর্তনীয় নহয়।

৩) ব্যক্তিত্ব হৈছে এজন ব্যক্তিৰ নিজস্বতাৰ পৰিচায়ক। অর্থাৎ এজন ব্যক্তিৰ ব্যক্তিত্বই তেওঁক আন এজনৰ পৰা পৃথক কৰে।

৪) সামাজিক পৰিৱেশ তথা সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আৰু ভাৱ-আদর্শই ব্যক্তিসত্তাৰ বিকাশ বা ব্যক্তিত্ব গঢ়ি তোলাত সহায় কৰে।

৫) ব্যক্তিৰ ব্যক্তিত্ব বিকাশত অচেতন মনে এক নির্ণায়ক ভূমিকা গ্রহণ কৰে।

৬) এজন লোকৰ ব্যক্তিত্ব তেওঁৰ ক্রিয়া আচৰণৰ যোগেদিহে প্রকাশ পায়। সেয়েহে ক'ব পাৰি যে ব্যক্তিয়ে যি কৰে, সেয়ে তেওঁৰ ব্যক্তিত্বৰ বিকাশ আৰু প্রকাশ।

১৪.৬ ব্যক্তিত্ব বিকাশত সহায় কৰা দিশসমূহ

প্রত্যেক ব্যক্তিয়ে যেতিয়া জন্মলাভ কৰে তেতিয়া তেওঁৰ ভিতৰত কিছু সম্ভাৱনা অথবা সামর্থ্য অন্তর্নিহিত হৈ থাকে। সামাজিক পৰিৱেশ যদি অনুকুল হয়, তেতিয়া তেনে পৰিৱেশত ব্যক্তিৰ জন্মগত সম্ভাৱনা, সামর্থ্য আদি পৰিস্ফুট হৈ সুস্থ ব্যক্তিত্বৰ বিকাশ হয়। আনহাতে অনুকুল পৰিবেশ নহ'লে ইয়াৰ বিপৰীত প্রতিচ্ছবি প্রতিফলিত হোৱা দেখা যায়। এইবোৰৰ উপৰিও অন্যান্য আনুষঙ্গিক বিষয়বস্তু কিছুমান অর্থাৎ গ্রন্থ, কথাছবি, বন্ধু-বান্ধৱ, শিক্ষা আদিয়েও ব্যক্তিত্ব গঠনত পৰস্পৰ বিপৰীতধর্মী প্রভাৱ পেলাব পাৰে। এই সন্দর্ভত গৱেষকসকলৰ বিভিন্ন লেখনি প্রকাশ পাইছে। সেইবোৰ বিশ্লেষণ কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে ব্যক্তিৰ ব্যক্তিত্ব গঠনত পাঁচোটা উপাদানে প্রত্যক্ষ অথবা পৰোক্ষভাৱে সহায় কৰে। সেই পাঁচোটা হ'ল— শাৰীৰিক, মানসিক, বৌদ্ধিক, সামাজিক আৰু আধ্যাত্মিক। অৱশ্যে এই সকলোবোৰৰ ওপৰত বংশগতি আৰু পৰিবেশৰ প্রভাৱ লক্ষণীয়।

(ক) শাৰীৰিক দিশ ঃ এগৰাকী ব্যক্তি কিছুমান চাৰিত্রিক বৈশিষ্ট্য লৈ জন্মগ্রহণ কৰে, যিবোৰে ভৱিষ্যতে তেওঁৰ ব্যক্তিত্ব গঠনত সহায় কৰে। অৱশ্যে ইয়াত বংশগতিৰ উপাদানো জড়িত হৈ থাকে। মাতৃগর্ভত থাকোতেই শিশুৰ শাৰীৰিক চাল-চলন আৰম্ভ দৈহিক বিকাশ আৰম্ভ হয়। ভাৰতীয় পৰম্পৰা তথা ঐতিহ্য অনুসৰি সামাজিক বিধি-বিধান যিবোৰ দিয়া হৈছে তাৰ ভিতৰত অন্যতম এক প্রকাৰৰ বিধান হৈছে গর্ভৱতী নাৰীৰ বাবে পুষ্টিকৰ খাদ্য, সুস্থ-বাতাবৰণ, নৈতিক তথা দার্শনিক মূল্যবোধ সম্পন্ন কাহিনী শুনা, সাকাৰাত্মক চিন্তাধাৰাৰে পৰিয়ালতে সকলো ধৰণৰ কথাৰে গঠনমূলক সমাধান কৰা আদি। এগৰাকী ব্যক্তিৰ অথবা এটি সন্তানৰ দৈহিক বিকাশৰ বাবে আটাইতকৈ প্রয়োজনীয় উপাদান হৈছে সুষম তথা পুষ্টিকৰ খাদ্য। এই প্রসংগত ভগৱদ্‌গীতাত সপ্তদশ অধ্যায়ত বর্ণনা কৰা হৈছে যে যিবিলাক আহাৰে আয়ুস, স্থায়িত্ব, বল, স্বাস্থ্য, সুখ আৰু প্রীতি বঢ়াই তোলে, যিবিলাক ৰসাল, স্নেহযুক্ত, পুষ্টিকৰ আৰু তৃপ্তিদায়ক, সেইবিলাক আহাৰেই সত্ত্বগুণীসকলৰ বাবে প্রিয়। যিবিলাক আহাৰ অতিকে তিতা বা টেঙা, নিমখীয়া, অত্যন্ত গৰম, অত্যন্ত উগ্র, শুকান আৰু যিবিলাকে পোৰণিৰ সৃষ্টি কৰে, সেইবিলাকেই ৰজোগুণী ব্যক্তিৰ প্রিয়। এই

আহাৰবিলাকে দুখ, শোক আৰু বেমাৰ আনি দিয়ে। খোৱাৰ সময়তকৈ তিনিঘণ্টাৰ আগতে ৰন্ধা, স্বাদহীন, দুর্গন্ধযুক্ত, আনে খাই এৰা আৰু অশুচি খাদ্যবিলাকেই তমোগুণী মানুহৰ প্ৰিয়। গতিকে সাত্ত্বিক আহাৰ ব্যক্তি এগৰাকীৰ সৎগুণ বিকশিত হোৱাত যথেষ্ট সহায়ক হয়। যিবিলাক ব্যক্তিয়ে ব্ৰহ্মচৰ্য্য ব্ৰত পালন কৰি গাৰ্হস্থ ধৰ্মত প্ৰবেশ কৰে তেওঁলোকে অকণো দ্বিধা নোহোৱা সাত্ত্বিক আহাৰ গ্ৰহণ কৰিব পাৰে। আনহাতে যিবোৰ সংস্কাৰ আছে, (উপনয়ন আদি) সেইবোৰ পালন কৰিলেও এগৰাকী ব্যক্তিৰ সুপ্ত বুদ্ধি-বৃত্তি উজ্জ্বল হৈ উঠে আৰু নিয়াৰিকৈ তেওঁৰ শিক্ষা জীৱন সমাপ্ত কৰিব পাৰে। ব্যক্তিৰ ব্যক্তিত্ব বিকাশত শিক্ষাই যে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে তাক ন দি ক'ব পাৰি।

(খ) **মানসিক দিশ ঃ** ব্যক্তিৰ ব্যক্তিত্ব গঠনত ব্যক্তিৰ মানসিক শক্তিয়ে বিশেষভাৱে সহায় কৰে। মন শৰীৰতকৈ উৰ্ধ্বত। মন হ'ল চিন্তাশক্তিৰ ভঁৰাল। বেয়া তথা নাকাৰাত্মক চিন্তাধাৰাই মনক দুৰ্বল কৰি তোলে। এনে চিন্তাধাৰা সম্পন্ন ব্যক্তিৰ ব্যক্তিত্ব গঠন প্ৰক্ৰিয়াও নাকাৰত্মকেই হ'ব। সাকাৰাত্মক চিন্তাধাৰাযুক্ত অথবা শক্তিশালী মনৰ অধিকাৰী ব্যক্তিসকল ক্ৰোধ, লোভ, মোহ, ঘৃণা, ক্ষতিকাৰক অনুভুতিৰ দ্বাৰা কেতিয়াও পৰিচালিত নহয়। তেওঁলোকৰ থাকে প্ৰচণ্ড আত্মবিশ্বাস, সাকাৰাত্মক চিন্তাধাৰা, কামকৰাৰ ইচ্ছা আদি গুণসমূহ। প্ৰৱল ইচ্ছা-শক্তি প্ৰয়োগ কৰি মনক সংযত কৰি ৰাখিব পাৰি। শৰীৰে যেনেদৰে পুষ্টিকৰ খাদ্য বিচাৰে, তেনেদৰে মনেও সুস্থ মানসিক খাদ্য গ্ৰহণ কৰিব পাৰিলেহে শক্তিশালী মনৰ অধিকাৰী হ'ব পাৰিব আৰু যিয়ে ব্যক্তিৰ ব্যক্তিত্ব গঠনত সহায় কৰিব।

(গ) **বৌদ্ধিক দিশ ঃ** শাৰীৰিক আৰু মানসিক শক্তিতকৈ বৌদ্ধিক শক্তি সদায়েই উৰ্দ্ধত। এই বৌদ্ধিক শক্তি ব্যক্তিত্বৰ এক অন্যতম উপাদান। কেতিয়াবা কেতিয়াবা উপযুক্ত অনুশীলনৰ অভাৱত এই বৌদ্ধিক শক্তি অৱদমিত হৈ থাকে। ব্যক্তিৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত সৃষ্টিশীলতা আৱশ্যকীয়। গভীৰ চিন্তাশক্তিৰ গৰাকীৰ সুপ্ত প্ৰতিভা সৃষ্টিশীলতাৰ জৰিয়তে পৰিস্ফুট হৈ পৰে। তাৰ বাবে প্ৰয়োজন উৎসাহ অনুপ্ৰেৰণাৰ। এই ক্ষেত্ৰত মনোযোগো প্ৰয়োজনীয়। এই ক্ষেত্ৰত বৌদ্ধিক দিশৰ কথাটো আহি পৰে। মানুহৰ ইন্দ্ৰিয় মন অশান্ত, অস্থিৰ। বৌদ্ধিক চিন্তাশক্তিৰে এই ইন্দ্ৰিয়, মনক সংযত কৰি ৰাখিব পাৰি। গতিকে জীৱনত কৃতকাৰ্যতা লাভ কৰিবলৈ হ'লে ব্যক্তিত্ব বিকাশ হ'ব লাগিব, ব্যক্তিত্ব বিকাশৰ ক্ষেত্ৰত বৌদ্ধিক দিশৰ প্ৰভাৱ স্বীকাৰ কৰিব লাগিব। বৌদ্ধিক উত্তৰণৰ বাবে প্ৰচণ্ড ইচ্ছা-শক্তিৰ গৰাকী হ'ব লাগিব, যিটো বিষয় ইয়াৰ আগতে বৰ্ণনা কৰা হৈছে। ভুল-শুদ্ধ, ভাল-বেয়া আদিৰ পাৰ্থক্য বৌদ্ধিক শক্তিৰ জৰিয়তেহে সহজে নিৰ্ণয় কৰিব পাৰি। এবাৰ ভুল পথত আসক্ত হ'লে সহজে তাৰ পৰা আঁতৰি অহাটো কঠিন। বৌদ্ধিক শক্তিয়ে সদায় সুখ আহৰণৰ ক্ষেত্ৰত প্ৰয়োগ কৰিলেহে সমাজৰ মংগল হয়।

(ঘ) **সামাজিক মূল্যবোধ ঃ** এগৰাকী ব্যক্তিয়ে নিজ ব্যক্তিত্বক উন্নীতকৰণ কৰিবলৈ হ'লে তেওঁৰ সামাজিক-নৈতিক মূল্যবোধো যথেষ্ট জ্ঞান থাকিব লাগিব। তেওঁ নিজ জ্ঞানেৰে সমাজক প্ৰভাৱান্বিত কৰিব পাৰিব লাগিব। তৈত্তিৰীয় উপনিষদ, ঈশোপনিষদ, বৃহদাৰণ্যকোপনিষদ, ছান্দোগ্য উপনিষদ, কঠোপনিষদ, গীতা আদিত নৈতিক মূল্যবোধ সম্পন্ন উপদেশ বাণীসমূহ অতি তাৎপৰ্যপূৰ্ণভাৱে বৰ্ণনা কৰিছে। উদাহৰণস্বৰূপে ঈশোপনিষদত আছে 'মা গৃধঃ কস্যস্বিৎ ধনম্' অৰ্থাৎ 'আনৰ ধন-সম্পত্তিলৈ কেতিয়াও লোভ নকৰিবা।' বৈৰাগ্যৰ সংজ্ঞা ইয়াত সুন্দৰকৈ প্ৰকাশিত হৈছে। পতঞ্জলি যোগ-দৰ্শনত অষ্টাংগযোগ বৰ্ণনা কৰোতে অহিংসা, সত্য অস্তেয়, অপৰিগ্ৰস্ত আদিৰো বৰ্ণনা কৰা হৈছে। গীতাৰ দ্বিতীয় অধ্যায়তো (৪৭) এনেকুৰা ধাৰণাৰ বৰ্ণনা দিয়া হৈছে। এনেধৰণৰ নৈতিক শিক্ষাৰ জৰিয়তে এগৰাকী ব্যক্তিয়ে মানসিক উত্তৰণৰ ফালে গতি কৰে আৰু সকলোধৰণৰ অশুভ শক্তিক জয় কৰিবলৈ সক্ষম হয়। এনেদৰেই এগৰাকী ব্যক্তিয়ে নিজৰ, লগতে সমাজৰো হিতসাধন কৰিবলৈ সমৰ্থ হয়। ব্যক্তিত্ব গঠন প্ৰক্ৰিয়াত এনেদৰে নৈতিক শিক্ষাই প্ৰভাৱ বিস্তাৰ

কৰে।

(ঙ) **আধ্যাত্মিক দিশ ঃ** ব্যক্তিত্ব গঠনত আধ্যাত্মিক প্রভাৱ উল্লেখনীয়। ভোগ-বিলাসৰ সামগ্রীৰে উৰ্ভেনদী হৈ পৰা বৰ্তমান যুগৰ মানুহে পৃথিৱীত থাকি সাধ্যমানে ভোগ-বিলাসত মত্ত হৈ আধ্যাত্মিক দিশটোক আওকান কৰি চলা দেখা যায়। ভোগৰ সামগ্রী কেনেদৰে আয়ত্ব কৰিব পাৰি তাৰ চিন্তাতহে মগ্ন হৈ পৰে। পৰিৱেশ-পৰিস্থিতিৰ প্রতিও আওকণীয়া হৈ পৰে। লাহে লাহে সমাজত কু-কর্ম, বিশৃংখলতা আদি ভৰি পৰে। এইবোৰেই আকৌ সামাজিক উন্নতিৰ প্রতিবন্ধক স্বৰূপে হৈ পৰে। ভাৰতীয় ঐতিহ্য আৰু পৰম্পৰা অনুসৰি আধ্যাত্মিক চিন্তাধাৰাৰ অনুশীলনে এই সকলোবোৰ প্রতিবন্ধকতা আঁতৰ কৰিব পাৰে। গীতা হ'ল এখনি আধ্যাত্মিক চিন্তা-চর্চা সম্বলিত এখনি অমূল্য গ্রন্থ।

গীতাশাস্ত্রৰ মুখ্য চৰিত্র দুটা হ'ল গুৰু আৰু শিষ্য। এগৰাকী আধ্যাত্মিক গুৰু ভগৱান শ্রীকৃষ্ণই এগৰাকী উপযুক্ত শিষ্যক সকলোবোৰ শিক্ষা দিবলৈ সক্ষম হৈছে। যুদ্ধক্ষেত্রত আত্মীয়-স্বজনক দেখি দিশহাৰা অর্জুনক জ্ঞান-প্রদানেৰে স্থিৰ, সংযতেন্দ্রিয় কৰি তুলিবলৈ সক্ষম হৈছে, যাৰ ফলস্বৰূপে অর্জুনে কুৰুক্ষেত্র মহাসমৰত জয়ৰ মুকুট পিন্ধিবলৈ সক্ষম হৈছে।

১৪.৭ ব্যক্তিত্ব বিকাশত গীতাৰ ভূমিকা

কুৰুক্ষেত্র যুদ্ধৰ আৰম্ভণিতে ভগৱান শ্রীকৃষ্ণই অর্জুনক দিয়া উপদেশসমূহ বিশ্লেষণ কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে সেই যুদ্ধখন অকল ঐতিহাসিক যুদ্ধই নহয়, ই হ'ল সত্য আৰু অসত্যৰ মাজৰ মহাজাগতিক সংঘর্ষ। মানৱ জীৱনো এক যুদ্ধক্ষেত্র ঃ এই যুদ্ধ জন্ম আৰু মৃত্যুৰ মাজৰ যুদ্ধ, জ্ঞান আৰু অজ্ঞানতাৰ; পৰিৱর্তনশীলতা আৰু অপৰিৱর্তশীলতা, আত্মসংযম আৰু প্রলোভনৰ, আত্মা আৰু শৰীৰৰ যুদ্ধ। দৰাচলতে গীতাত বর্ণিত যুদ্ধখন অন্য একো নহয়, ই হ'ল 'মানৱ-মন', যি মন পৰস্পৰৰ মাজত হোৱা বিপৰীত-ধর্মী চিন্তাধাৰা অথবা বিৰুদ্ধ চিন্তাধাৰাৰ হেঁচাত অশান্ত, জর্জৰিত, বিক্ষোভিত হৈ পৰিছে। সংঘর্ষৰ স্থলীলৈ ৰূপান্তৰিত হোৱা এই মনৰ কথা গীতাৰ প্রথম শ্লোকতে বর্ণনা কৰা হৈছে—

ধর্মক্ষেত্রে কুৰুক্ষেত্রে সমৱেতা যুযুৎসৱঃ।
মামকাঃ পাণ্ডৱাশ্চৈৱ কিমকুর্বত সঞ্জয়।।

'মন' ধর্মক্ষেত্র আৰু কুৰুক্ষেত্র উভয়তে বিৰাজমান। সত্যনিষ্ঠা চিন্তা আৰু কর্তব্যপৰায়ণতা হ'ল ধর্ম আৰু প্রতীকাত্মকভাৱে উপস্থাপন কৰা কৌৰৱ সকলেই হ'ল অসত্যৰ পথ। ইয়াত 'মন' নামৰ যুদ্ধক্ষেত্রখন এটা পক্ষত আছে 'মামকা' অর্থাৎ কৌৰৱসকল আৰু আনটো পক্ষত আছে পাণ্ডৱসকল।

ৰজোগুণৰ প্রভাৱতে যুদ্ধ আৰম্ভ হৈছে অর্থাৎ মন আৰু বুদ্ধিক প্রভাৱিত কৰিছে ৰজোগুণে। সেই ৰজোগুণৰ লগত তমোগুণৰ সন্নিৱিষ্ট হৈ সত্ত্বগুণক প্রভাৱিত কৰি মন, বুদ্ধি, ইন্দ্রিয়সমূহক নিজৰ বশীভূত কৰি ৰাখিবলৈ সমর্থ হৈছে। কিন্তু অর্জুনৰ একাগ্রতা, পৰাক্রম আদিৰ ফলত ভয়ংকৰ যুদ্ধ এখনতো পাণ্ডৱসকল জয়ী হ'ল। ইমান কম সময়ৰ ভিতৰতে অর্জুনৰ হতাশা দূৰ হোৱালৈ লক্ষ্য কৰি এটা কথাই ক'ব পাৰি যে মানুহৰ সাকাৰাত্মক চিন্তাধাৰাই অসাধ্য সাধন কৰিব পাৰে।

প্রথম অধ্যায়ত অর্জুনক গুড়াকেশ আৰু শ্রীকৃষ্ণক অচ্যুত বুলি বর্ণনা কৰিছে। অচ্যুত মানে হ'ল যি চঞ্চল নহয়, গুড়াকেশ মানে হ'ল যি নিদ্রাক জয় কৰিছে ইয়াত নিপুণ শিক্ষকৰ অধীনত এগৰাকী সাধকৰূপী শিষ্যই কমসময়তে প্রয়োজনীয় সকলো শিক্ষা আহৰণ কৰি সকলো বাধা হেলাৰঙে অতিক্রম কৰি হতাশা দূৰ কৰি যুদ্ধ কৰিবলৈ আগবাঢ়ি যোৱাই নহয়, যুদ্ধত জয়ীও হৈছে।

দুর্বলতা ব্যক্তিৰ ব্যক্তিত্ব গঠনত এক হেঙাৰ স্বৰূপ। যি কোনো কাম কৰাৰ প্ৰচেষ্টাক ই তিল তিলকৈ ধ্বংস কৰি পেলাব খোজে। কুৰুক্ষেত্ৰ যুদ্ধতো অৰ্জুন দুর্বল হৈ পৰিছে, যুদ্ধক্ষেত্ৰ এৰি পলাব বিচাৰিছে। যিটো ক্ষত্ৰিয়জনোচিত ব্যৱহাৰ মুঠেই নহয়। নিজৰ আত্মীয়-স্বজন, শিক্ষা-গুৰু আদিৰ বিৰুদ্ধে যুদ্ধ কেৱল নিজৰ হেৰোৱা ৰাজ্য-ধন-সম্পত্তি উদ্ধাৰ কৰাৰ বাবেই যে কৰিবলগীয়া হৈছে, সেই কাৰ্য্যই অৰ্জুনক উভয় সংকটত পেলাইছে। অৰ্জুনে ভাবিছিল এই সভ্য মানৱজাতিৰ কাম নহয়, ই ভাৰতীয় পৰম্পৰাৰ বিৰুদ্ধে গৈছে। সেয়েহে অৰ্জুন বিষাদত বুৰ গৈছে। কিন্তু বিষাদৰ পৰা মুক্ত হ'ব পৰাটোৱেই কৃষ্ণ-অৰ্জুন উভয়ৰে বাবে এক ডাঙৰ কৃতিত্ব। কৃষ্ণৰ উপদেশ সমগ্ৰ মানৱজাতিৰ বাবে এক অমূল্য সম্পদ।

ব্যক্তিত্ব গঠনত যিবোৰ কাৰকে বিৰূপ প্ৰভাৱ পেলায়, সেইবোৰ আঁতৰ কৰাৰ বাবে 'যোগ' অথবা অন্যান্য বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰা হয় যদিও অৰ্জুনৰ ক্ষেত্ৰত কিন্তু এনেকুৱা পদ্ধতি অৱলম্বন কৰা হোৱা নাই। অৰ্জুনৰ প্ৰিয় সখা, ৰথৰ সাৰথি, উপযুক্ত পৰামৰ্শদাতা, যোগেশ্বৰ শ্ৰীকৃষ্ণই অৰ্জুনক উপদেশ প্ৰদান কৰিছে যে অৰ্জুনে নিজৰ কৰ্তব্য পাহৰিছে, নিজকে পাহৰিছে আৰু মিছা মায়াত বন্দী হৈ পৰিছে। ইয়াৰ মাজৰ পৰা তেওঁক প্ৰকৃত কৰ্মক্ষেত্ৰলৈ আগুৱাই আনিব শ্ৰীকৃষ্ণই অহৰহ প্ৰচেষ্টা চলাইছে।

বিমূঢ় অৰ্জুনে দ্বিতীয় অধ্যায়ত শ্ৰীকৃষ্ণৰ শৰণাপন্ন হৈছে। নিপুণ শিক্ষক শ্ৰীকৃষ্ণই অৰ্জুনক ব্ৰহ্মজ্ঞানৰ জৰিয়তে প্ৰকৃত পথলৈ আনিবলৈ অনুপ্ৰেৰণা যোগাইছে। গীতাত লক্ষ্যপথ পাবলৈ, জ্ঞানমাৰ্গ, ভক্তিমাৰ্গ আৰু কৰ্মমাৰ্গৰ কথা বৰ্ণনা কৰা হৈছে। দ্বিতীয় অধ্যায়ত ভগৱান শ্ৰীকৃষ্ণই আত্মাৰ অমৰত্বৰ বৰ্ণনাৰে অৰ্জুনক অনুপ্ৰাণিত কৰিছে। জন্ম আৰু মৃত্যু এটা মুদ্ৰাৰে ইপিঠি আৰু সিপিঠি। নিজৰ কৰ্তব্য পালনৰ ক্ষেত্ৰত সততে দেখা দিয়া আৰু থিতাতে আঁতৰি যোৱা সুখ আৰু দুখৰ অস্থায়ী অনুভূতিবিলাকক সহ্য কৰি সহজভাৱে ল'বলৈ শিকা দৰকাৰ (১৪)। মানুহৰ ভৌতিক দেহ ক্ষয়শীল, কেৱল আত্মা অবিনাশী (১৮)। আত্মাৰ জন্ম-মৃত্যু নাই। জীৱাত্মাই কেতিয়াবা নিজৰ প্ৰকৃত স্বৰূপ পাহৰি যায়, যেনেদৰে অৰ্জুনে নিজৰ প্ৰকৃত স্বৰূপ পাহৰি গৈছিল (২০)। ভগৱান শ্ৰীকৃষ্ণই কৈছে যে — প্ৰত্যেক বস্তুৰে একোটা উচিত ব্যৱহাৰ আছে। সম্পূৰ্ণ জ্ঞানী ব্যক্তিয়ে সেই বস্তুৰ উচিত ব্যৱহাৰ ক'ত কেনেদৰে কৰিব লাগে জানে। তাৰ বাবে কেতিয়াবা হিংসাৰো প্ৰয়োজন হয়। কিন্তু হিংসাৰ প্ৰয়োগ ক'ত কেনেকৈ কৰিব লাগে সেই কথা জ্ঞানীজনেহে নিৰ্ণয় কৰিব পাৰে (২১)। 'জাতস্য হি ধ্ৰুৱো মৃত্যু'— এই শ্লোকাংশত মানৱ জীৱনৰ বাবে পৰম সত্য। কোনেও মৃত্যুক বাধা দিব নোৱাৰে। স্বধৰ্ম (৩১-৩২) ক শ্ৰীকৃষ্ণই সোঁৱৰাই দিছে। প্ৰত্যেক ব্যক্তি নিজৰ ধৰ্মৰ প্ৰতি দায়িত্বশীল হোৱা উচিত। এই ধৰ্মই ব্যক্তিক পুৰুষাৰ্থ প্ৰাপ্তিত সহায়ক হয়। স্বধৰ্ম মানুহৰ আধ্যাত্মিক উপলব্ধিৰ সোপান বুলি কোৱা হয়। গতিকে ফললৈ আশা নকৰি নিজৰ কৰ্ম কৰি যাব লাগে (৪৭)। যোগত থাকি অৰ্থাৎ ইন্দ্ৰিয়সমূহ সংযত কৰি কৰ্ম কৰি যাব লাগে (৪৮)। মানসিক বিভ্ৰান্তি আঁতৰ কৰিবৰ কাৰণে মানুহ স্থিতপ্ৰজ্ঞ হ'ব লাগে। গীতাৰ দ্বিতীয় অধ্যায়ৰ ৫৫ নং শ্লোকৰ পৰা ৬৮ নং শ্লোকলৈ শ্ৰীকৃষ্ণই স্থিতপ্ৰজ্ঞ কেনেদৰে হ'ব পাৰি তাৰ বৰ্ণনা দিছে। এই উপদেশসমূহ অকল অৰ্জুনৰ বাবেই নহয়, বৰ্তমান সময়তো বিমূঢ়, বিভ্ৰান্ত ব্যক্তিৰ মানসিক উত্তৰণৰ বাবে সমানেই প্ৰযোজ্য। চতুৰ্থ অধ্যায়ত জ্ঞানাগ্নিয়ে কৰ্মফল পুৰি চাৰখাৰ কৰাৰ কথা উল্লেখ কৰিছে (৪.৩৭)। ৫.১৬ত জ্ঞানে উদিত সূৰ্য্যৰ দৰে সকলোকে প্ৰকাশিত কৰাৰ কথা আছে।

অত্যধিক ভোজনকাৰী, নিতান্ত অনাহাৰী, অধিক নিদ্ৰাপাৰায়ণ অথবা উজাগৰে থকা মানুহ যোগী হোৱাৰ সম্ভাৱনা নাই (৬.১৬) অৰ্থাৎ সকলো বিষয়তে অত্যাধিক আসক্ত হোৱাতো ব্যক্তিত্ব গঠনৰ বাধা স্বৰূপ। গীতাত অনাসক্ত কৰ্মৰ কথা কোৱা হৈছে। সকলো মানুহে কৰ্ম কৰিবই লাগিব, যেতিয়ালৈকে জীয়াই থাকে। শোৱা-খোৱাও কৰ্ম। ৩ য় অধ্যায়ত (৮-৯) কোৱা হৈছে — কৰ্তব্য হিচাপে যি কাম নিৰ্ধাৰিত কৰা হৈছে তাকে কৰি যাব লাগে আৰু পৰম ব্ৰহ্মৰ সন্তোষৰ বাবে কাম কৰি যাব লাগে। গীতাৰ এই বাণীয়ে মানৱজাতিৰ নিজৰ স্বধৰ্মৰ প্ৰতি দায়বদ্ধতাকে সূচায়। ব্ৰহ্ম সৰ্বত্ৰ বিৰাজমান। গীতাৰ মতে ফলৰ প্ৰতি আসক্তি নকৰাকৈ জনসাধাৰণক শুদ্ধ আচৰণৰ

আহিঁ দেখুৱাব জনাজনহে জ্ঞানীলোক (৩.২৫)। সকলো কর্ম ভগৱান শ্রীকৃষ্ণৰ ওপৰত অর্পণ কৰি, আধ্যাত্মিক জ্ঞান চিত্তত ধাৰণ কৰি, লাভৰ প্রতি আকাংক্ষা নকৰি, কোনো বস্তুৰ প্রতি গৰাকী ভাৱ পোষণ নকৰি, এলাহ ত্যাগ কৰি স্বধর্ম অর্থাৎ যুদ্ধত প্রবৃত্ত হ'বলৈ শ্রীকৃষ্ণই অর্জুনক উপদেশ দিছে। আনৰ বাবে নির্দিষ্ট কৰা কাম কৰাতকৈ নিজৰ বাবে নির্দিষ্ট কৰাহে শ্রেয় (৩.৩৫)।

সমগ্র গীতাখন মানৱ জাতিৰ বাবে এক অমূল্য সম্পদ। যিকোনো সমস্যাৰে এক সন্তোষজনক সমাধান দিয়া আছে গীতাত। মাত্র সম্যকভাৱে অধ্যয়ন কৰিব জানিলেই হ'ল। কিছুসংখ্যক ব্যক্তিয়ে গীতাখনক যুদ্ধত দুজন বন্ধুৰ মাজত হোৱা কথোপকথন বুলি ভাবে যদিও চৰম নীতিজ্ঞান সম্বলিত গ্রন্থ হ'ল এই গীতা। ব্যক্তিৰ ব্যক্তিত্ব গঠনৰ বাবে মনোবৈজ্ঞানিকসকলে দিয়া ব্যাখ্যাই হওক অথবা গৱেষকসকলে দিয়া ব্যাখ্যাই হওক, সেই সকলোবোৰ এই গ্রন্থত প্রত্যক্ষ অথবা পৰোক্ষভাৱে উপলব্ধ। উপযুক্ত নিপুণ গুৰু, দৃঢ় মনোবল থকা শিষ্য, যথার্থ জ্ঞান, স্বধর্ম আৰু মানসিক ভাৱসাম্যতা, অনাসক্তভাৱে কৰা কর্ম বা নিষ্কাম কর্ম, কর্মযজ্ঞ, ধ্যানযোগ। আদিৰ বর্ণনাৰ মাজেৰে অর্জুনৰ বিজয় দেখুওৱা হৈছে। প্রথম অধ্যায়ত অর্জুনক হতাশাগ্রস্ত, বিষাদগ্রস্ত, বিমূঢ়চিত্ত, অসংযতিচিত্ত ব্যক্তি হিচাবে বর্ণিত হৈছে। কিন্তু শ্রীকৃষ্ণৰ চৰম নীতিজ্ঞানসম্বলিত বাণীয়ে সেই সকলোবোৰ দূৰীভূত কৰি এগৰাকী সফল ব্যক্তিত্বৰ অধিকাৰী কৰি তুলিব পাৰিছে, যিগৰাকীয়ে যুদ্ধত জয়ৰ মুকুট পিন্ধিবলৈ পাৰিছে। ধর্মৰহে জয়, অধর্মৰ যে পৰাজয় নিশ্চিত সেই কথা অর্জুনে বুজিব পাৰিছে।

গীতাশাস্ত্রমতে যি ব্যক্তিয়ে কম পৰিমাণৰ আহাৰ গ্রহণ কৰে, আলস্য আৰু নিদ্রাৰ পৰা মুক্ত হৈ থাকিব পাৰে, যিজনে নিজৰ শৰীৰ, মন, কথনভংগীৰ ওপৰত নিয়ন্ত্রণ ৰাখিব পাৰে, যিজনে যোগ প্রাণায়মৰ চর্চা কৰে, কামনা-বাসনা, ক্রোধ ত্যাগ কৰিবলৈ সক্ষম হয়, তেওঁৰ ব্যক্তিত্ব সম্পূর্ণ বিকাশ হয় আৰু তেওঁৰেই ব্রহ্মৰ লগত এক হোৱাৰ যোগ্য হৈ উঠে।

বর্তমান সময়ত প্রত্যেকেই ব্যক্তিত্ব শব্দটোৰ বিষয়ে জানিব বিচাৰে। ব্যক্তিত্ব কেনেদৰে গঠন হয়, কেনেদৰে বিকাশ হয় তাকো জানিব বিচাৰে। গীতাত এনেধৰণৰ বিষয় সম্পূর্ণৰূপে প্রতিফলিত হৈছে। মাত্র সম্যকভাৱে অধ্যয়ন কৰি তাৰ সাৰভাগ নিজ জীৱনত প্রয়োগ কৰি চাব জানিলেই হয়। গীতাৰ অষ্টাদশ অধ্যায়ত আছে—

যত্র যোগেশ্বৰঃ কৃষ্ণো যত্র পার্থো ধনুর্ধৰঃ ।
তত্র শ্রীবিজয়ো ভূতিধ্রুৱা নীতির্মতির্মম।। (৭৮)

য'ত যোগেশ্বৰ কৃষ্ণ আৰু য'তেই ধনুর্ধৰ পার্থ আছে, তাতেই শ্রী, বিজয়, অসাধাৰণ শক্তি আৰু স্থিৰ নীতিও আছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ গীতাৰ সম্পূর্ণ নামটো কি? .....

প্রশ্ন নং ২ ঃ গীতাত কেইটা অধ্যায় আছে?

.....

প্রশ্ন নং ৩ ঃ খালী ঠাই পূৰণ কৰক—

(ক) গীতাক ..... ৰ অংশ বুলি কোৱা হয়।

(খ) গীতাত ..... টা শ্লোক আছে।

প্রশ্ন নং ৪ ঃ উডৱর্থৰ মতে ব্যক্তিত্বৰ সংজ্ঞা দিয়ক।

.....

প্রশ্ন নং ৬ ঃ ব্যক্তি শব্দটো কি ধাতুৰ পৰা গঠন হৈছে?

.....

প্রশ্ন নং ৬ ঃ ব্যক্তিত্ব বিকাশত সহায় কৰা দিশকেইটাৰ নাম লিখক।

.....

প্রশ্ন নং ৭ ঃ গুড়াকেশ আৰু অচ্যুত শব্দৰ অর্থ লিখক।

.....

প্রশ্ন নং ৮ ঃ গীতাৰ প্রথম শ্লোকটো লিখক।

.....

প্রশ্ন নং ৯ ঃ মামকা ঃ শব্দটোৱে কাক বুজাইছে?

.....

১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- শ্রীমদ্ভগৱদ্‌গীতাৰ চমু পৰিচয় জানিব পাৰিলে।
- ব্যক্তিত্বৰ ধাৰণা আৰু সংজ্ঞাৰ বিষয়ে অৱগত হ'ল।
- ব্যক্তিৰ শব্দৰ তাৎপর্য জানিব পাৰিলে।
- ব্যক্তিত্ব বিকাশত সহায় কৰা দিশসমূহ জানিলে।
- ব্যক্তিত্ব বিকাশত গীতাৰ ভূমিকা সম্পর্কে অৱগত হ'ল।

১৪.৯ অধিক জানিবলৈ

১) স্বামী প্রভুপাদ, (২০০৯); *শ্রীমদ্ভগৱদ্‌গীতা যথাযথ* ঃ লছ এঞ্জেল্‌ছ, লণ্ডন, ভক্তিবেদান্ত বুক ট্রাষ্ট।

২) মজুমদাৰ, সুবোধ চন্দ্র, (১৯৭৩); *শ্রীমদ্ভগৱদ্‌গীতা,* কলকাতা ঃ দেৰ সাহিত্য কুটীৰ।

৩) শর্মা, ড° মুকুন্দ, (২০১১); *শিক্ষা মনোবিজ্ঞান,* গুৱাহাটীঃ অসম বুক ডিপো।

১৪.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ শ্রীমদ্ভগৱদ্‌গীতোপনিষদ।

২ নং প্রশ্নৰ উত্তৰ ঃ ১৮ টা।

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) মহাভাৰত।

(খ) ৭০০

(গ) ভীষ্ম

৪ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তিত্ব হ'ল ব্যক্তিৰ আচৰণৰ সামগ্রিক প্রকৃতি।

৫ নং প্রশ্নৰ উত্তৰ ঃ 'অঞ্জ্'।

৬ নং প্রশ্নৰ উত্তৰ ঃ শাৰীৰিক, মানসিক, বৌদ্ধিক, সামাজিক মূল্যবোধ আৰু আধ্যাত্মিক দিশ।

৭ নং প্রশ্নৰ উত্তৰ ঃ গুড়াকেশ মানে— 'যি নিদ্রাক জয় কৰিছে' আৰু অচ্যুত মানে 'যি চঞ্চল নহয়।'

৮ নং প্রশ্নৰ উত্তৰ ঃ ধর্মক্ষেত্রে কুৰুক্ষেত্রে সমবেতা যুযুৎসৱঃ।

মামকা ঃ পাণ্ডৱাশ্চৈ চ কিমকুর্ৱত সঞ্জয়।।

৯ নং প্রশ্নৰ উত্তৰ ঃ কৌৱৱসকল।

⑦ ১৪.১১ আৰ্হি প্রশ্ন

(ক) বস্তুধর্ম প্রশ্ন

প্রশ্ন ১ ঃ ব্যক্তিত্ব শব্দৰ অর্থ লিখক।

প্রশ্ন ২ ঃ 'বিকসনম্' পদৰ ব্যুৎপত্তি নির্ণয় কৰক।

(খ) চমু প্রশ্ন

প্রশ্ন ১ ঃ ব্যক্তিত্ব বিকাশত সহায় কৰা যিকোনো এটা দিশৰ বর্ণনা দিয়ক।

প্রশ্ন ২ ঃ গীতাৰ চমু পৰিচয় লিখক।

(গ) ৰচনাধর্মী প্রশ্ন

প্রশ্ন ১ ঃ ব্যক্তিত্ব বিকাশত গীতাৰ ভূমিকা বর্ণনা কৰক।

*** ***** ***

প্রসংগ পুথি

- কৌটিলীয় অর্থশাস্ত্র, আৰ পি কাঙ্গল, মোতিলাল বানাৰসীদাস পাবলিচার্ছ প্রাইভেট লিমিটেড, দিল্লী ১৯৯৭ (পুনর্মুদ্রণ)
- কৌটিলীয় অর্থশাস্ত্র, ডº অনিল চন্দ্র বসু, সংস্কৃত বুক ডিপো, কোলকাতা, দ্বিতীয় সংস্কৰণ ২০০১।
- কৌটিল্য অন্ ৰাজনীতি, কে পি মেনন, ৰাষ্ট্রীয় সংস্কৃত সংস্থান, নিউ দিল্লী, ১৯৯৮।
- কৌটিলীয়ম্ অর্থশাস্ত্রম্, শ্রীবিশ্বনাথৰামচন্দ্র, শ্রীগীর্বাণবাগ্ধর্ধিনীসভা, বাৰানসী।
- গিৰি, কপিলদেব, সম্পাদক; *নাৰায়ণ বিৰচিত হিতোপদেশ মিত্রলাভঃ* চৌখম্বা পাব্লিশর্স, বাৰাণসী - ২২১০০১ (ভাৰত)।
- শর্মা, ডঃ মুকুন্দ মাধৱ, *হিতোপদেশ,* অসম প্রকাশন পৰিষদ, ৯ ম সংস্কৰণ, ২০০০, গুৱাহাটী-(বামুনীমৈদাম)।
- Kale, M.R, *The Hitopadesa of Narayana*, Motilal Banarsidass Publishers Private Limited, 6th edition, 2004, New Delhi - 7
- শর্মা, ডঃ থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত,* চন্দ্রপ্রকাশ, গুৱাহাটী।
- Shastri Dharmendra Nath (January 2003), *Sanskrit in 30 Lectures,* D.A.V. College Managing Committee.
- সু শাস্ত্রী, ৰোহিণী কুমাৰ, *সুভাষিতম্*।
- শর্মা, থানেশ্বৰ (২০১৫), সংস্কৃত সাহিত্যৰ ইতিবৃত্তি, গুৱাহাটী- ১ ঃ চন্দ্র প্রকাশ।
- शर्मा, उमाशङ्कर (2022), शंस्कृत साहित्य का इतिहास, वाराणसी : चौखम्भा भारती अकादमी।
- নেওগ, মহেশ্বৰ (১৯৯১), *পবিত্র অসম,* গুৱাহাটী লয়ার্ছ বুক ষ্টল।
- ভট্টাচার্য, হিতেন্দ্র নাথ আৰু ভট্টাচার্য, সুৰেশ চন্দ্র, সম্পাদিত (২০০৯), *অসমৰ প্রাচীন দ'ল-দেৱালয়,* গুৱাহাটী ঃ সদৌ অসম দেৱালয় সংঘ শ্রীশ্রী জনার্দন দেৱালয়, শুক্রেশ্বৰ।
- কানে, পি, ভি, (১৯৬৮), *হিষ্ট্ৰী অব্ ধর্মশাস্ত্র (খণ্ড-১, অংশ-১),* পুনা ঃ ভাণ্ডাৰকাৰ অৰিয়েণ্টেল ৰিচার্ছ ইনষ্টিটিউট।
- *কালচাৰেল হেৰিটেজ অব্ ইণ্ডিয়া (খণ্ড-২),* (১৯৬২), কলকাতা ঃ ৰামকৃষ্ণ মিচন, ইনষ্টিটিউট অব্ কালচাৰ।
- ঝা, গঙ্গানাথ, (১৯২৯), *মনুস্মৃতি, কম্পাৰেটিভ,* কলকাতা ঃ ইউনিভার্চিটি অব্ কলকাতা।
- স্বাঈন, বি কে, (২০০৪), *দ্য ধর্মশাস্ত্র— এন ইণ্ট্রডাক্টৰী এনালাইচিচ,* (সম্পাদিত), দিল্লী ঃ অক্ষয় প্রকাশন।
- *বিদ্যাভূষণ,* শ্যামকান্ত, *মনুসংহিতা,* কলিকতা ঃ ভোলানাথ ব্রাডার্চ এণ্ড কোং।
- শর্মা, কিৰণ, (২০০৮), *মনুসংহিতা,* গুৱাহাটী ঃ চন্দ্র প্রকাশ।
- Swain, (Dr.) Braja Kishore, (2006), *Naradasmrti*, Varanasi, Choukhambha Sanskrit Bhawan.
- Larivier, Richard W., (2003), *The Naradasmrti*, Delhi, Motilal Banarsidass.
- কাণে পি ভি, (১৯৯২), *ধর্মশাস্ত্র কা ইতিহাস প্রথম ভাগ,* লক্ষ্ণৌ ঃ উত্তৰ প্রদেশ হিন্দী সংস্থান।
- শর্মা, কিৰণ, (১৯৯৮), *মনুসংহিতা,* গুৱাহাটী, অসম বেদ বিদ্যালয়।
- বসু, সুমিতা, (১৪০৭ বংগাব্দ), *যাক্ষৱল্ক্যসংহিতা,* কোলকাতা, সংস্কৃত পুস্তক ভাণ্ডাৰ।
- Kane, P. V., (2006), *History of Dharmasastra*, Vol. I, Pune, Bhandarkar Oriental Research Institute.
- বসু (ন্যায়তীর্থ), সুমিতা, (১৪০৭ সাল), *যাজ্ঞৱল্ক্যসংহিতা,* ব্যৱহাৰ-অধ্যায়, কোলকাতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।
- ঝা, (ডº) শশিনাথ (সম্পাদিত), (২০০২), *যাজ্ঞৱল্ক্যসংহিতা,* ব্যৱহাৰ-অধ্যায়, দিল্লী ঃ ভাৰতীয় বিদ্যা প্রকাশন।

- Panda, (Dr.) R. K. (ed.), (2011). *Yajnavalkya-Samhita,* Delhi : Bharatiya Kala Prakashan.
- কাণে, (ড°) পাণ্ডুৰংগ বামন, (১৯৬৩), *ধর্মশাস্ত্র কা ইতিহাস* (হিন্দী), প্রথম ভাগ, লক্ষ্ণৌ ঃ উত্তৰ প্রদেশ হিন্দী সংস্থান।
- শাস্ত্রী, (পঃ) ৰাজেশ্বৰ দত্ত (সম্পাদিত), (২০০৫), *চৰকসংহিতা,* খণ্ড ১-২, বাৰানসী ঃ চৌখম্ভা ভাৰতী একাডেমী।
- পাণ্ডে, (ডাঃ) গঙ্গাসহায় (সম্পাদিত), (২০০৭), *চৰকসংহিতা,* ভাগ ১-২, বাৰানসী ঃ চৌখম্ভা সংস্কৃত সংস্থান।
- বার্ষ্ণেয়, চন্দ্রগুপ্ত, (২০০২), *চৰকসংহিতা,* জয়পুৰ ঃ ৰাজস্থান পত্রিকা প্রকাশন।
- Goswami, (Dr.) Dilip Kumar, (2018), *Essentials of Ayurveda,* Jorhat : Eastern Readers Publication.
- Dora, (Dr.) Ghanashyam, (2011), *Ayurvediya Hitopadesha,* Puri : Ethical Publications.
- শাস্ত্রী, ড° অম্বিকাদত্ত, (২০১৬), *সুশ্রুতসংহিতা,* বাৰানসী ঃ চৌখম্ভা সংস্কৃত সংস্থান।
- অত্রিদেৰ (সম্পাদিত), (২০১৫), *সুশ্রুতসংহিতা,* দিল্লী ঃ মোতীলাল বনাৰসীদাস।
- Dora, (Dr.) Ghanashyam, (2011), *Ayurvediya Hitopadesha,* Puri : Ethical Publications.
- Goswami, (Dr.) Dilip Kumar, (2018), *Essentials of Ayurveda,* Jorhat : Eastern Readers Publication.

- শর্মা, ড° থানেশ্বৰ; সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, চন্দ্রপ্রকাশ পাণবজাৰ, ১৯৯৫।
- চক্রবর্ত্তী, ড° সত্যনাৰায়ণ; পাণিনীয় শব্দশাস্ত্র, সংস্কৃত পুস্তক ভাণ্ডাৰ, কলকাতা, ২০০৩।
- হালদাৰ, শ্রীগুৰুপদ; ব্যাকৰণ দর্শনেৰে ইতিহাস, সংস্কৃত বুক ডিপো, কলকাতা, ২০০৬ (পুনর্মুদ্রণ)।
- Altekar A. S. 'Education in Ancient India', Delhi, Isha Books, 1934.
- কলিতা ড° উৎপল আৰু চহৰীয় ড° সোণালী বৰা, 'ভাৰতবর্ষত শিক্ষাৰ বিকাশ- ১' ডিব্রুগড়, তুষাৰ পাব্লিকেছনছ, ২০২০।
- কুমাৰ কৃষ্ণ, 'প্রাচীন ভাৰত কী শিক্ষা পদ্ধতি', নতুন দিল্লী, শ্রীসৰস্বতী সদন, ১৯৯৯।
- ডেকা ড° বীৰেন্দ্র, ডেকা ড° কন্দর্পকুমাৰ আদি, 'ভাৰতৰ শিক্ষাৰ ইতিহাস', পানবজাৰ, অশোক বুক ষ্টল, ২০২২।
- স্বামী প্রভুপাদ, (২০০৯); *শ্রীমদ্ভগৱদ্গীতা যথাযথ* ঃ লছ এঞ্জেল্ছ, লণ্ডন, ভক্তিবেদান্ত বুক ট্রাষ্ট।
- মজুমদাৰ, সুবোধ চন্দ্র, (১৯৭৩); *শ্রীমদ্ভগৱদ্গীতা,* কলকাতা ঃ দেৰ সাহিত্য কুটীৰ।
- শর্মা, ড° মুকুন্দ, (২০১১); *শিক্ষা মনোবিজ্ঞান,* গুৰাহাটীঃ অসম বুক ডিপো।

*** ***** ***